# ৰত্নপ্ৰভা ডঃ সুখ বৰুৱা

## ব্যক্তিত্ব, সৃষ্টি আৰু সান্নিধ্য





ঃ সম্পাদনা ঃ

অৰুণ বৰুৱা

## ৰত্নপ্ৰভা

# ড° সুখ বৰুৱা

## ব্যক্তিত্ব, সৃষ্টি আৰু সান্নিধ্য




**ঃ মুখ্য সম্পাদক ঃ**

**অৰুণ বৰুৱা**

*ৰত্নপ্ৰভা ড° সুখ বৰুৱা ঃ ব্যক্তিত্ব, সৃষ্টি আৰু সান্নিধ্য*

# ৰত্নপ্ৰভা ড° সুখ বৰুৱা (ব্যক্তিত্ব, সৃষ্টি আৰু সান্নিধ্য) স্মাৰক গ্ৰন্থ সম্পাদনা সমিতি ঃ

**ঃ উপদেষ্টা মণ্ডলী ঃ**

কুশল দত্ত

যদুনাথ পুৰী

অনুপজ্যোতি ভূঞা

**ঃ সভাপতি ঃ**

ড° অনিল শইকীয়া

**ঃ মুখ্য সম্পাদক ঃ**

অৰুণ বৰুৱা

**ঃ সম্পাদক মণ্ডলী ঃ**

ৰঞ্জু বড়া

প্ৰদীপ বৰুৱা

**ঃ সম্পাদনা সহযোগী ঃ**

দীপালী দত্ত শইকীয়া

*ৰত্নপ্ৰভা ড° সুখ বৰুৱা ঃ ব্যক্তিত্ব, সৃষ্টি আৰু সান্নিধ্য*

**RATNAPROBHA DR. SUKHA BARUAH :** A tribute book on the life and works of Dr. Sukha Baruah, edited by Mr. Arun Boruah and published by Dr. Sukha Baruah Smriti Rakshya Samittee.

Published on : September, 2023

**প্ৰকাশক ঃ**
ড° সুখ বৰুৱা স্মৃতি ৰক্ষা সমিতি

**প্ৰকাশকাল ঃ**
ছেপ্তেম্বৰ, ২০২৩

**সামগ্ৰিক পৰিকল্পনা ঃ**
ড° অনিল শইকীয়া
অৰুণ বৰুৱা

**অক্ষৰ বিন্যাস ঃ**
ৰাজুমণি চেতিয়া
ভূপেন চেতিয়া

**প্ৰচ্ছদ পৰিকল্পনা ও অলংকৰণ ঃ**
ৰঞ্জু বড়া

**মুদ্ৰণ ঃ**
**কল্পতৰু প্ৰেছ্ এণ্ড পাব্লিকেশ্যন**
১ নং সোণালী পথ, চকলীয়া মৰাণ, ডিব্ৰুগড়, অসম।

# শ্ৰদ্ধাৰে সোঁৱৰিছো ...



**ৰত্নগৰ্ভা ড° সুখ বৰুৱা**

**জন্ম ঃ ৩১ ডিচেম্বৰ, ১৯৪৬ চন**

**মৃত্যু ঃ ৩ ছেপ্তেম্বৰ ২০২৩ চন।**

# বংশ পৰিচয়

ঁ ফুলবৰ চেতিয়া
ঁ গুণলতা চেতিয়া

ঁ বুদুৰাম বৰুৱা
ঁ বিচিত্ৰা বৰুৱা

সুখ চেতিয়া —— বিনন্দ বৰুৱা

বিনন্দ বৰুৱা
ঁ সুখ বৰুৱা

ড° শ্যামল বৰুৱা
ৰ'জী বৰুৱা
- ৰীত
- লী

উজ্জ্বল বৰুৱা
প্ৰীয়ংকা বৰুৱা
- মৌ

লিপি বৰুৱা
হেমেন ডেকা
- গুণগুণ

सर्बानंद सोणोवाल
SARBANANDA SONOWAL

भारत 2023 INDIA

सत्यमेव जयते

मंत्री
पत्तन, पोत परिवहन और जलमार्ग एवं आयुष
भारत सरकार
Minister
Ports, Shipping & Waterways and AYUSH
Government of India

## শোকবাৰ্তা

মৰাণ মহিলা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষা, বিশিষ্টা শিক্ষাবিদ, সমাজসেৱী, সুলেখিকা ড° সুখ বৰুৱা বাইদেউৰ দেহাৱসান আমাৰ সমাজ জীৱনৰ বাবে এক অপূৰণীয় ক্ষতি। তেখেতে আজীৱন নাৰী শিক্ষাৰ প্ৰচাৰ-প্ৰসাৰৰ লগতে নাৰীৰ অধিকাৰৰ হকে বলিষ্ঠ ভূমিকা পালন কৰিছিল। সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰীৰূপেও কাৰ্যনিৰ্বাহ কৰা বাইদেৱে লেখা-মেলাৰ মাজেৰে চিন্তাশীল চেতনাৰ উন্মেষ ঘটাইছিল। বাইদেৱে আমাক যেতিয়াই লগ পাইছিল, সাৰুৱা কথা আৰু বহুমূলীয়া দিহা-পৰামৰ্শেৰে উদ্বুদ্ধ কৰিছিল। তেখেতে আমাক নিষ্ঠাৰে সমাজ তথা ৰাষ্ট্ৰৰ হকে কাম কৰি যাবলৈ অনুপ্ৰাণিত কৰিছিল। বাইদেউৰ সান্নিধ্যপূৰ্ণ সময়বোৰ আৰু প্ৰেৰণাদায়ক কথাবোৰ কেতিয়াও পাহৰিব নোৱাৰোঁ। তেখেতৰ জীৱনজোৰা সাধনা আৰু অমূল্য কৰ্মৰাজিয়ে নাৰীশক্তিৰ লগতে নৱপ্ৰজন্মক অনুপ্ৰাণিত কৰি থাকিব বুলি আমাৰ গভীৰ বিশ্বাস। বাইদেউৰ বিদেহ আত্মাৰ সদগতি কামনা কৰিছোঁ আৰু লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ মোৰ গভীৰ সমবেদনা জ্ঞাপন কৰিলোঁ। ওঁ শান্তি!

নতুন দিল্লী

৮ ছেপ্টেম্বৰ ২০২৩

(সৰ্বানন্দ সোণোৱাল)

SAGARMALA

स्वच्छ भारत
एक कदम स्वच्छता की ओर

आज़ादी का अमृत महोत्सव

Room No. 201, Transport Bhawan, 1, Sansad Marg, New Delhi - 110001, Ph. : 011-23717422, 23717423, 23717424 (O), 23356709 (F)
E-mail : minister-shipping@gov.in; Website : www.shipmin.gov.in
Room No. 101, AYUSH Bhawan 'B' Block, GPO Complex, INA, New Delhi-110023, Tel.: 011-24651955, 24651935
E-mail : minister-ayush@nic.in; Website : www.ayush.gov.in

**ড° হিমন্ত বিশ্ব শৰ্মা**
**Dr. Himanta Biswa Sarma**

সত্যমেব জয়তে

**মুখ্যমন্ত্ৰী, অসম**
**Chief Minister, Assam**

দিছপুৰ
২১ ভাদ, ১৪৩০ ভাস্কৰাব্দ
০৮ ছেপ্টেম্বৰ, ২০২৩ইং

# শোকবাণী

মৰাণৰ উযাপুৰ নিবাসী মৰাণ মহিলা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষা, সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ প্ৰাক্তন সভানেত্ৰী তথা বিশিষ্ট সাহিত্যিক ড° সুখ বৰুৱাৰ বিয়োগত মই মৰ্মাহত হৈছোঁ। তেখেতৰ বিয়োগে পৰিয়াল, আত্মীয়-স্বজন তথা শুভাকাংক্ষীসকলৰ মাজত গভীৰ শোকৰ ছাঁ পেলাইছে। ময়ো তেওঁলোকৰ দুখৰ সমভাগী হোৱাৰ লগতে এই দুখৰ সময়ত সহমৰ্মিতা প্ৰকাশ কৰিছোঁ।

জ্ঞান আৰু প্ৰজ্ঞাৰ নিৰলস সাধনাৰে এগৰাকী সাহিত্যিকে সমাজখনত শক্তিশালী বৌদ্ধিক পৰিৱেশ গঢ়ি তোলাৰ দিশত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। তেওঁলোকে সমাজ জীৱনৰ বাস্তৱ প্ৰতিচ্ছবি সাহিত্যৰ মাজেৰে প্ৰতিফলিত কৰি মানুহক মাৰ্গ দৰ্শন দেখুৱায়। তেনে এগৰাকী সাহিত্যিক আছিল ড° সুখ বৰুৱা। ঐতিহ্যৰ আধাৰত গঢ় লৈ উঠা চেতনাস্ৰোত, পৰম্পৰা, সাংস্কৃতিক-আধ্যাত্মিক আদি দিশত সুগভীৰ গৱেষণা মূলক গ্ৰন্থ প্ৰণয়ন কৰি ড° বৰুৱাই নতুন প্ৰজন্মক নিজস্ব সত্বাৰে উদ্ভাষিত কৰাৰ দিশত নতুন পথৰ সন্ধান দি গৈছে। আহোমসকলৰ উৎসৱ-অনুষ্ঠান, বুৰঞ্জীয়ে পৰশা মধ্যযুগৰ সোণালী সুবাস, টাই আহোমসকলৰ স্বকীয় ধৰ্মীয় পৰম্পৰা আদি সমৃদ্ধ সাহিত্যৰাজিৰ মাজেৰে অসমীয়া সাহিত্যৰ ভঁৰাল তেখেতে চহকী কৰি গ'ল। বিশিষ্ট গৱেষক পণ্ডিত তথা শিক্ষাবিদ গৰাকীয়ে টাই সাহিত্য সংস্কৃতিৰ বহু দিশ অৱলোকন কৰি প্ৰস্তুত কৰা গ্ৰন্থই তেখেতৰ সমাজ আৰু জীৱন বীক্ষাৰ এক নিটোল ছবি পৰিস্ফুট কৰে। মৰাণ অঞ্চলৰ নাৰী সবলীকৰণৰ দিশত শিক্ষাই ল'ব পৰা গুৰুত্বপূৰ্ণ ভূমিকাৰ প্ৰতি লক্ষ্য ৰাখি তেখেতে মৰাণ মহিলা মহাবিদ্যালয় প্ৰতিষ্ঠা কৰি বিদ্যায়তনিক ক্ষেত্ৰখনলৈ যথেষ্ট অৱদান যোগাই গৈছে। সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ এই গৰাকী প্ৰাক্তন সভানেত্ৰীয়ে নতুন লেখিকাসকলক অনুপ্ৰেৰণা যোগাই এক সুকীয়া পৰিচয় লাভ কৰিছে। ডিমৌ মহাবিদ্যালয়, মৰাণ জাতীয় বিদ্যালয় পৰিচালানা সমিতি, অসম মহিলা কবি মঞ্চকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত থাকি সামাজিক, বৌদ্ধিক দিশলৈ আগবঢ়াই যোৱা বৰঙণি সদায় অম্লান হৈ ৰ'ব। এই গৰাকী বিশিষ্ট শিক্ষাবিদ তথা সাহিত্যিকৰ বিয়োগ সমাজ জীৱনৰ বাবে এক অপূৰণীয় ক্ষতি।

মই প্ৰয়াত ড° সুখ বৰুৱাৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিলোঁ।

(ড° হিমন্ত বিশ্ব শৰ্মা)

**Topon Kumar Gogoi**
MEMBER OF PARLIAMENT
(LOK SABHA)
12 No. Jorhat, HPC, Assam
Member
Standing Committee on
Petroleum and Natural Gas
Member
Consultative Committee
For Ministry of Power,
New & Renewable Energy

सत्यमेव जयते

Off. Add. 127-129
South Avenue
New Delhi-110001
Ph. 01123012123
Mob. 9435012570

Ref. শোকবাৰ্তা/০৭-২০২৩

Date ১০/০৯/২০২৩

# শোক বাৰ্তা

মৰাণ মহিলা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষা, সদৌ অসম মহিলা কবি মঞ্চৰ প্ৰতিষ্ঠাপক সভানেত্ৰী, সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ প্ৰাক্তন সভানেত্ৰী, পূৰ্বাঞ্চল তাই সাহিত্য সভাৰ প্ৰাক্তন উপ-সভানেত্ৰী, অসম সাহিত্য সভাৰ আজীৱন সদস্যা, বিশিষ্ট সাহিত্যিক, অসম চৰকাৰৰ সাহিত্যিক পেঞ্চনাৰ, বিশিষ্ট শিক্ষাবিদ, বিশিষ্ট সমাজকৰ্মী ড° সুখ বৰুৱা বাইদেউয়ে যোৱা ইং ০৩/০৯/২০২৩ তাৰিখ দেওবাৰে পুৱা ১১:০০ বজাত সকলোকে কন্দুৱাই মৃত্যু বৰণ কৰাৰ বাতৰি পাই অত্যন্ত মৰ্মাহত হৈছো। প্ৰয়াত সুখ বৰুৱা বাইদেউ সমগ্ৰ অঞ্চলটোৰ লগতে সমগ্ৰ অসমৰ শিক্ষা, সামাজিক আৰু সাংস্কৃতিক ক্ষেত্ৰৰ উন্নয়নৰ বাবে অহোপুৰুষাৰ্থ প্ৰয়াস কৰিছিল; তেখেতৰ মৃত্যু সমগ্ৰ অসমবাসীৰ বাবে এক অপূৰণীয় ক্ষতি।

শেষত তেখেতৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিলোঁ।

বিনীত

(তপন কুমাৰ গগৈ)
সাংসদ
১২ নং যোৰহাট লোকসভা সমষ্টি

**Jogen Mohan**
Minister of State
Revenue & Disaster Management (Ind.), PWD (MoS)
Govt. of Assam, Dispur

सत्यमेव जयते

Assam Secretariat
Block-D, 1st Floor, Room No. 101
Dispur, Guwahati-781006
Tel-cum Fax : 0361-2237093

তাৰিখ ঃ ০৮/০৯/২০২৩

# শ্ৰদ্ধাঞ্জলি

মৰাণ মহিলা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষা তথা ৰাজ্যখনৰে আগশাৰী সাহিত্যিক ড° সুখ বৰুৱাক হেৰুৱাই আমি সঁচাকৈ মৰ্মাহত হৈছোঁ। মৃত্যু অনিবাৰ্য, তথাপিও কিছুমান মৃত্যুক সহজে মানি লব নোৱাৰি। ড° সুখ বৰুৱাৰ মৃত্যুৰে যি অপূৰণীয় ক্ষতি সাধন কৰিলে তাক আজিৰ পজন্মই অনুভৱ কৰি তেখেতৰ অৱদানসমূহক আগুৱাই নিবলৈ চেষ্টা কৰিব লাগিব। তেখেতৰ কায়িক মৃত্যু হ'ল যদিও সৃষ্টি আৰু তেখেতৰ অৱদানসমূহ সদায় আমাৰ মাজত জীয়াই থাকিব। তেখেত আমাৰ সকলোৰে আদৰ্শ আৰু পথ প্ৰদৰ্শক আছিল।

তেখেত য'তেই আছে কুশলে থাকক, শান্তিত থাকক আৰু তেখেতৰ বিদেহ আত্মাই সদ্গতি লাভ কৰক।

(যোগেন মহন)
মন্ত্ৰী, অসম চৰকাৰ
ৰাজহ, দুৰ্য্যোগ ব্যৱস্থাপনা (স্বতন্ত্ৰ), গড়কপ্তানী (ৰাজিক)

**PABAN SINGH GHATOWAR**
**Former Union Minister**
**President, Assam Chah Mazdoor Sangha**

**ACMS Central Office, Jibon Phukon Nagar,**
P.O. C.R. Building, Dibrugarh - 786003 (Assam)
Phone No. (0373)2319199
Residence Gandhi Nagar, Dibrugarh - 786001 (Assam)
E-mail : pabansinghghatowar@gmail.com

তাৰিখ ঃ ০৮/০৯/২০২৩

# শ্ৰদ্ধাঞ্জলি

জন্ম-মৃত্যু এক চিৰন্তন সত্য। তথাপিও মানুহে অহৰহ মৃত্যুৰ কথা পাহৰি থাকিবলৈ প্ৰয়াস কৰে। কিয় জানো আমাৰ নিজৰ চিনাকীজনৰ মৃত্যুৰ খবৰে মনলৈ আনি দিয়ে এক বুজাব নোৱাৰা বেদনা। তেনে এক বেদনা দায়ক খবৰ আছিল ড০ সুখ বৰুৱা বাইদেউৰ মৃত্যুৰ বাতৰি। জন্ম-মৃত্যুৰ এই দীঘলীয়া পৰিক্ৰমাৰ মাজত আমাৰ সমাজৰ কিছুলোকে নিজ গুণ আৰু সৎ কৰ্মৰ যোগেদি সমাজত অস্বিত্বৰ চিন থৈ যাবলৈ সক্ষম হয়। এৰি যায় মচিব নোৱাৰা স্মৃতি। সুখ বাইদেউৰ গুণ-গৰিমা আৰু কৰ্মৰাজি সদায় আমাৰ মাজত স্মৰণীয় হৈ ৰ'ব।

১৯৭২ চনত মই মৰাণ চাহ মজদুৰ সংঘৰ সম্পাদক হিচাপে নিৰ্ব্বাচিত হৈ যোগদান কৰিছিলো। সেই সময়তে বাইদেউৰ লগত চিনাকী হোৱা সৌভাগ্য হৈছিল। সেয়াই আছিল আৰম্ভ। বাইদেউ-ভিনিদেউ লগতে ল'ৰা-ছোৱালী কিটাৰ লগতেময়ো পৰিয়ালটোৰ আপোনজন হৈ পৰিছিলো। সেই সম্বন্ধ বাইদেউৰ মৃত্যুলৈকে অটুট আছিল আৰু আছে।বাইদেউৰ ব্যক্তিত্বৰ বহু গুণৰ লগতে অতি সহজতে সকলোকে আপোন কৰি ল'ব পাৰিছিল। তেওঁ আছিল আমাৰ সকলোৰে সুচিন্তক পৰামৰ্শদাতা। বহু সামাজিক কামৰ ব্যস্ততাৰ মাজতো এগৰাকী সাহিত্যিক হিচাপে নিজৰ সৃষ্টি ৰাজিৰে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে। সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী দায়িত্ব পালন কৰাৰ উপৰিও সাহিত্যিক পেঞ্চনাৰ সন্মাননিত হৈছিল। মৰাণ মহিলা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষা হিচাপে অতি সুখ্যাতিৰে নিজৰ অৱদান আগবঢ়াইছিল। বহু অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত হৈ সামাজিক আৰু বৌদ্ধিক দিশত নিজৰ নিস্বাৰ্থ অৱদান আগবঢ়াই গৈছে।

এনে এগৰাকী বহু প্ৰতিভা সম্পন্ন ব্যক্তি মৃত্যুৰে আমাৰ সমাজৰ এক অপূৰনীয় ক্ষতি।

আজি তেখেতৰ আদ্যশ্ৰাদ্ধৰ পবিত্ৰ দিনটোত তেখেতৰ বহু স্মৃতিয়ে আমনি কৰিলেও তেখেতৰ পূণ্য আত্মাক একাজলি পুষ্পৰাজিৰে শ্ৰদ্ধাঞ্জলি জনাইছো। তেখেতৰ আত্মাই পৰমপিতা পৰমেশ্বৰৰ চৰণত চিৰশান্তি লাভ কৰক সেয়াই আমাৰ প্ৰাৰ্থনা। তেখেতৰ শোকসন্তপ্ত পৰিয়ালৰ সকলোকে গভীৰ সমবেদনা জ্ঞাপন কৰিলো।

**(পৱন সিং ঘাটোৱাৰ)**

**শ্ৰী দেৱব্ৰত শইকীয়া**
বিৰোধী দলপতি
অসম বিধান সভা
দিশপুৰ, গুৱাহাটী-৭৮১০০৬।

ফোন নং ঃ ০৩৬১-২২৬১৭০৩ (কাৰ্য্যলয়)
মবাইল নং ঃ ৯৪৩৫১০০০৯৭

তাৰিখঃ ০৯-০৯-২০২৩

**<u>শোকবাৰ্তা</u>**

অসমৰ এগৰাকী বিদুষী মহিলা মৰাণ কুৱৰী, বিশিষ্ট সমাজ সংগঠক সু-সাহিত্যিক, প্ৰথিতযশা শিক্ষাবিদ তথা নাৰী শিক্ষাৰ বাটকটীয়া ড° সুখ বৰুৱা ডাঙৰীয়ানীৰ মৃত্যুৰ খৱৰ পাই অতি দুখ পাইছো। তেখেতে মৰাণত ‘মৰাণ শাখা লেখিকা সমাৰোহ সমিতি, সংঘমিত্ৰা জাতীয় বিদ্যালয় প্ৰতিস্থা আদিৰ উপৰিও ১৬ খন গ্ৰন্থ ৰচনা কৰে তাৰোপৰিও ১২ গ্ৰন্থ সম্পাদনা কৰিছিল। ড° সুখ বৰুৱা ডাঙৰীয়ানীয়ে অসমৰ সমাজ জীৱনৰ বাবে যিখিনি অৱদান আগবঢ়াই গৈছে সেয়া আমাৰ মাজত সদায় স্মৰণীয় হৈ ৰ'ব।

তেখেতৰ বিদেহ আত্মাৰ সদগতি প্ৰাৰ্থনা কৰিছো আৰু শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ আন্তৰিক সমবেদনা জ্ঞাপন কৰিলো।

দেৱব্ৰত শইকীয়া
(দেৱব্ৰত শইকীয়া)

## সদৌ অসম লেখিকা সমাৰোহ সমিতি

**শ্বহীদ চাৰিআলি, পদুম পুখুৰী পাৰ, তেজপুৰ**

স্থাপিত ঃ ২ নবেম্বৰ, ১৯৭৪ চন

পঞ্জীয়ন নং - RS/SPR/242/10 of 2021-22

প্ৰসঙ্গ ঃ ..................................... দিনাংক ঃ ...........................

প্ৰতিষ্ঠাপক সভানেত্ৰী
ড° শীলা বৰঠাকুৰ

সভানেত্ৰী
সূৱৰ্ণ শইকীয়া বৰদলৈ
মিলনপুৰ, ৱাৰ্ডনং - ৫
ডাক ঃ বোকাখাট
জিলা ঃ গোলাঘাট
পিন ঃ ৭৮৫৬১২
মো ঃ ৭০৮৬২২৩০৩৬


প্ৰধান সম্পাদিকা
মনোমতী কুৰ্মী
উষানগৰ, উপপথ-৯
ডাকঃ তেজপুৰ
জিলা ঃ শোণিতপুৰ
পিন ঃ ৭৮৪০০১
মো ঃ ৯৪৩৫০৮২৫২২
৭৮৯৬৮৬০৪৯৩
monomati57@gmail.com

# শোক বাৰ্তা

গত ৩ ছেপ্তেম্বৰ ২০২৩ তাৰিখে সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ প্ৰাক্তন সভানেত্ৰী ড° সুখ বৰুৱাৰ মৃত্যুৰ বাতৰিয়ে সমিতিৰ সকলো সদস্যাকে কন্দুৱাই গ'ল। মৰাণ মহিলা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষা তথা ৰাজ্যখনৰে আগশাৰী সাহিত্যিক ড° সুখ বৰুৱাক মৃত্যুত সদৌ অসম লেখিকা সমাৰোহ সমিতিয়ে যোৱা ৩ ছেপ্তেম্বৰ ২০২৩ তাৰিখে অনুষ্ঠিত শোক সভাত গভীৰ শোক প্ৰকাশ কৰি শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে আৰু তেখেতৰ আত্মাৰ সদ্‌গতিৰ অৰ্থে পৰমপিতাৰ ওচৰত মৌন প্ৰাৰ্থনা জনোৱা হয়।

Subarna Saikia Bordoloi
সভানেত্ৰী
সদৌ অসম লেখিকা সমাৰোহ সমিতি


সদৌ অসম মহিলা কবি মঞ্চ
শোক প্ৰস্তাৱ



OFFICE OF THE PRINCIPAL & SECRETARY

MORAN MAHILA MAHAVIDYALAYA

মৰাণ মহিলা মহাবিদ্যালয়

Estd : 1992

NAAC ACCREDITED - 'B' GRADE (CGPA : 2.34)

(Arts Stream Degree College Affiliated to Dibrugarh University and 2(f) and 12(B) under UGC Act)

P.O. Moranhat, Dist.: Charaideo (Assam), Pin. 785670

শোকপ্ৰস্তাৱ


মৰাণ মহিলা মহাবিদ্যালয়ৰ পৰিচালনাৰ্থে হৈ -

(জয়শ্ৰী ফুকন)

অধ্যক্ষ

মৰাণ মহিলা মহাবিদ্যালয়।


মৰাণ প্ৰেছ ক্লাব
MORAN PRESS CLUB
ESTD. 1992
শোক
বাৰ্তা


Cinnamara College
NAAC Grade : B++
Cinnamara, Jorhat-8, Assam
Affiliated to Dibrugarh University & Provincialised
ESTD: 1991
Website:www.cinnamaracollege.org
Email: principalcinnamaracollege25@gmail.com
শোক প্ৰস্তাৱ

ঐক্য শান্তি সম্প্ৰীতি

**সদৌ অসম বংগীয় অসমীয়া সমাজ**

**কেন্দ্ৰীয় সমিতি**

মুখ্য কাৰ্যালয় ঃ ৰাজগড়

**SHADOW ASSAM BONGIA ASOMIYA SAMAJ**

**CENTRAL COMMITTEE**

Head Office : Rajgarh-786611, Dist - Dibrugarh, Assam

প্ৰসংগ নং.............................. তাৰিখ: ০৯-০৯-২০২৩



# শোক প্ৰস্তাৱ

সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ প্ৰাক্তন সভানেত্ৰী, মৰাণ মহিলা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষা, সু-লেখিকা, সাহিত্যিক পেঞ্চনাৰ, সমাজকৰ্মী, শিক্ষাব্ৰতী ড° সুখ বৰুৱাৰ যোৱা ৩ চেপ্তেম্বৰ, ২০২৩ তাৰিখে বিয়োগ হয়। তেখেতৰ বিয়োগে আমাক মৰ্মাহত কৰি তুলিছে।

প্ৰয়াত ড° সুখ বৰুৱাই মৰাণ মহিলা মহাবিদ্যালয় প্ৰতিষ্ঠাৰে স্ত্ৰী শিক্ষা প্ৰসাৰৰ যোগেদি শৈক্ষিক ক্ষেত্ৰখনলৈ আগবঢ়োৱা অৱদান বৃহত্তৰ মৰাণ অঞ্চলৰ শৈক্ষিক ইতিহাসত সোণালী আখৰেৰে লিপিবদ্ধ হৈ থাকিব। জীৱনকালত তেখেতে বহু শৈক্ষিক সামাজিক অনুষ্ঠানক সুদক্ষ নেতৃত্ব প্ৰদানেৰে সফলতাৰ পথ প্ৰশস্ত কৰাৰ উপৰিও নাৰী সৱলীকৰণৰ ক্ষেত্ৰত গ্ৰহণ কৰা পদক্ষেপসমূহ সদায় অনুকৰণীয় হৈ ৰ'ব। আমাৰ অভিভাৱক স্বৰূপ ড° সুখ বৰুৱাৰ বিয়োগে অসমৰ শৈক্ষিক-সামাজিক ক্ষেত্ৰখনৰ বাবে অপূৰণীয় ক্ষতি।

স্বৰ্গগামী ড° সুখ বৰুৱাৰ আত্মাই চিৰশান্তিৰ কামনাৰে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে আজি শোকসন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰোঁ।

(প্ৰদীপ সেনশৰ্মা)
সভাপতি
সদৌ অসম বংগীয় অসমীয়া সমাজ

## ‘ৰত্নগৰ্ভা’ ড° সুখ বৰুৱা ডাঙৰীয়ানীৰ ‘ৰাজহুৱা শ্ৰদ্ধাঞ্জলী অনুষ্ঠান’ত অংশগ্ৰহণ কৰা দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানৰ তালিকা ঃ

১) মৰাণ মহিলা মহাবিদ্যালয়
২) সদৌ অসম ছাত্ৰ সন্থা
৩) মৰাণ আঞ্চলিক ছাত্ৰ সন্থা
৪) মৰাণ শাখা সাহিত্য সভা
৫) মৰাণ মহাবিদ্যালয়
৬) অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, কেন্দ্ৰীয় সমিতি
৭) অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, মৰাণ আঞ্চলিক সমিতি
৮) মৰাণ আঞ্চলিক মহিলা মঞ্চ ‘সংঘমিত্ৰা’
৯) সংঘমিত্ৰা জাতীয় বিদ্যালয়
১০) মৰাণ বাণিজ্য মহাবিদ্যালয়
১১) সদৌ অসম লেখিকা সমাৰোহ সমিতি, কেন্দ্ৰীয় সমিতি
১২) সদৌ অসম লেখিকা সমাৰোহ সমিতি, মৰাণ শাখা
১৩) সদৌ অসম লেখিকা সমাৰোহ সমিতি, চকলীয়া শাখা
১৪) সদৌ অসম লেখিকা সমাৰোহ সমিতি, নাজিৰা শাখা
১৫) সদৌ অসম লেখিকা সমাৰোহ সমিতি, গড়গাঁও শাখা
১৬) সদৌ অসম লেখিকা সমাৰোহ সমিতি, ডিব্ৰুগড় জিলা শাখা
১৭) ৰেড ক্ৰুছ চ’চাইটি, চৰাইদেউ জিলা শাখা
১৮) মিলিত শিল্পী সমাজ, মৰাণ
১৯) ওমেন এন্টাৰপ্ৰাইজ, মৰাণ
২০) বকতা-খালৈঘোগুৱা সংস্কৃতি আৰু জনকল্যাণ সমিতি
২১) সদৌ অসম মহিলা কবি মঞ্চ
২২) ডিব্ৰুগড় মহিলা কবি মঞ্চ
২৩) সোণাৰি মহিলা কবি মঞ্চ
২৪) মৰাণ মহিলা কবি মঞ্চ
২৫) সুমন কবি চক্ৰ, লেঙেৰী
২৬) ডিব্ৰুগড় নাগৰিক মঞ্চ
২৭) মৰাণ জাতীয় বিদ্যালয়
২৮) সন্মিলিত মহিলা মঞ্চ
২৯) অসম জাতীয় পৰিষদ, মাহমৰা সমষ্টি সমিতি

৩০) ডিব্ৰুগড় জ্যেষ্ঠ নাগৰিক পৰিষদ
৩১) মৰাণহাট ক্ৰীড়া সন্থা
৩২) লাচিত নগৰ মহিলা সমিতি
৩৩) সদৌ অসম মহিলা কৰ্মচাৰী সন্থা, কেন্দ্ৰীয় সমিতি
৩৪) সদৌ অসম মহিলা কৰ্মচাৰী সন্থা, মৰাণ শাখা
৩৫) 'আমি' নাট্যগোষ্ঠী, মৰাণ
৩৬) মৰাণ মহকুমা সাংবাদিক মঞ্চ
৩৭) সদৌ অসম কবি সন্মিলন, কেন্দ্ৰীয় সমিতি
৩৮) সদৌ অসম কবি সন্মিলন, মৰাণ শাখা
৩৯) মৰাণ টাউন মধ্য ইংৰাজী বিদ্যালয়
৪০) মৰাণ জিলা ক্ৰীড়া সন্থা
৪১) মৰাণ টাউন ক্লাব
৪২) মৰাণ নাগৰিক সমাজ
৪৩) টাই অধ্যয়ন আৰু গৱেষণা প্ৰতিষ্ঠান, মৰাণহাট
৪৪) মাৰোৱাৰী সন্মিলন, মৰাণ শাখা
৪৫) মাৰোৱাৰী সমাজ, মৰাণ শাখা
৪৬) 'জোনাকী মেল' মৰাণ
৪৭) সদৌ অসম বঙ্গীয় অসমীয়া সমাজ
৪৮) কবি-সাংবাদিক-লেখকৰ মঞ্চ 'আলাপ'
৪৯) সদৌ অসম লেখিকা সংস্থা, কেন্দ্ৰীয় সমিতি
৫০) সদৌ অসম লেখিকা সংস্থা, মৰাণ শাখা
৫১) অৰুণোদয় সংবাদ গোষ্ঠী, মৰাণ
৫২) গ্ৰাম্য সাংবাদিক সংস্থা, অসম
৫৩) মৰাণহাট প্ৰেছ ক্লাব
৫৪) প্ৰজাপিতা ব্ৰহ্মকুমাৰী ঈশ্বৰীয় বিশ্ববিদ্যালয়, মৰাণ কেন্দ্ৰ
৫৫) সদৌ অসম চাহু বৈশ্য সন্মিলন, কেন্দ্ৰীয় সমিতি
৫৬) সদৌ অসম চাহু বৈশ্য সন্মিলন, মৰাণ শাখা
৫৭) ৰবিষষ্ঠী সৰোবৰ সমিতি, মৰাণ
৫৮) মাৰোৱাৰী যুব মঞ্চ, মৰাণ শাখা
৫৯) মাৰোৱাৰী মহিলা মঞ্চ, মৰাণ শাখা
৬০) ৰাধাকৃষ্ণ বিবাহ ভৱন, মৰাণহাট
৬১) 'টাইপা', চৰাইদেউ জিলা সমিতি
৬২) ডিব্ৰুগড় জিলা মাধ্যমিক শিক্ষক আৰু কৰ্মচাৰী সন্থা

৬৩) চেপন মহাবিদ্যালয়
৬৪) মৰাণ চিনিয়'ৰ চেকেণ্ডাৰী স্কুল
৬৫) 'আটাছু', মৰাণ আঞ্চলিক সমিতি
৬৬) অসম প্ৰদেশ কংগ্ৰেছ কমিটি
৬৭) মৰাণ নগৰ উচ্চ মাধ্যমিক বিদ্যালয়
৬৮) ভাস্কৰজ্যোতি সংঘ, ফটিকাছোৰা, মৰাণ
৬৯) নবাৰুণ সংঘ, নতুন নগৰ, মৰাণ
৭০) মৰাণ প্ৰেছ ক্লাব
৭১) মৰাণ নাট্য সমাজ
৭২) মাহমৰা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়
৭৩) আউনীআটী বিশ্ববিদ্যালয়, মৰাণ শাখা
৭৪) উষাপুৰ নামঘৰ পৰিচালনা সমিতি
৭৫) কুশল নগৰ মহিলা সমিতি
৭৬) 'আছা', কেন্দ্ৰীয় সমিতি
৭৭) উষাপুৰ কলা-কৃষ্টি বিকাশ কেন্দ্ৰ, মৰাণহাট

# শোকপ্ৰস্তাৱ প্ৰেৰক —
# ব্যক্তিবিশেষ, দল-সংগঠন আৰু অনুষ্ঠান-প্ৰতিষ্ঠানৰ তালিকা ঃ

◆ সৰ্বানন্দ সোনোৱাল
◆ ড° হিমন্ত বিশ্ব শৰ্মা
◆ তপন কুমাৰ গগৈ
◆ যোগেন মহন
◆ পৰন সিং ঘাটোৱাৰ
◆ দেৱব্ৰত শইকীয়া
◆ সদৌ অসম লেখিকা সমাৰোহ সমিতি, কেন্দ্ৰীয় সমিতি
◆ সদৌ অসম মহিলা কবি মঞ্চ, কেন্দ্ৰীয় সমিতি
◆ সদৌ অসম বংগীয় অসমীয়া সমাজ, কেন্দ্ৰীয় সমিতি
◆ মৰাণ মহিলা মহাবিদ্যালয়
◆ মৰাণ মহাবিদ্যালয় শিক্ষক গোট
◆ মৰাণ বাণিজ্য মহাবিদ্যালয়
◆ পিথুবৰ গাৰ্লছ ডিগ্ৰী কলেজ, খোৱাং
◆ চিনামৰা কলেজ, যোৰহাট
◆ লেঙেৰী জুনিয়ৰ কলেজ
◆ অইল ইণ্ডিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়
◆ দিচাপানী উচ্চতৰ মাধ্যমিক বিদ্যালয়
◆ ৰামচন্দ্ৰ আগৰৱালা উচ্চতৰ মাধ্যমিক বিদ্যালয়
◆ মৰাণ আদৰ্শ প্ৰাঃ বিদ্যালয়
◆ সংঘমিত্ৰা জাতীয় বিদ্যালয়
◆ বকতা-খালৈঘোগুৱা সংস্কৃতি আৰু জনকল্যাণ সমিতি
◆ টাই অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰ, মৰাণ
◆ মিলিত শিল্পী সমাজ
◆ পূৰ্বাঞ্চল তাই সাহিত্য সভা, মৰাণ শাখা

◆ সদৌ অসম মহিলা কৰ্মচাৰী সন্থা, মৰাণ শাখা
◆ বিহু সুৰক্ষা সমিতি, অসম, চৰাইদেউ জিলা সমিতি
◆ মৰাণ শাখা সাহিত্য সভা
◆ খোৱাং শাখা সাহিত্য সভা
◆ মৰাণ প্ৰেছ ক্লাব
◆ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, মগৰাহাট প্ৰাথমিক শাখা
◆ অসমীয়া যুৱ মঞ্চ, মৰাণ আঞ্চলিক সমিতি
◆ সদৌ অসম চাহু বৈশ্য সন্মিলন, মৰাণ শাখা
◆ অসম জ্যেষ্ঠ নাগৰিক সন্মিলন, মৰাণ শাখা
◆ মৰাণ আঞ্চলিক মহিলা মঞ্চ — সংঘমিত্ৰা
◆ লাচিত নগৰ মহিলা সমিতি, মৰাণ
◆ বেতবাৰী বৰকুড়ি চেতিয়া গাঁৱৰ বৰনামঘৰ, বেতবাৰী
◆ কামৰূপ মহানগৰ জিলা লেখিকা সমাৰোহ সমিতি
◆ অবিভক্ত শিৱসাগৰ জিলা লেখিকা সমাৰোহ সমিতি
◆ যোৰহাট জিলা লেখিকা সমাৰোহ সমিতি
◆ ধেমাজি জিলা লেখিকা সমাৰোহ সমিতি
◆ ডিব্ৰুগড় জিলা লেখিকা সমাৰোহ সমিতি
◆ মৰাণ শাখা লেখিকা সমাৰোহ সমিতি
◆ চেপন চকলীয়া শাখা লেখিকা সমাৰোহ সমিতি
◆ ডিব্ৰুগড় শাখা লেখিকা সমাৰোহ সমিতি
◆ চাবুৱা শাখা লেখিকা সমাৰোহ সমিতি
◆ দুলীয়াজান শাখা লেখিকা সমাৰোহ সমিতি
◆ বৰপথাৰ কুমাৰণীছিগা শাখা লেখিকা সমাৰোহ সমিতি
◆ তিতাবৰ শাখা লেখিকা সমাৰোহ সমিতি
◆ ডুমডুমা শাখা লেখিকা সমাৰোহ সমিতি
◆ আমগুৰি শাখা লেখিকা সমাৰোহ সমিতি
◆ বিশ্ৰামপুৰ শাখা লেখিকা সমাৰোহ সমিতি
◆ বেতবাৰী বৃষ্টিবন্যা শাখা লেখিকা সমাৰোহ সমিতি
◆ খোৱাং শাখা লেখিকা সমাৰোহ সমিতি
◆ সদৌ অসম মহিলা কবি মঞ্চ, মৰাণ শাখা
◆ সদৌ অসম মহিলা কবি মঞ্চ, সোণাৰী শাখা

# সম্পাদকীয়...



## ড° সুখ বৰুৱাৰ জীৱন পৰিক্ৰমা...

অসমীয়া সমাজখনৰ অগ্ৰগতিত নাৰীৰ ভূমিকা অতুলনীয়। অসমীয়া নাৰীৰ বিভিন্ন দিশৰ অনবদ্য অৱদানেও আমাৰ সভ্যতা-সংস্কৃতিক ধন্য কৰিছে। প্ৰাচীন কালৰেপৰা মমতাময়ী, মহীয়সী নাৰীসকলে সমাজখন সকলো দিশৰ পৰাই সমৃদ্ধিশালী কৰাৰ ক্ষেত্ৰত অতি উল্লেখনীয় আৱদান যোগাই আহিছে। তাহানিতে অসমীৰ বুকুত জয়মতী, মূলাগাভৰু, ৰাণী সাধনী, কণকলতা, ভোগেশ্বৰী ফুকননী, ৰমণী গাভৰু, নংল্লক গাভৰু, কুৰংগনয়নী আদিয়ে জন্ম লাভ কৰি নাৰীৰ ত্যাগ আৰু সাহসৰ স্বৰ্ণাভ ইতিহাস ৰচনা কৰি থৈ গৈছে। এইসকল মহীয়সী তথা বীৰাংগণা নাৰীৰ স্বদেশ আৰু স্বজাতিৰ হকে আগবঢ়োৱা চৰম আত্মত্যাগে অসম মাতৃক যুগ যুগান্তলৈকে ধন্য কৰিছে। তেওঁলোকৰ ত্যাগ আৰু অৱদানৰ কাহিনী ইতিহাসৰ পাতত সদায় মচিব নোৱাৰাকৈ লিপিবদ্ধ হৈ আছে। শিক্ষা-দীক্ষ, কলা-সংস্কৃতি, সাহিত্য-বিজ্ঞান, ৰাজনীতি, সমাজ সংগঠন আদিৰ ক্ষেত্ৰতো অসমীয়া নাৰীৰ অৱদান সদায় চিৰস্মৰণীয় হৈ আছে। অসমী আইৰ বুকু মহিমামণ্ডিত কৰা সেইসকল মহিয়সী নাৰীৰ ভিতৰত- আইদেউ সন্দিকৈ, নলিনীবালা দেবী, নিৰ্মল প্ৰভা বৰদলৈ, মামনি ৰয়চম গোস্বামী, ৰীতা চৌধুৰি, ড° সুখ বৰুৱা আদিলৈকে (এখন দীঘলিয়া তালিকা হ'ব) মহিয়সী নাৰীসকলে অসমীয়া সমাজৰ অগ্ৰগতিৰ বাটত যথেষ্ট অৱদান আগবঢ়াইছে। সেয়ে কোৱা হয় সমাজৰ বহুমুখী বিকাশত নাৰী জাতি মেৰুদণ্ড স্বৰূপ।

বৰ্তমানলৈকে অসমত যিসকল মহিলাই শিক্ষা জগতৰ লগতে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি আৰু জাতীয় জীৱনলৈ অমূল্য বৰঙণি আগবঢ়াবলৈ সক্ষম হৈছে সেইসকলৰ ভিতৰত মৰাণ মহিলা মহাবিদ্যালয়ৰ প্ৰতিস্থাপক অধ্যক্ষা ড° সুখ বৰুৱা নিঃসন্ধেহে অন্যতম। তদুপৰি নাৰীৰ শিক্ষা সম্প্ৰসাৰণ, নাৰীসবলীকৰণ আৰু নাৰীৰ অধিকাৰ প্ৰতিষ্ঠা আদিৰ দৰে কৰ্মত নিৰবিচ্ছিন্নভাবে লাগি থকাৰ বাবে ড° সুখ বৰুৱা অসমৰ শিক্ষা জগতত এটি সুপৰিচিত নাম। ঐতিহ্যপূৰ্ণ শিৱসাগৰ জিলাৰ বেতবাৰীৰ বৰকুৰী চেতিয়া গাঁৱৰ এক নিম্ন মধ্যবিত্ত পৰিয়ালত ১৯৪৬ চনৰ ৩১ ডিচেম্বৰত ড° সুখ বৰুৱাৰ জন্ম হৈছিল। তেওঁৰ পিতৃৰ নাম আছিল স্বৰ্গীয় ফুলবৰ চেতিয়া আৰু মাতৃৰ নাম আছিল গুণলতা চেতিয়া। স্থানীয় বেতবাৰী প্ৰাথমিক বিদ্যালয়তে শিক্ষা জীৱন আৰম্ভ কৰি কলেজীয়া শিক্ষা লাভ কৰিছিল শিৱসাগৰ মহাবিদ্যালয়ৰ পৰা। তেখেতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰি উক্ত বিশ্ববিদ্যালয়ৰ পৰাই পৰৱৰ্ত্তী সময়ত পি. এইচ. ডি. ডিগ্ৰী সম্পূৰ্ণ কৰে। তেখেতে বেতবাৰী আদৰ্শ উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ৰ প্ৰতিস্থাপক প্ৰাক্তন প্ৰধান শিক্ষয়িত্ৰী, মৰাণ মহিলা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষা, সদৌ অসম লেখিকা সমাৰোহ সমিতি কেন্দ্ৰীয় সমিতিৰ প্ৰাক্তন সভানেত্ৰী আদিকে ধৰি বহুতো সামাজিক অনুষ্ঠান প্ৰতিষ্ঠানৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত আছিল। তদুপৰি মোৰ দৰে বহুতৰে বাইদেউ আছিল জীৱনৰ শিক্ষক, প্ৰকৃত পথ প্ৰদৰ্শক। আচলতে তেখেত আছিল মোৰ জীৱনৰ দ্বিতীয় মাতৃ। তেখেতে মোক প্ৰদান কৰা মাতৃত্বৰ ঋন কোনো কালে পূৰণ কৰা সম্ভৱ নহয়।

## *ৰত্নপ্ৰভা ড° সুখ বৰুৱা ঃ ব্যক্তিত্ব, সৃষ্টি আৰু সান্নিধ্য*

দৰাচলতে মানুহৰ জীৱন মহৎ হয় ত্যাগ, সাধনা আৰু মহৎ কৰ্মৰ মাজেৰে। ড° সুখ বৰুৱা অসমৰ তেনে এগৰাকী মহিলা যি ত্যাগ আৰু সাধনাৰ জৰিয়তে জনমানসত এগৰাকী সফল, সাহসী আৰু আদৰ্শ মহিলা হিচাপে প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছিল। শৈশৱৰ পৰা সৃষ্টিশীল কৰ্মত নিয়োজিত হৈ কবিতা, গল্প আৰু জীৱনীমূলক প্ৰবন্ধৰে সাহিত্য সৃষ্টিত প্ৰৱেশ কৰি ইতিমধ্যে ভালেমান তত্বগধুৰ প্ৰবন্ধ, গল্প আৰু কবিতা আদি অসমৰ বিভিন্ন বাতৰি কাকত, আলোচনী আদিত লিখি সকলোৰে মাজত এগৰাকী পৰিচিত ব্যক্তি হৈ উঠিছিল। ড° সুখ বৰুৱাই টাই সংস্কৃতিৰ অন্যতম গৱেষক হিচাপেও গৱেষণা গ্ৰন্থৰ প্ৰণয়ন আৰু প্ৰকাশৰ মাধ্যমেৰে সাহিত্য-সংস্কৃতিৰ পথাৰখন জীপাল কৰি থৈ গৈছে। একেধাৰে কবি, গল্পকাৰ, নিবন্ধকাৰ আৰু সমালোচক হিচাপে সাহিত্যৰ ক্ষেত্ৰখনত এটি উজ্জ্বল নক্ষত্ৰ ৰূপে পৰিচিত হৈছিল। বৰ্তমানলৈকে তেখেতে ১৬ খন খনতকৈ অধিক ভিন্নস্বাদৰ গ্ৰন্থ প্ৰকাশ কৰি গ্ৰন্থপ্ৰেমী ৰাইজক উপহাৰ দি গৈছে। সেইবোৰ হৈছে- আহোমসকলৰ উৎসৱ-অনুষ্ঠান (গৱেষণা গ্ৰন্থৰ), বুৰঞ্জীয়ে পৰশা মধ্যযুগৰ সোণালী সুবাস, টাই আহোমসকলৰ স্বকীয় ধৰ্মীয় পৰম্পৰা, টাই আহোমসকলৰ ঋতুকালীন উৎসৱ অনুষ্ঠান, প্ৰবন্ধ সমীক্ষণ, চিন্তা তৰংগ, শতাব্দীৰ লেখিকা, শব্দৰ স'তে আলাপ, দুবৰিত নিয়ৰৰ মুকুতা সৰে, শব্দ শিল্প, অপৰাজেয় আদি। ইয়াৰ উপৰি তেখেতে ১২ খনকৈ গ্ৰন্থ সম্পাদনাও কৰি গৈছে। তেখেতৰ সৃষ্টি, চিন্তা আৰু ব্যক্তিত্ব জীৱন পৰিক্ৰমাতকৈ বহু বেছি বিশাল আছিল। মানুহৰ ব্যক্তিত্ব জীৱনতকৈ যেতিয়া বিশাল হয় তেনে মানুহৰ কায়িক মৃত্যু হ'লেও ব্যক্তিত্ব সদায়ে অমৰ হৈ ৰয়।

এনে এগৰাকী মহিয়সী নাৰীৰ বিয়োগত অসমীয়া জাতীয় জীৱনৰ অপূৰণীয় ক্ষতি হ'ল। তেখেতৰ সৃষ্টি, চিন্তা আৰু ব্যক্তিত্ব নতুন প্ৰজন্মৰ বাবে সদায়ে পাথেয় হৈ ৰওক। শেষত বাইদেউৰ আত্মাৰ চিৰশান্তি কামনা কৰিছোঁ।

পৰিশেষত আপোনালোকক জনাও যে ড° সুখ বৰুৱাৰ দৰে ব্যক্তিক তুলি ধৰিব পৰাকৈ এখন গ্ৰন্থ প্ৰণয়ন কৰিবৰ বাবে যিমান সময়ৰ প্ৰয়োজন আছিল সম্পাদনাৰ লেখেৰে আমি সেই সময় লাভ নকৰিলোঁ। সেয়ে মাত্ৰ এসপ্তাহৰ ভিতৰতে এনে এটি বিশাল ব্যক্তিত্বক তুলি ধৰাৰ যি প্ৰয়াস কৰিলোঁ অজানিতে এই কাৰ্যত অনেক ভুল-ভ্ৰান্তি ৰৈ গৈছে। তদুপৰি অসমৰ বিভিন্ন প্ৰান্তৰ সকলো লেখক-লেখিকাৰ লেখাসমূহ সময়মতে আহি হাতত নপৰাৰ বাবেও বহু লেখা প্ৰকাশ কৰিবলৈ অসমৰ্থ হ'লোঁ। তেখেতসকলৰ ওচৰত আমি ক্ষমা প্ৰাৰ্থী।

এইসুযোগতে যিসকল লেখক-লেখিকাই আমাৰ এই গ্ৰন্থখনিত ড° সুখ বৰুৱাৰ জীৱন আলোকপাত কৰিলে তেখেতসকলৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰ'লো। এইক্ষেত্ৰত আমাৰ সম্পাদনাও তেনেই কেঁচা তথাপিও ৰাজহুৱা সভাই অৰ্পণ কৰা দায়িত্ব মূৰ পাতি লৈ পালনৰ চেষ্টাহে কৰিলোঁ। এই আপাহতে পৰিয়ালবৰ্গক কৃতজ্ঞতা জনোৱাৰ লগতে সম্পাদনা সমিতিৰ প্ৰতিজন সদস্যকে ধন্যবাদ জ্ঞাপন কৰিছো লগতে অতি কম সময়ৰ ভিতৰতে গ্ৰন্থখনি দায়িত্ব লৈ ছপা কৰি উলিয়াই দিয়াৰ বাবে কল্পতৰু প্ৰেছৰ স্বত্বাধিকাৰী আৰু কৰ্মকৰ্তাসকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

তাৰিখ ঃ ১১/০৯/২০২৩ **— অৰুণ বৰুৱা, সম্পাদক**

# ড° সুখ বৰুৱাৰ জীৱন পঞ্জী

| | |
|---|---|
| ১. নাম | ঃ **ড° সুখ বৰুৱা।** |
| ২. পিতৃৰ নাম | ঃ ঁ ফুলবৰ চেতিয়া। |
| ৩. মাতৃৰ নাম | ঃ ঁ গুণলতা চেতিয়া। |
| ৪. স্বামীৰ নাম | ঃ শ্ৰীযুত বিনন্দ বৰুৱা। |
| ৫. স্থায়ী ঠিকনা | ঃ উষাপুৰ মৰাণহাট, ডাক ঃ মৰাণহাট, জিলা ঃ শিৱসাগৰ, অসম-৭৮৫৬৭০। |
| ৬. জন্ম | ঃ ৩১ ডিচেম্বৰ ১৯৪৬ চন। |
| ৭. জন্মস্থান | ঃ বৰকুৰী চেতিয়া গাঁও, বেতবাৰী, শিৱসাগৰ, অসম। |
| ৮. ধৰ্ম | ঃ হিন্দু। |
| ৯. জাতি | ঃ আহোম। |
| ১০. শিক্ষাগত অৰ্হতা | ঃ এম. এ., পি এইচ. ডি.। |
| ১১. পৰিয়াল | ঃ দুই পুত্ৰ আৰু এগৰাকী কন্যা। |

**১২. শিক্ষা ঃ**

ক) প্ৰাথমিক আৰু মাধ্যমিক শিক্ষা - বেতবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়, বেতবাৰী।

খ) প্ৰাক্ স্নাতক আৰু স্নাতক শিক্ষা - শিৱসাগৰ কলেজ, জয়সাগৰ, শিৱসাগৰ।

গ) স্নাতকোত্তৰ আৰু ডক্টৰেট ডিগ্ৰী - ডিব্ৰুগড় বিশ্ববিদ্যালয়, ডিব্ৰুগড়, অসম।

**১৩. সামাজিক কৰ্ম জীৱন ঃ**

ক) প্ৰতিষ্ঠাপক প্ৰধান শিক্ষয়িত্ৰী, বেতবাৰী আদৰ্শ উচ্চ মাধ্যমিক বালিকা বিদ্যালয় (১৯৬৮-১৯৭০ চন)।

খ) সহ-শিক্ষয়িত্ৰী, মৰাণ বালিকা বিদ্যালয় (১৯৭৩-১৯৯২ চন)।

গ) প্ৰতিষ্ঠাপক অধ্যক্ষা, মৰাণ মহিলা মহাবিদ্যালয়, মৰাণহাট, শিৱসাগৰ (১৯৯২- ২০১৩, মাৰ্চ)। (চৰকাৰী সহ-শিক্ষয়িত্ৰীৰ চাকৰি ইস্তাফা দি নাৰী শিক্ষা প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে এককভাৱে মহাবিদ্যালয় স্থাপনত আত্মনিয়োগ)

ঘ) প্ৰতিষ্ঠাপক মুখ্য সম্পাদিকা, সংঘমিত্ৰা (মৰাণ আঞ্চলিক মহিলা মঞ্চ), স্থাপিত ১৯৯২ চন।

ঙ) প্ৰতিষ্ঠাপক সম্পাদিকা, সংঘমিত্ৰা হস্ত তাঁত বয়ন শিল্প প্ৰশিক্ষণ কেন্দ্ৰ, স্থাপিত ১৯৯২ চন।

চ) প্ৰতিষ্ঠাপক সম্পাদিকা, সংঘমিত্ৰা জাতীয় বিদ্যালয়, স্থাপিত ২০০১ চন।

ছ) প্ৰতিষ্ঠাপক সভানেত্ৰী, মৰাণ লেখিকা সমাৰোহ সমিতি আৰু ১৬ টা শাখা সমিতিৰ প্ৰতিষ্ঠাতা।

জ) সভানেত্ৰী, সদৌ অসম লেখিকা সমাৰোহ সমিতি (২০১৪-২০১৬ চন)।

ঝ) প্ৰাক্তন উপ-সভানেত্ৰী, পূৰ্ব্বাঞ্চল তাই সাহিত্য সভা।

ঞ) উপ-সভানেত্ৰী, জয়মতী ন্যাস সমিতি, গুৱাহাটী।

ট) আজীৱন সদস্যা, অসম সাহিত্য সভা, উপদেষ্টা, চৰাইদেউ জিলা সাহিত্য সভা।

ঠ) প্ৰাক্তন সঞ্চালিকা, মৰাণ জাতীয় বিদ্যালয়।

ড) প্ৰাক্তন সভানেত্ৰী, পৰিচালনা সমিতি, মৰাণ মহাবিদ্যালয় আৰু ডিমৌ মহাবিদ্যালয়।

ঢ) সভানেত্ৰী, পৰিচালনা সমিতি মৰাণ মহিলা মহাবিদ্যালয়। (২০১৮ চনৰ পৰা বৰ্তমানলৈ)

ণ) পৰিচালনা সমিতিৰ সদস্য ক্ৰমে- মৰাণ কলেজ (২০০৬-২০১১), নিতাই পুখুৰী কলেজ (২০০৮-২০১১), খোৱাং পিথুবৰ গাৰ্লছ কলেজ (২০১২-২০১৫ ৰ পৰা ২০১৫-২০১৭)।

ত) সভানেত্ৰী, অসম মহিলা কবি মঞ্চ।

থ) অসমৰ বিভিন্ন প্ৰান্তত নাৰী সজাগতা, নাৰী শিক্ষা আৰু নাৰী অধিকাৰৰ সম্পৰ্কে ৰাজ্যিক পৰ্যায়ত অনুষ্ঠিত হোৱা বিভিন্ন কৰ্মশালা আৰু আলোচনা চক্ৰত অংশগ্ৰহণ আৰু আঞ্চলিক পৰ্যায়ত স্বাস্থ্য সজাগতা, বিভিন্ন নাৰী সম্পৰ্কীয় সমস্যাৰ ওপৰত কৰ্মশালা, বক্তৃতানুষ্ঠানৰ আয়োজক আৰু অংশগ্ৰহণ।

১৪. **সাহিত্যিক জীৱন ঃ**

শৈশৱৰ পৰা সৃষ্টিশীল কৰ্মত নিয়োজিত হৈ কবিতা, গল্প আৰু জীৱনীমূলক প্ৰবন্ধৰে সপ্তম শ্ৰেণীত থাকোতেই সাহিত্য সৃষ্টিত প্ৰৱেশ কৰি ইতিমধ্যে ভালেমান তত্বগধুৰ প্ৰবন্ধ, গল্প আৰু কবিতা আদি অসমৰ বিভিন্ন বাতৰি কাকত, আলোচনী আদিত লিখি জনমানসত পৰিচয় হ'বলৈ সক্ষম হৈছো। টাই সংস্কৃতি বিশেষকৈ ইতিহাসৰ গৱেষক হিচাপেও গৱেষণা গ্ৰন্থৰ প্ৰণয়ণ আৰু প্ৰকাশে সাহিত্য-সংস্কৃতিৰ পথাৰখন জীপাল কৰিবলৈ চেষ্টা অব্যাহত ৰাখিছে। একেধাৰে কবি, গল্পকাৰ, নিবন্ধকাৰ আৰু সমালোচক হিচাপে সাহিত্য ক্ষেত্ৰত পৰিচিত। ইতিমধ্যে প্ৰকাশিত আৰু সম্পাদিত গ্ৰন্থ সমূহ হৈছে-

ক) প্ৰকাশিত গ্ৰন্থ ঃ

ঃ **আহোমসকলৰ উৎসৱ-অনুষ্ঠান**, গৱেষণা গ্ৰন্থৰ প্ৰকাশিত ৰূপ। প্ৰথম প্ৰকাশ মাৰ্চ ২০০৭, দ্বিতীয় প্ৰকাশ মাৰ্চ ২০১০, তৃতীয় প্ৰকাশ জুন ২০১২, চতুৰ্থ প্ৰকাশ জুলাই ২০১৩ আৰু পঞ্চম প্ৰকাশ (বনলতা প্ৰকাশন) ২০১৮।

ঃ **বুৰঞ্জীয়ে পৰশা মধ্যযুগৰ সোণালী সুবাস**, প্ৰবন্ধ সংকলন।

**ঃ টাই আহোমসকলৰ স্বকীয় ধৰ্মীয় পৰম্পৰা**, প্ৰৱন্ধ সংকলন।

**ঃ টাই আহোমসকলৰ ঋতুকালীন উৎসৱ অনুষ্ঠান,** প্ৰৱন্ধ সংকলন।

ঃ **প্ৰবন্ধ সমীক্ষণ,** প্ৰবন্ধ সংকলন।

ঃ **চিন্তা তৰংগ**, প্ৰবন্ধ সংকলন।

ঃ **নাৰী ৰত্ন,** জীৱনী সংকলন। (প্ৰথম খণ্ড)

ঃ **শতাব্দীৰ লেখিকা,** প্ৰবন্ধ সংকলন।

ঃ **নাৰী ৰত্ন,** জীৱনী সংকলন। (দ্বিতীয় খণ্ড)

**ঃ ইতিহাস অনুধ্যান,** প্ৰবন্ধ সংকলন।

**ঃ প্ৰবন্ধ বিচিত্ৰা,** প্ৰবন্ধ সংকলন।

ঃ **নাৰী ৰত্ন,** জীৱনী সংকলন। (তৃতীয় খণ্ড)

**ঃ প্ৰসংগ ঃ নাৰী,** প্ৰবন্ধ সংকলন।

**ঃ জীৱনৰ লগত জড়িত উৎসৱ-অনুষ্ঠান,** প্ৰবন্ধ সংকলন।

ঃ **শব্দৰ স'তে আলাপ,** কবিতা সংকলন।

ঃ **দুবৰিত নিয়ৰৰ মুকুতা সৰে,** কবিতা সংকলন

ঃ **শব্দ শিল্প,** কবিতা সংকলন।

ঃ **অপৰাজেয়,** গল্প সংকলন।

ঃ **অগ্নিস্নাতা চন্দ্ৰপ্ৰভা,** প্ৰকাশৰ পথত।

ঃ **প্ৰবন্ধ সৌৰভ,** প্ৰকাশৰ পথত।

খ) সম্পাদিত গ্ৰন্থ ঃ

ঃ **অনন্যা,** মৰাণ শাখা লেখিকা সমাৰোহ সমিতি আৰু 'সংঘমিত্ৰা'ৰ মুখপত্ৰ, প্ৰকাশ ১৯৯৩, ১৯৯৪ ডিচেম্বৰ, ১৯৯৮ নবেম্বৰ আৰু ২০০০ এপ্ৰিল।

ঃ **নাৰীকণ্ঠ,** কবিতা সংকলন (মৰাণ শাখা লেখিকা সমাৰোহ সমিতি) ২০০৮ আৰু ২০১০।

ঃ **ঋতু মঞ্জৰী,** গল্প সংকলন, যুটীয়া সম্পাঃ, সদৌ অসম লেখিকা সমাৰোহ সমিতি, ২০১০।

ঃ **জীৱনজয়ী চন্দ্ৰপ্ৰভা,** প্ৰকাশক, সদৌ অসম লেখিকা সমাৰোহ সমিতি, ২০১৭ চন।

ঃ **নাৰীকণ্ঠ,** কবিতা সংকলন, মৰাণ শাখা লেখিকা সমাৰোহ সমিতি, ২০১১ নৱেম্বৰ।

ঃ **সংঘমিত্ৰা,** (স্মাৰক গ্ৰন্থ) ৰূপালী জয়ন্তী বৰ্ষ, ২০১৭ চন।

**১৫. উপাধি লাভ ঃ**

ক) ৰত্নগৰ্ভা, খ) মৰাণ কুঁৱৰী, গ) কৰ্মযোগী, ঘ) প্ৰেৰণাময়ী, ঙ) মহিয়সী,
চ) হাব্ৰুনি ফামে (বোকাৰ পদুম), ছ) জাচিংফা।

**১৬. বঁটা ঃ**

১) **পুৰ্ণিমা বৰুৱা বঁটা,** সিংহ পুৰুষ ৰাধা গোবিন্দ বৰুৱাৰ স্মাৰক সমিতি, ডিব্ৰুগড়, তৰফৰ পৰা (২০০০)।

২) **অসম চৰকাৰৰ সাহিত্য বঁটা,** (২০১৩)।

৩) **অসম চৰকাৰৰ সাহিত্যিক পেঞ্চন,** (২০১৪)।

৪) **অসম চৰকাৰৰ চন্দ্ৰপ্ৰভা শইকীয়ানী বঁটা,** (২০১৫)।

৫) **বীৰাংগনা মূলাগাভৰু বঁটা,** টাই আহোম যুৱ পৰিষদ অসম (২০১৭)।

৬) **সমাজসেৱা আৰু সাহিত্যসেৱা বঁটা,** সদৌ অসম লেখিকা সমাৰোহ সমিতি (২০১৮)।

৭) **জীৱন সমৃদ্ধ বঁটা,** মহাশয় ন্যাস (২০১৯)।

৮) **উইমেন এডুকেশ্যন এক্সেলেন্ট এৱাৰ্ড,** সৰ্বভাৰতীয় কবিয়ত্ৰী সন্মিলন, (All India Poetess Conference)

**১৭. পাৰিবাৰিক জীৱন ঃ**

ড° বৰুৱাৰ স্বামী শ্ৰীযুত বিনন্দ বৰুৱা এগৰাকী অৱসৰপ্ৰাপ্ত বিদ্যালয়সমূহৰ পৰিদৰ্শক। তিনিটা সন্তান ক্ৰমে ড° শ্যামল, উজ্জ্বল আৰু একমাত্ৰ কন্যা লিপি। বোৱাৰী ক্ৰমে মৌচুমী, প্ৰিয়ংকা আৰু জোঁৱাই হিমেনজ্যোতি ডেকা। সকলোৰেই উচ্চ শিক্ষিত আৰু প্ৰতিষ্ঠিত। নাতি-নাতিনী ক্ৰমে আদৃত, আত্ৰেয়, সুৰঞ্জনা আৰু আন্দিতা।

**১৮. সম্বৰ্দ্ধনা ঃ**

১) ১৯৯৭ চনত লায়নচ ক্লাব, মৰাণ শাখাৰ তৰফৰ পৰা সম্বৰ্দ্ধনা।

২) ২০০১ চনত "সদৌ অসম শ্ৰীমন্ত শংকৰদেৱ ধৰ্ম বিষয়ক গৱেষণা কেন্দ্ৰ, গুৱাহাটী" তৰফৰ পৰা সম্বৰ্দ্ধনা।

৩) ২০০৮ চনত মৰাণ শাখা আৰু চেপন চকলিয়া শাখা লেখিকা সমাৰোহ সমিতিৰ তৰফৰ পৰা কাৰ্য্যকৰী-সভানেত্ৰী (কেন্দ্ৰীয় কাৰ্যনিৰ্বাহি সমিতিত) ৰূপে আসন অলংকৃত কৰা বাবে সম্বৰ্দ্ধনা।

৪) ২০০৮ চনত খালৈঘোগুৱা লেখিকা সমাৰোহ সমিতিৰ তৰফৰ পৰা কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভানেত্ৰীৰ পদ অলংকৃত কৰা বাবে সম্বৰ্দ্ধনা।

৫) ২০০৯ চনত সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভানেত্ৰী পদ অলংকৃত কৰাৰ বাবে 'মৰাণ শাখা লেখিকা সমাৰোহ সমিতি' আৰু 'সংঘমিত্ৰা' (মৰাণ আঞ্চলিক মহিলা মঞ্চ)ৰ তৰফৰ পৰা সম্বৰ্দ্ধনা।

৬) মৰাণত একক প্ৰচেষ্টাৰে নাৰীৰ উচ্চ শিক্ষাৰ এখন পূৰ্ণাঙ্গ শিক্ষানুষ্ঠান 'মৰাণ মহিলা মহাবিদ্যালয়' প্ৰতিষ্ঠাৰ দৰে এক মহৎ কৰ্ম আৰু সামাজিক দায়বদ্ধতাৰ বিৰল নিদৰ্শন দাঙি ধৰাৰ বাবে ২০০৯ চনত সদৌ অসম ছাত্ৰ সন্থা, মৰাণ আঞ্চলিকৰ তৰফৰ পৰা সম্বৰ্দ্ধনা।

৭) ২০১১ চনত শিৱসাগৰ সাহিত্য সভাৰ তৰফৰ পৰা সম্বৰ্দ্ধনা।

৮) নাৰী শিক্ষা উন্নতি আৰু প্ৰসাৰৰ হকে ঐকান্তিক প্ৰচেষ্টাৰে বৃহত্তৰ মৰাণ অঞ্চলত নাৰীৰ উচ্চ শিক্ষানুষ্ঠান মৰাণ মহিলা মহাবিদ্যালয় প্ৰতিষ্ঠাৰ দৰে মহৎ কৰ্মৰাজিৰ বাবে ২০১৩ চনত সদৌ অসম সুকুমাৰ কলা পৰিষদ, মৰাণ শাখাৰ তৰফৰ পৰা সম্বৰ্দ্ধনা।

৯) নাৰীৰ উচ্চ শিক্ষা প্ৰসাৰৰ স্বীকৃতি স্বৰূপে সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ দ্বাৰা গত ২৩ জুন ২০১৩ তাৰিখে মৰাণ মহাবিদ্যালয়ত আনুষ্ঠানিকভাৱে 'ৰত্নগৰ্ভা' আৰু 'মৰাণ কুঁৱৰী' উপাধি প্ৰদান।

১০) এককভাৱে উদ্যোগ লৈ মৰাণৰ একমাত্ৰ নাৰী উচ্চ শিক্ষানুষ্ঠান 'মৰাণ মহিলা মহাবিদ্যালয়' প্ৰতিষ্ঠাৰ বাবে আত্মনিয়োগ কৰি বিনা বেতনেৰে অৱসৰ গ্ৰহণ কৰাৰ পাছত ২৩ জুন ২০১৩ তাৰিখে মৰাণ মহাবিদ্যালয়ত সদৌ অসম লেখিকা সমাৰোহ সমিতি- মৰাণ শাখা, মৰাণ আঞ্চলিক মহিলা মঞ্চ- সংঘমিত্ৰা আৰু মৰাণ শাখা মহিলা কৰ্মচাৰী পৰিষদৰ উদ্যোগত

অনুষ্ঠিত সম্বৰ্দ্ধনা সভাত মৰাণ আৰু ইয়াৰ উপকণ্ঠ অঞ্চলৰ মুঠ ৮২ টা দল-সংগঠনৰ সম্বৰ্দ্ধনাৰ উপৰিও ব্যক্তিগতভাৱেও বহু সম্বৰ্ধনা প্ৰদান।

১১) অসম সৰ্বশিক্ষা মিছন সোণাৰী শিৱসাগৰ, সমল শিক্ষক মৰাণ সংমগুলৰ তৰফৰ পৰা ২৮ জুন ২০১৩ তাৰিখে নাৰী উচ্চ শিক্ষা স্থাপনৰ বাটকটীয়া ভূমিকা লোৱাৰ বাবে সম্বৰ্দ্ধনা জ্ঞাপন।

১২) নাৰীৰ উচ্চ শিক্ষা সম্প্ৰসাৰণ আৰু সামাজিক কৰ্মৰাজিৰ স্বীকৃতি স্বৰূপে চৰাইদেউ মহকুমাধিপতি কাৰ্যালয়ৰ পৰা ১৫ আগষ্ট ২০১৩ তাৰিখে সম্বৰ্দ্ধনা।

১৩) অসমীয়া ভাষা সাহিত্যলৈ বৰঙণি আগবঢ়োৱাৰ বাবে অসম চৰকাৰৰ পৰা ১৫ আগষ্ট তাৰিখে ২০১৩ বৰ্ষৰ সাহিত্য বঁটা।

১৪) শিক্ষক দিৱস আৰু অসম চৰকাৰৰ পৰা সাহিত্য বঁটা প্ৰাপ্তিৰ বাবে ৫ চেপ্তেম্বৰ ২০১৩ তাৰিখে মৰাণ জাতীয় বিদ্যালয়ৰ সম্বৰ্দ্ধনা।

১৫) অসম চৰকাৰৰ পৰা সাহিত্য বঁটা প্ৰাপ্তিৰ বাবে মৰাণ প্ৰেছ ক্লাৱৰ তৰফৰ পৰা ১৫ চেপ্তেম্বৰ ২০১৩ তাৰিখে সম্বৰ্দ্ধনা।

১৬) মৰাণ শাখা লেখিকা সমাৰোহ সমিতি আৰু মৰাণ আঞ্চলিক মহিলা মঞ্চ- সংঘমিত্ৰা আৰু সংঘমিত্ৰা জাতীয় বিদ্যালয়ৰ তৰফৰ পৰা অসম চৰকাৰৰ পৰা সাহিত্য বঁটা প্ৰাপ্তিৰ বাবে সংঘমিত্ৰা ভৱনত ২৮ চেপ্তেম্ব ২০১৩ তাৰিখে ৰাজহুৱা সম্বৰ্দ্ধনা।

১৭) খোৱাং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৰজত জয়ন্তীৰ উদ্‌যাপন সমিতিৰ তৰফৰ পৰা অসম চৰকাৰৰ পৰা সাহিত্য বঁটা প্ৰাপ্তিৰ আৰু নাৰী শিক্ষা সম্প্ৰসাৰণৰ বাবে অগ্ৰনী ভূমিকা লোৱা বাবে ২৬ অক্টোবৰ ২০১৩ তাৰিখে ৰাজহুৱা সম্বৰ্দ্ধনা জ্ঞাপন।

১৮) অসম চৰকাৰৰ সাহিত্য বঁটা প্ৰাপ্তিৰ বাবে ২৪ নভেম্বৰ ২০১৩ তাৰিখে লাকুৱা শাখা লেখিকা সমাৰোহ সমিতিৰ ৰাজহুৱা সম্বৰ্দ্ধনা।

১৯) ২০১৩ চনৰ ৩১ ডিচেম্বৰ তাৰিখে শিৱসাগৰ জিলা পৰিষদ আৰু নাজিৰা শাখা লেখিকা সমাৰোহ সমিতিৰ তৰফৰ পৰা সম্বৰ্দ্ধনা।

২০) অখিল ভাৰতীয় মহিলা কবি সন্মিলন ৯,১০,১১ মাৰ্চ ২০১৪ তাৰিখে ডিব্ৰুগড়ত অনুষ্ঠিত হোৱা কবি সন্মিলনত আজীৱন শিক্ষা ব্ৰতী হোৱা আৰু নাৰী শিক্ষাৰ প্ৰসাৰতাত জীৱনক উচৰ্গা কৰা বাবে নগধ ধন, শৰাই, শ্বাল আৰু গামোছাৰে সম্বৰ্দ্ধনা।

২১) ডিব্ৰুগড় শাখাৰ লেখিকা সমাৰোহ সমিতিয়ে ২০ এপ্ৰিল ২০১৪ সভানেত্ৰী ৰূপে নিৰ্বাচিত হোৱাত সম্বৰ্দ্ধনা জ্ঞাপন।

২২) ১৫ মাৰ্চ ২০১৪ তাৰিখে মৰাণ জাতীয় বিদ্যালয়ে সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী নিৰ্বাচিত হোৱা বাবে সম্বৰ্দ্ধনা।

২৩) গৌৰীসাগৰ বশিষ্ঠ গংগা শাখা লেখিকা সমাৰোহ সমিতিয়ে সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী নিৰ্বাচিত হোৱা বাবে ২২ মাৰ্চ ২০১৪ তাৰিখে সম্বৰ্দ্ধনা।

২৪) সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী নিৰ্বাচিত হোৱা বাবে ৩০ মাৰ্চ ২০১৪

তাৰিখে বিশ্ৰামপুৰ শাখা লেখিকা সমাৰোহ সমিতিয়ে, ৩০ মাৰ্চ ২০১৪ তাৰিখে মৰাণ শাখা লেখিকা সমাৰোহ সমিতিয়ে আৰু মৰাণ আঞ্চলিক মহিলা মঞ্চ 'সংঘমিত্ৰা'ই সম্বৰ্দ্ধনা।

২৫) মৰাণ আঞ্চলিক ছাত্ৰ সন্থাই ২৬ এপ্ৰিল ২০১৪ তাৰিখে নাৰী উচ্চ শিক্ষা সম্প্ৰসাৰণৰ বাবে সেৰা আগবঢ়োৱাৰ স্বীকৃতি স্বৰূপে সম্বৰ্দ্ধনা।

২৬) বৰপথাৰ কুমাৰণীছিগা শাখা লেখিকা সমাৰোহ সমিতিয়ে সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী নিৰ্বাচিত হোৱা বাবে অভিনন্দন জনাই ২৭ এপ্ৰিল ২০১৪ তাৰিখে সম্বৰ্দ্ধনা।

২৭) ডিব্ৰুগড় জিলা আপকুৰ সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী নিৰ্বাচিত হোৱা বাবে ৩০ এপ্ৰিল ২০১৪ তাৰিখে সম্বৰ্দ্ধনা।

২৮) কচুমাৰী শাখা লেখিকা সমাৰোহ সমিতিয়ে মৰাণত নাৰী উচ্চ শিক্ষাৰ অনুষ্ঠান মৰাণ মহিলা মহাবিদ্যালয় স্থাপন আৰু সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ নৱ-নিৰ্বাচিত সভানেত্ৰী হোৱা বাবে ১৩ জুন ২০১৪ তাৰিখে সম্বৰ্দ্ধনা।

২৯) ডিব্ৰুগড় শাখা লেখিকা সমাৰোহ সমিতিয়ে মৰাণ মহিলা মহাবিদ্যালয় স্থাপন কৰি নাৰীৰ উচ্চ শিক্ষা সম্প্ৰসাৰণ ঘটোৱা আৰু সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ নৱ-নিৰ্বাচিত সভানেত্ৰী হোৱা বাবে ২৯ জুন ২০১৪ তাৰিখে সম্বৰ্দ্ধনা।

৩০) অসমীয়া ভাষা সাহিত্যলৈ বিশিষ্ট বৰঙণি আগবঢ়োৱাৰ বাবে অসম চৰকাৰৰ পৰা ১৫ আগষ্ট ২০১৪ তাৰিখে সাহিত্যিক পেঞ্চন লাভ।

৩১) লায়নচ্ আৰু লায়নেচ্ ক্লাৱ, মৰাণৰ দুয়োটা সংগঠনে অসম চৰকাৰৰ পৰা সাহিত্যিক পেঞ্চন লাভ কৰা বাবে ৬ চেপ্তেম্বৰ ২০১৪ তাৰিখে সম্বৰ্ধনা।

৩২) ২০ চেপ্তেম্বৰ ২০১৪ তাৰিখে লক্ষীমপুৰ জিলা সমাৰোহ সমিতি আৰু জাতীয় চেতনা দিৱসৰ উদ্‌যাপন সমিতিয়ে সাহিত্যিক পেঞ্চন আৰু সভানেত্ৰী নিৰ্বাচিত হোৱা বাবে সম্বৰ্ধনা।

৩৩) সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী নিৰ্বাচিত হোৱা বাবে ঢকুৱাখানা লেখিকা সমাৰোহ সমিতি, মাটমৰা, জালভাৰি শাখা লেখিকা সমাৰোহ সমিতি লগতে শাখা সাহিত্য সভাৰ সম্বৰ্ধনা।

৩৪) ২১ চেপ্তেম্বৰ ২০১৪ ধেমাজি জিলা লেখিকা সমাৰোহ সমিতি, ধেমাজি শাখা লেখিকা সমাৰোহ সমিতি, জিলা মহিলা সমিতি আৰু বৰদলনি, জোনাই, মাছখোৱা, চিলাপথাৰ, মৰিধল, চিচিবৰ গাওঁ আদি শাখাই সভানেত্ৰী আৰু সাহিত্যক পেঞ্চনৰ বাবে সম্বৰ্ধনা।

৩৫) ৪ মাৰ্চ ২০১৫ তাৰিখে অসম চৰকাৰৰ তৰফৰ পৰা নাৰী শিক্ষাৰ সম্প্ৰাসাৰণ আৰু অসমীয়া ভাষা সাহিত্যলৈ বিশিষ্ট বৰঙণি আগবঢ়োৱাৰ বাবে ছন্দ্ৰপ্ৰভা শইকীয়ানী বঁটা লাভ।

৩৬) ২২ মাৰ্চ ২০১৫ তাৰিখে ডিফু জিলা লেখিকা সমাৰোহ সমিতি, কাৰ্বিআংলং, ডিফু শাখা, ধনশিৰি বকলীয়াল, বোকাজান শাখাৰ উপৰিও অন্যান্য সংগঠনে সভানেত্ৰী আৰু চন্দ্ৰপ্ৰভা শইকীয়ানী বঁটা লাভ কৰা বাবে সম্বৰ্দ্ধনা।

৩৭) ২ মে ২০১৫ তাৰিখে চন্দ্ৰপ্ৰভা শইকীয়ানী বঁটা লাভ কৰাৰ বাবে মৰাণ শাখা সাহিত্য সভা, মৰাণ শাখা লেখিকা সমাৰোহ সমিতি, মৰাণ প্ৰেচ ক্লাৱ, মৰাণ আঞ্চলিক মহিলা মঞ্চ সংঘমিত্ৰাৰ

উদ্যোগত অনুষ্ঠিত হোৱা সমন্ধনা সভাত মৰাণ মহাবিদ্যালয়, মৰাণ মহিলা মহাবিদ্যালয়, মৰাণ বাণিজ্য মহাবিদ্যালয়কে ধৰি মুঠ ৬১ টা প্ৰতিষ্ঠানে সম্বৰ্ধনা জ্ঞাপন কৰে।

৩৮) ১০ মে ২০১৫ মৰিগাঁও লেখিকা সমাৰোহ সমিতিৰ উদ্যোগত অনুষ্ঠিত হোৱা সম্বৰ্ধনা সভাত সদৌ অসম লেখিকা সমাৰোহ সমিতি লগতে মৰিগাঁও, জাগীৰোড, ডিফু, তেজপুৰ, গুৱাহাটী ৰাজধানী শাখা, বৰভোগীয়া শাখা আৰু জিলা সাহিত্য সভাই চন্দ্ৰপ্ৰভা শইকীয়ানী বঁটা প্ৰাপ্তিৰ বাবে সম্বৰ্ধনা জ্ঞাপন কৰে।

৩৯) ১৫ মে’ চেপন চকলিয়া শাখা লেখিকা সমাৰোহ সমিতিয়ে ‘কৰ্মযোগী’ আৰু মৰাণ শাখা লেখিকা সমাৰোহ সমিতি আৰু সংঘমিত্ৰাই যুটীয়া ভাৱে “মৰাণ কুৱৰী” আৰু “প্ৰেৰণাময়ী” উপাধি প্ৰদান কৰে।

৪০) ২০ চেপ্তেম্বৰ ২০১৫ ধেমাজি জিলা লেখিকা সমাৰোহ সমিতি সহযোগত অনুষ্ঠিত হোৱা জাতীয় চেতনা দিৱসত সভানেত্ৰী আৰু চন্দ্ৰপ্ৰভা শইকীয়ানী বঁটা লাভ কৰাৰ বাবে ধেমাজি জিলা লেখিকা সমিতি আৰু মৰিঢল মহাবিদ্যালয় শাখা সাহিত্য সভা, ছাত্ৰ সংগঠন আৰু কেইবাটাও শাখা লেখিকা সমাৰোহ সমিতিয়ে সম্বৰ্দ্ধনা জনায়।

৪১) ১ নৱেম্বৰ ২০১৫ তাৰিখে তিনিচুকীয়া জিলা সমাৰোহ সমিতিয়ে ডুমডুমাত অনুষ্ঠিত হোৱা জিলা সমাৰোহৰ উদ্বোধনী সভাত চন্দ্ৰপ্ৰভা শইকীয়ানী বঁটা আৰু সভানেত্ৰী বাবে জিলা সমাৰোহ সমিতিকে ধৰি ডুমডুমা, তিনিচুকীয়া, মাকুম, বৰডুবি, ঢলা, শদিয়া, ৰামধেণু আদি শাখাৰ সম্বৰ্দ্ধনা।

৪২) ১৪ নৱেম্বৰ ২০১৫ তাৰিখে বোকাখাত শাখা লেখিকা সমাৰোহ সমিতিয়ে “চন্দ্ৰপ্ৰভা শইকীয়ানী” বঁটা প্ৰাপ্তিৰ বাবে আৰু ব্যক্তিগত ভাৱে প্ৰাক্তন সভানেত্ৰী শ্ৰী যুতা অন্নদা শইকীয়া মহোদয়াও সম্বৰ্দ্ধনা জনায়।

৪৩) ১৭ ডিচেম্বৰ ২০১৫ তাৰিখে জাগীৰোড শাখাৰ সহযোগত অনুষ্ঠিত কৰা আইদেউ সন্দিকৈ বঁটা প্ৰদান অনুষ্ঠানত চন্দ্ৰপ্ৰভা শইকীয়ানী বঁটা লাভ কৰাৰ বাবে সম্বৰ্দ্ধনা জ্ঞাপন।

৪৪) ২৭ ডিচেম্বৰ ২০১৫ চনৰ গোলাঘাট জিলাৰ সৰুপথাৰ শাখা লেখিকা সমাৰোহ সমিতিকে ধৰি সৰুপথাৰ মহাবিদ্যালয় আৰু লগতে কেইবাটাও ছাত্ৰ আৰু মহিলা সংগঠনে সভানেত্ৰী আৰু চন্দ্ৰ প্ৰভা শইকীয়ানী বঁটা লাভ কৰাৰ বাবে সম্বৰ্দ্ধনা জ্ঞাপন।

৪৫) চন্দ্ৰ প্ৰভা শইকীয়ানী বঁটা আৰু সভানেত্ৰী পদত অধিষ্ঠিত হোৱা বাবে গোলাঘাট জিলা লেখিকা সমাৰোহ সমিতিয়ে সম্বৰ্দ্ধনা জ্ঞাপন।

৪৬) ১০ জানুৱাৰী ২০১৬ তাৰিখে তিতাবৰ লেখিকা সমাৰোহ সমিতিয়ে চন্দ্ৰ প্ৰভা শইকীয়ানী বঁটা আৰু সভানেত্ৰী হিচাপে সম্বৰ্দ্ধনা জ্ঞাপন।

৪৭) ২৩ জানুৱাৰী ২০১৬ তাৰিখে মৰাণ মহিলা মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা প্ৰাক্তন সতীৰ্থ মিলন সমাৰোহত “মহিয়সী নাৰী” উপাধিৰে সম্বৰ্দ্ধনা জ্ঞাপন।

৪৮) ৯ ফেব্ৰুৱাৰী ২০১৬ তাৰিখে সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ ৬ষ্ঠবিংশতিতম ধুবুৰী অধিবেশনত সদৌ অসম লেখিকা সমাৰোহ সমিতিয়ে আনুষ্ঠানিকভাৱে ‘ৰত্নগৰ্ভা’ষ, ‘মৰাণ কুঁৱৰী’ উপাধি প্ৰদান।

৪৯) ৯ ফেব্ৰুৱাৰী ২০১৬ তাৰিখে ধুবুৰীত অনুষ্ঠিত হোৱা ৬ষ্ঠবিংশতিতম দ্বি-বাৰ্ষিক অধিবেশনত ধুবুৰী জিলা লেখিকা সমাৰোহ সমিতিয়ে 'হাব্ৰুনি ফামে' (বোকাৰ পদুম) উপাধি প্ৰদান আৰু ধুবুৰী শাখা, গৌৰীপুৰ, গোলোকগঞ্জ শাখাৰ উপৰিও ব্যক্তিগতভাৱেও সম্বৰ্দ্ধনা।

৫০) ১৯ ফেব্ৰুৱাৰী ২০১৬ তাৰিখে শদিয়া শাখা লেখিকা সমাৰোহ সমিতিয়ে চন্দ্ৰ প্ৰভা শইকীয়ানী বঁটাৰ বাবে সম্বৰ্দ্ধনা জাচিংফা উপাধি প্ৰদান।

৫১) আমগুৰি শাখা লেখিকা সমাৰোহ সমিতি আৰু সংঘমিত্ৰাৰ তৰফৰ পৰা মুলা গাভৰু বঁটা লাভ কৰা বাবে সম্বৰ্ধনা প্ৰদান।

সম্প্ৰতি প্ৰায় ২০০ টা সংগঠনৰ সম্বৰ্দ্ধনা লাভ ড° বৰুৱাই অসমৰ বিভিন্ন ঠাইত সিঁচৰতি হৈ থকা ভালেমান শাখা, দল-সংগঠন তথা অনুষ্ঠান-প্ৰতিষ্ঠানৰ পৰাও সম্বৰ্ধনা লাভ কৰিছে।

**— সম্পাদনা সমিতি।**

# শিতানুক্ৰমণিকা...


| | | পৃষ্ঠা |
|---|---|---|
| ◈ ব্যক্তি আৰু ব্যক্তিত্ব | ঃ | ৩৬ - ৮২ |
| ◈ সান্নিধ্যৰ শীতল ছাঁত | ঃ | ৮৪ - ২০২ |
| ◈ লোকদৃষ্টি ড° সুখ বৰুৱা | ঃ | ২০৪ - ২৩৪ |
| ◈ কবিতা কানন | ঃ | ২৩৫ - ২৪৩ |
| ◈ স্মৃতিৰ পৃষ্ঠাত ড° সুখ বৰুৱা | ঃ | ২৫১ - ৫৫৩ |

# ব্যক্তি আৰু ব্যক্তিত্ব

# স্বামীৰ দৃষ্টিত সুখ বৰুৱা

**বিনন্দ বৰুৱা**

মাৰ দৃষ্টিত মোৰ পৰিবাৰ এগৰাকী অতি উদ্যমী, ত্যাগী আৰু সাহসী মহিলা। স্পষ্টবাদিতা, সততা তেওঁৰ ব্যক্তিত্বৰ ভূষণ। তেওঁৰ কৰ্মোদ্যম দেখিলে বাৰে বাৰে নিজকে প্ৰশ্ন কৰিছিলো এনে উদ্যম, সাহস, অপৰিসীম ত্যাগ, কৰ্মশক্তি ক'ত লুকাই আছিল বাৰু?মানুহৰ অন্তৰত সততা, উদাৰতা আৰু সংবেদনশীলতা নাথাকিলে কেতিয়াও শিক্ষানুষ্ঠান গঢ় দিয়াৰ দৰে মহৎ কাম কৰিবলৈ আগবাঢ়ি যাব নোৱাৰে। তেওঁৰ বুদ্ধিনিষ্ঠতা আৰু কৰ্তব্যনিষ্ঠাত কাৰোবাৰ আবেগমিশ্ৰিত অনুভূতিয়ে আউল লগাব নোৱাৰিছিল। আনকি কাৰোবাৰ বিৰোধ মন্তব্য আৰু সমালোচনাই তেওঁক কেতিয়াও দুৰ্বল কৰা দেখা নাছিলো। কিয়নো তেওঁৰ কথাতকৈ চিন্তাৰ গভীৰতা বেছি। কোনো কোনো পৰিস্থিতিত অনুভূতিৰ গভীৰতা বেছি সেয়ে সুখ বৰুৱাৰ সান্নিধ্যলৈ অহা প্ৰত্যেকেই সম্ভৱত অনুভৱ কৰে তেওঁৰ সংকল্পৰ দৃঢ়তা, চিন্তাৰ গভীৰতা, সমাজিক দায়বদ্ধতা আৰু স্পষ্টবাদিতাই যেন সুখ বৰুৱাৰ ব্যক্তিত্বৰ ভূষণ। বিশেষকৈ মৰাণ মহিলা মহাবিদ্যালয় আৰু সংঘমিত্ৰা প্ৰতিষ্ঠাৰ সময়ত মই তেওঁৰ ছাঁৰ দৰে আছিলো। মোৰ লগত বিভিন্ন বিষয়ত আলোচনা কৰিছিল আৰু সেই সময়ছোৱাত মই তেওঁক দিহা-পৰামৰ্শ আগবঢ়াই অনুপ্ৰাণিত কৰিছিলো। সুদীৰ্ঘ ২১ বছৰৰ পিছত মহাবিদ্যালয়খন চৰকাৰীকৰণৰ আওতালৈ আনি তেওঁ স্বইচ্ছাৰে মহাবিদ্যালয়ৰ পৰিয়ালটোৰ হাতত অৰ্পণ কৰি আহি গোঁসাই ঘৰত দুৱাৰ মুখলৈ গৈ মূৰ দোৱাই সেৱা কৰে। তাৰ পাছত মোৰ ওচৰলৈ আহি ভৰি চুই সেৱা কৰি কৈছিল— কলেজখনৰ দায়িত্ব পৰিয়ালটোৰ হাতত অৰ্পন কৰি আহিছো। তেতিয়াও তেওঁৰ চকুত আৱেগৰ সলনি স্থিৰ প্ৰজ্ঞতাহে দেখিছিলো। তেওঁৰ প্ৰতি শ্ৰদ্ধাত মোৰ মূৰ দো খাই গৈছিল আৰু চকু সেমেকি উঠিছিল। প্ৰতি চপৰা মাটি, ইটা, বালি, শিল, গছ-গছনি, কিতাপ-পত্ৰ, অন্যান্য সা-সামগ্ৰী সকলোতে তেওঁৰ পৰিশ্ৰমৰ তেজ মিশ্ৰিত ঘাম মিহলি হৈ আছে তেনেস্থলত তেওঁ হ'ব পাৰিছিল দৃঢ়মনা, ক্ষুদ্ৰস্বাৰ্থ বিসৰ্জন দিব পৰা এক বিৰল ব্যক্তিত্বৰে সমুজ্জল সমাজ সচেতন এগৰাকী মহিলা। যাৰ প্ৰতিটো কৰ্মত প্ৰতিফলিত হৈছিল সামাজিক চেতনাবোধৰ প্ৰখৰতা। ●

# পোহৰৰ পথযাত্ৰী...

**ড° নগেন শইকীয়া**

জ্যোতিপ্ৰসাদে কৈছিল-

*"জনতা তোৰ প্ৰাণৰো প্ৰাণত*
*মনৰো মনত*
*শিল্পী যে মই লুকাই লুকাই আছোঁ।"*

প্ৰতিজন মানুহৰ ভিতৰত নিজাববীয়াকৈ 'কিবা' এটা কৰাৰ আকাংক্ষা সুপ্ত হৈ থাকে। এই কৰাৰ আকাংক্ষা দুই প্ৰকাৰৰ হয়। এক প্ৰকাৰ হ'ল, সৃষ্টিশীল কাম—সেই কাম গীত হ'ব পাৰে, কবিতা হ'ব পাৰে, গল্প বা কাহিনী হ'ব পাৰে, নাটক হ'ব পাৰে, ৰং আৰু ৰেখাৰ কাম হ'ব পাৰে, সুৰৰ কাম হ'ব পাৰে। এনে কামৰ লগত মানুহৰ আবেগ-অনুভৱ সক্ৰিয় হৈ থাকে। দ্বিতীয় প্ৰকাৰটো হ'ল, চিন্তাশীল কৰ্ম কৰাৰ প্ৰৱণতা। চিন্তাশীল কৰ্মৰ ভিতৰত মানুহৰ জ্ঞানাৰ্জনৰ, ব্যৱহাৰিক প্ৰয়োজনৰ কোনো বিষয়ৰ তাত্বিক বা প্ৰায়োগিক বিষয়ৰ সম্পৰ্ক জড়িত হৈ থাকে। আমি ক'ব পাৰোঁ প্ৰথম প্ৰকাৰটো হ'ল যদি ব্যক্তিনিষ্ঠ কৰ্মৰ প্ৰকাশ, দ্বিতীয়টো হ'ল বস্তুনিষ্ঠ কৰ্মৰ প্ৰকাশ। ক'ব পাৰি প্ৰথমটোত যদি হৃদয় জড়িত, দ্বিতীয়টোত মস্তিষ্ক জড়িত। কেতিয়াবা হয়তো একোজন মানুহ দুয়োটা প্ৰকাৰৰ কাম কৰিবৰ বাবে স্বাভাৱিকভাৱেই সৰুৰেপৰাই যত্নপৰ হয়। এনে যত্নৰ কাৰণ হয়তো একোগৰাকী ব্যক্তিৰ এফালে আত্মমগ্ন ব্যক্তিনিষ্ঠতা আনফালে মানুহ আৰু সমাজৰ বাবে অনুভূত দায়বদ্ধতা। এনে এগৰাকী লেখকে দুয়োটা দিশতে সমান মূল্যৰ কাম কৰিব পাৰিছে নে নাই তাতোকৈ গুৰুত্বপূৰ্ণ কথা হ'ল এগৰাকী অকলশৰীয়া ব্যক্তি হিচাপে অনুভৱ কৰা বিষয় প্ৰকাশৰ বাবে থকা আগ্ৰহ আৰু আনহাতে সমষ্টিগত জীৱনৰ অংশীদাৰ হিচাপে কাম কৰিবৰ বাবে অন্তৰত অনুভৱ কৰা দায়বদ্ধতা। মৰাণ মহিলা মহাবিদ্যালয় প্ৰতিষ্ঠাতা অধ্যক্ষা, ড° সুখ বৰুৱাৰ প্ৰসংগত এই কথাখিনি মনলৈ আহিল।

শিৱসাগৰৰ বেতবাৰীত জন্মগ্ৰহণ কৰা সুখ বৰুৱা পৰৱৰ্তী কালত বেতবাৰী আদৰ্শ উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষয়িত্ৰীৰ দায়িত্ব লৈ সমষ্টিগত জীৱনৰ শৈক্ষিক উন্নয়নৰ বাবে কাম কৰাৰ পথত ভৰি দিছিল। বেতবাৰীৰ সেই পথটো লাহে লাহে বাঢ়ি আহিল আৰু কেৱল শৈক্ষিক দিশতে নহয় বিশেষকৈ কন্যা সন্তানসকলৰ বাবে আৰু মহিলাৰ বাবে শৈক্ষিক, সামাজিক, সাংস্কৃতিক কাম কৰাৰ বহল পথটো বাচি ল'লে। ড° সুখ বৰুৱাক বাদ দি মৰাণৰ অন্যান্য জাতীয় অনুষ্ঠানৰ উপৰিও বিশেষকৈ মহিলা অনুষ্ঠানসমূহৰ কথা ভাবিব নোৱাৰি। বিশেষকৈ মৰাণ মহিলা মহাবিদ্যালয় প্ৰতিষ্ঠাৰ ক্ষেত্ৰত ড° সুখ বৰুৱাই গ্ৰহণ কৰা ভূমিকাৰ কথা এই মহাবিদ্যালয়খনে তথা মৰাণবাসীয়ে নিশ্চয় পাহৰিব নোৱাৰিব। কি উদ্যোগ, সাহস আৰু স্থিৰ লক্ষ্যৰে আগবাঢ়ি সহযোগীসকলক লগত লৈ কেনেকৈ ধন সংগ্ৰহ, সামগ্ৰী সংগ্ৰহৰ পৰা আৰম্ভ কৰি ছাত্ৰী সংগ্ৰহলৈকে কাম কৰিছিল সেই কাম নেদেখা আৰু সেই কামৰ বিষয়ে নজনা মানুহে অনুমান কৰিব নোৱাৰিব। অনুভৱ কৰিব নোৱাৰিব

কেনেভাৰে এই মানুহগৰাকীৰ মাজত নেতৃত্ব দিয়াৰ এটা সুদৃঢ় ক্ষমতা আছে। তদুপৰি মৰাণ আঞ্চলিক মহিলা মঞ্চ, সংঘমিত্ৰাৰ প্ৰতিষ্ঠাপক সম্পাদিকা স্বৰূপে, সংঘমিত্ৰা হস্ত তাঁত বয়ন শিল্পৰ প্ৰতিষ্ঠাপক সম্পাদিকাস্বৰূপে, সংঘমিত্ৰা জাতীয় বিদ্যালয়ৰ প্ৰতিষ্ঠাপক সম্পাদিকাস্বৰূপে, জয়মতী ন্যাস সমিতিৰ উপসভানেত্ৰীস্বৰূপে, বিভিন্ন শিক্ষানুষ্ঠানৰ পৰিচালনা কমিটিৰ সদস্য আৰু সভানেত্ৰীস্বৰূপে কাম কৰি অহা ড° সুখ বৰুৱা এগৰাকী সৃষ্টিশীল আৰু চিন্তাশীল লেখিকা স্বৰূপেও প্ৰতিষ্ঠিতা। ড° বৰুৱাই সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰীৰ দায়িত্বও দুবছৰ কৃতিত্বৰে পালন কৰিছিল। তদুপৰি অসম মহিলা কবি মঞ্চৰ সভানেত্ৰীস্বৰূপে আৰু অসম সাহিত্য সভাৰো আজীৱন সদস্যা হোৱাৰ উপৰিও চৰাইদেউ জিলাৰ উপদেষ্টাস্বৰূপে কাম কৰি আহিছে।

ড° সুখ বৰুৱাৰ সাহিত্যৰ প্ৰতি আকৰ্ষণ আৰু সাহিত্য সৃষ্টিৰ প্ৰতি আগ্ৰহ স্কুলত পঢ়ি থকাৰ দিনৰে পৰা গঢ় লৈ উঠিছে। তেখেতৰ কবিতা, গল্প, প্ৰবন্ধ আদি বিভিন্ন কাকত-পত্ৰত প্ৰকাশিত হৈ আহিছে আৰু এনে ৰচনাসমূহেই ছাত্ৰী অৱস্থাৰ পৰা তেখেতৰ সৃষ্টিশীল প্ৰতিভাৰ পৰিচয় কঢ়িয়াই আনিছে। 'শব্দৰ স'তে আলাপ', 'দূবৰিত নিয়ৰৰ মুকুতা সৰে', 'শব্দশিল্প' এই তিনিটি কাব্য সংকলন, 'অপৰাজেয়' শীৰ্ষক গল্প সংকলনৰ উপৰিও তেখেতৰ সাতটি প্ৰবন্ধ সংকলনে তেখেতৰ সাহিত্য-সংস্কৃতি-ইতিহাস সম্পৰ্কীয় প্ৰবন্ধসমূহ সামৰি লৈছে। তদুপৰি আহোমসকলৰ উৎসৱ-অনুষ্ঠান বিষয়ত গৱেষণা কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্ৰী লাভ কৰা ড° বৰুৱাৰ এই গ্ৰন্থখনিয়ে সংশ্লিষ্ট বিষয়ৰ আকৰ-গ্ৰন্থস্বৰূপে স্বীকৃতি লাভৰ যোগ্যতা অৰ্জন কৰিছে।

'নাৰীৰত্ন' শিৰোনামেৰে জীৱনী সংকলন কৰাৰ উপৰিও 'নাৰীকণ্ঠ' নামেৰে মৰাণ শাখা লেখিকা সমাৰোহ সমিতিৰ হৈ দুটি সংকলন সম্পাদনা কৰা 'জীৱনজয়ী চন্দ্ৰপ্ৰভা' শিৰোনামেৰে এখনি গ্ৰন্থ সম্পাদনা কৰি উলিওৱা 'ঋতুমঞ্জৰী' নামৰ গল্প-সংকলন, 'অনন্যা' আৰু 'সংঘমিত্ৰা' নামৰ ক্ৰমে মুখপত্ৰ আৰু স্মাৰক গ্ৰন্থ সম্পাদনা কৰি উলিওৱা গ্ৰন্থসমূহে ড° বৰুৱাৰ বিভিন্ন বিষয় বাছনিৰ ওপৰত থকা অধিকাৰৰ সংকেত দান কৰে। ড° সুখ বৰুৱাই কৰি অহা সাহিত্য-সেৱা আৰু সমাজ-সেৱাৰ বাবে সন্মান, উপাধি আৰু বঁটা লাভ কৰিছে। ৰত্নগৰ্ভা, মৰাণ কুঁৱৰী, কৰ্মযোগী, প্ৰেৰণাময়ী, মহিয়সী, হাব্ৰুনি ফামে আৰু জাচিংফা এই সাতটি উপাধি তেখেতে লাভ কৰিছে। তদুপৰি অসম চৰকাৰৰ পৰা সাহিত্য বঁটা, চন্দ্ৰপ্ৰভা শইকীয়ানী বঁটা আৰু সাহিত্যিক পেঞ্চন ইতিমধ্যেই তেখেতে লাভ কৰিছে। সদৌ অসম লেখিকা সমাৰোহ সমিতিয়ে সমাজ-সেৱা আৰু সাহিত্য-সেৱা বঁটাৰে তেখেতক সন্মান জনাইছে। টাই আহোম যুৱ পৰিষদে প্ৰদান কৰিছে 'বীৰাংগনা মূলাগাভৰু বঁটা' আৰু ডিব্ৰুগড়ৰ ৰাধাগোবিন্দ বৰুৱা স্মাৰক সমিতিয়ে প্ৰদান কৰিছে 'পূৰ্ণিমা বৰুৱা বঁটা'। তেখেতৰ সৎ কৰ্মৰ বাবে এশ পঞ্চাছটাতকৈও অধিক অনুষ্ঠান-প্ৰতিষ্ঠানে তেখেতক বিভিন্ন সময়ত জ্ঞাপন কৰিছে সম্বৰ্ধনা। দুটি পুত্ৰ আৰু এগৰাকী কন্যাৰ মাতৃ শ্ৰীমতী বৰুৱাই তিনিওটি ল'ৰা-ছোৱালীক মাতৃ হিচাপে ল'বলগীয়া দায়িত্বৰে জীৱনত প্ৰতিষ্ঠা লাভৰ ভেটি বান্ধি দিয়াতো কম বৰঙনি যোগোৱা নাই।

এনে এগৰাকী মহিয়ষী নাৰীৰ বিয়োগত মৰ্মাহত হৈছোঁ আৰু পৰমেশ্বৰৰ ওচৰত তেখেতৰ আত্মাৰ চিৰশান্তি কামনা কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিলোঁ। ●

# ড° সুখ বৰুৱা

**ড° কন্দৰ্প কুমাৰ ডেকা**

ড° সুখ বৰুৱাৰ নামটো মনলৈ আহিলে তেখেতৰ স্বভাৱসুলভ সাদৰী ব্যৱহাৰৰ কথাবোৰে মনটো ভৰাই তোলে। সুখ বৰুৱা আমাৰ দুয়োৰে বাবে সুখ বাইদেউ। তেখেতক লগ পোৱাৰ আগতেই মই লগ পাইছিলো তেখেতৰ স্বামী শ্ৰীযুত বিনন্দ বৰুৱাক। বৰুৱা ডাঙৰীয়াৰ অমায়িক স্বভাৱৰ বাহিৰেও তেখেতৰ সততা আৰু নিয়ম-নিষ্ঠাই মোক মুগ্ধ কৰিছিল। বাইদেউক কেতিয়া লগ পালো মনত নপৰে। কিন্তু তেখেতৰ মৰম-চেনেহে প্ৰথম দিনৰ পৰাই আমাক আপোন কৰি তুলিছিল। তেখেতক বৰ সঘনে লগ পোৱা নহৈছিল যদিও প্ৰায়ে নানা কাৰণত ফোনতে কথা-বতৰা পতা হৈছিল। তাৰ মাজতে তেখেতৰ মৰম ভৰা মাত-কথাই আমাক আপোন কৰি তুলিছিল।

এগৰাকী শিক্ষাবিদ আৰু শৈক্ষিক প্ৰশাসকৰূপে সুখ বাইদেউ অতিশয় সফল বুলি জানো। একেসময়তে সুদক্ষ সংগঠক আৰু সাহিত্যিক বুলিও তেখেত সুখ্যাত। মৰাণ মহিলা মহাবিদ্যালয়খনি তেখেতে প্ৰতিষ্ঠাপক অধ্যক্ষা ৰূপে সুদীৰ্ঘ ২১ বছৰকাল গুৰি ধৰি কেনেধৰণে জাকত জিলিকা কৰি তুলিলে সেই কথাও সকলোৰে মনত ৰাখিছো। এনে সময়তে মোৰ এটি কথা মনত পৰিছে। এবাৰ তেখেতে মোক মহাবিদ্যালয়ৰ এখন সভালৈ, বোধকৰো নৱাগতা আদৰণি সভালৈ, আমন্ত্ৰণ জনাইছিল। মই যাবলৈ অনিচ্ছা প্ৰকাশ কৰি জনাইছিলো যে এনেধৰণৰ সভাবোৰত ছাত্ৰ-ছাত্ৰীয়ে বৰ হাই-উৰুমি কৰে আৰু বক্তাৰ ভাষণত মনোযোগ নিদিয়ে বাবে বৰ বিৰক্তিকৰ অভিজ্ঞতা হয়। তদুপৰি সভাবোৰো সময়মতে আৰম্ভ নহয় বাবে ৰৈ ৰৈ আমনি লাগে আৰু পিছত সময়ৰ অপব্যয় হোৱা বুলি অনুভৱ কৰি মনটো মৰি আহে। মোৰ কথা শুনি বাইদেউৱে ক'লে যে এবাৰ অন্ততঃ আপুনি আমাৰ মহাবিদ্যালয়লৈ আহক আৰু তাৰপিছত কি কয় ক'ব। তেখেতৰ কথা নেওচিব নোৱাৰি মই সভালৈ গ'লো। সভাগৃহটো ছাত্ৰীৰ সংখ্যাৰ তুলনাত কিছু সৰু আছিল। গতিকে গোটেইটো ঠাহ খাই আছিল আৰু ভালেসংখ্যকে বাৰান্দাত ৰৈ খিৰিকিৰে সভা উপভোগ কৰিছিল। সভাগৃহৰ বাহিৰে ভিতৰে কাঁহপৰি জিণ যোৱা অৱস্থা। কোনোৰে কথা পতা নাই বা ফিচিঙা-ফিচিঙ কৰি থকা নাই। সেই বয়সৰ ছাত্ৰীসমাজৰ পৰা এনে আচৰণ মই ইতিমধ্যে আশা কৰিবলৈ এৰি দিছিলো বাবে এনে এটা পৰিৱেশ কল্পনাই কৰা নাছিলো। গতিকে নতুন পৰিৱেশ দেখি মনটো ভৰি পৰিছিল। বুজি পালো, ছাত্ৰীসকলৰ এনে শৃংখলাবদ্ধতাৰ মূলতে আছে অধ্যক্ষা ড° বৰুৱা বাইদেউৰ অনুশাসন। এনে সৎ প্ৰশিক্ষণে সমগ্ৰ জীৱনতে প্ৰভাৱ বিস্তাৰ কৰে। ই এক জীৱনমুখী শিক্ষা।

সময় বৰ নিষ্ঠুৰ। তেখেতক আমি হঠাতে হেৰুৱাবলগীয়া হ'ল। তেখেতৰ মৃত্যু আমাৰ বাবে অপূৰণীয় ক্ষতি। তেখেতৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰিলোঁ। ●

# মৰাণ কুঁৱৰী ড° সুখ বৰুৱা

**ড° ভীমকান্ত বৰুৱা**

মানুহৰ পৰিচয় কেৱল কোনো বিষয় বাব, চাকৰি, পদবী বা জীৱিকা আদিয়েই নহয়। কৰ্মইহে মানুহজনৰ পৰিচয় দাঙি ধৰিব পাৰে। সেইপিনৰ পৰা চালে এজন লোকৰ জীৱনৰ কৰ্মবোৰ বহুধা বিভক্ত হ'ব পাৰে। উদাহৰণ স্বৰূপে এজন ব্যৱসায়ী লোক যেনেকৈ ব্যৱসায় কৰে আৰু তেওঁ সমান্তৰালভাবে তেনেকৈ সাহিত্য কৰ্মৰ জৰিয়তেও সাহিত্যৰ দেশখনৰ উন্নতি সাধনো কৰিব পাৰে। তাৰোপৰি তেওঁ ৰাজনীতি কৰি ৰাজনৈতিক নেতাৰূপে দেশৰ জনসাধাৰণৰ মঙ্গলৰ হকেও কাম কৰিব পাৰে। সেইদৰেই চাকৰিজীৱী এজনেও চাকৰি কৰি দৰ্মহা কেইটা লৈ জীয়াই থকাৰ উপৰিও সাহিত্য, সমাজ, সংস্কৃতি ইত্যাদি বিভিন্ন ক্ষেত্ৰলৈ অৰদান আগবঢ়াব পাৰে। এইবোৰ কামৰ বাবে এঠাইত যদি মানুহজন ব্যৱসায়ীৰূপে পৰিচিত আন এঠাইত আকৌ তেওঁ সাহিত্যিকৰূপে পৰিচিত বা সমাজকৰ্মীৰূপে পৰিচিত হৈ পৰে। এনে বহুধাবিভক্ত কৰ্মৰাজিৰ বাবে মানুহ এজনৰ লাগে কাম কৰিবৰ বাবে মন আৰু দক্ষতা। মুগা যেতিয়া পকে তেতিয়া সি নিজৰ পেটৰ পৰা আঁহবোৰ উলিয়াই কাম কৰি থাকোতেই যেনেকৈ সময়ত নিজৰ সোমাই থকা খোলাটো তৈয়াৰ হয় ঠিক তেনেকৈয়ে মানুহেও নিজৰ মনৰ হেঁপাহৰ কামবোৰ কৰি যাওঁতেই এনে বিভিন্ন খোলা তৈয়াৰ হয় য'ত সোমাই থাকি মানুহজনে অকণমান আনন্দ পায়। কথাখিনি এইকাৰণেই অৱতাৰণা কৰা হৈছে যে মৰাণ মহিলা মহাবিদ্যালয়ৰ অধ্যক্ষা শ্ৰীযুতা সুখ বৰুৱা নামৰ মহিলাগৰাকী পঢ়ি শুনি চাকৰি এটা কৰিয়েই দৰ্মহা লৈ পৰিয়াল পুহি জীয়াই থাকিব পাৰিলেহেঁতেন অথবা তেখেত এখন মহাবিদ্যালয়ৰ অধ্যক্ষা হৈয়েই পাৰ কৰি দিব পাৰিলেহেঁতেন। মৰাণত নাৰীশিক্ষাৰ বাবে এখন মহাবিদ্যালয় প্ৰতিষ্ঠা কৰি কলেজখনৰ উন্নতিৰ বাবে অক্লান্তভাৱে কাম কৰিয়েই ক্ষান্ত থাকিব পাৰিলেহেঁতেন। ইয়াৰ মাজতো তেওঁৰ গৱেষণাধৰ্মী মনটোক কাৰ্যকায়িক কামে বান্ধি ৰাখিব নোৱাৰিলে আৰু সেয়ে গৱেষণা কৰ্মৰ বাবে ডিব্ৰুগড় বিশ্ববিদ্যালয়ত নাম পঞ্জীয়ন কৰিবলৈ উদ্যত হ'ল। এনে এটা কাৰণতে মৰাণ মহিলা মহাবিদ্যালয়ৰ তদানীন্তন অধ্যক্ষা সুখ বৰুৱা নামৰ মহিলাগৰাকী আমাৰ ওচৰলৈ আহিছিল বিগত সময়ছোৱাৰ ভালেকেইবছৰমানৰ আগতেই। তেতিয়াই মই তেখেতক প্ৰথম লগ পাইছিলোঁ আৰু গৱেষণাৰ বিষয় এটা বিচৰাত 'আহোমসকলৰ উৎসৱ-অনুষ্ঠান' এই বিষয়টোকে লৈ গৱেষণা আৰম্ভ কৰিবলৈ পৰামৰ্শ দিছিলো। ইয়াৰ প্ৰধান কাৰণ আছিল ইতিমধ্যেই মই ১৯৯৮ চনতেই 'আহোমসকলৰ পৰম্পৰাগত উৎসৱ-অনুষ্ঠান' নামৰ এখনি গ্ৰন্থ প্ৰকাশ কৰিছিলো যিখন ডিব্ৰুগড়ৰ অগ্ৰণী প্ৰকাশন ষ্টুডেণ্টছ্ এম্পৰিয়ামে প্ৰকাশ কৰিছিল। সেই পুথিখন সম্পাদনা কৰোঁতে দেখিলো এই বিষয়ে বৈজ্ঞানিক পদ্ধতিৰে অধ্যয়ন

কৰিবলগীয়া এখন বিশাল ক্ষেত্ৰ পৰি আছে, যিটো কৰা দৰকাৰ বুলি মই অনুভৱ কৰিছিলোঁ। কথামতেই গৱেষিকা বৰুৱা কামত আগবাঢ়ি গ'ল আৰু অতি উৎসাহেৰে সৈতে কামত লাগি গ'ল, ক্ষেত্ৰ অধ্যয়নো কৰিবলৈ গ'ল। কিন্তু মূল উৎসৰৰ পৰা তথ্য আহৰণ কৰাটো অধ্যয়নৰ বাটত অন্তৰায় হিচাপে থিয় দিলে। ইয়াৰ প্ৰধান কাৰণটো হ'ল প্ৰাচীন আৰু দুষ্প্ৰাপ্য গ্ৰন্থৰ সংৰক্ষকে সহজেই মূল উৎসৰ সাঁচিপতীয়া পুথিবোৰ দৰ্শকৰ আগতে মোকলাই দিব নিবিচাৰে। অৱশ্যে এনে কৰাৰ যুক্তি সংৰক্ষকৰ যথেষ্ট আছে যিবোৰ উলাই কৈ দিব পৰাও নহয়। এই ক্ষেত্ৰত দৰ্শক-গৱেষকসকলৰো বহুতো কৰণীয় আছে যিবোৰ বহুসময়ত বহুতেই পালন নকৰে ফলত সংৰক্ষক বিতুষ্ট হয়। এইবোৰ কথা আলোচনা ইয়াত কৰিব বিচৰা নাই মাত্ৰ বিষয়টোৰ প্ৰসঙ্গত উনুকিয়াইহে থলোঁ। এনেধৰণৰ অন্তৰায় দূৰ কৰিবৰ বাবে গৱেষিকাগৰাকীয়ে আপ্ৰাণ চেষ্টা কৰিও সম্পূৰ্ণ সফল হ'ব পৰা নাছিল বুলি আমাক জনাইছিল। তেনে ক্ষেত্ৰত ক্ষেত্ৰ অধ্যয়নত বাধাৰ সৃষ্টি হৈছিল আৰু তথ্য আহৰণত বাধা হৈছিল। এনে অৱস্থাত গৱেষকক সহায় কৰিবৰ বাবে ছাইফা পূজা অধ্যয়নৰ বাবে গাঁৱলৈ যোৱাৰ কথা মনত আছে। মই আৰু মৰাণ মহাবিদ্যালয়ৰ তদানীন্তন অধ্যাপক ড° দয়ানন্দ বৰগোহাঁই আৰু গৱেষিকা সুখ বৰুৱা তিনিওজন এদিন ছাইফা পূজাৰ চাক্ষুস অভিজ্ঞতা ল'বৰ বাবে পাটসাঁকোৰ এখন ভিতৰুৱা ঠাইলৈ গ'লো। ছাইফা পূজা অনুষ্ঠিত হোৱা ঠাইলৈ যাতায়তৰ বাবে বিশেষ বাট-পথৰ অসুবিধা হেতু বোকা-পানী খচকি, পথাৰৰ আলিৰ ওপৰেদি, খেৰণিৰ মাজেদি গৈ জেওৰা পাৰ হৈ ছাইফা পূজাস্থলী পালোঁগৈ। অসমত আজিও যে গাঁৱৰ ৰাইজে ভাল বাট-পথৰ অভাৱত জলা-কলা খাইছে ভাবিলে আচৰিত লাগে। এই অভিজ্ঞতাটো এইকাৰণেই সন্নিবিষ্ট কৰা হৈছে যে ড° সুখ বৰুৱাই কিমান বিপদসংকুল অৱস্থাত আৰু বিভিন্ন বাধাৰ মুখামুখি হৈও গৱেষণা কৰ্মত ভাগৰি পৰা নাছিল। কৰ্তব্যৰ প্ৰতি অৱহেলা নকৰা, দৃঢ়মনা, কষ্টসহিষ্ণু নাৰী সুখ বৰুৱাই কিন্তু এই সকলোবোৰ বাধা-বিঘিনি আঁতৰাই কামত আগবাঢ়ি গৈ পিছত সফল সমাপ্তিৰ জৰিয়তে সমাজলৈ এক গৱেষণাৰ ফল অৱদান দিব পাৰিলে।

মৰাণ মহিলা মহাবিদ্যালয় প্ৰতিষ্ঠাপক অধ্যক্ষাৰূপে অৱসৰলৈকে (১৯৯২-২০১৩) কাম কৰি মৰাণত নাৰী শিক্ষাৰ পথ প্ৰশস্ত কৰা সুখ বৰুৱাই মৰাণ আঞ্চলিক মহিলা মঞ্চ 'সংঘমিত্ৰা' 'সংঘমিত্ৰা হস্ততাঁত বয়ন শিল্প প্ৰশিক্ষণ কেন্দ্ৰ 'সংঘমিত্ৰা জাতীয় বিদ্যালয়' এই কেউটা অনুষ্ঠানৰে প্ৰতিষ্ঠাপক সম্পাদিকাৰূপে গুৰি ধৰি আগবঢ়াই নিয়ে।

এগৰাকী নিষ্ঠাবান আৰু পৰিশ্ৰমী গৱেষিকাৰূপে আৰু সমাজকৰ্মী হিচাপে প্ৰতিষ্ঠা লাভ কৰা শ্ৰীযুতা সুখ বৰুৱাই অসমীয়া সাহিত্যৰ জগতখনলৈ কবিতা পুথি, গল্প পুথি আৰু প্ৰবন্ধ সংকলন প্ৰকাশ কৰি এক অনবদ্য অৱদান আগবঢ়াইছে। মোৰ এই ক্ষুদ্ৰ লেখাত পুথিবোৰৰ নাম উল্লেখ কৰাৰ পৰা বিৰত থাকিলোঁ কিয়নো এই সম্পৰ্কে নিশ্চয় অন্য লেখকে এইখন গ্ৰন্থতে প্ৰবন্ধ লিখিব। সুখ বৰুৱা নিজৰ প্ৰতিভা আৰু নিষ্ঠাৰ বলত ড° সুখ বৰুৱা হ'ল, মৰাণ কুঁৱৰী হ'ল, অসম চৰকাৰৰ সাহিত্যিক পেঞ্চনাৰ হ'ল আৰু ক'ত কি যে ৰাজহুৱা স্বীকৃতি লাভ কৰিলে। এনে এগৰাকী মহিয়ষী নাৰীৰ বিয়োগত মৰ্মাহত হৈছোঁ আৰু পৰমেশ্বৰৰ ওচৰত তেখেতৰ আত্মাৰ চিৰশান্তি কামনা কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিলোঁ। ●

# ড° সুখ বৰুৱা

**নিৰুপমা বৰগোহাঞি**

জয় জয়তে ড° সুখ বৰুৱালৈ তেখেতৰ জীৱনযোৰা সাধনাৰ বাবে মোৰ হিয়া ভৰা ওলগ জনালোঁ। শৈক্ষিক কৰ্মৰাজি আৰু সাহিত্যিক কৰ্মৰাজিৰে তেখেত অসম মাতৃৰ এগৰাকী সুযোগ্যা সন্তান। ড° সুখ বৰুৱা সঁচায়ে জগত জীৱনৰ নানা গুণৰাজিৰে এগৰাকী অতি লেখত ল'ব লগীয়া মহিলা, অতি আদৰণীয় মহিলা। অসমৰ সমূহ মহিলাৰ মাজতে এগৰাকী অতিকৈ বিৰল মহিলা। এতিয়া তেওঁৰ জীৱনটোৰ আৰম্ভণিৰে পৰা খতিয়ান লওঁ।

তেওঁৰ জন্ম হৈছিল শিৱসাগৰ জিলাৰ বেতবাৰীত । তেনে এখন পিছপৰা গাঁৱত জন্ম লাভ কৰিও তেওঁ পি এইচ্ ডি ডিগ্ৰী পৰ্যন্ত আহৰণ কৰিছে। তেওঁৰ শিক্ষাজীৱনৰ লগতে কৰ্ম জীৱনো অতি চমকপ্ৰদ। বেতবাৰী আদৰ্শ উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ৰ তেওঁ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষয়িত্ৰী আছিল। তাত তেওঁ ১৯৬৮ চনৰ পৰা ১৯৭০ চনলৈ সুখ্যাতিৰে কাৰ্যনিৰ্বাহ কৰিছিল। তাৰ পিছত তেওঁ ১৯৭৩ চনৰ পৰা ১৯৯২ চনলৈ মৰাণ বালিকা বিদ্যালয়ত শিক্ষকতা কৰিছিল। কিন্তু এই গৰাকী শিক্ষানুৰাগী মহিলাৰ কৰ্মজীৱনৰ তাতেই ইতি পৰা নাছিল। শিৱসাগৰৰ মৰাণহাটত মৰাণ মহিলা মহাবিদ্যালয়ৰ তেওঁ প্ৰতিষ্ঠাপক অধ্যক্ষা হিচাপে ১৯৯২ চনৰ পৰা ২০১৩ মাৰ্চলৈ কাৰ্যনিৰ্বাহ কৰিছিল।

এইদৰে দেখা যায় যে ড° সুখ বৰুৱা এগৰাকী লেখত ল'বলগীয়া শিক্ষাব্ৰতী, পি. এইচ. ডি ডিগ্ৰী আহৰণ কৰাৰ লগতে কলেজৰ অধ্যক্ষা পৰ্যন্ত হৈছে। পিছে এই গৰাকী গুণী মহিলাৰ জীৱন শিক্ষাৰ জগততে আৱদ্ধ হৈ থকা নাই, অসমৰ সাহিত্য জগতলৈ সাহিত্য কৰ্মেৰে নানা অৰিহণা যোগোৱাৰ লগতে সামাজিক, সাহিত্যিক নানা কাম-কাজো তেওঁ কৰি গৈছে। তাৰ খতিয়ান ল'বলৈ গ'লে দেখা যাব যে তাৰো এক দীঘলীয়া তালিকা হয়। ১৯৯২ চনত তেওঁ 'সংঘমিত্ৰা' নামৰ মৰাণ আঞ্চলিক মহিলা মঞ্চৰ প্ৰতিষ্ঠাপিকা মুখ্য সম্পাদিকাৰ বাব লৈ কাম কৰিছিল। লগতে তেওঁ সংঘমিত্ৰা মঞ্চৰ তাঁত বয়ন শিল্প প্ৰশিক্ষণ কেন্দ্ৰ ও স্থাপন কৰিছিল। কিন্তু 'সংঘমিত্ৰা'ৰ কাম তেওঁ তাতে সীমাবদ্ধ কৰাতে সন্তুষ্টি নলভি ২০০১ চনত 'সংঘমিত্ৰা' জাতীয় বিদ্যালয়ো স্থাপন কৰিছিল। ভাবিলে আচৰিত লাগে যে এগৰাকী মহিলাই ইমানবোৰ কাম কৰিছে। কিয় ইয়াতেই তেওঁৰ কৰ্ম জীৱন সমাপন হোৱা নাই। তেওঁ কৰা সাহিত্য জগতৰ কৰ্মৰাজিৰ খতিয়ান লোৱাই হোৱা নাই। ২০১৪ চনত তেওঁ সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী পদতো অধিষ্ঠিত হৈছিল য'ত তেওঁ ২০১৪ চনৰ পৰা ২০১৬ চনলৈ আছিল। আকৌ তেওঁ মৰাণ

লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী আছিল যি পদবী লৈ তেওঁ ১৬ টা শাখা সমিতিৰো প্ৰতিষ্ঠা কৰিছিল।

ড° সুখ বৰুৱাৰ কৰ্মৰাজিৰ কিন্তু ইয়াতে সমাপ্তি ঘটা নাছিল, তেওঁ পূৰ্বাঞ্চল তাই সাহিত্য সমিতিৰো উপ-সভানেত্ৰী হৈছিল আৰু হৈছিল গুৱাহাটীৰ জয়মতী ন্যাস সমিতিৰো উপ-সভানেত্ৰী। ইয়াৰ উপৰিও অসম সাহিত্য সভাৰ আজীৱন সদস্যা হৈছিল, চৰাইদেউ জিলা সাহিত্য সভাৰো আজীৱন সদস্যা তেওঁ।

ইমানখিনিলৈ পঢ়ি পাঠকৰ ধাৰণা হ'ব পাৰে যে ড° সুখ বৰুৱাৰ বিস্তৃত কৰ্মৰাজিৰ ইমানতে অন্ত পৰিব পায়। পিছে নহয়, আজীৱন কৰ্মব্ৰতী এই অসাধাৰণ মহিলাৰ কৰ্ম যেন শেষেই হ'ব নোখোজে। তেওঁ মৰাণ জাতীয় বিদ্যালয়ৰ প্ৰাক্তন সঞ্চালিকা আছিল, মৰাণ মহাবিদ্যালয়ৰো পৰিচালনা সমিতিৰ সভানেত্ৰী। তেওঁ ২০১৮ চনৰ পৰা বৰ্তমানলৈ মৰাণ মহিলা পৰিচালনা সমিতিৰ সভানেত্ৰী হৈ আছে। ইয়াতে পিছে তেওঁৰ কৰ্মজীৱন অতিবাহিত হৈ থকা নাই। ২০০৬-২০১১ চনত, ২০০৮-২০১১ চনত আৰু ২০১২ ৰ পৰা ২০১৬ লৈ মৰাণ কলেজ ২০০৮ চনৰ পৰা ২০১১ চনলৈ নিতাই পুখুৰী কলেজ, খোৱাং পিথুৰৰ গাৰ্লছ কলেজৰ পৰিচালনা সমিতিৰ সদস্য হিচাপে কাৰ্য নিৰ্বাহ কৰি আছিল।

ড° সুখ বৰুৱাৰ কৰ্মজীৱনৰ বৰ্ণনা কৰি যেন শেষেই কৰিব নোৱাৰি। তেওঁৰ গাত যেন সঁচায়ে শক্তিৰূপিনী দেবী দুৰ্গাৰহে গুণ আছিল। ড° সুখ বৰুৱা সঁচায়ে অসাধাৰণ কৰ্মী মহিলা। তেওঁ অসমৰ বিভিন্ন প্ৰান্তত নাৰী সজাগতা, নাৰীৰ শিক্ষা আৰু নাৰীৰ অধিকাৰ সম্পৰ্কে ৰাজ্যিক পৰ্যায়ত অনুষ্ঠিত হোৱা বিভিন্ন কৰ্মশালা আৰু আলোচনা চক্ৰৰ অংশ গ্ৰহণ আৰু আঞ্চলিক পৰ্যায়ত স্বাস্থ্য সজাগতা, বিভিন্ন নাৰী সম্পৰ্কীয় সমস্যাৰ ওপৰত কৰ্মশালা, বক্তৃতানুষ্ঠানৰ আয়োজক আৰু অংশ গ্ৰহণ কৰি কাম কৰি আহিছিল।

পিছে সামাজিক জীৱনত এনেকৈ ওতঃপ্ৰোত ভাৱে লাগি থাকিও এই গৰাকী বিদুষী আৰু কৰ্মী নাৰীয়ে যে সাহিত্য চৰ্চাও কৰি আহিছে, সেই কথা ভাবি ড° মামনি ৰয়চম গোস্বামীৰ ভাষা ধাৰ কৰি ময়ো কওঁ বিস্ময়কৰ, বিস্ময়কৰ, বিস্ময়কৰ।

ড° সুখ বৰুৱাই যোল্লখন গ্ৰন্থ ৰচনা কৰাৰ উপৰিও বাৰ খন গ্ৰন্থ সম্পাদনা কৰিছে। তেওঁৰ গুণৰ স্বীকৃতি স্বৰূপে লাভ কৰিছে সাতোটাকৈ উপাধি আৰু ছয় টাকৈ বঁটা। মৰাণৰ বিভিন্ন সংগঠনৰ উপৰিও সমগ্ৰ অসমৰ ইমূৰৰ পৰা সিমূৰলৈ বিভিন্ন অনুষ্ঠান আৰু ব্যক্তিগতভাৱে ড° সুখ বৰুৱাক বিভিন্ন সময়ত সম্বৰ্ধনা জনাই আহিছে। এইদৰে নানা স্বীকৃতি আৰু সম্বৰ্ধনাৰে বিভূষিতা এই গৰাকী সঁচাই এগৰাকী সু-লেখিকা। মোৰতো ধাৰণা হয় ইমান সম্বৰ্দ্ধিত লেখিকা অসমত নিশ্চয়কৈ আন কোনো নাই।

তেখেতৰ পৰলোক গমনৰ বাতৰি পাই মৰ্মাহত হৈছোঁ আৰু পৰমেশ্বৰৰ ওচৰত তেখেতৰ আত্মাৰ চিৰশান্তি কামনা কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিলোঁ।●

# ড° সুখ বৰুৱা এগৰাকী নাৰীৰত্ন

**(অভিনন্দন গ্ৰন্থৰ পৰা সম্পাদিত ৰূপত পুনৰ মুদ্ৰিত)**

**ড° অনিমা গুহ**

লিখিবলৈ বহি ভাবিছোঁ ক'ৰ পৰা আৰম্ভ কৰি ক'ত শেষ কৰোঁ। কৰ্মজীৱনতেই নহয়, সমাজজীৱনত আৰু সাহিত্যত বিশাল সমুদ্ৰৰ দৰে তেওঁৰ অৱদান। সেই গভীৰ সমুদ্ৰত বুৰ গৈ মণি-মুকুতা বুটলি অনাটো সহজ কাম নহয়। তথাপিতো যিখিনি পাৰোঁ বুটলি আনিবলৈ চেষ্টা কৰিম।

ওৰে জীৱন ড° বৰুৱাই নিঃস্বাৰ্থভাৱে সমাজসেৱাত ব্ৰতী হৈ থাকিল। তেওঁৰ ত্যাগ, উদ্যম, কৰ্মতৎপৰতা, কৰ্তব্যবোধ আৰু মানুহৰ প্ৰতি দৰদ শলাগিবলগীয়া। মানুহৰ বাবে প্ৰেম-প্ৰীতি থকা হেতুকেই তেওঁ সমাজৰ বাবে জীৱন উৎসৰ্গা কৰিব পাৰিছে।

শিৱসাগৰ বেতবাৰীত ১৯৪৬ চনৰ ৩১ ডিচেম্বৰ তাৰিখে ওপজাৰ পাছতে হয়তো দেউতাক-মাক ফুলবৰ চেতিয়া আৰু গুণলতা চেতিয়াই শিশুৰ মুখলৈ চাই গভীৰভাৱে অনুভৱ কৰিব পাৰিছিল যে তাই তেওঁলোকৰেই নহয়, সমাজৰো নাম উজ্জ্বল কৰিব। শিশুৰে পৰা মেধা আৰু প্ৰতিভাতো আছেই, তাতে মাক-দেউতাকে প্ৰতিভা বিকশিত কৰিবলৈ সুযোগ সুবিধা নিশ্চয় দিছিল। নহ'লে হয়তো সৰুতেই বিয়া দি দিলেহেঁতেন। তেওঁৰ স্বামী শ্ৰী বিনন্দ বৰুৱাৰো শলাগ লৈছো। ভাৰতীয় স্বামীৰ দৰে তেওঁ পত্নীৰ ঘৰুৱা কামতে বান্ধি থোৱা নাছিল। দুয়োটা পৰিয়ালেই ড° সুখ বৰুৱাৰ মাজত সৎ-সম্ভাৱনাৰ কথা উপলব্ধি কৰিব পাৰিছিল। তথাপি কওঁ ড° সুখ বৰুৱা সাফল্যৰ নব্বৈ শতাংশই তেওঁৰ নিজস্ব শক্তি, সাহস আৰু উদ্যমৰ বাবে বাস্তৱায়িত হ'ব পাৰিছিল।

যি মূলা বাঢ়ে তাৰ দুপাততেই চিন। কৈশোৰ অৱস্থাতে সুখ বৰুৱাই নিজকে সৃষ্টিশীল কামত নিয়োগ কৰিছে। সপ্তম শ্ৰেণীত পঢ়োতেই তেওঁ কবিতা, গল্প, জীৱনীমূলক প্ৰবন্ধ আদি লিখিছিল। সময় আগবঢ়াৰ লগে লগে তেওঁ ভালেমান তত্বগধুৰ প্ৰবন্ধ, গল্প, কবিতা আদি অসমৰ বিভিন্ন বাতৰিকাকত, আলোচনী আদিত প্ৰকাশ কৰিছে। এতিয়ালৈকে তেওঁৰ প্ৰকাশিত গ্ৰন্থৰ সংখ্যা যোল্লখন। তেওঁৰ বিভিন্ন বিষয়ক লৈ লিখা সকলো কিতাপেই উচ্চমান বিশিষ্ট, কিন্তু মই ভাবোঁ টাই সংস্কৃতি সন্দৰ্ভত তেওঁৰ গৱেষণাৰ গ্ৰন্থখন হ'ব কালজয়ী। ড° সুখ বৰুৱাই বিভিন্ন সময়ত সম্পাদনা কৰা গ্ৰন্থ ১২ খন, অনন্যা, নাৰীকণ্ঠ, ঋতু মঞ্জৰী, জীৱনজয়ী চন্দ্ৰপ্ৰভা, নাৰীকণ্ঠ, সংঘমিত্ৰা আদি।

ড° বৰুৱাৰ প্ৰতিটো অৱদানেই প্ৰশংসনীয়, কিন্তু সমাজৰ প্ৰতি তেওঁৰ স্মৰণীয় অৱদান কেইটামানে তেওঁক অমৰ কৰি ৰাখিব। এইবোৰ বিশেষভাৱে হ'ল তেওঁৰ দ্বাৰা প্ৰতিষ্ঠিত স্কুল-কলেজ আদি। শিক্ষাই এখন সমাজ, এখন ৰাজ্য, এখন দেশ সৰ্বাঙ্গীন উন্নতি যে কৰে তাক

নতুনকৈ কোৱা নিষ্প্ৰয়োজন। আমাৰ সমাজবোৰত নাৰীৰ পিছপৰা অৱস্থাৰ বাবে দায়ী তেওঁলোকৰ শিক্ষাহীনতা। পুৰুষৰ তুলনাত সাক্ষৰতাৰ হাৰো কম। দূৰদৰ্শী ড° সুখ বৰুৱাই নাৰী জাতিটোৰ সৰ্বাঙ্গীন মঙ্গলৰ বাবে প্ৰতিষ্ঠা কৰিলে নিম্নলিখিত শিক্ষানুষ্ঠানবোৰ—

১। বেতবাৰী আদৰ্শ উচ্চ মাধ্যমিক বালিকা বিদ্যালয় (১৯৮৬-১৯৭০ চন)।

তাত তেওঁ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষয়িত্ৰী আছিল।

২। প্ৰতিষ্ঠাপক অধ্যক্ষা, মৰাণ মহিলা মহাবিদ্যালয়, মৰাণহাট, শিৱসাগৰ (১৯৯২-২০১৩ চন)

৩। প্ৰতিষ্ঠাপক সম্পাদিকা, সংঘমিত্ৰা জাতীয় বিদ্যালয় (২০০১ চন)।

স্কুল-কলেজৰ উপৰিও তেওঁ মহিলাৰ মানসিক উৎকৰ্ষ সাধনৰ বাবে সংঘমিত্ৰা (মৰাণ আঞ্চলিক মহিলা মঞ্চ), ১৯৯২ চন, সংঘমিত্ৰা হস্ততাঁত বয়ন শিল্প প্ৰশিক্ষণ কেন্দ্ৰ, ১৯৯২ চন, মৰাণ শাখা লেখিকা সমাৰোহ সমিতি প্ৰতিষ্ঠা কৰাৰ লগতে আৰু ১৬ টা লেখিকা সমাৰোহৰ শাখা অসমৰ বিভিন্ন প্ৰান্তত প্ৰতিষ্ঠা কৰে।

তেওঁ কেইবাখনো কলেজৰ পৰিচালনা কমিটিৰ সভাপতি আৰু সদস্যা। একেগৰাকী মহিলাই একে সময়তে ইমানবোৰ কামৰ দায়িত্ব যে কেনেকৈ লয় ভাবিলে আচৰিত নালাগেনে? ইমান উৎসাহৰ উৎস কি? মানুহৰ প্ৰতি থকা দৰদ তাৰ ঘাই কাৰণ নহয় নে? মোৰ ব্যক্তিগত ধাৰণা নাৰীসকলৰ উত্থানৰ কাৰণে তেওঁ কি কি কৰিব তাৰে চিন্তাত মগ্ন হৈ থাকে।

কবি, গ্ৰন্থকাৰ, নিবন্ধকাৰ আৰু সমালোচক ড° সুখ বৰুৱা অসম সাহিত্য সভাৰ আজীৱন সদস্যা আৰু চৰাইদেউ জিলা সাহিত্য সভাৰ উপদেষ্টা। সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰীৰ আসনো অলংকৃত কৰি মৰাণলৈ গৌৰৱ কঢ়িয়াই আনিছিল।

অতি উচ্চমানৰ অৱদান সকলো ক্ষেত্ৰতে নথকা হ'লে এই বয়সৰ মাজতে সুখ বৰুৱাই ৰত্নগৰ্ভা, মৰাণকুঁৱৰী, কৰ্মযোগী, প্ৰেৰণাময়ী, মহীয়সী, হাৰুনি ফামে (বোকাৰ পদুম) আৰু জাছিংফা উপাধি লাভ নকৰিলেহেঁতেন। তদুপৰি লাভ কৰিলে কেইবাটাও মূল্যবান বঁটা। এই বঁটাবোৰ হ'ল— পূৰ্ণিমা বৰুৱা বঁটা (২০০০), অসম চৰকাৰৰ সাহিত্য বঁটা (২০১৩), অসম চৰকাৰৰ সাহিত্য পেঞ্চন (২০১৪), অসম চৰকাৰৰ চন্দ্ৰপ্ৰভা শইকীয়ানী বঁটা (২০১৫), বীৰাঙ্গনা মূলাগাভৰু বঁটা, টাই আহোম যুৱ পৰিষদ অসম (২০১৭) আৰু সমাজসেৱা আৰু সাহিত্যসেৱা বঁটা সদৌ অসম লেখিকা সমাৰোহ সমিতি (২০১৮)।

উজনিৰ পৰা নামনিলৈকে পশ্চিম অসমৰ বিভিন্ন প্ৰতিষ্ঠান, সংস্থা আদিৰ পৰা সম্বৰ্ধনা পাইছে ডেৰ শতাধিকৰো অধিক।

ড° সুখ বৰুৱাৰ অৱদান এইখিনিতে থমকি নাথাকে। তেওঁৰ আৰু বহু সাফল্য, মহৎ কাৰ্য, সুকীৰ্তি চাবলৈ মই হয়তো জীয়াই নাথাকিম। তেওঁ মোতকৈ বয়সত বহু সৰু। তেওঁলৈ বহু শুভেচ্ছা আগঢ়োৱাৰ লগে লগে আশীৰ্বাদো কৰিছোঁ যেন নিৰোগী দেহাৰে দীৰ্ঘাজীৱী হৈ অসমী আইৰ সৰ্বাঙ্গীন মঙ্গল আৰু উন্নতিৰ বাবে নিজকে নিয়োজিত কৰে। ●

# ড° সুখ বৰুৱা ঃ জীৱন আৰু কৃতি

**সুনীতি সোনোৱাল**

তেওঁৰ নামটো মাতিয়েই ভাল লাগে, এচাটি শান্তিৰ বা বলি যোৱা যেন লাগে, সুখ অনুভূত হয়। তেওঁৰ নামেই যে সুখ, সুখ বৰুৱা, ড° সুখ বৰুৱা। বহুদিনীয়া পুৰণি চিনাকি আমাৰ। সময়ৰ লগে লগে গাঢ় লৈ উঠিছিল আমাৰ আপোনত্ব, কব নোৱাৰাকৈয়ে বাই-ভনীৰ সম্বন্ধেৰে।

১৯৪৬ চনৰ ৩১ ডিচেম্বৰ তাৰিখে শিৱসাগৰ জিলাৰ বেতবাৰী অঞ্চলত আহোম পৰিয়ালৰ পিতৃ স্বৰ্গীয় ফুলবৰ চেতিয়া আৰু মাতৃ গুণলতা চেতিয়াৰ ঘৰত জন্ম গ্ৰহণ কৰি আনন্দোজ্বল কৰি সুখময় কৰি তোলে পৰিয়ালটোক।

সৰুৰে পৰা বিভিন্ন পৰ্যায়ত শিক্ষা লাভ কৰি অসমীয়া বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লৈ “আহোমসকলৰ উৎসৱ-অনুষ্ঠান”ৰ বিষয়ত গৱেষণাৰে পি. এইচ. ডি. ডিগ্ৰী লাভ কৰে। তেওঁ ১৯৬৯ চনৰ এপ্ৰিল মাহত বিদ্যালয় পৰিদৰ্শক সুন্দৰ সুঠাম সুপুৰুষ তথা বহুগুণে বিভূষিত শ্ৰীযুত বিনন্দ বৰুৱাৰ সতে বিবাহ পাশত আবদ্ধ হৈ দুটি পুত্ৰ শ্যামল, উজ্বল আৰু এগৰাকী কন্যা লিপিৰে সুখৰ সংসাৰেৰে পাতনি মেলি বিনন্দীয়া জীৱন-যাপন কৰে। ইতিমধ্যে বোৱাৰী মৌচুমী আৰু প্ৰিয়ঙ্কা, জোৱাই হিমেন জ্যোতি ডেকা, নাতি আদৃত, আত্ৰেয়, নাতিনী সুৰঞ্জনা, আনভিতাৰে জীৱনৰ পৰিপূৰ্ণতা লাভ কৰে। জীৱনৰ এই পৰিপূৰ্ণতাত তেওঁৰ স্বামী শ্ৰীযুত বিনন্দ বৰুৱা সদায় সহযোগী হৈ বৰঙণি আগবঢ়াইছে। এয়ে তেওঁৰ পাৰিবাৰিক জীৱন।

ড° বৰুৱাৰ কৰ্ম তথা সামাজিক জীৱন এক ব্যস্ততাপূৰ্ণ জীৱন, বৈচিত্ৰময় জীৱন, অতুলনীয় তেওঁৰ কৰ্ম-ব্যস্ততা। অদ্ভূত তেওঁৰ সামাজিক দায়বদ্ধতা। সেই দায়বদ্ধতা উপলব্ধি কৰিয়েই স্ত্ৰীশিক্ষাৰ উন্নতি, প্ৰসাৰ তথা প্ৰচাৰৰ বাবে ইখনৰ পিছত সিখনকৈ পিছ পৰা ঠাইত স্ত্ৰীশিক্ষাৰ বাবে বিদ্যালয় স্থাপন কৰি সমাজৰ ছোৱালী, মহিলাসকলৰ শিক্ষাৰ উন্নতিৰ ব্যৱস্থা কৰি গৈ আছে। সেয়ে তেওঁ বেতবাৰী আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ত ১৯৬৮-১৯৭০ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষয়িত্ৰীৰূপে, ১৯৭৩-১৯৯২ চনত মৰাণ বালিকা বিদ্যালয়ৰ সহশিক্ষয়িত্ৰীৰূপে আৰু ১৯৯২-২০১৩ চনলৈকে মৰাণ মহিলা মহাবিদ্যালয়ত প্ৰতিষ্ঠাপক অধ্যক্ষাৰূপে তেওঁ সুচাৰু ৰূপে তথা সুদক্ষতাৰে কাৰ্যভাৰ বহন কৰিছিল।

ইয়াৰোপৰি মহিলাসকলৰ মানসিক উৎকৰ্ষ সাধনৰ বাবে মৰাণ আঞ্চলিক মহিলা মঞ্চ “সংঘমিত্ৰা”, মহিলাসকলক শিল্পকলাৰ উত্তৰণৰ বাবে ১৯৯২ চনত “সংঘমিত্ৰা হস্ততাঁত বয়ন শিল্প প্ৰশিক্ষণ কেন্দ্ৰ”, ২০০১ চনত “সংঘমিত্ৰা জাতীয়

বিদ্যালয়” স্থাপন কৰে। ড° বৰুৱাই এইদৰে অনেকবোৰ অনুষ্ঠানৰ প্ৰতিষ্ঠাপক সভানেত্ৰী তথা সম্পাদিকা ৰূপে দায়িত্ব গ্ৰহণ কৰি অনুষ্ঠানবোৰক সুসংগঠিত কৰি তোলে।

ড° বৰুৱা অকল সমাজকৰ্মীয়েই নহয়, তেওঁ এগৰাকী প্ৰতিষ্ঠিত বিশিষ্টা সু-সাহিত্যিকো। তেওঁ ২০১৪-২০১৬ বৰ্ষৰ সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰীৰূপে অনুষ্ঠানটোৰ নেতৃত্ব বহন কৰিছিল। ইয়াৰ উপৰিও মৰাণ শাখা লেখিকা সমাৰোহ সমিতিকে আদি কৰি অন্যান্য ১৬ টা শাখা লেখিকা সমিতিৰো প্ৰতিষ্ঠা কৰিছিল।

তেওঁ অসম সাহিত্য সভাৰ আজীৱন সদস্য হোৱাৰ উপৰি চৰাইদেউ জিলা সাহিত্য সভাৰ উপদেষ্টা আছিল। পূৰ্বাঞ্চল তাই সাহিত্য সভা আৰু জয়মতী জাতীয় ন্যাস সমিতিৰো উপসভানেত্ৰীৰ দায়িত্ব অতি নিষ্ঠাৰে পালন কৰি আহিছিল। তেওঁ অসম মহিলা কবি মঞ্চৰ প্ৰাক্তন সভানেত্ৰীৰূপেও আসন অলংকৃত কৰিছিল। সমান্তৰালভাৱে মৰাণ মহিলা মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভানেত্ৰী আৰু মৰাণ মহাবিদ্যালয়, নিতাই পুখুৰী মহাবিদ্যালয়, খোৱাং পিথুবৰ ছোৱালী মহাবিদ্যালয়ৰ পৰিচালনা সমিতি লগতো জড়িত হৈ আছিল।

ড° সুখ বৰুৱা সৰুৰে পৰাই সাহিত্যৰ অনুৰাগী হিচাবে বিশেষ ব্যস্ততাৰ মাজতো, কলেজত অধ্যক্ষাৰূপে দায়িত্ব গ্ৰহণ-পালনৰ মাজতো তথ্য গধুৰ প্ৰবন্ধ, গল্প, কবিতা আৰু জীৱনী সাহিত্য লিখি অসমীয়া সাহিত্য জগতলৈ অলেখ সাহিত্য কৰ্মেৰে সাহিত্যৰ ভঁৰাল চহকী কৰি গৈছে। তেওঁৰ ৰচিত মৌলিক গ্ৰন্থ হ'ল যোল্লখন আৰু সম্পাদনা কৰা গ্ৰন্থ হ'ল বাৰ খন।

তেওঁৰ সাহিত্য আৰু সমাসেৱা আদি কৰ্মৰাজিৰ স্বীকৃতি স্বৰূপে চৰকাৰী আৰু বেচৰকাৰীভাৱে অনেক বঁটাৰে সন্মানিত হৈছে। ইয়াৰোপৰি তেওঁক বিভিন্ন অনুষ্ঠানৰ দ্বাৰা উপাধি প্ৰদানেৰে সন্মান প্ৰদান কৰিছে, সেইবোৰ হ'ল -

১। ৰত্নগৰ্ভা, ২। মৰাণ কুঁৱৰী, ৩। কৰ্ম্মযোগী,
৪। প্ৰেৰণাময়ী, ৫। মহিয়সী,
৬। হাব্ৰুনি ফামে (বোকাৰ পদুম),
৭। জাচিংফা।

ড° সুখ বৰুৱাৰ জীৱন পৰিক্ৰমাই তেওঁৰ কৰ্মময় জীৱনত সততা আৰু নিৰ্ভীকতাৰে আগবঢ়া বাবে সকলোতে সফলতা লাভ কৰিছিল। আনপিনে মৰম, স্নেহ, প্ৰীতিৰে সকলোৰে স'তে আত্মীয়তা গঢ়ি তুলিব পৰাত তেওঁৰ আছিল দক্ষতা। সেয়ে আমাৰা দুয়োৰে মাজত বন্ধুত্ব গঢ়ি উঠিছিল, গঢ়ি উঠিছিল হৃদয়ে হৃদয়ৰ কথা কব পৰাকৈ সম্বন্ধৰ সাঁকো। বয়সত সৰু বাবে দখল কৰিছে মোৰ একান্ত ভগ্নীৰ স্থান। এই প্ৰসংগত তেওঁ এঠাইত লিখিছিল যে “সুনীতি সোনোৱাল বাইদেউৰ চাৰিত্ৰিক বৈশিষ্টতাই মোক এনেদৰে তেওঁৰ ওচৰ চপাই নিছিল যে মোৰ জীৱনৰ দুটামান দিশ তেওঁৰ ব্যক্তিত্বত দেখা পাইছিলো, মোৰ কৰ্মব্যস্ত জীৱনৰ বাট বোলোতে সততা আৰু নিৰ্ভীকতাৰ দৰে তেওঁ আছিল মোৰ লক্ষ্য পথৰ লগৰী।” এই নিৰ্ভীকতা আৰু সততাপূৰ্ণ চাৰিত্ৰিক বৈশিষ্ট্যৰে অলঙ্কৃত ড° বৰুৱা।

ড° বৰুৱাৰ এনে অভিনব কৰ্মময় তথা ৰৌদ্ৰোজ্বল সফল জীৱনৰ বাবে অলেখ অভিনন্দন জ্ঞাপন কৰিলো। প্ৰকৃততে তেওঁৰ সফলতাই তেওঁৰ পৰিয়ালৰ লগতে সমাজৰ সৈতে আমাকো গৌৰৱান্বিত কৰিছে।

এনে এগৰাকী মহিয়যী নাৰীৰ বিয়োগত মৰ্মাহত হৈছোঁ আৰু পৰমেশ্বৰৰ ওচৰত তেখেতৰ আত্মাৰ চিৰশান্তি কামনা কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিলোঁ।●

# সশ্ৰদ্ধ শুভকামনাৰে

**ড° কৰবী ডেকা হাজৰিকা**

প্ৰথমবাৰ লগ পাওঁতে এগৰাকী অধ্যক্ষা আৰু পৰিশ্ৰমী গৱেষিকা ৰূপেৰেই তেখেতক জানিছিলোঁ। কিন্তু দ্বিতীয়বাৰৰ পৰাই তেখেত পৰিণত হৈছিল 'সুখ বাইদেউ'লৈ, কাৰণ মানুহগৰাকীৰ ব্যক্তিত্বত আছে এনে এক আত্মীয়তাৰ বান্ধোন যে গম পোৱাৰ আগতেই সেই বান্ধোনে মেৰাই ধৰে। সেয়েহে মোৰ বাবে আৰু মোৰ স্বামী ড° কন্দৰ্প কুমাৰ ডেকাৰ বাবে ড° সুখ বৰুৱা এগৰাকী আপোন বাইদেউতকৈ কম নহয়।

সুখ বৰুৱা এগৰাকী প্ৰসিদ্ধ শিক্ষাবিদ, সাহিত্যিক আৰু সমাজসেৱী। তেখেত মৰাণ মহিলা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষা হোৱাৰ উপৰিও বেতবাৰী আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষয়িত্ৰী আছিল। ইয়াৰ বাহিৰেও বহুতো মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি আৰু সদস্যা হিচাপে উজনিৰ শিক্ষা জগতত তেখেতে যি বিপুল অৰিহণা যোগাইছে সেই কথা প্ৰণিধানযোগ্য। বিশেষকৈ স্ত্ৰী শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰত তেখেতৰ একক প্ৰচেষ্টা মূল্য যথেষ্ট বেছি।

এই গৰাকী দক্ষ আৰু উৎসাহী মহিলাৰ নেতৃত্ব আৰু সহযোগিতাত সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ দ্ৰুত বিকাশ আমি ওচৰৰ পৰা দেখা পাইছিলোঁ। একাধিক সভা-সমিতি, আলোচনা-চক্ৰ, কৰ্মশালা আৰু বক্তৃতানুষ্ঠানৰ আয়োজন কৰি তেখেতে অনুষ্ঠানটোত গতিশীলতা প্ৰদান কৰে। প্ৰতিটো অনুষ্ঠানতে দেখা যায় নিয়ম-নিষ্ঠা, শৃংখলাবদ্ধতা আৰ সময়ানুবৰ্তিতা। বাইদেউৰ ব্যক্তিত্বৰ প্ৰতি থকা সমীহৰ বাবে সভাবোৰ সুকলমে পৰিচালিত হৈ যায়। কিন্তু তাৰ মাজতো অটুট থাকে ৰং-ধেমালি আৰু আনন্দ। সুখ বৰুৱা যিদৰে এগৰাকী সুদক্ষ নেত্ৰী, সেইদৰে এগৰাকী স্নেহময়ী অগ্ৰজাও। মানুহগৰাকীক ভাল নাপাই নোৱাৰি আৰু ওচৰ নাচাপিও নোৱাৰি। সৰ্বগুণী মহিলাগৰাকীৰ মাজত থকা ঘৰুৱা মমতাময়ী ৰূপটোৱে সকলোকে আকৰ্ষণ কৰে। সেয়েহে লেখিকাৰ সমাজত সুখ বাইদেউ শ্ৰদ্ধা আৰু স্নেহৰ আসনত প্ৰতিষ্ঠিতা হৈ আছিল। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগত গৱেষণা কৰা কালত তেখেত প্ৰায়েই আমাৰ ওচৰলৈ আহিছিল। তেখেতৰ কথা-বতৰাৰ মাজত অসমীয়া মহিলাৰ সুৰুচি আৰু সকলোকে আপোন কৰিব পৰা ভাবৰ প্ৰকাশে আমাক মোহিত কৰিছিল। চাওঁতে চাওঁতে একেলগে ৰং-ধেমালি কৰিব পৰা পৰিৱেশ এটিয়েও গঢ় লৈ উঠিছিল। অসমীয়া বিভাগৰ অন্যান্য অধ্যাপিকাসকলৰ লগতো তেখেতৰ সুসম্পৰ্ক গঢ় লৈ উঠা মনত পৰে। গৱেষণাৰ বিষয়টিও বৰ ব্যাপক - আহোমসকলৰ উৎসৱ অনুষ্ঠান। কেইটিমান অধ্যায়ত বিভক্ত কৰি উৎসৱসমূহৰ বিৱৰণ, উপলক্ষ, তাৎপৰ্য আদি ফুটাই তোলাত উপভোগ্য হৈ পৰিছে। আমি নিজেও বহুতো তথ্য নতুনকৈ ইয়াত বিচাৰি পাইছিলোঁ। গৱেষণা কৰ্মৰ মাজত

তেখেতৰ একাগ্ৰতা, ৰূপ আৰু নিষ্ঠা প্ৰকাশ পাইছিল। সাংসাৰিক আৰু সামাজিক কামৰ হেতা-ওপৰাৰ মাজত গৱেষণা কৰাটো কিমান দুৰূহ সেই কথা প্ৰতিগৰাকী সংসাৰী মিহলাই ভালদৰে বুজি পায়। গতিকে এগৰাকী অহৰ্নিশে সমাজৰ প্ৰতি দায়বদ্ধ মহিলা ৰূপে সুখ বাইদেউৱে গৱেষণাকো তাৰ অংগ কৰি লৈছিল আৰু ইতিহাসে ধৰি নৰখা বা কালৰ বুকুত লাহে লাহে লয় পাবলৈ ধৰা কিছু কথা এনেকৈয়ে সংৰক্ষণ কৰি থৈছিল। গৱেষণা কৰ্মৰ এয়াও এক মূল্যবান দিশ।

সুখ বাইদেউ এগৰাকী সুলেখিকা। তেখেতৰ ৰচনাৰ গুৰুত্বপূৰ্ণ দিশ হ'ল বুৰঞ্জীয়ে পৰশা অসমৰ মধ্য যুগৰ বিবিধ দিশৰ উদ্‌ঘাটন আৰু অধ্যয়ন। বিশেষকৈ টাই আহোমসকলৰ সামাজিক সাংস্কৃতিক দিশৰ আলোচনালৈ আগবঢ়োৱা তেখেতৰ অৱদান বহুমূলীয়া। লীলা গগৈ, হেম বুঢ়াগোহাঁই আদিৰ দৰে অনুসন্ধিৎসু মনেৰে তেখেতে এই লানি ৰচনা আগবঢ়াইছে। টাইসকলৰ ধৰ্মীয় জীৱন আৰু ঋতুকালীন উছৱসমূহৰ বিষয়েও বহলাই আলোচনা কৰিছে। সবাতোকৈ মূল্যবান হ'ল 'শতাব্দীৰ লেখিকা', 'নাৰী ৰত্ন' আৰু 'জীৱনজয়ী চন্দ্ৰপ্ৰভা' নামৰ কিতাপকেইখন। বিশেষকৈ সম্পাদনা কৰা শেষৰখন পুথিৰ সামাজিক মূল্য অপৰিসীম।

এইগৰাকী বিদূষী আৰু সুদক্ষ নাৰীয়ে উচিত ভাবেই লাভ কৰিছে নানা সন্মান আৰু খিতাপ। মৰাণ কুঁৱৰী, প্ৰেৰণাময়ী, মহীয়সী, হাৱুনি ফামে (বোকাৰ পদুম) আদি আখ্যাৰ নাম শুনিয়েই ভাল লাগে। সঁচাই তেখেত প্ৰেৰণাময়ী। হাজাৰ দুখ আৰু হতাশাৰ মাজতো মানুহগৰাকীৰ সান্নিধ্যই প্ৰেৰণা আনিব পাৰে। মনলৈ অহা ডাৱৰ তেখেতৰ প্ৰেৰণাৰ বা লাগি দূৰলৈ আঁতৰি যায়।

ঘৰুৱা জীৱনত সুখ বইদেউৰ অন্য এক ৰূপ। বাহিৰত কঠোৰ শৃংখলাবদ্ধ মহিলাগৰাকীৰ ঘৰত যেন অন্নপূৰ্ণাৰ ৰূপ। বাইদেউৰ হাতৰ সোৱাদ সুৱদী, মৰম ভৰা মাতৰ সোৱাদ তাতোকৈও চৰা। এনে এগৰাকীৰ লগত আমাৰ সংযোগ, ভাবিলে ভাল লাগে। সভা-সমিতিত বহুবাৰ বাইদেউৰ লগত একে মঞ্চত বহিছো। সকলো সময়তে সৰ্তক দৃষ্টি নিজা কলেজ বা নিজা অনুষ্ঠান হ'লে অতিথিৰ আসন, আদৰণি আপ্যায়ন আদিত তীক্ষ্ণ দৃষ্টি। সামান্য বিচ্যুতিও যেন সহ্য নহয়। বাইদেউ-ভিনদেউৰ সুখী সংসাৰখন দেখি ভাল লাগে। সঘনাই যাবলৈ মন যায়। মন যায় পচলাই-কচুশাকে-হাঁহে-বাঁহে ৰন্ধা নিভাঁজ থলুৱা আহাৰৰ জুতি লৈ একেলগে বহি বহুত কথা পাতিবলৈ। সময়ে নাটে। তথাপিও মনৰ বান্ধোন আমাৰ দৃঢ়। সময়ে তাক শিথিল কৰা নাই, নকৰে। দহজন পুৰুষৰ সমান মানসিক বল থকা মহিলাগৰাকীলৈ মোৰ শ্ৰদ্ধা সদায়ে অটুট থাকিব। আমাৰ সমাজত মহিলাৰ কৰ্ম-দক্ষতাই স্বীকৃতি নাপায়। তাৰ মাজতো বহুতো হেঙাৰ নেওচি ড° সুখ বৰুৱা প্ৰখ্যাত হৈ উঠিছে। উজনি অসমত যতে শিক্ষাৰ পোহৰ পৰিছে তাৰে কোনোবা এডোখৰত জিলিকি আছে বাইদেউৰ নাম। সেয়েহে ক'বলৈ মন যায় -

*মেঘে ঢাকি ধৰে জোনৰ পোহৰ*
*তথাপি জোনাক সৰে,*
*সেই জোনাকত কাঁইটীয়া পথ*
*ফুলেৰে উপচি পৰে।*

সুখ বৰুৱা বাইদেউৰ দৰে এগৰাকী মহিয়ষী নাৰীৰ বিয়োগত মৰ্মাহত হৈছোঁ আৰু পৰমেশ্বৰৰ ওচৰত তেখেতৰ আত্মাৰ চিৰশান্তি কামনা কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিলোঁ। ●

# নিৰলস সমাজ সংগঠক ড° সুখ বৰুৱা বাইদেউ

**সোণাৰাম বৰুৱা**

আধুনিক যুগত নাৰী পিছ পৰি থাকিলে নহ'ব। নাৰী সবলীকৰণ বৰ্তমান সময়ৰ দাবী। নাৰী সৱলীকৰণৰ বাবে মূল হাতিয়াৰ হ'ল উপযুক্ত শিক্ষা। এই সত্য সম্যক ৰূপত উপলব্ধি হোৱা হেতুকে তেখেতে আৰম্ভণিৰে পৰাই নাৰী শিক্ষা প্ৰসাৰৰ ক্ষেত্ৰত বলিষ্ঠ পদক্ষেপ লৈ আহিছে। পিতৃ গৃহ বেতবাৰীতেই তাৰ অংকুৰণ ঘটাই আজিৰ পৰা অৰ্দ্ধশতেক বছৰৰ আগতেই অনেক বাধা-বিধিনিৰ মাজতে এখনি বালিকা বিদ্যালয় স্থাপন কৰিছিল। বেতবাৰী আদৰ্শ বালিকা উচ্চ মাধ্যমিক বিদ্যালয় নামেৰে সেই স্কুল এতিয়াও জিলিকি আছে। পৰৱৰ্তী পৰ্যায়ত মৰাণ অঞ্চলত মৰাণ মহিলা বিদ্যালয় প্ৰতিষ্ঠাত আগভাগ লৈ তাক পূৰ্ণাঙ্গ ৰূপত গঢ়ি তুলিব পৰাটো নিতান্তই তেখেতৰ এক গভীৰ আত্মপ্ৰত্যয়ৰ নিদৰ্শন। সময়ৰ লগত খোজ মিলাই বিদ্যায়তনিক দিশত নিজকো যথোচিতভাৱে সমৃদ্ধ কৰি তোলাৰ সমান্তৰালভাৱে ৰাজ্যৰ বিভিন্ন প্ৰান্তত নাৰী সজাগতা, নাৰী শিক্ষা আৰু নাৰী অধিকাৰ সম্বন্ধে অনুষ্ঠিত হৈ অহা বিভিন্ন কৰ্মশালা, আলোচনা-চক্ৰ আদিত অংশ গ্ৰহণ কৰি নাৰীসকলক নিজৰ শক্তি আৰু অধিকাৰ সম্পৰ্কত সজাগ কৰি তোলাত তেখেতে লৈ অহা অগ্ৰণী ভূমিকা নিতান্তই প্ৰশংসনীয়। কেৱল সভা-সমিতি, আলোচনা-চক্ৰ আদিতেই সীমাবদ্ধ হৈ নাথাকি কাকত-আলোচনীৰ জৰিয়তে প্ৰবন্ধ-পাতিৰে নাৰীসমাজক বাট দেখুৱাই আগবঢ়াই নিয়াৰ চেষ্টা অব্যাহত ৰাখিছিল।

ভাষা-সাহিত্য, চৰ্চাৰ পথাৰখনতো একেদৰে এইগৰাকী সুখ বাইদেউৱে সৰুকালৰে পৰাই নিজৰ প্ৰতিভা বিকশাই তোলাৰ বাবে কৰা প্ৰয়োগৰ ফলতেই গল্প কবিতা প্ৰবন্ধ আদি সাহিত্যৰ প্ৰাথমিক দিশবোৰত কম দিনৰ ভিতৰতে তেখেত উজ্বলি উঠিবলৈ সক্ষম হৈছিল। "আহোমসকলৰ উৎসৱ-অনুষ্ঠান" হ'ল তেখেতৰ গৱেষণা গ্ৰন্থৰ ভিত্তিত সংকলিত এক উল্লেখনীয় পুথি। ইয়াৰোপৰি তেখেতৰ দ্বাৰা প্ৰণীত আন কেইখনমান প্ৰবন্ধ সংকলন হ'ল— "বুৰঞ্জীয়ে পৰশা মধ্যযুগৰ সোণালী সুবাস", "টাই আহোমসকলৰ স্বকীয় ধৰ্ম-পৰম্পৰা", "টাই আহোমসকলৰ ঋতুকালীন উৎসৱ অনুষ্ঠান" আদি। টাই আহোমসকলৰ স্বকীয় ধৰ্মীয় পৰম্পৰা, ঋতুকালীন উৎসৱ-অনুষ্ঠান আদিত তেওঁলোকৰ আছুতীয়া চিন্তা-চৰ্চাৰ পৰিচয় ধৰা দিয়ে। সিবিলাকৰ মৌলিকতাই তাই আহোমসকলক অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত লুইতৰ দুয়োপাৰে থকা অন্যান্য জাতি জনজাতিৰ লোকসকলক একত্ৰিত কৰাত সহায় কৰিছিল।

কালৰ সোঁতত ৰাজ্যখনৰ বিভিন্ন জনগোষ্ঠীয় সংস্কৃতিৰ সংমিশ্ৰণ আৰু সমন্বয়ৰ জৰিয়তে যি অসমীয়া জাতীয় সংস্কৃতি গঢ় লৈ উঠিল তাত তাই আহোমসকলৰ অৱদান যে সোণসেৰীয়া সেইটো অনস্বীকাৰ্য। তদুপৰি তাই আহোমসকলৰ সকলো ধৰ্ম সম্প্ৰদায়ৰ মানুহৰ প্ৰতি থকা উদাৰ দৃষ্টিভঙ্গীয়ে আহোম ৰজাসকলৰ দিনত সকলোৰে মাজত যে একতাৰ ভাৱ গাঢ় কৰি তুলিছিল সেইটোও নুই কৰিব নোৱাৰি। এই জনগোষ্ঠীটোৰ সামাজিক সাংস্কৃতিক দিশটোৰ ওপৰত গৱেষণাৰ চিন্তা সুখ বাইদেউৰ ব্যক্তিত্বৰ স'তে খাপ খোৱা। আৱেগ-অনুভূতিৰ তাড়না থাকিলেও বিষয়বোৰৰ সমীক্ষণ অৱশ্যে নিৰপেক্ষ।

'শতাব্দীৰ লেখিকা', 'নাৰীৰত্ন' আদি গ্ৰন্থত অন্যান্য প্ৰান্তত স্বকীয় প্ৰতিভাৰে উজ্বলি উঠা বিশিষ্ট নাৰীসকলৰ জীৱন গাথাঁৰ সমাহাৰে অসমীয়া নাৰীৰ ঐতিহ্য তথা শক্তিশালী স্থিতিৰ উমান দিয়ে। এনে সাহিত্যকৰ্মৰ প্ৰতি তাড়না অনুভৱ কৰাটো লেখিকাগৰাকীৰ পক্ষে খুবেই স্বাভাৱিক হোৱাৰ উপৰি এক নিৰ্দিষ্ট লক্ষ্যৰ দিশে ধাৱিত এক অনন্য প্ৰয়াস হিচাবেও গণ্য কৰিব পাৰি।

শিক্ষাবিদ ব্যক্তি হিচাপে কেৱল মৰাণ অঞ্চলৰে নহয়, শিৱসাগৰ ডিব্ৰুগড় জিলাৰ ভালেকেইখন মহাবিদ্যালয়ৰ, বিশেষকৈ মহিলা শিক্ষানুষ্ঠানসমূহৰ পৰিচালনা সমিতিসমূহৰ সদস্য ৰূপে তেখেত মনোনীত হৈ অহাটো যিদৰে চৰকাৰী স্বীকৃতি ৰূপে ধৰিব পাৰি ঠিক তেনেদৰে সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ দৰে ৰাজ্যিক পৰ্যায়ৰ নাৰী সংগঠনৰ উপ-সভানেত্ৰী, সভানেত্ৰী আদি উচ্চ পদত অধিষ্ঠিত হোৱাটোও তেখেতৰ নাৰীবাদী প্ৰগতিশীল চিন্তাৰ প্ৰতি সামাজিক স্বীকৃতি ৰূপে সুধীসমাজে অৱশ্যে গণ্য কৰি আহিছে। সুধীসমাজে ড° বৰুৱাক ভালকৈয়ে চিনি পাইছে। তেখেতৰ ব্যক্তিত্ব আৰু কৰ্মৰাজিৰ সমুচিত স্বীকৃতি দি অনেক বঁটা-বাহনেৰে উপচাই পেলাইছে।

সুখ বাইদেউৰ বিদেহ আত্মাৰ সদগতি কামনাৰে পৰমেশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰিলোঁ। লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিলোঁ।●

# সমাজ জীৱনৰ মুকুতামণি - ড° সুখ বৰুৱা

**প্ৰেম গগৈ**

অসমীয়া ভাষা সাহিত্য সংস্কৃতি আৰু অসমৰ জাতীয় জীৱনলৈ যিসকল বৰেণ্য ব্যক্তিয়ে নীৰৱে বৰঙণি আগবঢ়াই আহিছে সেই সকলৰ ভিতৰত ড° সুখ বৰুৱা নিশ্চয়কৈ অন্যতম বুলি ক'ব পাৰি। বেতবাৰীৰ পৰা মৰাণলৈকে আৰু মৰাণৰ পৰা সমগ্ৰ অসম জুৰি তেওঁৰ ব্যাপ্তি। ওৰেটো জীৱন সাহিত্য আৰু সমাজ সেৱাকে একনিষ্ঠ ব্ৰত ৰূপে লৈ ড° সুখ বৰুৱা নিজেই এক অনুষ্ঠানত পৰিণত হৈছে।

১৯৬৮ চনতে প্ৰতিষ্ঠাপক প্ৰধান শিক্ষয়িত্ৰীৰূপে বেতবাৰী আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ত কৰ্মজীৱন আৰম্ভ কৰি ২০১৩ চনৰ মাৰ্চত মৰাণ মহিলা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ ৰূপে অৱসৰ গ্ৰহণ কৰা ড° সুখ বৰুৱা এতিয়াও সামাজিক জীৱনত অতি সক্ৰিয় ভূমিকা পালন কৰি অসমীয়া জাতীয় জীৱনৰ এগৰাকী মুকুতা মণি স্বৰূপ হৈ পৰিছে। সুদীৰ্ঘ কাল শিক্ষকতা কৰিলেও ড° বৰুৱাই নিৰৱছিন্ন ভাৱে সমাজৰ বিভিন্ন অনুষ্ঠানৰ লগত সক্ৰিয়ভাৱে জড়িত থাকি এক অভূতপূৰ্ব কৰ্তব্যনিষ্ঠাৰ পৰিচয় দিবলৈ সক্ষম হৈছে।

অসম সাহিত্য সভা, পূৰ্বাঞ্চল তাই সাহিত্য সভা, অসম মহিলা কবি মঞ্চ, সদৌ অসম লেখিকা সমাৰোহ সমিতি, মৰাণ আঞ্চলিক মহিলা মঞ্চ- সংঘমিত্ৰা, সংঘমিত্ৰা জাতীয় বিদ্যালয়, হস্ত তাঁত বস্ত্ৰ শিল্প প্ৰশিক্ষণ কেন্দ্ৰ, মৰাণ জাতীয় বিদ্যালয়, মৰাণ মহাবিদ্যালয়, নিতাই পুখুৰী মহাবিদ্যালয়, ডিমৌ মহাবিদ্যালয়, খোৱাং পিথুবৰ গাৰ্লছ কলেজ আদিত বিভিন্ন সময়ত বিভিন্ন দায়িত্বত থাকি ড° সুখ বৰুৱাই এক শক্তিশালী ভূমিকা পালন কৰি আহিছে।

উল্লেখযোগ্য যে এইবোৰৰ মাজতে ড° সুখ বৰুৱাই নিজকে এগৰাকী লেখিকাৰূপেও প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। তেওঁ একেধাৰে এগৰাকী গৱেষিকা, প্ৰাৱন্ধিক, গল্পকাৰ, কবি, জীৱনীকাৰ আৰু সুবক্তাৰূপে পৰিচিত। ইয়াৰোপৰি ভালেকেইখন মূল্যৱান গ্ৰন্থ তেওঁ সম্পাদনা কৰিছে। সেই সমূহৰ ভিতৰত - অনন্যা (১৯৯৩-২০০০) নাৰীকণ্ঠ (২০০৮-২০১০), ঋতু মঞ্জুৰী (২০১০), জীৱনজয়ী চন্দ্ৰপ্ৰভা (২০১৭) সংঘমিত্ৰা (২০১৭) আদি অন্যতম। ড° বৰুৱাৰ বিশেষভাৱে উল্লেখযোগ্য কিতাপ হ'ল - 'আহোমসকলৰ উৎসৱ অনুষ্ঠান'। এইখন তেওঁৰ গৱেষণা গ্ৰন্থৰ প্ৰকাশিত ৰূপ। ২০০৭ চনত প্ৰথম প্ৰকাশ হৈ বৰ্তমানলৈকে এই গ্ৰন্থৰ পঞ্চম সংস্কৰণ প্ৰকাশ হৈছে। ইয়াৰোপৰি 'বুৰঞ্জীয়ে পৰশা মধ্যযুগৰ সোণালী সুৱাস', টাই আহোম সকলৰ স্বকীয় ধৰ্মীয় পৰম্পৰা, টাই আহোম সকলৰ ঋতুকালীন উৎসৱ অনুষ্ঠান তেওঁৰ বহু পঠিত আৰু উল্লেখযোগ্য গ্ৰন্থ। ইতিমধ্যে তেওঁ স্বীকৃতি স্বৰূপে

অসম চৰকাৰৰ সাহিত্য বঁটা, অসম চৰকাৰৰ সাহিত্যিক পেঞ্চন, চন্দ্ৰপ্ৰভা শইকীয়ানী বঁটা আৰু লেখিকা সমাৰোহ সমিতিৰ 'সমাজসেৱা আৰু সাহিত্য সেৱা বঁটা', টাই আহোম যুৱ পৰিষদৰ 'বীৰঙ্গনা মুলাগাভৰু বঁটা', ৰাধাগোবিন্দ বৰুৱা স্মাৰক সমিতি ডিব্ৰুগড়ৰ 'পূৰ্ণিমা বৰুৱা বঁটা' লাভ কৰি আমালৈ গৌৰৱ কঢ়িয়াই আনি ধন্যবাদৰ পাত্ৰ হৈছে।

আমাৰ ব্যক্তিগত জীৱনত অতি ঘনিষ্ঠ বন্ধু স্বৰূপ ড° সুখ বৰুৱাক কেতিয়াবা নিৰ্দিষ্ট বক্তা, কেতিয়াবা সঞ্চালক আৰু কবি বক্তাৰূপে পাইছো। এই অনুষ্ঠানবোৰত তেওঁৰ যি শক্তিশালী কণ্ঠ তাক কোনো পধ্যেই অস্বীকাৰ কৰিব নোৱাৰি। অনুষ্ঠানবোৰ পৰিচালনাৰ ক্ষেত্ৰত তেওঁৰ বলিষ্ঠ নেতৃত্ব ঈৰ্ষাৰ পাত্ৰ। কি অফুৰন্ত তেওঁৰ উদ্যম আৰু সাহসিকতা। এইগৰাকী মহিলাৰ একান্ত ত্যাগ, উদ্যম আৰু সাহসিকতাৰ বাবেই মৰাণ নগৰৰ মাজমজিয়াত প্ৰতিষ্ঠা হৈ আজি ফুলে ফলে জাতিষ্কাৰ হৈ পৰিছে মৰাণ মহিলা মহাবিদ্যালয়।

ড° সুখ বৰুৱাৰ ৰচনাসমূহত সমাজ সচেতনতা লক্ষ্য কৰিবলগীয়া। সংস্কৃতিৰ চৰ্চা কৰিবলৈ গৈ তেওঁ এটা জাতিৰ উৎসৱ-অনুষ্ঠান আৰু পৰম্পৰা সমূহৰ বিশদ ভাণ্ডাৰ আৱিষ্কাৰ কৰিবলৈ সক্ষম হৈছে। কবিতা সমূহৰ মাজতো অন্য এগৰাকী সুখ বৰুৱাক আৱিষ্কাৰ কৰিব পাৰি। মুঠ কথাত গল্প, কবিতা, প্ৰবন্ধ, জীৱনী সাহিত্য আৰু সংস্কৃতি চৰ্চাৰ মাজতে নিজক বিলীন কৰি ৰাখিছে ড° বৰুৱাই।

এনে এগৰাকী মহিয়ষী নাৰীৰ বিয়োগত মৰ্মাহত হৈছোঁ আৰু পৰমেশ্বৰৰ ওচৰত তেখেতৰ আত্মাৰ চিৰশান্তি কামনা কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিলোঁ।

# আলোক সন্ধানী নাৰী ড° সুখ বৰুৱা বাইদেউ

**দীপাঞ্জলি দত্ত**

সমাজত এনে কিছু ব্যক্তি আছে যি নিজৰ চাৰিত্ৰিক বৈশিষ্ট্যৰ দ্বাৰা অতি কম সময়ৰ ভিতৰতে আনৰ মনত প্ৰভাৱ বিস্তাৰ কৰি এখন সুকীয়া আসন প্ৰতিষ্ঠা কৰিব পাৰে। শ্ৰদ্ধেয় সুখ বাইদেউ তেনে এগৰাকী ব্যক্তি যি প্ৰথম দৰ্শনতে মোৰ মনোৰাজ্যত স্থাপন কৰিছিল এক উজ্বল ভাৱমূৰ্ত্তি। শ্ৰদ্ধেয়া বাইদেউক মই তিনিবাৰ লগ পাইছিলো। প্ৰত্যেক বাৰেই তেখেতৰ মুখমণ্ডল প্ৰজ্ঞাৰ আলোকেৰে আলোকিত হোৱা দেখিছিলো। এবাৰ দেখিছিলো সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ বিষয় বাছনী সভা এখনত। সেইবাৰ তেখেতৰ লগত কথা পতাৰ সৌভাগ্য মোৰ হোৱা নাছিল। কিন্তু দূৰৰ পৰা দেখিলো ব্যক্তিত্বসম্পন্ন মুখমণ্ডল। মাৰ্জিত ৰুচি সম্পন্ন পোছাক, খোজ-কাটলৰ বিশেষত্বই মোক আকৰ্ষণ কৰিছিল। আকৌ এবাৰ লগ পাইছিলো মৰাণত অনুষ্ঠিত সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ অধিৱেশনত। শ্ৰদ্ধেয়া শীলা বৰঠাকুৰ বাইদেউৰ আমন্ত্ৰণ ৰক্ষা কৰি মই অধিৱেশনলৈ গৈছিলো গ্ৰন্থ এখন উন্মোচনৰ বাবে। সেইবাৰ সুখ বাইদেউক ভালদৰে লগ পাইছিলো। বাইদেউ আছিল উদ্‌যাপন সমিতিৰ সভনেত্ৰী। বাইদেউৰ কৰ্মতৎপৰতা দেখি মোহিত হৈছিলো। বাইদেউৱে “কাম কৰি যোৱা, ফলৰ কথা চিন্তা নকৰিবা”— শ্ৰীকৃষ্ণই অৰ্জুনক প্ৰদান কৰা এই উপদেশ বাণী শিৰোগত কৰি যেন কামত আগবাঢ়ি গৈছিল। এঠাইৰ পৰা আনঠাইলৈ তেখেতক দৌৰি ফুৰাই দেখিছিলো। কিন্তু মুখমণ্ডলত ক্লান্তিৰ লেখমানো ছাঁ পৰা দেখা নাছিলো। কৰ্মব্যস্ততাৰ মাজতে প্ৰতিনিধি বৰ্গ, নিমন্ত্ৰিত প্ৰতিজন অতিথিক মাত এষাৰ দিবলৈ পাহৰা নাছিল। ইমান এখন ডাঙৰ সভা আন্তৰিকতা আৰু নিষ্ঠাৰে নিয়াৰিকৈ সম্পাদনা কৰা দেখি মই অভিভূত হৈছিলো। মোক ৰখা হৈছিল সভাস্থলীৰ নিকটবৰ্তী এখন ঘৰত। ঘৰখনে মোক যেনেদৰে আদৰ যত্ন কৰিছিল যে গোটেই জীৱন তেওঁলোকৰ কথা মই পাহৰিব নোৱাৰিম। উমাল মৰমেৰে আকোঁৱালী লোৱা পৰিয়াল এটাত মোৰ থকাৰ ব্যৱস্থা কৰি দিয়াৰ বাবে এই সুযোগতে বাইদেউলৈ ধন্যবাদ জ্ঞাপন কৰাৰ লগতে পৰিয়ালটোলৈ যাঁচিলো ধন্যবাদ।

তৃতীয় বাৰ লগ পাইছিলো উত্তৰ লক্ষীমপুৰত অনুষ্ঠিত চেতনা দিৱসত। আছিলো জিলা লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী। চেতনা দিৱসৰ আগদিনাৰ পৰাই ধাৰাষাৰ বৰষুণ। পিছদিনা পুৱালৈ বৰষুণে ডবাপিটা ৰূপ ল’লে। মোৰ মূৰত যেন সৰগহে ভাগি পৰিল। পুৱা পতাকা উত্তোলনৰ সময় হ’ল। বৰষুণ নকমেহে নকমে। মই উপায়হীন হৈ পৰাত সুখবাইদেউৱে পতাকাখন মাৰিডালৰ সৈতে উঘলাই আনি সভাঘৰৰ বাৰন্দাতে উত্তোলনৰ ব্যৱস্থা কৰিলে। মই ৰক্ষা পালো। তেতিয়াৰ পৰাই বাইদেউৰ লগত গঢ়ি উঠিছিল এক সু-সম্পৰ্ক।

১৯৪৬ চনৰ ৩১ ডিচেম্বৰত শিৱসাগৰৰ বেতবাৰীত ড° সুখ বৰুৱা বাইদেউৰ জন্ম। তেখেতৰ পিতৃ প্ৰয়াত ফুলবৰ চেতিয়া আৰু মাতৃ

প্ৰয়াত গুণলতা চেতিয়া। সুখ বাইদেউৱে বেতাবাৰী প্ৰাইমেৰী স্কুলত শিক্ষাৰ পাতনি মেলি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ আৰু পি. এইচ. ডি ডিগ্ৰী লাভ কৰি আনুষ্ঠানিক শিক্ষাৰ সমাপ্তি ঘটায়। বাইদেউ এগৰাকী ৰত্নগৰ্ভা নাৰী। তেখেতৰ তিনিজন সন্তান। দুজন পুত্ৰ আৰু এগৰাকী কন্যা। আটাইকেইজন শিক্ষা-দীক্ষাৰে সু-প্ৰতিষ্ঠিত। সমাজৰ কামত, সভা-সমিতি আদিত ব্যস্ত হৈ থাকিও বাইদেউৱে তিনিটিকে সন্তানক উপযুক্ত ৰূপে গঢ় দিব পৰাটো বাইদেউৰ কীৰ্তি। স্বামী শ্ৰীযুত বিনন্দ বৰুৱা বিদ্যালয়সমূহৰ প্ৰাক্তন পৰিদৰ্শক। বাইদেউৰ প্ৰায়ভাগ কামতে তেখেত সোঁহাত স্বৰূপ।

প্ৰতিভা হৈছে ঈশ্বৰ প্ৰদত্ত বিভূতি। প্ৰত্যেকজন ব্যক্তিৰ মাজত থাকে প্ৰতিভাৰ বিশাল আকৰ। উপযুক্ত সাৰ-পানীৰ অভাৱত গছ পুলি এটা লেৰেলি শুকুৱাৰ দৰে প্ৰতিভাও লেৰেলি শুকায়। সেয়েহে প্ৰতিভাৰ বিকাশ ঘটাবলৈ চেষ্টা চলাব লাগে। তাৰ বাবে লাগে ধৈৰ্য, একাগ্ৰতা, নেৰানেপেৰা প্ৰচেষ্টা আৰু কষ্ট কৰিব পৰা শক্তি আৰু অনুশীলন। সুখ বাইদেউৰ মাজত এই আটাইকেইটা গুণ বিদ্যমান। সেয়েহে তেখেতৰ মাজত থকা প্ৰতিভা বিকশিত হৈ আজি সৌৰভ বিলাইছে গোটেই অসমত।

তেখেতৰ জীৱনৰ আটাইতকৈ উল্লেখনীয় দিশটো হৈছে সাহিত্য চৰ্চা। ভাষা জননীক জগত সভালৈ আগুৱাই নিয়াৰ স্বাৰ্থত বাইদেউৱে আন্তৰিকতাৰে সাহিত্য কৰ্ম কৰি গৈছিল। ৬০ ৰ দশকতে তেখেতে সাহিত্য জগতত আত্মপ্ৰকাশ কৰে কবিতা আৰু প্ৰবন্ধৰ দ্বাৰা। তেখেতৰ সাহিত্যিক জীৱন আলোকিত কৰা গ্ৰন্থখন হৈছে 'আহোমসকলৰ উৎসৱ-অনুষ্ঠান'। এইখন তেখেতৰ পি. এইচ. ডি.ৰ গৱেষণা গ্ৰন্থ।

সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ লগত তেখেত ওতঃপ্ৰোত ভাৱে জড়িত। মৰাণ শাখা লেখিকা সমাৰোহ সমিতিৰ প্ৰতিষ্ঠাপক সভানেত্ৰী হোৱাৰ উপৰিও তেখেতে ১৬টা শাখা প্ৰতিষ্ঠা কৰিছে। সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী হিচাপে তেখেতে সুচাৰুৰূপে কৰ্তব্য পালন কৰি সদৌ অসম লেখিকা সমাৰোহ সমিতিক আগুৱাই নিয়াৰ ক্ষেত্ৰত যথেষ্ট অৰিহণা যোগাইছিল। তেখেত অসম সাহিত্য সভাৰ লগতো জড়িত আছিল। অসম সাহিত্য সভাৰ তেখেতে আজীৱন সদস্য। তাৰোপৰি চৰাইদেউ জিলা সাহিত্য সভাৰ তেখেত উপদেষ্টা আছিল।

বাইদেউ এগৰাকী নিস্বাৰ্থ কৰ্মী। বিয়াৰ আগৰে পৰা বাইদেউৱে মৰাণ বালিকা বিদ্যালয়ত সহ-শিক্ষয়িত্ৰী ৰূপে কাৰ্যনিৰ্বাহ কৰি আছিল। কিন্তু মৰাণত স্ত্ৰীৰ উচ্চ শিক্ষাৰ অনুষ্ঠান নথকাত বাইদেউৱে মহিলা মহাবিদ্যালয় এখন প্ৰতিষ্ঠাৰ সপোন দেখিছিল। মৰাণ বালিকা বিদ্যালয় চাকৰি ইস্তাফা দি বাইদেউৱে মহাবিদ্যালয় স্থাপনৰ কামত দেহে-কেহে আত্মনিয়োগ কৰে। বহুতো ঘাত-প্ৰতিঘাত অতিক্ৰমি বাইদেউৱে মৰাণ মহিলা মহাবিদ্যালয় স্থাপন কৰিছিল।

জীৱনত সফল হ'বলৈ লাগে ইতিবাচক চিন্তা। স্ত্ৰীশিক্ষাৰ অগ্ৰগতিৰ বাবে ইতিবাচক চিন্তাৰে আগুৱাই যোৱা বাবে বাইদেউ মহাবিদ্যালয় স্থাপনৰ ক্ষেত্ৰত সফল হ'ল। প্ৰয়াত ৰাষ্ট্ৰপতি আব্দুল কালামে কৈছিল " কামৰ প্ৰতি আমাৰ দায়বদ্ধতা থাকিলেই সফলতা সম্ভৱ"। প্ৰতিটো খোজতে বাইদেউ সফল হৈছে। কাৰণ বাইদেউৰ কামৰ প্ৰতি দায়বদ্ধতা আছে। বেতবাৰী আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ জন্মদাতা আছিল সুখ বাইদেউ। কেইবাখনো শিক্ষানুষ্ঠান, বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত বাইদেউ সক্ৰিয়ভাৱে জড়িত হৈ আছিল।

কৰ্মই তেখেতৰ বাবে ধৰ্ম। নহ'লেনো অষ্টম শ্ৰেণীত পঢ়ি থকা সময়ৰ পৰা সমাজ সেৱাৰ কামত প্ৰবৃত্ত হয়নে? বাইদেউ অষ্টম শ্ৰেণীত পঢ়ি থকা সময়ৰ কথা। বিদ্যালয়লৈ অহা-যোৱা কৰা পথছোৱা বোকা-পানীৰে পৰিপূৰ্ণ, ঠায়ে ঠায়ে গাত। ওচৰৰ মানুহৰ ঘৰৰ পৰা তামোল গছ কাটি আনি সাঁকো পাৰি দি বিদ্যালয়লৈ যোৱা পথ সুচল কৰি লৈছিল বাইদেৱে। সেই তেতিয়াই যেন বাইদেউৰ অন্তৰত সমাজ সেৱাৰ বীজ অংকুৰিত হৈছিল। মনত জাগি উঠিছিল আনৰ বাবে কাম কৰাৰ বাসনা। সমাজমুখী চেতনাৰে তেখেতে কামত আগুৱাই গৈছিল। আনৰ বাবে কাম কৰা বিশেষকৈ নাৰী জাতিৰ অগ্ৰগতি, নাৰী জাতিৰ মঙ্গলৰ অৰ্থে কাম কৰাৰ প্ৰবল ইচ্ছাৰ দ্বাৰা তেখেতে চালিত হৈছিল। বৈজ্ঞানিক আইনষ্টাইনে কৈছিল "আনৰ কাৰণে জীয়াই থাকিব পৰা জীৱনহে শোভনীয় জীৱন।" আইনষ্টাইনৰ এই কথাষাৰৰ যথাৰ্থতা বাইদেউৰ জীৱনত যেন প্ৰতিফলিত হৈছে।

বাইদেউ আছিল সফল শিক্ষাবিদ। নিজৰ বৃত্তিটো অতি নিষ্ঠা আৰু সততাৰে গ্ৰহণ কৰিছিল বাইদেৱে। সেয়েহে মৰাণ মহিলা মহাবিদ্যালয় প্ৰতিষ্ঠা কৰি অধ্যক্ষৰ আসনত অধিষ্ঠিত হৈ ২১ বছৰ কাল তেখেতে অতি সুচাৰুৰূপে মহাবিদ্যালয়খন পৰিচালনা কৰিছিল।

বাইদেৱে তেখেতৰ কামৰ স্বীকৃতি পাইছে। বহুকেইটা উপাধি তেখেতৰ নামৰ আগত সংযোগ হৈছে। অনেক বঁটা-বাহনেৰেও তেখেত অলংকৃতা। আঙুলি মূৰত লিখিব নোৱাৰা অনুষ্ঠানৰ দ্বাৰা তেখেতে সম্বৰ্দ্ধিতা।

জ্ঞানপিপাসী মন এটাৰ অধিকাৰী বাইদেউ। সামাজিক কাম-কাজ, ঘৰুৱা লেঠা আদিৰ মাজতো এই মনটোৰ বাবে বাইদেৱে একান্তভাবে অধ্যয়নত ব্ৰতী হ'ব পাৰিছিল।

নাৰীৰ মাজত লুকাই থকা সুপ্ত প্ৰতিভাসমূহ উদ্‌ঘাটন কৰি সৃষ্টিশীল কৰ্মত লগাবৰ বাবে তেখেতে নাৰীসকলক উৎসাহিত কৰিছিল। এবাৰ বাইদেৱে মোক আইদেউ সন্দিকৈৰ বিষয়ে লিখিবলৈ কৈছিল। মই লিখিব নোৱাৰিম ছাগে বুলি কোৱাত বাইদেৱে মৰমৰ দাবীৰে মোক লিখিবলৈ বাধ্য কৰালে। সঁচাকৈ বাইদেউ আমাৰ সকলোৰে প্ৰেৰণাৰ উৎস।

বাইদেউ এগৰাকী আত্মবিশ্বাসী নাৰী। অনুষ্ঠান-প্ৰতিষ্ঠানৰ পৰা তেখেতে পাইছিল বিপুল সম্বৰ্ধনা। যি সম্বৰ্দ্ধনাই তেখেতক প্ৰেৰণা দিছিল। দিছিল অধিক কৰ্মশক্তি। বঢ়াইছিল আত্মবিশ্বাস।

বাইদেউ অতি স্পষ্টবাদী। যুক্তিৰ আধাৰত জীৱন অতিক্ৰমা এগৰাকী সাহসী নাৰী। সাহিত্য জগতৰ এক সুপৰিচিত নাম হৈ তেখেত জিলিকি থাকিব।

মাদাৰ টেৰেছই কৈছিল "প্ৰেমৰ ফল সেৱা, সেৱাৰ ফল শান্তি"। বাইদেৱে সমাজৰ কাৰণে, নাৰীজাতিৰ বাবে যি সেৱা আগবঢ়ালে তাৰ পৰা তেখেত নিশ্চয় মানসিক শান্তিৰ গৰাকী হৈ উঠিছিল। সেয়েহে সম্ভৱ বাইদেউৰ মুখমণ্ডলত প্ৰশান্তিৰ ছবি আমি দেখা পাইছিলো।

তেখেতৰ অন্তিম শয়ন আমাৰ বাবে অসহনীয় আৰু অপূৰণীয় ক্ষতি। বাইদেউৰ বিদেহ আত্মাৰ সদগতি কামনা কৰিলোঁ। আমাৰ আশা চন্দ্ৰ- দিবাকৰ থাকে মানে তেখেতৰ নাম চিৰ যুগমীয়া হৈ থাকিব। ●

# ড° সুখ বৰুৱা আৰু তেওঁৰ জীৱন দৰ্শন

**মণিকা শইকীয়া**

*"Being a woman should be your supreme Achivement and not your deepest fear. Celebrate womanhood; Fuel yourself with self-confidence and let that fuel empower you to soar towards your dream."*
*- (Main Mukhija)*

প্ৰকৃতিৰ সন্তান তেওঁ, শিৱসাগৰ নগৰৰ পৰা ৫ কিলোমিটাৰমান দূৰত্বত অৱস্থিত বেতবাৰী বৰকুৰী চেতিয়া গাঁৱত তেওঁৰ জন্মস্থান। প্ৰকৃতিৰ ঘনসেউজীয়া বননিয়ে সৰুৰে পৰাই তেওঁৰ মনটো সেউজীয়াৰে ভৰাই তোলা। সেউজীয়া সপোনৰ আবৰ্তত ঘূৰ্ণীয়মান তেওঁৰ মন, আবেগ, বুদ্ধি আৰু চেতনা। মনত কেৱল ইতিবাচক চিন্তা। ধেমালিতে কৰা কামবোৰো ইতিবাচক। জীৱনৰ আৰম্ভণিৰে পৰা আজি পৰ্যন্ত তেওঁ সুখী। দুখৰ স্থান তেওঁৰ হৃদয়ত নাই। জীৱনৰ লগত তেওঁৰ নামটো একেবাৰে মিলিযোৱা। সুখ বৰুৱা নাম তেওঁৰ।

এৰা ড° সুখ বৰুৱা। মৰাণ মহিলা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষা। চেহেৰা চলন ফুৰণ, ল'ৰালিকালৰ খেলাধূলা সকলোতে তেওঁ বহন কৰি আছে এক সুখৰ বতৰা। অত্যন্ত সাহসী, উদ্যমী, সুস্বাস্থ্যৰ অধিকাৰী সুখ বৰুৱাৰ শৈশৱ কৈশোৰ দিচাং নদীৰ মথাউৰিৰ কাষৰ ঘনসেউজীয়া প্ৰকৃতিৰ মাজতে যেন নিমজিত হৈ আছিল। দুৰ্দান্ত সাহসী সুখ বৰুৱাই মথাউৰিৰ পৰা দিচাং নদীত জাপ মাৰি সাঁতুৰিছিল। দিচাঙৰ পাৰত নাও ২/৩ খন বান্ধি থোৱাও হয়। অষ্টমমানৰ ছাত্ৰী সুখ বৰুৱাই দিচাঙত সাঁতুৰি থাকোতে উটি গৈছিল ভালেমান দূৰলৈ। ভাগ্য ভাল আছিল মুদৈ এজনে ঘটনাটো দেখি তৎক্ষণাত ডুবি যোৱা সুখ বৰুৱাক উদ্ধাৰ কৰি আনে। জীৱনক জুখিবলৈ যেন তেওঁক দিচাঙে বহু সাহস যোগালে। সেউজীয়া মনটোৰ সপোনবোৰও সুখ বৰুৱাই দিচাঙৰ পাৰতেই যেন দেখিবলৈ প্ৰেৰণা পালে। যিবোৰ সপোনক সুখ বৰুৱাই সকলো বাধাবিঘিনীক নেওচি বাস্তৱায়িত কৰিলে। তেওঁ হৈ পৰিল এগৰাকী পূৰ্ণতম নাৰী তথা মানৱ। A complete women.

ড° সুখ বৰুৱা মোৰ এগৰাকী প্ৰিয় বাইদেউ। তেওঁক মই শ্ৰদ্ধা কৰো আৰু বহুত ভালপাওঁ। আচলতে তেওঁৰ ব্যক্তিত্বৰ সৌন্দৰ্যই মোক মোহিত কৰিলে আৰু মই তেওঁৰ এগৰাকী গুণমুগ্ধ ভনী হৈ পৰিলো।

ড° সুখ বৰুৱাৰ মানৱ প্ৰেম, নাৰীৰ প্ৰতি প্ৰেম, ত্যাগ, ক্ষমা আৰু তেওঁৰ মাজত কনিষ্ঠৰ প্ৰতি থকা অপূৰ্ব স্নেহৰ শক্তিৰ মাজতে তেওঁৰ জীৱনৰ সপোনবোৰ গঢ় লৈ উঠিছিল। সুদীৰ্ঘ জীৱনৰ কৰ্মৰাজি আৰু তেওঁৰ সাধনাই এই সপোনবোৰক লক্ষ্যত পৰিণত কৰিছিল আৰু সেই

লক্ষ্য সাধনৰ বাবে তেওঁ হৈ পৰিছিল দৃঢ়সংকল্প। সেয়েহে তেওঁৰ সপোনবোৰ সদায় বাস্তৱায়িত হৈছিল।

ৰত্নগৰ্ভা, মৰাণ কুঁৱৰী, কৰ্মযোগী, প্ৰেৰণাময়ী, মহীয়সী, হাৰুনি ফামে (বোকাৰ পদুম), জাচিংফা, বীৰাঙ্গনা মূলাগাভৰু বঁটাৰে বিভূষিত ড° সুখ বৰুৱা অসমৰ গৌৰৱ। অসমৰ বোধহয় সৰ্বাধিক সন্মানীয় বঁটাৰে সন্মানিত নাৰী একমাত্ৰ তেৰেঁই। এবাৰ মই সুধিছিলো ইমান সাহস বুকুত কঢ়িওৱাৰ প্ৰেৰণা ক'ৰ পৰা পাইছিল? তেখেতে তেখেতৰ মাতৃ গুণলতা চেতিয়াৰ পৰা পোৱা বুলি কৈছিল। তেখেত এগৰাকী অতি সাহসী নাৰী আছিল। সাহস আৰু শান্তিৰ সুবাস পিতৃ-মাতৃৰ পৰা লাভ কৰিছিল। কাৰ আদৰ্শই আপোনাক অধিক আকৰ্ষিত আৰু প্ৰভাৱান্বিত কৰিছিল বুলি সোধা প্ৰশ্নৰ উত্তৰত কৈছিল জয়সাগৰস্থিত শিৱসাগৰ কলেজৰ অধ্যক্ষ সেউজকোঁৱৰ পৰাগধৰ চলিহা তেওঁৰ জীৱনৰ আদৰ্শ বুলি কৈছিল। সেউজকোঁৱৰৰ প্ৰশাসনিক দক্ষতা, সময়ানুৱৰ্তিতা আৰু কঠোৰ শৃঙ্খলাবোধৰ গুণে সুখ বৰুৱাক আকৰ্ষিত কৰিছিল। নিজৰ শিক্ষকতা জীৱনত সেয়েহে সুখ বৰুৱাই শৃঙ্খলা, সময়ানুৱৰ্তিতা আৰু প্ৰশাসনিক দক্ষতা— এই তিনিটা গুণক নিষ্ঠাৰে পালন কৰিছিল। বহুমুখী প্ৰতিভাধৰ পৰাগধৰ চলিহা আছিল সাজেপাৰে কথাই বতৰাই সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক জীৱনটো এজন খাটি অসমীয়া। সুখ বৰুৱা বাইদেউও কিন্তু তেনে এগৰাকী খাটি অসমীয়া। অসম প্ৰেমী ব্যক্তি। অগ্নিকন্যা চন্দ্ৰপ্ৰভা শইকীয়ানীৰ আদৰ্শ, সাহস আৰু কৰ্মোদ্যম - ড° সুখ বৰুৱাৰ জীৱনৰ আদৰ্শ হিচাবে গ্ৰহণ কৰে। বাইদেৱে পাছে এটা কথা স্বীকাৰ কৰিলে যে তেওঁৰ স্বামী শ্ৰীযুত বিনন্দ চন্দ্ৰ বৰুৱাৰ অপৰিসীম প্ৰেম, হৃদয়ৰ বিশালতা, সহযোগীতা, সমমৰ্মিতা আৰু আজীৱন ভগৱান শ্ৰীকৃষ্ণ অৰ্জুনৰ সাৰথী হৈ থকাৰ দৰে সখি হৈ থাকি তেওঁৰ সকলো সপোন সফলতম কৰি তুলি তেওঁৰ জীৱনক ঐশ্বৰ্যশালী কৰি তুলিলে বুলিও অকপট স্বীকাৰ কৰে।

ড° সুখ বৰুৱাৰ ব্যক্তিত্বৰ অন্য এটি দিশৰ কথা কওঁ। তেওঁ নাৰী মুক্তিত বিশ্বাসী। তেওঁৰ মতে এই নাৰীমুক্তি নিহিত থাকে এনে এখন সমাজত য'ত নাৰীয়ে স্বাধীনতা তথা স্বয়ংক্ৰিয়তা ভোগ কৰাৰ পৰিৱেশ থাকে আৰু প্ৰত্যেক নাৰীৰ বাবে নিজৰ আৰু সমাজৰ প্ৰয়োজনসমূহ নিৰ্ধাৰণ কৰাৰো সুগম ব্যৱস্থা থাকিব। অৱশ্যে এই স্বয়ংক্ৰিয়তা, উশৃঙ্খলতা বা মইমতালি নহয়। এই স্বয়ংক্ৰিয়তা ব্যক্তি পৰিয়াল আৰু সমাজৰ নাৰী-পুৰুষৰ মাজত সমমৰ্যদা, সমঅধিকাৰ, সমসুযোগ আৰু সৰ্বাঙ্গীন উন্নয়ন সাধনৰ উপযোগী এক সুষম পৰিৱেশ যি পৰিৱেশ পুৰুষতান্ত্ৰিকতাই সৃষ্টি কৰা কৃত্ৰিম লিঙ্গবৈষম্যৰ কুফলমুক্ত। বৰ্তমান সময়তো আনকি পুৰণা ধ্যান ধাৰণাৰ অনেক সংশোধন আৰু পৰিৱৰ্তন হোৱা স্বত্বেও এচাম নাৰী বঞ্চিত হৈ আহিছে। শিক্ষা, বিজ্ঞান, সাহিত্য, পৰ্বত আৰোহন, মহাকাশ অভিযান, চিকিৎসা বিজ্ঞান, সমাজনীতি, ৰাজনীতি, অৰ্থনীতি, সাংস্কৃতিক ক্ষেত্ৰত দক্ষতা লাভ কৰিবলৈ সমৰ্থ হৈছে যদিও তাৰ ফাঁকে ফাঁকে পুৰুষতান্ত্ৰিকতাৰ কলা ছাঁ নপৰাকৈ থকা নাই। সেয়েহে ড° সুখ বৰুৱাই নাৰীৰ জীৱনক বিপৰ্যস্ত কৰা, নিযাৰ্তিত কৰা নাৰীৰ দুখ নিৰসনৰ বাবে ভালেমান উল্লেখনীয় কাম কৰি আছে। এনেদৰে বিপৰ্যস্ত ৩/৪ টা পৰিয়ালক "সংঘমিত্ৰা"ৰ নেতৃত্বৰ লগত সংযোজিত কৰি ৰক্ষনাবেক্ষণ প্ৰদান কৰিছে।

ছাত্ৰ-ছাত্ৰীৰ মনস্তত্বৰ দিশটোৰ প্ৰতি গুৰুত্ব দি অনুপ্ৰেৰণামূলক শৈক্ষিক পৰিৱেশ ৰচনা কৰি চোকাবুদ্ধি আৰু দুৰ্বল বুদ্ধিৰ ছাত্ৰীৰ মাজত

থকা প্ৰাচীৰখন আঁতৰাই মিলামিছাৰ সুবিধা প্ৰদানেৰে দুৰ্বল ছাত্ৰীসকলক পাঠ্যক্ৰম আয়ত্ব কৰাত অনুপ্ৰেৰণা জনাই সফল হৈছে। গাঁৱৰ প্ৰায় পঞ্চাশ গৰাকী ছোৱালীক বাইদেৱে নিজৰ খৰচেৰে পঢ়ুৱাইছিল। ২/৩ টা ল'ৰাক শিক্ষিত কৰি সুপ্ৰতিষ্ঠিত কৰিছে। বিয়াবাৰুৰ ক্ষেত্ৰতো টকা-পইচাৰে সহায় কৰাটো ড° সুখ বৰুৱাৰ এটা সৰ্বদা কৰণীয় কামৰ ভিতৰত পৰে।

প্ৰতিদান কাৰো পৰা কোনেদিনেই ড° সুখ বৰুৱাই কামনা কৰা নাই। তেওঁ যেন এগৰাকী নিষ্ঠাবান কৰ্মী। এগৰাকী দয়ালু, ত্যাগী আৰু নিষ্ঠাবান ব্যক্তি ড° সুখ বৰুৱাৰ সম্পৰ্কত বহু কথাই কবলৈ আছে। আধুনিক এগৰাকী নাৰী। এগৰাকী অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ বিৰুদ্ধে যুঁজি থকা নাৰী ড° সুখ বৰুৱা। তোলনী বিয়াৰ বিৰুদ্ধে সদায় মাত মাতে। নিজৰ জীয়েকৰ ক্ষেত্ৰটো তোলনী বিয়া পতা নাছিল। সত্য আৰু শান্তি প্ৰিয়। স্পষ্টবাদী নাৰী। নাৰী যিহেতু এখন ঘৰৰ ধাৰক আৰু বাহক সেয়ে তেওঁৰ মতে নাৰীগৰাকী সদায় ধৈৰ্যশীল হোৱাটো উচিত। ধৰ্মক তেওঁ এটা একান্ত ব্যক্তিগত বিষয় বুলি ভাৱে।

মানুহৰ মাজত থাকি মানুহৰ সেৱা কৰি ভালপোৱা ড° সুখ বৰুৱাৰ মাজত এটা অন্নপূৰ্ণাৰ ৰূপ ও দেখা পোৱা যায়। তেওঁ আলহী প্ৰিয় আৰু অতিথিক খুৱাই ভাল পায়।

চৰকাৰী চাকৰি এটা কৰি থকা ড° সুখ বৰুৱাই সেই চাকৰি এৰি এখন মহিলা মহাবিদ্যালয় আৰম্ভ কৰাৰ চিন্তা এটা দৃঢ়তাৰে কৰাটো ভাৱিলে আচৰিত লাগে। পৰীক্ষাৰ ফলাফলৰ প্ৰতিযোগিতাৰ কথা একাষৰীয়া কৰি ড° সুখ বৰুৱাই কলেজীয়া পাঠ্যক্ৰমৰ শিক্ষাৰে চিন্তা বহল কৰাৰ ওপৰত গুৰুত্ব দিয়ে আৰু স্ত্ৰীশিক্ষাৰ বিস্তাৰৰ লক্ষ্যৰে আগবাঢ়ে। ১৯৯২ চনৰ জুলাই মাহৰ কথা। ছোৱালী কলেজ এখন স্থাপন কৰাৰ কথা সেইছেগতে ড° সুখ বৰুৱাই প্ৰদীপ হাজৰিকা আৰু কমলাকান্ত বৰগোহাঁইৰ আগত ব্যক্ত কৰে। শুভানুধ্যায়ী দুয়োগৰাকী সাহিত্যিকে হয়ভৰ দিলে। তৎক্ষণাতে নিমন্ত্ৰণী চিঠি চপা কৰোৱাৰ পৰামৰ্শ আগবঢ়ালে ৰাজহুৱা সভা পতাৰ উদ্দেশ্যৰে। কথামতে কাম। এসপ্তাহৰ ভিতৰতে অৰ্থাৎ ১৯৯২ চনৰ ৮ জুলাইৰ তাৰিখত পাঁচ শতাধিক মানুহৰ উপস্থিতিত "মৰাণ ছোৱালী কলেজ" প্ৰতিষ্ঠা কৰা হ'ল। তদানীন্তন মন্ত্ৰী শ্ৰীযুত পৱন সিং ঘাটোৱাৰেও অফুৰন্ত সহায় আগবঢ়ায়। ড° সুখ বৰুৱাৰ মনত হঠাতে জাগি উঠা সপোনটো বাস্তৱায়িত হ'ল। চৰকাৰী চাকৰিটো ইস্তফা দি ড° সুখ বৰুৱাই "মৰাণ মহিলা মহাবিদ্যালয়"ৰ অধ্যক্ষাৰ দায়িত্ব গ্ৰহণ কৰিলে। এইগৰাকী ত্যাগী মহীয়সী নাৰীয়ে বিনাবেতনে অধ্যক্ষৰ চাকৰিটো কৰি অৱসৰ গ্ৰহণ কৰিলে। কলেজখন চৰকাৰীকৰণ হোৱাৰ কলেজখন ড° সুখ বৰুৱাই তেওঁৰ পৰৱৰ্তী জ্যেষ্ঠগৰাকী অধ্যক্ষৰ দায়িত্ব দি জীৱনৰ মহৎ সপোনটোৰ সফলতাই তেওঁলৈ কঢ়িয়াই অনা স্বৰ্গীয় আনন্দক বুকুত বান্ধি ঘৰলৈ আহিল। তেওঁৰ হৃদয়ত যেন তেতিয়া গুঞ্জৰিত হৈছিল স্বামী বিবেকানন্দৰ সেই মহৎ কথাষাৰি— *"There is no chance for the welfare of the world unless the condition of women is improved. It is not possible for a bird to fly on only with one wing."*

এই গৰাকী মহান নাৰী আমাৰ নাৰীসমাজৰ চিৰপূজনীয়। যি দায়িত্বতে তেওঁক ৰখা হয় তাতেই তেওঁ নতুন কিবা এটা কৰে। সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী হৈ থকাৰ কালৰ কেইটামান উল্লেখনীয় কথা মই লিখাৰ লোভ সামৰিব নোৱাৰিলো। সেইকেইটা

হ'ল—

১। সমাৰোহ সমিতিৰ সংবিধানখন সংশোধন কৰি পুনৰ ছপা কৰে।

২। সাহিত্য অকাঁডেমীৰ পৃষ্ঠপোষকতা আদায় কৰি গোৱালপৰীয়া লোকগীতৰ ওপৰত গুৱাহাটী কটন কলেজত আলোচনা চক্র অনুষ্ঠিত কৰে আৰু লোক সাহিত্যৰ ওপৰত অকাডেমীয়ে গ্ৰন্থ এখন প্ৰকাশ কৰে প্ৰথমবাৰৰ বাবে।

৩। তেওঁৰ কাৰ্যকালতে সাহিত্য অকাঁডেমীয়ে অসমৰ মহিলা সাহিত্যিকৰ সাহিত্যৰ কৃতিত্ব স্বীকাৰ কৰে।

৪। আইদেউ সন্দিকৈ বঁটাটো এবাৰ সমাৰোহৰ ভিতৰৰ লেখিকাক আৰু এবাৰ বাহিৰৰ লেখিকাক প্ৰদান কৰাৰ সিদ্ধান্ত কৰা হয়।

৫। মুঠ ১৪ খন গ্ৰন্থ প্ৰকাশ কৰাৰ সিদ্ধান্ত কৰা হয় আৰু লেখিকা সমাৰোহৰ ইতিহাস প্ৰণয়নত আগভাগ লৈ প্ৰস্তাৱনা সংখ্যাটো প্ৰকাশ কৰে।

এনে এগৰাকী মহিয়ষী নাৰীৰ বিয়োগত মৰ্মাহত হৈছোঁ আৰু পৰমেশ্বৰৰ ওচৰত তেখেতৰ আত্মাৰ চিৰশান্তি কামনা কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিলোঁ। ●

# কৰ্মশ্ৰী ড° সুখ বৰুৱা বাইদেউ

**ৰতিপ্ৰভা গগৈ**

অসমৰ এগৰাকী বিদূষী মহিলা 'মৰাণ কুঁৱৰী' ড° সুখ বৰুৱা; বিশ্লেষণৰ এখনি দীঘলীয়া তালিকা, সু-সাহিত্যিক, সু-সংগঠক, আজীৱন সমাজকৰ্মী আৰু অনেক। এগৰাকী অক্লান্ত কৰ্মী, জীৱনক সুন্দৰ কৰি তোলাৰ প্ৰয়াস প্ৰতিক্ষণ - 'এটি এটি ক্ষণ যেন মুকুতাৰে ধন' বুলি ভৰা মানুহ গৰাকীয়ে বৰ্তমান তিনিকুৰি সোতৰ বছৰলৈকে এটি ক্ষণো অথলে নোযোৱাকৈ অনেক কৰ্ম কৰিলে, বঁটা-বাহন, সম্বৰ্দ্ধনা লাভ কৰিলে। এনে অতুলনীয় ব্যক্তিত্বৰ অধিকাৰী শ্ৰদ্ধেয়া ড° সুখ বৰুৱা বাইদেউ।

তেখেতৰ সাহিত্যিক জীৱনৰ ওজন সামাজিক জীৱনৰ তুলনাত কম হ'লেও সাহিত্যিক জীৱনেহে তেখেতৰ জীৱনৰ মূল্য নিৰূপণ কৰে। শৈশৱৰ পৰা হাতত কলম তুলি ল'বলৈ আৰম্ভ কৰা শ্ৰদ্ধেয়া বাইদেৱে পোন্ধৰখনতকৈ অধিক পুথি প্ৰকাশ কৰি তেখেতৰ প্ৰতিভাৰ স্বাক্ষৰ অসমীয়া সাহিত্য জগতত সিঁচৰতি কৰি থৈছে। গল্প, কবিতা, তত্ব গধুৰ প্ৰবন্ধ আদি সাহিত্য শিল্পৰ প্ৰায় কেওটা দিশতে তেখেতে অৱদান আগবঢ়াইছে। বাৰখনতকৈ অধিক গ্ৰন্থ সম্পাদনা কৰি অসমীয়া সাহিত্য জগতত তেখেতে আন এটি বলিষ্ঠ খোজ আগবঢ়াই গৈছে।

সমাজৰ প্ৰতি থকা সচেতনতা আৰু দায়বদ্ধতাই তেখেতক জিৰাবলৈ সময় নিদিয়ে। জীৱন কালৰ পৰিক্ৰমা চাই তেখেতৰ কৰ্মৰাজিৰ তুলনা নহয়। বিশেষকৈ পুৰুষ প্ৰধান সমাজত নাৰীৰ অনগ্ৰসৰতা তথা নিৰ্যাতনৰ ছবিয়ে তেখেতৰ চকুৰ নিদ্ৰা হৰিছিল। সেয়ে নাৰী সবলীকৰণ, নাৰী শিক্ষাৰ সম্প্ৰসাৰণ, নাৰীৰ অধিকাৰ আদিৰ বাবে আত্ম নিয়োগ কৰি বেতবাৰী আদৰ্শ বিদ্যালয, মৰাণ মহিলা মহাবিদ্যালয়, মৰাণ আঞ্চলিক মহিলা মঞ্চ-সংঘমিত্ৰা, সংঘমিত্ৰা জাতীয় বিদ্যালয়, হস্ত তাঁতশিল্প বয়ন প্ৰশিক্ষণ কেন্দ্ৰ, মৰাণ শাখা লেখিকা সমাৰোহ সমিতিৰ লগতে যোল্লটা শাখা সমিতিৰ প্ৰতিষ্ঠাতা আৰু গুৰিধৰোঁতা ড° সুখ বৰুৱা বাইদেউৰ কৰ্মজীৱনৰ তুলনা নাই। মৰাণৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত বাইদেউৰ বিশাল ব্যক্তিত্বৰ বৰ্ণনা কলমেৰে বুজাব নোৱাৰি। নাৰী সমাজৰ সামগ্ৰিক উন্নতিৰ বাবে অসমৰ বিভিন্ন প্ৰান্তত নাৰী সজাগতা, নাৰী শিক্ষা, নাৰী অধিকাৰ সম্পৰ্কে ৰাজ্যিক পৰ্যায়ৰ কৰ্মশালা আলোচনা আদিত অংশ গ্ৰহণ কৰিছিল।

'কৰ্মই জীৱন' বাইদেউৰ আদৰ্শ। অন্তৰৰ গভীৰত ৰূপিত সপোনটি বাস্তৱায়িত কৰাৰ অনুকৰণীয় আদৰ্শই তেখেতৰ জীৱনৰ চালিকা শক্তি। অটুট কৰ্ম শক্তিৰে তেখেত প্ৰকৃততে 'কৰ্মশ্ৰী'। শেষত এই লেখাটোৰেই বাইদেউৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ। লগতে ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা তেখেতৰ আত্মাই যেন চিৰশান্তি লাভ কৰে।●

# ড° সুখ বৰুৱাৰ সাহিত্য আৰু কীৰ্তি

**ড° মালিনী**

ছেপ্তেম্বৰ মাহৰ তিনি তাৰিখ দেওবাৰে ড° সুখ বৰুৱা বাইদেউৰ মৃত্যুৰ খবৰটো শুনি বৰ মৰ্মাহত হলোঁ। তেখেতে ইমান সোনকালে আমাক এৰি গুচি যাব বুলি ভবাই নাছিলোঁ। যোৱা ব'হাগ বিহুৰ পাছৰ পৰা বাইদেউৱে মোৰ ফোন ধৰা নাছিল। সেয়ে ভিতৰি ভিতৰি মই অভিমানি হৈ আছিলোঁ। কিন্তু দেওবাৰৰ আকস্মিক বাতৰিটোৱে মোৰ মান অভিমান সকলো উটুৱাই নিলে। শেষ শ্ৰদ্ধা জনাবলৈ যাব নোৱৰাৰ দুখে বাৰুকৈয়ে দগ্ধ কৰিলে। শেষত এই লেখাটোৰেই বাইদেউৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ। লগতে ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা তেখেতৰ আত্মাই যেন চিৰশান্তি লাভ কৰে।

যশস্বী সাহিত্যিক আৰু সমাজ সেৱক ড° সুখ বৰুৱাৰ জীৱন দৰ্শন সম্পৰ্কত মৰাণৰ বিভিন্ন অনুষ্ঠান একত্ৰিত হৈ এখনি অভিনন্দন গ্ৰন্থ প্ৰস্তুত কৰিবলৈ লোৱা সিদ্ধান্তটো অনুৰাগীসকলৰ সুবিবেচনা বুলি গণ্য কৰিছোঁ। ড° সুখ বৰুৱা এগৰাকী নিৰহংকাৰী, অগৰ্বী, অধ্যয়নপুষ্ট, বিভিন্ন অভিজ্ঞতাৰে অভিজ্ঞ, সজ গুণেৰে বিভূষিত এগৰাকী সম্পূৰ্ণা নাৰী। সাংসাৰিক সামাজিক আৰু কৰ্ম এই তিনিওটা দিশতেই তেখেত এগৰাকী সফল ব্যক্তি। শিক্ষয়িত্ৰী হিচাপে ড° বৰুৱাই প্ৰায় বিছ-বাইছ বছৰৰ অভিজ্ঞতা অৰ্জন কৰিছে। মৰাণ মহিলা মহাবিদ্যালয়কে মুখ্য কৰি সংঘমিত্ৰা জাতীয় বিদ্যালয়লৈকে প্ৰায় ছটামান অনুষ্ঠান তেখেতৰ তত্বাৱধানত গঢ় লৈ উঠিছে। ২০১৪ চনৰ পৰা ২০১৬ চনলৈকে ড° সুখ বৰুৱাই সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সন্মানীয় সভাপতি পদ অলংকৃত কৰিছিল। অতি আনন্দৰ কথা যে এইগৰাকী সমাজ কল্যাণকামীয়ে গাঁৱৰ নাৰীসকলক শিক্ষিত কৰি তুলিবলৈ চেষ্টা কৰাৰ লগতে তেওঁলোকৰ অধিকাৰৰ বিষয়ে সজাগতা বৃদ্ধি কৰিবলৈ গাঁৱে-ভূঁএে, চহৰে-নগৰে সভা-সমিতি, কৰ্মশালা আদি অনুষ্ঠিত কৰি মহিলাসকলক আগবঢ়াই নিছিল। তদুপৰি শিক্ষিত নাৰীসকলে যাতে নিজৰ প্ৰতিভা বিকাশৰ বাবে হাতত কলম তুলি লয় তাৰ বাবেও ড° বৰুৱাই দেহে-কেহে চেষ্টা কৰিছিল। মৰাণ লেখিকা সমাৰোহ সমিতি প্ৰতিষ্ঠাতা আছিল ড° সুখ বৰুৱা। অকল সেয়ে নহয়, তেখেতৰ প্ৰচেষ্টাতে সেই অঞ্চলত যোল্লটাকৈ শাখা সমিতিও গঢ় লৈ উঠিছিল।

সাহিত্যিক হিচাপে ড° সুখ বৰুৱাৰ সুখ্যাতি আছে। তেখেত একেধাৰে কবি, গল্পকাৰ, নিবন্ধকাৰ আৰু সাহিত্য সমালোচক। সাহিত্য সংস্কৃতিৰ লগত ওতঃপ্ৰোত ভাৱে জড়িত হৈ থকা ড° বৰুৱাৰ কেইবাখনো গ্ৰন্থই অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিছে। বিশেষকৈ "আহোমসকলৰ উৎসৱ-অনুষ্ঠান", "বুৰঞ্জীয় পৰশা মধ্যযুগৰ সোণালী সুবাস" সৰ্বকালৰ সৰ্বপ্ৰজন্মৰ বাবে

কালজয়ী সৃষ্টি। "অপৰাজেয়" গল্প সংকলন, "শব্দৰ স'তে আলাপ" "দুবৰিত নিয়ৰৰ মুকুতা সৰে" আৰু "শব্দ শিল্প" এই তিনিখন কবিতা সংকলনে তেখেতৰ সৃষ্টিশীল প্ৰতিভাৰ সাক্ষী বহন কৰিছে। তেখেতৰ দক্ষ সম্পাদনাত ভালেমান মূল্যৱান গ্ৰন্থ প্ৰকাশ হৈছে। তাৰ ভিতৰত "নাৰীকণ্ঠ", "ঋতু মঞ্জৰী", "জীৱনজয়ী চন্দ্ৰপ্ৰভা", "সংঘমিত্ৰা" আদিয়েই প্ৰধান। ড° সুখ বৰুৱাৰ বাক্যৰ গাঁথনি অতি শুৱলা। অনাৱশ্যক ভাৱে কোনো কথা তেখেতে নিলিখে।

২০১৪ চনত অসম চৰকাৰে ড° সুখ বৰুৱালৈ সন্মানীয় সাহিত্যিক পেঞ্চন আগবঢ়ায়। তেখেতৰ সাহিত্য প্ৰতিভা আৰু সমাজলৈ আগবঢ়োৱা অৱদানৰ বাবে ৰাজ্যখনৰ কেইবাটাও আগশাৰীৰ অনুষ্ঠান আৰু অসম চৰকাৰে বঁটা আগবঢ়াইছে। সেই বঁটাসমূহ হ'ল— সিংহ পুৰুষ ৰাধা গোবিন্ধ বৰুৱা স্মাৰক সমিতিয়ে আগবঢ়োৱা 'পূৰ্ণিমা বৰুৱা বঁটা' (২০০০), অসম চৰকাৰৰ 'সাহিত্য বঁটা' (২০১৩), অসম চৰকাৰৰ 'চন্দ্ৰপ্ৰভা শইকীয়ানী বঁটা' (২০১৫), টাই আহোম যুৱ পৰিষদৰ 'বীৰাংগনা মূলাগাভৰু বঁটা' (২০১৭), সদৌ অসম লেখিকা সমাৰোহ সমিতিয়ে আগবঢ়োৱা 'সমাজসেৱা আৰু সাহিত্যসেৱা বঁটা' আদিয়েই প্ৰধান। ড° সুখ বৰুৱা এগৰাকী ভাল বক্তাও। অসমৰ প্ৰায়বোৰ অনুষ্ঠানে এই গৰাকী যশস্বী সাহিত্যিকক সম্বৰ্দ্ধনা জনাই তেখেতৰ সাহিত্য প্ৰতিভা আৰু সমাজ সেৱাক স্বীকৃতি দিছে।

ড° সুখ বৰুৱাৰ গুণ বখানি শেষ কৰিব নোৱাৰি। সদায় স্পষ্ট কথা কোৱা এইগৰাকী লেখিকাৰ লগত মোৰ অতি কম দিনৰ ভিতৰত এক আন্তৰিক সম্পৰ্ক গঢ় লৈ উঠিছিল। মই তেখেতক পোনপ্ৰথমে লগ পাইছিলো ২০০৭ চনত, মৰাণ মহাবিদ্যালয়ৰৰ এখন সভাত। সেয়াই আছিল আৰম্ভণি। তাৰ পাছৰ পৰা প্ৰায় প্ৰতিটো বৰ্ষতে এবাৰ হ'লেও লগ পাওঁ।

ড° সুখ বৰুৱা এগৰাকী উচ্চমনা, মমতাময়ী, সদাচাৰী, সচেতন নাৰী। সাংসাৰিক জীৱনতো শ্ৰীমতী বৰুৱা এগৰাকী সফল নাৰী। তেখেতৰ স্বামী শ্ৰীযুত বিনন্দ বৰুৱা অৱসৰ প্ৰাপ্ত শিক্ষা বিষয়া। তেখেত এজন সাহিত্য অনুৰাগী ব্যক্তি। উচ্চ শিক্ষিত পৰিয়ালটো সমাজৰ আদৰ্শ। পুত্ৰ-বোৱাৰী, জী-জোঁৱাই, নাতি-নাতিনীৰে বৰুৱা দম্পতী এখন সুন্দৰ সংসাৰৰ গৰাকী। আশা ৰাখিছো ভগৱানে যেন ড° সুখ বৰুৱাক সু-স্বাস্থ্য প্ৰদান কৰে আৰু সাহিত্য চৰ্চা কৰি যাবলৈ দীৰ্ঘায়ু কৰি ৰাখে। ●

# ‘হাব্রুনি ফামে’ সুখ বৰুৱা বাইদেউ

**ড° অদিতি বেজবৰুৱা**

ড° সুখ বৰুৱা বাইদেউক প্ৰথম লগ পাইছিলো সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ এখন সভাত। প্ৰথম দৰ্শনতে মানুহ গৰাকীৰ প্ৰতি সমীহ মিহলি শ্ৰদ্ধাৰ ভাব উপজিছিল। মানুহ গৰাকীৰ প্ৰশাসনিক দক্ষতা, কৰ্তৃত্বশীলতা, স্পষ্ট আৰু খোলা কথা-বতৰাৰ বাবে স্বাভাৱিকতে তেখেতৰ প্ৰতি আকৰ্ষণ অনুভৱ কৰিছিলো। লাহে লাহে কেতিয়ানো মানুহগৰাকী মোৰ নিচেই আপোন হৈ পৰিল, গমেই নাপালো। মৰম, হেঁপাহ, আন্তৰিকতা আৰু অভিভাৱকসুলভ পৰামৰ্শেৰে তেখেতে মোৰ অন্তৰত নিগাজী ঠাই অধিকাৰ কৰি ল’লে।

অসমৰ যিসকল মহিলাই নাৰী শিক্ষাৰ প্ৰসাৰ আৰু বিকাশৰ কাৰণে নিৰন্তৰ প্ৰচেষ্টা চলাই আহিছে সেইসকলৰ ভিতৰত সুখ বৰুৱা বাইদেউ অন্যতম। কুৰি শতিকাৰ চতুৰ্থ দশকৰ আৰম্ভণিতে শিৱসাগৰ জিলাৰ পিছপৰা ভিতৰুৱা গাঁও এখনৰ সাধাৰণ কৃষক পৰিয়াল এটাতে সুখ বৰুৱাৰ জন্ম হৈছিল। সুখ বৰুৱা বাইদেউৰ পিতৃ আছিল ফুলবৰ চেতিয়া আৰু মাতৃ গুণলতা চেতিয়া। সুখ বৰুৱাই বেতবাৰীত স্থানীয় বিদ্যালয়তে প্ৰাথমিক শিক্ষা গ্ৰহণ কৰিছিল। সুখ তৃতীয় শ্ৰেণীত থাকোতেই পিতৃ বিয়োগ হয়। কিন্তু মাতৃ শিক্ষানুৰাগী গুণলতাৰ দৃঢ়তাৰ বাবেই তেওঁ শিক্ষাৰ ক্ষেত্ৰত ধাপত ধাপে আগুৱাই যাবলৈ সক্ষম হ’ল। খেতি-বাতি কৰি, তাঁত-সুত বই এইগৰাকী সাধাৰণ গাঁৱলীয়া মহিলাই কন্যা সুখৰ শৈক্ষিক যাত্ৰা চলাই নিয়াৰ লগতে তেওঁক মনোবল যোগাই এগৰাকী ব্যক্তিত্বসম্পন্ন নাৰী হিচাপে গঢ় লোৱাত অৰিহণা যোগাইছিল। শিৱসাগৰ কলেজৰ পৰা স্নাতক উপাধি লাভ কৰাৰ সময়তে সমাজত নাৰী শিক্ষাৰ গুৰুত্ব অনুভৱ কৰি, অকল নিজে শিক্ষিত হ’লে নহ’ব বুলি ভাবি নিজৰ জন্মস্থান বেতবাৰী আৰু ইয়াৰ কাষৰীয়া অঞ্চলৰ ছোৱালীহঁতৰ কথা চিন্তা কৰি বেতবাৰীত উচ্চ মাধ্যমিক বালিকা বিদ্যালয় স্থাপন কৰিলে। বেতবাৰীৰ এই ছোৱালী হাইস্কুলখনে বেতবাৰীৰ কাষৰীয়া অঞ্চলসমূহ সামৰি এটা বৃহৎ এলেকাৰ ছোৱালীহঁতৰ মাজত শিক্ষাৰ প্ৰসাৰৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰিবলৈ সক্ষম হ’ল। প্ৰতিষ্ঠাপক প্ৰধান শিক্ষয়িত্ৰী হিচাপে এই বিদ্যালয়খন গঢ়ি তোলাত তেখেতে নিজৰ অসাধাৰণ দক্ষতাৰ পৰিচয় দিছিল। ১৯৭৩ চনৰ পৰা ১৯৯২ চনলৈকে প্ৰায় দুই দশক মৰাণ বালিকা বিদ্যালয়ত সহশিক্ষয়িত্ৰী হিচাপে কাম কৰাৰ পাছত মৰাণ মহিলা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ হিচাপে মহাবিদ্যালয়খনক দুই দশক নেতৃত্ব প্ৰদান কৰি এক সুদৃঢ় অৱস্থালৈ উপনীত কৰালে। শৈক্ষিক জগতখনৰ সমান্তৰালভাৱে ১৯৯২ চনতে মৰাণৰ মহিলাসকলৰ সামগ্ৰিক উন্নয়নৰ কথা চিন্তা কৰি ‘সংঘমিত্ৰা’ নামৰ এটা মহিলা মঞ্চৰ জন্ম দিয়ে। মহিলাসকলৰ অৰ্থনৈতিক উন্নয়নৰ কথা চিন্তা কৰি এই মঞ্চৰ অধীনতে ‘সংঘমিত্ৰা হস্ততাঁত বয়ন শিল্প

প্ৰশিক্ষণ কেন্দ্ৰ' স্থাপন কৰি মহিলাসকলক স্বাৱলম্বী হোৱা পথৰ সন্ধান দিয়ে। এই অনুষ্ঠানত প্ৰতিষ্ঠাপক সম্পাদক হিচাপে এটা অনুষ্ঠানৰ দায়িত্ব লৈ তেখেতে মহিলাসকলৰ অৰ্থনৈতিক তথা সামাজিক উন্নয়নত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। বিভিন্ন সামাজিক অনুষ্ঠান তথা শৈক্ষিক অনুষ্ঠানৰ লগত জড়িত হৈ নাৰী শিক্ষা, নাৰীৰ অধিকাৰ, স্বাস্থ্য সজাগতা, বিভিন্ন নাৰী সম্পৰ্কীয় সমস্যাৰ সমাধানৰ হকে অনেক সভা-সমিতি পতাৰ লগতে হাতে-কামেও উজান দিছিল। লগতে নিজৰ সাহিত্য চৰ্চাও চলাই গৈছিল আৰু কবি, গল্পকাৰ, নিবন্ধকাৰ আৰু সমালোচক হিচাপে নিজকে অসমৰ সাহিত্য জগতত প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল। গতিকে তেখেত বিভিন্ন বঁটা-বাহনেৰে সাহিত্য বঁটা, বিভিন্ন অনুষ্ঠান আৰু চৰকাৰৰ পৰাও স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছে। এই বিভিন্ন বঁটা, সম্বৰ্ধনা আদি তেখেতক বেলেগ বেলেগ উপাধি, নাম আদি দিয়া হৈছে যদিও ধুবুৰী জিলা লেখিকা সমাৰোহ সমিতিয়ে দিয়া হাৱুনি ফামে (বোকাৰ পদুম) উপাধিটো আমাৰ বাবে মনোমত হৈছে। সঁচাকৈয়ে বাইদেউ যেন বোকাৰ পদুম।

সুখ বৰুৱা বৰ্ণাঢ্য কৰ্মজীৱনে তেখেতৰ অফুৰন্ত কৰ্ম শক্তি আৰু সামাজিক দায়বদ্ধতাৰ চিনাকি দিয়ে। নলিনীবালা দেবীয়ে লিখা সেই গৰাকী নাৰী যেন সুখ বৰুৱা- *"নাৰী মই। প্ৰাণত জ্বলিছে মোৰ, তৰিৎ শক্তিৰ শিখা চিৰ অনিৰ্বান"*

প্ৰাণৰ এই তৰিৎ শক্তিৰ শিখাৰে যেন তেখেতে নাৰী শিক্ষাৰ বহু গৃহ বন্তি জ্বলাবলৈ সক্ষম হ'ল। যিসকল মহিলাই নিজৰ অনবদ্য বৰঙণিৰে অসমৰ শৈক্ষিক, সাংস্কৃতিক, সাহিত্যিক জগত সমৃদ্ধ কৰিছে সেইসকলৰ মাজত সুখ বৰুৱাও এগৰাকী উল্লেখযোগ্য মহিলা। তেখেত নাৰী সমাজৰ কাৰণে অনুপ্ৰেৰণাৰ উৎস। এনে এগৰাকী মহিয়ষী নাৰীৰ বিয়োগত মৰ্মাহত হৈছোঁ আৰু পৰমেশ্বৰৰ ওচৰত তেখেতৰ আত্মাৰ চিৰশান্তি কামনা কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিলোঁ। ●

# অনুষ্ঠানলৈ ৰূপান্তৰ হোৱা এক ব্যক্তিসত্বা

**ড° বন্তি গগৈ হাওবৰা**

মানৱ জীৱনটো এক অলিখিত বৃহৎ অভিধান য'ত ঠাহ খাই থাকে জীৱনৰ প্ৰতিটো ক্ষণৰ প্ৰতিটো কৰ্মৰ নিৰ্ভুল অৰ্থ। প্ৰকৃত পৰ্যৱেষকে নিৰীক্ষণ কৰিব পাৰে একোজন ব্যক্তিৰ জীৱনৰ মহত্ব। আয়ত্ব কৰিব পাৰে জীৱন পৰিক্ৰমাই দি যোৱা জ্ঞানৰ গভীৰত্ব। আলোকিত কৰিব পাৰে নৱ প্ৰজন্মৰ বাবে নতুন দিগন্ত। জীৱন সম্পৰ্কে বুদ্ধদেৱৰ মূল মন্ত্ৰটো হৈছে "আমি যেনেদৰে চিন্তা কৰো, তেনেকুৱাই হওঁ। আমি যি কৰিছো বা হৈছো সেইয়া আমাৰ মনৰ প্ৰতিফলন। আমাৰ পৃথিৱীখন আমাৰ ব্যক্তিগত চিন্তাৰে গঢ় দিওঁ। উদ্দেশ্যপূৰ্ণ জীৱনেই হ'ল সফল জীৱন। লিখনিত এনে এগৰাকী স্বনামধন্য ব্যক্তিৰ জীৱনত কিঞ্চিত আলোকপাত কৰিব বিচাৰিছো যি গৰাকীয়ে শৈশৱৰ পৰাই জীৱনৰ প্ৰতিটো ক্ষণৰ সদ্ব্যৱহাৰে জীৱনটোক কৰিলে প্ৰাচুৰ্যময় সমৃদ্ধিশালী আৰু মহীয়ান। লাভ কৰিলে সন্তুষ্টি আৰু গগণচুম্বী সাফল্য। জীৱন হৈ পৰিল অৰ্থবহ আৰু অনুপম। যশ, মান, সন্মান, বঁটা, সম্বৰ্ধনা আৰু আশিস আহিল পাৰ ভাঙি। জীৱনটোক এক দৃষ্টান্ত হিচাপে জল্ জল্ পট্ পট্‌কৈ উজ্জ্বলাই তুলিলে। সমাজক আৰু শিক্ষাজগতক দিলে অমূল্য অৱদান। এগৰাকী সফল ব্যক্তিৰ জীৱনকালত এইয়াই সপোনৰ বাস্তৱ প্ৰতিফলন।

আহোম স্বৰ্গদেউসকলৰ দেশপ্ৰেম আৰু বীৰত্বৰ গাঁথা আকাশে-বতাহে, পৰ্বতে-কন্দৰে প্ৰতিধ্বনিত হৈ থকা ইতিহাস প্ৰসিদ্ধ শিৱসাগৰ চহৰৰ পৰা প্ৰায় সাত কিলোমিটাৰ পূবে বেতবাৰীত ১৯৪৬ চনৰ শেষ দিনটোত জন্মলাভ কৰিলে মহীয়সী গৰাকীয়ে। যি গৰাকীয়ে জন্মৰ কিছুদিনৰ পিছতে স্বাধীন ভাৰতৰ অধ্যক্ষাৰ তত্বাবধানত একাধিক শিক্ষানুষ্ঠান গঢ় লৈ উঠিব পাৰে। তাৰে নিদৰ্শন শ্ৰদ্ধেয়া ড° সুখ বৰুৱা বাইদেউ। শিৱসাগৰ জিলাৰ মহিলা শিক্ষাৰ ইতিহাসত গতিশীলতা অব্যাহত ৰখা প্ৰণিধানযোগ্য শিক্ষাবিদসকলৰ ভিতৰত বাইদেউ অন্যতম। বেতবাৰীৰ দৰে পিছপৰা অঞ্চলত ১৯৬৮ চনতে একুৰি দুবছৰীয়া এগৰাকী যুৱতীয়ে বেতবাৰী আদৰ্শ উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষয়িত্ৰীৰ গুৰু দায়িত্ব বহন কৰি শিক্ষা জগতত এক অভিলেখ সৃষ্টি কৰিছিল ১৯৯২ চনত প্ৰতিষ্ঠাপক অধ্যক্ষা হিচাপে মৰাণ বালিকা মহাবিদ্যালয়ৰ গুৰু দায়িত্ব বহন কৰিবলগীয়া হয়। যোগ্য স্থানত সুযোগ্য ব্যক্তি। প্ৰবল ইচ্ছা শক্তি, আত্ম-বিশ্বাস আৰু দৃঢ়তা থকা প্ৰতিজন লোকেই নিজৰ জীৱনৰ ভেঁটি সুদৃঢ় কৰাৰ উপৰিও সমাজ আৰু জাতিক গঢ় দিব পাৰে। প্ৰতিভা, ব্যক্তিত্ব আৰু ব্যুৎপত্তিৰ সমাহাৰত এগৰাকী মহিলা হৈ পৰে মহিয়সী, অনন্য আৰু অতুলনীয়। এনে বৰ্ণাঢ্য জীৱনৰ বিভিন্ন দিশ অথবা জীৱন দৰ্শনৰ সম্পৰ্কে স-বিস্তাৰে প্ৰকাশ কৰিব

পৰা ধৃষ্টতা আমাৰ নাই।

গ্ৰন্থ প্ৰণয়ন এক কঠিন কলা। গভীৰ অধ্যয়ন। আত্মবিশ্বাস আৰু কঠোৰ পৰিশ্ৰমৰ অবিহনে গ্ৰন্থ ৰচনা কৰাটো সহজ সাধ্য নহয়। সৃষ্টিশীল লিখনিৰ বাবে কঠোৰ পৰিশ্ৰম আৰু অধ্যৱসায়ৰ প্ৰয়োজন। অধ্যয়ন সমৃদ্ধ মনৰ অনুভৱ বিশাল। কিশোৰী অৱস্থাতে নিজৰ উজ্বল প্ৰতিভাৰ উমান দিব পৰা বাইদেৱে শংকৰদেৱ, জ্যোতিপ্ৰসাদ আৰু ড° ভূপেন হাজৰিকাৰ দৰে সৰু কালতেই সাহিত্য ৰচনা কৰি সৃষ্টি কৰ্মৰ পৰিপক্কতা প্ৰতিপন্ন কৰে। লগে লগে সাংস্কৃতিক মনটো পৰিস্ফূট হয়। মৰাণ মহিলা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষাৰ দৰে গুৰু দায়িত্ব বহন কৰি থকা অৱস্থাত আহোম বুৰঞ্জীমূলক বিষয়ৰ ওপৰত গৱেষণা কৰিব পৰাটো নিতান্তই দুঃসাধ্য। মহাবিদ্যালয় এখনৰ পৰিচালনাৰ সমান্তৰালভাৱে চৈধ্যখন কৈ গ্ৰন্থ ৰচনা, তাৰোপৰি বাৰখনকৈ গ্ৰন্থ সম্পাদনা কৰাৰ দৃষ্টান্ত অতি বিৰল। শিক্ষকতা আৰু প্ৰশাসনিক দক্ষতাৰ উপৰিও সাহিত্যিক গৱেষক হিচাপে খ্যাতি লাভ কৰা ড° সুখ বৰুৱা বাইদেউক ৰত্নগৰ্ভা, মৰাণ কুঁৱৰী, কৰ্মযোগী, প্ৰেৰণাময়ী, মহিয়সী, হাৱ্ৰুনি ফামে (বোকাৰ পদম), জাচিংফা আদি উপাধিৰে যথাযোগ্য সন্মান যাচিলে বিভিন্ন সংগঠনে। জীৱন কালত উপচি পৰা উপাধি লাভ কৰিবলৈ এগৰাকী মহিলা হ'ব লাগিব গৃহস্থীত গৃহিনী, শিল্পত শিপিনী, অধ্যয়নত তপস্বী, শিক্ষাদানত সৰস্বতী, সাহিত্য কৰ্মত গাৰ্গী, ধৰ্মত ধৰিত্ৰী হিচাপে দৃঢ় মনোবলৰ গৰাকী। ইয়াৰ উপৰিও ধৈৰ্য্য, সহিষ্ণুতা, সততা আৰু হৃদয় ভৰা মমতাৰে অলংকৃতা। প্ৰবল ইচ্ছাশক্তি, আত্মবিশ্বাস আৰু দৃঢ়তা থকাৰ বাবেই নিজৰ জীৱনৰ ভেঁটি সু-দৃঢ় কৰাৰ লগে লগে সফল মাতৃ আৰু সফল পত্নীৰ গৌৰৱেৰে গৰ্বিতা। মাতৃ আৰু গৃহিনীৰ দায়িত্বৰ চাৰিসীমা চেৰাই গৈ বহুমুখী প্ৰতিভাৰ সাহিত্য সংস্কৃতি আৰু সামাজিক দিশত নিজকে উজ্বলাই তুলিবলৈ সক্ষম হোৱাটো এগৰাকী নাৰীৰ বহুমুখী প্ৰতিভাৰ পৰিচায়ক। ব্যক্তিগত দৃষ্টিভঙ্গীৰ দ্বাৰাই অমূল্য জীৱনী শক্তিক কামত খটুৱাই নিজকে বৌদ্ধিক উচ্চতাৰ আলোক স্তম্ভৰূপে উজ্বলাই তুলিলে।

এই গৰাকী সুযোগ্য আহোম জীয়ৰীয়ে গৱেষণাৰ বিষয় হিচাপে বাচি ললে গৌৰৱময় 'আহোমসকলৰ উৎসৱ-অনুষ্ঠান'— যি খন গুৰুত্বপূৰ্ণ গৱেষণা গ্ৰন্থ পঞ্চম বাৰৰ বাবে প্ৰকাশ কৰিব লগা হ'ল। জাতিৰ ঐতিহ্য, বংশৰ নজহা-নপমা, ইতিহাস ধৰি ৰখাৰ পবিত্ৰ প্ৰয়াস কৰিলে 'টাই আহোমসকলৰ স্বকীয় ধৰ্মীয় পৰম্পৰা' 'টাই আহোমসকলৰ ঋতুকালীন উৎসৱ-অনুষ্ঠান' আৰু 'বুৰঞ্জীয়ে পৰশা মধ্যযুগৰ সোণালী সুবাস' আদি অমূল্য প্ৰবন্ধ সংকলনৰ জৰিয়তে। নিজৰ বংশৰ শিপা খুচৰি ফুৰা, জাতীয় জীৱনক গভীৰভাৱে প্ৰাণৱন্ত কৰি তোলা বাইদেউ পোহৰ মুখী চেতনাৰ অন্যতম বাহক হিচাপে পৰিচিত হ'ল। সাহিত্যৰ ভঁৰাললৈ সোণগুটি চপোৱা সফল শব্দৰ কৃষক গৰাকীক যথোচিত সন্মানেৰে বিভূষিত কৰিলে অসম চৰকাৰে একাদিক্ৰমে 'অসম চৰকাৰৰ সাহিত্য বঁটা (২০১৩), 'অসম চৰকাৰৰ সাহিত্যিক পেঞ্চন (২০১৪) আৰু 'অসম চৰকাৰৰ চন্দ্ৰপ্ৰভা শইকীয়ানী বঁটা (২০১৫) লগে লগে প্ৰাপকৰ খ্যাতিক বৌদ্ধিক উচ্চতাৰ আলোক স্তম্ভস্বৰূপে প্ৰতিপন্ন কৰা হ'ল। শৈক্ষিক, বৌদ্ধিক আৰু সাংস্কৃতিক দিশত শক্তিশালী নেতৃত্ব দি নিজস্বতা, নিকা ভাৱমূৰ্ত্তি, আত্মবিশ্বাসী আৰু সফল প্ৰশাসকৰ শাৰীত নিজকে প্ৰতিষ্ঠা কৰে। ২০০০ চনত সিংহ পুৰুষ ৰাধা গোবিন্দ বৰুৱাৰ স্মাৰক সমিতিৰ 'পূৰ্ণিমা বৰুৱা বঁটাই পুনৰবাৰ অভ্ৰভেদী ব্যক্তিত্ব আৰু বিষ্ময়কৰ প্ৰতিভাৰ উচিত মূল্যায়ন কৰে। টাই

আহোম যুৱ পৰিষদ অসমে ২০১৭ চনত প্ৰদান কৰা 'বীৰাংগনা মূলাগাভৰু বঁটা আৰু ২০১৮ চনত সদৌ অসম লেখিকা সমাৰোহ সমিতিয়ে আগবঢ়োৱা "সমাজ সেৱা আৰু সাহিত্য সেৱা বঁটাই" বাইদেউৰ কৃতিত্বত সোণত সুৱগা চৰায়।

পূৰ্ব্বাঞ্চল টাই সাহিত্য সভা, জয়মতী ন্যাস সমিতি, অসম সাহিত্য সভাৰ সক্ৰিয় উপদেষ্টা। সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ প্ৰাক্তন সভানেত্ৰী। মৰাণ মহিলা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষা। সংঘমিত্ৰা (মৰাণ আঞ্চলিক মহিলা মঞ্চ), মৰাণ শাখা লেখিকা সমাৰোহ সমিতি, সংঘমিত্ৰা হস্ততাঁত বয়ন প্ৰশিক্ষণ কেন্দ্ৰ, সংঘমিত্ৰা জাতীয় বিদ্যালয়ৰ প্ৰতিষ্ঠাপক সভানেত্ৰী আৰু মৰাণ মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভানেত্ৰী। অসম মহিলা কবি মঞ্চৰ সভানেত্ৰী। লেখিকা সমাৰোহ, কবি মঞ্চ আদিৰ সৰ্বাত্মক বিকাশৰ বাবে সমগ্ৰ অসম ঢপলিয়াই ফুৰা মহিলা গৰাকীক উপচাই পেলালে উপাধি আৰু বঁটাৰে বিভিন্ন দল সংগঠনে। অতি সাধাৰণ হৈও এক অসাধাৰণ, অনুকৰণীয় আৰু আদৰ্শনীয় ব্যক্তিত্বৰ ছাঁত আমি আটায়ে আশ্ৰিত, আপ্লুত আৰু উদ্ভাসিত। আমি তেখেতৰ পৰ্বত সদৃশ অৱদানৰ প্ৰাপ্তি স্বীকাৰ কৰিছো গভীৰ কৃতজ্ঞতাৰে।

অতি কম সময়ৰ বাবে লাভ কৰা জীৱনৰ ক্ষণবোৰ অতি দুৰ্লভ। জীৱনৰ এই দুৰ্লভতাক বহুজনে অসাধাৰণ প্ৰতিভা আৰু বুদ্ধিমত্তাৰ জৰিয়তে অমৰ কৰি ৰাখিব পাৰে। স্বকীয় প্ৰতিভা আৰু দক্ষতাৰে নিজৰ ব্যক্তিত্বক এক অনুষ্ঠানলৈ ৰূপান্তৰ কৰাত সফল হ'ল ড° সুখ বৰুৱা বাইদেউ। বিশাল সমুদ্ৰৰ পাৰত থিয় হৈ চকুৰে দেখাখিনিকে পৰিধি বুলি ভবাৰ দৰে বাইদেউৰ বিস্তৃত কৰ্মময় জীৱনৰ অনুমাত্ৰ উদাহৰণ হে বৰ্ণনা কৰিছো। প্ৰতিভাময়ী সাহিত্যিক গৰাকীয়ে 'প্ৰবন্ধ সমীক্ষণ' 'চিন্তা তৰঙ্গ', শব্দৰ স'তে আলাপ' (কবিতা), 'দুবৰিত নিয়ৰৰ মুকুতা সৰে' (কবিতা) 'শব্দ শিল্প' (কবিতা), অপৰাজেয় (গল্প) 'শতাব্দীৰ লেখিকা' (প্ৰবন্ধ), 'নাৰীৰত্ন' (জীৱনী), 'জীৱনজয়ী চন্দ্ৰপ্ৰভা' আৰু সাংস্কৃতিক জগতত সফলতাৰ সৌধ নিৰ্মাণ কৰিলে। জীৱনৰ অপৰাহ্নত এগৰাকী সম্পূৰ্ণ জ্ঞানপুষ্ট ব্যক্তিক সৰ্বকালৰ বাবে অজেয় স্বীকৃতি দিবৰ বাবে আমি হৃদয় খুলি দুহাত মেলি দিব লাগিব। উজ্বল নক্ষত্ৰ হৈ এই গৰাকী বাইদেৱে আমাক অলেখ দিলে। তাৰ প্ৰতিদান দিবৰ বাবে আমাৰ শূণ্য দুহাত। শেষত এই লেখাটোৰেই বাইদেউৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ। লগতে ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা কৰিছোঁ, তেখেতৰ আত্মাই যেন চিৰশান্তি লাভ কৰে। ●

# এক অনন্যা প্ৰতিভা ড° সুখ বৰুৱা

**ড° ৰিভা বৰা**

১৯৪৬ খ্ৰীঃত পিতৃ ফুলবৰ চেতিয়াৰ ঔৰসত আৰু মাতৃ গুণলতা চেতিয়াৰ গৰ্ভত বুৰঞ্জীপ্ৰসিদ্ধ শিৱসাগৰ জিলাৰ বেতবাৰীত জন্ম গ্ৰহণ কৰা ড° সুখ বৰুৱা এটি নামেই নহয়, এটি অনুষ্ঠান। এক নিৰ্ভীক, সাহসী আৰু স্পষ্টবাদী চৰিত্ৰৰ অধিকাৰী ড° সুখ বৰুৱা কেৱল মৰাণ অঞ্চলৰে নহয়, সমগ্ৰ অসমৰে এটি চিনাকি নাম। এক বৰ্ণাঢ্য কৃতিত্বৰে ভৰপূৰ তেখেতৰ জীৱন পৰিক্ৰমা। এগৰাকী সুলেখিকা হিচাবে খ্যাত ড° সুখ বৰুৱাই অসমৰ বৌদ্ধিক, সাংস্কৃতিক আৰু সামাজিক জগতখনলৈ যি বৰঙণি যোগালে তাক বিস্তৃত ৰূপত বৰ্ণনা কৰাৰ শকতি মোৰ নাই, তথাপিও থুলমূল আভাস এটি দাঙি ধৰাৰ প্ৰয়াস কৰিলো।

বেতবাৰী স্থানীয় বিদ্যালয়তে শিক্ষা জীৱনৰ পাতনি মেলা ড° সুখ বৰুৱাই সপ্তম শ্ৰেণীত পঢ়ি থাকোতেই কবিতা, গল্প আৰু জীৱনীমূলক প্ৰবন্ধৰে সাহিত্যৰ জগতখনত ভুমুকি মাৰিছিল। ইতিমধ্যে তেখেতে ভালেমান তত্বগধুৰ প্ৰবন্ধ, গল্প কবিতা আদি ৰচনা কৰি অসমৰ আগশাৰীৰ লেখকসকলৰ লগত ফেৰ মাৰিবলৈ সক্ষম হৈছে। শিৱসাগৰ কলেজৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰাৰ পিছত তেখেতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী আৰু সেই একেখন বিশ্ববিদ্যালয়ৰ পৰা অসমীয়া বিভাগৰ প্ৰফেচাৰ ড° ভীমকান্ত বৰুৱাৰ অধীনত গৱেষণা কৰি ডক্টৰেট ডিগ্ৰী লাভ কৰে। বিচাৰক মণ্ডলীৰ পৰা ভূয়সী প্ৰশংসা পোৱা তেখেতৰ গৱেষণাৰ বিষয় আছিল 'আহোমসকলৰ উৎসৱ-অনুষ্ঠান'। গৱেষণা গ্ৰন্থখনিৰ ইতিমধ্যে পাচোটাকৈ সংস্কৰণ কল্পতৰু প্ৰকাশন আৰু বনলত প্ৰকাশনে প্ৰকাশ কৰি উলিয়াইছে। এই গ্ৰন্থখনিয়ে টাই ভাষাৰ ওপৰত থকা ড° বৰুৱাৰ এক বুৎপত্তিৰ স্বাক্ষৰ দাঙি ধৰিছে। এই গ্ৰন্থখনিত টাইসকলৰ ধৰ্মীয় আৰু সাংস্কৃতিক পৰম্পৰা সম্পৰ্কে ইচ্ছুক গৱেষক আৰু পঢুৱৈসকলে বিচাৰি পাব যথেষ্ট প্ৰয়োজনীয় সমল। তেখেতৰ অন্যান্য প্ৰবন্ধ সংকলনসমূহ— 'বুৰঞ্জীয়ে পৰশা মধ্যযুগৰ সোণালী সুবাস', 'প্ৰবন্ধ সমীক্ষণ', 'টাই আহোমসকলৰ স্বকীয় ধৰ্মীয় পৰম্পৰা', 'টাই আহোমৰ ঋতুকালিন উৎসৱ অনুষ্ঠান' আদিয়ে টাই সাহিত্য সংস্কৃতিৰ পথাৰখন জীপাল কৰি ৰাখিবলৈ চেষ্টা অব্যাহত ৰাখিছে।

বৰ্তমানলৈকে ড° বৰুৱাৰ ১৫ খন গ্ৰন্থ প্ৰকাশ হৈ ওলোৱাৰ উপৰিও তেখেতে ১২ খনকৈ গ্ৰন্থত সম্পাদনা কৰিছে। সাহিত্যৰ জগতখনলৈ আগবঢ়োৱা এনে অৱদানৰ বাবেই তেখেতে অসম চৰকাৰৰ পৰা ২০১৩ চনত 'সাহিত্যিক বঁটা' আৰু ২০১৪ চনত 'সাহিত্যিক পেঞ্চন' লাভ কৰিবলৈ সক্ষম হৈছে। ২০১৮ চনত সদৌ অসম লেখিকা সমাৰোহ সমিতিয়ে তেখেতলৈ আগবঢ়াইছে

'সমাজসেৱা আৰু সাহিত্য সেৱা বঁটা'। নাৰী শিক্ষাৰ সম্প্ৰসাৰণ আৰু অসমীয়া ভাষা সাহিত্যলৈ বৰঙণি যোগোৱা বাবে ২০১৫ চনত অসম চৰকাৰে তেখেতলৈ আগবঢ়াইছে 'চন্দ্ৰপ্ৰভা শইকীয়ানী বঁটা'। টাই সংস্কৃতি আৰু ইতিহাসৰ গৱেষক ড° সুখ বৰুৱালৈ ২০১৭ চনত টাই আহোম যুৱ পৰিষদ অসমে আগবঢ়াইছে 'বীৰাংগনা মূলাগাভৰু বঁটা'। ২০০০ চনত সিংহপুৰুষ ৰাধা গোবিন্দ বৰুৱা, স্মাৰক সমিতি, ডিব্ৰুগড় তৰফৰ পৰা তেখেতলৈ আগবঢ়োৱা হৈছে 'পূৰ্ণিমা বৰুৱা বঁটা'।

ড° সুখ বৰুৱাই যিমানবিলাক অনুষ্ঠান-প্ৰতিষ্ঠানৰ জন্ম দিলে সেইবিলাকৰ নাম উল্লেখ কৰি অথবা বৰ্ণনা কৰি শেষ কৰিব নোৱাৰি। সেইবোৰৰ ভিতৰৰ অন্যতম কেইখনমান হ'ল বেতবাৰী উচ্চ মাধ্যমিক বিদ্যালয়, মৰাণ মহিলা মহাবিদ্যালয়, মৰাণৰ মহিলাৰ মঞ্চ 'সংঘমিত্ৰা', সংঘমিত্ৰা হস্ততাঁত বয়ন শিল্প প্ৰশিক্ষন কেন্দ্ৰ', 'সংঘমিত্ৰা জাতীয় বিদ্যালয়', 'মৰাণ শাখা লেখিকা সমাৰোহ সমিতি' ইত্যাদি। একক প্ৰচেষ্টাৰে নাৰীৰ উচ্চ শিক্ষাৰ এখন পূৰ্ণাঙ্গ শিক্ষানুষ্ঠান 'মৰাণ মহিলা মহাবিদ্যায়' স্থাপনে তেখেতৰ মহানুভৱতা আৰু সামাজিক দায়বদ্ধতাৰ এক বিৰল নিদৰ্শন দাঙি ধৰিছে। সেইবাবে ড° বৰুৱাক মৰাণ অঞ্চলৰ নাৰীৰ উচ্চ শিক্ষাৰ বাটকটীয়া বুলি আখ্যা দিব পাৰি। তেখেতে জন্ম দিয়া 'সংঘমিত্ৰা' নামৰ নাৰী মঞ্চটিয়ে বৰ্তমানে ২৫ টা বছৰ অতিক্ৰম কৰি এক বৃহৎ নাৰী মঞ্চলৈ পৰিবৰ্তন হৈছে। এই মঞ্চটিৰ জৰিয়তে মাতৃভাষাৰ মাধ্যমেৰে দৰিদ্ৰ শ্ৰেণীৰ শিশুসকলক কম মাচুলতে শিক্ষা প্ৰদান কৰি মানৱ সম্পদ গঢ় দিয়াত সহায় কৰিছে।

তেখেতৰ প্ৰচেষ্টাত জন্ম লাভ কৰা মৰাণ শাখা লেখিকা সমাৰোহ সমিতি সমগ্ৰ অসমৰ ভিতৰতে এটি জাকতজিলিকা শাখা। ড° বৰুৱাকে ধৰি মৰাণৰ মহিলাসকলৰ একত্ৰিত প্ৰচেষ্টাত সমিতিখনে এনে কিছুমান কাৰ্যসূচী লৈছে যিবোৰে মৰাণ আৰু ইয়াৰ দাঁতি কাষৰীয়া অঞ্চলৰ গাঁৱে ভুঁঞে বসবাস কৰা মহিলাসকলক সজাগ আৰু সচেতন কৰি তুলিছে। ৰান্ধনী ঘৰৰ চাৰিবেৰৰ মাজত আবদ্ধ হৈ সোমাই থকা বহুতো মহিলাই কলম হাতত তুলি লৈ তেওঁলোকৰ জীৱনৰ বিচিত্ৰ অভিজ্ঞতাসমূহ আৰু সমাজত ঘটি থকা সৰু সৰু ঘটনাসমূহক কল্পনাৰ ৰহন দি গল্প, উপন্যাস, কবিতা, নিবন্ধ আদিৰ আকাৰত প্ৰকাশ কৰি উলিয়াইছে আৰু তেনেকৈয়ে তেওঁলোকে উত্তৰপুৰুষৰ বাবে এৰি থৈ যোৱাৰ প্ৰয়াস কৰিছে, তেওঁলোকৰ সঞ্চিত জ্ঞানৰ সম্ভাৰসমূহ। ২০১৪ ৰ পৰা ২০১৬ চনলৈকে ড° সুখ বৰুৱাই সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সন্মানীয় সভানেত্ৰীৰ আসনখন অলংকৃত কৰিছিল। ইয়াৰ পূৰ্বেও তেখেত সমিতিৰ উপসভাপতি, কাৰ্যকৰী সভানেত্ৰী আদি গুৰুত্বপূৰ্ণ বিষয়বাবত আছিল। তেখেতে মৰাণ আৰু ইয়াৰ দাঁতি কাষৰীয়া অঞ্চলত সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ ১৬ টাকৈ শাখাৰ জন্ম দিছিল। ২০০৮ চনত মৰাণত অনুষ্ঠিত হৈছিল সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ দ্বাবিংশতিতম্ দ্বিবাৰ্ষিক অধিবেশন। অধিবেশন উপলক্ষে গঠন কৰা অভ্যৰ্থনা সমিতিৰ সভানেত্ৰীৰ দায়িত্বভাৰ অৰ্পণ কৰা হৈছিল তেখেতৰ ওপৰত। ড° সুখ বৰুৱা আৰু মৰাণৰ মহিলাসকলৰ প্ৰচেষ্টাত অধিবেশনখনি অতি শৃংখলাকৈ জাকজমকতাৰে সম্পন্ন হৈছিল। বহুতো গণ্য মান্য ব্যক্তি আৰু সাহিত্যিকৰ সমাবেশ ঘটা মুকলি সভাৰ দিনা অনুষ্ঠিত হোৱা আলোচনা চক্ৰলৈ মোক সঞ্চালিকা হিচাবে তেখেতে আমন্ত্ৰণ জনাইছিল। আলোচনা চক্ৰখনিৰ বিষয়বস্তু আছিল 'অসমীয়া সাহিত্যত উত্তৰ আধুনিকতাবাদ'।

ড° সুখ বৰুৱা বিভিন্ন সময়ত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ দায়িত্বত আছিল। ২০১৫ চনৰ পৰা মৰাণ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভানেত্ৰী আৰু ২০১৮ চনৰ পৰা বৰ্তমান সময়লৈকে ড° বৰুৱা মৰাণ মহিলা মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভানেত্ৰীৰ দায়িত্বত আছিল। তেখেতে ২০০৬ পৰা ২০১১ লৈকে মৰাণ কলেজৰ, ২০০৮ ৰ পৰা ২০১১ লৈকে নিতাইপুখুৰী কলেজৰ আৰু ২০১২-২০১৫ লৈকে, পুনৰ ২০১৫ ৰ পৰা ২০১৮ লৈকে খোৱাং পিথুবৰ ছোৱালী কলেজৰ পৰিচালনা সমিতিৰ সদস্য হিচাবে কাৰ্যনিৰ্বাহ কৰিছিল। একেগৰাকী মহিলাৰ ওপৰত ইমানবোৰ দায়িত্ব ৰাইজ তথা চৰকাৰে অৰ্পণ কৰাটো কম গৌৰৱৰ কথা নহয়। এনে কৰ্মৰ স্বীকৃতি স্বৰূপে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ৰাইজে তেখেতক বঁটা-বাহনেৰে সম্বৰ্দ্ধনা জনোৱাৰ উপৰিও বিভিন্ন খ্যাতিমন্ত উপাধিও প্ৰদান কৰিছে। উল্লেখযোগ্য যে তেখেতে একক প্ৰচেষ্টাৰে নাৰীৰ উচ্চ শিক্ষাৰ অনুষ্ঠান 'মৰাণ মহিলা মহাবিদ্যালয়' স্থাপন কৰি পিছপৰি থকা অঞ্চলৰ যুৱতীসকলক শিক্ষা গ্ৰহণৰ সুবিধা কৰি দিয়ে। নাৰীসকলক বৌদ্ধিক সাংস্কৃতিক আৰু সামাজিক দিশত এনেদৰে আগুৱাই লৈ যোৱাৰ বাবে ২৩ জুন ২০১৩ তাৰিখে মৰাণ শাখা লেখিকা সমাৰোহ সমিতি; মৰাণ আঞ্চলিক মহিলা মঞ্চ 'সংঘমিত্ৰা' আৰু মৰাণ শাখা মহিলা কৰ্মচাৰীসকলৰ উদ্যোগত অনুষ্ঠিত হোৱা সম্বৰ্দ্ধনা সভাত মৰাণ মহাবিদ্যালয়কে ধৰি ৮২ টা সংগঠনে সম্বৰ্দ্ধনা জনোৱাটো তেখেতৰ এক পৰম সৌভাগ্য। এনে সৌভাগ্য খুব কম সংখ্যক মহিলাৰ ক্ষেত্ৰতহে সম্ভৱ হয়। ৰাইজে ড° বৰুৱাক বঁটা বাহনেৰে সম্বৰ্দ্ধনা জনোৱাৰ উপৰিও বিভিন্ন উপাধিও প্ৰদান কৰে। নাৰীৰ উচ্চ শিক্ষা প্ৰসাৰৰ স্বীকৃতি স্বৰূপে সদৌ অসম লেখিকা সমাৰোহ সমিতিয়ে উক্ত সভাতে তেখেতক আনুষ্ঠানিকভাৱে 'ৰত্নগৰ্ভা' আৰু 'মৰাণ কুঁৱৰী' নামে দুটাকৈ উপাধি প্ৰদান কৰে। ২০১৫ চনৰ ১৬ মে' তাৰিখে চেপন চকলীয়া শাখা লেখিকা সমাৰোহ সমিতিয়ে তেখেতক 'কৰ্মযোগী' উপাধি আৰু মৰাণ শাখা লেখিকা সমাৰোহ সমিতি আৰু মৰাণ আঞ্চলিক মহিলা মঞ্চ 'সংঘমিত্ৰা'ই যুটীয়া ভাৱে তেখেতক 'মৰাণ কুঁৱৰী' আৰু 'প্ৰেৰণাময়ী' উপাধি প্ৰদান কৰে। ২৩ জানুৱাৰী ২০১৬ তাৰিখে মৰাণ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা 'সতীৰ্থ সন্মিলন সমাৰোহত তেখেতক 'মহীয়সী নাৰী' উপাধিৰে সম্বৰ্দ্ধনা জ্ঞাপন কৰে। ১৯ ফেব্ৰুৱাৰী ২০১৬ তাৰিখে ধুবুৰীত অনুষ্ঠিত হোৱা সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ ষষ্ঠ বিংশতিতম্ দ্বিবাৰ্ষিক ধুবুৰী অধিবেশনত ধুবুৰী জিলা লেখিকা সমাৰোহ সমিতিয়ে তেখেতক 'হাৱ্ৰুনি ফামে' (বোকাৰ পদুম) উপাধি প্ৰদান কৰে। ১৯ ফেব্ৰুৱাৰী ২০১৬ তাৰিখে শদিয়া শাখা লেখিকা সমাৰোহ সমিতিয়ে 'চন্দ্ৰপ্ৰভা শইকীয়ানী' বঁটা পোৱা বাবে তেখেতক সম্বৰ্দ্ধনা জনাই 'জাচিংফা' উপাধি প্ৰদান কৰে।

সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ জৰিয়তে তেখেতৰ লগত মোৰ চিনা পৰিচয় হৈ বৰ্তমান বাই-ভনীৰ সম্পৰ্কৰে বান্ধ খালো। বয়সত তেখেত মোতকৈ সৰু যদিও তেখেতলৈ মোৰ আন্তৰিক মৰমৰ লগতে শ্ৰদ্ধা ভক্তিও আছে। সভা, সমিতিসমূহত তেখেতে প্ৰদান কৰা সাৰুৱা, স্পষ্ট আৰু সাৰগৰ্ভ ভাষণসমূহে মোক বৰকৈ আকৃষ্ট কৰে। ভাষণসমূহ প্ৰয়োজনতকৈ দীঘলীয়া কৰি তেখেতে শ্ৰোতাক কেতিয়াও আমনি নিদিয়ে। তেখেতৰ গুৰুগম্ভীৰ কণ্ঠস্বৰ, অমায়িক আচৰণ আৰু মাৰ্জিত শালীনতাপূৰ্ণ সাজ-পোছাক দেখিলে

শ্ৰদ্ধাত মূৰ দো খাই যায়। বোকাখাত শাখা সন্ধানী লেখিকা সমাৰোহ সমিতিয়ে চেপ্তেম্বৰ ২০১৬ত আয়োজন কৰা ৰূপালী জয়ন্তীৰ উৎসৱলৈ তেখেতক এগৰাকী বিশিষ্ট অতথি হিচাবে আমন্ত্ৰণ কৰি আনিছিল। ৰূপালী জয়ন্তী উৎসৱৰ শেষৰ দিনা আয়োজন কৰা মুকলি সভাত তেখেতে সন্ধানী লেখিকা সমাৰোহ সমিতিয়ে প্ৰকাশ কৰি উলিওৱা 'অপৰাজিতা'নামে মোৰ অভিনন্দন গ্ৰন্থখনি উন্মোচন কৰি মোক কৃতাৰ্থ কৰি থৈ গ'ল। তেখেতৰ দৰে এগৰাকী বিদুষী মহিলাই মোৰ অভিনন্দন গ্ৰন্থখনি উন্মোচন কৰি মোৰ বিষয়ে একাষাৰ কোৱাত মই মনত যি আনন্দ লভিলো সেইয়া চিৰস্মৰণীয় হৈ ৰব। তেখেতৰ লগত থকা মোৰ বাই-ভনীৰ মধুৰ সম্পৰ্ক ই যেন চিৰদিন অম্লান হৈ ৰওক।

ড° সুখ বৰুৱাৰ স্বামী শ্ৰীযুত বিনন্দ বৰুৱা এগৰাকী অৱসৰপ্ৰাপ্ত বিদ্যালয়সমূহৰ পৰিদৰ্শক। তেখেতসকলৰ দুটি পুত্ৰ সন্তান - শ্যামল আৰু উজ্জ্বল আৰু একমাত্ৰ কন্যা লিপি। পুত্ৰ-বোৱাৰী, জী-জোৱাই সকলোৱেই উচ্চ শিক্ষিত আৰু সুপ্ৰতিষ্ঠিত। স্বামী, পুত্ৰ-বোৱাৰী, জী-জোঁৱাই, নাতি-নাতিনীৰ সৈতে তেখেতে এতিয়া এটি সুখৰ জীৱন অতিবাহিত কৰি আছে।

এনে এগৰাকী মহিয়ষী নাৰীৰ বিয়োগত মৰ্মাহত হৈছোঁ আৰু পৰমেশ্বৰৰ ওচৰত তেখেতৰ আত্মাৰ চিৰশান্তি কামনা কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিলোঁ। ●

# ড° সুখ বৰুৱা আৰু মই

**কল্যাণী দেৱী**

এসময়ত মই আৰু ড° সুখ বৰুৱা একে পৰ্যায়ৰ মধ্য ইংৰাজী বিদ্যালয়ৰ শিক্ষয়িত্ৰী আছিলো। মোৰ ছাত্ৰী জীৱনত ঘৰুৱা পৰিস্থিতি আৰু অন্যান্য কাৰণত আশা কৰা মতে শিক্ষা লাভ কৰিব নোৱাৰিলো। ১৯৬৪ চনত মৰাণ মহাবিদ্যালয় স্থাপন হওঁতে আমাৰ মনতো আধৰুৱা শিক্ষা পূৰ্ণ কৰিবলৈ আকাংক্ষা জাগৃত হ'ল। সেয়েহে তাত নাম ভৰ্তি কৰিলো আৰু সুখ বৰুৱাৰ ঘৰলৈ অহা-যোৱা বৃদ্ধি পালে, সম্পৰ্কত ঘনিষ্ঠ হ'ল। সুখ বৰুৱা নিজ প্ৰতিভা, অধ্যৱসায় আৰু অনুকূল পৰিৱেশ পৰিস্থিতি তথা সহানুভূতিশীল নিজ মানুহৰ সহায়, সহযোগৰ দ্বাৰা আকাংক্ষিত জীৱনৰ একোটি অধ্যায়ৰ সফল পৰিসমাপ্তি ঘটাই গৈ থাকিল। ব্যক্তিগত জীৱনৰ একোটা উপলব্ধিৰ দ্বাৰা নিজ জীৱনক মহিমামণ্ডিত কৰি গৈ থাকিল। ১৯৮২ চনত খোৱাঙত এখনি মহাবিদ্যালয় পতাৰ ক্ষেত্ৰত আমি আগভাগ লৈছিলো। সেই সময়ত ব্যক্তিগত বাৰ্তালাপত ড° সুখ বৰুৱাই এদিন কৈছিল "বাইদেউ আপুনি আগে আগে গৈ থাকক, পিছে পিছে আমিও গৈ আছো।" উক্ত মন্তব্যৰ দ্বাৰা ড° সুখ বৰুৱাৰ উদ্যমী মনৰ অবদমিত আকাংক্ষাৰ উমান পাইছিলো। তাৰ কেই বছৰমানৰ পিছতে তেওঁ মৰাণত মৰাণ মহিলা মহাবিদ্যালয় আৰম্ভ কৰিছিল। তেওঁৰ নেতৃত্বত মহিলা মহাবিদ্যালয় চন্দ্ৰকলাৰ দৰে উজ্বলি গৈ থাকিল। এদিন ই মৰাণৰ মহিলাসকলৰ উচ্চ শিক্ষাৰ বিশেষ প্ৰতিষ্ঠানৰূপে প্ৰতিষ্ঠিত হৈ মৰাণকে কেন্দ্ৰ কৰি আশে-পাশে থকা গাঁওসমূহত শিক্ষাৰ জেউতি বিলাবলৈ ধৰিলে। ই চিৰ দিনলৈ শিক্ষাৰ পোহৰ বিলাই থাকিব, লগতে ড° সুখ বৰুৱাৰ মহৎ কৰ্ম্মৰ প্ৰতীক হিচাবে অমৰ হৈ ৰ'ব।

ড° সুখ বৰুৱাৰ উদ্যমী মনে তেখেতক নীৰৱ হৈ ৰৈ থাকিবলৈ নিদিলে। কলেজৰ বাবে সক্ৰিয় হৈ থকাৰ মাজতে তেখেতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° ভীম বৰুৱাৰ তত্বাবধানত পি. এইচ. ডি. ৰ উদ্দেশ্যে গৱেষণাৰ কামত আগবাঢ়িছিল, আৰু পি. এইচ. ডি. উপাধি লাভ কৰিছিল। প্ৰতিভাবানৰ প্ৰতিভা সদায় সুপ্ত হৈ নাথাকে। ড° বৰুৱা ব্যক্তিগত অৰ্হতা অৰ্জনৰ প্ৰচেষ্টাৰ মাজতে সমান্তৰাল ভাবে সামাজিক কামতো আগবাঢ়িল আৰু মহিলাসকলৰ প্ৰগতিৰ বাবে তেখেতে বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠা কৰাৰ কথা আমি জানো। এই গ্ৰন্থখনিতে বিভিন্নজনে সেই সম্পৰ্কে নিশ্চয় উল্লেখ কৰিব।

ড° বৰুৱাই সমাজৰ যি ক্ষেত্ৰতেই হাত মেলিলে তাতেই কিবা নহয় কিবা সৌষ্ঠৱপূৰ্ণ, অভিনৱ কৰ্ম বা সাহিত্য সৃষ্টি কৰি একোখন গ্ৰন্থ প্ৰণয়ন কৰিলে, নাইবা অনুষ্ঠান প্ৰতিষ্ঠা কৰি সমাজক সমৃদ্ধ কৰিলে। তেখেতৰ জীৱনৰ আৰম্ভণিতেই বেতবাৰী মাধ্যমিক বিদ্যালয়ত

শিক্ষয়িত্ৰী জীৱন আৰম্ভ কৰি উক্ত বিদ্যালয়খনিক সু-প্ৰতিষ্ঠিত আৰু উন্নত কৰিলে। সেইদৰে মৰাণ মধ্য ইংৰাজী বিদ্যালয়ত শিক্ষয়িত্ৰী হিচাবেও বিদ্যালয়খনৰ উন্নতি কামনা কৰিছিল। মৰাণ মহিলা মহাবিদ্যালয় প্ৰতিষ্ঠা কৰি সেই অঞ্চলক মহিলা শিক্ষাৰ উচ্চ অনুষ্ঠান গঢ়ি দিলে। এতিয়া উক্ত অনুষ্ঠানখনিয়ে মহিলাৰ শিক্ষা আৰু জ্ঞানৰ চৰ্চা তথা গৱেষণাৰ স্থায়ী কেন্দ্ৰ হিচাবে মৰাণৰ সামাজিক জীৱনৰ সৌষ্ঠৱ বৃদ্ধি কৰি আছে। ‘‘আহোমসকলৰ উৎসৱ-অনুষ্ঠান বিষয়ৰ ওপৰত গৱেষণা কৰি তৈয়াৰ কৰা গৱেষণা পত্ৰখনক প্ৰকাশ কৰি ৰাইজক সেই যুগৰ বিষয়ে জ্ঞান অৰ্জনৰ সুবিধা প্ৰদান কৰাৰ লগতে নিজৰ জীৱনৰ এখন উন্নত গ্ৰন্থ প্ৰকাশ কৰিলে। ইয়াৰ উপৰিও গৱেষণাৰ আধাৰত তেখেতে কেইবাখনো গ্ৰন্থ প্ৰণয়ণ কৰে। তেওঁ অন্যান্য গ্ৰন্থ ৰচনা কৰি সাহিত্যৰ ভঁৰাল চহকী কৰিলে।

তেখেতে কৰা সামাজিক, শৈক্ষিক আৰু সাহিত্য কৰ্মৰ বাবে ভালেমান বঁটা, পুৰস্কাৰ তথা সম্বৰ্দ্ধনা লাভ কৰিবলৈ সক্ষম হৈছে। ৰত্নগৰ্ভা, মৰাণ কুঁৱৰী, কৰ্ম্মযোগী, প্ৰেৰণাময়ী, মহীয়সী, হাব্ৰুনি ফামে, জাচিংফা, পূৰ্ণিমা বৰুৱা বঁটা, অসম চৰকাৰৰ সাহিত্য বঁটা, সাহিত্যিক পেঞ্চন, চন্দ্ৰপ্ৰভা শইকীয়ানী বঁটা, মূলাগাভৰু বঁটা, সাহিত্য আৰু সমাজ সেৱা বঁটা। ইয়াৰ উপৰিও বহুতো অনুষ্ঠানৰ ফালৰ পৰা সম্বৰ্দ্ধিত হৈ নিজৰ লগতে মৰাণক গৌৰৱান্বিত কৰিছে।

এনে গুণী-জ্ঞানী, অধ্যৱসায়ী মহিলাক আমাৰ মাজত পাই আমি নিজেও গৌৰৱান্বিত হৈছিলোঁ। পৰিশেষত বাইদেউৰ বিদেহ আত্মাৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ। লগতে ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা তেখেতৰ আত্মাই যেন চিৰশান্তি লাভ কৰে। আৰু শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিলোঁ। ●

# সুখ বাইদেউ এক গতিশীল ধাৰা

**ডাঃ মৃগাঙ্ক বৰুৱা**

মোৰ মনত নানা বিধ চিন্তা আৰু বিভিন্ন ব্যস্ততাৰ মাজতো এগৰাকী লোকৰ কথাই সদায় থিতাপি লয়। মানুহক সচৰাচৰ কিছুমান ঘটনা প্ৰবাহে আলোকিত কৰে। হয়তো ইয়াৰ ব্যতিক্ৰম মইও নহয়। জীৱিকাৰ উদ্দেশ্যে বা মৰাণবাসীৰ মৰমক নেওচা দিব নোৱাৰি মই যোৱা পোন্ধৰ বছৰ মৰাণলৈ বুলি আহিছো। কৰ্মত এজন চিকিৎসক হোৱাৰ বাবে মোৰ কাম-কাজবোৰ চিকিৎসকৰ দায়িত্বৰ মাজতে আবদ্ধ কৰি ৰাখিছিলো। সদায় বহু নতুন নতুন অভিজ্ঞতাৰ মাজেৰে নিজকে আগুৱাই নিছিলো। বহু লোকৰ সৈতে কথা পতা বা চিনাকি হোৱাৰ সৌভাগ্য হৈছিল। এদিন এইদৰেই অতি অমায়িক ভদ্ৰ আৰু আধুনিক জগতৰ নানা জ্ঞানেৰে সৈতে চিনাকি থকা এগৰাকী মহিলাৰ লগত চিনাকি হৈছিল। প্ৰথমতে স্বাস্থ্যজনিত নানা সমস্যাৰ কথা পাতিছিলো। পিছলৈ নিজৰ, তাৰপাছত ক্ৰমান্বয়ে ৰাইজৰ অৰ্থাৎ মৰাণবাসীৰ সমস্যাৰ কথা পাতিছিলো। প্ৰথমাৱস্থাতে এইগৰাকী মাতৃতুল্য আইৰ লগত কথা পাতোতে মই মৰ্মে মৰ্মে উপলব্ধি কৰিছিলো মানুহগৰাকীৰ জ্ঞানৰ গভীৰতাৰ পথাৰখনক।

অসমৰ ৰাজনৈতিক পথাৰখনত অতিমাত্ৰাই প্ৰভাৱ থকা মৰাণ চহৰৰ ইতিহাস বৰ চহকী। ৰাজনৈতিক পথাৰখনৰ নহ'লেও এই গৰাকী জনপ্ৰিয় মাতৃৰ নামেই যাৰ পৰিচয় ড° সুখ বৰুৱা। তেখেত মৰাণৰ এগৰাকী সকলোৰে পৰিচিতা মহিলা। অসমত মহিলাসকলৰ শিক্ষাৰ ক্ষেত্ৰত অফুৰন্ত সেৱা আগবঢ়োৱা লোকসকলৰ ভিতৰত ড° সুখ বাইদেউ অতিকৈ লেখত ল'বলগীয়া। তেখেতৰ অনবদ্য ত্যাগ আৰু কষ্টৰ প্ৰতীক মৰাণ মহিলা মহাবিদ্যালয়। তেখেত এই মহাবিদ্যালয় খনৰ প্ৰতিস্থাপক অধ্যক্ষা। এইগৰাকী মহীয়সী মহিলাই সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সন্মানীয় সভানেত্ৰীৰ পদতো অধিষ্ঠিত হৈছিল। সচৰাচৰ প্ৰত্যেকগৰাকী মাতৃতুল্য মোৰ আইৰ বয়সৰ লোকৰ লগত কথাপাতি মই বৰ অনুপ্ৰাণিত হৈছিলো। সেয়ে বহুক্ষেত্ৰত মই সুখ বাইদেউৰ আশীৰ্বাদ আৰু জ্ঞান লৈছিলো। আমি পৰস্পৰে পৰস্পৰৰ লগত কথা পাতোতে সদায় মৰাণৰ নানাবিধ কথাই ঠাই পাইছিল। সামাজিক, অৰ্থনৈতিক, সাংসাৰিক আদি সকলোবোৰ গঠনমূলক কথা তেখেতৰ আগত উপস্থাপন কৰিছিলো আৰু তেখেতেও মোক পাৰ্যামানে সহায়ৰ হাত আগবঢ়াইছিল।

এনে এগৰাকী মহিয়যী নাৰীৰ বিয়োগত মৰ্মাহত হৈছোঁ আৰু পৰমেশ্বৰৰ ওচৰত তেখেতৰ আত্মাৰ চিৰশান্তি কামনা কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিলোঁ।

# ড° সুখ বৰুৱা ঃ দৃষ্টি আৰু সৃষ্টি

**দীপ্তিময়ী বুঢ়াগোহাঁই গগৈ**

*"আন্ধাৰ ৰাতিটো কঁপাব পৰাকৈঃঃ আছে মোৰ এক শক্তিশালি কণ্ঠ*
*সেয়ে, চকুৰ পানীৰ নাম ৰাখিছো হাঁহি ঃঃ ইটীয়া দীঘল পথটিৰ নাম ৰাখিছো*
*মসৃণ সুগন্ধি পথ।ঃঃ মোৰ আছে ঃঃ এক চিৰ সংগ্ৰামী মন*
*সেয়ে, সংগ্ৰামী জীৱনটোৰ নাম ৰাখিছো ঃঃ অনুপম জীৱন।"*

প্ৰৱল আত্মবিশ্বাস বলিষ্ঠ কণ্ঠই যি কব পাৰে নিজৰ সংগ্ৰামী মনৰ কথা, যি নিজৰ জীৱনটোক অভিহিত কৰিব পাৰে নিজেই "অনুপম জীৱন" বুলি সেই ব্যক্তিত্বক, সেই উদাৰতাক একো নামেৰে অভিহিত কৰিব নোৱাৰি। কলে হয়তো নহ'ব ভুল সেইখন এখন আকাশ, এখন উন্মুক্ত উদাৰ আকাশ। যাৰ সীমা নাই অসীম। সেই বিশাল আকাশৰ তলত আমি মাথোঁ জিৰাইছো এটি এটি কণমান বালি চাহী হৈ।।

সেই অনন্যা নাৰী গৰাকী ড° সুখ বৰুৱা। এগৰাকী মহিয়সী, এগৰাকী গৰিমাময়ী, অসম নন্দিনী, এগৰাকী মহিমাময়ী আহোম ৰমণী। জন্ম যাৰ ১৯৪৬ চনত, ৬শ বছৰৰ আহোম ৰাজত্বৰ ঐতিহ্যমণ্ডিত ৰংপুৰ নগৰৰ নিচেই কাষৰ বেতবাৰী নামৰ ঠাইত প্ৰখ্যাত চেতিয়া বংশত। মাতৃ আছিল আহোম ৰাজসভাৰ মন্ত্ৰী বৰগোহাঁই পৰিয়ালৰ জীয়াৰী, যাৰ তেজৰ স্ৰোতত প্ৰবাহিত আছিল দেশ আৰু জাতিৰ মংগলৰ বাবে উৎসাহিত আহ্বান। বেতবাৰীত হাইস্কুলীয়া শিক্ষা সামৰণি মাৰি সুখ চেতিয়া নামে শিৱসাগৰ কলেজত উচ্চ শিক্ষাৰ বাবে নামভৰ্ত্তি কৰিছিল। আবাসী আছিল 'জয়া ছাত্ৰী নিবাসত' যিসকল ছাত্ৰীয়ে জয়াছাত্ৰী নিবাসত থাকি কলেজ পঢ়িবলৈ গৈছিল সেইসকলৰ বাবে সুখ বাইদেউ এটি চিনাকি এটি মিঠা নাম হৈ পৰিছিল। নতুনকৈ যোৱা ছোৱালীবোৰৰ বাবে সুখ বাইদেউ আছিল "friend philosopher and guide"। মাতৃত্বৰ মৰমেৰে আকোঁৱালি লোৱা সুখ বাইদেৱে অভিভাৱকৰ দৰে শাসন কৰিছিল। কেৱল ছোৱালীবোৰকে নহয়, ল'ৰাবোৰকো বেয়া দেখিলে কবলৈ ভয় নকৰা সাহসী বাইদেউক সকলোৱে ভয়, সমীহ কৰিছিল। কলেজীয়া জীৱনতে সেই বীজটিয়ে পিছলৈ এজোপা বটবৃক্ষত পৰিণত হ'ল। স্নাতক ডিগ্ৰী লাভ কৰি জন্ম ঠাই বেতবাৰীত ছোৱালীৰ উচ্চ শিক্ষাৰ বাবে সুকীয়া এখন স্কুলৰ প্ৰয়োজনীয়তা অনুভৱ কৰিলে, স্থাপন কৰিলে বেতবাৰী বালিকা উচ্চ ইংৰাজী বিদ্যালয়। এখন বিদ্যালয় পাতিবলৈ কিমান ত্যাগ, কষ্ট স্বীকাৰ কৰিব লাগে সেয়া কৰোতাৰ

বাদে আনে কি বুজিব। সুখ চেতিয়াৰ এই ত্যাগ বেতবাৰীৰ ইতিহাসত সদায় উজ্বলি থাকিব।

বিবাহসূত্ৰে শিক্ষাবিদ শ্ৰীযুত বিনন্দ বৰুৱা (স্কুল পৰিদৰ্শক)ৰ সহধৰ্মিনী হৈ মৰাণত থিতাপি ললে। কিছুদিন মৰাণ বালিকা বিদ্যালয়ত শিক্ষয়িত্ৰী হ'ল। কিন্তু যাৰ ধ্যান ধাৰণা আছিল নাৰী উন্নতিৰ সোপান সেয়া বাস্তৱায়িত কৰিবলৈ আগবাঢ়িল। মৰাণবাসী ৰাইজৰ সহযোগত মৰাণত নাৰী উচ্চ শিক্ষাৰ বাবে সুকীয়া কলেজৰ কথা চিন্তা কৰিলে। সমাজৰ এনে এটা মহৎ কাম কৰিবলৈ, নাৰী শিক্ষাৰ চিন্তা কৰিবলৈ ওলাই অহা সুখ বৰুৱাক পূৰ্ণ সহযোগ আগবঢ়ালে মৰাণবাসী ৰাইজে। প্ৰতিষ্ঠা হ'ল মৰাণ মহিলা মহাবিদ্যালয় সেয়া ১৯৯২ চনৰ কথা। সুদীৰ্ঘ একৈশবছৰ সেই মহিলা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষা হিচাবে কাৰ্যনিৰ্বাহ কৰি ২০১৩ চনত অৱসৰ গ্ৰহণ কৰিলে। অৱসৰ গ্ৰহণ কৰাৰ সময়তে এই কলেজখন চৰকাৰীকৰণ হ'ল— প্ৰায় একৈশ বছৰ এখন মহাবিদ্যালয়ত বেতনহীন ভাবে কাম কৰিও কলেজ প্ৰতিষ্ঠাৰ যি আনন্দ গৌৰৱ লাভ কৰিলে সেয়া তেখেতৰ বাবে এক অতুলনীয় আত্মসন্তুষ্টি বুলি আজিও তেখেতে অনুভৱ কৰে। ড° সুখ বৰুৱাই কলেজ প্ৰতিষ্ঠাকে জীৱনৰ কৰ্ম বুলি নাভাবিলে। সংঘমিত্ৰা মহিলা মঞ্চ, সংঘমিত্ৰা হস্ততাঁত বয়ন শিল্প প্ৰশিক্ষণ কেন্দ্ৰ, সংঘমিত্ৰা জাতীয় বিদ্যালয় এই আটাইকেইটা অনুষ্ঠানৰ-প্ৰতিষ্ঠাপক, নিজৰ তিনিটি সন্তানৰ দৰেই এই বহু অনুষ্ঠানৰো জন্মদাত্ৰী। নাৰীসকলৰ জীৱনৰ দুখযান্ত্ৰণা, প্ৰতিৰোধ কৰিব নোৱাৰে। আৰ্তহৃদয়ৰ অশ্ৰুকণাবোৰে যেন ড° সুখ বৰুৱাক আতুৰ কৰি তোলে। নাৰীৰ বাবেই যেন তেওঁৰ জীৱন সংগ্ৰাম— এক অদম্য ইচ্ছা শক্তিৰে প্ৰতিগৰাকী নাৰীক উজ্জীৱিত কৰি তোলাৰ বাবেই তেওঁৰ যেন জন্ম। সেয়ে সংঘমিত্ৰা আঞ্চলিক মহিলা মঞ্চ, লেখিকা সমাৰোহ সমিতি, সাহিত্য সভা আদি অনুষ্ঠানৰ মাজলৈ আগবাঢ়ি দায়িত্ব গ্ৰহণ কৰি ড° সুখ বৰুৱা এগৰাকী অক্লান্ত কৰ্মী হিচাবে অবিৰত যাত্ৰা আৰম্ভ কৰিছে।

সামাজিক কৰ্মৰ মাজতে আবদ্ধ নাথাকি ড° সুখ বৰুৱা সৃষ্টিশীল কৰ্মত নিজৰ কলম তুলি দিলে। সৃষ্টি কৰিলে এখন দুখনকৈ মাতৃভাষাৰ মন্দিৰলৈ গ্ৰন্থপুষ্প। গৱেষণা গ্ৰন্থ "আহোমসকলৰ উৎসৱ অনুষ্ঠান" সাহিত্য যুদ্ধক্ষেত্ৰত বীৰাংগনা জীয়ৰী ড° সুখ বৰুৱাৰ কলমৰূপী হেংদান লৈ জয়যাত্ৰাৰ ধ্বনিৰে আগবাঢ়িল। বুৰঞ্জীয়ে পৰশা মধ্যযুগৰ সোণালী সুবাস, টাই আহোমসকলৰ স্বকীয় ধৰ্মীয় পৰম্পৰা, টাই আহোমসকলৰ ঋতুকালীন উৎসৱ অনুষ্ঠান, প্ৰবন্ধ সমীক্ষণ, চিন্তাতৰংগ, শতাব্দীৰ লেখিকা এই ৬খন প্ৰবন্ধ সংকলন, অপৰাজেয় গল্প সংকলন, শব্দৰ সতে আলাপ, দুৱৰিত নিয়ৰৰ মুকুতা ৰৰে, শব্দ শিল্প এই তিনিখন কাব্য সংকলন নাৰীৰত্ন নামৰ জীৱনী সংকলন আদি গ্ৰন্থ সম্ভাৰে অসমীয়া সাহিত্যলৈ ড° সুখ বৰুৱাই অমূল্য অৱদান আগবঢ়াইছে। অসমীয়া সাহিত্যত প্ৰতিখন গ্ৰন্থৰে এক সুকীয়া স্থান, মৰ্যদা ৰাখি আলোচনা কৰাটো প্ৰয়োজন আছে বুলি বিবেচনা কৰিব পাৰি। ড° সুখ বৰুৱাৰ গদ্যৰীতিৰ ভাষা প্ৰাঞ্জল, এক বিশেষ কথনভংগীয়ে তেওঁৰ গদ্যৰ সুকীয়া মাত্ৰা প্ৰদান কৰিছে। উদাহৰণ দেখুৱাব পাৰি—

"কোনো এটা জাতিৰ সভ্যতাৰ মাপকাঠি বহু শতাংশই আবৰি ৰাখে সংস্কৃতিয়ে। সংস্কৃতিৰ পৰিশোধিত ৰূপেই সভ্যতা। সংস্কৃতিৰ বিশাল কঠীয়াতলিত সাজপাৰৰ গুৰুত্ব অপৰিসীম। কিয়নো জাতিটোৰ মানুহখিনিৰ মনৰ কলাত্মক অনুভূতিৰ মূৰ্ত্তপ্ৰকাশ ঘটে শৈল্পিক চিন্তা চেতনাৰে

তৈয়াৰী সাজপাৰৰ যোগেদি। সামাজিক, সাংস্কৃতিক প্ৰগতিৰ বাৰ্তাবাহক সাজপাৰৰ ব্যৱহাৰিক দিশটো ঘাইকৈ নিৰ্ভৰ কৰে ভৌগলিক অৱস্থান ধৰ্ম, সামাজিক ৰীতি-নীতি, উৎসৱ-অনুষ্ঠান, আৰ্থিক অৱস্থা সামাজিক স্থিতি আৰু মৰ্য্যদাৰ ওপৰত।" ড° সুখ বৰুৱা এগৰাকী নাৰীবাদী আৰু সমাজ সচেতন লেখিকা। সমাজৰ দুৰ্নীতি, নাৰীৰ ওপৰত অত্যাচাৰ, বৈষম্য আদিয়ে সমাজত নাৰীৰ স্থান কৰি পেলাইছে দুৰ্বহ। শিক্ষিত সমাজৰ মাজত এইবোৰ বিষবাষ্প নিবাৰণ কৰিব নোৱাৰিলে নাৰীয়ে প্ৰাপ্য মৰ্যাদা হেৰুৱাব লাগিব। এনেবোৰ চিন্তাচৰ্চাই প্ৰগতিশীল লেখিকাৰ কলম আগবঢ়া উচিত। ড° সুখ বৰুৱাৰ লিখনিৰ মাজেদি এগৰাকী মননশীল আৰু সংগ্ৰামী নাৰীৰ ছবি পৰিস্ফুট হোৱা দেখা পাওঁ।

ড° সুখ বৰুৱাই কবিতাৰে লিখি থৈ গৈছে যেন নিজৰ জীৱন সংগ্ৰামৰ কথা। মানবদৰদী এখন হৃদয়ে কিমান আতুৰক সহায় কৰিলে কিমান নিঃস্ব ছাত্ৰীক শিক্ষা লাভত সহায় কৰিলে এইবোৰ মানুহৰ দৃষ্টিগোচৰ কৰিবলৈ নিবিচাৰিলে। ফুল য'তেই ফুলক তাৰ গোন্ধ বিয়পি পৰিবই। ড° সুখ বাইদেউৰ এই গুণ ফুলৰ সুগন্ধিৰ দৰেই জনসমাজত সুৰভি বিলাই থাকিব। এগৰাকী সুপত্নী, সুমাতৃ হৈ আগবঢ়া কালত ড° সুখ বৰুৱা এই অবিৰাম যাত্ৰাৰ কথা নিজেই লখিছে—

*"বলা গৈ থাকো/উভতি অহাৰ কথা নাভাবো*
*দিন ৰাতি/ৰাতিক দিন কৰি ঃঃ ব'লা আমি আমাক গঢ়ি তোলো*
*সময় নাম শিলালিপিতঃঃ লিখি থৈ যাওঁ আমাক অমৰ কৰি" (ব'লা গৈ থাকো ঃ শব্দ শিল্প)*

ড° সুখ বৰুৱাক সমাজে স্বীকৃতি দিলে। ড° সুখ বাইদেউ সময়ৰ শিলালিপিত খোদিত হৈ গ'ল। ৰত্নগৰ্ভা, মৰাণকুঁৱৰী, কৰ্মযোগী, প্ৰেৰণাময়ী, মহিমাময়ী, হাব্ৰুনি ফামে, জাচিংফা আদি উপাধিৰে আলংকিতা হৈ উজ্বলি উঠিল।

পূৰ্ণিমা বৰুৱা বঁটা, অসম চৰকাৰৰ সাহিত্য বঁটা, অসম চৰকাৰৰ সাহিত্যিক পেঞ্চন, অসম চৰকাৰৰ চন্দ্ৰপ্ৰভা শইকীয়ানী বঁটা, বীৰাংগনা মূলাগাভৰু বঁটা সমাজ আৰু সাহিত্যসেৱা বঁটাৰে বিভূষিতা হ'ল—

"তোমাৰ কীৰ্ত্তিৰ চেয়ে তুমি যে মহৎ"— ইমান বিশাল ব্যক্তিত্বলৈ দৃষ্টি ৰাখি সৃষ্টি কৰ্মত আলোকপাত কৰিবৰ বাবে আমি আগবঢ়া —"শহা যেন ফাৰে মাৰ্গ মোৰ ভৈল তেহ্নয় অৱস্থা"। এনে এগৰাকী মহিয়ষী নাৰীৰ বিয়োগত মৰ্মাহত হৈছোঁ আৰু পৰমেশ্বৰৰ ওচৰত তেখেতৰ আত্মাৰ চিৰশান্তি কামনা কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিলোঁ। ●

# ড° সুখ বৰুৱা বাইদেউ

**ড° জীৱন কলিতা**

বিশ্ববিদ্যালয়ৰ ছাত্ৰ হৈ থাকোঁতেই তেখেত এগৰাকী সমাজপ্ৰাণা মহিলা হিচাপে জানিব পাৰিছিলো। অসমৰ সমাজ জীৱনৰ উত্তৰণৰ লগত জড়িত থকা মৰাণৰ নিবাসী ড° প্ৰদীপ হাজৰিকা, ড° অনিল শইকীয়া, ড° কমলা বৰগোহাঁই, ইলা বৰগোহাঁই, ড° মামনি গগৈ বৰগোহাঁই, শোভিত কুমাৰ চেত্ৰী আদিৰ সৈতে বয়োকণিষ্ঠ হ'লেও এক সুহৃদ সম্পৰ্ক গঢ়ি উঠিছিল। তেখেতসকলৰ সৈতে হোৱা কথোপকথনত ড° সুখ বৰুৱাৰ প্ৰসংগইও কেতিয়াবা স্থান লাভ কৰিছিল। কৌতুহল নিবাৰণৰ বাবে কৈ থ'ব পাৰি, সেই কথোপকথনৰ বিষয় আছিল ভাষা-সাহিত্য সম্পৰ্কীয়। তেতিয়াই ড° বৰুৱাৰ সৈতে চিনাকি হোৱাৰ এক প্ৰবল বাসনা জাগিছিল; কিন্তু চিনাকি হোৱাৰ আপোন পৰিৱেশ এটা সতকাই পোৱা নাছিলো। এইদৰেই কেবাটাও বছৰ অতিবাহিত হৈ গৈছিল। ইতিমধ্যে তেখেতে মহাবিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল। অৱশেষত শিৱসাগৰত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ শতবৰ্ষীয় শিৱসাগৰ অধিৱেশনৰ প্ৰাক্‌ক্ষণত এক আপোন পৰিৱেশত ড° সুখ বৰুৱা বাইদেউৰ সৈতে চিনা-পৰিচয় হোৱাৰ সুবিধা পাইছিলো। শতবৰ্ষীয় অধিৱেশনৰ আদৰণি সমিতিৰ নিৰ্দেশক্ৰমে প্ৰকাশন উপ-সমিতিৰ যুটীয়া সম্পাদক হিচাপে প্ৰিয়ানুজ জয়জ্যোতি গগৈৰ সৈতে আমি শিৰ পাতি ল'ব লগা হৈছিলো। আদৰণি সমিতিয়ে দায়িত্ব গ্ৰহণৰ দিনাই আমাক জনাইছিল, 'শতবৰ্ষীয় অধিৱেশন, গতিকে পুথিও শতাধিক হ'লে ভাল।'

নিৰ্দেশানুযায়ী আমি ককাঁলত টঙালি বান্ধি সাজু হৈছিলো। অসমৰ বিভিন্ন প্ৰান্তৰ সৰ্বমুঠ ডেৰশজন লেখক-সাহিত্যিকৰ নাম-তালিকাসহ এখন খচৰা প্ৰস্তুত কৰি আমি আদৰণি সমিতিৰ অনুমোদনৰ বাবে প্ৰেৰণ কৰিছিলো। আমাৰ খচৰাত সংযোগ-বিয়োগ কৰি আদৰণি সমিতিয়ে ডেৰশখন পুথি প্ৰকাশৰ বাবে অনুমোদন জনাইছিল। সেই লেখক-লেখিকাসকলৰ ভিতৰত ড° সুখ বৰুৱাও আছিল। প্ৰথম চিনাকি তেনেকৈয়ে হৈছিলো। তাৰ পিছত লুচি-পুৰি আৰু ভাত খাব পৰা আন্তৰিকতাত আমি আকণ্ঠ নিমজ্জিত হৈছিলো।

শতবৰ্ষীয় অধিৱেশনৰ দিন ক্ৰমাগতভাৱে চমু চাপি আহিছিল। তেনেতে সভাৰ নতুন সভাপতি নিৰ্বাচন হোৱা-নোহোৱাক লৈ শিৱসাগৰৰ লগতে সমগ্ৰ অসমতে এক অনাহুত প্ৰতিকূল পৰিৱেশে গা কৰি উঠিছিল। এটা সময়ত শতবৰ্ষীয় অধিৱেশন অনুষ্ঠিত নোহোৱাৰ আশঙ্কাইয়ো আমাক ভীতিবিহ্বল কৰি তুলিছিল। প্ৰকাশন উপ-সমিতিৰ ২৭ জনীয়া বিষয়ববীয়াৰ প্ৰায়সকলেই পদত্যাগ কৰি

আমাক ব্যথিত কৰি তুলিছিল। আদৰণি সমিতিৰ সভাপতি, কাৰ্যকৰী সভাপতি, সম্পাদক প্ৰমুখ্যে বচা বচা কেইজনমানেহে সেই সময়ত আমাক মনোবল আৰু প্ৰেৰণা দিছিল। সেই বচা বচা কেইজনমানৰ ভিতৰত ড° সুখ বৰুৱা বাইদেউ আছিল অন্যতম। তেখেতে প্ৰায়ে টেলিফোন কৰি আমাৰ অগ্ৰগতিৰ বুজ লৈছিল।

অধিৱেশনত প্ৰকাশন উপ-সমিতিৰ হৈ প্ৰকাশ কৰা ১৬৭ খন পুথিৰ অন্তৰ্গত আছিল ড° সুখ বাইদেউৰ গ্ৰন্থ 'শতাব্দীৰ লেখিকা' শিৰোনামৰ পুথিখনি। ডিব্ৰুগড়ৰ 'বনলতা প্ৰকাশনে' আটকধুনীয়াকৈ প্ৰকাশ কৰা পুথিখনিত ঊনবিংশ আৰু বিংশ শতিকাৰ মুঠ এশ এঘাৰ গৰাকী অসমীয়া মহিলা লেখিকাৰ জীৱনপঞ্জীৰ খতিয়ান দাঙি ধৰা হৈছে।

অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ পথাৰখন চিৰসেউজ কৰিবৰ বাবে ঊনবিংশ শতিকাৰ পৰা বিংশ শতিকালৈ যিসকল লেখিকাই হাতত কাপ-মৈলাম তুলি লৈছিল, সেইসকলৰ মাজৰ পৰা বচা বচা এশ এঘাৰগৰাকী সাহিত্যিকক নিৰ্বাচন কৰাটো প্ৰকৃততে যথেষ্ট কষ্টসাধ্য। ড° বৰুৱাই সেই জটিলতাৰ আঁত উলিয়াই অতি কম সময়ৰ ভিতৰতে পুথিখনি শতবৰ্ষীয় অধিৱেশনত পাঠকৰ হাতত তুলি দিব পাৰিছিল। সেই বাবে তেখেত অভিনন্দনৰ পাত্ৰী। খ্ৰীষ্টিয় পঞ্চদশ-যোড়শ শতিকাত অসমত হোৱা বৈষ্ণৱ জাগৰণত মহিলাসকলেও পুৰুষ লেখকসকলৰ সমান্তৰালভাৱে সাহিত্য চৰ্চাত মনোনিবেশ কৰিছিল। সেই প্ৰসঙ্গত বৈষ্ণৱ গীতিকবি পদ্মপ্ৰিয়া আইৰ নাম থাউকতে মনলৈ আহে। অষ্টাদশ শতিকাৰ প্ৰাক্ জোনাকী যুগৰ তাৰিণী দেৱী, বিষ্ণুপ্ৰিয়া দেৱী, স্বৰ্ণলতা বৰুৱা দেৱী আৰু পদ্মাৱতী দেৱী ফুকননী আদিয়ে আধুনিক অসমীয়া ভাষা-সাহিত্যৰ বিকাশত যথেষ্টখিনি অৱদান আগবঢ়াইছিল। পদ্মাৱতী দেৱী ফুকননীৰ 'সুধৰ্মাৰ উপাখ্যান' অসমীয়া উপন্যাস সাহিত্যৰ প্ৰস্তুতিপৰ্বৰ এক বিস্তাৰিত দলিল স্বৰূপ। 'শতাব্দীৰ লেখিকা'ৰ প্ৰণেতা ড° বৰুৱাই পদ্মাৱতী দেৱী ফুকননীৰ পৰা বেলা বৰালৈকে যিসকল লেখিকাৰ জীৱন আৰু সাহিত্য কৰ্মৰ খতিয়ান দাঙি ধৰিছে, সি দৰাচলতে অসমীয়া সাহিত্যৰ এক ডাঙৰ অভাৱ পূৰণ কৰিলে। এইখনিৰ উপৰিও তেখেতৰ গৱেষণা গ্ৰন্থ 'আহোমসকলৰ উৎসৱ-অনুষ্ঠান', 'বুৰঞ্জীয়ে পৰশা মধ্যযুগৰ সোণালী সুৱাস', 'প্ৰবন্ধ সমীক্ষণ' শিৰোনামৰ আন দুখন প্ৰবন্ধ সংকলন। 'অপৰাজেয়' নামৰ চুটিগল্প, 'শব্দৰ স'তে আলাপ', 'দুবৰিত নিয়ৰৰ মুকুতা সৰে' আৰু 'শব্দ শিল্প' শীৰ্ষক তিনিখন কবিতা পুথিয়ে তেখেতৰ সাহিত্য চৰ্চাৰ পৰিচয় দাঙি ধৰে।

মূলত ড° বৰুৱা এগৰাকী সামাজিকভাৱে দায়বদ্ধ মহিলা। মৰাণ মহিলা মহাবিদ্যালয় স্থাপনৰ ক্ষেত্ৰত তেখেতে লোৱা ভূমিকাই সেই কথাৰ প্ৰমাণ দাঙি ধৰে। 'সঙঘমিত্ৰা' নামৰ এটি মহিলা মঞ্চ, 'মৰাণ শাখা লেখিকা সমাৰোহ সমিতি' আদি অনুষ্ঠান গঠনত আগভাগ লৈ তেখেতে তেখেতৰ জীৱনাদৰ্শ প্ৰকট কৰি তুলিছিল।

আমি জানো সিংহীনীৰ গাখীৰ সোণৰ চৰুতহে থ'ব পাৰি। আমাৰ লেখা ড° বৰুৱা বাইদেউৰ বিশাল ব্যক্তিত্বৰ বহু নিলগতে থাকিল। এনে এগৰাকী মহিয়ষী নাৰীৰ বিয়োগত মৰ্মাহত হৈছোঁ আৰু পৰমেশ্বৰৰ ওচৰত তেখেতৰ আত্মাৰ চিৰশান্তি কামনা কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিলোঁ। ●

# এগৰাকী অধ্যয়নশীল লেখিকা

**ড° আনন্দ বৰমুদৈ**

ড° সুখ বৰুৱাই যিকোনো প্ৰবন্ধ অধ্যয়ন আৰু গৱেষণা কৰি লিখে। তেওঁৰ গৱেষণা প্ৰণালীবদ্ধ, অনুসন্ধান বস্তুনিষ্ঠ। ঐশ্বৰ্যময় আহোম যুগৰ শিক্ষা ব্যৱস্থাৰ বিষয়ে লিখা প্ৰবন্ধত লেখিকাই সূক্ষ্ম নিৰীক্ষণ, বিস্তাৰ অধ্যয়ন, বিশ্লেষণ আৰু ইতিহাস চেতনাৰ নিদৰ্শন দাঙি ধৰিছে। শিক্ষা ব্যৱস্থা বুলিলে সাধাৰণতে যিধৰণৰ ব্যৱস্থাৰ কথা আধুনিক মানুহৰ মনলৈ আহে তাৰ পৰা ছশ বছৰীয়া আহোমৰ শাসন কালত শিক্ষা ব্যৱস্থা কি ধৰণেৰে পৃথক আছিল আৰু সেই শিক্ষা ব্যৱস্থাৰ লক্ষ্য, উদ্দেশ্য আদি কি আছিল তাৰ অনুসন্ধান আৰু তথ্যৰ বিশ্লেষণে প্ৰবন্ধটো মূল্যবান কৰিছে। লেখিকাই প্ৰবন্ধটো যুগুত কৰিবৰ কাৰণে চাৰ এড্‌বাৰ্ড গেইটৰ 'এ হিষ্ট্ৰী অৱ আচাম', হিতেশ্বৰ বৰবৰুৱাৰ 'আহোমৰ দিন', ড° লীলা গগৈৰ 'টাই সংস্কৃতিৰ ৰূপৰেখা', ড° পদ্মেশ্বৰ গগৈৰ 'টাই আহোম ৰেলিজিয়ন এণ্ড কাষ্টম', ড° সূৰ্য কুমাৰ ভূঞাৰ 'দেওধাই অসম বুৰঞ্জী', স্বৰ্গদেউ ৰাজেশ্বৰ সিংহ, ড° সূৰ্যকুমাৰ ভূঞা সম্পাদিত 'আতন বুঢ়াগোহাঁই এণ্ড হিজ টাইমচ', ড° লীলা গগৈৰ 'বুৰঞ্জী সাহিত্য', পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ 'পুৰণি অসম বুৰঞ্জীৰ পাতনি', ড° পদ্মেশ্বৰ গগৈৰ 'দা টাই এণ্ড দা টাই কিংদম', সৰ্বানন্দ ৰাজকুমাৰৰ 'ইতিহাসে সোঁৱৰা ছশটা বছৰ', লক্ষ্মী দেৱীৰ 'অসম

সদৌ অসম লেখিকা সমাৰোহ সমিতিয়ে অসমীয়া সাহিত্যৰ বাবে অনেক প্ৰয়োজনীয় কাম কৰি আহিছে। লেখিকা সম্পৰ্কীয় গ্ৰন্থ প্ৰণয়ন, লেখিকাৰ বৰঙণিক মূল্যায়ন কৰি লিখা গ্ৰন্থ প্ৰকাশ, কেইবাটাও খণ্ডত লেখিকাৰ জীৱনী প্ৰকাশ, নতুন লেখিকাৰ সৃষ্টি, জ্যেষ্ঠ লেখিকাক সৃষ্টিশীল কাম আৰু অনুবাদৰ বাবে দিয়া উদগনি, সাহিত্য কৰ্মৰ মাজেদি নাৰীসকলৰ চেতনা বৃদ্ধি আদিৰ দৰে মূল্যবান কাম লেখিকা সমাৰোহ সমিতিয়ে কৰি আহিছে। ড° সুখ বৰুৱাই এই সাহিত্য সংগঠনটোক সভানেত্ৰী হিচাপে নেতৃত্ব দিয়াৰ পৰা তেওঁৰ সাংগঠনিক দক্ষতাৰ লগতে সাহিত্য প্ৰতিভাই প্ৰকাশ লাভ কৰিছে বুলি জানিব পাৰি। আহোম যুগৰ সংস্কৃতি সম্পৰ্কে শ্ৰীযুতা বৰুৱাৰ গৱেষণাৰ পৰিসৰ বৰ বহল। **'চিন্তা তৰংগ'** শীৰ্ষক গ্ৰন্থখনত সন্নিবিষ্ট প্ৰবন্ধসমূহত তাৰ প্ৰমাণ পোৱা যায়। কিতাপখনৰ লেখিকাৰ একাষাৰত কোৱা কথাৰ পৰা লেখিকাৰ ইতিহাস চেতনাৰ আভাস এটা পোৱা যায়। অতীতৰ কেতবোৰ তথ্যৰ জ্ঞানেই পৰম্পৰা অথবা ইতিহাসৰ চেতনা নহয়। ইতিহাস চেতনাই আমাক বৰ্তমানেদি ভৱিষ্যতৰ ফালে আগুৱাই যোৱাত সহায় কৰে। অতীত আৰু বৰ্তমানৰ সামঞ্জস্য ৰাখিহে জ্ঞানৰ মন্দিৰ প্ৰতিষ্ঠা কৰা হয়।

দেশৰ বুৰঞ্জী' হেমিল্টনৰ 'এন একাউণ্ট অৱ আচাম' আদি বুৰঞ্জীৰ অধ্যয়ন কৰিছে। বুৰঞ্জীত পোৱা তথ্যৰ আধাৰত লেখিকাই নিজৰববীয়াকৈ অনুসন্ধান আৰু বিশ্লেষণ কৰি শিক্ষা ব্যৱস্থা সম্পৰ্কে নিজৰ মতামত ব্যক্ত কৰিছে।

ড° লীলা গগৈয়ে অসমৰ সংস্কৃতি গ্ৰন্থত উল্লেখ কৰিছে যে আহোমৰ শাসনৰ দুশ বছৰমানলৈ শিক্ষাতকৈ আৰ্থ-সামাজিক উন্নয়নৰ প্ৰতিহে মনোযোগ দিয়া হৈছিল আৰু ইউৰোপীয় বনিক সকল অহাৰ পিছতহে শিক্ষাৰ প্ৰতি মানুহৰ মনোযোগ আকৰ্ষিত হৈছিল। কিন্তু আৰ্থ-সামাজিক উন্নয়নৰ কাৰণেও শিক্ষাৰ প্ৰয়োজন। ড° সুখ বৰুৱাই আহোম শাসনৰ ছশ বছৰত এই ব্যৱহাৰিক শিক্ষা কেনেদৰে দান গ্ৰহণ কৰা হৈছিল সেই দিশৰ প্ৰতি তেওঁৰ প্ৰবন্ধত মনোযোগ দিছে। টাই আৰু অসমীয়া ভাষাত লিখা বিভিন্ন গ্ৰন্থ, শিলালিপি, সংস্কৃত ভাষাৰ শিক্ষা, টাই ভাষাৰ শিক্ষা, সামৰিক শিক্ষা, কুটিৰ শিল্প বা কাৰিকৰী শিক্ষা, বনৌষধি চিকিৎসা, আধ্যাত্মিক আৰু নৈতিক শিক্ষা, স্ত্ৰীশিক্ষা আদি শিক্ষাৰ সকলো দিশ সামৰি ড° সুখ বৰুৱাই আলোচনা কৰিছে। চিন্তা-তৰঙ্গৰ বাকীকেইটা প্ৰবন্ধৰো মূল বিষয় শিক্ষা। প্ৰবন্ধ সংকলনখনে সেইফালৰ পৰা এটা বিষয়ক বিভিন্ন দৃষ্টিকোণৰ পৰা আলোচনা কৰিছে। আটাইকেইটা প্ৰবন্ধত লেখিকাৰ নাৰী দৃষ্টিকোণ পৰিস্কাৰ। লেখিকাৰ ভাষা সৰল, চিন্তা পৰিষ্কাৰ।

বাইদেউৰ আকস্মিক বিয়োগত মৰ্মাহত হৈছোঁ আৰু পৰমেশ্বৰৰ ওচৰত তেখেতৰ আত্মাৰ চিৰশান্তি কামনা কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিলোঁ। ●

# সান্নিধ্যৰ শীতল ছাঁত

# সোঁৱৰণী সুখ- মৰমৰ সুখ

**ইলা বৰগোহাঁই**

সুখ, তই সঁচাকৈয়ে গ'লিগৈ? কিন্তু ক'লৈ? ওহোঁ, তই পৃথিৱীৰখন এৰি মৰাণ এৰি গুছি যোৱাটো কোনেও মানি ল'ব পৰা নাই, ময়ো পৰা নাই।

তোৰ ইমানবোৰ আত্মীয়, গুনমুগ্ধক এৰি তই বাৰু কেনেকৈ চিৰদিনলৈ গুছি যাবগৈ পাৰিলি? সঁচা, নিয়তিৰ আহ্বান কোনেও নেওচিব নোৱাৰে। তোক সময়ে মাতিলে। তোৰ যে ইমানবোৰ গুণমুগ্ধ আছিল - তই হয়তো নিজেই ক'ব পৰা নাছিলি?

তই বহুত কৰিলি। চুটি জীৱনটোত বহুত কামেই কৰি পেলালি। সেইবোৰ যথাজনে, যথাস্থানত, যথা যথ ভাবে লেখনিৰ যোগেদি তুলি ধৰিছে - মই দোহৰাৰ কোনো প্ৰয়োজন নাই। আৰু মই ইমানখিনি জনাও নাছিলো। তই ভাগ্যৱতী, তোৰ ইমানবোৰ গুণমুগ্ধ, ভালপোৱা লোক আছিল। তই একো হেৰুওৱা নাই, কেৱল পালিহে।

মই তোৰ সহপাঠী বান্ধৱী। কলেজত একেলগে পঢ়িছিলো। তাৰ পিছতো আহি চাকৰি জীৱনত তোক লগ পালো। প্ৰতিবেশীও হ'লো। সমাজৰ কাম, সাহিত্যৰ কামতো লগ পালো। জীৱনৰ প্ৰতিটো অধ্যায়তে লগত আছিলো। মাত্ৰ সেইদিনা ৩ চেপ্তেম্বৰ ২০২৩ তাৰিখৰ দিনা দিনৰ ১১ বজাত হঠাৎ আমাক এৰি থৈ গুচি গ'লি - মনে মনে! বৰ দুঃখ পালো।

অ, তই তো ভাল সাহিত্য মঞ্চ এখনো পাইছিলি। ক'বলৈ পালে ভাল পাম যে মঞ্চখন প্ৰথমে এখনেই আছিল - "অসম লেখিকা সংস্থা।" তই তাত বেছি দিন নেথাকিলি - তই "লেখিকা সমাৰোহ"লৈ গুছি আহিলি। মই কিন্তু তাতেই থাকিলো আৰু আজিও আছো। বয়সে গৰকাৰ বাবে, এতিয়া উপদেষ্টা হৈ ৰ'লো।

তোৰ কামৰ মাজত তই ৰৈ যাবি। লেখনিৰ মাজতো জীয়াই থাকিবি। তোৰ বিদেহ আত্মাই শান্তিত জীয়াই থাকক। সন্তুষ্টি লাভ কৰক।

ক'লোৱেই, তোৰ বিষয়ে, তোৰ কৃতকাৰ্য্যৰ বিষয়ে যথা জনে যথা স্থানত যথা বিহিত ৰূপত লেখিছেই। তাতেই নিজৰ ভাৱমূৰ্ত্তি সজীৱ হৈ উঠিব।

আকৌ কৈছো, তই যে নাই মনে মানি ল'ব খোজা নাই। কিন্তু সত্যক জানো অস্বীকাৰ কৰিব পাৰি। তথাপি লেখিলো - এইখন চিঠি - তোৰ আত্মাই পঢ়ি চাব। সময় বালিত পৰি যোৱাতো মাজত চিক্‌মিক্ বালিচন্দা পৰি ৰ'ক - তাতেই তোৰ অস্তিত্ব ৰৈ থাকক -

ইতি

তোৰ গুণমুগ্ধ বান্ধৱী।

# ড° সুখ বৰুৱাৰ অমল সান্নিধ্য

**ড° গীতা সৰকাৰ**

জীৱনৰ বিভিন্ন সময়ত বিভিন্ন ব্যক্তিৰ সান্নিধ্য লাভ কৰি আহিছোঁ, তাৰে কিছুমানৰ সান্নিধ্যই নতুন অভিজ্ঞতাৰ সোৱাদ ল'বলৈ শিকাইছে, আন কিছুমানে আকৌ জীৱনটোক নতুন ছন্দেৰে ছন্দোময় কৰি তোলাত সহায় কৰাৰ লগতে জীৱনটোক অধিক গতিশীলতা দান কৰিছে। এইসকলৰ ভিতৰত জীৱন যুঁজৰ এগৰাকী অক্লান্ত সেনানী ড° সুখ বৰুৱাৰ নাম অৱশ্যেই ল'ব লাগিব। যাৰ ব্যক্তিত্বই মোক অতি কম সময়ৰ ভিতৰতে আকৰ্ষিত কৰিবলৈ সক্ষম হৈছে। সৰুৰে পৰাই যি গৰাকী ব্যক্তিৰ তেজত নীৰৱে বৈ আছিল সমাজ সংস্কাৰ আৰু সমাজ সচেতনতাৰ বীজ।

এই গৰাকী বিশিষ্ট সাহিত্যিক, শিক্ষাবিদ, সমাজ সেৱক বিভিন্ন অনুষ্ঠান আৰু সংগঠনৰ সুসংগঠক ড° সুখ বৰুৱা একেধাৰে কবি, গল্পকাৰ নিবন্ধকাৰ আৰু সমালোচক হিচাবে সাহিত্য ক্ষেত্ৰত পৰিচিত। তেওঁৰ প্ৰকাশিত গৱেষণা গ্ৰন্থ "আহোমসকলৰ উৎসৱ-অনুষ্ঠান"ৰ উপৰিও আন কেইবাখনো গবেষণা ধৰ্ম্মী গ্ৰন্থ, প্ৰবন্ধ সংকলন, গল্প আৰু কবিতা প্ৰকাশ কৰি উলিয়াবলৈ সক্ষম হৈছে। এইবোৰৰ বাহিৰেও তেওঁ সম্পাদনা কৰা গ্ৰন্থৰ সংখ্যা প্ৰায় বাৰ খন। তেওঁ জীৱনত জনহিতকৰ বাবে নিস্বাৰ্থ ভাবে কৰা ত্যাগৰ বাবে বহু বঁটা-বাহনৰ লগতে মানুহৰ অন্তৰ জয় কৰি লাভ কৰিছে বহু অমূল্য উপাধিও। যেনে- 'ৰত্নগৰ্ভা', 'মৰাণ কুৰঁৰী', 'কৰ্মযোগী', 'প্ৰেৰণাময়ী', 'মহীয়সী', 'হাব্ৰুনি ফামে' (বোকাৰ পদুম) 'জাচিংফা' ইত্যাদি।

যোৱা ২০১২ চনৰ লেখিকা সমাৰোহ সমিতিৰ বঙ্গাইগাওঁ অধিবেশনত ড° সুখ বৰুৱা বাইদেউক খুব সম্ভৱ প্ৰথমবাৰৰ বাবে লগ পাওঁ। তাৰ আগতে লগ পাইছোঁ যদিও মনত নাই। বিশাল ব্যক্তিত্বৰ এই গৰাকী মহিলাৰ বিষয়ে তেতিয়া বিশেষ একো জনাই নাছিলোঁ। তাৰ পিছত যেতিয়া লাহে লাহে তেওঁৰ সান্নিধ্য লাভ কৰিবলৈ ধৰিলোঁ, তেতিয়াহে জানিব পাৰিলোঁ তেওঁ মানুহগৰাকী আচলতে কেনে?

তাৰ পিছত তেওঁক লগ পাওঁ ২০১৪ চনৰ ডুমডুমা অধিবেশনত। এগৰাকী কাঢ়া অনুশাসনৰ গৰাকী। সময়ানুবৰ্তিতা, নিয়মানুবৰ্তিতা, শৃঙ্খলাবোধ তেওঁৰ ব্যক্তিত্বৰ এটা বিশেষ উল্লেখনীয় দিশ। একেবাৰে ওচৰৰ পৰা পালোঁ তেওঁক ২০১৬ চনৰ ষষ্ঠবিংশতিতম ধুবুৰী অধিবেশনত। তাৰো আগত অৰ্থাৎ ২০১৫ চনত মৰাণত অনুষ্ঠিত "আইদেউ সন্দিকৈ বঁটা প্ৰদান" অনুষ্ঠানত নিচেই ওচৰৰ পৰা অৰ্থাৎ তেওঁৰ নিজা বাসভৱনত অনুষ্ঠানৰ আগদিনা ৰাতি আমি ধুবুৰীৰ পৰা যোৱা কেইওগৰাকী মহিলাই বাইদেউৰ ঘৰত অতিথি হৈছিলো। সঁচা কথা ক'বলৈ গ'লে আমি

গৈ পোৱাৰ দিনা কাৰ্যবাহী সমিতিৰ সভা আছিল, বাইদেউৰ ঘৰত সিদিনা আমাৰ সকলোৰে থকাৰ কথা নাছিল। আমাৰ বাবে বেলেগ ঠাই ঠিক কৰি থোৱা আছিল। বাইদেউৰ ঘৰত থকাৰ বন্দোবস্ত আছিল ব্ৰহ্ম বাইদেউ, মনিতা বৰুৱা বাইদেউ আৰু কোনোবা এগৰাকীৰ, কিন্তু সিদিনা সন্ধ্যা কাৰ্যবাহী সমিতিৰ সভাৰ শেষত তেওঁ আমাক ক'লে, "তোমালোকে মোৰ ইয়াত ৰাতিৰ ভাতসাজ খাই বেলেগ এঘৰত থকাৰ ব্যৱস্থা কৰা হৈছে তাৰ্লৈকে যাবাগৈ"। আমি অলপ চিন্তাত পৰিলোঁ কাৰণ আমি কোনেও কাকো এৰিব খোঁজা নাছিলোঁ। সেয়ে আমি সকলোৰে একে সুৰত নাচোৰবান্দা হৈ কলোঁ, "নহয় বাইদেউ, যিমানে কষ্ট নহওক আমি আজি ৰাতি আন কতো নাযাওঁ, আপোনাৰ ঘৰতে থাকিম।" বাইদেউ অলপ বিমোৰত পৰিল আৰু আচৰিতো হ'ল যদিও মুখেৰে একো নামাতিলে। এই ৰাতিখন অতিথি অসন্তুষ্ট হ'ব পাৰে বুলি ভাৰি বাইদেউৰে আমাক তেওঁৰ ঘৰতে ৰাখিবলৈ বাধ্য হ'ল। কলে,"ঠিক আছে তেন্তে, তোমালোকে যদি অসুবিধা নোপোৱা থাকা একেখন বিছনাত থেপাথেপি কৰি। কেৱল ৰাতি ১০টা বজাৰ পিছত কথা নাপাতিবা। কালি ৰাতিপুৱা সোনকালে উঠি ৰাতিপুৱাৰ কাৰ্য্যসূচীত সময়মতে যোগদান কৰিব পাৰিব লাগিব।" একেবাৰে কাঢ়া নিৰ্দেশ দি তেওঁ শুবলৈ গ'ল। বাইদেউৰ ভয়ত সিদিনাখন আমি ভয়ে ভয়ে কথা পাতিছিলো। তাৰ পিছত আমি আৰামত ৰাতিটো পাৰ কৰিছিলোঁ। সিদিনা বাইদেউৰ ঘৰত থকা মহিলা কেইগৰাকী হ'লোঁ- অঞ্জলি ব্ৰহ্ম, মনিতা বৰুৱা, চন্দ্ৰা বৰ্ম্মন, চুলতানা ছেলিমা আহমেদ, ৰীতাৰাণী ৰাম চিয়াৰী আৰু মই। তেওঁৰ অকৃত্ৰিম আতিথ্যৰে আপ্যায়িত হ'বলৈ পাই আমি সচাঁকৈ নিজকে ধন্য মানিছোঁ আৰু কৃতাৰ্থ হৈছোঁ। তাৰ লগে লগে কনমাই মহন, কল্পনা বৰা বাইদেউৰো শলাগ নোলোৱাকৈ থাকিব নোৱাৰিলোঁ, কাৰণ তেওঁলোক দুয়ো আমাক মৰাণ ৰেলষ্টেশনৰ পৰা নিজে গাড়ী ড্ৰাইভ কৰি মৰাণহাটলৈ লৈ গৈছে অৰ্থাৎ সুখ বৰুৱা বাইদেউৰ ঘৰলৈ। কেৱল সেয়ে নহয় পিছদিনাখন সুকলমে "আইদেউ সন্দিকৈ বঁটা প্ৰদান অনুষ্ঠান পাৰহৈ যোৱাৰ পিছত বাইদেয়ে আমাক ইনোভা গাড়ীৰে ড্ৰাইভাৰ পঠাই দি অঞ্জলি ব্ৰহ্ম বাইদেউৰ ভনী-ভনীজোঁৱাইৰ ডিব্ৰুগড়ৰ ঘৰত পোৱাৰ ব্যৱস্থাও কৰিছিল। সচাঁকৈয়ে এই মহানুভৱতাৰ বাবেই আমি তেওঁৰ ওচৰত ঋণী হৈ থাকিম। এই স্মৃতি সদায় যুগমীয়া হৈ ৰ'ব। আমি লক্ষ্য কৰিব পাৰিছোঁ বাইদেউৰ লগতে ভিনদেউও বৰ সহজ-সৰল, দায়িত্বশীল আৰু অতিথি পৰায়ণ মানুহ। কেৱল সেয়ে নহয় তেওঁলোকৰ ঘৰৰ পৰা বিদায় লোৱাৰ পৰত বাইদেয়ে আমাক প্ৰত্যেককে লাৰু আৰু তিল পিঠাৰ টোপোলা দি পঠিয়াইছিল। এটা ৰাতিৰ ভিতৰত তেওঁ আমাক মৰমৰে এনাজৰিৰে এনেকৈ বান্ধি পেলালে যে আমি অভিভূত নহৈ নোৱাৰিলোঁ। মই বিশেষকৈ ভাবিবলৈ বাধ্য হ'লো যে নিজৰ বায়েক-ভিনীয়েকেও কিজানি কোনো ভনীয়েকক এনে আপ্যায়ন নকৰে।

ডুমডুমা অধিবেশনত (২০১৪) সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰীৰ দায়িত্বভাৰ গ্ৰহণ কৰা এই গৰাকী কঠোৰ অনুশাসনৰ গৰাকীয়ে দুবছৰীয়া কাৰ্য্যকালৰ বিভিন্ন কাৰ্য্যসূচী সফলতাৰে পাৰ কৰি ২০১৬ চনৰ ধুবুৰী অধিবেশনো সকলোৰে সহযোগিতাত সুখ্যাতিৰে সম্পন্ন কৰে। ধুবুৰী অধিবেশনৰ কিছু স্মৃতি কথা স্মৰণ কৰিবই লাগিব। ২০১৪ চনৰ অক্টোবৰ মাহত তেওঁ প্ৰথমবাৰলৈ ধুবুৰীলৈ আহিছিল ২০১৬ চনৰ ধুবুৰী অধিবেশনৰ আদৰণি সমিতি আৰু স্মৃতি গ্ৰন্থ সম্পাদনা সমিতি গঠন কৰি দিবলৈ। তাৰ পিছত

আহিছিল একেবাৰে ২০১৬ চনৰ ফেব্ৰুৱাৰী মাহৰ ৫ তাৰিখে। কাৰণ ধুবুৰী অধিবেশন ৬,৭,৮,৯ ফেব্ৰুৱাৰী লৈ চাৰিদিনীয়া দীঘলীয়া কাৰ্য্যসূচী আছিল। কবিসন্মিলন, আলোচনা চক্ৰ, গ্ৰন্থ উন্মোচনকে ধৰি বিভিন্ন কাৰ্য্যসূচীৰ লগতে মুকলি সভাৰ পৌৰহিত্য কৰে এই গৰাকী মহান শিক্ষাবিদ, প্ৰশাসক, সৰল মনৰ গৰাকী শ্ৰদ্ধাৰ ড° সুখ বৰুৱা বাইদেৱে। তেওঁৰ পৌৰহিত্যতে ষষ্ঠবিংশতিতম ধুবুৰী অধিবেশনৰ সফল সমাপ্তি ঘটে এই কথা সকলোৱে একেমুখে স্বীকাৰ কৰিছে।

এইখিনিতে ধুবুৰী অধিবেশনৰ লগতে মোৰ কিছু ব্যক্তিগত কথা নকলেই নহ'ব। বাইদেউৱে ৫ ফেব্ৰুৱাৰী / ২০১৬ তাৰিখে ডিব্ৰুগড়ৰ পৰা আকাশী যানেৰে বৰঝাৰ বিমান বন্দৰত যেতিয়া অৱতৰন কৰে তেতিয়া তেওঁ মোক ফোনযোগে এক প্ৰকাৰ আদেশ দিয়ে এই বুলি যে, "গীতা তুমি আমাৰ তিনিজনৰ বাবে ভাত বহাই দিয়া বিশেষ একো নালাগে ভাজি, আৰু কিবা এবিধ হলেই হ'ল। আমি বৰঝাৰৰ পৰা পোনে পোনে ধুবুৰীলৈ যোৱাৰ পথত তোমাৰ তাত সোমাই ভাত কেইটা খাই যাম।" মই খুব আনন্দিত হ'লোঁ। কাৰণ বাইদেউক মই দিয়া পূৰ্ব চৰ্ত্তটো বাইদেৱে অন্তত ৰাখিলে আৰু মোক তেওঁলোকক এই আতিথ্যখিনি আগবঢ়াবলৈ সুযোগ দিলে। এইকথা সদায় মনত থাকিব। তাৰ পিছত তেওঁলোকক খুৱাই বুৱাই আমি দুয়ো মই আৰু মোৰ স্বামী নিজৰ গাড়ীৰে ধুবুৰীৰ প্ৰশান্তি ল'জত থৈ আহোঁগৈ। তাত তেওঁ ৰাতি বৰ কষ্ট পাইছিল। সেয়ে তাৰ পিছদিনাখন ৰাতি পুৱাই মই আৰু ছেলিমাই গৈ তেওঁক (তেওঁৰ লগত আছিল কণমাই মহন আৰু দিপালী দত্ত শইকীয়া) ধুবুৰী আৰৰ্ত্তভৱনৰ আহল বহল কোঠা এটাত থৈ আহোঁগৈ। তেতিয়াহে তেওঁ স্বস্তিৰ নিশ্বাস পেলালে কাৰণ আবেলিলৈ প্ৰথম কাৰ্য্যসূচী প্ৰতিনিধি শিবিৰ মুকলি অনুষ্ঠান আৰম্ভ হ'ব গুৰু তেগ বাহাদুৰ গুৰুদ্বাৰাত।

২০১৪ চনৰ ২৮ ডিচেম্বৰ তাৰিখে গুৱাহাটী মহানগৰ জিলা লেখিকা সমাৰোহ সমিতিৰ সহযোগত, সাহিত্য একাডেমিৰ উদ্যোগত তেতিয়াৰ কটন মহাবিদ্যালয়ৰ 'বিযুৎৰাভা প্ৰেক্ষাগৃহ'ত অনুষ্ঠিত আলোচনা চক্ৰ "গোৱালপৰীয়া লোকগীতৰ বিচাৰ"ৰ ময়ো এগৰাকী অন্যতম আলোচক আছিলোঁ। উক্ত আলোচনা চক্ৰৰ আলোচক হিচাবে মোক নিৰ্বাচন কৰি আলোচনা চক্ৰত অংশ গ্ৰহণ কৰাৰ সুযোগ দিয়াৰ মূলতে আছিল সুখ বৰুৱা বাইদেউ। তেওঁৰ এই মহানুভৱতাৰ বাবে মই তেওঁৰ ওচৰত কৃতজ্ঞ নহৈ নোৱাৰিলো।

এইদৰে কম সময়ৰ ভিতৰত এনে এগৰাকী ব্যক্তিৰ লগত এনে গভীৰ আন্তৰিকতা, আত্মীয়তা গঢ়ি উঠাটো যিকোনো ব্যক্তিৰ বাবে সৌভাগ্যৰ কথা। এনে এগৰাকী মহিয়ষী নাৰীৰ বিয়োগত মৰ্মাহত হৈছোঁ আৰু পৰমেশ্বৰৰ ওচৰত তেখেতৰ আত্মাৰ চিৰশান্তি কামনা কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিলোঁ। ●

# ড° সুখ বৰুৱাৰ ব্যক্তিত্ব আৰু সান্নিধ্য

**স্বৰ্ণ বৰুৱা গগৈ**

*তোমাৰ সতে এৰি অহা দিনবোৰ*
*জাকি মাৰি ওলাই অহা*
*সোণসেৰীয়া অতীত*
*আৰু বন্ধুত্বৰ সুগভীৰ ছাঁত*
*কটিয়াই আন থকা*
*গহীন গম্ভীৰ লগা*
*সান্নিধ্যৰ ৰঙীন*
*সপোনৰ পম খেদি*
*আহি আছো, আহি আছো*
*পাল তৰা নাও বাই*
*নাজানো ক'ত হয় জীৱনৰ শেষ।*

উজনি অসমৰ চাহ বাগিছা অধ্যুষিত আৰু বুৰঞ্জী প্ৰসিদ্ধ ঐতিহ্যৰ সোঁৱৰণীৰে ভৰপূৰ মৰাণ এক ঐতিহাসিক ৰূপে-ৰসে, ধনে-ধানে ভৰা এক চহকী অঞ্চল।

১৯৯৭ চনত তিতাবৰলৈ সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সপ্তদশ দ্বি বাৰ্ষিক অধিৱেশনখনি নিমন্ত্ৰণ কৰি আনিছিলো। অধিৱেশনখনি সফলভাৱে ৰূপায়ন কৰিবলৈ মই কেইগৰাকীমান সমিতিৰ সহযোগী সদস্যা ভগ্নীসম অনু, ৰেণুৰ লগত আৰ্থিক সাহাৰ্য্য বিচাৰি মৰাণলৈ যাত্ৰা কৰিছিলো। মৰাণ মানে ড° সুখ বৰুৱা। ড° সুখ বৰুৱাক প্ৰথমে মই নাজিৰা অধিবেশনত লগ পাই বন্ধুত্বৰ দোলেৰে বান্ধ খাই আহিছিলো। এজন বিদ্বান বিদ্বান লগা শ্ৰদ্ধাবান ব্যক্তিয়ে আমাৰ এই যাত্ৰাৰ মূল উদ্দেশ্য জানি আমাক অন্তৰ ভৰা আশীৰ্বাদ দিছিল। পূজাৰ বতৰ আছিল, আমাক তেওঁ দুৰ্গতি নাশিনী দুৰ্গা বুলি অভিহিত কৰিছিল। মহিলাৰ উত্তৰণৰ বাবে আগবাঢ়ি যাবলৈ অপাৰ আশীৰ্বাদ জোলোকা-জোলোকে দি আমাক মৰাণৰ সাংস্কৃতিবান ঠাইখনৰ সাংস্কৃতিক পৰিচয় কৰাই দিয়াৰ লগতে মহান ঐতিহ্যপূৰ্ণ ঠাইত অতিথি হিচাবে উপস্থিত হৈ আমি ধন্য হৈছিলো। সেই প্ৰথম যাত্ৰাতেই মৰাণৰ ৰাইজৰ স্নেহাশীষেৰে ধন্য হৈছিলো।

মৰাণৰ বিভিন্ন ঠাইত বিভিন্ন মানুহক লগ কৰাৰ উদ্দেশ্যে ড° সুখ বৰুৱাই এখন গাড়ী আৰু এগৰাকী আমাৰ সতীৰ্থক আমাৰ লগত দি মহান উদাৰতাৰে সহায় কৰিছিল। সেই দিনাৰ যাত্ৰাত আমি বিশেষ লাভৱান হৈ এখন বহী বেচি মৰাণৰ পৰা এটি মোটা অঙ্কৰ অৰ্থ লাভ কৰিছিলো। শেষত গাড়ীখন থৈ ড° সুখ বৰুৱাৰ আতিথ্যত পেট ভৰাই এসাজ খাই ওলাব খোজোতেই তেখেতৰ স্বামী বিনন্দ বৰুৱা আৰু ড° সুখ বৰুৱাৰ নামত ৫০০ টকাকৈ দুটা ৰচিদ কাটি বহীখন শেষ কৰি পঠাইছিল। ড° সুখ বৰুৱাৰ এই শ্ৰদ্ধাভৰা আতিথ্য আৰু বদান্যতাৰ কথা মই জীৱনত পাহৰিব নোৱাৰো।

এনে এগৰাকী সুন্দৰ মনা বান্ধৱীৰ স'তে এৰি অহা দিনবোৰৰ সান্নিধ্যই মোৰ জীৱন যেন পূৰ্ণতাৰ পথত আগবঢ়াই লৈ গৈছে, যাৰ ফলত মৰাণ বুলিলেই চকুৰ আগত আচম্বিতে ধৰা দিয়েহি বহুগৰাকী সতীৰ্থৰ মাজৰ পৰা প্ৰথম ড° সুখ বৰুৱাৰ নাম। মই লগ পোৱাৰ দিনৰে পৰা ড° সুখ বৰুৱাৰ ব্যক্তিত্বত দেখা পাইছিলো জীৱনৰ লক্ষ্যত নিহিত সমাজৰ প্ৰতি থকা সুগভীৰ দায়বদ্ধতা আৰু মহিলা শিক্ষাৰ প্ৰতি থকা দায়বদ্ধতা লগতে পৰিয়ালৰ প্ৰতি থকা দায়বদ্ধতা।

নিজৰ লক্ষ্য স্থিৰ কৰি আৰু লক্ষ্যত উপনীত হ'ব পৰা সকলো দক্ষতা প্ৰয়োগ কৰি নিজৰ বুদ্ধিমত্তাৰে সমাজ সচেতনতাক প্ৰতীক ৰূপত আগবঢ়াই লৈ যোৱাত অকনো এলাহ ভাগৰ নেদেখুৱাইছিল। চৰকাৰী শিক্ষয়িত্ৰীৰ চাকৰি এৰি নাৰী শিক্ষাৰ বাবে এখনি মহিলা মহাবিদ্যালয় স্থাপন কৰি শ শ মহিলাক স্নাতক কৰাৰ পথ প্ৰশস্ত কৰিছিল। এখন মহিলাৰ মহাবিদ্যালয় প্ৰতিষ্ঠা কৰি আগুৱাই লৈ যোৱা এগৰাকী মহিলাৰ বাবে নিচেই সহজ সাধ্য নহয়। নিজৰ দক্ষতা মানৱতা বোধ সকলোৰে পৰা আদায় কৰিব পৰা মৰম চেনেহৰ গুণত ৰাইজৰ অকুণ্ঠ সহযোগ লাভ কৰি মহাবিদ্যালয়খন উন্নয়নৰ বাবে কঠোৰ শ্ৰম কৰিছিল আৰু দান বৰঙণি, চৰকাৰী অনুদানৰ সহায়ত আৰু নিজ কৰ্ম দক্ষতাৰ বলত মহাবিদ্যালয়খন প্ৰাণ পাই উঠিছিল। মোৰ বান্ধৱী ড° সুখ বৰুৱাৰ গুণৰ কথা কৈ যেনেকৈ শেষ কৰিব নোৱাৰি তেনেকৈ কৰ্ম আঁচনিৰ প্ৰকৃত প্ৰকাশৰ কথাও কৈ অন্ত পেলাব নোৱাৰি। ইয়াৰ সমান্তৰালভাৱে অন্য কেইটিমান মহিলা সৰলীকৰণ অনুষ্ঠান- মৰাণ আঞ্চলিক মহিলা মঞ্চ 'সংঘমিত্ৰা', 'সংঘমিত্ৰা হস্ততাঁত বয়ন শিল্প কেন্দ্ৰ' আৰু 'সংঘমিত্ৰা জাতীয় বিদ্যালয়' প্ৰতিষ্ঠা কৰি নিজৰ সমাজ সচেতনতাৰ পৰিচয় দাঙি ধৰিছিল।

হাইস্কুলীয়া জীৱনত সাহিত্যৰ পথাৰখনিত সগৌৰৱেৰে খোজ পেলাই গল্প, কবিতা, গল্প, প্ৰবন্ধ আদি ভিন্নস্বাদৰ গ্ৰন্থ সম্ভাৰেৰে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিছে। আনহাতে কেইবাখনো বহুমূলীয়া পুথি সম্পাদনা কৰি নিজে ধন্য হোৱাৰ উপৰি সেই অঞ্চলৰ সমগ্ৰ মহিলাক ধন্য কৰিছে।

সাহিত্যৰ ক্ষেত্ৰখনত এক গৌৰৱময় প্ৰতিভাৰ চিনাকি দিয়াৰ উপৰিও সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ বহু শাখা প্ৰশাখা আন্তৰিকতাৰে প্ৰতিষ্ঠা কৰি সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী পদ অলংকৃত কৰি সুচাৰুৰূপে পালন কৰি নিজৰ নাম খোদিত কৰি গ'ল। তাৰ উত্তৰ সুৰী ৰূপত সভানেত্ৰী দায়িত্ব অৰ্পণ কৰি মইও সভানেত্ৰীৰ পদত অধিষ্ঠিত হৈ সুচাৰুৰূপে ২ বছৰ পাৰ কৰি সদৌ অসম লেখিকা সমাৰোহৰ বাবে কিছু কাম কৰাৰ সুযোগ লাভ কৰি ধন্য হ'লো।

ড° সুখ বৰুৱাই জীৱনত কৰি যোৱা

বহুমূলীয়া কৰ্মৰাজিৰ বাবে চাৰিকুৰিৰো অধিক অনুষ্ঠান-প্ৰতিষ্ঠানে তেওঁক সম্বৰ্ধনা জ্ঞাপন কৰিছে। চৰকাৰী-বেচৰকাৰীভাৱে বিভিন্ন বঁটাও লাভ কৰিছে। তাৰ ভিতৰত চৰকাৰৰ সাহিত্যিক বঁটা, সাহিত্যিক পেঞ্চন, চন্দ্ৰপ্ৰভা শইকীয়ানী বঁটা, সমাজ সেৱা আৰু সাহিত্য বঁটা, পূৰ্ণিমা বৰুৱা বঁটা, মূলা গাভৰু বঁটা আদিয়েই প্ৰধান।

এগৰাকী সৰ্বগুণী নাৰীৰ সুপ্ত নাৰী সৰলীকৰণৰ প্ৰচেষ্টাবোৰ সমাজৰ আদৰণীয়। তেওঁ নিজে ধন্য হোৱাৰ উপৰিও নাৰী সমাজকো ধন্য কৰিছে। আজিও তেওঁ অনেক অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত, কৰ্তব্য আছে অনেক, সমাজৰ বাবে তেওঁ প্ৰয়োজনীয়। এনে এগৰাকী মহিয়ষী নাৰীৰ বিয়োগত মৰ্মাহত হৈছোঁ আৰু পৰমেশ্বৰৰ ওচৰত তেখেতৰ আত্মাৰ চিৰশান্তি কামনা কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিলোঁ। ●

# প্ৰতিভাময়ী ড° সুখ বৰুৱা বাইদেউৰ সান্নিধ্যত

**ড° চাৰু চহৰীয়া নাথ**

'য'ত প্ৰেম আছে, তাত জীৱন আছে'- কথাষাৰ কৈছিল মহামানৱ মহাত্মা গান্ধীয়ে। কথাষাৰৰ তাৎপৰ্য এয়ে যে, পৃথিৱীত আটাইতকৈ গভীৰ আৰু মধুৰ হ'ল জীৱন আৰু এই জীৱন যদি প্ৰেম আৰু মৰমেৰে আগুৰি থাকে , সেই জীৱন যাত্ৰাও হয় জ্যোৰ্তিময়। প্ৰতিভাময়ী লেখিকা, সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ প্ৰাক্তন সভানেত্ৰী ড° সুখ বৰুৱা বাইদেউৰ জীৱনো জ্যোৰ্তিময়--সকলো সময়তে আৱৰি থাকে মৰম আৰু চেনেহেৰে। সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ কৰ্মৰ পথাৰখনত লগপোৱা বাই-ভনীসকলৰ ভিতৰত ড° সুখ বৰুৱা বাইদেউও এগৰাকী। প্ৰাণোচ্ছল, উদ্যোগী সুখ বাইদেউৰ মৰমে আমাক এনেকৈ বান্ধিলে, যি কথা নেদেখিলে অনুভৱ কৰিব নোৱাৰি। বিশেষকৈ তেজপুৰৰ পৰা শিৱসাগৰ, ডিব্ৰুগড়, ডুমডুমা, শদিয়া য'তেই আমাৰ সভা নহওক, মৰাণৰ এইগৰাকী বাইদেউক যদি নজনোৱাকৈ পাৰ হৈ গ'লোঁ, তেতিয়াহ'লে আমাৰ অৱস্থা হ'ব শোচনীয়। বিবিধ সুস্বাদু জলপান বাইদেউৰ ঘৰত খাইহে আমাৰ গন্তব্যস্থান পাওঁগৈ। বাইদেউতকৈ ভিনদেউ আৰু এখোপ চৰা। আচলতে এয়াই জীৱন। মৰাণ মহিলা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষা ড° সুখ বৰুৱা অসমৰ নাৰী শিক্ষাৰ বাটকটীয়া সকলৰ অন্যতম। গাৰ ঘাম মাটিত পেলাই , ঘৰে ঘৰে সকলোৰে আদৰ, মৰম বুটলি তেওঁ মৰাণ মহিলা মহাবিদ্যালয় প্ৰতিষ্ঠা নকৰা হ'লে হয়তু মৰাণ অঞ্চলৰ বহুতো ছোৱালীয়ে উচ্চ শিক্ষা লাভৰ পৰা বঞ্চিত হ'লহেঁতেন। সকলো সময়তে গঠনমূলক দৃষ্টিভংগীৰে কাম কৰা, সু-পৰিকল্পিত জীৱন-যাপন কৰা ড° সুখ বৰুৱা বাইদেৱে কেৱল মহিলা মহাবিদ্যালয় প্ৰতিষ্ঠা কৰিয়েই ক্ষান্ত থকা নাই, শিৱসাগৰ অঞ্চলৰ মহিলাসকলক সাহিত্য সাধনাৰ প্ৰতি অনুৰাগী কৰিও গঢ়ি তুলিছে। ইয়াৰ প্ৰমাণ

পাইছিলোঁ ২০০৮ চনত মৰাণত হোৱা সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ দ্বাবিংশতিতম দ্বি-বাৰ্ষিক অধিৱেশনত। মৰাণ শাখাৰ লগতে তেখেতে খোলা সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ যোল্লটা শাখাৰ মহিলাসকলৰ কৰ্মস্পৃহা আৰু আতিথ্যই আৰু সুখ বাইদেউৰ প্ৰতি থকা তেওঁলোকৰ শ্ৰদ্ধাই সকলোকে অভিভূত কৰিছিল। কেৱল সেয়াই নহয় নাৰীসকলক স্বাৱলম্বী আৰু সৃষ্টিশীল কৰ্মৰ যোগেদি অৰ্থনৈতিকভাৱে প্ৰতিষ্ঠিত হ'বলৈ তেওঁ ১৯৯২ চনত মৰাণত প্ৰতিষ্ঠা কৰে 'সংঘমিত্ৰা মহিলা মঞ্চ'।

যাঠিৰ দশকতে সাহিত্য সৃষ্টিৰ পাতনি মেলা ড° সুখ বৰুৱা বাইদেউ এগৰাকী প্ৰতিষ্ঠিত লেখিকা। তেওঁ লিখা প্ৰৱন্ধ আৰু অসংখ্য কবিতা অসমীয়া আলোচনীৰ পাতত পোৱা যায়। 'দুবৰিত নিয়ৰৰ মুকুতা সৰে' তেখেতৰ উৎকৃষ্ট কবিতা সংকলন। ইতিমধ্যে চৈধ্যখন মৌলিক গ্ৰন্থ তেওঁৰ প্ৰকাশ পাইছে আৰু বাৰখনকৈ গ্ৰন্থ তেখেতে সম্পাদনা কৰিছে।

বাইদেউৰ পাৰিবাৰিক জীৱন অতি সুন্দৰ। তেওঁৰ স্বামী শ্ৰীযুত বিনন্দ বৰুৱা অৱসৰপ্ৰাপ্ত চৰকাৰী বিষয়া। হাঁহি-আনন্দৰ জীৱন কটোৱা ভিনদেউৰ প্ৰতিভাশালী ব্যক্তিত্বই বাইদেউৰ সফল জীৱনত প্ৰভাৱ পেলাইছিল। তিনিটি সফল সন্তানৰ পিতৃ-মাতৃ বাইদেউ-ভিনদেউ দুয়োজনেই অত্যন্ত আধ্যাত্মিক ভাৱাপন্ন। এইবাৰ ৰঙালী বিহুৰ দিনা ৰাতিপুৱাই যেতিয়া ফোনেৰে সেৱা যাঁচিছিলোঁ, বাইদেৱে কৈছিল--- 'ভকতসকলক সেৱা লৈ এইমাত্ৰ বিদায় দিলোঁ'। আদৰ্শবাদী এইগৰাকী কৰ্মব্যস্ত মহিলাৰ পৰা আমি বহুত শিকিব লগীয়া আছে বুলি অনুভৱ কৰোঁ।

মৰাণ অঞ্চলৰ প্ৰায় প্ৰতিটো অনুষ্ঠানৰ সভাপতি, প্ৰতিষ্ঠাপক সভাপতি আদি বিভিন্ন দায়িত্বত থকা বাইদেউক মৰাণৰ ৰাইজে বিভিন্ন সময়ত সম্বৰ্ধনা জনাই যথেষ্ট সন্মান দিছে। নাৰীসুলভ গাম্ভীৰ্যতা আৰু সজীৱ ব্যৱহাৰেৰে প্ৰাণৱন্ত কৰি ৰখা ড° সুখ বৰুৱা বাইদেউক অসম চৰকাৰে কেইবাটাও বঁটাৰে সন্মানিতা কৰিছে। ইয়াৰ উপৰিও অন্যান্য বঁটাও তেখেতে লাভ কৰিছে।

আজীৱন শিক্ষাৰ লগত জড়িত ড° সুখ বৰুৱা বাইদেউৰ সান্নিধ্যত লাভ কৰা অভিজ্ঞতাৰ পৰা কেইটামান বিশেষ কথা মনত পৰিলে অভিভূত হৈ পৰোঁ। সেয়া হ'ল- তেওঁৰ স্মৃতি শক্তি, দূৰন্ত সাহস আৰু প্ৰখৰ বুদ্ধিমত্তা। অসমৰ প্ৰতিগৰাকী লেখিকাৰ সদস্যাৰ সমস্যা সমাধান কৰিবলৈ তেখেতে যথাসাধ্য চেষ্টা কৰে। অনুষ্ঠানটিৰ বৰ্তমান উপদেষ্টা হিচাপে তেখেতে সকলো সময়তে দায়িত্ব পালন কৰি আহিছে।

অত্যন্ত পৰিশ্ৰমী, মননশীল ব্যক্তিত্বৰ অধিকাৰিণী সুখ বৰুৱা বাইদেউ বৰ্তমান মৰাণ মহাবিদ্যালয় আৰু মৰাণ মহিলা মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভানেত্ৰী। মহাবিদ্যালয় দুখনৰ সকলো সমস্যা সমাধান কৰিবলৈ তেখেতে যথাসাধ্যে চেষ্টা কৰিছে।

সুখ বাইদেউৰ কেইবাখনো গ্ৰন্থ আমি পঢ়িবলৈ পাইছোঁ। তেখেতৰ আহোম জনগোষ্ঠীৰ বিষয়ে লিখা গ্ৰন্থসমূহ যথেষ্ট তথ্যভিত্তিক হৈছে। বিশেষকৈ আহোমসকলৰ উৎসৱ-অনুষ্ঠান' গ্ৰন্থখন তেখেতৰ পি.এইচ.ডি. গৱেষণা গ্ৰন্থ। সেইখন গ্ৰন্থ আকাৰত প্ৰকাশ কৰি তেওঁ অসমীয়া জাতিলৈ বিশেষ অৱদান আগবঢ়াইছে। গ্ৰন্থখন আঠটা অধ্যায়ত বিভক্ত আৰু প্ৰতিটো অধ্যায়তেই আহোমসকলৰ উৎসৱ-অনুষ্ঠানৰ প্ৰকৃত ছবি প্ৰতিফলিত হৈছে।

২০১৫ চনত অসম চৰকাৰৰ চন্দ্ৰপ্ৰভা

শইকীয়ানী বঁটাৰে সন্মানিতা সুখ বৰুৱা বাইদেৱে ২০১৭ চনত সম্পাদনা কৰা 'জীৱনজয়ী চন্দ্ৰপ্ৰভা' গ্ৰন্থখন সদৌ অসম লেখিকা সমাৰোহ সমিতিয়ে প্ৰকাশ কৰি উলিয়াইছে। এই গ্ৰন্থখন সম্পাদনাৰ সময়ত বাইদেউৰ প্ৰজ্ঞাৰ মাত্ৰা দেখি মই আচৰিত হৈছিলোঁ। গ্ৰন্থখনৰ চাৰিটামান লিখনি মই সংগ্ৰহ কৰি দিছিলোঁ যদিও গ্ৰন্থখন সম্পাদনা কৰিবলৈ বাইদেৱে যিখিনি অধ্যয়ন কৰি জ্ঞান আহৰণ কৰিছে, সেয়া সঁচাকৈয়ে মানিবলগীয়া।

সুখ বাইদেউৰ অকাল বিয়োগত মৰ্মাহত হৈছোঁ আৰু পৰম পিতা পৰমেশ্বৰৰ ওচৰত তেখেতৰ আত্মাৰ চিৰশান্তি কামনা কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছোঁ। ●

# শ্ৰদ্ধাৰ সুখ বৰুৱা বাইদেউক মই কিদৰে জানিছিলোঁ

**দীপালি গগৈ বৰুৱা**

সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ লগত যেতিয়াৰে পৰা জড়িত হৈ পৰিলোঁ, সেই তেতিয়াৰে পৰা জ্যেষ্ঠা বাইদেউসকল, সদস্যাসকল আৰু সতীৰ্থসকলৰ লগত চিনা-পৰিচয়েৰে আমাৰ এই স্নেহ প্ৰীতিৰ বান্ধোনৰ একত্ৰ যাত্ৰা অব্যাহত হৈ আছে। আমাৰ লেখিকা সমাৰোহ সমিতিৰ মুখ্য উদ্দেশ্য যদিও মহিলাসকলক নিজস্ব প্ৰতিভাৰে এখন লেখিকা মঞ্চ দিয়া, তাতোকৈ ডাঙৰ কথা আমাৰ সমগ্ৰ মহিলাসকলৰ মাজতএক স্নেহৰ অটুট বান্ধোনৰ সম্বন্ধ গঢ়ি তোলা।

এই একত্ৰ যাত্ৰাৰ সমদলত চামিল হৈ আমি লগ পাওঁ বহু প্ৰজ্ঞাশীলা, স্নেহশীলা একো একোগৰাকী বিদূষী মহিলাক। যাৰ জীৱনৰ ছত্ৰছায়াত আমি অকণমান ৰেঙণি পালেও আমাৰ জীৱন ধন্য হৈ পৰে যেন বোধ কৰোঁ। তেনেদৰেই লগ পাইছিলোঁ ড° সুখ বৰুৱা বাইদেউক। বিশেষকৈ সদৌ অসম লেখিকা সমাৰোহৰ মৰাণ অধিৱেশনৰ পৰা বাইদেউক অতি ওচৰৰ পৰা পালোঁ আৰু তেতিয়াৰে পৰা বাইদেউৰ লগত নিবিড় সম্বন্ধ গঢ়ি উঠিল। আমি কেতিয়াবা বাইদেউৰ খবৰ-বাতৰি ল'বলৈ পাহৰিলেও, বাইদেৱে মাজে মাজে ফোন কৰি আমাৰ খবৰ-বাতৰি লৈ থাকে। আমি কৃতাৰ্থ হওঁ তেখেতৰ স্নেহৰ সেই আদৰুৱা মাতষাৰত।

"প্ৰকৃত মানুহজন তিনিটা লক্ষণেৰে চিনা যায়- উদ্দেশ্যত উদাৰতা, কাৰ্যসম্পাদনাত মানৱতা আৰু কৃতকাৰ্যতাত আত্মসংযম।"-- প্ৰসিদ্ধ দাৰ্শনিক বিছমাৰ্কৰ এই সোণসেৰীয়া কথাষাৰ প্ৰযোজ্য হয় এইগৰাকী ব্যক্তিৰ ক্ষেত্ৰত। যিগৰাকী ব্যক্তিৰ বিষয়ে আজি মই অকণমান লিখিবলৈ প্ৰয়াস কৰিছোঁ। ড° সুখ বৰুৱা বাইদেউ যি গৰাকী আমাৰ গৌৰৱ, তেখেত এটি অনুষ্ঠান বুলি ক'লেও বঢ়াই কোৱা নহ'ব। জীৱনটোক সমাজলৈ অৰ্পিতা হিচাপে গঢ়ি তোলা বাইদেৱে স্কুলীয়া জীৱনৰ পৰাই সমাজৰ সমস্যাবিলাকৰ সৈতে মুখামুখী হৈ

সমাধানৰ দুহাত প্ৰসাৰিত কৰি দিছে। তেখেতক দেখিলেই অনুভৱ হয় তেখেতে যেন অন্তৰ্দৃষ্টিৰে সকলোবিলাক নিৰীক্ষণ কৰাৰ এক সন্মোহিনী শক্তি কঢ়িয়াই ফুৰে। খোজত দৃঢ়তা, কণ্ঠত গভীৰতা, নেতৃত্ব দিব পৰা এক অদমনীয় শক্তিৰে তেখেত প্ৰোজ্বলিত।

ড° সুখ বৰুৱা বাইদেৱে যি উদ্দেশ্য লৈ আগবাঢ়ে সেই উদ্দেশ্য সম্পূৰ্ণ নোহোৱালৈকে বহি নাথাকে। বাইদেউৰ এই একাগ্ৰতাৰ বাবে তেখেত আজি এগৰাকী সফল ব্যক্তি হিচাপে উজ্বলি উঠিবলৈ সক্ষম হৈছে। বাহ্যিকভাৱে তেখেতক কঠোৰ যেন লাগিলেও তেখেতৰ সান্নিধ্যলৈ অহা ব্যক্তিয়ে অনুভৱ কৰিব পাৰে তেখেত কিমান উদাৰ। তেখেতে উদাৰতাৰে জীৱনৰ প্ৰতিটো পৃষ্ঠা আনৰ আগত মুকলি কৰি দিয়ে কোনো লুকঢাক নকৰাকৈ। অতি স্পষ্টবাদী বাইদেউৰ প্ৰতিটো বাক্যই আমাক সকিয়াই দিয়ে আচলতে আমাৰ জীৱনত সন্মুখীন হোৱা কৰ্তব্যবিলাক দৃঢ়তাৰে কেনেদৰে সম্পাদন কৰিব লাগে। কৰ্তব্যক অৱহেলা কৰিলে বাইদেৱে মনত যথেষ্ট কষ্ট পায়।

ড° সুখ বৰুৱা বাইদেৱে আজিলৈকে যিখিনি সামাজিক কাম কৰি আহিছে সেই সকলোবিলাক কাম মানৱ কল্যাণমুখী। শিক্ষকতাৰ দৰে পবিত্ৰ বৃত্তিত নিয়োজিত হৈ মানৱ সম্পদ গঢ়াৰ লগে লগে সামাজিক বহু অনুষ্ঠানৰ লগত সংস্পৃক্ত হৈ প্ৰতিটো অনুষ্ঠানৰ সৰ্বাংগীন উন্নতিৰ বাবে অহোপুৰুষাৰ্থ কৰিছিল। বিশেষকৈ নাৰী শিক্ষা আৰু নাৰী সবলীকৰণত বাইদেউৰ ভূমিকা উল্লেখনীয়। 'মৰাণ মহিলা মহাবিদ্যালয়', আঞ্চলিক মহিলা মঞ্চ 'সংঘমিত্ৰা', 'সংঘমিত্ৰা জাতীয় বিদ্যালয়' আৰু 'হস্ততাঁত বয়ন শিল্প প্ৰশিক্ষণ কেন্দ্ৰ' বাইদেউৰ মানস সন্তান।

এগৰাকী শিক্ষাবিদ, এগৰাকী সু-সংগঠক, এগৰাকী পত্নী, এগৰাকী মাতৃ, এগৰাকী লেখিকা আৰু এগৰাকী মানৱ দৰদী ব্যক্তি হিচাপে এই সকলো দিশ সামৰি বাইদেউৰ জীৱনত যি সফলতাৰ স্বাক্ষৰ বহন কৰিছে বা যি কৃতিত্ব অৰ্জন কৰিছে, সেই কৃতিত্ব কেইটামান বাক্যৰে আমি বাইদেউৰ জীৱনপঞ্জী হয়তু দাঙি ধৰিব নোৱাৰিম। বাইদেউ যিদৰে এগৰাকী স্থিতপ্ৰজ্ঞা নাৰী, তেনেদৰে এগৰাকী সংবেদনশীল নাৰী। বাইদেৱে সমাজৰ হিতৰ বাবে যিদৰে অসংখ্য সামাজিক অৱদান আগবঢ়াই আহিছে তেনেদৰে বিভিন্ন বিষয়ৰ লেখনিৰে সাহিত্যৰ ভঁৰাল সমৃদ্ধ কৰি তুলিছে। নিৰপেক্ষ, সমভাৱাপন্ন দৃষ্টিৰে চোৱা বাইদেউৰ জীৱনাদৰ্শ সকলোৰে বাবে অনুকৰণীয়। অতি সাধাৰণভাৱে অতিবাহিত কৰা বাইদেউৰ জীৱন সামাজিক স্বীকৃতিৰে উজ্বলি উঠিছে।

এনে এগৰাকী মহিয়যী নাৰীৰ বিয়োগত মৰ্মাহত হৈছোঁ আৰু পৰমেশ্বৰৰ ওচৰত তেখেতৰ আত্মাৰ চিৰশান্তি কামনা কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিলোঁ। ❍

# উৎসৰ্গিত ব্যক্তিসত্তা ঃ ড° সুখ বৰুৱা বাইদেউৰ সান্নিধ্য সুৱাসত

**ড° থুনু কলিতা**

জীৱনৰ বৰ্ণিল যাত্ৰাত বহুলোকৰ সান্নিধ্যলৈ আহিছোঁ। তাৰে কিছুলোকৰ সান্নিধ্যৰ সুৱাস জীৱনজুৰি ব্যাপ্ত হৈ থাকে আৰু প্ৰেৰণাৰ উৎস হৈ পৰে। মই লগ পোৱা যি গৰাকী নাৰীৰ জীৱন দৰ্শনে বহুদিনৰ পৰাই মোৰ মনত এখন সুকীয়া আসন অধিকাৰ কৰি আছে, তেওঁ হৈছে আমাৰ সকলোৰে শ্ৰদ্ধাৰ ড° সুখ বৰুৱা বাইদেউ। একে হৈয়ো যেন তেওঁ বেলেগ, একে হৈয়ো যেন তেওঁ ব্যতিক্ৰমী। ঐতিহ্যমণ্ডিত শিৱসাগৰ জিলাৰ দিচাং নৈৰ পাৰৰ বেতবাৰী বৰকুৰি চেতিয়াগাঁও নামৰ এখন অনুন্নত গাঁৱত জন্ম হৈয়ো অসমৰ আগশাৰীৰ মহিলাসকলৰ ভিতৰত অন্যতম মহিলাৰূপে পৰিগণিত হ'ব পৰাটো তেওঁৰ ব্যক্তিত্বৰ বৈশিষ্ট্য।

সুখ বাইদেউৰ যিকেইটা গুণে মোক বিশেষকৈ প্ৰভাৱিত কৰে সেয়া হৈছে— তেওঁৰ ত্যাগৰ মানসিকতা, মহিলা সবলীকৰণ আৰু স্ত্ৰীশিক্ষাৰ বাবে উৎসৰ্গিত ব্যক্তিসত্তা, লোকসেৱাৰ মনোভাব, পলায়নবাদিতাৰ বিপৰীতে স্পষ্টবাদিতাৰে সমস্যাৰ সন্মুখীন হৈ তাক সমাধা কৰাৰ দক্ষতা, সকলোকে আপোনজনৰ দৰে ভাল-বেয়া দেখুৱাই (খাটাং কথাৰে) হিত পৰামৰ্শ দিব পৰা আন্তৰিকতা, গৱেষণামূলক তত্ত্বগধুৰ সাহিত্য ৰচনা আৰু অনুষ্ঠান পৰিচালনা কৰিব পৰা পাৰদৰ্শিতা।

নিজৰ গাঁৱৰ প্ৰাথমিক বিদ্যালয়তে শিক্ষাৰ পাতনি মেলি, তেওঁ বেতবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ত হাইস্কুলীয়া শিক্ষা আৰম্ভ কৰিছিল। অষ্টমমানত পঢ়ি থাকোঁতেই দায়িত্ব জ্ঞান আৰু সমাজসেৱাৰ পৰিচয় প্ৰকাশ পাইছিল। সেই সময়ত বাৰিষা বোকা-পানীৰে ভৰা এটা জলাশয় সদৃশ ৰাস্তাৰে গাঁৱৰ ল'ৰা-ছোৱালীবোৰ বিদ্যালয়লৈ যাবলগীয়া হৈছিল। তেনেদৰেই সকলোৰে বহু কষ্টৰে অহা-যোৱা কৰিছিল। আনকি কিছুমান অভিভাৱকে তেওঁলোকৰ ছোৱালীক স্কুল এৰুৱাই দিছিল। কিন্তু সুখ বৰুৱাই লগৰ ল'ৰা-ছোৱালীবোৰকো উৎসাহিত কৰি হাতে-কামে লাগি গাঁৱৰ মানুহৰ পৰা বাঁহ-বেত, অলাগতিয়াল তামোল গছ আদি খুজি-মাগি দলং সদৃশ ৰাস্তা বনাই সকলোৰে আনন্দৰে বিদ্যালয়লৈ অহা-যোৱা কৰিছিল। হাইস্কুলীয়া শিক্ষা শেষ কৰি তেওঁ শিৱসাগৰ কলেজৰ পৰা স্নাতক আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ আৰু পিএইচ. ডি ডিগ্ৰী লাভ কৰে।

কিন্তু নিজে উচ্চ ডিগ্ৰী লাভ কৰিয়েই সন্তুষ্ট হোৱা লোক তেওঁ নহয়। তেওঁ ভালকৈয়ে উপলব্ধি কৰিছিল যে এগৰাকী নাৰী ব্যক্তিগতভাৱে সবল হ'বলৈ হ'লে শিক্ষিত আৰু

স্বাৱলম্বী হ’ব লাগে। স্নাতক ডিগ্ৰী পোৱাৰ পিছতে তেওঁ চিন্তা কৰিছিল যে বেতবাৰীৰ দৰে অনুন্নত অঞ্চলটোৰ ছোৱালীবোৰৰ কাৰণে এক শিক্ষা প্ৰতিষ্ঠানৰ বিশেষ প্ৰয়োজন। গতিকে বেতবাৰীত এখন সুকীয়া বালিকা উচ্চ মাধ্যমিক বিদ্যালয় খুলিবৰ কাৰণে নিজে আহ্বায়িকা হৈ এখন সভাৰ আয়োজন কৰিছিল। কৃতী শিক্ষক ডিম্বধৰ দুৰৰীৰ সভাপতিত্বত অনুষ্ঠিত সভাত উপস্থিত সকলো সদস্যই পূৰ্ণ সমৰ্থন আগবঢ়োৱাত ১৯৬৮ চনত বেতবাৰী উচ্চ মাধ্যমিক বালিকা বিদ্যালয় স্থাপন কৰা হ’ল। ৰাইজৰ অনুৰোধত এই বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰীৰ দায়িত্ব ভাৰো গ্ৰহণ কৰিবলগীয়া হয় উদ্যোগী নাৰী সুখ বৰুৱাই। প্ৰধান শিক্ষয়িত্ৰী হিচাপে সকলো দায়িত্ব মূৰ পাতি লৈ তৃণমূল পৰ্যায়ৰ পৰা মাটি আবণ্টন, গৃহনিৰ্মাণ, শিক্ষাদান আদি সকলো দিশত কাম কৰি অশেষ কষ্টৰে বিদ্যালয়খন এখন প্ৰতিষ্ঠিত আদৰ্শ বিদ্যালয়লৈ উন্নীত হোৱাৰ পিছত বিবাহসূত্ৰে তেওঁ মৰাণবাসী হ’বলগীয়া হোৱাত সেইখন বিদ্যালয়ৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষয়িত্ৰীৰ পদটো ইস্তফা দি মৰাণ বালিকা বিদ্যালয়ত সহঃ শিক্ষয়িত্ৰী ৰূপে যোগদান কৰে। এই বিদ্যালয়তো তেওঁ অনুষ্ঠানটি গতিশীল কৰি তোলাত অগ্ৰণী ভূমিকা পালন কৰে।

কিন্তু ইমানতে ক্ষান্ত নাথাকিল ড° সুখ বৰুৱা। বালিকা বিদ্যালয়ত কৰ্মৰত হৈ থাকোঁতেই নাৰীশিক্ষাৰ প্ৰতি থকা দুৰ্বাৰ হেঁপাহৰ বাবে তেওঁ চিন্তা কৰিছিল মৰাণত ছোৱালী মহাবিদ্যালয় এখন প্ৰতিষ্ঠা কৰাৰ কথা। চিন্তা কৰা মতেই কাম আগবাঢ়িল। শেষত মৰাণ কলেজৰ অধ্যাপক ড° প্ৰদীপ হাজৰিকা, ড° কমলা বৰগোহাঁই আৰু তেওঁৰ স্বামী বিনন্দ বৰুৱাকে প্ৰমুখ্য কৰি ৰাইজৰ উৎসাহ-উদ্দীপনাত ১৯৯২ চনৰ ৮ জুলাই তাৰিখে মৰাণৰ মাজমজিয়াত ‘মৰাণ মহিলা মহাবিদ্যালয়’ নামৰ নাৰীৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান এটাৰ জন্ম হ’ল। ইয়াতো ৰাইজে প্ৰতিষ্ঠাপক অধ্যক্ষৰ আসনত তেওঁকে বহুৱালে।

এই ক্ষেত্ৰতো ড° সুখ বৰুৱাৰ ত্যাগ অতুলনীয়। কাৰণ মৰাণ বালিকা বিদ্যালয়ত কৰা চৰকাৰী চাকৰিটোত প্ৰতি মাহে পোৱা দৰমহাকো তুচ্ছ জ্ঞান কৰি তেওঁ বিনাবেতনে নতুন মহাবিদ্যালয় এখন গঢ়াৰ দৰে কষ্টকৰ কামটো হাতত লৈ চৰকাৰী চাকৰি ইস্তফা দিলে। এনে কাম সকলোৰে কৰিব নোৱাৰে, এয়া তেওঁৰ মহানতাৰ চিন।

তাৰ পিছত আৰম্ভ হৈছিল মহাবিদ্যালয়খনৰ প্ৰাৰম্ভিক কাম-কাজ— মাটি আবণ্টনৰ দৰে জটিল পদ্ধতি, মাহমৰা ৰাজহ চক্ৰৰ পৰা আৰম্ভ কৰি চৰাইদেউ মহকুমাৰ কাৰ্যালয়, শিৱসাগৰ উপায়ুক্তৰ কাৰ্যালয়, গুৱাহাটীৰ অসম চৰকাৰৰ ৰাজহ বিভাগকে ধৰি বিভিন্ন বিভাগৰ বিষয়ববীয়াসকলক অনুৰোধ জনাই শেষত মাহমৰা ৰাজহ চক্ৰৰ অধীনত জলাশয় সদৃশ ১০ বিঘা মাটিৰ আবণ্টন আদায় কৰে। তাৰ পিছত গৃহ নিৰ্মাণৰ দৰে কঠিন ব্যয়বহুল কাম, লগতে শিক্ষাৰ্থী আৰু শিক্ষক-শিক্ষয়িত্ৰী বিচৰা আছেই। শূন্যৰ পৰা আৰম্ভ কৰি মহাবিদ্যালয় এখন গঠন কৰা সহজ কাম নহয়। কিন্তু নাৰী শিক্ষাৰ উত্তৰণৰ কামত নিজকে নিস্বাৰ্থভাৱে উছৰ্গা কৰি একনিষ্ঠভাৱে তেওঁ এই কাম সম্ভৱ কৰি তুলিলে। এইদৰে ড° সুখ বৰুৱাই চৰকাৰী চাকৰি ইস্তফা দি চৰম ত্যাগ স্বীকাৰ কৰাৰ লগে লগে সুদীৰ্ঘ ২১ বছৰ কাল জীৱনৰ আটাইতকৈ মূল্যবান সৃষ্টিশীল কৰ্মৰ সময়খিনি

মাথোন মহাবিদ্যালয়খনৰ উন্নতিৰ বাবে পাৰ কৰি বিৰল ত্যাগৰ আদৰ্শ দেখুৱালে। তাতোকৈ ডাঙৰ কথা এই যে তেওঁৰ অহোপুৰুষাৰ্থত মহাবিদ্যালয়খন চৰকাৰীকৰণ হোৱাৰ দিনাই তেওঁ অৱসৰ ল'লে এক বিৰাট সাফল্যৰ আত্মতুষ্টিৰে।

তেওঁৰ ত্যাগৰ আন দুটামান উদাহৰণ এনে ধৰণৰ— সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ বহুতৰে লোভনীয় সভানেত্ৰীৰ পদটো প্ৰথমবাৰ নাম প্ৰস্তাব হোৱাৰ পিছতো তেওঁ স্বইচ্ছাৰে ত্যাগ কৰি নিজে আন এগৰাকীৰ নাম প্ৰস্তাৱ কৰিছিল। পিছৰ কাৰ্যাকালতহে (২০১৪-১৬) তেওঁ সভানেত্ৰীৰ পদ গ্ৰহণ কৰিছিল। (এনে উদাহৰণ বিৰল। বৰং উপযুক্ত জ্যেষ্ঠসকলক পিছলৈ ঠেলি আগবাঢ়ি যোৱাৰ মানসিকতাহে আজিকালি প্ৰবল হোৱা দেখা যায়) তদুপৰি সাহিত্য অকাডেমিৰ সদস্যৰ দৰে এটা সম্ভাব্য সুযোগো তেওঁ অগ্ৰাহ্য কৰি প্ৰ-পত্ৰ পূৰণ কৰাৰ পৰা বিৰত থাকে ইচ্ছুক আন এগৰাকী সতীৰ্থৰ বাবে। এয়া আজিৰ যুগত কম কথা নহয়। এনে ত্যাগ তুলনাবিহীন। যি কোনো ত্যাগৰ বিমল আনন্দ মই মাথোন সুখ বাইদেউক লগ পোৱাৰ পিছতহে উপলব্ধি কৰিব পাৰিছোঁ।

পৰৱৰ্তী সময়ত দুখীয়া ল'ৰা-ছোৱালীয়ে কম মাচুল দি যাতে অসমীয়া ভাষাৰ মাধ্যমেদি উচিত শিক্ষা আহৰণ কৰিব পাৰে তাৰ বাবে তেওঁ প্ৰতিষ্ঠা কৰিছিল সংঘমিত্ৰা জাতীয় বিদ্যালয় নামৰ আন এখন বিদ্যালয়।

এইদৰে ড° সুখ বৰুৱাই প্ৰাথমিক, মাধ্যমিক আৰু মহাবিদ্যালয়লৈকে তিনিটা স্তৰৰ তিনিখন শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কৰি অকল মৰাণতে নহয় অসমৰ শিক্ষাজগততো বিৰল অভিলেখ সৃষ্টি কৰিলে।

নাৰী সবলীকৰণৰ ধাৰণা কিছু পৰিমাণে নতুন। কিন্তু ড° সুখ বৰুৱা বাইদেৱে তেওঁ নিজে পঢ়ি থকা কালতে উপলব্ধি কৰিছিল যে শিক্ষা আৰু স্বাৱলম্বিতাহে ব্যক্তিগতভাৱে এগৰাকী নাৰী সুস্থ-সবল হোৱাৰ ঘাই উপাদান। সেয়েহে ১৯৯২ চনৰ ৮ নৱেম্বৰ তাৰিখে মৰাণৰ এটা বৃহৎ অঞ্চলৰ নাৰীক সামৰি সৃষ্টিশীল কৰ্মৰ মাজেদি নিজ নিজ প্ৰতিভা বিকাশৰ লগতে অৰ্থনৈতিকভাৱে স্বাবলম্বী হ'বলৈ তেওঁ গঢ়ি তুলিলে আঞ্চলিক মহিলা মঞ্চ— 'সংঘমিত্ৰা'। তেওঁ অনুষ্ঠানটিৰ প্ৰতিষ্ঠাপক প্ৰধান সম্পাদিকাৰ দায়িত্ব লৈ অনুষ্ঠানটো আগবঢ়াই নিয়াৰ লগতে প্ৰতিষ্ঠা কৰিলে— 'সংঘমিত্ৰা-বয়ন শিল্প কেন্দ্ৰ।' পৰৱৰ্তী কালত মহিলাসকল ইয়াৰ দ্বাৰা বিশেষভাৱে উপকৃত হয়।

সমাজ সেৱা আৰু জনহিতকৰ কামত ড° সুখ বৰুৱা সদা সচেতন। এসময়ত মৰাণৰ পৰা ৰে'ল লাইনটো উঠাই দিয়াৰ ষড়যন্ত্ৰ চলিছিল। সুখ বৰুৱাই তৎক্ষণাত 'সংঘমিত্ৰাৰ' প্ৰায় ২০০ গৰাকী স্থানীয় মহিলাৰ স্বাক্ষৰ সহ আবেদন পত্ৰ লৈ দিল্লী পালেগৈ। সেই সময়ৰ ডিব্ৰুগড়ৰৰ সাংসদ আৰু কেন্দ্ৰীয় মন্ত্ৰী পৱন সিং ঘাটোৱাৰ আৰু সাংসদ বিজয় কৃষ্ণ সন্দিকৈ দুয়োৰে স্বাক্ষৰ সম্বলিত অনুমোদিত পত্ৰ আৰু ২০০ গৰাকী মহিলাৰ দ্বাৰা স্বাক্ষৰিত আৱেদন পত্ৰ সেই সময়ৰ কেন্দ্ৰীয় ৰে'ল মন্ত্ৰী জফৰ চৰিফ ডাঙৰীয়াক দি বিষয়টো বিবেচনা কৰিবলৈ অনুৰোধ জনালে। ইয়াৰ ফলত কিছুদিনৰ পিছতে কেন্দ্ৰীয় ৰে'ল মন্ত্ৰীৰ কাৰ্যালয়ৰ পৰা ৰে'ল লাইনটো উঠাই নিয়াৰ পৰিৱৰ্তে ৰে'ল পথটো ব্ৰডগজলৈ সম্প্ৰসাৰিত কৰাৰ খবৰ আহিল। মৰাণৰ ৰাইজে তেতিয়াৰ পৰাই এই সুবিধা উপভোগ কৰি আহিছে। এই কাৰ্য তেওঁৰ অন্যতম সাফল্য বুলি

চিৰদিন স্মৰণীয় হৈ ৰ'ব।

ড° সুখ বৰুৱাৰ সমাজ সেৱাৰ আন এক নিদৰ্শন এনে ধৰণৰ— দেশৰ বিভিন্ন ঠাইত হৈ থকাৰ দৰে সেই সময়ত মৰাণৰ বিভিন্ন অঞ্চলতো নাৰী নিৰ্যাতন, অত্যাচাৰ, ঘৰুৱা কন্দল আদিয়ে পাৰিবাৰিক আৰু সামাজিক পৰিৱেশ বিনষ্ট কৰি তুলিছিল। দূৰদৰ্শী আৰু মানৱদৰদী ড° সুখ বৰুৱাই সমাজৰ বাবে এয়া শুভ লক্ষণ নহয় বুলি জানি কলিতে তাক মষিমূৰ কৰি পৰিয়ালবোৰত সুস্থিৰ বাতাৱৰণ সৃষ্টি কৰাৰ চিন্তা কৰিলে। লগে লগে তেওঁ সংঘমিত্ৰাৰ সহযোগত আলোচনাৰ মাধ্যমেৰে সমস্যা সমাধানৰ চেষ্টা চলালে। তেওঁৰ নেতৃত্বত অহৰহ কৰি থকা সমূহীয়া চেষ্টাৰ ফলত এই কাৰ্যতো তেওঁ সফল হ'ল।

ইয়াৰ বাহিৰেও আদৰ্শ গৃহিণী ৰূপে স্বামী আৰু তিনিটা সন্তানসহ ঘৰুৱা কৰ্তব্য, মহাবিদ্যালয়ৰ শিক্ষাদান আৰু প্ৰশাসনিক দায়িত্ব আৰু সমাজসেৱাৰ কামৰ লগতে তেওঁৰ সৃষ্টিশীল মনে লিখি উলিয়াইছে এখনি তত্ত্বগধুৰ গৱেষণামূলক গ্ৰন্থৰ লগতে আন কেইবাখনো মৌলিক গ্ৰন্থ।

ড° সুখ বৰুৱাই সদায় নতুন চিন্তা কৰে। তেওঁৰ মন আধুনিক আৰু উদাৰ। তেওঁ মানুহৰ গুণসমূহৰ বিকাশ বিচাৰে, উৎসাহ আৰু প্ৰেৰণা দিয়ে, পিছলৈ ঠেলি নিদি হাতত ধৰি আগুৱাই আনে। তেওঁৰ প্ৰচেষ্টাতে মৰাণ শাখা লেখিকা সমাৰোহ সমিতি ঠন ধৰি উঠিছে। সেই অঞ্চলৰ বহু মহিলাই হাতত কলম তুলি লৈ লেখিকা হিচাপে আত্মপ্ৰকাশ কৰিছে। সদৌ অসম লেখিকা সমাৰোহ সমিতিও তেওঁৰ সভানেত্ৰিত্বত অধিক প্ৰাণৱন্ত হৈ উঠিল।

সুখৰ খবৰ যে গুণীৰ গুণ বুজি তেওঁক অসম চৰকাৰ আৰু বহু অনুষ্ঠান-প্ৰতিষ্ঠানে বঁটা-বাহন, সম্বৰ্ধনা আদিৰে বিভিন্ন সময়ত সন্মান জনাই তেওঁৰ কামৰ ৰাজহুৱাভাৱে অথবা আনুষ্ঠানিকভাৱে স্বীকৃতি প্ৰদান কৰিছে।

২০১৩ চনত ২৩ জুন তাৰিখে মৰাণ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত মৰাণ আঞ্চলিক মহিলা মঞ্চ, মৰাণ শাখা লেখিকা সমাৰোহ সমিতি আৰু মৰাণ মহিলা কৰ্মচাৰী পৰিষদৰ যৌথ উদ্যোগত অনুষ্ঠিত হোৱা ৰাজহুৱা সভাত মৰাণ অঞ্চলৰ ৰাইজৰ লগতে বিভিন্ন সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰায় ১০০০ লোকৰে লোকাৰণ্য অনুষ্ঠানত তেওঁক সম্বৰ্ধনা জনোৱাৰ লগতে সদৌ অসম লেখিকা সমাৰোহ সমিতিয়ে 'মৰাণ কুঁৱৰী' উপাধি প্ৰদান কৰে।

এই গৰাকী নিস্বাৰ্থ ত্যাগী, মানৱদৰদী, বিদুষী আৰু সবল ব্যক্তিত্বৰ গৰাকী ড° সুখ বৰুৱা বাইদেউ আমাৰ সকলোৰে প্ৰেৰণা আৰু আদৰ্শ।

এনে এগৰাকী মহিয়যী নাৰীৰ বিয়োগত মৰ্মাহত হৈছোঁ আৰু পৰমেশ্বৰৰ ওচৰত তেখেতৰ আত্মাৰ চিৰশান্তি কামনা কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিলোঁ। ●

# কৰ্মযোগী ড° সুখ বৰুৱা বাইদেউ

**ড° ভানুপ্ৰভা শইকীয়া**

মৰাণৰ এগৰাকী সাহসী মহিলা, কৰ্মযোগী সুখ বৰুৱা বাইদেউ। মৰাণত মৰাণ বালিকা বিদ্যালয়ত শিক্ষকতাৰে চাকৰি জীৱন আৰম্ভ কৰা বাইদেউ আমাৰ মহিলা সমাজৰ বাবে এক আদৰ্শ। জীৱনত উন্নতি কৰিবলৈ হ'লে মানুহৰ মনত উচ্চ আকাংক্ষা থকাটো অতি প্ৰয়োজন, বাইদেউ তেনে এগৰাকী কঠোৰ পৰিশ্ৰমী মহিলা যি জীৱনত সদায় আগবাঢ়ি যোৱাৰ সপোন দেখিছিল। তেওঁ সমাজত কাম কৰি যোৱাৰ সপোন ৰচিছিল। বিদ্যালয়ত শিক্ষকতা কৰি থাকোতেই তেখেতে চিন্তা কৰিলে জীৱনত কৰিব লগা কাম বহুতো আছে। কিন্তু তাৰ বাবে প্ৰথমে নিজকে উপযুক্ত কৰিব লাগিব। সেইবাবেই হয়তো এদিন বিশ্ববিদ্যালয়ত স্নাতকোত্তৰ শ্ৰেণীত তেখেত ভৰ্তি হৈ সুখ্যাতিৰে ডিগ্ৰী গ্ৰহণ কৰিবলৈ সক্ষম হয়। এই ক্ষেত্ৰত সুখ বৰুৱা বাইদেউক ভাগ্যবান নাৰী বুলি ক'বলৈ মন গৈছে। অক্লান্ত পৰিশ্ৰম আৰু ধৈৰ্য্যৰ ফলাফল হিচাপে লাভ কৰিলে ডক্টৰেট ডিগ্ৰী। ইয়াৰ পিছতেই বাইদেউৰ কৰ্মজীৱনৰ পৰিৱৰ্তন ঘটিল।

মৰাণত আমাৰ আন এখন আপোন ঘৰ ড° সুখ বৰুৱা বাইদেউৰ ঘৰখন। তাতেই লগ পাইছিলো মৰাণৰ গণ্য মান্য ব্যক্তিসকলক। বাইদেৱে ঘৰখন বৰ সুন্দৰকৈ সজাই ৰাখে তেতিয়াৰে পৰা। বাইদেৱে ঘৰলৈ অহা কোনো অতিথিক আপ্যায়ন নকৰাকৈ সাধাৰণতে নপঠায়। বিভিন্ন অনুষ্ঠানৰ লগত জড়িত হৈ থকা বাবে বাইদেৱে পুৱাৰ পৰা ৰাতিলৈকে ব্যস্ততাৰ মাজেৰে দিনবোৰ পাৰ কৰা আমি দেখি আহিছিলো।

সকলো মানুহে সুস্থ চিন্তাৰে যিকোনো কামত আগবাঢ়িলে এদিন কৃতকাৰ্য হ'ব পাৰে। বাইদেউৰ ক্ষেত্ৰত সেয়াই হ'ল। মৰাণৰ ৰাইজৰ সহযোগত আৰু বহুকেইজন গুণী-জ্ঞানী লোকৰ সুদিহা-পৰামৰ্শৰে কঠোৰ পৰিশ্ৰমী, সাহসী বাইদেৱে এদিন (১৯৯২ চনত) মৰাণ মহিলা মহাবিদ্যালয় স্থাপন কৰিবলৈ সক্ষম হ'ল। মহাবিদ্যালয়খনিৰ অধ্যক্ষৰ দৰে গুৰুদায়িত্ব শিৰত লৈ ড° সুখ বৰুৱা বাইদেৱে মৰাণৰ শিক্ষাৰ ক্ষেত্ৰখনক আৰু এটা খোজ আগুৱাই লৈ গ'ল। মৰাণত এক নতুন দিশৰ সূচনা হ'ল। মহিলাসকলৰ মনত অপাৰ আনন্দ। স্কুলীয়া শিক্ষা সাং কৰি উচ্চ শিক্ষাৰ পৰা বঞ্চিত মহিলাসকলেও আহি ইয়াত অধ্যয়ন কৰিবলৈ সুবিধা পালে। লাহে লাহে প্ৰতি বছৰে ছাত্ৰীৰ সংখ্যা বৃদ্ধি পালে। সেই অনুপাতে শিক্ষকৰ সংখ্যাও বৃদ্ধি হ'ল। লগে লগে প্ৰয়োজন হোৱা অৰ্থৰ বাবে বাইদেৱে বহুতো পৰিকল্পনা হাতত ল'ব লগা হ'ল। সময়ে সময়ে মৰাণৰ ৰাইজৰ পৰা অথবা অন্য উৎসৰ পৰা প্ৰয়োজনীয় টকা, বস্তু সংগ্ৰহ কৰি কৰি এদিন বাইদেৱে মহাবিদ্যালয়খনি চালে চকুৰোৱা অৱস্থালৈ উন্নীত কৰিবলৈ সক্ষম হ'ল। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনৰ স্নাতক পাঠ্যক্ৰম আৰু অসম উচ্চতৰ

মাধ্যমিক শিক্ষা সংসদৰ দ্বাৰা পৰিচালিত উচ্চতৰ মাধ্যমিকৰ শ্ৰেণীসমূহেৰে মৰাণ মহিলা মহাবিদ্যালয়ে ক্ৰমে বাইদেউ অধ্যক্ষতাত গৌৰৱপূৰ্ণ বৰ্ষবোৰ লাহে লাহে অতিক্ৰম কৰে। ২০১৩ চনলৈকে অধ্যক্ষাৰ দায়িত্বত থাকি নিজৰ সন্তানৰ দৰে লালন-পালন কৰি মৰাণ মহিলা মহাবিদ্যালয়ক সুন্দৰ আৰু সুস্থ পৰিৱেশ প্ৰদান কৰিবলৈ সক্ষম হয়।

মহিলাসকলক কেৱল শিক্ষিত কৰাই নহয় তেখেতে অধ্যক্ষৰ দায়িত্ব বহন কৰি থকা সময়তে সমাজৰ বিভিন্ন শ্ৰেণীৰ মহিলাসকলক এক গোট কৰি তেওঁলোকৰ সৰ্বাঙ্গীন উন্নতিৰ হকে চিন্তা কৰি "সংঘমিত্ৰা" নামৰ অনুষ্ঠানটি আৰম্ভ কৰে। ড° সুখ বৰুৱা বাইদেউৰ নেতৃত্বত 'সংঘমিত্ৰা'ৰ সমূহ সদস্যাই লগ লাগি সময়ে সময়ে বহুতো সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰি আহিছে লগতে নিবনুৱা মহিলাসকলৰ মাজত কৰ্ম সংস্কৃতি গঢ়ি তোলাৰ প্ৰয়াস কৰি সংঘমিত্ৰা হস্ততাঁত কেন্দ্ৰ স্থাপন কৰে। তেওঁলোকে প্ৰতিষ্ঠা কৰে সংঘমিত্ৰা জাতীয় বিদ্যালয়। ড° সুখ বৰুৱা বাইদেৱে সদায় নতুন নতুন কাম কৰি এনেকৈ সমাজলৈ অৱদান আগবঢ়াই আহিছে। বাইদেউৰ জীৱনৰ অন্য এটা উল্লেখনীয় গুণ হৈছে সাংগঠনিক ক্ষমতা। বিভিন্ন অনুষ্ঠানৰ লগত জড়িত হৈ থকা বাইদেৱে সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰীৰ দৰে এটি সন্মানীয় তথা দায়িত্বপূৰ্ণ পদবীতো কাৰ্যনিৰ্বাহ কৰিবলৈ নিৰ্ব্বাচিত হয় (২০১৪-১৬ চনত)।

মৰাণ মহিলা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ ড° সুখ বৰুৱা বাইদেউ মৰাণ মহাবিদ্যালয়ৰ লগত পৰোক্ষ ভাৱে এগৰাকী শুভাকাংক্ষী হিচাপে বহু বছৰৰ আগৰে পৰা জড়িত হৈ আহিছে। মহাবিদ্যালয়ৰ বিভিন্ন অনুষ্ঠানত বাইদেউ আহি সহযোগিতা আগবঢ়োৱা আমি দেখি আহিছো। বাইদেৱে আমাৰ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভানেত্ৰী হিচাপে দায়িত্ব বহন কৰি এতিয়াও একেই পদবীতে আছে।

এনে এগৰাকী মহিয়যী নাৰীৰ বিয়োগত মৰ্মাহত হৈছোঁ আৰু পৰমেশ্বৰৰ ওচৰত তেখেতৰ আত্মাৰ চিৰশান্তি কামনা কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিলোঁ।

# ড° সুখ বৰুৱা বাইদেউ আৰু মৰাণ মহিলা মহাবিদ্যালয় সম্পৰ্কে কিছু অনুভৱ

**ড° যতীন চুতীয়া**

মৰাণ অঞ্চলৰ নাৰীৰ উচ্চ শিক্ষাৰ শিক্ষানুষ্ঠান মৰাণ মহিলা মহাবিদ্যালয়। এই মহাবিদ্যালয়ৰ লগত সংপৃক্ত হৈ আছে এগৰাকী সকলোৰে প্ৰিয় পৰিচিত ভদ্ৰ মহিলা ড° সুখ বৰুৱা। যাৰ বাবে মৰাণ অঞ্চলৰ শিক্ষাৰ ক্ষেত্ৰত এক অভূতপূৰ্ব বৰঙণি আৰু ভূমিকাৰ কথা মনলৈ আহে। মহাবিদ্যালয়খনৰ নামটো মনলৈ অহাৰ লগে লগে ইয়াৰ জন্মলগ্নৰ কিছু দৃশ্য মানসপটত ভাঁহি আহে। বাইদেউৰ লগত পূৰ্বতে সান্নিধ্য আছিল যদিও মহাবিদ্যালয়খনৰ স্থাপনৰ প্ৰস্তুতি পৰ্বৰ পৰা কেনেকৈ বান্ধ খালো তাৰে এটি চমু আভাস দিবলৈ প্ৰয়াস কৰিলো।

ডিব্ৰুগড় আৰু শিৱসাগৰ জিলাৰ সীমামূৰীয়া (বৰ্তমান চৰাইদেউ) অঞ্চলৰ মৰাণ এখন অসমৰ মানচিত্ৰত সেউজীয়া চাহপাত আৰু পনীয়া সোণৰ বাবে পৰিচিত নাম। কিন্তু উচ্চ শিক্ষাৰ ক্ষেত্ৰত এই অঞ্চলত ১৯৬৪ চনতে প্ৰতিষ্ঠা হোৱা মৰাণ মহাবিদ্যালয় একমাত্ৰ শিক্ষানুষ্ঠান আছিল। মৰাণৰ পৰা ৪১ কিঃমিঃ নিলগত(শিৱসাগৰ) জয়সাগৰ কলেজ আৰু ৪০ কিঃ মিঃ দূৰত ডিব্ৰুগড়ত কানৈ কলেজৰ (DHSK) বাদে অঞ্চলটোত অন্য কোনো উচ্চ শিক্ষানুষ্ঠান নাছিল। স্মৰ্তব্য যে মৰাণ মহাবিদ্যালয়খন প্ৰতিষ্ঠাৰ সময়ত নামভৰ্তিৰ বাবে ছাত্ৰ-ছাত্ৰীক অঞ্চলটোৰ গাঁৱে গাঁৱে বিচাৰি উদোক্তাসকলে হাবাথুৰি খাব লগা হৈছিল। সেই সময়ত অঞ্চলটোৰ ৰাস্তা-পদূলি বা যাতায়ত ব্যৱস্থা একেবাৰে বেয়া আছিল। ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰিলেও ইংৰাজৰ কঠোৰ কুশাসনৰ প্ৰভাৱে বহুদিনলৈকে জনসাধাৰণ শৈক্ষিক, আৰ্থসামাজিক তথা সকলোদিশতে পিছ পৰি আছিল। মৰাণ কলেজৰ প্ৰতিষ্ঠাপক সভাপতি দুৰ্গেশ্বৰ শইকীয়া (গড়কাপ্তানী মন্ত্ৰী), প্ৰতিষ্ঠাপক সম্পাদক বিধায়ক তৰুণ চুতীয়া, প্ৰতিষ্ঠাপক অধ্যক্ষ ঘন গগৈ, প্ৰতিষ্ঠাপক উপাধ্যক্ষ পিছলৈ অধ্যক্ষ অৰুণ কুমাৰ শইকীয়া আৰু পৰিচালনা সমিতিৰ স্বনামধন্য বিষয়ববীয়া সকলৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই অঞ্চলটোৰ ৰাইজে উচ্চ শিক্ষানুষ্ঠানটিলৈ ল'ৰা-ছোৱালীক শিক্ষা গ্ৰহণৰ বাবে পঠাবলৈ ধৰিলে। ক্ৰমাগত ভাৱে ল'ৰা-ছোৱালী সংখ্যা বাঢ়িবলৈ ধৰিলে। এটা সুন্দৰ গতিত বৰ শান্তিপূৰ্ণভাৱে শিক্ষানুষ্ঠানটিয়ে শিক্ষা ক্ষেত্ৰখন সবলৰূপত আগবঢ়াই নিছিল। কিন্তু ১৯৮৫ চনৰ পৰা ক্ৰমান্বয়ে নামভৰ্তিৰ সময়ত সৃষ্টি হোৱা এটি সমস্যা হ'ল শিক্ষানুষ্ঠানটিয়ে ছাত্ৰ-ছাত্ৰীক নামভৰ্তিৰ বাবে আসন দিব নোৱাৰা হ'ল। বিশেষকৈ উচ্চতৰ মাধ্যমিক শাখাত আসন দিব নোৱাৰা বাবে ছাত্ৰ-ছাত্ৰী, অভিভাৱকসকল বিমূৰত পৰিল। মৰাণ মহাবিদ্যালয়ৰ কৰ্তপক্ষ, অধ্যাপক-অধ্যাপিকা তথা পৰিয়ালবৰ্গই বিষয়টোৰ বিকল্প ব্যৱস্থা বিচাৰিলে।

কিন্তু কোনেও কাৰ্যত আগবাঢ়িব নোৱাৰিলে। এই চিন্তাই মহাবিদ্যালয়ৰ চৌপাশে আলোড়িত কৰিলে। এই চিন্তাৰ ঢৌ তৰঙ্গই মৰাণ বালিকা বিদ্যালয়ৰ শিক্ষয়িত্ৰী সুখ বৰুৱাৰ মনত বাৰুকৈয়ে থিতাপি ললে। তেখেতে এই সমস্যাটোৰ সূত্ৰ বিচাৰি পালে। ভবা কথাবোৰ নিজৰ স্বামী বিনন্দ বৰুৱা, অধ্যাপক ড° প্ৰদীপ হাজৰিকা, ড° কমলা বৰগোহাঁইকে প্ৰমুখ্যে কৰি মৰাণ মহাবিদ্যালয়ৰ অধ্যক্ষ অৰুণ কুমাৰ শইকীয়া উপাধ্যক্ষ পিছলৈ অধ্যক্ষ তৰুণ গোহাঁই আৰু অধ্যাপক-অধ্যাপিকা মণ্ডলীক বিষয়টি ভাঙি-পাতি কলে আৰু সকলোৰে সৰ্মথন দিয়াত সুখ বাইদেউ অতিশয় উৎসাহিত হল। কেন্দ্ৰীয় মন্ত্ৰী পৱন সিং ঘাটোৱাৰ, বিধায়ক প্ৰয়াত লক্ষীপ্ৰসাদ বৰগোহাঁই, বিধায়ক জয়চন্দ্ৰ নাগবংশীকে আদি বহুজনৰ পৰা দিহা-পৰামৰ্শৰে তেখেতক অনুপ্ৰাণিত কৰিলে আৰু এখন আহ্বায়ক সমিতি গঠন কৰিলে। সমিতিখনৰ বিষয়ববীয়াসকলৰ নাম উল্লেখ কৰা হ'ল। প্ৰয়াত অৰুণ কুমাৰ শইকীয়া, কণক শৰ্মা, চুচনৰঞ্জন চুতীয়ানায়ক, তোলন গগৈ, সাগৰ দাস, উপেন শৰ্মা, ৰামকুমাৰ আগৰৱালা, তোলন গগৈ, ৰোহিনী কুমাৰ গগৈ, গোলোক গোহাঁই, তৰুণ গোহাঁই, উমেশ ঘোষ, কণক নেওগ, চুজাউদ্দিন আহমেদ, অতুল গগৈ, দ্বিজেন গোহাঁই, ড° গিৰিন ফুকন, হাদি মুস্তাক হুছেইন, অনন্ত শইকীয়া, ভদ্ৰ চেতিয়া, ড° কমলা বৰগোহাঁই, ড° প্ৰদীপ হাজৰিকা, ড° অনিল শইকীয়া, ডাঃ প্ৰতাপ শৰ্মা, হেম বৰা, সুন্দৰ বুঢ়াগোহাঁই, মহেন শইকীয়া, সুখ বৰুৱা, নয়নতৰা বৰগোহাঁই, প্ৰবীন বৰপাত্ৰ গোহাঁই, অঞ্জলী গগৈ, মাধৱী ডেকা, পাৰুল দেবী, দণ্ডী বুঢ়াগোহাঁই আৰু এই প্ৰবন্ধৰ লেখৰ নামো তালিকাত ৰাখিছে।

উল্লেখ যে মৰাণ মহাবিদ্যালয় স্থাপনৰ সময়ত মৰাণ চাহ মজদুৰ ভৱনতে শুভাৰম্ভ কৰি কাৰ্যালয়ৰ কাম-কাজবোৰ কৰিছিল। ঠিক তেনেকৈ ১৯৯২ চনৰ ৮ জুলাই আবেলি ৩ বজাত এখন ৰাজহুৱা সভা আহ্বায়ক মণ্ডলীয়ে এই চাহ মজদুৰ ভৱনতে আহ্বান কৰিছিল। সভাৰ দিনা আমি সুখ বৰুৱা বাইদেউ, ড° কমলা বৰগোহাঁই, ড° প্ৰদীপ হাজৰিকা অতি আগ্ৰহেৰে আৰু উৎকণ্ঠাৰে অপেক্ষা কৰিছিলো। সভালৈ অহা বক্তিসকলক সামান্য এখন তামোল-পানেৰে আপ্যায়ন কৰা মানসেৰে যা-যোগাৰ কৰি বাইদেউৰ গৃহত থাকোতে আমালৈ খবৰ আহিল যে মানুহ গোট খালে আমি খৰখেদাকৈ যাব লাগে। আহবায়ক মণ্ডলীৰ অন্যতম সদস্য ক্ৰমে ড° কমলা বৰগোহাঁইৰ প্ৰস্তাৱ আৰু ড° অনিল শইকীয়াৰ সমৰ্থন অনুসৰি মাহমৰা সমষ্টিৰ বিধায়ক লক্ষীপ্ৰসাদ বৰগোহাঁইদেৰে ৰাজহুৱা সভাখন সঞ্চালনা কৰিছিল আৰু ড° প্ৰদীপ হাজৰিকাই উদ্দেশ্য ব্যাখ্যা কৰিছিল। সভাত মুখ্য অতিথিৰ আসন অলংকিত কৰি বিধায়ক জয়চন্দ্ৰ নাগবংশীয়ে মহাবিদ্যালয়খন স্থাপনত সকলোকে শলাগ জ্ঞাপন কৰি সহযোগিতা আগবঢ়াম বুলি প্ৰতিশ্ৰুতি দিছিল। উপস্থিত থকা সকলে পৰাৰ্মশ আগবঢ়াইছিল। বক্তব্য আগবঢ়োৱাসকলৰ ভিতৰত আছিল যথাক্ৰমে প্ৰয়াত অৰুণ কুমাৰ শইকীয়া, মিলাৰাম চুতীয়া, খগেন দিহিঙ্গীয়া, কনক নেওগ, অমিয় গোহাঁই, তোলন চন্দ্ৰ গগৈ, গোলোক গোহাঁই, লোহিত চেতিয়া, সুন্দৰ বুঢ়াগোহাঁই, যোগানন্দ গগৈ, দণ্ডী বুঢ়াগোহাঁই, ৰেণু গগৈ আদি। আলোচনাৰ শেষত ছোৱালীসকলৰ বাবে মহাবিদ্যালয়খনৰ নাম ৰখা হ'ল মহিলা মহাবিদ্যালয়। জ্যেষ্ঠ অধ্যাপক প্ৰয়াত মিলাৰাম চুতীয়াই "মৰাণ মহিলা মহাবিদ্যালয়" হ'ব লাগে বুলি কৰা প্ৰস্তাৱক প্ৰয়াত শিক্ষক কনক নেওগৰ সমৰ্থনত উপস্থিত ৰাইজৰ বিপুল সঁহাৰি আৰু হৰ্যধ্বনিৰে মাজত জন্ম লাভ কৰিলে "মৰাণ মহিলা

মহাবিদ্যালয়”। প্ৰযোজন হ'ল সবল নেতৃত্ব দিব পৰা এগৰাকী অধ্যক্ষাৰ। মৰাণ মহাবিদ্যালয়ৰ অধ্যক্ষ প্ৰয়াত অৰুণ কুমাৰ শইকীয়াদেৱে মৰাণ বালিকা বিদ্যালয়ৰ শিক্ষয়িত্ৰী সুখ বৰুৱাৰ নামটো প্ৰস্তাৱ কৰিলে আৰু বিধায়ক প্ৰয়াত জয়চন্দ্ৰ নাগবংশীয়ে সমৰ্থন কৰিলে। সভাই সৰ্বসন্মতিক্ৰমে শিক্ষয়িত্ৰী সুখ বৰুৱাকে প্ৰস্তাৱিত মৰাণ মহিলা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষা হিচাবে গ্ৰহণ কৰিলে। তদুপৰি সভাই এখন পৰিচালনা সমিতি আৰু কৰ্ণধাৰ সমিতিও গঠন কৰিলে। পৰিচালনা সমিতিৰ বিষয়ববীয়াসকল যথাক্ৰমে কেন্দ্ৰীয় চৰকাৰৰ ৰাজ্যিক শ্ৰম মন্ত্ৰী পৱন সিং ঘাটোৱাৰক মুখ্য পৃষ্ঠপোষক, অসম চৰকাৰৰ শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী শৰৎ বৰকটকী, উপাধ্যক্ষ পৃথিৱী মাঝি, বিধায়ক জয়চন্দ্ৰ নাগবংশীক পৃষ্ঠপোষক আৰু উপদেষ্টাসকল হ'ল যথাক্ৰমে অৰুণ কুমাৰ শইকীয়া, তৰুণ গোহাঁই, অন্নদা প্ৰসাদ বৰঠাকুৰ, অনন্ত শইকীয়া, তীৰ্থ ফুকন, বুদ্ধেশ্বৰ গগৈ, লোহিত চেতিয়া, দেৱেন বৰগোহাঁই, গোবিন কোঁৱৰ, নগেন বৰঠাকুৰ, মথুৰা প্ৰসাদ চাহু, চুজাউদ্দিন আহমেদ, ৰোহিনী কুমাৰ গগৈ, দ্বিজেন গোহাঁই, তৰুণ ফুকন, বিজয় ফুকন, শামদেউ সিং, ৰামকুমাৰ আগৰৱালা, চৰ্দাৰ পুৰণ সিং ভোম্ৰা, তোযেশ্বৰ চুতীয়া, বজৰঙ আগৰৱালা, কণক নেওগ, তোলন বৰুৱা, আনন্দি পাছাৰী, নয়নতৰা বৰগোহাঁই, সুশীলা কৰ্মকাৰ।

স্থানীয় বিধায়ক লক্ষীপ্ৰসাদ বৰগোহাঁইক সভাপতি, কণক শৰ্মা, চুচনৰঞ্জন চুতীয়া নায়কক কাৰ্যকৰী সভাপতি, সাগৰ দাস, হেৰম্ব গগৈ আৰু মনেশ্বৰ দিহিঙ্গীয়াক উপ-সভাপত, ড° প্ৰদীপ হাজৰিকাক সাধাৰণ সম্পাদক, সুখ বৰুৱাক যুটীয়া সম্পাদিকা, ড° যতীন চুতীয়া, নৰেন হাজৰিকা, অঞ্জলী গগৈ, প্ৰবীন বৰপাত্ৰ বৰগোহাঁইক সহকাৰী সম্পাদক আৰু লবন দত্তক কোষাধ্যক্ষ সহিতে সদস্যসকল হৈছে ড° কমলা বৰগোহাঁই, ড° অনিল শইকীয়া, অতুল গগৈ, মিনাৰাম চুতীয়া, শৰৎ শইকীয়া, ডাঃ প্ৰতাপ শৰ্মা, মিলাৰাম চুতীয়া, হেম বৰা, শ্যামলাল ম'ৰ, হাদিমুস্তাক হুছেইন, যোগানন্দ গগৈ, কুলদা শইকীয়া, ৰেণু গগৈ, পাৰুল দেৱী, মণ্টু দাস, লক্ষী চুতীয়া, কুল বাইলুং, মহেন শইকীয়া, ড° গিৰিন ফুকন, ড° দয়ানন্দ বৰগোহাঁই, মুক্তি চুতীয়া, অ' পি গাৰোদিয়া, নীল লাচন, উমেশ ঘোষ, প্ৰহ্লাদ টোডী, বিনোদ ফুকন, মাধৱী ডেকা, ডাঃ যোগেন শইকীয়া, লক্ষেশ্বৰ তাঁতী, দণ্ডী বুঢ়াগোহাঁই, সুন্দৰ বুঢ়াগোহাঁই, যমুনা ৰাজখোৱা, মণিকা গগৈ, ডালিমী গগৈ, দিব্যজ্যোতি গগৈ, বিজয়া শইকীয়া, ৰাণু গগৈ, পদ্মা গোহাঁই, ৰঞ্জুমণি দত্ত, সুশীল বেৰীয়া আৰু চন্দ্ৰ বাহাদুৰ তামাং। কৰ্ণধাৰ সমিতিৰ বিষয়ববীয়াসকল যথাক্ৰমে অন্নদা প্ৰসাদ বৰঠাকুৰ, লক্ষীপ্ৰসাদ বৰগোহাঁই, গোলোক গোহাঁই, চুচনৰঞ্জন চুতীয়া নায়ক, শৰৎ শইকীয়া, সুন্দৰ বুঢ়াগোহাঁই, হেৰম্ব গগৈ, সত্য গন্দৰ্ব, ড° প্ৰদীপ হাজৰিকা, ড° যতীন চুতীয়া, ড° অনিল শইকীয়া, ড° কমলা বৰগোহাঁই, মুঙ্গিলাল আগৰৱালা, সুখ বৰুৱা আৰু লৱন দত্ত।

উল্লেখ্য যে সেইদিনাৰ সভাতেই ভালেকেইজন শুভাকাংক্ষী ব্যক্তিয়ে মুক্তহস্তে আৰ্থিক সাহাৰ্য্য আগবঢ়ায়। বিধায়ক লক্ষীপ্ৰসাদ বৰগোহাঁইয়ে পাঁচহাজাৰ টকা, বিধায়ক জয়চন্দ্ৰ নাগবংশীয়ে পাঁচহাজাৰ টকা আৰু শৰৎ শইকীয়াই একহাজাৰকৈ দহমাহলৈ দহ হাজাৰ টকা আগবঢ়ায়। এক হাজাৰ টকাকৈ নিম্নোল্লেখিত ব্যক্তিসকলে আগবঢ়ায়। প্ৰয়াত শিক্ষক কনক নেওগ, লোহিত চেতিয়া, বিনন্দ বৰুৱা, মিলাৰাম চুতীয়া, সুন্দৰ বুঢ়াগোহাঁই, ড° কমলা বৰগোহাঁই, ড° প্ৰদীপ হাজৰিকা, ড° অনিল শইকীয়া, ড°

যতীন চুতীয়া, শ্যামদেউ সিং, ৰামকুমাৰ আগৰৱালা, নগেন বৰঠাকুৰ, ৰঞ্জন বিকাশ বৰগোহাঁই, সুখ বৰুৱা, মহেন শইকীয়া, চুচনৰঞ্জন চুতীয়া নায়ক, লৱন দত্তই আগবঢ়ায়। তদুপৰি পাঁচশ টকাকৈ যথাক্ৰমে অন্নদা প্ৰসাদ বৰঠাকুৰ, অতুল গগৈ, চুজাউদ্দিন আহমেদ, হাদিমুস্তাক হুছেইন, সৰ্বেশ্বৰী দত্ত, তোলন বৰুৱাই আগবঢ়াইছিল। স্মৰ্তব্য যে বিশিষ্ট ব্যৱসায়ী প্ৰয়াত মুঙ্গীলাল আগৰৱালাই পিতৃৰ নামত এটা গডৰেজ দিয়াৰ প্ৰতিশ্ৰুতি দি পিছদিনাই গডৰেজটো কলেজ কৰ্তপক্ষক অৰ্পণ কৰিছিল। পৰৱৰ্তী সময়ত কেন্দ্ৰীয় মন্ত্ৰী পৱন সিং ঘাটোৱাৰে নিজে ছয়হেজাৰ টকা আৰু মুক্তি সোনোৱলে(চুতীয়া) পিতৃ-মাতৃৰ স্মৃতিত দহ হেজাৰ টকা আগবঢ়ায়। মৰাণ মহিলা মহাবিদ্যালয়খনৰ শ্ৰীবৃদ্ধিত সকলো ব্যক্তি তথা অনুষ্ঠান-প্ৰতিষ্ঠানে বিভিন্ন প্ৰকাৰে সহায় সহযোগিতা আগবঢ়ালে। সেই স্বনামধন্য বিশিষ্ট ব্যক্তিসকলৰ বৈদান্যতা আৰু মহানুভৱতাক অধ্যক্ষা সুখ বৰুৱা বাইদেৱে প্ৰতিষ্ঠা দিৱসত কৃতজ্ঞতা জনায়। ১৯৯২ চনৰ ১৮ জুলাইত মৰাণ চাহ মজদুৰ ভৱনতে মৰাণ মহিলা মহাবিদ্যালয়ৰ অস্থায়ী কাৰ্যালয়ৰ কাম শুভাৰম্ভ কৰা হ'ল। কেইদিনমানৰ পিছত ২২৭ গৰাকী ছাত্ৰীয়ে উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষত নামভৰ্তি কৰি সুকীয়াকৈ মৰাণত মহিলাই উচ্চ শিক্ষা গ্ৰহণত প্ৰথম খোজ দিয়ে। মৰাণ মধ্য ইংৰাজী বালিকা বিদ্যালয়কে প্ৰথম বাৰ্ষিকৰ শ্ৰেণীসমূহ আৰম্ভ হয়। স্মৰ্তব্য যে বিশিষ্ট শিক্ষাবিদ ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত প্ৰাক্তন অধ্যক্ষ প্ৰয়াত অন্নদা প্ৰসাদ বৰঠাকুৰদেৱে প্ৰথম বৰ্ষৰ পৰা বিনা পাৰিতোষিকেৰে ১৯৯২ চনৰ ২ আগষ্টৰ পৰা ২০০২ চনলৈকে অতি নিষ্ঠাৰে ইংৰাজী বিষয়ত পাঠদান কৰি শিক্ষানুষ্ঠানটিক অশেষ উপকাৰ কৰিছিল। উল্লেখিত দিনৰ পৰা তেখেতৰ লগতে মৰাণ মহাবিদ্যালয় আৰু অঞ্চলটোৰ বিভিন্ন মহাবিদ্যালয় আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা অবৈতনিকভাৱে স্বইচ্ছাই পাঠদান কৰিবলৈ অহা ব্যক্তিসকল আছিল মিলাৰাম চুতীয়া, সৰ্বেশ্বৰী দত্ত, হাদিমুস্তাক হুছেইন, ড° কমলা বৰগোহাঁই, ড° প্ৰদীপ হাজৰিকা, ড° অনিল শইকীয়া, ড° যতীন চুতীয়া, ড° ৰুদ্ৰমান থাপা, যুগল চেলেং, কল্পনা বৰা, মীনাৰাম ফুকন, কণক শৰ্মা, তোলন চন্দ্ৰ গগৈ, আব্বাছ আলী, নৰেন হাজৰিকা, মানসী গগৈ, প্ৰদীপ চুতীয়া, প্ৰতীম শৰ্মা, শিবু হালদাৰ, লীনা বৰা কলিতা, দিপালী দত্ত শইকীয়া, অৰুণিমা দুৱৰা, শৈল্য গগৈ, জিষ্ণু বৰফুকন, নমিতা চুতীয়া, অলি বৰগোহাঁই আদিয়ে যি মহানুভৱতাৰ পৰিচয় দিলে ই সঁচাকৈয়ে মহাবিদ্যালয়ৰ ইতিহাসত স্মৰণীয় হৈ থাকিব। তদুপৰি মৰাণ মহাবিদ্যালয়ৰ অধ্যক্ষ প্ৰয়াত অৰুণ কুমাৰ শইকীয়া, উপাধ্যক্ষ তৰুণ গোহাঁই আৰু কেৰাণী প্ৰয়াত মণ্টু দাসে প্ৰশাসনীয় কামকাজ বিলাকত যথেষ্ট সহায় সহযোগ আগবঢ়াইছিল। ১৯৯২ চনৰ ১৮ জুলাইতে মুকলি কৰা অস্থায়ী কাৰ্যালয়তে প্ৰয়োজনীয় কামসমূহ আগবঢ়াই নিবৰ বাবে কৰ্মচাৰী হিচাবে বুলু চাংমাইক আৰু হাৰধন কুৰ্মীক নিযুক্তি দিয়া হৈছিল। তদুপৰি মহাবিদ্যালয়খনৰ বিভাগীয় অনুমোদনৰ কামো অতি খৰতকীয়াকৈ সমাধা হৈছিল। অধ্যক্ষা সুখ বৰুৱা বাইদেউৰ সক্ৰিয় প্ৰচেষ্টাত পৰিচালনা সমিতিৰ সভাপতি লক্ষীপ্ৰসাদ বৰগোহাঁই আৰু সমিতিৰ অন্যতম সদস্য ড° কমলা বৰগোহাঁইৰ সমূহীয়া নেতৃত্বত। মহাবিদ্যালয়খনৰ স্থায়ীভাৱে গৃহনিৰ্মাণ কৰিবলৈ প্ৰয়োজনীয় মাটি বিচাৰি মাহমৰা তেতিয়াৰ ৰাজহচক্ৰ বিষয়া তোযেশ্বৰ মুক্তিয়াৰ ওচৰত আবেদন দাখিল কৰা হ'ল। অধ্যক্ষা সুখ বাইদেউক ৰাজহচক্ৰ বিষয়া তোযেশ্বৰ মুক্তিয়াৰে মৰাণৰ

মাজমজিয়াত অৱহেলিত হৈ পৰি থকা দ' পিতনিৰে ভৰা এডোখৰ মাটি দেখুৱালে। প্ৰায় ১০ বিঘা মাটিৰ ভিতৰত মাত্ৰ ২ বিঘামান মাটিহে তেতিয়া মুকলি হৈ আছিল। তেখেতে নিজৰ কৰ্তৃত্বত মুকলি হৈ থকা ২ বিঘা মাটি দখল মুক্ত কৰি দিয়াৰ আশ্বাস দি অস্থায়ীভাৱে গৃহনিৰ্মাণ কৰিবলৈ পৰাৰ্মশ দিয়ে আৰু উক্ত ১০ বিঘা মাটিৰ আবেদন বিভাগীয় অনুমোদনৰ বাবে ভূমি উপদেষ্টা সমিতিলৈ প্ৰেৰণ কৰে। সেই সময়ৰ চৰাইদেউ মহকুমাৰ মহকুমাধিপতি যাদৱ চন্দ্ৰ চক্ৰৱৰ্তী আৰু স্থানীয় বিধায়ক মহোদয়ৰ উদ্যোগত চৰাইদেউৰ ভূমি উপদেষ্টা সমিতিয়ে খালৈঘোগোৰা মৌজাৰ মৰাণ নগৰ পালিকাৰ ৪০ নং দাগৰ দহবিঘা মাটি অসম চৰকাৰৰ ৰাজহ বিভাগলৈ পঠোৱা হৈছিল। সংশ্লিষ্ট বিভাগৰ লগত অধ্যক্ষা সুখ বাইদেৱে সঘন যোগাযোগ কৰি থকাৰ বাবে মহাবিদ্যালয়ৰ নামত উক্ত মাটিডোখৰ চৰকাৰীভাৱে আবণ্টন লাভ কৰিবলৈ সক্ষম হ'ল। মহাবিদ্যালয়ৰ প্ৰয়োজনীয় গৃহ, কাৰ্যালয়, শ্ৰেণীকোঠাকে আদি কৰি নিৰ্মণ কাৰ্যৰ স্থান হ'লেও ছাত্ৰীসকলৰ বাবে খেলপথাৰৰ কাৰণে আৱশ্যক হোৱা মাটিৰ পৰিমাণ যথেষ্ট নাছিল। সেয়ে মাউৎ গাঁৱৰ চৰকাৰী গ্ৰেজিঙত এনেয়ে পৰি থকা দহ বিঘা মাটি খেল পথাৰৰ বাবে আবণ্টন বিচাৰি অধ্যক্ষা বাইদেৱে সংশ্লিষ্ট বিভাগৰ ৰাজহ চক্ৰ বিষয়া ৰোহিতেশ্বৰ দেউৰীক লগ কৰে আৰু তেখেতৰ যোগেদি ভূমি উপদেষ্টা সমিতিলৈ প্ৰস্তাৱ পঠোৱাত মাউৎ গাঁৱৰ দাগ নং ৩৪১ ৰ দহ বিঘা মাটি মহাবিদ্যালয়ৰ নামত আবণ্টন পাবলৈ সমৰ্থ হয়।

মহাবিদ্যালয়খনৰ স্থায়ীভাৱে গৃহনিৰ্মাণৰ বাবে প্ৰয়োজনীয় মাটিৰ আবণ্টন পালে আৰু ছাত্ৰীৰ সংখ্যাও লাহে লাহে বৃদ্ধি হয়। ছাত্ৰীসকলক শিক্ষাদান দিবৰ বাবে শিক্ষকৰো নিযুক্তি দিয়া হ'ল। ধীৰ গতিত আগবঢ়া মহাবিদ্যালয়খন মানুহৰ চকুত পৰা হ'ল। অৱশ্যে মহাবিদ্যালয়খনলৈ সোমোৱা পথটো সুগম নোহোৱাত অধ্যক্ষা বাইদেউৰ লগতে পৰিচালনা সমিতিৰ বিষয়ববীয়াসকলৰো চিন্তা হ'ল। স্মৰ্তব্য যে মৰাণ নগৰ সমিতিৰ সভাপতি প্ৰয়াত বিজয় ফুকনদেৱে হাবি-বন কাটি পথটো পৰিস্কাৰ কৰিবলৈ দিয়া পৰামৰ্শ আৰু পৰবৰ্তী সময়ত শিৱসাগৰ জিলাৰ প্ৰকল্প সঞ্চালক ৰমেশ কুমাৰ জৈনে আগবঢ়োৱা ৩৫ হেজাৰ টকাৰে মূল পথচাৰী পথটো অহা-যোৱা কৰিবৰ বাবে কিছু সুচল কৰিব পৰা হ'ল। পিছলৈ এই পথছোৱাক মৰাণ লেখিকা সমাৰোহ সমিতি আৰু সংঘমিত্ৰা (মৰাণ আঞ্চলিক মহিলা মঞ্চ) মঞ্চই "জয়মতী পথ" বুলি নামকৰণ কৰিলে। তদুপৰি মহিলা মহাবিদ্যালয়ৰ পৰা ৰেল লাইন পাৰ কৰি যাব পৰাকৈ ৰাস্তাটো মেৰামতি কৰাত সহায় সহযোগ কৰে মৰাণ মহাবিদ্যালয়ৰ ছাত্ৰ একতাসভাৰ বিষয়ববীয়া আৰু মহিলা মহাবিদ্যালয়খনৰ ছাত্ৰীসকলে বিশেষকৈ প্ৰথম বৰ্ষ আৰু দ্বিতীয় বৰ্ষৰ ছাত্ৰীসকলে। মহাবিদ্যালয়খনৰ চৌহদবেৰা দিয়া, দ' পিতনি পুতিবৰ বাবে মাটিৰ অনুদান বিচৰা, কাৰ্যালয়, শ্ৰেণীকোঠা অন্যান্য আন্তঃগাঠনি আদি কৰি বহুতো সমস্যাই দেখা দিলে। ইয়াৰ এটা এটাকৈ সমস্যাসমূহ সমাধান কৰিবৰ বাবে অধ্যক্ষা সুখ বৰুৱা বাইদেৱে পৰিচালনা সমিতিৰ বিষববীয়া আৰু স্থানীয় বিশিষ্ট ব্যক্তি, শিক্ষাবিদ, ব্যৱসায়ী, সাংসদ, মন্ত্ৰী, বিধায়ক সকলোৰে পৰা দিহা-পৰামৰ্শ আৰু আৰ্থিক সাহায্যৰ বাবে অনুৰোধ জনালে। এই ক্ষেত্ৰত বিভিন্ন জনে সামৰ্থ্য অনুসৰি সাৰ্হায্য প্ৰদান কৰিলে। দ' পিতনি পুতিবৰ বাবে মাটি অনুদান দিয়া ব্যক্তিসকলৰ ভিতৰত আছিল প্ৰয়াত মথুৰা প্ৰসাদ চাহু, বাসু বেৰিয়া, সুশীল বেৰিয়া, লৱন দত্ত, অৰুণ শইকীয়া, শ্যামদেউ সিং,

ৰামকুমাৰ আগৰৱালা, সত্যনাৰায়ণ আগৰৱালা, ওম প্ৰকাশ গাৰোদিয়া, সঞ্জয় আগৰৱালা আদি উল্লেখনীয়। ৭০ ফুট দীঘল ২২ ফুট বহল আৰু ৬ ফুট বাৰান্দাৰে বাঁহ আৰু টিনেৰে এটি ভৱন নিৰ্মাণ কৰিবলৈ লোৱা সিদ্ধান্ত অনুসৰি অধ্যক্ষা বৰুৱা বাইদেউৰ নেতৃত্বত ড° প্ৰদীপ হাজৰিকা, শৰৎ শইকীয়া, ড° যতীন চুতীয়া, লৱন দত্ত, ৰঞ্জুমণি দত্ত, ৰাণু গগৈ, বিজয়া শইকীয়া, লিলি বৰুৱা আদিয়ে বাঁহ আৰু ডেক্স-বেঞ্চ সংগ্ৰহৰ অভিযানত অঞ্চলটোৰ বিভিন্ন গাঁওবিলাকলৈ গৈছিল। আমি যোৱা গাঁওসমূহ আছিল কচুমাৰি, বিশ্ৰামপুৰ, বালিখুটি, ৰাঙলী, দিচাও, বটোৰা, বটামৰা, হজুৰা, পথালিবাম, বেজৰচুক, আহোম গাঁও দিখাৰী আদি। বিভিন্ন গাঁৰৰ লোকে পাঁচ-দহ ডাল বাঁহ মুকলি মনেৰে অনুষ্ঠানটোলৈ আগবঢ়াইছিল। এই বাঁহ-কাঠ সংগ্ৰহৰ সময়ত আমাৰ মনত থকাকৈ দুই এটা কথাই বৰ আনন্দ আৰু প্ৰেৰণা দিছিল। বিশেষকৈ বালিখুটি গাঁৰৰ হৰি প্ৰসাদ নেৰাৰ যি গৰাকীয়ে অতিথি আপ্যায়নৰ উপৰিও ৪০ ডালমান বাঁহ দলটিক দি অতিশয় উৎসাহিত কৰিছিল। আন এদিন বাইদেউৰ নেতৃত্বত ড° প্ৰদীপ হাজৰিকা, ৰাণু গগৈ আৰু মই সেই গাঁৰৰ সমীপত শিক্ষক অমূল্য মিলিৰ ঘৰত অভিযান আৰম্ভ কৰাত তেখেতেৰ শিক্ষয়িত্ৰী পৰিবাৰে আমাক মাতি নি তেওঁলোকৰ চাংঘৰত বহুৱাই সুস্বাদু ব্যঞ্জনেৰে দুপৰীয়া আহাৰ পৰিৰেশন কৰি যি আনন্দেৰে আতিথ্য কৰিলে সেই কথা আজিও পাহৰিব পৰা নাই। অৱশ্যে দুই এঠাইত ইয়াৰ ব্যতিক্ৰম নোহোৱা নহয়। ডেক্স-বেঞ্চ সংগ্ৰহ অভিযানত ড° প্ৰদীপ হাজৰিকা আৰু মই মৰাণ নগৰৰ বিভিন্ন জন ব্যক্তিৰ গৈছিলো। দুই-এঠাইত বিমুখ হ'লেও প্ৰায়ে আমাক উৎসাহিত কৰিছিল। ইয়াৰ পিছত দ' পিতনি ঠাইতে পুনৰ ৮০ ফুট দীঘল আৰু ২৫ ফুট বহলৰ এটি শ্ৰেণীকোঠা নিৰ্মাণৰ সিদ্ধান্ত লোৱাৰ পিছত পুঁজিৰ সমস্যাই অধ্যক্ষা বাইদেউৰ লগতে সকলোকে চিন্তান্বিত কৰিলে। অৱশ্যে তদানীন্তন মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়া মৰাণ মহাবিদ্যালয়লৈ আহোতে ছাত্ৰ একতাসভাৰ সম্পাদক বিতু দত্তৰ উদ্যোগত আৰু অধ্যক্ষা বাইদেৱে আৰ্থিক অনুদান বিচাৰি কৰা আবেদনৰ ফলত ১ লাখ টকা পাবলৈ সমৰ্থন হয়। এইদৰে প্ৰথম চৰকাৰী অনুদান লাভ কৰি গৃহ নিৰ্মাণ আঁচনি আৰম্ভ আৰু ১৯৯৫ চনত মহাবিদ্যালয়ে তদৰ্থ মঞ্জুৰী লাভ কৰিবলৈ সমৰ্থবান হৈছিল। কেন্দ্ৰীয় মন্ত্ৰী পৱনসিং ঘাটোৱাৰ প্ৰচেষ্টাত (ডুলিয়াজান) অইল ইণ্ডিয়া লিমিটেডৰ সামাজিক কল্যাণ আঁচনিৰ পৰা ১ লাখ টকা পৰবৰ্তী সময়ত ডিব্ৰুগড় জিলাৰ স্কুলসমূহৰ পৰিদৰ্শক বিনন্দ বৰুৱাদেৱে ব্যক্তিগত প্ৰচেষ্টাত একলাখ টকা আৰু এ.বি.টাৰ সভাপতি অশোক সাধ্যাৰ পৰা মহাবিদ্যালয়ৰ চৌহদৰ বেৰা দিবলৈ ২ বান্দিল ফেঞ্চিং অনুদান লাভ কৰাত অধ্যক্ষা বাইদেউ সফল হৈছিল। মহাবিদ্যালয়খন সৰ্বতো প্ৰকাৰে জাকত জিলিকা কৰিবলৈ অধ্যক্ষা বৰুৱা বাইদেৱে আপ্ৰাণ প্ৰযত্ন কৰিছিল। এই ক্ষেত্ৰত বাইদেউ সকলো ফালৰ পৰা সফল হৈছিল। ড° প্ৰদীপ হাজৰিকাই সাধাৰণ সম্পাদক হিচাবে যিমান সহায় সহযোগ কৰিব লাগে সমানেই কৰি অনুষ্ঠানটিৰ প্ৰতি সহৃদয়তা আৰু মহানুভৱতাৰ পৰিচয় দিছিল। উল্লেখ্য যে আমাকো অধ্যক্ষা বাইদেৱে যেতিয়াই বিচাৰিছিল তেতিয়াই নিজৰ কাম এৰি হ'লেও তেখেতৰ ওচৰত উপস্থিত হৈছিলো। ১৯৯৩ চনত মহাবিদ্যালয়ৰ সাহায্যাৰ্থে অনুষ্ঠিত কৰা উপহাৰ কুপনৰ যুটীয়া সম্পাদক মহেন শইকীয়া আৰু মোক দায়িত্ব দিয়াত মৰাণ অঞ্চলৰ ৰাইজৰ পৰা বিপুল সঁহাৰি লাভ কৰিছিলো। প্ৰায় ১ লাখ টকা সংগ্ৰহ কৰি আৰু

বিশিষ্ট ব্যক্তিৰপৰা সংগৃহীত পুঁজিৰে দুবছৰৰ ভিতৰত উক্ত ভৱনটি সম্পূৰ্ণ কৰা হৈছিল। লটাৰী অনুষ্ঠিত কৰা তিনি চাৰি দিনৰ আগৰে পৰা অধ্যক্ষা বাইদেউৰ গৃহতে থাকি অনুষ্ঠানটিৰ প্ৰতি কৰা কিঞ্চিত সঁহাৰি আৰু আগ্ৰহৰ কথা আজিও পাহৰিব নোৱাৰো। সেয়ে বাইদেৱে বিদ্যালয়ৰ প্ৰতিটো কথাই আমাৰ লগত আলোচনা কৰিছিল। পৰিচালনা সমিতিৰ সিদ্ধান্ত অনুসৰি কাৰ্যালয় ভৱনটি নিৰ্মাণৰ সম্পৰ্কে বিশেষ আৰ্থিক অনুদান পাবৰ বাবে মৰাণ ব্যৱসায়ী সন্থাৰ বিষয়ববীয়াসকল সাক্ষাৎ কৰিবলৈ অধ্যক্ষাৰ লগত ড° প্ৰদীপ হাজৰিকা আৰু মই গৈ আলোচনা কৰিবলৈ বহুবাৰ গৈছিলো। অৱশ্যে এবাৰ আমাৰ লগত চুচনৰঞ্জন চুতীয়া নায়ক, ড° কমলা বৰগোহাঁই গৈছিল। প্ৰস্তাৱিত কাৰ্যালয় ভৱনটি আলোচনা কৰি শেষত তেখেতসকলে নিৰ্মাণৰ দায়িত্বলৈ ভৱনটি সম্পূৰ্ণ কৰি দিয়াত মহাবিদ্যালয়খনে আৰু এটা ধাপ আগবাঢ়িল। এইদৰে দোপতদোপে অধ্যক্ষাৰ সৰল নেতৃত্বত মহাবিদ্যালয়খনে প্ৰাণ পাই উঠিল আৰু এতিয়া চৰকাৰীকৰণ হ'ল। শেষত লেখাটি দীঘলহোৱাৰ ভয়ত ইমানতে সামৰিছো। (পুনৰ মুদ্ৰিত) ●

# ড° সুখ বৰুৱা

**ড° অনিল শইকীয়া**

ড° সুখ বৰুৱাই পৰলোকলৈ গমন কৰিলে। ৩ ছেপ্তেম্বৰৰ পুৱা কুশল দত্তই ফোন কৰিলে। এনেকুৱা এটি খবৰ কেতিয়াও আশা কৰা নাছিলো। ক'ব নোৱাৰাকৈয়ে চকুলো নিগৰি আহিল। এটি মহান জীৱনৰ সফল পৰিসমাপ্তি হ'ল। যি কেৱল কাম কৰি যোৱাৰ কথাই ভাবিছিল। কোনো বাধাই যাক হাৰ মনাব নোৱাৰিছিল। অনেক কথা মনলৈ আহিল। কাল বিলম্ব নকৰি তৎ-মুৰ্হূত্বতে গৈ সুখ বৰুৱাৰ ঘৰ পালোগৈ। যাওঁতে গোটেই পথচোৱা তেখেতৰ কথাই ভাবি গ'লো। যি প্ৰায় একক পৰিকল্পনাৰে এখন মহিলা মহাবিদ্যালয প্ৰতিষ্ঠা কৰিলে। মহাবিদ্যালয় এখন প্ৰতিষ্ঠা কৰাতো কি মুখৰ কথা? হয়, মৰাণত মহিলাৰ বাবে এখন মহাবিদ্যালয় লাগে, এই কথাটো ড° সুখ বৰুৱাই প্ৰথমে ভাবিছিল। কলেজখন ব্যক্তিগত নহয়। ৰাজহুৱা কলেজ হ'ব লাগিব। ৰাজহুৱা কলেজ হ'লে ছাত্ৰীসকলে কম খৰচতে পঢ়িব পাৰিব। সেই কথা আজিৰ পৰা ২৯ বছৰৰ আগতেই ভাবিছিল। ভবাৰো কাৰণ আছে। ড° সুখ বৰুৱাই দেখিছিল, মৰাণত থকা একমাত্ৰ কলেজখনত বহুতো ছাত্ৰ-ছাত্ৰীয়ে আসন নাপায়। ল'ৰাবোৰ দূৰৰ কলেজলৈ যাব পাৰে। কিন্তু বহুতো ছোৱালীয়ে ওচৰতে পঢ়িবলৈ সুবিধা নোপোৱাৰ বাবে সিমানতে শিক্ষা সাং কৰিব লগা হয়। সেই সময়ত আজিৰ দৰে মৰাণত জুনিয়ৰ কলেজো নাছিল। নাৰীৰ উচ্চ শিক্ষাৰ বাবে ড° সুখ বৰুৱাৰ অন্তৰখনে হাহাকাৰ কৰি উঠিছিল। প্ৰথমে ঘৰতে কথাটো আলোচনা কৰিলে। তেখেতে কথাটো এনেধৰণে উপস্থাপন কৰিলে যে হয়, মৰাণত এখন নাৰীৰ বাবে উচ্চ শিক্ষাৰ অনুষ্ঠান লাগে। প্ৰথমে তিনিগৰাকী ব্যক্তিৰ লগত কথাটো আলোচনা কৰিলে। (সবিশেষ- মৰাণত নাৰী উচ্চ শিক্ষাৰ প্ৰথম খোজ। মৰাণ মহিলা মহাবিদ্যালয় ঃ ড° সুখ বৰুৱাৰ প্ৰৱন্ধ ঃ মৰাণ মহিলা মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী স্মৃতিগ্ৰন্থত)। তিনিগৰাকী ব্যক্তিৰ আলোচনাৰ স্থায়ী ৰূপ দিবৰ বাবে ড° সুখ বৰুৱাই মৰাণৰ শিক্ষানুৰাগী আৰু সমাজৰ অন্যান্যসকলৰ লগত আলোচনা কৰিলে। সকলোৱে সাহস আৰু প্ৰেৰণা দিলে, তাৰ ভিতৰতো কিন্তু নিৰুৎসাহ কৰা মানুহৰ অভাৱ নহ'ল। ড° সুখ বৰুৱাই সেয়া আশীৰ্বাদ বুলি গ্ৰহণ কৰিলে, অথবা প্ৰত্যাহ্বান হিচাবে শিৰ পাতি ল'লে। সেইবুলি কিন্তু কাৰো ওচৰত নতশিৰ নহ'ল। কাৰণ ড° সুখ বৰুৱাই অন্তঃকৰণেৰে বিশ্বাস কৰিছিল যে, বাধা নাথাকিলে শক্তি সঞ্চয় কৰিব নোৱাৰি। বাধা দিয়াসকলে হয়তো নাজানিলে যে, তেওঁলোকে ড° সুখ বৰুৱাক পৰোক্ষভাৱে শক্তিৰ ইন্ধনহে যোগালে। দুগুণ উৎসাহেৰে ড° সুখ বৰুৱাই নিজৰ পৰিকল্পনা সফল কৰিবলৈ এক বৰ্ণময় আঁচনি যুগুত কৰিলে। প্ৰণিধানযোগ্য যে, এখন মহাবিদ্যালয় প্ৰতিষ্ঠা কৰিবলৈ চৰকাৰৰ ঘৰৰ পৰা শিক্ষা বিভাগৰ কাৰ্যালয়লৈকে অনেক অনুমতি আৰু অনুমোদনৰ প্ৰয়োজন। যাৰ বাবে লাগিব যাৱতীয় আনুষ্ঠানিকতা আৰু সঘন যোগাযোগ। ইবোৰৰ লগতে লাগিব

জনসাধাৰণৰ সহযোগ। আমি জনাত ড° সুখ বৰুৱাই লগত দুই-তিনিগৰাকী সহযোগীক লৈ প্ৰায় এককভাৱে আৰু সমান্তৰালভাৱে সকলো কাম আগুৱাই নিলে। এখন ৰাজহুৱা সভা পাতিলে। তাৰিখটো ১৯৯২ চনৰ ৮ জুলাই। পাঁচ শতাধিক ব্যক্তি সভাগৃহলৈ আহিল। সেই সভাৰ আটাইতকৈ উল্লেখযোগ্য আৰু কাৰো দ্বিমত নোহোৱা তিনিটা সিদ্ধান্ত— প্ৰথম, মৰাণত এখন মহিলা মহাবিদ্যালয় হওক। দ্বিতীয়, সুখ বৰুৱাক মহাবিদ্যালয়ৰ অধ্যক্ষা নিৰ্বাচিত কৰা হওক আৰু তৃতীয়, এখন মহাবিদ্যালয় পৰিচালনা সমিতি গঠন কৰা হওক। প্ৰথমখন ৰাজহুৱা সভাতে তিনিওটা প্ৰস্তাৱ গৃহীত কৰা হয়। পৰিচালনা সমিতিও গঠন কৰা হ'ল। প্ৰথমখন ৰাজহুৱা সভাতে তিনিটাকৈ প্ৰস্তাৱ হৰ্ষধ্বনিৰ মাজেৰে সম্পাদন হোৱা উদাহৰণ হয়তো বৰ বেছি নোলাব। সেইয়ে আৰম্ভ হ'ল তাৰ পাছত ই অনিৰুদ্ধ গতিৰে কাম আগবাঢ়িল। প্ৰথম বছৰতে ২২৭ গৰাকী ছাত্ৰীৰ নামভৰ্তি হ'ল। ছেপ্তেম্বৰ মাহৰ পৰা মৰাণ মধ্য ইংৰাজী বিদ্যালয়ত পুৱাবেলা শ্ৰেণীসমূহ আৰম্ভ হ'ল। মাত্ৰ প্ৰায় তিনি মাহৰ পৰিকল্পনাৰে মৰাণৰ শিক্ষাৰ ইতিহাসত এক নতুন অধ্যায় যোগ হ'ল—

মৰাণ মহিলা মহাবিদ্যালয়, প্ৰতিষ্ঠাপক অধ্যক্ষা ড° সুখ বৰুৱা। মহাবিদ্যালয়ৰ বাবে মাটি বিচৰাৰ পৰা, কাৰোবাক কাৰ্যালয় এটিৰ বাবে অনুদান বিচৰালৈকে, ছাত্ৰী বহিবৰ বাবে বেঞ্চ-ডেস্ক সজোৱাৰ পৰা, শ্ৰেণীকোঠা নিৰ্মাণ কৰিবলৈ ইটা-বালি যোগাৰ কৰালৈকে, ছাত্ৰীৰ বৌদ্ধিক বিকাশৰ বাবে গ্ৰন্থাগাৰলৈ গ্ৰন্থ ক্ৰয় কৰাৰ পৰা, চৰকাৰৰ লগত যোগাযোগ কৰালৈকে কিমান যে কাম এই সকলোখিনিৰে দায়িত্ব ল'লে ড° সুখ বৰুৱাই। কোনোবাই হয়তো ফু-মাৰি ক'ব— অধ্যক্ষা হ'লেতো এইখিনি কৰিবই লাগিব। কিন্তু ড° সুখ বৰুৱা তেনেকুৱা অধ্যক্ষা নহয়। তেখেতে শূন্যৰ পৰা আৰম্ভ কৰিছে। শূন্যৰ পৰা আৰম্ভ কৰি মহাবিদ্যালয়খন চৰকাৰী আওতালৈ অহাৰ আগতেই বিশ্ববিদ্যালয় অনুদান আয়োগৰ লগত যোগাযোগ কৰি অনুদান লাভ কৰিব পৰা স্তৰলৈকে মহাবিদ্যালয়খনিক আগুৱাই নিবলৈ সংগ্ৰাম কৰিব লগা অধ্যক্ষা। তেখেতে যিখিনি কৰিছিল সেই প্ৰত্যেকটো কামেই একো একোটা নতুন আৰম্ভণি। এটা কাম প্ৰথমবাৰৰ বাবে সূচনা কৰাৰ লগত কিমান মানসিক প্ৰস্তুতি আৰু কিমান হ'মৰৰ্কৰ প্ৰয়োজন হয় সেই কথা কেৱল কৰোঁতাসকলেহে নিষ্ঠুৰভাৱে উপলব্ধি কৰিব পাৰে। তাতে কামবোৰ একেদিনাই হোৱা কাম নহয়। দীৰ্ঘদিনীয়া পৰিকল্পনা, কষ্টদায়ক আৰু আমনি লগা অহা-যোৱা, আবেদনৰ পাছত আবেদন, প্ৰয়োজনীয় নথি-পত্ৰ, শ্ৰেণীকোঠাৰ নক্সা, অভিযন্তাৰ অনুমোদন, পৰিচালনা-সমিতিত প্ৰস্তাৱ গ্ৰহণ, পুনৰ পৰীক্ষা-নিৰীক্ষা, বিশ্ববিদ্যালয়ৰ অনুমোদন, পৰিদৰ্শন, কিমানযে কাম। চৰৰকাৰী অনুদান এটি মঞ্জুৰ হোৱাৰ পাছত, একেবাৰে কামটো শেষ হৈ নাযায়। মাজত কেইবাটাও স্তৰ। প্ৰথম কিস্তি ধনৰ পৰা দ্বিতীয় কিস্তি ধন পাবলৈ অনেক আনুষ্ঠানিকতা। প্ৰতীক্ষা কৰিব লগা হয়। সেই সকলো 'প্ৰতীক্ষা' দক্ষতাৰে অতিক্ৰম কৰিছিল ড° সুখ বৰুৱাই। এখন জাকত জিলিকা মহাবিদ্যালয় হৈ পৰিল মৰাণ মহিলা মহাবিদ্যালয়। কেৱল শ্ৰেণীকোঠাকে ধৰি সামগ্ৰীক উন্নয়নতে নহয়, মহাবিদ্যালয়ৰ বিদ্যায়তনিক দিশতো আগবাঢ়িল মহাবিদ্যালয়খন। বিশ্ববিদ্যালয়ৰ পৰীক্ষাৰ ফলাফলত প্ৰায় শীৰ্ষ স্থানত জিলিকিল মৰাণ মহিলা মহাবিদ্যালয়ৰ ছাত্ৰীৰ নাম। দোপত দোপে সৰ্বদিশতে ড° সুখ বৰুৱাৰ নেতৃত্বত আগবাঢ়িল মৰাণ মহিলা মহাবিদ্যালয়। মহাবিদ্যালয় প্ৰতিষ্ঠা

কৰাৰ লগত সমান্তৰালভাৱে তেখেতে সমাজৰ উন্নয়নমূলক আন আন কামতো আত্ম নিয়োগ কৰিলে। সুখ বৰুৱাই এগৰাকী দক্ষ প্ৰশাসক হিচাপে যেনেকৈ কাৰ্য সম্পাদন কৰিলে, তেনেকৈ এগৰাকী দক্ষ সমাজ সেৱিকা ৰূপেও নিজক প্ৰতিষ্ঠা কৰিলে। তেখেতৰ সৰ্বসত্বাতে সমাজ সেৱাৰ উদ্দ্যম বিদ্যমান আছিল।

সুখ বৰুৱাৰ বৰ্ণময় জীৱনটো এবাৰ অৱলোকন কৰা হওক। ১৯৬৮ চন। বয়সনো কিমান তেতিয়া সুখ বৰুৱাৰ। মাথোঁ একুৰি দুবছৰ। জীৱনৰ আৰম্ভণি মাথোঁ। দাপোনত মুখ চাই সপোন দেখাৰ বয়স। জীৱনক নিজাকৈ জুমি চোৱাৰ বয়স। জীৱনৰ পৰিকল্পনা কৰাৰ বয়স। কিন্তু সুখ বৰুৱাই কৰিব লগা হ'ল কি? বা সপোন দেখিলে কি? বেতবাৰীত এখন বালিকা বিদ্যালয় হ'ব। তাৰ নেতৃত্ব দিব লগা হ'ল সুখ বৰুৱাই। বেতবাৰীত 'আদৰ্শ উচ্চ মাধ্যমিক বালিকা বিদ্যালয' সুখ বৰুৱাৰ নেতৃত্বতে প্ৰতিষ্ঠা হয়। দায়িত্ব ল'ব লগা হয় প্ৰধান শিক্ষয়িত্ৰীৰ। নতুনকৈ আৰম্ভ হোৱা বিদ্যালয় এখনৰ বহুতো সমস্যা থাকে। শিক্ষকৰ দৰ্মহাৰ পৰা ছাত্ৰীৰ বাবে ডেস্ক-বেঞ্চলৈকে। পৰীক্ষা অনুষ্ঠিত কৰাৰ পৰা ঘৰ-দুৱাৰ নিৰ্মাণ কৰালৈকে এশ এবুৰি সমস্যা। সুখ বৰুৱাই আনন্দ মনেৰে সকলোখিনি চম্ভালি ল'লে। ১৯৬৮ চনৰ পৰা ১৯৭০ চনলৈকে সুচাৰুৰূপে বিদ্যালয়খনি পৰিচালনা কৰিলে। আহৰণ কৰিলে অনেক অভিজ্ঞতা। পৰৱৰ্তী কালত সেই অভিজ্ঞতা সুখ বৰুৱাৰ বাবে মূলধন হ'ল। তাতেই যেন আয়ত্ব কৰিলে শিক্ষানুষ্ঠান গঢ়াৰ অমোঘ মন্ত্ৰ। উদ্যমৰ আন এটা নাম সুখ বৰুৱা। মনৰ দুৰ্বাৰ উদ্যমক কোনে বাধা দিব পাৰে। দুৰ্বাৰ গতিৰে আগবাঢ়িল সুখ বৰুৱা। নাৰীৰ সৰ্বাঙ্গীন বিকাশৰ বাবে মৰাণ মহাবিদ্যালয়ৰ লগতে সমান্তৰালভাৱে কেইবাটাও আঁচনি গ্ৰহণ কৰিলে। তাৰ ভিতৰত উল্লেখযোগ্য 'মৰাণ আঞ্চলিক মহিলা মঞ্চ' - সংঘমিত্ৰা। যিটো অনুষ্ঠানৰ জৰিয়তে সুখ বৰুৱাই মৰাণ অঞ্চলৰ প্ৰায়সমূহ নাৰীক একত্ৰিত কৰি সাহিত্য-সংস্কৃতিৰ এক মননশীল অধ্যায় আৰম্ভ কৰে। তেখেতে নাৰীৰ স্মৃতিশীল কামত ব্ৰতী হ'বলৈ প্ৰেৰণা যোগালে। প্ৰকাশ কৰিলে গ্ৰন্থ। ৰান্ধনী ঘৰৰ নাৰীক হাতত কলম ল'বলৈ উৎসাহিত কৰিলে সুখ বৰুৱাই।

সুখ বৰুৱা ১৯৬৯ চনৰ পাছত বিবাহসূত্ৰে মৰাণলৈ আহিল। স্বামী বিনন্দ বৰুৱা। সুদৰ্শন আৰু সুশিক্ষিত, অমায়িক। দেখিলেই শ্ৰদ্ধা ভাৱ জাগি উঠে। সুখ বৰুৱা মৰাণলৈ আহি ১৯৭৩ চনত মৰাণ বালিকা বিদ্যালয়ত সহ শিক্ষয়িত্ৰীৰ পদত যোগদান কৰে। ১৯ বছৰ কাল মৰাণ বালিকা বিদ্যালয়ত কাৰ্যনিৰ্বাহ কৰে। সেই ১৯ বছৰ কাল আছিল সুখ বৰুৱাৰ সাধনাৰ সময়। ঘৰতে আছিল এটি সৰু গ্ৰন্থাগাৰ। অধ্যয়ন কৰিলে নানান গ্ৰন্থ। স্বামী বিনন্দ বৰুৱা এগৰাকী অধ্যয়নশীল ব্যক্তি। তেখেতে কীৰ্ত্তন দশম, বেদ-বেদান্ত, ভাগৱত, ভাৰতীয় দৰ্শন সকলো অধ্যয়ন কৰে। ঘৰখনত এক বিদ্যায়তনিক পৰিৱেশ। তিনিটাকৈ সন্তান। প্ৰত্যেকজনেই মেধা। বৰপুত্ৰ শ্যামল। অভিযন্তা। বিশ্ববিদ্যালয়ৰ ডক্টৰেট ডিগ্ৰীৰে নিজৰ নাম অলংকৃত কৰিছে। সৰু জীয়ৰী লিপি। বিজ্ঞানৰ স্নাতকোত্তৰ। মাজু পুত্ৰ উজ্জ্বলে স্নাতক ডিগ্ৰী লৈ নিজাববীয়াকৈ ব্যৱসায় কৰিছে। এখন আদৰ্শ ঘৰ। সুখ বৰুৱা আৰু বিনন্দ বৰুৱা আদৰ্শ মাতৃ-পিতৃ। সংসাৰৰ সকলো দায়িত্ব পালন কৰি সুখ বৰুৱাই কষ্টকৰ সাধনাৰে নিজক আগুৱাই নিছে। স্বামী বিনন্দ বৰুৱায়ো ক্ৰমান্বয়ে পদোন্নতি লভি বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ পদত বিভিন্ন জিলাত কাৰ্যনিৰ্বাহ কৰি সুনামেৰে সৌ সিদিনা অৱসৰ গ্ৰহণ কৰিছে। এখন পূৰ্ণাংগ ঘৰ। তাৰ

মাজতে ঘৰখনত অনবৰত অতিথি আৰু বন্ধুবৰ্গৰ আড্ডা। দৰকাৰী কথাৰ আড্ডা। ঘৰখনত সমাজনীতি, ৰাজনীতি, শিল্প, সাহিত্য, সংগীত, বোলছবিৰ আলোচনাৰ এক সমতুল বাতাবৰণ। কথাৰ মাজত অনেক কথা। অনেক দৰকাৰী কথা। দহজনৰ হিত সাধন কৰিব পৰা কথা। মৰাণৰ সামগ্ৰীক উন্নতিৰ কথা। ইমানখিনিৰ মাজতো অতিথি আৰু বন্ধুবৰ্গক যথাবিধি অপ্যায়ন কৰাৰ পাছতো সুখ বৰুৱাই অধ্যয়নৰ বাবে কিছু আচুতীয়া সময় উলিয়াই লয়। অসমীয়া ভাষা-সংস্কৃতিৰ গ্ৰন্থ অধ্যয়ন কৰে। আৰু ইমানবোৰ ব্যস্ততাৰ মাজতে এদিন সকলোকে আচৰিত কৰি এদিন অসমীয়া সাহিত্যত স্নাতকোত্তৰ ডিগ্ৰী অৰ্জন কৰিলে। মৰাণত মহিলা মহাবিদ্যালয় প্ৰতিষ্ঠা কৰাৰ পাছত নিৰলস সাধনা আৰু একাগ্ৰতাৰে নিজকে গৱেষণা কাৰ্যত নিয়োজিত কৰে। নিজৰ প্ৰজ্ঞা আৰু মেধাৰে এদিন 'আহোমসকলৰ উৎসৱ অনুষ্ঠান'ৰ দৰে এটি জটিল বিষয়ত ডক্টৰেট ডিগ্ৰী লাভ কৰে। বিষয়টো এই কাৰণেই জটিল বোলা হৈছে কাৰণ বিষয়টোৰ লগত আহোমসকলৰ অনেক অলিখিত প্ৰাৰ্থনা আৰু অন্যান্য দিশ সংপৃক্ত হৈ আছে। সুখ বৰুৱাই গৱেষণাৰ জৰিয়তে অনেক অলিখিত আনুষ্ঠানিক পৰম্পৰা আৰু ৰীতি-নীতি লিখিত আকাৰত প্ৰকাশ কৰিলে। গৱেষণা গ্ৰন্থখনি যেতিয়া প্ৰকাশ হ'ল, ইয়াৰ চাহিদা ইমানেই বৃদ্ধি হ'ল যে ২০০৭ চনৰ পৰা ২০১৮ চনলৈ পাঁচবাৰ গ্ৰন্থখনি প্ৰকাশ কৰিব লগা হৈছে। গ্ৰন্থখনিত আহোমসকলৰ উৎসৱ অনুষ্ঠানসমূহৰ আনুষ্ঠানিক ৰীতি-নীতিসমূহ তথ্য সহকাৰে বিশ্লেষণ আৰু ব্যাখ্যা কৰা হৈছে। গ্ৰন্থখনিয়ে বিদ্যায়তনিক দিশৰ পৰাও এখনি উল্লেখযোগ্য গ্ৰন্থ হিচাবে স্থান লাভ কৰিছে।

সুখ বৰুৱাই নিজে অকলে আগবাঢ়ি যোৱাৰ কথা কেতিয়াও ভবা নাছিল। ভাবিছিল সমাজৰ প্ৰত্যেকগৰাকীকে আগবঢ়াই নিব লাগিব। সু-শিক্ষিত কৰিব লাগিব। সংস্কৃতিৱান কৰিব লাগিব। তেখেতে প্ৰমাণ কৰিব বিচাৰিছে এইখন মূলাগাভৰুৰ দেশ, মহামতী জয়মতী, সাধনীৰ দেশ, কনকলতাৰ দেশ, চন্দ্ৰপ্ৰভা শইকীয়ানীৰ দেশ। সকলোৰে জীৱনৰ মৰ্মবাণী বুকুত বান্ধি সুখ বৰুৱা যেন এক সংগ্ৰামী আত্মা। তেখেতৰ জীৱন আৰু আদৰ্শক শ্ৰদ্ধা আৰু সন্মান জনাবলৈ আগবাঢ়ি আহিছিল অনেক ৰাজহুৱা অনুষ্ঠান। তেখেতে লাভ কৰা পূৰ্ণিমা বৰুৱা বঁটা, বীৰাঙ্গণা মূলাগাভৰু বঁটা, সমাজসেৱা আৰু সাহিত্য সেৱা বঁটা তাৰে দুই-এটি উদাহৰণ মাথোঁ। লাভ কৰিলে জাচিংফা, মৰাণ কুঁৱৰিকে প্ৰমুখ্য কৰি সাতোটিকৈ অভিধা। তেখেতৰ কৰ্ম আন্দোলন দেখি অসম চৰকাৰে তেখেতক চন্দ্ৰপ্ৰভা শইকীয়ানী বঁটাৰে সন্মান জনালে। লাভ কৰিলে অসম চৰকাৰৰ সাহিত্যিক পেঞ্চন।

কেৱল দুটিমান বাক্যৰে তেখেতৰ জীৱনক মূল্যায়ণ কৰিব নোৱাৰি। তেখেতৰ বিশাল আৰু বৰ্ণাঢ্য জীৱন নিজেই এক হাজাৰ পৃষ্ঠাৰ গ্ৰন্থ। তেখেতৰ কৰ্মৰাজীৰ গৱেষণাও হ'ব পাৰে। আমাৰ আশা, কোনোবা উৎসাহী বিদ্যাৰ্থীয়ে এই কাম সম্পাদন কৰিব।

হঠাৎ সুখ বৰুৱাই আমাক সকলোকে কন্দুৱাই পৰলোকলৈ গমন কৰিলে। আমি মাতৃহাৰা হ'লো। সুখ বৰুৱাই পৰলোক গমন কৰিলেও তেখেতে প্ৰতিষ্ঠা কৰা অনুষ্ঠানসমূহত তেখেতৰ নাম চিৰকাল খোদিত হৈ থাকিব। বিশেষ কৈ মৰাণ মহিলা মহাবিদ্যালয়ৰ প্ৰতিজোপা বৃক্ষ, প্ৰতিখন দেৱাল আৰু প্ৰতিটো ধূলিকণাত ড° সুখ বৰুৱা অলিখিত ভাবে যুগ যুগলে জিলিকি থাকিব। ড° সুখ বৰুৱা নাথাকিলেও মৰাণ মহিলা মহাবিদ্যালয়ে তেখেতক সোঁৱৰাই থাকিব।●

# সান্নিধ্য আৰু সাহচৰ্য্যৰ প্ৰেৰণাৰে

**পুষ্পা গগৈ**

যি গৰাকী নাৰীৰ অমৃতময় সান্নিধ্য, সাহচৰ্য্য আৰু প্ৰেৰণাৰে ছত্ৰছায়াত থাকি সামাজিক আৰু সাংস্কৃতিক কৰ্মক্ষেত্ৰত খোজ দিবলৈ প্ৰয়াস কৰিছিলো, সেই গৰাকী মহিমামণ্ডিত গুণৰ অধিকাৰী নাৰীয়েই হ'ল ডং সুখ বৰুৱা। তেখেতে নিজৰ নামৰ পৰিচয় কৰ্ম আৰু চিন্তাৰ দ্বাৰা সমাজত দি থৈ গৈছে। লগতে সেই কৰ্মৰ ফল তেখেতৰ সান্নিধ্যলৈ অহা সকলো ব্যক্তি বা অনুষ্ঠানে ভোগ কৰিবলৈ সক্ষম হৈছে। সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ বিশাল সাংস্কৃতিক পথাৰখনতে এই গৰাকী গুণান্বিত মহিলাৰ সান্নিধ্য লাভ কৰিছিলো। তেখেতৰ পৰাই জীৱনৰ বহু নজনা কথা শিকিছিলো। সুখ বাইদেউৰ এটা ডাঙৰ গুণ আছিল, তেখেতে নিজৰ আকৰ্ষণীয় চিন্তা-চেতনাৰে প্ৰত্যেককে আকৰ্ষণ কৰিবলৈ সমৰ্থ হৈছিল। সকলোকে সমানে মৰম-চেনেহ কৰিছিল। লগতে সুখ বাইদেউ সকলোৰে বাবে মৰমৰ শাসনৰ দাবীদাৰ আছিল। সত্তৰ দশকতে স্ত্ৰী-শিক্ষা অৰ্থে অগ্ৰণী ভূমিকা পালন কৰিবৰ বাবে অহোপুৰুষাৰ্থ কৰিছিল। ১৯৬৮ চনতে শিক্ষা আৰু সংস্কাৰকামী মনোভাৱৰেে বিদ্যালয় প্ৰতিষ্ঠা কৰি স্ত্ৰী-শিক্ষাৰ বাট মুকলি কৰিছিল। ইয়াৰ পাছৰ পৰাই তেখেতে পাছলৈ ওভতি চোৱা নাছিল। সংগ্ৰামী জীৱনৰ বাট মুকলি কৰি আগবাঢ়ি গৈছিল আৰু জীৱন প্ৰতিষ্ঠাৰ হেতু অহোপুৰুষাৰ্থ কৰিছিল। নিজৰ পিতৃ-মাতৃৰ ভেঁটিত স্ত্ৰী-শিক্ষাৰ বন্তি জ্বলাই বৈবাহিক সূত্ৰে মৰাণলৈ আহিছিল। মৰাণতো জীৱন প্ৰতিষ্ঠাৰ যুঁজ আৰম্ভ কৰিছিল। প্ৰথমতে এগৰাকী সহ শিক্ষয়িত্ৰী, তাৰ পিছত মৰাণ মহিলা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষা, মহিলাৰ এক অগ্ৰণী অনুষ্ঠান 'সংঘমিত্ৰা', সদৌ অসম লেখিকা সমাৰোহ সমিতি, সদৌ অসম মহিলা কবি মঞ্চ ইত্যাদি। ব্যক্তিগত জীৱনৰ সুখ-দুখ, কষ্টসহিষ্ণু সংগ্ৰাম গঢ়াই সুখ বাইদেউক ভাগৰাই পেলাব পৰা নাছিল বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, বিভিন্ন সংগঠনৰ লগত জড়িত হৈ নিজৰ গুণ, জ্ঞান-গৰিমা শিক্ষাৰে সততা আৰু নিষ্ঠাৰে তেখেতে কৰ্মযজ্ঞ কৰি গৈছিল। কেৱল সেয়াই নহয় আনকো সেই সততা আৰু নিষ্ঠা বৰ্তাই ৰাখিবলৈ চেষ্টা কৰিছিল। সকলো কৰ্মতে তেখেতৰ চিন্তা-চেতনাৰ প্ৰমাণ পোৱা যায়। তেখেতৰ সিদ্ধান্ত তথা মন্তব্যসমূহৰ দ্বাৰা সকলো কাম নিয়াৰিকৈ সমাপন কৰিব পৰাটোতে তেখেতৰ সপোন ফলৱতী হৈছিল। নিজে কৰিয়েই সন্তুষ্ট নাছিল, আনকো উদগণি যোগাই কামত অগ্ৰসৰ কৰাৰ চেষ্টা কৰিছিল। সুখ বাইদেউৰ অনুপ্ৰেৰণাসূচক কথাই সকলোকে সন্মোহিত কৰি ৰাখিছিল। আমি সকলোৱে তেখেতৰ অনুশাসনমূলক উপদেশ আৰু আৰ্হি মানিবলৈ বাধ্য হৈছিলো। লগতে কাম কৰি আনন্দ অনুভৱ কৰিছিলো। যিকোনো ভুল কথা, ভুল চিন্তা নতুবা

ভুল কৰ্ম কৰাৰ পথ দেখিলে তেখেতে শান্তি নেপাইছিল। সেই সকলোবোৰ শুধৰণি কৰিহে তেখেতে স্বস্তিৰ নিশ্বাস এৰিছিল। এইগৰাকী গুণান্বিত নাৰীৰ সান্নিধ্য আৰু সহচাৰ্য্যই সেইবাবে মোৰ জীৱনৰ পাথেয় স্বৰূপ। তেখেতৰ পৰিশ্ৰমী, কষ্টসহিষ্ণু আৰু সংগ্ৰামী সত্ত্বা আমাৰ বাবে সদায়েই স্মৰণীয় হৈ ৰ'ব।

অসমীয়া সাহিত্য ক্ষেত্ৰতো বিশাল বৰঙণিয়ে (সাহিত্যৰ) ভঁৰাল চহকী কৰি গৈছে আৰু সকলো সময়তে এই বৰঙণিসমূহে আমাক প্ৰেৰণা যোগাব। বৌদ্ধিক ক্ষেত্ৰত আগবঢ়োৱা তেখেতৰ বহুমুখী প্ৰতিভাসম্পন্ন গুণৰাজিৰ বাবেই তেখেতৰ বিভিন্ন বঁটা-বাহন আৰু উপাধিৰে ৰাইজৰ তৰফৰ পৰা সম্ভাষণ জনোৱা হৈছে। সুখবাইদেউৰ সম্ভাৱনাপূৰ্ণ ব্যক্তিত্ব, চিন্তা-চেতনা, সৃষ্টি-দৃষ্টিৰ প্ৰতি শ্ৰদ্ধা জনায়ে সকলো ফালৰ পৰাই তেখেত প্ৰতিভাৰ স্বীকৃতি প্ৰদান কৰিব বিচাৰিছে। 'ৰত্নগৰ্ভা', 'কৰ্মযোগী', 'প্ৰেৰণাময়ী', 'মহিয়সী', 'মৰাণ কুঁৱৰী', 'হাব্ৰুমি ফামে', 'জাচিংফা', 'পূৰ্ণিমা বৰুৱা বঁটা', 'বীৰঙ্গনা মূলাগাভৰু বঁটা', 'অসম চৰকাৰৰ সাহিত্য বঁটা', 'পদ্মশ্ৰী চন্দ্ৰপ্ৰভা শইকীয়ানী বঁটা', 'সাহিত্য আৰু সমাজসেৱা বঁটা' তেখেতৰ কৃতিত্ব আৰু বহুমুখী প্ৰতিভাৰ স্বাক্ষৰ। বহুমুখী প্ৰতিভাৰ গৰাকী হৈও তেখেত আছিল নিৰহংকাৰী এগৰাকী আদৰ্শ মহিলা।

এনে এগৰাকী জীৱন-কৰ্ম-সাহিত্য-সংস্কৃতিৰ মহিলাৰ অৱদানে আমাক চিৰদিন চিৰকাল মনত পেলাই থাকিব। তেখেতৰ স্বৰ্গগামী হোৱাৰ খবৰটো আমাৰ সকলোৰে বাবে সহনীয় নহয়, আমাৰ বাবে, দেশৰ বাবেও ক্ষতিকৰ। কিন্তু মানুহৰ মৃত্যু অৱশ্যম্ভাৱী। তেখেতৰ মৃত্যুত দুখত ম্ৰিয়মান হৈ পৰিছোঁ, কিন্তু সময়ৰ এই নিষ্ঠুৰ আহ্বান, আমি সকলোৰে মানিবলৈ বাধ্য। তেখেতৰ বিদেহ আত্মাৰ সদ্‌গতি কামনা কৰিছোঁ, য'তেই আছে সুখ-সন্তোষ আৰু মঙ্গলে থাকক, ইয়াকে সবিনয়ে আশা কৰিলোঁ। ●

# ড° সুখ বাইদেউৰ সান্নিধ্য আৰু স্মৃতি

**ড° স্বাধীনতা মহন্ত**

চাৰি ছেপ্তেম্বৰ২০২৩ ৰ পুৱাই অসমৰ দৈনিক বাতৰি কাকতবোৰৰ প্ৰথম পৃষ্ঠাত বাতৰি আহিল- "শিক্ষাবিদ, সাহিত্যিক, নাৰী শিক্ষাৰ অগ্ৰণী, অসম চৰকাৰৰ সাহিত্যিক পেন্সনাৰ,ৰত্ন গৰ্ভা ড° সুখ বৰুৱাৰ বিয়োগ"। স্নেহশীলা মাতৃ গৰাকীৰ বিয়োগৰ খবৰে আমাক শোক স্তব্ধ কৰি তুলিলে। এই বজ্ৰপাতৰ দৰে খবৰটো মৃত্যুৰ লগে লগে অসম জুৰি বিয়পি পৰিছিল।

সদৌ অসম মহিলা কবি মঞ্চৰ প্ৰতিষ্ঠাতা, এগৰাকী জ্ঞান দাত্ৰী মহীয়সীক আমি হেৰুওৱাটো আমাৰ বাবে অতি দুঃসহ খবৰ।

সু-সাহিত্যিক, সমাজকৰ্মী, বীৰাংগনা মূলাগাভৰু বঁটা প্ৰাপক, মৰাণ মহিলা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষা ড° সুখ বৰুৱা বাইদেউ আছিল এখন বিশাল হৃদয়ৰ গৰাকী, যাৰ বাবে সৰু বৰ সকলো বাইদেউৰ কাষ চাপি গৈছিল। সেয়ে হয়তো তেখেতক চিৰ বিদায় দিবলৈ আমি কেতিয়াও, কোনোৱেই প্ৰস্তুত নহওঁ।

সদৌ অসম মহিলা কবি মঞ্চ আৰু সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সকলো সদস্যৰ হিয়াত বাইদেউৰ আত্মা বিৰাজমান। বাইদেউ কায়িকভাৱে আমাৰ মাজত নাই যদিও আত্মা আমাৰ লগত সংপৃক্ত হৈ আছে। পাৰ্থিৱ জগতৰ অমল স্নেহৰ বান্ধোন চিঙি বাইদেউ অজান দেশলৈ গুচি গ'ল সঁচা, আমি কিন্তু তেখেতক চেনেহৰ বান্ধোনেৰে চিৰকাল বান্ধি ৰাখিম।

বাইদেউৰ সবল নেতৃত্বত (সভানেত্ৰী হৈ থকা কালত) লেখিকা সমাৰোহ সমিতি আৰু মহিলা কবি মঞ্চক এক আপুৰুগীয়া গতিৰ সন্ধান দি গ'ল।

মাৰ্জিত সাজপাৰেৰে, গুৰু গম্ভীৰ খোজ কাটলৰে, নিজৰ সংস্কৃতিৰ প্ৰতি শ্ৰদ্ধাশীল বাইদেউ আছিল অসমৰ নাৰী সমাজক শুদ্ধ পথেৰে আগবঢ়াই নিয়া এগৰাকী সৰলমনা নাৰী। তেখেতৰ আদ্যশ্ৰাদ্ধত পৰম পিতাৰ চৰণত এটায়েই মাত্ৰ প্ৰাৰ্থনা জনাওঁ -

"হে প্ৰভু! বাইদেউৰ আত্মাক তোমাৰ চৰণত ঠাই দিয়া।" ●

# এটা সোণালী অধ্যায়ৰ সামৰণি

**বিঁউটি ফুকন গগৈ**

জীয়াই থকাটোৱেই কেৱল জীৱন নহয়, এই জীৱনক কৰ্মৰ মাজেৰে সফল জীৱন ৰূপে প্ৰতিষ্ঠিত কৰাৰ পথটোও মসৃণ বা সেন্দুৰীয়া নহয় বহুজনে জীৱনটো গঢ়ে নিজৰ বাবে আৰু বহুজনে হাজাৰ ত্যাগ আৰু আজীৱন কৰ্ম সাধনাৰে জীৱনটো এক সম্পদ ৰূপে গঢ়ি তোলে সমাজৰ বাবে, দেশৰ বাবে। তেওঁলোকে বুজি পায় জীৱনৰ প্ৰকৃত অৰ্থ। সেয়েহে সেইসকল ব্যক্তি কেৱল এটা পৰিয়ালৰ এজন সদস্য হৈ নাথাকে, তেওঁলোক হয় সমাজৰ, দেশৰ সম্পদ আৰু ঐশ্বৰ্য্য। 'ড° সুখ বৰুৱা'—ভাৱ হয় সৰ্বকালৰ এক গভীৰ দৰ্শন যেন নিহীত হৈ আছে এই নামটোৰ মাজত।

ড° সুখ বৰুৱা বাইদেউৰেও বিচাৰি পাইছিল জীৱনৰ অৰ্থ। উপলব্ধি কৰিছিল সমাজ সম্পৰ্কে তেওঁৰ দায়িত্ব। কৰ্মক ধৰ্ম হিচাপে লৈ ত্যাগক হেলাৰঙে জয় কৰিছিল। এনে কথা নহয় যে, আপোন জীৱনৰ সকলো প্ৰয়োজন শেষ হোৱাৰ পিচত তেওঁ 'ত্যাগ' কি সেই বিষয়ে বুজিবলৈ চেষ্টা কৰিছিল। ১৯৭০ চনতে বেতবাৰী, শিৱসাগৰৰ পৰাই আৰম্ভ হৈছিল এই যাত্ৰা। অতি নিৰিবিলি মূহুৰ্ত্তত কাষতে শুই এদিন বাইদেউৱে মোৰ আগত কৈছিল—'বেতবাৰী আদৰ্শ উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ৰ প্ৰতিষ্ঠা হোৱাৰ সময়ৰ সেই অঞ্চলৰ নাৰী শিক্ষাৰ দূৰৱস্তা তথা নাৰী শিক্ষাৰ প্ৰতি সমাজৰ উদাসীনতা আৰু বাট পথৰ জৰাজীৰ্ণ অৱস্থাৰ কথা । বাইদেউৱে সাধুকথাৰ দৰে কৈছিল কেনেকৈ ঘৰে ঘৰে গৈ ছোৱালীবোৰ বিচাৰি বিচাৰি বিদ্যালয়ত নাম ভৰ্ত্তি কৰিবলগীয়া হৈছিল। ইয়াৰ পিচতে সেই বিদ্যালয়ৰ চাকৰি এৰি মৰাণ বালিকা বিদ্যালয়লৈ অন্য এক যাত্ৰা। নাৰী শিক্ষাৰ অক্লান্ত সংগ্ৰামী নেত্ৰী ড° সুখ বৰুৱাৰ প্ৰচেষ্টাতে নাৰী শিক্ষাৰ উত্তৰণৰ লক্ষ্যৰে মৰাণৰ মাজ মজিয়াতে গঢ় লৈ উঠা মৰাণ মহিলা মহাবিদ্যালয় আজি অঞ্চলটোৰ বাবেই এক গৌৰৱৰ প্ৰতীক। তেওঁৰ গুণমুগ্ধসকলৰ দাবীত, সমাজৰ বৃহত্বৰ স্বাৰ্থত নিজৰ স্বাৰ্থক ক্ষুদ্ৰ জ্ঞান কৰি তেওঁ ত্যাগ কৰিলে চৰকাৰী চাকৰি। বিনা পাৰিশ্ৰামিকত তেওঁ মহাবিদ্যালয়ৰ অধ্যক্ষাৰ দৰে গুৰু দায়িত্ব গ্ৰহণ কৰিলে। বাইদেউৱে কৈছিল—'যিসময়ত মই চাকৰিটো এৰি দিছিলো সেই সময়ত মোক সৰ্বাধিক প্ৰয়োজন আছিল সেই চৰকাৰী চাকৰিটো। কাৰণ এজনৰ চাকৰি দৰমহাৰে সেই সময়ত সকলো অভাৱ পূৰণ কৰাতো সম্ভৱ নাছিল। কিন্তু কলেজখনৰ স্বাৰ্থতে মই সকলো ত্যাগ কৰিছিলোঁ। এদিন যেতিয়া কলেজখনে চৰকাৰী স্বীকৃতি লাভ কৰিলেগৈ সেই সময়লৈ মোৰ বয়স চৰকাৰী নিয়মে ধাৰ্য্য কৰা চাকৰিৰ বয়সৰ সীমাতকৈ বহু বেছি হ'লগৈ। যাৰ বাবে মই এতিয়া পেঞ্চনৰ পৰাও বঞ্চিত হ'লোঁ'। তাৰ পিচতে বাইদেউৰ মুখত ঢৌ খেলি যোৱা

হাঁহিটোত মই প্ৰত্যক্ষ কৰিছিলোঁ এক অনন্য তৃপ্তি। তেওঁৰ এই যাত্ৰাত পৰিয়ালৰ আটাইকেইজন সদস্যৰ সহযোগিতাৰ বিষয়ে মোক বহুবাৰ কৈছিল। অৱশ্যে স্বাস্থ্যজনিত কাৰণত কেতিয়াবা যে বাধা দিছিল সেই কথাও কৈ বাইদেউৱে হাঁহিছিল। খুব কাষৰ পৰা তেওঁৰ মুখত তন্ন তন্নকৈ বিচাৰিছিলোঁ ইমান ত্যাগৰ পিছত কিজানিবা কৰবাত বিচাৰি পাওঁ এটা হলেওঁ হতাশাৰ বিন্দু। কিন্তু, সাহস সংযম, দৃঢ়তাৰ অমল ব্যক্তিত্বৰে মহীয়ান আছিল তেওঁ। অ' এইখিনিতে এটা কথা মনলৈ আহিছে— কিবা প্ৰসংগত তেওঁ কৈছিল আমি হোৱাই নোহোৱাই য'তে ত'তে মহীয়সী শব্দটো ব্যৱহাৰ কৰিব নালাগে। এগৰাকী নাৰী মহিয়সী হ'বলৈ বহু সাধনাৰ প্ৰয়োজন। কেৱল শব্দৰ ব্যৱহাৰৰ ক্ষেত্ৰতে নহয় সাজ কাপোৰ, আচাৰ-আচৰণৰ ক্ষেত্ৰতো সদা সচেতন বাইদেউৰ ব্যক্তিত্বই আছিল অতুলনীয়।

বাইদেউ একেধাৰে কবি, গল্পকাৰ, নিবন্ধকাৰ আৰু সমালোচকেই যে আছিল এনে নহয়। তেখেতৰ সৈতে পাৰ কৰা অতি নিবিড় সময়বোৰৰ মোৰ আন্তৰিক উপলব্ধি—তেওঁ এগৰাকী সাহসী সুদক্ষ নেত্ৰী, আদৰ্শৱান অভিভাৱক, লক্ষ্মী গৃহিনী,মমতাময়ী মাতৃ, মৰম আকলুৱা জ্যেষ্ঠ ভগ্নী আৰু সৰু সৰু কথাতে অভিমান কৰিব জনা বান্ধৱী স্বৰূপা আছিল মোৰ বাবে। সভা-সমিতি পৰিচালনা কৰাৰ ক্ষেত্ৰত বা ভাষণৰতা বাইদেউ গৰাকী দেখিলেই অনুমান কৰিব পাৰি তেওঁৰ ভাৱনাৰ গভীৰতা, ভাষাৰ মাধুৰ্য্য আৰু তেওঁৰ সম্ভ্ৰান্ত ব্যক্তিত্বৰ কথা। তেওঁ অসুস্থ হোৱাৰ আগলৈকে যেতিয়াই কিবা কথা মনত পৰিছিল দিনটোত তিনি চাৰি বাৰ ফোন কৰি কথাবোৰ শিকাইছিল বুজাইছিল আৰু সেইবোৰ পালন কৰিবলৈ উপায়ো দিছিল। কেতিয়াবা ধেমালিতে বাইদেউক 'অন্নপূৰ্ণা' বুলি জোকাইছিলোঁ। ঘৰলৈ যোৱা সকলোৰে বাবে তেওঁৰ ৰান্ধনীশালত অন্নৰ অভাৱ নাছিল। কেতিয়াবা ৰান্ধি খোৱাই থৈ যোৱা বুলিও কিবা কিবি ৰান্ধিবলৈ দিছিল। সভা সমিতি বা কিবা বিশেষ কামত কেইবাবাৰু বাইদেউৰ লগত একেলগে গৈ পাইছো। ওলাই যাওঁতে ভিনদেউক সেৱা কৰি যোৱাৰ পৰম্পৰাৰ পৰাই বাইদেউৰ পতিব্ৰতা এগৰাকী পত্নীৰ ছবিও প্ৰত্যক্ষ কৰিছোঁ। সন্তানৰ স্নেহত আপ্লুত হোৱা সেই মমতাময়ী মাতৃ গৰাকীও দেখিছো বাইদেউৰ মাজত। 'জীৱনজয়ী চন্দ্ৰপ্ৰভা' গ্ৰন্থখনিৰ সম্পাদনাৰ দায়িত্বলৈ তাত সন্নিৱিষ্ট কৰিব পৰা বিষয়ৰ ওপৰত আমাৰ লগত আলোচনা কৰিছিল। কথাষাৰ এই বাবেই উল্লেখ কৰিলোঁ যে- তেওঁৰ গৰ্বহীন ভিতৰখন মই দেখা পাইছিলোঁ। এগৰাকী নেত্ৰী আৰু লেখিকা হিচাপে বাইদেউ আৰু আমাৰ মাজত এক বৃহৎ পাৰ্থক্য আছিল। সেই গ্ৰন্থখনিত এটি প্ৰবন্ধলিখাৰ সুবিধা আমিও পাইছিলোঁ। হাতে লিখা প্ৰায় ৮-৯ পৃষ্ঠাৰ লেখাটো বাইদেউৱে দুবাৰ কৈ ঘূৰাই পঠাইছিল। তৃতীয় বাৰ পঠালোঁ। মনে-মনে বাইদেউলৈ খুওব খং উঠিছিল আৰু কৈছিলোঁ— বাইদেউ, যিখন গ্ৰন্থত নিৰুপমা বৰগোহাঞি, ড° কৰবী ডেকা হাজৰিকা, অনিমা গুহ বাইদেউৰ দৰে লেখিকাৰ প্ৰজ্ঞাৰ সমাহাৰ ঘটিছে তাত মোৰ ধূলি-মাকতিৰ তুল্য ভাৱ-ভাষাৰে লিখা লেখাতো বাৰু কেনেকৈ প্ৰকাশ কৰিব? তেতিয়া বাইদেউৱে কৈছিল—'আইজনী অ' তোমাৰ প্ৰথম লেখাটোৱেই ধুনীয়া হৈছিল কিন্তু মই তোমাৰ পৰা তাতকৈও অধিক আশা কৰোঁ। সেয়া এটা কাৰণ আৰু তোমাৰ ধৈৰ্য্য পৰীক্ষা আছিল আন এটা কাৰণ।' বাইদেউৱে আমাক কিমান শিকাবলৈ বিচাৰিছিল তাৰ এয়া মাথোঁ এটা উদাহৰণহে।

বিশ্বনাথ চাৰিআলিত হোৱা আমাৰ ‘সদৌ অসম মহিলা কবি মঞ্চ’ৰ প্ৰথম দ্বি-বাৰ্ষিক অধিৱেশনত বাইদেউৰ উপস্থিতি মই হাজাৰ বাৰ কামনা কৰিছিলো কিন্তু লক্ষবাৰ কামনা কৰা নাছিলোঁ। কাৰণ তেতিয়া বাইদেউ অসুস্থতাৰ পৰা কিছু সুস্থ হৈ উঠিছিলহে মাত্ৰ। এই অধিৱেশনৰ বিষয় বাচনি সভাত বাইদেউৰ ভাষণ আমাৰ প্ৰতিগৰাকী বাই-ভনীৰ মনত, হৃদয়ত এতিয়াও আছে সদায় থাকিব। অনুষ্ঠান সম্পৰ্কীয় বহু দিহা-পৰামৰ্শৰ পিচত সভানেত্ৰী, কাৰ্যকৰী সভানেত্ৰী, মুখ্য সম্পাদিকা পদ কেইটাৰ বাবে বাইদেউৱে নিজে নাম ঘোষণা কৰি সভাৰ সন্মতি বিচাৰিছিল। অনুষ্ঠানটি সুন্দৰ আৰু সুচাৰু ৰূপে আগবঢ়াই নিয়াত সকলোৱে আন্তৰিক সহায় সহযোগিতা কামনা কৰি কৈছিল—‘ এয়াই মোৰ শেষ সভা’। স্বাস্থ্যজনিত কাৰণত মই আৰু এতিয়াৰ পৰা এনেকৈ আপোনাসৱৰ ওচৰলৈ আহিব নোৱাৰিম।

আজিৰ পৰা প্ৰায় ৪-৫ মাহৰ আগত শেষ বাৰৰ বাবে বাইদেউক ঘৰত দেখা কৰিছিলোঁ। বিদায় পৰত মোৰ সোঁ হাতখন বুকুত সাৱতি ধৰি হুক-হুকাই কান্দিছিল। প্ৰথম বাৰৰ বাবে বাইদেউক ভাগি পৰা দেখিছিলোঁ। কৈছিল, ‘মহিলা কবি মঞ্চ’ক লৈ বহুত পৰিকল্পনা আছিল স্বাস্থ্যই বাধা দিলে। এই বুলি মোক বহুখিনি দিহা-পৰামৰ্শ দি ক’লে—মোক কথা দিয়া, পাৰিবানে সকলোবোৰ পালিব? মই বাইদেউক সাৱতি ধৰি কথা দিলোঁ। সঁচাই ভবা নাছিলো বাইদেউৰ সেই স্নেহ উত্তাপেই মোৰ বাবে তেওঁৰ শেষ স্নেহ স্পৰ্শ হ’ব। এনে অনুমান হৈছিল সকলো সমস্যাৰে সমাধান কৰিব জনা মানুহ গৰাকী নিজে যেন নিজৰ বাবে আজি নিজেই এক বৃহৎ সমস্যা হৈ পৰিছে।

সাধাৰণতে নিশা ন বজাৰ পিচতে ম’বাইল অফ কৰা বাইদেউ গৰাকীয়ে যেতিয়া নিশা দহ বজাতো মোলৈ ফোন কৰি মনলৈ অহা কিবা এটা কয় তাতে প্ৰকাশ পায় মহিলা কবি মঞ্চৰ প্ৰতি থকা বাইদেউৰ সপোন, আনুগত্য আৰু ভালপোৱাৰ লগতে আমাৰ প্ৰতি থকা বিশ্বাস আৰু আস্থাৰ কথা।

৩১ ডিচেম্বৰ ১৯৪৬ চনৰ পৰা, ৩ছেপ্তেম্বৰ ২০২৩ লৈ এই ৭৭বছৰীয়া জীৱন পৰিক্ৰমাত বাইদেউৱে যিমান পালে তাৰ বিনিময়ত দি গ’ল কিন্তু অলেখ। ৭৭বছৰ জীয়াই থাকি নিজ কৰ্ম, ত্যাগ আৰু ব্যক্তিত্বৰে নিজক খোদিত কৰি থৈ গ’ল প্ৰজন্মৰ পৰা প্ৰজন্মলৈ।

বাইদেউ, সময়ৰ সোঁতত পৃথিৱীত সকলো হেৰাই যায় কিন্তু হেৰাই নাযায় সৎ জনৰ সান্নিধ্যৰ সুবাস। আপুনি বন্ধাই যোৱা পথ, দি যোৱা কৰ্ম আৰু আদৰ্শেৰে বাট লোৱা আমি সেনানী। আপুনি সদায় জীয়াই থাকিব আমাৰ হৃদয়ে হৃদয়ে। য’তে আছে তাৰ পৰাই আমাক আশীৰ্বাদ কৰি যাব। ●

# মালৈ একাঁজলি শ্ৰদ্ধাঞ্জলি

**লিপি বৰুৱা ডেকা**
জী

এটি সন্তানৰ বাবে মাতৃ কি সেয়া সৰ্বজনবিদিত। মাতৃ আৰু সন্তানৰ সম্পৰ্কৰ বিষয়ে হয়তো নতুনকৈ কোৱাৰ প্ৰয়োজন নাই। প্ৰতিজন মানুহৰ অনুভৱত ৰৈ যায় মাতৃসত্তাৰ ঠিকনা।

মা মোৰ বাবে সদায় অনুপ্ৰেৰণাৰ উৎস আছিল। প্ৰতিটো খোজতে মায়ে দিয়া উৎসাহে মোক জীৱনমুখী কৰি তুলিছিল। মা কেৱল মাৰ সন্তান কেইটাৰ বাবেই আদৰ্শ বা অনুপ্ৰেৰণা নাছিল। তেওঁ এখন সমাজ তথা বহু মানুহৰ বাবে আছিল অনুপ্ৰেৰণাৰ থলী। জনা হোৱাৰে পৰা দেখি আহিছিলো মায়ে জীৱনত বহু মানুহক সহায় কৰিছিল। সেয়ে হয়তো তেওঁৰ যেতিয়াই প্ৰয়োজন হৈছিল মাত্ৰ এটা ফোন কলতে তেওঁক সহায় কৰিবলৈ মানুহ দৌৰি আহিছিল। অভিনন্দন, গ্ৰন্থ উন্মোচন অনুষ্ঠানৰ সকলো আয়োজন মায়ে লাইব্ৰেৰী ৰুমৰ বিচনাৰ পৰাই কৰা দেখি মই আচৰিত হৈছিলো। মঞ্চ, বেনাৰ, অতিথি, আহাৰ আদি সকলোবোৰৰ যোগাৰ তেওঁ ফোনত কথা পাতিয়েই সম্ভৱ কৰি পেলাইছিল। সেইদিনটোত মাৰ অগণন শুভাকাংক্ষীক দেখি মই অভিভূত হৈ পৰিছিলো।

এবাৰ মুম্বাইৰ পৰা ঘৰলৈ আহোঁতে ঘৰত জোনাকী মেল অনুষ্ঠিত কৰা দেখিছিলো। মাৰ কষ্ট লাঘৱ কৰাৰ বাবে সকলোৱে ঘৰতে খাবৰ বাবে কিবা কিবি বনাই লৈ আনিছিল যদিও মায়ে নিজৰ ফালৰ পৰাও বহুখিনি যোগাৰ কৰিছিল। সেই সভাখন দেখি বুজিছিলো মাৰ চিন্তা-চৰ্চা কিমান ওপৰত। সৰু সৰু কথাত মূৰ ঘমোৱা, গচিপ কৰা আদিলৈ তেওঁৰ সময়েই নাছিল।

মাৰ বিচনাৰ কাষৰ টেবুলখনত বহী এখন আৰু কলম এটা সদায়েই থাকিছিল। ৰাতি যদি কিবা মনলৈ আহে শোৱাৰ পৰা উঠিও সেয়া তেওঁ লিখি থৈছিল। দিনত শুই থাকোতেও মন কৰিছিলো তেওঁ চকুযুৰি বন্ধ কৰি বিচনাতে আঙুলি ঘূৰাই ঘূৰাই লিখাবোৰ ভাবি থাকে। লিখি থকা প্ৰবন্ধ বা কিতাপবোৰৰ বাক্যৰ গাঁথনি বা শব্দবোৰ মিলাবলৈ যত্ন কৰে। সেইসময়ত যদি মই ফোন কৰো মায়ে কৈছিল - "কিয় কৰিলি আকৌ? মই লিখিবলে কিবা এটা ভাবি আছিলো।" ময়ো সদায় তেনে সময়তেই ফোন কৰি মাৰ চিন্তাত বাধা দিছিলো।

মায়ে সময় সাপেক্ষে বহু মানুহক সহায় কৰিছিল। বহু মেধাৱী ছাত্ৰীক মোৰ নিপিন্ধা চুৰিদাৰ, চেণ্ডেল বিলাই দিছিল। কেৱল পইচাই নহয় কাপোৰ-কানি দিও সহায় কৰিছিল। ঢুকোৱাৰ তিনি বছৰ মান আগেয়ে মায়ে আইকণ বাইদেউক যি সহায় কৰিলে সেয়া ভাবিবলগীয়া। গিৰিয়েকৰ লগত সম্পৰ্ক বিচ্ছেদ হোৱাৰ বাবে তাইৰ আশ্ৰয়স্থল নোহোৱা হৈ পৰিছিল। বাইদেউৰ ছোৱালীজনীও আছিল

মানসিক ৰোগী। তেনে অৱস্থাতো মায়ে বিশেষ একো নাভাবি মাক-জীয়েকক আমাৰ ঘৰত আশ্ৰয় দিছিল। তেনেকৈ আশ্ৰয় দিয়াত ওচৰ-চুবুৰীয়া সকলো আচৰিত হৈছিল যদিও মায়ে একো চিন্তা কৰা নাছিল বৰং তেওঁ মানুহৰ জীৱনটোক প্ৰাধান্য দিছিল। বাইদেউৰ ছোৱালীজনীক চিকিৎসা কৰাই কেনেকৈ আৰোগ্য কৰিব পাৰি তাৰ ওপৰত গুৰুত্ব দিছিল। মৃত্যুৰ আগমুহূৰ্তত মায়ে ছোৱালীজনীৰ দ্বিতীয়টো চেক্-আপ কৰাব নোৱাৰিলো, কৰি ল'বা বুলি আইকণ বাইদেউক কৈ গৈছিল।

কলেজখন খোলাৰ ক্ষেত্ৰত মায়ে কৰা ত্যাগৰ কথা সকলোৰে জানে। আমিও নিজ চকুৰে কথাবোৰ প্ৰত্যক্ষ কৰিছিলো। মায়ে কিছুমান ক্ষেত্ৰত মানসিকভাৱে কষ্ট পাইছিল যদিও সেইবোৰ কথা প্ৰকাশ নকৰিছিল। ইমানেই তেওঁ শক্তিশালী আছিল যে সেইবোৰ কথাই তেওঁক বৰ বিশেষ অনিষ্ট কৰিব পৰা নাছিল। সকলো কথা তেওঁ চম্ভালি ল'ব পাৰিছিল। মাৰ এনেধৰণৰ বহু কথা আছিল যিবোৰ ময়ো গম পোৱা নাছিলো, বহু পাছতহে আনৰ মুখেৰে জানিব পাৰিছিলো।

ঘৰলৈ অহা আলহীক তেওঁ কেতিয়াও শুদা মুখে নপঠাইছিল। টকা-পইছা, কাপোৰ-কানি এইবোৰৰ কথা নকওঁৱেই বিচনা, আলমাৰী, টি.ভি পৰ্যন্ত মানুহক এনেয়ে দি দিছিল। ক'ভিদৰ সময়ত দেখিছিলো মায়ে দুখীয়া মানুহৰ মাজত মাছ বিতৰণ কৰিছিল আৰু কেনেকৈ তেল নিদিয়াকৈ পাতত দি খাব পাৰি সেয়াও শিকাই দিছিল।

শেষৰ সময়লৈকে মায়ে নিজৰ ওপৰিও দেউতাৰ খেয়াল ৰাখিছিল। দেউতা ক'ত গৈছে, কি কৰিছে, কি খাইছে আদি সকলো কথা তদাৰক কৰিছিল। ক'ভিদৰ পাছৰ পৰা মালৈ সঘনাই ফোন কৰিছিলো। ক'ভিদৰ আগৰ সময়চোৱাত মা সভা-সমিতিবোৰত ব্যস্ত হৈ থাকে বাবে আমি তেওঁ ঠিকেই আছে বুলি নিশ্চিন্ত হৈ থাকিব পাৰিছিলো। কিন্তু ক'ভিদৰ সময়ত বা পাছৰ সময়চোৱাত তেওঁ প্ৰায় ঘৰতে থাকিব লগা হোৱাত আমাৰ মনবোৰো বেয়া লাগি থাকিছিল। ৰাতিপুৱা আঠ বজাৰ আৰু আবেলি পাঁচ বজাৰ মাৰ ফোনটোলৈ এতিয়া যে মনত পৰি থাকিব।

কিছুদিনৰ আগৰ পৰা মায়ে কৈছিল যে আমাৰ বয়স হৈ আহিছে, কথাবোৰ প্ৰেক্টিকেলি ভাবিবলৈ ল'বি। বেয়া খবৰো পাব পাৰ কিন্তু লগে লগে হাবাথুৰি খাই অচেতন হৈ কান্দি কাটি নাহিবি। মানুহৰ মৃত্যুৰ পাছত ৰাখি থ'লে পৰিয়ালৰ লগতে ওচৰ-চুবুৰীয়া, শুভাকাংক্ষী সকলোৰে অসুবিধা হয়। কিন্তু মাক আমি ৰাখি থৈছিলো কাৰণ সকলোৰে শেষবাৰৰ বাবে হ'লেও মাক চাব বিচাৰিছিল। সেইদিনা প্ৰায় ৭৯/৮০ টা সংগঠনে মাক বিদায় দিছে। কেৱল আমিয়েই তেওঁৰ পৰিয়াল নহয়, মাৰ শুভাকাংক্ষীসকলো তেওঁৰ নিকট আত্মীয়।

মাৰ শেষৰ সময়খিনিত তেওঁৰ লগত মই বহুত ক্লজ হৈ পৰিছিলো। প্ৰতিটো কথাই মোক কৈছিল। এটা এটা মুহূৰ্ত মই গম পাই আছিলো। মই মানসিকভাৱে ইমান শক্তিশালী নাছিলো। মোক মানসিকভাৱে শক্তিশালী কৰিবলৈ তেওঁ বিভিন্ন কথা কৈছিল। মাৰ সেই কথাবোৰৰ পৰাই মই শক্তি পাইছো। এই সময়তো ধীৰে-স্থিৰে মনৰ কথাবোৰ জুকিয়াই লিখিব পাৰিছো।

শেষত মাৰ বিদেহ আত্মাৰ সদ্‌গতি কামনা কৰিছো। ঔম শান্তি শান্তি।●

# সান্নিধ্যৰ ছাঁ ঃ সুখ বৰুৱা

**জয়শ্ৰী ফুকন**

জন্ম হ'লে মৃত্যু অনিবাৰ্য। এই কথাষাৰ চিৰন্তন সত্য বুলি জানিও আমি প্ৰত্যেকেই আপোনজনৰ মৃত্যুত ব্যাকুল হৈ পৰোঁ। সিদিনা আছিল ৩ ছেপ্তেম্বৰ। সুখ বৰুৱা বাইদেউৰ মৃত্যুৰ খবৰটো পাই মৰ্মাহত হৈছিলোঁ। কাৰণ এই মৃত্যুৰ খবৰটো আমাৰ বাবে আছিল অতি আকস্মিক। চিকিৎসাধীন হৈ আছিল যদিও ইমান সোনকালে আমাৰ মাজৰ পৰা আঁতৰি যাব বুলি ভৰাই নাছিলোঁ। তেখেতৰ মৃত্যুত মৰাণবাসীয়ে এগৰাকী মহিলা নেত্ৰী হেৰুৱালে।

তেখেতৰ মহান কৰ্মৰাজিৰ ভিতৰত অন্যতম হ'ল মৰাণ মহিলা মহাবিদ্যালয় প্ৰতিষ্ঠা। ১৯৯২ চনৰ নৱেম্বৰ মাহ। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ চূড়ান্ত পৰীক্ষা দি ঘৰত আছোহি। তাৰ ঠিক তিনিদিন মানৰ পিছত (তাৰিখটো মনত নাই) আমাৰ ঘৰৰ সন্মুখত এখন গাড়ী ৰ'লহি। গাড়ীখনৰ ড্ৰাইভিং চিটৰ পৰা নামি আহিল প্ৰয়াত শৰৎ শইকীয়া আৰু বাওঁফালৰ সন্মুখৰ আসনৰ পৰা নামি আহিল শ্ৰীযুতা সুখ বৰুৱা। ইতিমধ্যে আমি জানিব পাৰিছিলো মৰাণত এখন ছোৱালী কলেজ প্ৰতিষ্ঠা হৈছে। কলেজখনৰ বাবে প্ৰয়োজনীয় বাঁহ-কাঠ বিচাৰি মৰাণৰ দাঁতিকাষৰীয়া প্ৰায় প্ৰতিটো অঞ্চললৈ যোৱাৰ লগতে ৰাঙলী অঞ্চলৰ বিভিন্ন ব্যক্তিৰ ঘৰলৈ যাওঁতেই আমাৰ গৃহত তেখেতসকলৰ পদাৰ্পণ। কথা বতৰাৰ মাজতে সুখ বৰুৱা বাইদেৱে প্ৰস্তাৱ দিলে 'পৰীক্ষা দি আহিলা যেতিয়া ঘৰত বহি থাকিব নালাগে। আমাৰ কলেজলৈ আহিবা, ছোৱালী পঢ়াবা। সেয়াই আৰম্ভণি, মৰাণ মহিলা মহাবিদ্যালয়ৰ লগত আৰু সুখ বৰুৱা বাইদেউৰ লগত। প্ৰায় ২১ বছৰ একেলগে কাম কৰাৰ সৌভাগ্য হৈছে। দীৰ্ঘদিনীয়া অভিজ্ঞতাৰে কওঁ বাইদেউ এগৰাকী অত্যন্ত সাহসী মহিলা। তেখেতৰ কৰ্মদক্ষতা আৰু একাগ্ৰতা মৰাণৰ নাৰী সমাজৰ বাবে অনুপ্ৰেৰণাৰ উৎস হৈ ৰ'ব।

আইৰ উমাল কোলাৰপৰা পুত্ৰৰ কান্ধত উঠি চন্দন কাঠৰ চিতালৈ এক দীঘলীয়া পৰিক্ৰমা, এয়েটো জীৱন। জীৱন নাট সামৰি তৰাৰ দেশলৈ গুচি গ'ল বাইদেউ।

শেষত আজি আদ্যশ্ৰাদ্ধৰ পবিত্ৰ ক্ষণত তেখেতৰ আদৰ্শনীয় গুণ আৰু কৰ্মৰাজিৰ গভীৰ শ্ৰদ্ধাৰে সুঁৱৰিছো আৰু শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছোঁ। আশা কৰোঁ এইগৰাকী নাৰীৰ আদৰ্শই আমাৰ নৱ প্ৰজন্মক প্ৰেৰণা যোগাব। ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ- আপুনি য'তেই আছে শান্তিত থাকক। ●

# নাৰী শিক্ষাৰ বাটকটীয়া ড° সুখ বৰুৱা

**ৰিজুমণি শইকীয়া তামুলী**

ড° সুখ বৰুৱা। সাহস আৰু ত্যাগৰ প্ৰতীক। এক অনন্য ব্যক্তিত্বৰ অধিকাৰী এই গৰাকী মহিয়সী নাৰী, নাৰী সমাজৰ বাবে এক আদৰ্শ। তেখেতৰ সৌষ্ঠৱপূৰ্ণ তথা অভিনৱ কৰ্মৰাজীয়ে বহুতো সামাজিক অনুষ্ঠান সমৃদ্ধ কৰিছে।

ৰত্নগৰ্ভা, মৰাণ কুঁৱৰী, কৰ্মযোগী, প্ৰেৰণাময়ী, মহিয়সী, হাব্ৰুনি ফামে আৰু জাচিংফা এই অজস্ৰ নামেৰে তেখেত বিভূষিতা এইগৰাকী সু-লেখিকা, গৱেষক, শিক্ষাবিদ, সমাজ সংগঠক, নাৰী শিক্ষাৰ বাটকটীয়া ড° সুখ বৰুৱাই নাৰী সবলীকৰণ, স্ত্ৰী শিক্ষাৰ প্ৰসাৰৰ বাবে নিজৰ জীৱন উচৰ্গা কৰিছে। এগৰাকী দক্ষ সংগঠক ৰূপে পৰিচয় দিবলৈ সক্ষম হোৱা সাহসী তথা আদৰ্শ নাৰী ড° সুখ বৰুৱাই সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী পদ শুৱনি কৰিছে। মৰাণ শাখা লেখিকা সমাৰোহ সমিতিৰ প্ৰতিষ্ঠাপক সভানেত্ৰী হোৱাৰ উপৰিও তেখেতে ১৬ টা শাখা প্ৰতিষ্ঠা কৰিছে। সমাজৰ প্ৰতি থকা দায়বদ্ধতাৰ প্ৰমাণ তেখেতে অষ্টম শ্ৰেণীত পঢ়ি থাকোতেই দিছিল। তেখেতে পঢ়া বিদ্যালয়লৈ অহা-যোৱা কৰা পথছোৱা বোকা-পানীৰে পৰিপূৰ্ণ হৈ ঠায়ে ঠায়ে গাঁত হোৱাত তেখেতে আনলৈ বাট নাচায় নিজেই মানুহৰ ঘৰৰ পৰা তামোল গছ কাটি আনি সাঁকো পাৰি দি বিদ্যালয়লৈ যোৱা বাটটো সুচল কৰি দি সকলোকে সুবিধা কৰি দিছিল। তেনে ধৰণৰ সমাজ সেৱাৰ বীজ অংকুৰিত হৈছিল তেখেতৰ কিশোৰী অৱস্থাতেই।

এক ব্যক্তিসত্ত্বাৰ পৰা এটি অনুষ্ঠানলৈ ৰূপান্তৰিত হোৱা ড° সুখ বৰুৱাই জন্মস্থান বেতবাৰীত এখন উচ্চ মাধ্যমিক বালিকা বিদ্যালয় প্ৰতিষ্ঠা কৰি বিয়াৰ পাছত মৰাণ উচ্চ মাধ্যমিক বিদ্যালয়ত শিক্ষয়িত্ৰী ৰূপে আত্মনিয়োগ কৰে।

সেই সময়তে তেখেতে মৰাণত নাৰীৰ উচ্চ শিক্ষাৰ প্ৰয়োজনীয়তা অনুভৱ কৰি চৰকাৰী শিক্ষয়িত্ৰীৰ পদটি ইস্তফা দি মৰাণৰ বিভিন্ন প্ৰান্তৰ নাৰীৰ বাবে মৰাণ মহিলা মহাবিদ্যালয় প্ৰতিষ্ঠা কৰি নাৰী শিক্ষাৰ বাটকটীয়া ভূমিকা পালন কৰে। মৰাণৰ নাৰীসকলক সবলীকৰণ কৰাৰ উদ্দেশ্যে "মৰাণ আঞ্চলিক মহিলা মঞ্চ", "সংঘমিত্ৰা" আৰু নাৰীসকলক সৃষ্টিশীল কৰ্মত নিয়োজিত কৰাৰ উদ্দেশ্যে মৰাণ শাখা লেখিকা সমাৰোহ প্ৰতিষ্ঠা কৰি মৰাণৰ নাৰীসকলক সবলীকৰণৰ লগতে সাহিত্যৰ ক্ষেত্ৰখনো আগুৱাই নিয়াত এক আদৰ্শ নাৰী হিচাপে তেখেত সমাদৃত। কু-সংস্কাৰ, অন্ধবিশ্বাস, শোষণ, অন্যায়, নিৰ্যাতন আদিৰ বিৰুদ্ধে এক শক্তিশালী কণ্ঠ হৈ স্ব-নিৰ্ভৰশীল হৈ এগৰাকী সবল নাৰী হিচাপে নিজকে পৰিচয় দিবলৈ সকলো নাৰীকে তেখেতে সাহস আৰু

প্ৰেৰণাৰে উদ্বুদ্ধ কৰিছে। প্ৰবল ইচ্ছা শক্তি, কৰ্মোদ্যম, কষ্ট, ত্যাগ আদি গুণৰ অধিকাৰী হ'লে যে সকলো মহিলাই নিজ নিজ স্থানত সমাজৰ আদৰ্শ স্বৰূপ হ'ব পাৰে, সেই কথা তেখেতৰ প্ৰতিটো ভাষণ, প্ৰতিটো কাৰ্যাৱলীয়ে প্ৰমাণ কৰে। গভীৰ জ্ঞানৰ অধিকাৰী ড° সুখ বৰুৱা একেধাৰে কবি, গল্পকাৰ, নিবন্ধকাৰ আৰু সমালোচক হিচাপে পৰিচিত সাহিত্যৰ জগতত, বিভিন্ন কাকত আলোচনীত তেখেতৰ বহু তত্বগধুৰ প্ৰবন্ধ, গল্প, কবিতা আৰু অনান্য লেখা প্ৰকাশ পাইছে। কেৱল সাংগঠনিক দিশতেই তেখেত দক্ষ নহয়। তেখেতৰ দক্ষতা তথা প্ৰতিভাৰ প্ৰমাণ পোৱা যায়, তেখেতৰ সৃষ্টিৰাজিৰ মাজতো।

বিভিন্ন অনুষ্ঠানে বিভিন্ন সময়ত তেখেতলৈ আগবঢ়োৱা বঁটাসমূহ হৈছে -
(১) পূৰ্ণিমা বৰুৱা বঁটা, (২) অসম চৰকাৰৰ সাহিত্য বঁটা (৩) অসম চৰকাৰৰ সাহিত্যিক পেঞ্চন, (৪) অসম চৰকাৰৰ চন্দ্ৰপ্ৰভা শইকীয়ানী বঁটা, (৫) বীৰাংগনা মূলাগাভৰু বঁটা, (৬) সমাজসেৱা আৰু সাহিত্য সেৱা বঁটা আদি উল্লেখযোগ্য ইয়াৰ উপৰিও প্ৰায় ১৩৮ টা সংগঠনৰ সম্বৰ্ধনা লাভ কৰা ড° সুখ বৰুৱাই অসমৰ বিভিন্ন ঠাইত সিঁচৰতি হৈ থকা ভালেমান শাখা, দল-সংগঠন, তথা অনুষ্ঠান-প্ৰতিষ্ঠানৰ পৰাও সম্বৰ্ধনা লাভ কৰিছে।

ত্যাগ আৰু কৰ্মৰ প্ৰতীক ড° সুখ বৰুৱাই শৃংখলাবদ্ধতা আৰু নিয়মানুবৰ্তিতাৰ ওপৰত সদায়ে খুব গুৰুত্ব প্ৰদান কৰিছিল, যাৰ বাবে তেখেতে গুৰি ধৰা সকলো অনুষ্ঠান-প্ৰতিষ্ঠানেই জাকত জিলিকা হৈ উঠিছিল।

যোৱা ১৪ ফেব্ৰুৱাৰীত ড° সুখ বৰুৱাৰ এখনি অভিনন্দন গ্ৰন্থ উন্মোচন কৰে মৰাণ মহিলা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত মৰাণ শাখা লেখিকা সমাৰোহ, মৰাণ আঞ্চলিক মহিলা মঞ্চ, সংঘমিত্ৰাৰ যুটীয়া উদ্যোগত প্ৰকাশ কৰি উলিওৱা ৰত্নগৰ্ভা 'ড° সুখ বৰুৱা' শীৰ্ষক গ্ৰন্থখনি শুভ উন্মোচন কৰে প্ৰজ্ঞাৰ সাধক ড° নগেন শইকীয়াদেৱে। অসমৰ বহু বুদ্ধিজীৱীৰ লেখাৰে সমৃদ্ধ হোৱা ৭৯৮ পৃষ্ঠাৰ এই মূল্যবান গ্ৰন্থখনি পঢ়াৰ সৌভাগ্য আমাৰো হৈছে।

ড° অনিল শইকীয়া চাৰে লোৱা ড° সুখ বৰুৱাৰ 'জীৱন পৰিক্ৰমা' শীৰ্ষক এটি সাক্ষাৎকাৰো প্ৰকাশ পাইছে গ্ৰন্থখনিত। বৰ ৰসাল আৰু আকৰ্ষণীয় হৈছে। তেখেতসকলৰ দীঘলীয়া বাৰ্তালাপৰ এটি প্ৰশ্নোত্তৰ এই লেখাৰ মাজেদি দাঙি ধৰিলোঁ। বিভিন্ন কৰ্মৰ মাজেৰে আপুনি মহিয়ান হৈ জিলিকি উঠিছে। ইতিমধ্যে আপুনি অনেক সামাজিক স্বীকৃতি আৰু অনেক অভিধা অৰ্জন কৰিছে। সেই বিষয়ে অকণমান কওকচোন -

সেই প্ৰশ্নৰ উত্তৰত ড° সুখ বৰুৱাই কৈছে- ''মই সম্মান পাইছোঁ, বঁটা পাইছোঁ, উপাধি পাইছোঁ আৰু হাজাৰজনৰ মৰম লাভ কৰিছোঁ। সেই কথা মই সদায়েই স্বীকাৰ কৰিম। ইমানখিনি কৰাৰ পাছতো মই যেন আৰু বহুত কাম কৰিবলগীয়া আছে। মই ভাবো মৰাণৰ মহিলাসকলে মোক যেনেদৰে ভাল পায়, ঠিক সেইদৰে অসমৰ মহিলাসকলেও মোক ভাল পায়। সেয়েহে তেওঁলোকে মোৰ এখনি অভিনন্দন গ্ৰন্থ প্ৰকাশৰ কথা চিন্তা কৰিছে। আৰু এই অভিনন্দন গ্ৰন্থখনৰ সম্পাদনাৰ দায়িত্ব লৈছে কল্পনা বৰাই। জানিব পাৰিছোঁ অতি কমেও ২০০ মান লেখা আহি ইতিমধ্যে সম্পাদিকাৰ হাতত পৰিছেহি। সেই লেখাবোৰ দেখি মই অভিভূত হৈ পৰিছোঁ। বিশেষকৈ এগৰাকী স্বনামধন্য লেখিকা ড° অনিমা গুহ বাইদেৱে লিখিছে আৰু মোকো কৈছে যে, তোমাৰ গাত এনেকুৱা কি যাদু আছে, তোমাক

কোনে এনেকুৱা এটা অসীম শক্তিৰ অধিকাৰী কৰিছে যিটো কাৰণে তুমি অনবৰতে কেৱল নাৰীৰ উন্নতি, নাৰীৰ মংগলৰ কাৰণে, সমাজৰ হিতৰ কাৰেণ চিন্তা কৰি থাকা। তোমাৰ নিজৰ কাম কৰিবলৈ যেন একো নাই।কেৱল নাৰীৰ কথাহে তুমি ভাবা। কিয়? মই তেতিয় তেখেতক কৈ হাঁহিছিলো, হয় বাইদেউ। নাৰীৰ শিক্ষৰ অবিহনে যে এখন সমাজৰ উন্নতি নহয়, প্ৰগতি নহয়। নাৰী শিক্ষা নহ'লে যে ঘৰ সমাজ তথা দেশৰ উন্নতি নহয় সেই কথা মই সৰুৰেপৰাই মৰ্মে মৰ্মে উপলব্ধি কৰিছিলোঁ আৰু সেই বাবেই সৰ্বতোপ্ৰকাৰে নাৰীক শিক্ষিত আৰু উন্নতি কৰাৰ ক্ষেত্ৰত মই মোৰ জীৱন উচৰ্গা কৰিছোঁ। আৰু মই ভাবোঁ এই কামটোৰেই মোক সামাজিক দায়বদ্ধতাৰে কৰা মোৰ জীৱনৰ আটাইতৈ সফল কাম।"

এগৰাকী নাৰীৰ থাকিবলগীয়া সকলো গুণেৰে বিভূষিতা এইগৰাকী সাহসী নাৰীৰ কৃচ্ছ্ৰসাধনা কৰ্মোদ্যম আৰু ত্যাগী মনোভাৱৰ বাবেই সমাজত তেখেতে নিজৰ ব্যক্তিত্বক গঢ়িবলৈ সক্ষম হৈছে। কেৱল নাৰী সমাজতেই নহয় সকলোৰে মাজত তেখেত এক আদৰ্শ নাৰী হিচাবে পৰিচিত।

তেখেতৰ আকস্মিক মৃত্যুত আমাৰ যেন মূৰৰ ওপৰৰ মুধচহে খহি পৰিল। বাইদেউ আত্মাৰ চিৰশান্তি কামনা কৰিছোঁ আৰু লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিলোঁ।●

# বাইদেউ ড° সুখ বৰুৱা

**বাসনা হাজৰিকা**

মৰাণ বুলি ক'লে, মৰাণৰ কথা ভাবিলে যি সকল ব্যক্তিৰ কথা বা প্ৰতিচ্ছবি চকুৰ আগত ভাঁহি উঠে সেইসকলৰ ভিতৰত ড° সুখ বৰুৱা বাইদেউ অন্যতম। এই গৰাকী বাইদেউক বাদ দি মৰাণৰ কথা ভাবিব পৰা নেযায়।

বাইদেউ গ'লগৈ। সকলোৰে বুকুত খোদিত কৰি থৈ গ'ল বাইদেউৰ প্ৰতিচ্ছবি। মৰাণ মহিলা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক, বিশিষ্ট সাহিত্যিক, সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী, মহিলা কবি মঞ্চৰ সভানেত্ৰীকে ধৰি অসমৰ বহু অনুষ্ঠান-প্ৰতিষ্ঠানৰ বিষয়বাব শুৱনি কৰি আছিল বাইদেউৱে। নাৰী সমাজখনত শিক্ষা, সাহিত্য, সংস্কৃতি সকলো দিশত গুৰি বঠা ধৰিছিল বাইদেউৱে। বিশেষকৈ ছাত্ৰী অৱস্থাতে বেতবাৰী অঞ্চলত এখন স্কুল প্ৰতিস্থা কৰাৰ যি সাহসী পদক্ষেপ গ্ৰহণ কৰিছিল সেইয়া সঁচাকৈয়ে গুৰুত্বপূৰ্ণ।

মৰাণ মহিলা মহাবিদ্যালয় প্ৰতিস্থা বাইদেউৰ জীৱনৰ এক উল্লেখযোগ্য অধ্যায়। এই মহাবিদ্যালয় প্ৰতিস্থা কৰাৰ বাবে মৰাণৰ বহু গ্ৰামাঞ্চলৰ ছোৱালীয়ে উচ্চ শিক্ষাৰ মুখ দেখিবলৈ সক্ষম হ'ল।

সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী হৈ থকা সময়ছোৱাত বাইদেউৱে কচুমাৰী, বিশ্ৰামপুৰ আদি অঞ্চলত লেখিকা সমাৰোহ সমিতিৰ শাখা গঠন কৰি মহিলা সকলক ৰান্ধনীশালৰ চাৰিবেৰৰ মাজৰ পৰা উলিয়াই আনি এক মৰ্যদা প্ৰদান কৰিলে।

বাইদেউ আছিল এগৰাকী অতি দৃঢ়মনা সাহসী মহিলা। এক কথাত ক'বলৈ গ'লে বীৰংগনা শব্দটোহে হয়তো বাইদেউৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব।

অত্যন্ত সাহসী দৃঢ়মনা মানুহ গৰাকী আছিল অতি মৰম আকলুৱা আৰু অভিমানি মোৰ স্বামী ড° প্ৰদীপ হাজৰিকা বাইদেউৰ সহোদৰ ভাই। স্বামীৰ মৃত্যু পিছত ভিনদেউ বিনন্দ বৰুৱা আৰু বাইদেউৱে প্ৰায়েই মোক মাতি পঠাইছিল, মইও ভিনদেউ বাইদেউৱে ভালপোৱা দৈ লৈ আহিছিলো। হাঁহি আৰু কান্দোনেৰে বহু অন্তৰঙ্গ মুহূৰ্ত্ত বাইদেউ ভিনদেউৰ সৈতে পাৰ কৰিছিলো। সেই বোৰ এতিয়া মধুৰ স্মৃতি হ'ল। এওঁ বাইদেউহঁতৰ ঘৰলৈ আহিলে মাতৃৰ দৰেই বাইদেউৱে প্ৰশ্ন কৰিছিল। কি খাই আহিলি। প্ৰদীপ ভাত খালিনে? চিৰদিন মনত থাকিব। ড° কমলা বৰগোহাঁই মৃত্যুৰ দিনা বাইদেয়ে কয় প্ৰদীপটো গ'লেই, কমলাও গ'ল। মই সোনকালেই ভাইহঁতক লগ ধৰিমগৈ। বাইদেৱে যেন সঁচাকৈ কথা ৰাখিয়ে ইমান সোনকালে গ'লগৈ। আমি শোকত ভাগি পৰিছোঁ।

বাইদেউ, আপোনাৰ মহাপ্ৰয়ানত আমি মৰ্মাহত, পৰমপিতাৰ ওচৰত প্ৰাৰ্থনা জনাইছো আপোনাৰ বিদেহ আত্মাই চিৰশান্তি লাভ কৰক। ●

# সৎ-কৰ্মৰ নিদৰ্শন চিৰস্মৰণীয়তাৰ প্ৰতীক

**ৰাজু কুমাৰ মেচ**

জীৱ মাত্ৰেই মৰণশীল। এদিন এই মায়াময় বিশাল ভু-সংসাৰৰ পৰা মায়ামোহ ত্যাগ কৰি যাবই লাগিব। জীৱ ক'ৰ পৰা আহে আৰু ক'লৈ যায় ; সেইয়া, কোনেও নাজানে। নিষ্ঠুৰ নিয়তিয়ে সকলোকে শোক সাগৰত পেলাই এদিন কাঢ়ি লৈ যায় জীৱক এই মায়া বজাৰৰ পৰা। পৰি ৰৈ মাথোঁ কাঠসদৃশ নিঠৰ দেহ। পৱিত্ৰাত্মা গৈ পৰমাত্মাত বিলীন হয়। ৰৈ যায় মাথোঁ - সৎ-কৰ্মৰ নিদৰ্শন চিৰদিন-চিৰকাললৈ বুলি। সঁচাকৈ মৃত্যুও যে এটা আচৰিত শিল্প।

মৰাণ মহিলা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষা তথা বিশিষ্ট সাহিত্যিক, সংগঠিকা, প্ৰসিদ্ধ নিবন্ধকাৰ, সু-লেখিকা, বিভিন্ন ধৰণৰ বটাঁ-প্ৰাপক, বিভিন্ন ধৰণৰ সভা-সমিতিত মধুৰ তথা তত্ব-গধূৰ ভাষণেৰে সকলোকে মুগ্ধ কৰা সু-বক্তা স্বৰ্গীয়া (ড°) সুখ বৰুৱা বাইদেউৰ অকাল বিয়োগে আমাৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান তথা বৃহত্তৰ সমাজকো শোক-সাগৰত পেলাই থৈ গ'ল। সকলোৰে বাবে এইয়া এক অপূৰণীয় ক্ষতি। তেওঁ লাভ কৰা উপাধিসমূহৰ কৃতিত্বত বিচাৰি পোৱা যায় — বাইদেউৰ কৰ্ম-প্ৰেৰণাৰ এটি নৱোৎসৰ এক গুৰুত্বপূৰ্ণ নিদৰ্শন। তেওঁৰ ৰচিত গ্ৰন্থসমূহে নৱ-প্ৰজন্মক উৎসাহিত কৰাটো পৰিলক্ষিত হয়। স্বৰ্গীয় বাইদেউ আছিল -এগৰাকী শিক্ষাবিদ, সু-লেখিকা তথা এগৰাকী সমাজ সেৱিকা।

প্ৰয়াত ড° সুখ বৰুৱা বাইদেউৰ জীৱন-শৈলী কৰ্মৰাজিৰে ভৰপূৰ এক বিৰল প্ৰতিভাৰ এক সুন্দৰ নিদৰ্শন। বাইদেৱে দি থৈ যোৱা কৰ্মাদৰ্শ, তেওঁৰ অমূল্য অৱদান যাতে সমাজৰ বাবে হৈ ৰওক - নৱোত্তৰণৰ নতুন চানেকি স্বৰূপ। সজ আচৰণৰে বিভূষিতা, সমাজ জীৱনৰ প্ৰতিটো সৎ-কৰ্মৰ দ্বাৰা উজলাই তোলা স্বৰ্গীয়া বাইদেউ আছিল - এগৰাকী বহুমুখী প্ৰতিভাৰে অলংকৃতা সুখ বাইদেউ এগৰাকী উজ্জ্বল নক্ষত্ৰ। সদৌ শেষত, বাইদেউৰ বিদেহ আত্মাৰ সদ্‌গতি কামনাৰে ভগৱন্তৰ সমীপত প্ৰাৰ্থনা জনালোঁ! পৰমপিতা পৰমেশ্বৰে তেওঁক যেন সৰগত স্থান দিয়ে এই কামনাৰে - একাঁজলি শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে, বাইদেউৰ শোক-সন্তপ্ত পৰিয়ালবৰ্গলৈও মোৰ তৰফৰ পৰা সমবেদনা জ্ঞাপন কৰিলোঁ!! বাইদেউৰ আত্মা যেন ভোটা তৰাৰ দৰে জিলিকি ৰওক--- তাৰেই শুভ কামনাৰে আজিলৈ সামৰিলোঁ - ধন্যবাদ। ●

# ৰত্নগৰ্ভা ড° সুখ বৰুৱা বৌৰ সোঁৱৰণত

**যোগেন্দ্ৰ নাথ বৰুৱা**

সেয়া ১৯৬৬-৬৭ চনৰ শেষ ভাগৰ কথাই হ'ব। গুৱাহাটীলৈ গৈছিলোঁ। চাকৰি সম্পৰ্কীয় পৰীক্ষা এটা দিবলৈ। গুৱাহাটীলৈ গ'লে তেতিয়া বাল্যবন্ধু তথা গুৱাহাটী (নুনমাটি) তেল শোধনাগাৰৰ কৰ্মচাৰী মহেশ্বৰ বৰুৱাৰ (বৰ্তমান প্ৰয়াত) বিভাগীয় আবাসতে থাকো। মহেশ্বৰে গাঁৱৰে ল'ৰা বুলি আমাক বৰ আতৌ-পুতৌকে ৰাখে। ভাত খাই থাকোতেই মহেশ্বৰে ক'লে - "জান, যোগেন কেইদিন মানৰ আগেয়ে বিনন্দ ককাইদেউ আহিছিল। মোৰ ইয়াতে এৰাতি থাকিল। ককাইদেউৰ বিয়াখন প্ৰায় খাতাং হৈছেগৈ। দিনবাৰহে ল'বলৈ বাকী। এবছৰ মানৰ পাছত হ'বগৈ কিজানি। ছোৱালী বেতবাৰীৰ সুখ চেতিয়া। মোক টানি কৈ গৈছে। বিয়ালৈ বোলে যাবই লাগিব।"

মই যাম বুলি ভাবি থৈছোঁ। তয়ো আহিবি দেই। গাঁওৰ আটাইবোৰ ল'ৰা লগ হৈ ফূৰ্তি কৰিম। ঢোল বজাম। নাচিম।

মই তেতিয়া ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনস্থ "State Institute of Education. Dibrugarh University" ত বি.টি. পঢ়ি আছোঁ। দিনত কোটোহা হাইস্কুলত ল'ৰা পঢ়াও আৰু ৰাতি বি.টি.ৰ ক্লাছত নিজে পঢ়ো। এটা কষ্টকৰ জীৱন। আমি পঢ়াত ভালেখিনি আগবাঢ়োতেই দহ-বাৰ গৰাকী মান ল'ৰা-ছোৱালী আহি আমাৰ লগ লাগিলহি। তাৰে তিনিগৰাকী ছাত্ৰী। সুখ চেতিয়া, পুলিনা বৰা আৰু বীণাপাণি গগৈ। আমাৰ লগৰ বাঘৰ আগতেল খোৱা সুশীল দেৱকে ধৰি কেইটামানে অতি মাৰ্জিত ভাষাৰে ক'বলৈ ধৰিলে - অ'ই আজিচোন তিনদেৱীয়া নতুনকৈ আহিছে কথা কি? তাৰমানে সুখবৌহঁতো আমাৰ সহপাঠী হ'ল। সহপাঠী হ'লেও বৌক মই বৰ সমীহ কৰি চলিছিলোঁ। ৰবীন কোঁৱৰ (এম.এ.ৰ ছাত্ৰ) ককাইদেউৰে কোৱামতে বৌয়ে একেলগে দিনত ইংৰাজীৰ এম.এ. আৰু ৰাতি বি.টি.ৰ ক্লাছ কৰিছিল। পুলিনা বৰাই অসমীয়া আৰু বি.টি.ৰ ক্লাছ কৰিছিল। বৌ ইংৰাজীৰ হোৱাৰ কাৰণেই সমীহ কৰিছিলো। সময়ৰ সোঁতত অৱশ্যে বৌৰে পঢ়াৰ গতিপথ সলনি কৰিলে। ১৯৬৯ চনৰ বহাগ মাহৰ কোনোবা এটি শুভ দিনৰ মাহেন্দ্ৰ ক্ষণত বিনন্দ ককাইদেউৰ লগত সুখবৌৰ শুভবিবাহখনি সম্পন্ন হৈ গ'ল। ৰুদ্ৰ, নলিনী (নোমল), কামিনি, বৈদ্য, মাধব, বিজয়, মুনীন - এইবিলাকে দেহেকেহে ককাইদেউৰ বিয়াত খাটিলে। ময়ো ডিফুৰ পৰা আহি সিহঁতৰ লগ লাগিলোঁ। কোঁৱৰপুৰ খুটিৰ পৰা দৈৰ কলহবোৰ আনিলোগৈ। দৰাৰ লগতো গ'লো। বগাধৰ গগৈ নামৰ শিক্ষক ককাইদেউ এজনে সেইদিনা মোক হিৰ' বনাই দিলে। তেওঁ মোক ৰভা তলৰ পৰা উঠাই নি পুলিনা বৰা আৰু বিশ্ববিদ্যালয়ৰ আন ছোৱালীবোৰৰ মাজত মেলি দিলেগৈ। জোকোৱা-জুকি চলিল। দৰাঘৰীয়াক জলপান খোৱাবৰ সময় হ'ল। মই নাই। চাংপতা

দদাইদেউৰে মোক কন্যাঘৰীয়া আলহী কেইজন মানৰ কাষৰ পৰা মাতি আনিলেগৈ। ত্ৰৈলোকা নাৰায়ণ বৰুৱা (কনিষ্ঠজন) টেপুৰাম বৰা ককাইদেউৰ ৰঙা চকুৰ তাপ সহিব নোৱাৰি ভুল স্বীকাৰ কৰিহে কোনোমতে উদ্ধাৰ পালোঁ।

বৌক লৈ আমি গাঁৱত গৌৰৱ কৰিব পৰা হ'লো। বৌৰ সমান গুণী জ্ঞানী দ্বিতীয় এগৰাকী বোৱাৰী আমাৰ গাঁওলৈ আজিলৈকে কোনেও বিয়া কৰাই আনিব পৰা নাই। অৱশ্যে এইটোও স্বীকাৰ কৰিব লাগিব যে মৰাণত স্থায়ী ভাৱে থাকিবলৈ লোৱাৰ পিছৰ পৰাহে বৌৰ প্ৰতিভা অধিক পৰিমাণে বিকশিত হ'বলৈ ধৰিলে।

মৰাণলৈ অহাৰ পিছৰ পৰাই এই বীৰ প্ৰসবিনী মাতৃগৰাকীয়ে স্বামী বিনন্দ চন্দ্ৰ বৰুৱাৰ (অৱসৰ প্ৰাপ্ত বিদ্যালয়সমূহৰ পৰিদৰ্শক) ঔৰষত বৰপুত্ৰ ড° শ্যামল বৰুৱা (অভিযন্তা), সৰুপুত্ৰ উজ্জ্বল বৰুৱা (সফল ব্যৱসায়ী) আৰু লিপি বৰুৱা (মাতু) বিজ্ঞানৰ স্নাতকোত্তৰ জন্ম দিয়ে। অকল জন্ম দিয়াই নহয়, উপযুক্ত শিক্ষাৰে শিক্ষিত কৰি প্ৰকৃত মানুহ হিচাপে গঢ় দি থৈ গৈছে।

বৌ আছিল অতি মৰমিয়াল আৰু কাক কেনেকৈ ব্যৱহাৰ কৰিব লাগে সেই কথা বৰ ভালকৈ জানিছিল।

বিনন্দ ককাইদেউতকৈ মই অলপ সৰু কাৰণে মোক গোহাঁইদেউ বুলি মাতিছিল আৰু বৌতকৈ কেইখোজ মান আগৰ কাৰণে আপুনিটো লগাই দিছিল। বৌৱে তিনিদিনীয়া অগ্ৰদূতত মোৰ কিবা লেখা প্ৰকাশ পালে তাক পঢ়িছিল আৰু কিবা ক'ব লগা থাকিলে মৰম সনা মাতেৰে কৈ দিছিল।

এবাৰ মই কোনোবা এটা লেখাত বিনন্দ ককাইদেউৰ পৰিয়ালটো আমাৰ গাঁৱৰ আটাইতকৈ চহকী বুলি লেখিছিলোঁ। বৌৱে কিজানি ওলটা বুজিলে। মোক ডুমডুমাত লগ পাই কৈছিল - গোহাঁইদেউ আমাকনো আটাইতকৈ চহকী বুলি কিয় ক'লৈ। আপোনালোকৰ ঘৰখন কিবা কম নেকি? বৌ - সংখ্যাগত ভাৱে চালে কথাযাৰি সঁচা। কিন্তু গুণগত ভাৱে চাওকচোন - আমাৰ ঘৰতনো ক'ৰবাত জিলা পৰ্যায়ৰ বিষয়া, কলেজৰ ডক্টৰেট অধ্যক্ষা, অভিযন্তা, প্ৰতিষ্ঠিত ব্যৱসায়ী, বিজ্ঞানৰ স্নাতকোত্তৰ আছে জানো।

গোহাঁইদেউ আপুনি কিন্তু সকলোতকৈ একঠী চৰা দেই। এই বুলি কৈ মিচিকীয়া হাঁহি এটা মাৰি আঁতৰি গ'ল। এয়াই আছিল সুখ বৌ।

শিৱসাগৰ জিলাৰ বেতবাৰীৰ জীয়াৰী, মগৰাহাট চাংমাই গাঁৱৰ বোৱাৰী, মৰাণ উষাপুৰৰ স্থায়ী বাসিন্দা, মৰাণ মহিলা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষা, ৬ টাকৈ বিশেষ বঁটা পাওঁতা, দুকুৰি যোলটাকৈ অনুষ্ঠান-প্ৰতিষ্ঠানে সম্বৰ্দ্ধনা আগবঢ়োৱা ৰমণী, সোতৰখন গ্ৰন্থৰ ৰচয়িতা, ছখন গ্ৰন্থৰ সম্পাদনা, ৭ টাকৈ বিশেষ উপাধি প্ৰাপক, আজীৱন জ্ঞানৰ পূজাৰী, ধৃতীশীলা, স্বামীৰ নয়ণৰমণি, দুৰ্লভা সদৃশা পত্নী, পুত্ৰ-বোৱাৰী, জী-জোঁৱাই, নাতি- নাতিনীৰ আৰাধ্যাদেৱী, সকলোকে সৰ্বসুখৰ সন্ধান দিওঁতা, নিৰ্মল জ্ঞানৰ প্ৰদান কৰোঁতা, দুখীয়া নিচলাক শুদ্ধ চিত্তে দান কৰোঁতা, ড° সুখ বৰুৱা বৌ আজি আমাৰ মাজত নাই। জীৱনৰ তিনিকুৰি সোতৰটা বসন্ত হেলাৰঙে অতিক্ৰম কৰি যোৱা ৩ ছেপ্তেম্বৰ তাৰিখে বৈকুণ্ঠগামী হ'ল। এৰি থৈ গ'ল মাথো কিছু নহয়, বহুতো গুণগত বৈভৱ। এই বৈভৱখিনিয়েই হওক সকলোৰে প্ৰেৰণাৰ উৎস।

তেখেতৰ বৈকুণ্ঠী আত্মাই চিৰশান্তি পাওক - তাকেই কামনা কৰিলোঁ। শোকসন্তপ্ত পৰিয়াল বৰ্গলৈকো আন্তৰিক সমবেদনা জ্ঞাপন কৰিলোঁ।

ঔম শান্তি - ঔম শান্তি - ঔম শান্তি! ●

# প্ৰেৰণাময়ী ড° সুখ বৰুৱা সান্নিধ্যৰ সোঁৱৰণ

**দীনা বৰা নেওগ**

আমাৰ এই সুদীৰ্ঘ জীৱন পৰিক্ৰমাত বহুযোজন বাট অতিক্ৰমি আগুৱাই যাওঁতে বিভিন্ন সময়ত লগ পাইছিলোঁ অজস্ৰ জনক। কাৰোবাৰ স'তে চকুৰ চিনাকিৰে কিঞ্চিৎ বাৰ্তালাপ কৰিছোঁ। তাৰ মাজৰে কাৰোবাক পাহৰি যাব নোৱাৰাকৈ সাঁচি ৰাখিছোঁ মনৰ মণিকোঠত। যাৰ মধুৰ সান্নিধ্যৰে সমৃদ্ধৰে সমৃদ্ধ হৈছে জীৱন। স্নেহ সিক্ত হৈ সেউজ হৈ পৰিছে ৰুক্ষ সময়। বিমৰ্ষ মনক প্ৰেৰণাদীপ্ত কৰোৱা এগৰাকী বৰেণ্য মহিলা। অসমৰ বৌদ্ধিক জগতত সুপৰিচিত এই মহিলা গৰাকীৰ নাম ড° সুখ বৰুৱা। বিশিষ্ট শিক্ষাবিদ, সুলেখিকা, সু-সংগঠক ড° সুখ বৰুৱা বাইদেউৰ স'তে মোৰ প্ৰথম পৰিচয় নব্বৈৰ দশকতে। মোৰ কৰ্মক্ষেত্ৰ আছিল অসম চৰকাৰৰ শিক্ষা বিভাগ। সেই সুত্ৰেই শিক্ষা বিভাগৰ কাৰ্যালয়ত তেখেতক লগ পাইছিলোঁ।

সুখ বৰুৱা বাইদেউৰ স'তে ঘনিষ্ঠতা বাঢ়িছিল সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সক্ৰিয় সদস্য হোৱাৰ সুবাদত। তেতিয়াৰ পৰাই বাইদেউৰ স'তে মোৰ টেলিফোনিক যোগাযোগ হৈছিল। সেই বাৰ্তালাপৰ উৎস আছিল - 'মৰাণ মহিলা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা লগ্নৰ বিভিন্ন বিষয় সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ উত্তৰণৰ বিভিন্ন দিশ।

পৰম নিষ্ঠা আৰু ত্যাগেৰে বাইদেউয়ে নাৰী শিক্ষাৰ জগতখনলৈ আগবঢ়াই থৈ গৈছে অমূল্য অৱদান। মৰাণ মহিলা মহাবিদ্যালয়ৰ তেখেত আছিল প্ৰতিষ্ঠাপক অধ্যক্ষ। তেখেতৰ আশাসুধীয়া প্ৰচেষ্টাত শিক্ষানুষ্ঠানখনে অসমৰ এখনি নাৰীৰ উচ্চ শিক্ষাৰ শিক্ষানুষ্ঠান হিচাপে সুখ্যাতি অৰ্জন কৰিছে। সেয়েহে অসমৰ নাৰী শিক্ষাৰ গৌৰৱময় ইতিহাসত এগৰাকী গৌৰৱময়ী মহিলা হিচাপে বাইদেউ এক উল্লেখযোগ্য সংযোজন।

অপৰিসীম আত্মবিশ্বাস আৰু কৰ্মপ্ৰেৰণাৰে ড° সুখ বৰুৱা বাইদেউয়ে অসমীয়া সাহিত্যলৈ ও আগবঢ়াই থৈ গৈছে অনবদ্য অৱদান। তেখেতৰ কৰ্মৰাজি তথা সাহিত্যিক অৱদান সম্পৰ্কে এই কম পৰিসৰত উল্লেখ কৰাটো সম্ভৱ নহয়। তেখেতৰ সান্নিধ্যৰ সোঁৱৰণিৰ কিঞ্চিৎ প্ৰকাশ কৰি তেখেতৰ বিদেহ আত্মাৰ সদ্‌গতি কামনাৰে শ্ৰদ্ধাঞ্জলি জনোৱাই এই লেখাটিৰ উদ্দেশ্য।

ড° সুখ বৰুৱা বাইদেউ মোৰ জ্যেষ্ঠা ভগ্নীৰ দৰে আছিল। তেখেত আমাৰ মাজৰ পৰা নীৰৱে আঁতৰি গ'ল। কথাটো মানি ল'ব পৰা নাই। শোকসাগৰত অৱগাহন কৰি লিখিবলৈ ভাষা বিচাৰি পোৱা নাই। বাইদেউৰ সান্নিধ্যলৈ আহি দুটা কথা বিশেষভাৱে অনুভৱ কৰিছিলোঁ। তেখেতে অকপট ভালপোৱাৰে যিকোনো সুখ-দুখৰ ভাগ ল'বলৈ চেষ্টা কৰিছিল। আনটো কথা হ'ল মই তেখেতৰ বিশেষ স্নেহ ধন্য হোৱাৰ সৌভাগ্য হৈছিল।

ড° সুখ বৰুৱা বাইদেউ য'তেই আছে কুশলে থাকক। পৰম পিতাৰ ওচৰত এয়েই প্ৰাৰ্থনা।●

# ড° সুখ বৰুৱা সোঁৱৰণ

**শেৱালী লিগিৰা সন্দিকৈ**

জনম লভিলে এদিন মৰিব লাগিবই। এইষাৰি একেবাৰে চিৰসত্য। তথাপি আমি সময়ৰ সোঁতত ব্যস্ততাৰ মাজত তাক পাহৰি যাওঁ।

তেনে এগৰাকী মহান মহিয়সী, সাহসী আৰু শক্তিশালী বহল হৃদয়ৰ মানুহক আমি ইতিমধ্যে হেৰুৱাইছো। নাম আৰু কামেই যাৰ পৰিচয়। এগৰাকী অনন্যা প্ৰতিভাৰ গৰাকী 'ড° সুখ বৰুৱা বাইদেউ'।

১৯৪৬ খ্ৰীঃত এইগৰাকী মহান সাহসী নাৰী শিৱসাগৰ জিলা বেতবাৰীত জন্ম গ্ৰহণ কৰিছিল। পিতৃৰ নাম আছিল ফুলবৰ চেতিয়া আৰু মাতৃৰ নাম আছিল গুণলতা চেতিয়া।

যশস্বী সাহিত্যিক আৰু সমাজ সেৱক নিৰহংকাৰী, অগৰ্বী, অধ্যয়নপুষ্ট, বিভিন্ন অভিজ্ঞতাৰে ভৰপুৰ, নানা গুণেৰে, নানা সন্মানেৰে বিভূষিতা এইগৰাকী সম্পূৰ্না মহিলা বা নাৰী।

মৰাণত প্ৰথম মহিলা মহাবিদ্যালয়কে মুখ্য কৰি সংঘমিত্ৰা জাতীয় বিদ্যালয়লৈকে প্ৰায় কেবাটাও অনুষ্ঠান এইগৰাকী মহান (ব্যক্তিৰ) তত্বাৱধানত গঢ়ি উঠিছিল। তেওঁ ২০১৪ চনৰপৰা ২০১৬ চনলৈকে সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সন্মানীয় সভানেত্ৰী পদ অলংকৃত কৰিছিল। গাঁৱৰ মহিলাসকলক তথা সকলো অঞ্চলৰ মহিলাকে শিক্ষিত কৰি তুলিবলৈ আপ্ৰাণ চেষ্টা কৰিছিল। তেওঁ মৰাণ লেখিকা সমাৰোহ সমিতিৰ প্ৰতিষ্ঠাতা আছিল। বিবিধ গুণেৰে, সন্মানেৰে ভৰপুৰ নাৰী সমাজৰ মাতৃস্বৰূপা, গুৰি ধৰোতা এগৰাকী মহান মাতৃক আমি ২০২৩ চনৰ ৩ তাৰিখে হেৰুৱাই অতিকৈ মৰ্মাহত হৈছো। তেনে এগৰাকী সাহসী আৰু শক্তিশালী বহল হৃদয়ৰ গৰাকী আজিৰ যুগত বিৰল।

শেষত তেখেতৰ বিদেহী আত্মাই চিৰশান্তি লাভ কৰক আৰু শোক সন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰিছোঁ।

ঔম শান্তি! ●

# বাইদেউৰ স্মৃতিত একলম

**ৰীণা বৰুৱা**

সেইদিনা আছিল দেওবাৰ। এটা ফোন কল আহিল, 'বাইদেউ আৰু নাই' । অকস্মাতে অহা খবৰটোৱে মোক আহত কৰিলে। বাইদেউৰ আৰোগ্য কামনা কৰি আমি সকলোৱে নেদেখা জনৰ ওচৰত প্ৰাৰ্থনা জনাইছিলোঁ। ভাবিছিলো বাইদেউ ভাল হ'ব! পুনৰ আমাৰ মাজলৈ ঘূৰি আহিব। কিন্তু সেয়া হৈ নুঠিল। তেওঁ যেন আমাক "অভিমান কৰি গুচি গ'ল ঘূৰি নহাৰ বাটে।"

ড° সুখ বৰুৱা বাইদেউক আগৰ পৰাই জানিছিলো। তেওঁৰ ব্যক্তিত্বৰ, সবল নেতৃত্বৰ বিষয়ে শুনিছিলো। কৰ্মযোগী এই ব্যক্তিগৰাকীৰ আত্মত্যাগক স্বচক্ষে দেখিছিলোঁ। তেওঁৰ কৰ্মনিষ্ঠা আৰু একনিষ্ঠতাৰ বাবে এদিন "মৰাণ মহিলা মহাবিদ্যালয়"ৰ জন্ম হৈছিল। মহিলাসকল ঘৰৰ চাৰিবেৰৰ মাজৰ পৰা ওলাই অহাটো বাইদেৱে মনে-প্ৰাণে বিচাৰিছিল। সুশিক্ষাৰে শিক্ষিত হৈ তেওঁলোক একোগৰাকী সফল ব্যক্তি ৰূপে প্ৰতিষ্ঠিত হ'লে আটাইতকৈ সুখী হৈছিল বাইদেউ।

বিশিষ্ট সাহিত্যিক, সমাজ সংগঠক ডঃ সুখ বৰুৱা বাইদেউ আছিল সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী, সদৌ অসম মহিলা কবি-মঞ্চৰ প্ৰতিষ্ঠাপক সভানেত্ৰীকে আদি কৰি বহু অনুষ্ঠান-প্ৰতিষ্ঠানৰ গুৰি ধৰোতা। তেওঁ নাৰী সমাজক শিক্ষা, সাহিত্য, সংস্কৃতি সকলো দিশতে আগুৱাই নিয়াৰ নেতৃত্ব বহন কৰিছিল। তেওঁ আছিল একেধাৰে শিক্ষাবিদ, সুসংগঠক, সুসাহিত্যিক। ড° সুখ বৰুৱা বাইদেউৰ কৰ্মৰাজিৰ বাবে লাভ কৰা বঁটা সমূহ হৈছে - সাহিত্য আৰু সমাজ সেৱা বঁটা, বীৰাংগনা মূলাগাভৰু বঁটা, অসম চৰকাৰৰ সাহিত্য বঁটা, সাহিত্যিক পেঞ্চনাৰ, চন্দ্ৰপ্ৰভা শইকীয়ানী বঁটা আদিৰ উপৰিও ৰত্নগৰ্ভা, মৰাণ কুঁৱৰী, হাৱনি ফামে, কৰ্মযোগী, প্ৰেৰণাময়ী, মমতাময়ী, জাছিংফা আদি উপাধিৰে বিভূষিত হৈছিল। বাইদেউৰ প্ৰায় ২০ খন গ্ৰন্থ প্ৰকাশ পাইছে আৰু আত্মজীৱনী খনৰ কাম শাৰীৰিক অসুস্থতাৰ বাবে আধৰুৱা হৈ থাকি গ'ল।

ড° সুখ বৰুৱা বাইদেউ আছিল এক বিৰল ব্যক্তিত্বৰ অধিকাৰী। তেওঁ সকলোকে আপোন কৰি ল'ব পাৰিছিল। তেওঁৰ স্মৃতি শক্তি আছিল অতি প্ৰখৰ। এবাৰ লগ পোৱা জনক কেতিয়াও পাহৰি যোৱা নাছিল। প্ৰয়োজনত ফোনেৰে সকলোৰে খবৰ ৰাখিছিল। এই বৰেণ্য ব্যক্তি গৰাকীৰ দুচকুত অনবৰতে লাগি আছিল এক শিশুসুলভ সৰলতা। যাৰ বাবে সৰু সৰু কাৰকেই তেওঁক বিমল আনন্দ দিছিল। আমাৰ সামান্য সফলতাই বাইদেউক উৎফুল্লিত কৰিছিল।

সদৌ অসম মহিলা কবি-মঞ্চৰ মৰাণ শাখাই প্ৰকাশ কৰা 'কবিতা সৰণি' (ছেপ্টেম্বৰ ২০২২ খন যুটিয়াভাবে সম্পাদনা কৰাৰ মোৰ সৌভাগ্য হৈছিল। তেতিয়াৰ পৰাই বাইদেউক

নিচেই কাষৰ পৰা পাইছিলোঁ। তাৰ অলপ দিনৰ পাছতেই বিশ্বনাথ চাৰিআলিত সদৌ অসম মহিলা কবি-মঞ্চৰ তিনিদিনীয়াকৈ ২৩,২৪ আৰু ২৫ ছেপ্তেম্বৰ ২০২২ দ্বিবাৰ্ষিক অধিবেশন অনুষ্ঠিত হৈছিল। অধিৱেশনত অংশগ্ৰহণৰ উদ্দেশ্য আগত ৰাখি বাইদেউৰ সহিতে আমি চাৰিগৰাকী উক্ত স্থানত উপস্থিত হৈছিলোঁ। বাইদেউৰ মানসিক শক্তি ইমানেই প্ৰবল আছিল, শাৰীৰিক অসুস্থতা সত্ত্বেও এই দীঘলীয়া যাত্ৰাত প্ৰতি মুহূৰ্ততে সপ্ৰতিভ হৈ আছিল। বিশ্বনাথত তিনিদিন আমি একেলগে আছিলোঁ। সেই সূত্ৰে বাইদেউক কম সময়ৰ বাবে সুশ্ৰূষা কৰিবলৈ সুযোগ পাইছিলোঁ। সবল নেতৃত্বৰ অধিকাৰী এই মহীয়সী গৰাকীৰ উদাৰ গুণৰাজিয়ে মোক আপ্লুত কৰিছিল। মহিলাসকল পুৰুষৰ সমানে সমানে আগবাঢ়িব যোৱাটো তেওঁ মনে-প্ৰাণে আশা কৰিছিল। নাৰীক 'অবলা' বিশেষনৰ পৰা মুক্তিৰ পথ দেখুৱাইছিল। পুৰুষ কেন্দ্ৰিক সমাজ ব্যৱস্থাত তেওঁ আশ্বস্থ হোৱা নাছিল। সকলো মহিলাই সমাজত নিজৰ পৰিচয় এগৰাকী ব্যক্তি হিচাপে দাঙি ধৰাটো তেওঁ আশা কৰিছিল।

বাইদেউৰ অনুপস্থিয়ে আমাক আজি অভিভাৱকহীন কৰিলে। তেওঁ কায়িকভাবে নাথাকিলেও আমাৰ হৃদয় মন্দিৰত চিৰদিন বিৰাজমান হৈ থাকিব। বাইদেউৰ স্মৃতিয়ে আজি বৰকৈ আমনি কৰিছে। আপুনি য'তেই আছে শান্তিৰে থাকক বাইদেউ! নেদেখা জনৰ ওচৰত তাৰ বাবে প্ৰাৰ্থনা জনাইছোঁ।●

# বাইদেউলৈ শ্ৰদ্ধাঞ্জলি

**কণমাই মহন কোঁৱৰ**

ড° সুখ বৰুৱা বাইদেউ মৃত্যুত আমাৰ মুৰৰ ওপৰৰ ছালি খন নোহোৱা হৈ পৰিল। সুখ বৰুৱা এটা নাম নহয় এটা অনুষ্ঠান আছিল। বাইদেউ লগত পাৰ কৰা প্ৰতিটো সময়ৰ মধুৰ স্মৃতিবোৰে এইকেইদিন মনত বৰকৈ আমনি কৰিছে। মনৰ মনিকোটত কিমান যে স্মৃতি সোমাই আছে তাক ভাষাৰে প্ৰকাশ কৰিব পৰা জ্ঞান মোৰ তেনেই সীমিত। তথাপিও বাইদেউ আত্মাৰ সদ্‌গতিৰ কামনাৰে কেইশাৰী মান মনৰ ভাব প্ৰকাশ কৰিব বিচাৰিছো। অসমৰ শদিয়াৰ পৰা ধুবুৰী লৈকে সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ উদ্যোগত অনুষ্ঠিত হোৱা বিভিন্ন সভা সমিতিবোৰ লৈ বাইদেউ লগত যাওঁতে বুটলি আনিছো কিছুমান সুন্দৰ স্মৃতি। তাৰোপৰি পূৰ্বাঞ্চল টাই সাহিত্য সভাৰ কাৰ্য্যনিবাহক সভা আৰু অধিৱেশনবোৰ লৈ বাইদেউ লগত যাওঁতে পোৱা বিভিন্ন অভিজ্ঞতা বোৰো মনৰ ভিতৰত জমা হৈ আছে। পূৰ্বাঞ্চল টাই সাহিত্য সভাৰ গোলাঘাট খুমটাইত অনুষ্ঠিত হোৱা অধিবেশনৰ কথা মনত পেলায় মাজে সময়ে দুয়ো জনীয়ে বৰ আমোদ পাওঁ। কিন্তু বাইদেউৰ কেতিয়াবা খঙো উঠে। আদৰণি সমিতিৰ বিষয় ববীয়াই আমাক যি ঘৰত থাকিবলৈ দিছিল সেই ঘৰত পানীৰ অৱস্থা একে বাৰে তথৈবচ আছিল। আজিৰ পৰা কেইবাবছৰো আগতে লক্ষীমপুৰৰ লালুকত হোৱা পূৰ্বাঞ্চল টাই সাহিত্য সভাৰ বিষয় বাচনি সভাৰ মঞ্চৰ পৰা খঙেৰে নামি আহিব লগা হোৱা কথাবোৰে সময়ে সময়ে বাইদেউক বৰকৈ আমনি কৰিছিল।

সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ হৰদত্ত-বীৰদত্ত ক্ষেত্ৰ, ৰঙিয়াত অনুষ্ঠিত হোৱা অধিবেশনলৈ যাওঁতে আমাক বাইদেৱে ভূটান ৰাজ্যৰ সীমা দেখুৱাবলৈ লৈ গৈছিল। ভূটান ৰাজ্যত প্ৰৱেশ কৰিবলৈ হ'লে বিৰাট ডাঙৰ এখন গেট পাৰ হ'ব লাগে। গেট পাচ লৈহে সোমাব পাৰি। বাইদেৱে পাচ লৈ আমাক ভূটান ৰাজ্যৰ দুৱাৰ মুখ খন হ'লেও দেখোৱাই আনিলে। দুৱাৰ মুখখন ফুলে জালিৰে জাতিষ্কাৰ হৈ আছিল। বৰ সুন্দৰ পৰিবেশ, দেখি ভাল লাগি গ'ল। ভূটান ৰাজ্যত সোমাবলৈ গেট পাচ লাগে, কিন্তু অসমত সোমাবলৈ দেখোন গেটেই নাই। পঞ্চবিংশতিতম ডুমডুমা অধিৱেশনলৈ আমি যাবলৈ ওলালো, আমি চাৰি গৰাকী, দুখন গাড়ী লৈ। কল্পনা মাহীয়ে চলোৱা গাড়ীত দিপালী দত্ত শইকীয়া আৰু মই চলোৱা গাড়ীত সুখ বৰুৱা বাইদেউ। আমি বাটত নিৰ্জন আৰু পৰিস্কাৰ ঠাই চাই গাড়ী ৰখাই ঘৰৰ পৰা তৈয়াৰ কৰি নিয়া চাহ পিঠা খাই আনন্দ মনেৰে গৈ থাকো। গৈ গৈ আমি নিৰাপদে ডুমডুমা নগৰ পালো গৈ। ডুমডুমা পায়েই আমি সুখ বাইদেউৰ নিৰ্দেশ মতে অধিৱেশন স্থলীলৈ গ'লো। অধিৱেশন স্থলীত আদৰণি সমিতিৰ বিষয় ববীয়াসকলক লগ কৰি বাইদেৱে দিহা পৰামৰ্শ দিয়া পাছত সকলোৱে লগত চা চিনাকি হৈ চাহ

জলপান খালো। তাৰ পিছত বাইদেৱে আমাৰ থকাৰ বাবে নিৰ্দিষ্ট কৰি থোৱা ঠাইলৈ গ'লো। বাইদেউৰ ভতিজা (স্বৰ্গীয়) গিৰিশ বৰ পাত্ৰগোঁহাইয়ে টিফুক চাহ বাগিচাত চাকৰি কৰিছিল। তেওঁ ডুমডুমাৰ ৰূপাই নামৰ ঠাইত এটা সুন্দৰ পকী ঘৰ সম্পূৰ্ণ কৰি সাজি ৰাখিছিল। তেওঁ লোক সেই ঘৰত থকা নাছিল। বাগানৰ কোৱাৰ্টাৰতে আছিল। বাইদেৱে সেই ঘৰটোতে আমাৰ থকাৰ ব্যৱস্থা কৰিছিল। দুয়ো খন গাড়ী থোৱাৰো একো অসুবিধা নাই। আমি গৈ পোৱাৰ লগে লগে তেওঁলোকৰ মানুহে আহি ঘৰৰ তলা খুলি দিলে। ৰাতি গৃহস্থই আহি নিজেই ভাত পানী বনাই আমাক খোৱাই বোৱাই পুনৰ বাগানলৈ গুচি গ'ল। তেওঁ লোকে নিজৰ বাবে সাজি থোৱা অতি সুন্দৰ বিছনাৰে সৈতে কোঠালীটোত বাইদেউক থাকিবলৈ দিছে।

আমাৰ তিনিজনীৰ বাবেও সুন্দৰ কোঠালী। মোৰ কোঠালীটো বাইদেউৰ একেবাৰে কাষতে যাতে তেওঁৰ একো অসুবিধা নহয়। কিন্তু ৰাতি শুবৰ পৰত বাইদেৱে মোক মাতি লৈ গ'ল তেওঁ লগত থাকিবলৈ। মই আপত্তি কৰিছিলো কাৰণ, বাইদেউ তেওঁ লোকৰ অতি শ্ৰদ্ধাৰ মৰমৰ পেহীৰ হোৱাৰ বাবেহে কোঠালী টো এৰি দিছে। বেলেগ মানুহ থাকিলে তেওঁ লোকে বেয়াও পাব পাৰে। মোৰ মনটোত অপৰাধবোধৰ ভাৰ এটা আজিও থাকি গ'ল। ডুমডুমা অধিৱেশনতে বাইদেৱে সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী নিৰ্বাচিত হোৱাত আমি অতিশয় গৌৰৱান্বিত।

সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ ষষ্ঠ বিংশতিতম দ্বি-বাৰ্ষিক ধুবুৰী অধিবেশনখনি বাইদেৱে সফল সমাপ্তি ঘটোৱা পাছত জৰুৰী ভাবে তাৰ পৰা আমি আহিব লগা হ'ল। কাৰণ পিছ দিনা পুৱাৰ পৰাই কোনোবা সংগঠনৰ দ্বাৰা অসম বন্ধৰ ঘোষণা কৰিছিল। জিলাৰ উপায়ুক্ত চাৰৰ লগত বাইদেউৰ ভাল চা-চিনাকি থকা হেতুকে আমি আহি কোকৰাঝাৰ আৰ্তৰ্ত ভৱনত ৰাতিটো থাকিবলৈ সুবিধা পালো। ৰাতি সাজ ভাতো তেওঁ লোকৰ ফালৰ পৰা আমাক বৰ সুন্দৰ কৈ যোগান ধৰিলে। পিছ দিনা আমি ৰাজধানী এক্সপ্ৰেছত মৰাণ লৈ বুলি ঘৰমুৱা হ'লো। ৰেলত খোৱাৰ সময় হোৱাত, যেতিয়া আমি তিনিওজনীয়ে ভাত খাবলৈ বহিলো, তেতিয়া বাইদেৱে লাহেকৈ বেগৰ পৰা পেকেট এটা উলিয়ায় মোক ভাগ কৰিবলৈ দিছে। আমি দেখি অবাক হ'লো ক'ত পালে বুলি। দেখিলো আগ দিনা ৰাতি আমি খোৱা লগৰ সৰু মাছৰ জোলৰ পেকেট এটা। দিপালী দত্ত শইকীয়া বাইদেৱে কেৱল হাঁহিবৰহে পাৰিছে। আগ দিনা ৰাতি আৰ্তৰ্ত ভৱনত সৰু মাছৰ জোলেৰে ইজনীয়ে সিজনীয়ে আনন্দতে ভগাই খাওঁতে কেতিয়ানো নিজৰ পেকেটটি বেগত ভৰাই থ'লে আমি গমেই নাপালো। সঁচাই বাইদেউ এগৰাকী লক্ষী তিৰুতা আছিল। এনে দৰে আমি শদিয়াৰ পৰা ধুবুৰী লৈকে লেখিকা সমাৰোহ সমিতিৰ সভা বিলাকলৈ যাওঁতে বাইদেউৰ লগত কিমান যে সুন্দৰ মূহুৰ্তবোৰ পাৰ কৰিছো ভাবিলেই আবেগিক হৈ যাওঁ। বাইদেউৰ লগত কটোৱা সময়ৰ কিমান যে মধুৰ স্মৃতি আছে তাক কৈও শেষ কৰিব নোৱাৰি।

সুখ বৰুৱা বাইদেউৰ লগত তেজপুৰ ফালৰ পৰা আহিলে নলতলী নামৰ সৰু ঠাই খনত বজাৰ কৰা, বোকাখাট পৰিবহণ নিগমৰ বাছ আস্থান কাষৰ প্ৰথম দোকান খনৰ ল'ৰা জনৰ ওচৰত পেৰা কিনা, গৌৰী সাগৰৰ পথৰ কাষত থকা বজাৰ খনৰ পৰা মাছৰ বজাৰ কৰা কথা বিলাক এতিয়া অতীত হৈ গ'ল। গাড়ীত আহি থাকোঁতে সন্ধিয়া হোৱা

লগে লগে আমাৰ প্ৰাৰ্থনা আৰম্ভ হৈ যায়। সুখ বৰুৱা বাইদেউৰ নিৰ্দেশত ৰেনু বৰুৱা বাইদেৱে আঁত ধৰা, গুণমালা, প্ৰাৰ্থনা, হৰিনাম, দিহানাম, শেষত বিয়া নাম কিমান যে গাইছিলো তাৰ সীমা সংখ্যা নাই। তিনি চাৰিটা মান নাম গোৱাৰ পাছত দিপালী দত্ত শইকীয়া বাইদেউ আৰু কল্পনা মাহীয়ে টোপনিত লালকাল হৈ পৰে। এই দৰে নাম-গুণ গাই আহি থাকোঁতে কেতিয়ানো চকলীয়া পাওঁ গমেই নাপাইছিলো। বাইদেৱে কয় - "ঐ তই নানাম নেকি ?" বুলি কোৱাতহে নামিবৰ বাবে সাজু হওঁ। সেই সুন্দৰ মধুৰ সময়বোৰ আৰু কেতিয়াও উভতি নাহে। বাইদেউ আপুনি যতেই আছে কুশলে থাকক, আত্মাই সদ্‌গতি পাওক তাকেই কামনা কৰি অশ্ৰুসিক্ত নয়নেৰে আদ্যশ্ৰাদ্ধ দিনা শতকোটি শ্ৰদ্ধাঞ্জলি জনালোঁ।●

---

# সুখ বৰুৱা বাইদেউ

**ক্ষীৰোদ দিহিঙীয়া**

১৯৫০-৬০ দশকতেই তেওঁ শিৱসাগৰ বেতবাৰী চেতিয়া গাঁৱৰ পৰা উচ্চ শিক্ষা গ্ৰহণ তথা জ্ঞান আহৰণৰ বাবে জয়সাগৰ কলেজ, ডিব্ৰুগড়ত বিশ্ববিদ্যালয় আদি উচ্চ শিক্ষানুষ্ঠানলৈ জ্ঞানৰ অন্বেষণত ঢাপলি মেলিছিল। যিখিনি সময়ত অসমৰ সৰ্বসাধাৰণ অসমীয়া সমাজ যিমান সচেতন তথা আগবঢ়াই নাছিল।

মই তেখেতৰ ব্যক্তিগত জীৱনৰ বিষয়ে বৰ বেছি জ্ঞাত নহয় যদিও আমাৰ পিতৃ প্ৰয়াত প্ৰেমকান্ত দিহিঙীয়াৰ সহপাঠী আছিল বুলি কিবা প্ৰকাৰে কাৰোবাৰ মুখৰ পৰা জানিবলৈ পাইছিলো। বাইদেউৰ লগত ব্যক্তিগতভাৱে বৰ বেছি দেখা সাক্ষাৎ হোৱা নাছিলো যদিও মৰাণ কলেজৰ সভা-সমিতিত নিমন্ত্ৰিত অতিথি হিচাপে তেওঁক লগ পাইছিলো। বাইদেউ গুৰু-গম্ভীৰ আৰু ধৈৰ্যশীল, সমাজহিতৈষী ব্যক্তিত্বৰ গৰাকী আছিল।

তেখেতে নাৰী শিক্ষাৰ ওপৰত বৰ বেছি গুৰুত্ব দিছিল।

তেখেতে শিৱসাগৰ বেতবাৰীত গাভৰু অৱস্থাত একোখন বালিকা মধ্য ইংৰাজী বিদ্যালয় প্ৰতিষ্ঠা কৰি থৈ আহিছিল বুলি বিভিন্নজনৰ মুখৰ পৰা জ্ঞাত হৈছিলো। তেখেত মৰাণ তথা অসমৰ সমাজ জীৱনলৈ যি মূল্যৱান অৱদান 'মৰাণ মহিলা মহাবিদ্যালয়' আগবঢ়ালে এইবাবে সদায় চিৰস্মৰণীয় হৈ ৰ'ব। কাৰণ এইখনেই অসমৰ প্ৰথম নে দ্বিতীয় মহিলা কলেজ বুলি শুনিবলৈ পাইছিলো। যিগৰাকী ব্যক্তিৰ আশিসত হাজাৰ হাজাৰ ছোৱালী তথা মহিলাৰ উচ্চ শিক্ষাগ্ৰহণ তথা জ্ঞান আহৰণত সুবিধা হৈছে আৰু বহুগৰাকী উচ্চ শিক্ষিত ব্যক্তিৰ কৰ্ম সংস্থাপনত সুবিধা হোৱাৰ লগতে জ্ঞানৰ অন্বেষণ আৰু জ্ঞান চৰ্চাত মৰাণ নগৰখন এখন জ্ঞান-বিজ্ঞান চৰ্চাৰ অসমৰ উল্লেখযোগ্য প্ৰাণকেন্দ্ৰ হিচাপে স্বীকৃত হৈছে। তেখেতে অমৰত্ব লাভ কৰক, তেখেতৰ আত্মাই বৈকুণ্ঠৰ মুলুক ধামত নিবাস পাওঁক আৰু তেখেত যাতে পৰলোকতো নৰলোকত পোৱা মুখ্য নিমন্ত্ৰিত অতিথিৰ আসন শুৱনি কৰক, তাকে কামনা কৰিলো।●

# পৰম পূজনীয়া সুখ বাইদেউক সুঁৱৰি

**ড° পাপৰি কটকী কোঁচ**

কেৰাহীত তেল ঢালি বাছি-কুচি লোৱা মাছ কেইজনী হালধি অকণ সানি কাণতে মোবাইলটো হাওলাই দদাইদেউ এজনৰ লগত গুৰুত্বপূৰ্ণ কথা দুষাৰ পাতি আছোঁ। সিটো কোঠাত ল'ৰা-ছোৱালী হালে কিবা বস্তুৰ বাবে টনা-টনি কৰি চিঞৰ-বাখৰ কৰি আছে। ফোনটো থলোঁ। দেওবৰীয়া দিন সোনকালে সকলোকে ভাত কেইটা খোৱাই নিজলে বুলি অকণমান আজৰি সময় উলিওৱাৰ বাবে কৰণীয়খিনি খৰকৈ কৰাত লাগিছোঁ। তেনেতে পুনৰ ফোনটো বাজি উঠিল। দদাইদেউ জনেই কৰিছে। কিয় কৰিছে বাৰু? আচৰিত হলোঁ। তিনিবাৰ মান ৰিং হোৱাৰ পিছতহে ৰিচিভ কৰিব পাৰিলোঁ। যিটো কথা শুনিলোঁ তাৰ পিছৰ পৰা মই কি কৰিছোঁ, কি হৈছে মোৰ যেন একো খবৰ নোহোৱা হ'ল। ইটো ৰুমৰ পৰা সিটো ৰুমলৈ অযথা পাইচাৰী কৰিবলৈ ধৰিলোঁ। বাৰীত কাম কৰি থকা শ্ৰীমানক চিঞৰি চিঞৰি মাতিলোঁ। আমাৰ সুখ বাইদেউ আৰু নাই। ডিঙিৰ পৰা চোঁচৰিহে যেন কথাষাৰ ওলালে। বাৰীৰ বন পেলাই মানুহজন আহিল আৰু এটাই কথা ক'লে- সোনকালে ওলোৱা। ইফালে কেৰাহীত তেল জ্বলি গোটেই পাকঘৰটো ধোৱাময় হ'ল। ল'ৰাই মোৰ আচৰণ দেখিয়েই বুজিলে কিবা ডাঙৰ ঘটনা ঘটিলে ছাগে। বাৰে বাৰে সুধিলে কি হ'ল মা? কলোঁ মৰাণৰ আইতা যে, ঢুকালে? তাৰ পিছত ল'ৰাৰ অনেক প্ৰশ্ন। মই কি কৈছোঁ মনত নাই। যেনে তেনে কৰি শাহুমা আৰু ল'ৰা ছোৱালী হাললে মাছ এজনীকৈ ভাজিলোঁ। আমাৰ দুজনৰ পেটলে ভাত যোৱাৰ কথা নায়েই। মনটো বাইদেউৰ কাষলে উৰি উৰি গৈছে। স্মৃতিবোৰে জুমুৰি ধৰিছে এফালৰ পৰা। হাতৰ বন সৰি পৰিছে। ভজা মাছ কেইজনী প্লেট এখনত লৈ ডাইনিং টেবুলত থলোঁ। সৰু ছোৱালীজনীয়ে তাৰে এজনী লৈ খাবলৈ লাগিল। আমিও মন দিয়া নাই বিশেষ। বাইদেউৰ ওচৰলে যোৱাৰ চিন্তা মূৰত সোমাই আছে। তেনেতে ছোৱালীজনীয়ে খকখকাই উঠিল। খোৱা মাছ সোপা বমি কৰি গোটেই জনী চকু-মুখ টেলেকা কৰি আছে। হুৱা-দুৱা লাগিল। কি কৰোঁ। বমিৰ লগত তেজৰ বিন্দু অকণো ওলাই আহিল। হে প্ৰভু, ডক্টৰৰ ওচৰৰে যাওঁ নে মৰাণলে যাওঁ। ইফালে নতুনকৈ গাঁৱতে আৰম্ভ কৰা মইনা পাৰিজাতৰ বৈঠক লৈ অতিথি নিমন্ত্ৰণ কৰি থোৱা অৱস্থাত এতিয়া কাক দায়িত্ব দি থৈ যাওঁ। সকলোকে ফোন লগালোঁ। কথাটো জনালোঁ আৰু দায়িত্ব বোৰ ভগাই দি সেইফালে আজৰি হলোঁ। ইফালে ছোৱালী জনীকো পিঠি মূৰ মোহাৰি, শুকান ভাত, পানী খোৱাই নিশ্চিত হলোঁ যে এতিয়া বিপদ নাই ডক্টৰৰ ওচৰৰে নগ'লেও হ'ব। পলম নকৰি বাইদেউৰ ঘৰ মৰাণলৈ ঢাপলি মেলিলোঁ।

ওৰে বাটটো বাইদেউৰ উমাল সান্নিধ্য লাভৰ দিনবোৰকে পাগুলি গলোঁ। নিজৰ বুলিবলৈ হাৰাই চেণ্ডেল এযোৰ নোহোৱাৰ সেই সময়খিনিৰ

কথা মনলৈ উভতি আহিল। লোকৰ চেণ্ডেল এযোৰ পিন্ধিয়ে মাৰ সৈতে ঘোকোট গাঁও কাকৰণীৰ পৰা মৰাণ মহিলা মহাবিদ্যালয়ত ভৰি দিলোঁহি স্নাতক প্ৰথম বৰ্ষত নাম লগাবলৈ। হাতত এডমিছনৰ পইচা কেইটা আছে কি নাই। কোনো শুভাকাংক্ষীয়ে মোৰ কথা বাইদেউক কৈ থৈছিল আগেয়ে। হয়তু ৰূপম নিচাদেৱে হ'ব। ডাঃ ৰূপম কুমাৰ বৰুৱা। বিশিষ্ট হোমিওপেথিক চিকিৎসক, উৎসৰ্গিত সমাজ সেৱক। মোৰ জীৱনৰ সৰ্বতোদিশতে দিক্ দৰ্শনকাৰী পিতৃতুল্য আন এগৰাকী আদৰ্শ ব্যক্তি। হায়াৰ চেকেণ্ডেৰীৰ মাৰ্কছিটখন মোৰ বৰ বেয়াও নাছিল। মায়ে কলেজৰ অধ্যক্ষা সুখ বাইদেউৰ ৰুমত সোমাল গৈ। দেউতা ঢুকুৱাৰ পৰা মায়ে যে গাঁৱতে এখন স্কুল খুলি বিনা বেতনে খাটি আছে বহু বছৰ ধৰি এই সকলোখিনি কথা পাতিলে। মোৰ মাৰ্কছিট চালে। আৰু বাহিৰৰ দুৱাৰ মুখত ৰৈ থকা মোক মাতিলে। গ'লোঁ। বুকু কঁপি উঠিলে। এক গুৰু গম্ভীৰ কিন্তু প্ৰেৰণা ভৰা নাৰী কণ্ঠ — ফাৰ্ষ্ট ক্লাছ আনিব লাগিব। পাৰিবা নে? মুখেৰে হয়তু স্পষ্টকৈ ক'ব নোৱাৰিলোঁ, কিন্তু মনত বান্ধি ললোঁ - পাৰিব লাগিব। তাৰ পিছত মাক বেগৰ পৰা পইচা এহেজাৰ উলিয়াই দিলে আৰু ক'লে -- অফিচত গৈ এড্মিচনটো লৈ লওক। সঞ্জীৱক মোৰ কথা ক'ব। তেতিয়া স্নাতক বৰ্ষত এড্মিচন তেৰশ পৰা পোন্ধৰশ টকাৰ ভিতৰতে হৈছিল। সেই যে আৰম্ভণি তাৰ পিছতো বাইদেৱে এতিয়া কৰি থকা চাকৰিটো নোপোৱালৈকে ঘৰলৈ গ'লেই টকা পাঁচশ, হাজাৰ টকা মোৰ হাতত গুজি পঠায়। আৰু সেই যে বাইদেউক মুখ ফুটাই নহ'লেও মনেৰে কথা দি থৈছিলোঁ ফাৰ্ষ্ট ক্লাছ পাব লাগিব বুলি, চূড়ান্ত বৰ্ষত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভিতৰতে ডিষ্টিংচনসহ অসমীয়া বিষয়ত প্ৰথম শ্ৰেণীৰ দ্বিতীয় স্থান লাভ কৰিবলৈ সক্ষম হৈছিলোঁ। সেইবাৰেই কলেজৰ অসমীয়া বিভাগত প্ৰথমবাৰলৈ ফাৰ্ষ্ট ক্লাছৰ দুৱাৰখন খোল খাইছিল। এইখিনিতে অসমীয়া বিভাগৰ শ্ৰদ্ধাৰ ছাৰ বাইদেউ তথা কলেজৰ সমূহ শিক্ষাগুৰুৰ অৰিহণা অৱশ্যে স্বীকাৰ্য।

গুৰুৰ ঋণ সুজিব নোৱাৰি কোনো প্ৰতিদানেৰে। যেতিয়া কলেজৰ ৰূপালী জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠানত উত্তোলন কৰা পঁচিশখন পতাকাৰ এখন পতাকা সন্মান সহকাৰে এই অভাগিনীক উত্তোলন কৰিবলৈ দিছিল মহাবিদ্যালয়ৰ প্ৰথমগৰাকী ডক্টৰেট ডিগ্ৰীধাৰী ছাত্ৰী হিচাপে। সিদিনা মোৰ দুচকুৱেদি চকুলোৰ নিজৰা বৈছিল। কিন্তু মোৰ শিক্ষাগুৰু সকলৰ দুচকুত বিশেষকৈ সুখ বাইদেউৰ দুচকুত দেখিছিলোঁ মোৰ প্ৰতি সীমাহীন মৰম আৰু শিক্ষাগুৰু হিচাপে সন্তুষ্টিৰ সুউজ্বল কিৰণ। মই নিজৰ মাতৃক মোৰ সুখৰ খা-খবৰ দিবলৈ কেতিয়াবা থাকি গ'লেও সুখ বাইদেউক জনাবলৈ কেতিয়াও পাহৰা নাছিলোঁ। যেতিয়াৰ পৰা মোবাইল লৈছোঁ তেতিয়াৰ পৰাই শিক্ষক দিৱসৰ পবিত্ৰ ক্ষণত মোৰ প্ৰথমটো ফোন যায় সুখ বাইদেউৰ ফোনলৈ। মোক বাইদেৱে তই সম্বোধনেৰে মাতিছিল যি কথাই মোক বাইদেউৰ প্ৰতি শ্ৰদ্ধা, ভক্তি আৰু আন্তৰিকতা দুগুণে বঢ়াই তুলিছিল। তেখেতক দিকদৰ্শনকাৰী শিক্ষাগুৰু হিচাপে বাইদেউ বুলিছিলোঁ যদিও মনেৰে এগৰাকী মৰমিয়াল মাতৃৰূপত মানি আহিছিলোঁ।

স্নাতকোত্তৰ পৰীক্ষা দি উঠি ঘৰতে টিউচন কেইটামান কৰি আছোঁ। সেয়া আগষ্ট মাহৰ কথা। হঠাতে সুখ বাইদেউৰ ফোন এটা আহিল। মোক নেট পাছ কৰিলোঁ নে নাই সুধিলে আৰু পিছদিনাখনেই মেখেলা চাদৰ এযোৰ পিন্ধি

কলেজলৈ আহিবি বুলি ক'লে। সেইমতেই গ'লোঁ। বাইদেৱে মোক অধ্যক্ষ ৰুমত সোমোৱাই-- তই আজিৰ পৰা কলেজত ক্লাছ কৰিব লাগিব বুলি ক'লে আৰু কমন ৰুমত মোক পঢ়ুওৱা ছাৰ-বাইদেউ সকলৰ সৈতে বহিবলৈ ক'লে। এগৰাকী শিক্ষাগুৰুৱে তেওঁৰ ছাত্ৰীক ইয়াতকৈ আৰু কি শ্ৰেষ্ঠ উপহাৰ দিবলৈ থাকে বাৰু! বাইদেৱে বহুত দিলে মোক, মোৰ জীৱনটোক গঢ় দিয়াত। মই সেউজীয়া ৰঙৰ কাপোৰ পিন্ধিলে বাইদেৱে বৰ বেয়া দেখিছিল আৰু মোক সেই ৰঙটো নিপিন্ধিবলৈ কৈছিল। আচলতে তেখেতে কলেজৰ শিক্ষকসকল তথা ছাত্ৰীসকলক ধুনীয়াকৈ থাকিলে, ধুনীয়া দেখিলে বৰ ভাল পাইছিল। অৱশ্যে দেখিবলৈ বেয়া দেখা কথাটো আনক কৈছিল নে নাই মই নাজানো কিন্তু মোক হ'লে মৰমৰ দাবীৰে কৈছিল।

মোৰ জীৱনৰ গুৰুত্বপূৰ্ণ দিনবোৰত সুখ বাইদেউ আৰু ছাৰে দেখা এটা দি শুভাশীস যাঁচিছিল। মোৰ মা ঘৰখন আৰু স্বামী ঘৰখন তেখেতৰ পদাৰ্পনেৰে ধন্য হৈছে। যেতিয়াই ফোন কৰোঁ মাৰ ঘৰখনৰ কথা, স্বামীৰ ঘৰখনৰ কথা নোসোধাকৈ নাথাকে। শান্তনুক দেচোন কথা পাতোঁ বুলি আন্তৰিকতাৰে কয়। মোৰ বাবে মৰাণৰ সুখ বাইদেউৰ ঘৰখন দ্বিতীয়খন মাৰ ঘৰ যেন। ল'ৰা-ছোৱালী হালেও মৰাণৰ আইতা-ককা মানে এনায়েকৰ ঘৰ এখনৰ দৰে ভাবে। কিয়নো আমাৰ ঘৰত বাইদেউৰ প্ৰসংগ প্ৰায়ে ওলাই থাকে।

বাইদেৱে কথাবোৰ ইমানেই লক্ষ্য ৰাখে যে তেখেতৰ অভিনন্দন গ্ৰন্থ উন্মোচনৰ দিনা মৰাণ মহিলা মহাবিদ্যালয়ত আয়োজন কৰা সভালৈ মোৰ স্বামী শান্তনু গৈছিল। বিশেষ কামৰ বাবে সিদিনা মই যাব নোৱাৰিলোঁ। বাইদেউৰ গাটো বেয়া লগাত সভাৰ পৰা সোনকালেই ঘৰলৈ গ'ল। কিন্তু ইমান মানুহৰ মাজত বহি থকা শান্তনুক মনত ৰাখিছিল আৰু ঘৰৰ পৰা ফোন কৰি লগ কৰি যাবলৈ অনুৰোধ কৰিছিল। ইমান আন্তৰিকতা! সেই আন্তৰিকতা এতিয়া কাৰ পৰা পাম! সিদিনা বাইদেউক শেষ সাক্ষাৎ কৰি উভতাৰ পথত এইবোৰ কথাকে মনত পেলাই শান্তনুৱে হুকহুকাই কান্দি উঠিছিল। ৫ ছেপ্তেম্বৰ শিক্ষক দিৱসৰ দিনা বাইদেউৰ মাতষাৰ শুনিবলৈ ব্যাকুল হৈ পৰিছিলোঁ।

বাইদেউৰ অভিনন্দন অনুষ্ঠানবোৰত উপস্থিত থাকি অনুভৱ কৰিছিলোঁ সুখ বাইদেউ আচলতে এগৰাকী নাৰী নহয় তেওঁ এটা বিশাল অনুষ্ঠান। তেখেতৰ অভিনন্দন গ্ৰন্থ 'ৰত্নগৰ্ভা ড° সুখ বৰুৱা'ৰ সম্পাদনা কালত প্ৰুফ ৰিডিঙৰ সৌভাগ্য ঘটিছিল। অসমৰ শদিয়াৰ পৰা ধুবুৰীলৈকে অনেক জন গুণী-জ্ঞানী লোকৰ বাইদেউৰ প্ৰতি থকা শ্ৰদ্ধা, মৰম, ভালপোৱা, বিশ্বাস, আস্থা, গুণগ্ৰাহিতা; সবাতোকৈ ডাঙৰ কথা বাইদেউক হাজাৰ জনী নাৰীৰ আদৰ্শ তথা প্ৰেৰণাৰ উৎস হিচাপে প্ৰশংসাৰে উপচাই পোলোৱা শুভাকাংক্ষীৰ লিখনিবোৰ পঢ়ি উঠি তেখেতৰ বিশাল ব্যক্তিত্বৰ ওচৰত আকৌ এবাৰ মূৰ দো খাই গৈছিল। শ্ৰদ্ধাৰ দিপালী শইকীয়া বাইদেউ আৰু কল্পনা বৰা বাইদেউৰ সৈতে সেইকেইদিন স্কুলৰ কৰ্তব্য শেষ কৰি উঠি সুখ বাইদেউৰ ঘৰত চাহ-জলপান, ভাত-পানী খাই কাম সামৰি ডিব্ৰুগড়ৰ ঘৰ গৈ পাওঁতে সাঁজ লাগিছিল। তথাপি শৰীৰ-মনত কোনো ক্লান্তি নাছিল, এক উৎসাহ ভৰা মনলৈহে ঘৰলৈ উভতিছিলোঁ।

বাইদেউৰ বহুমুখী তথা ব্যতিক্ৰমী জীৱনচৰ্যাৰ পৰা আমাৰ অনেক শিকিবলগীয়া আছে। ভাঙনি কবিয়ে কৈ গৈছে - "অকল নিজৰ নিমিত্তে নহয় আমাৰ জীৱন ভাই,
পৰৰ কাৰণে খাটিব পাৰিলে সংসাৰ

সুখৰ ঠাই।”

যাৰ নামেই সুখ, তেওঁ নিজে দুখ কষ্ট সহিও কিন্তু আন বহুতৰ বাবে সুখৰ সেন্দুৰীয়া বাট কাটি থৈ গ'ল। আচৰিত কথা তেওঁক কিন্তু কোনোদিনে আমি দুখত ভাগি পৰা দেখা নাপালোঁ। বাইদেৱে জীৱনৰ শেষৰফালে আত্মজীৱনীখন উলিওৱাৰ বাবে কাম আৰম্ভ কৰিছিল। কেইটামান খণ্ড মোক টাইপ কৰিবলৈ দিছিল। সেইখিনি পঢ়ি উঠি এই যে আমি দেখি থকা সদা সুখী, ধীৰ, স্থিৰ, প্ৰাজ্ঞ নাৰী গৰাকী, তেৰোঁ যে জীৱন পৰিক্ৰমাৰ অলেখ ঘটনা পৰিঘটনাৰ মাজত লোকচক্ষুৰ আঁৰত চকুলো টুকিছিল জানিব পাৰিছিলোঁ। আচলতে জুইয়ে পোৰা সোণৰ দৰেই বাইদেৱে অনেক প্ৰত্যাহ্বান নেওচি আজিৰ এক জ্যোতিময়ী সত্বাত পৰিণত হৈছিল। আমি বাইদেউৰ আত্মজীৱনীখন মৰণোত্তৰভাৱে হ'লেও প্ৰকাশ হোৱাটো অন্তৰেৰে কামনা কৰিম। তাৰ বাবে যি পাৰোঁ সহযোগিতা আগবঢ়ালৈ আমি দায়বদ্ধ।

সঁচাকৈয়ে নামে-কামে যোল অনাই মিলি পৰা এগৰাকী নাৰী সুখ বৰুৱা বাইদেউ। কৰ্মযোগী এই নাৰীসত্বাৰ অশেষ ত্যাগৰ স্বীকৃতি স্বৰূপে ৰজাঘৰে আগবঢ়োৱা চন্দ্ৰপ্ৰভা শইকীয়ানী বঁটা তথা টাই আহোম যুৱ পৰিষদ, অসমে প্ৰদান কৰা বীৰাংগনা মূলাগাভৰু বঁটাৰ উচিত অধিকাৰিনী। বাইদেৱে ষাঠিৰ ওচৰে পাজৰে এটা গুৰুত্বপূৰ্ণ বিষয়ত বিশ্ববিদ্যালয়ৰ সৰ্বোচ্চ ডিগ্ৰী অৰ্থাৎ ডক্টৰেট ডিগ্ৰী লাভ কৰিছিল। যিটো কথাই মোক গভীৰভাৱে প্ৰভাৱিত কৰিছিল আৰু অনেক সমস্যাৰ মাজতো মই সেই ডিগ্ৰীটো আহৰণ কৰিবলৈ প্ৰেৰণা পাইছিলোঁ। মোৰ অন্তৰৰ আশা আছিল গৱেষণা গ্ৰন্থখনিয়ে ছপাৰূপ পালে মোৰ জন্মদাত্ৰী মাতৃ আৰু সুখ বৰুৱা বাইদেউৰ নামত উচৰ্গা কৰি জীৱিত কালতে তেখেতক মোৰ সহস্ৰ শ্ৰদ্ধা নিবেদিম। জীৱনকালত সেই আশা পূৰণ নহ'লেও মৃত্যু উত্তৰ কালত হ'লেও সেয়া পালন কৰিবলৈ মই দৃঢ়সংকল্পবদ্ধ।

বাইদেউৰ মাতে - কথাই কি এনে সন্মোহিনী গুণ আছিল যে তেখেতৰ কোনো কথাই হয়তু কোনোৱে না কৰিব নোৱাৰিছিল। সেইদৰে বাইদেউক বাঘৰ দৰে ভয় কৰা কলেজত পঢ়ি থাকোঁতেও দেখিছিলোঁ, পিছলৈ কলেজত শিক্ষকতা কৰোঁতেও দেখিছিলোঁ। শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰী তথা কৰ্মচাৰী সকলোৱে বাইদেউক দূৰতে দেখিলেই আপোনা-আপুনি সন্ত্ৰম হৈ পৰিছিলোঁ। ছাত্ৰীসকলেতো সাত হাত দূৰত অৱস্থান কৰিছিল। কিন্তু তাৰে মাজত যেতিয়া কোনোবাজনী ছাত্ৰীক মাতি ধুনীয়াকে কথা বতৰা পাতিছিল তেতিয়া আমি বাইদেউৰ লৌহ কঠিন যেন দেখা ৰূপটোৰ বিপৰীতে এক স্নেহময়ী শিক্ষাগুৰু তথা মাতৃৰ ৰূপটো দেখি সন্মোহিত হৈছিলোঁ।

যোৱা গৰম বন্ধ মাহত বাইদেউক দেখা কৰিবলৈ আমি পৰিয়ালটো আহিছিলোঁ। সিদিনা বাটৰ পৰাহে বাইদেউক ফোন কৰি কথাটো জনালোঁ। বাইদেৱে প্ৰথমে আজি বহুত আলহী আছে, আহিব নালাগে নহ'লে বুলি ক'লে যদিও কি ভাবি জানো আকৌ ক'লে আহ আহ। ক'ৰ পালিহি ? কোন কোন আহিছ? আহিলোঁ। বাইদেউক বিচনাত শয্যাশায়ী ৰূপত দেখি বুজাব নোৱাৰা দুখে খুন্দা মাৰি ধৰিছিল। হাত ভৰি কেইখন মৰমেৰে পিটিকি কৈছিলোঁ - বাইদেউ, আপুনি সোনকালে ভাল হৈ আকৌ ৰাইজৰ কাম কৰিবলৈ আহিব লাগিব। পাৰিম জানো মই পাপৰি ! বাইদেৱে কিয় জানো সংশয়েৰে কৈছিল। যি সংশয় আজি হৃদয়বিদাৰক বাস্তৱ হৈ পৰিল।

শ্ৰদ্ধাৰ বিনন্দ বৰুৱা ছাৰ, সুখ বাইদেউৰ

সুযোগ্য স্বামী। এজন অতিকে ভক্তি পৰায়ণ আৰু অনুভূতিশীল প্ৰাণৰ গৰাকী। সুখ আৰু বিনন্দ। অৰ্থ একেই। এটা মুদ্ৰাৰ যেন ইপিঠি-সিপিঠি। ভগৱানে দুয়োজনকে স্বামী- স্ত্ৰী হিচাপে যেন সৰগতে যুটি বান্ধি পঠাইছিল। আজি সুখ বাইদেউ আমাৰ মাজত নাই। বাইদেউৰ অবৰ্তমান ছাৰৰ বাবে সহ্যাতীত। সেয়েহে হয়তু ছাৰৰ স্মৃতিৰ মণিকূটত বাইদেউক সদায়ে জীয়াই ৰাখিবলৈকে ভগৱানে তেখেতক আজি বাইদেউ নোহোৱাৰ কৰুণতম দুখৰ বতৰাটো জানিবলৈ নাই দিয়া। ছাৰে মোক সিদিনা যেতিয়া তুমি কোন বাৰু বুলি সুধিলে তেতিয়া বাকৰুদ্ধ হৈ পৰিছিলোঁ। এজন মৰমিয়াল পিতৃৰ স্নেহ স্মৃতিত নিজকে হেৰুৱাই আমি দুগুণে শোকত ভাগি পৰিছিলোঁ। ছাৰক আমি পুনৰাই বাস্তৱ পৃথিৱীখনৰ আগৰ সহৃদয়ৱান আৰু মৰমিয়াল পিতৃজন হিচাপে চাব খোজোঁ। ভগৱানক প্ৰাৰ্থনা জনাইছোঁ, আমাৰ মিনতি যেন স্বীকাৰ কৰে।

পৰিশেষত, আচলতে সুখ বাইদেউৰ গুণানুকীৰ্তন কৰি বা লিখি শেষ কৰিব নোৱাৰি। এষাৰেই কথা, এগৰাকী মহিয়সী নাৰীৰ বিৰল সান্নিধ্য লাভেৰে মোৰ জীৱন ধন্য হ'ল। বাইদেউৰ আশিস ধন্যা এজনী ছাত্ৰী হিচাপে তেখেতৰ পদাংক সামান্য হ'লেও অনুকৰণ কৰিব পাৰিলে হয়তু গুৰুঋণৰ সামান্য সুজিব পৰা যাব। বাইদেউ, আপোনাৰ পুণ্যাত্মাই সৰগত বসতি কৰক আৰু তাৰে পৰাই আমাক আশীৰ্বাদ বৰিষণ কৰিব।

ওঁম শান্তি।●

# ড° সুখ বৰুৱা, মৰমিয়াল বৌজনী

**দেব কুমাৰ নাথ আৰু পৰিয়াল**

অকৃত্ৰিম মৰম দিয়া মোৰ শ্ৰদ্ধাৰ তথা অভিভাৱক স্বৰূপ এগৰাকী বৌ, ড° সুখ বৰুৱা হঠাতে গ'লগৈ বুলি গম পাই দুখত মৰ্মাহত হ'লোঁ। ১৯৯০ চনতে লগ পোৱা 'সুখ বৌ'ক এবাৰ লগ পোৱা বহুতেই হয়তো তেখেতৰ মৰম আদৰ্শৰ কথা পাহৰিব নোৱাৰে। আমাৰ নিকটবৰ্তি গাঁৱৰ পৰা সেই সময়ত সুখ্যাতিৰে শিক্ষা সমাপ্ত কৰি অহা ব্যক্তি সকলৰ অন্যতম, মোৰ জেষ্ঠ ভাতৃ স্বৰূপ শ্ৰদ্ধাৰ শ্ৰীযুত বিনন্দ বৰুৱা ককাইদেউৰ সহধৰ্মিনী হিচাপে তেখেত মোৰ অতি আপোন হৈ পৰিলে আৰু দেৱৰ হিচাপেই নহয় নিজৰ সৰু ভাতৃৰ দৰেই মোক ব্যৱহাৰ কৰি কৰি বিদায় ল'লে। এগৰাকী প্ৰকৃত সমাজ কৰ্মী হিচাপে যেতিয়াই মোৰ সেৱাৰ প্ৰয়োজন হয় বুলি ভাবে তেতিয়াই মোক তেখেতৰ ভাতৃক কোৱাৰ দৰেই আদেশ দিয়ে। তেখেতৰ মৰমৰ আদেশ মানি চলাৰ বাহিৰে গত্যান্তৰ নাছিল যদিও কেতিযাবা মই নোৱাৰো বুলি খং তোলাই বৰ আমোদ পাইছিলো। সেইবোৰ কাজিয়াৰ কথা মোৰ পৰিবাৰক সময় পালেই লগাইছিল। পাছৰ পৰ্যায়টো ফোন যোগে সৌ সিদিনালৈকে আমাৰ যোগাযোগ চলি আছিল।

মৰাণত চাকৰি সূত্ৰে পাঁচ বছৰৰ অধিক সময় খিনিত বৌ আছিল আমাৰ পৰিয়ালৰ সাহস আৰু প্ৰেৰণাৰ উৎস স্বৰূপ। মৃত্যুৰ কেইদিনমান আগলৈকে আমাৰ প্ৰতিটো খবৰৰেই ৰাখিছিল বৌৱে।

তেখেত আছিল এগৰাকী নিঃস্বাৰ্থ সমাজসেৱিকা। মৰাণ মহিলা মহাবিদ্যালয় প্ৰতিষ্ঠাৰ মূল চালিকশক্তিও আছিল তেখেতেই। তাৰোপৰি বিভিন্ন অগ্ৰণী মহিলা অনুষ্ঠান প্ৰতিষ্ঠানটো তেখেতৰ ভুমিকা আছিল আদৰণিয়। তেখেতৰ আকস্মিক বিয়োগে মৰাণ তথা বহুতো সমাজসেৱী অনুষ্ঠানৰ বাবে অপুৰণীয় ক্ষতি।

জন্ম মাত্ৰেই মৃত্যু অৱধাৰিত যদিও জীয়াই থকা সকলৰ বাবে অতি বেদনাদায়ক। ভগৱানে তেখেতৰ পুন্য আত্মাক চিৰশান্তি প্ৰদান কৰক। এই প্ৰাৰ্থনাৰে শোকবিহ্বল পৰিয়ালৰ দুখৰ সমভাগী হৈ সমবেদনা জনালোঁ।

'ঔম্ শান্তি' 'ঔম্ শান্তি' 'ঔম্ শান্তি'।●

# এগৰাকী মহীয়সী নাৰীৰ সান্নিধ্যৰ সোঁৱৰণ

**কল্পনা বৰা**

২০২৩ চনৰ ৩ চেপ্তেম্বৰ। মোৰ বাবে এটা অতি দুখৰ দিন। যিটো দিনত আমাৰ অতি শ্ৰদ্ধাৰ আৰু মৰমৰ ড° সুখ বৰুৱা বাইদেউক আমাৰ মাজৰ পৰা চিৰদিনৰ বাবে হেৰুৱালোঁ। জুৰি গগৈৰ এটা ৰাটছ্আপ মেছেজত গম পালো যে বাইদেউ আমাৰ মাজত নাই। ভৰিৰ তলৰ মাটিখিনি যেন হঠাৎ খহি পৰিল। শাৰীৰিক অসুস্থৰ বাবে মই কিছুদিন শয্যাশায়ী। খবৰটো পঢ়ি মই দীপালী দত্ত শইকীয়া, দেৱযানী সন্দিকৈক ফোন কৰিলোঁ। সকলোৰে প্ৰশ্ন 'তুমি কেনেকৈ গ'ম পালা?' যেন মই খবৰটো গম পাবই নালাগে। ফোনত আটাইকেইজনীয়ে কান্দি কান্দিহে কথা পাতিছো। বাইদেউৰ ডাঙৰ বোৱাৰী ৰ'জীলৈও ফোন কৰিছো। একেই কান্দোনৰ ৰোল। আগদিনা বাইদেউ দুলীয়াজানৰ পৰা আহি পোৱা বুলি গম পাই ফোন কৰিছিলোঁ। বাইদেউৰ সহায়কাৰী আইকনে ক'লে - 'বাইদেৱে এতিয়া ফোন ধৰিব নোৱাৰে।' শেষবাৰৰ বাবে বাইদেউক দেখাটো দূৰৰে কথা মাতটো শুনাৰ পৰাও বঞ্চিত হ'লো। মই কেতিয়াও ভবা নাছিলো যে ইমান অপ্ৰত্যাশিতভাৱে বাইদেউ আমাৰ মাজৰ পৰা হেৰাই যাব। মই যিটো অৱস্থাত আছো যে মই গৈ এবাৰ চাই আহিম, সেয়াও সম্ভৱ নহয়।

মোৰ এই লেখাত মই তেখেতৰ সামাজিক, শৈক্ষিক, সাহিত্যিক আদি দিশৰ বিষয়ে আলোকপাত নকৰো। ইতিমধ্যে মই সম্পাদনা কৰা বাইদেউৰ অভিনন্দন গ্ৰন্থ এই সকলো দিশ বিভিন্ন জনে সুন্দৰকৈ আলোচনা কৰিছে আৰু এই স্মৃতিগ্ৰন্থত বিভিন্ন জনে আলোকপাত কৰিব। মোৰ এই লেখনিত আমাৰ মাজৰ আত্মিক সম্পৰ্ক আৰু মধুৰ সান্নিধ্যৰ বিষয়ে দুই এযাৰ কথা লিখি শ্ৰদ্ধাৰে বাইদেউক সোঁৱৰিব খুজিছোঁ।

আমাক সামাজিক প্ৰেক্ষাপটলৈ উলিয়াই অনা সাহসী আৰু উদ্যমী নাৰীগৰাকীয়েই হ'ল বাইদেউ। এই কথা মৰাণৰ প্ৰত্যেকগৰাকী নাৰীয়ে একে মুখে স্বীকাৰ কৰিব। সামাজিক বিভিন্ন কামকাজ কৰিবলৈ যাওঁতে শদিয়াৰ পৰা ধুবুৰীৰ বিভিন্ন স্থানলৈ গৈ সভা সমিতিত অংশ গ্ৰহণ কৰাৰ অভিজ্ঞতা আহৰণ কৰিছোঁ। বাইদেৱে ইমান মানুহ চিনি পায়, ইমান মানুহে বাইদেউক শ্ৰদ্ধা কৰে দেখি আচৰিত লাগে। ২০০৮ চনত মৰাণত অনুষ্ঠিত সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ দ্বাবিংশতিতম দ্বিবাৰ্ষিক অধিৱেশনৰ বাইদেউ আছিল অভ্যৰ্থনা সমিতিৰ সভানেত্ৰী আৰু মই আছিলো সম্পাদিকা। সেই সূত্ৰে বাইদেউৰ লগত দিন ৰাতি একাকাৰ কৰি কাম কৰাৰ অভিজ্ঞতা আহৰণ কৰিছো। মৰাণৰ আশে-পাশে লেখিকা সমাৰোহ সমিতিৰ ১৬টা শাখা গঠন কৰিছো। বাইদেউৰ সাংগঠনিক দক্ষতা অতি সুন্দৰ। সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ বিভিন্ন ঠাইত অনুষ্ঠিত সভালৈ আমি কেইবাগৰাকী লগ হৈ কেতিয়াবা গাড়ীত, দূৰৰ হ'লে কেতিয়াবা ৰে'লত যোৱাৰ অভিজ্ঞতা আছে। এই ঠাইবিলাকত আমি বাইদেউৰ লগত থকাৰ বাবেই থকা-খোৱাৰ সুন্দৰ সুবিধা প্ৰদান কৰে। কথাবোৰ এতিয়া ভাবি সপোন সপোন যেন লাগে।

চাক্ষুসভাৱে বাইদেউক লগ নোপোৱা মোৰ ৪/৫ মাহ হ'ল। কিন্তু ফোনত আমাৰকথা হৈয়েই থাকে। ফোনত বাইদেউৰ লগত কথা পতাৰ কোনো সীমাবদ্ধতা নাই। কিবা কাম এটা হাতত ল'লে কামটোৰ বিষয়ে আলোচনা কৰিবলৈ দিনটোত দহবাৰো কথা পতা হয়। শেহতীয়াকৈ ১০/১২ দিনমান কথা পতা হোৱা নাছিল যদিও বাইদেউৰ ছোৱালী মাতু আৰু বোৱাৰী ৰ'জীৰ পৰা খবৰ লৈ আছিলো। মই জটিল ৰোগত আক্ৰান্ত হোৱা খবৰটো পাই বাইদেউ বোধকৰো স্তব্ধ হৈছিল। মাথো কৈছিল 'সাহস নেহেৰুৱাবা'। পিছলৈ মোৰ স্বাস্থ্যৰ অৱনতি ঘটাত ফোন কৰা কমি গ'ল। সেই দুখে মোক গোটেই জীৱন কষ্ট দি থাকিব। বাইদেৱে প্ৰায়ে কৈছিল - 'মই যি পৰিলো আৰু চাগে উঠিব নোৱাৰিম।'

বাইদেউৰ ঘৰলৈ গ'লে মুখত একো এটা নিদিয়াকৈ কেতিয়াও আহিব নিদিয়ে। এই কথা প্ৰত্যেকজন মানুহেই ক'ব। মোৰ এটা কথা ভাবি ভাল লাগে বাইদেৱে মোৰ কামৰ প্ৰশংসা কৰিছিল যাৰ বাবে মই কাম কৰিবলৈ উৎসাহ পাইছিলো। মোক প্ৰায়ে কৈছিল - 'তোমাৰ লগত কাম কৰি মই ভাল পাওঁ।' বাইদেউৰ স্মৃতিশক্তি তবধ মানিবলগীয়া। মানুহৰ নাম উপাধিৰ লগতে প্ৰায়বিলাক মানুহৰ ফোন নং কৈ দিব পাৰে। ডাঙৰ সভা সমিতি আদি অনুষ্ঠিত কৰাৰ আগতে গোটেই কামখিনি নিয়াৰিকৈ আয়োজন কৰিবলৈ বাইদেউৰ পৰাই শিকিছিলো। মানুহৰ ঠিকনা লিখিবৰ সময়ত একোটা অঞ্চলভেদে নামবোৰ একাদিক্ৰমে কৈ যাব পাৰিছিল। আমি নিজে তালিকা প্ৰস্তুত কৰিলেও বাইদেউক দেখুৱালে যদি কাৰোবাৰ নাম বাদ পৰি যায় লগে লগে আঙুলিয়াই দিছিল। ইমান কৰ্মদক্ষ, সাহসী, মানৱদৰদী, উদ্যমী নাৰীৰ ঘনিষ্ঠ সান্নিধ্য লাভ কৰাটো মোৰ বাবে পৰম সৌভাগ্যৰ কথা।

প্ৰকৃতাৰ্থত বাইদেউ মোৰ বাবে আছিল পথ প্ৰদৰ্শক, সুপৰামৰ্শদাতা আৰু এগৰাকী মাতৃতুল্য ব্যক্তি। বাইদেৱে যেতিয়া নতুন চাউল কেইটামান, পিঠাকেইটামান, বাৰীৰ নেমু কেইটামান টোপোলা বান্ধি দি পঠায় তেতিয়া মোৰ স্বৰ্গগত মালৈ মনত পৰে। বাইদেউৰ গা বেয়া থাকিলেও অকনমান ভাল পালেই আপোনজনক হেৰুওৱা শোকসন্তপ্ত পৰিয়ালবৰ্গক মাত লগোৱাটো নৈতিক দায়িত্ব বুলি গ্ৰহণ কৰিছিল। এনে বিভিন্ন ঘৰলৈ যাওঁতে মই প্ৰায়ে বাইদেউৰ সহযাত্ৰী আছিলো। ঘৰৰ আগত গাড়ীখন ৰখাই মোক লগত লৈ যোৱা বা মই মোৰ গাড়ী ৰখাই তেখেতক লৈ যোৱাৰ কথা সদায় স্মৃতি হৈ ৰ'ব। বাইদেউ গাড়ীত ওলাই গ'লে প্ৰায়ে থলুৱা শাক পাচলি, মাছ আদি মোৰ লগত বজাৰ কৰি ভাল পাইছিল। কেতিয়াবা কাপোৰৰ দোকানত, কেতিয়াবা অন্যান্য প্ৰয়োজনীয় সামগ্ৰী কিছুমান ক্ৰয় কৰাৰ সময়ত মই প্ৰায়ে একেলগে আছিলো।

জীৱন কালত বাইদেউ বহুত সন্মানেৰে সন্মানিত। বাইদেউ এক ত্যাগৰ প্ৰতীক। সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সন্মানীয় সভানেত্ৰী পদ অলংকৃত কৰা, মৰাণৰ নাৰী শিক্ষাৰ বাবে জীৱন উছৰ্গা কৰি নাৰীৰ উচ্চশিক্ষাৰ প্ৰতিষ্ঠান মৰাণ মহিলা মহাবিদ্যালয় প্ৰতিষ্ঠা কৰি প্ৰতিষ্ঠাপক অধ্যক্ষা হিচাপে অৱসৰ গ্ৰহণ কৰা, অসম চৰকাৰৰ চন্দ্ৰপ্ৰভা শইকীয়া বঁটা, মূলা গাভৰু বঁটা, সাহিত্যিক পেঞ্চন লাভ কৰা এগৰাকী মহীয়সী নাৰীৰ লগত থকা মোৰ ঘনিষ্ঠ সান্নিধ্যৰ কথা সোঁৱৰি মই তেখেতৰ প্ৰতি আন্তৰিক শ্ৰদ্ধাঞ্জলী জ্ঞাপন কৰিছো।

তেখেতৰ বিদেহ আত্মাই চিৰশান্তি লাভ কৰক। তাকেই পৰমপিতাৰ ওচৰত মিনতি জনাইছোঁ। 'ঔম শান্তি'।●

# বাইদেউৰ এটা সপোন পূৰণ নহল ...

**আইভিলতা চুতীয়া**

"কৰ্মই ধৰ্ম" এই কথাষাৰত বিশ্বাসী ড° সুখ বৰুৱা বাইদেৱে যোৱা ৩ ছেপ্তেম্বৰ এই সংসাৰ ত্যাগ কৰি গুচি গ'ল আমাৰ মাজৰ পৰা। কৰ্মৰ মাজেদিয়ে বিচাৰি আনিছিল প্ৰতিভা, গঢ়ি তুলিছিল বহু অনুষ্ঠান যাৰ স্বাক্ষৰ মৰাণৰ লগতে সমগ্ৰ অসমত বিয়পি আছে। এই বছৰেৰে 'মে' মাহৰ কোনোবা এটা দিনৰ কথা। বাইদেৱে মোলৈ ফোন কৰিলে, আইভি, তোমালোকৰ কলেজলৈ কিতাপ অলপ থৈছো লৈ যাবাহি। মই যাম বুলি কোৱাত আমাৰ মহাবিদ্যালয়ৰ উত্তমকে পঠাই দিবলৈ ক'লে। কথামতেই এদিন উত্তমক পঠাই কিতাপখিনি অনোৱালো। সেইদিনাই বাইদেৱে মোক ফোনতে আৰু এটা কথা কৈছিল। আইভি মোৰ আৰু এটা বৰ ডাঙৰ ইচ্ছা আছে সেইটো পূৰণ কৰিব পাৰিলে মই শান্তিৰে মৰিব পাৰিম।

মই অলপ অপ্ৰস্তুত হ'লো আৰু বাইদেউক ক'লো কওঁকচোন আপোনাৰ কি ইচ্ছা আছে। তেওঁ মোক কৈ গ'ল মৰাণ মহিলা মহাবিদ্যালয়ৰ প্ৰথম মহিলা স্নাতক হাজেৰা খাতুন (বৰ্তমান এই মহাবিদ্যালয়তে কৰ্মৰত), সংঘমিত্ৰা জাতীয় বিদ্যালয়ৰ প্ৰথম বৰ্ষৰ সুখ্যাতিৰে উত্তীৰ্ণ হোৱা (৫টা বিষয়ত লেটাৰসহ ষ্টাৰ মাৰ্ক পোৱা) ছাত্ৰী কংকনা চুতীয়া আৰু বেতবাৰী ছোৱালী হাইস্কুলৰ প্ৰথম গৰাকী মেট্ৰিক পাছ কৰোতা ছোৱালী (বৰ্তমান নাহৰকটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ) বিষয় শিক্ষয়িত্ৰী "গগৈ" উপাধিৰ (মই নামটো পাহৰিছো)। এই তিনিগৰাকীকে একেলগে সৰ্ম্বধনা জনাব পাৰিলে মই বৰ সুখ পাম। কিন্তু বাইদেৱে সেই কাম কৰিবলৈ নাপালে। নিষ্ঠুৰ নিয়তিয়ে বাইদেউক লৈ গ'ল অজান মুলুকলৈ য'ৰপৰা আৰু কোনোদিন ঘুৰি নাহে তেওঁৰ এই ইচ্ছা পূৰণ কৰিবলৈ।

এক সীমিত পৰিসৰতে নাৰীসকল ব্যস্ত নাথাকি বহল সমাজলৈ নাৰীসকল সদায় আগুৱাই যাওঁক সেই কথাত বাইদেৱে গুৰুত্ব দিছিল। বাইদেউৰ আত্মাই চিৰশান্তি লাভ কৰক।

ঔম শান্তি !●

### জীৱনৰ বৰ্ণিল যাত্ৰাত স্বৰ্গীয় আভা বিচ্ছুৰণ কৰি ইহলোক এৰি যোৱা মৰমৰ

# সুখ বাইদেউৰ সোঁৱৰণত অশ্ৰুসিক্ত নয়নেৰে গভীৰ শ্ৰদ্ধাঞ্জলী

**গঙ্গাধৰ চেতিয়া**
ভাতৃ বেতবাৰী

অসমীয়া ভাষাৰ অভিধান খনত সহস্ৰ শব্দৰ মাজত সৰবে লুকাই থকা মুধময় শব্দ 'জীৱন'। চাৰিওফালে বেৰা দি প্ৰন্ধাৰ কবি ন ফালে নখনি দুৱাৰ লগাই থোৱা পঞ্চৰতী মানৱী দেহৰ গৃহত প্ৰাণবায়ু (আত্মা) থকালৈকে এই সময়ছোৱাকে কোৱা হয় মানৱী জীৱন। ধৰাধামত সঠিক ম্যাদ বা গেৰাণ্টি নথকা এই মানৱী জীৱন। হৰ্ষ-বিষাদ, কামনা, বাসনা, শংকা, সংশয়-সম্ভাৱনা, প্ৰাপ্তি-প্ৰাচুৰ্য্যৰ মাজত জীয়াই থকা অৱস্থাটোৱেই হ'ল আমাৰ জীৱন। বৰ অনুপম। কিন্তু ধৰ্ম শাস্ত্ৰত কোৱা হৈছে - "দুৰ্ল্লভ মনুষ্য ইটো ভাৰত বৰিষে।" দেহ বিচাৰ গীতৰ মাজেদি মনুষ্যগনলৈ সদা সকিয়নী -

*"জীৱন এদিনীয়া জীৱন দুদিনীয়া মই ভাই অ'*
*জীৱনৰ ভৰসা নাই,*
*এই মাটি এই ঘৰ সকলোটি হ'ব পৰ*
*মানৱ জীৱন নেপাবা দুনাই।"*

তিনি তাপ, ছয় উৰ্মি, দশ তৃষ্ণা, লোভ-মোহ, কাম-ক্ৰোধ, দম্ভ অহঙ্কাৰত নিমগ্ন হয় মানৱী জীৱন। সেয়ে জীৱন কাৰোবাৰ বাবে সপোন, কাৰোবাৰ দিঠক হ'লে কৰুণ। কেতিয়াবা ৰিক্ত-তিক্ত আৰু অশ্ৰুসিক্ত। এই মায়াময় সংসাৰলৈ আহিব লাগে বিবস্ত্ৰে, ৰিক্ত হস্তে, যাৱও লাগে ৰিক্ত হস্তে বগা কাপোৰৰ আঁৰত চাৰিটিৰ কান্ধত অকলে লুকাই। এয়া কি এক হৃদয় বিদাৰক কৰুণ দৃশ্য। দুগালে নিগৰে তপত চকুলো। শোকত দগ্ধ হয় ঠুনুকা হৃদয়।

আমি গমেই নেপাওঁ - গতিশীল সময়ে সৰ্বতিকালে ঠাৰে-চিয়াঁৰে আমাক নিষ্ঠুৰ সকিয়নি দিয়েই আছে - "মই নিৰবধি। মোৰ অপ্ৰতিৰোধ্য গতিক ক্ষণিক বাধা প্ৰদান কৰিবলৈ এই চৰাচৰ বিশ্ব-ব্ৰহ্মাণ্ডৰ কাৰো শক্তি নাই। মই কালৈকে ৰৈ থাকিব নোৱাৰো। মোৰ লগত কোনো শত্ৰু-মিত্ৰ নাই। মই কাকো ক্ষমাও কৰিব নোৱাৰো। মই নিজেই নেজানো মই কিয় ইমান নিষ্ঠুৰ! তুমিতো গ'মেই পোৱা নাই যে মোৰ কুটিল ইঙ্গিতত চিত্ৰগুপ্তই তোমালৈ কেৰাহিকৈ চাই কিবা লিখি আছে। লিখি শেষ হ'লেই তোমাক চমন জাৰি কৰিব।

সঁচাই এক অদৃশ্য মহাশক্তিয়ে প্ৰহৰে প্ৰহৰে, দিনে দিনে ৰক্ত-মাংসক-চৰ্মৰে আবৃত্ত দুৰ্ল্লভ মনুষ্য দেহটোৰ পৰা দৈহিক শক্তি সামৰ্থবোৰ তিল তিদলকৈ সংগোপনে কাঢিঞ নি সমগ্ৰ দেহটোক অৱশ কৰি অত্যাধুনিক চিকিৎসকা বিজ্ঞানৰ

চমৎকাৰ জীৱনদায়িনী প্ৰচেষ্টাৰ গতি ধাৰাক ভেঙুচালি কৰি যোৱা ৩ চেপ্তেম্বৰ তাৰিখে দিনৰ ১১ বজাৰ লগে লগে আমাৰ মৰমৰ, আদৰ্শৰ প্ৰতীক সুখ বাইদেউক কালে চমন জাৰি কৰিলে। সজীৱ পঞ্চভূতি দেহটো নিথৰ কৰি অৱিনশ্বৰ আত্মাটো পলকতে কাঢ়ি লৈ গ'ল। ইহলোকৰ পৰিবৰ্তে নতুন ঠিকনা হ'ল পৰলোক; দৰ্শন ইন্দ্ৰিয়ই ঢুকি নোপোৱা, শ্ৰৱণ ইন্দ্ৰিয়ই শুনি পাব নোৱাৰে। আধুনিক বিজ্ঞানৰ জয়জাত্ৰাত উদ্ভাৱন কৰা শক্তিশালী দূৰবীক্ষণ যন্ত্ৰয়ো চিনাক্ত কৰিব নোৱাৰা একৰ ধূসৰ অজানমুলুক। ৰিক্ত হস্তে আহিছিল, পুনৰ ৰিক্ত হস্তে গুছি গ'ল। এৰি গ'ল নিজৰ সৃষ্টিৰাজি। জীৱিত কালত নিজৰ দক্ষতা, কৰ্মকুশলতা, উদাৰতা, জনসমাজলৈ আগবঢ়াই যোৱা অনবদ্য বৰঙণিৰ বাবে সহস্ৰজনে স্বীকৃতিৰ চিন স্বৰূপে স্নেহ-শ্ৰদ্ধা আৰু কৃতজ্ঞতাৰে হিয়া উজাৰি প্ৰদান কৰা উপহাৰ, নানা উপাধি, প্ৰশস্তি পত্ৰ আৰু বঁটা-বাহনবোৰ। নৰলোকত থাকি গ'ল সফল জীৱনৰ মধুৰ স্মৃতিবোৰ। গুণমুগ্ধ সুহৃদ সকলে বাইদেৱে কষ্ট স্বীকাৰ কৰি গঢ় দিয়া প্ৰাণৰো প্ৰাণৰ মৰাণ মহিলা মহাবিদ্যালয় চৌহদলৈ জড় দেহাটো নি শতাধিকজনৰ উপস্থিতিত শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি যথা স্থানলৈ নি অগ্নিত সমৰ্পণ কৰি মহাশূন্যত বিলীন কৰি দিয়া হ'ল। শোকগ্ৰস্থ হৈ উদাস দৃষ্টিৰে প্ৰজ্বলিত অগ্নিৰফালে মুকবধিৰ দৰে চাই থাকোঁতে মনলৈ আহিল ৰঘুনাথ চৌধুৰীৰ এফাঁকি কবিতালৈ —

*জীৱনৰ অভিনয় পল গল কৰি*
*শেষ হ'ল কালৰ গৰ্ভত*
*নশ্বৰ দেহৰ একো বাকী নেথাকিল*
*স্মৃতি মাথো ৰ'ল জগতত।*

অনুভৱ হৈছে — যুগ্ম জীৱনৰ পাতনি মেলি কৰ্মসূত্ৰে জোনাকীনগৰ মৰাণত মনৰ হেঁপাহৰে থাকিবলৈ লোৱা জনতাৰ সদা সমাগমে জীপাল কৰি ৰখা মৰমৰ ঘৰখন উকা হৈ গ'ল। ইয়াৰ পাছত হয়তু নিস্তব্ধতাই বিৰাজ কৰিব। সমদলে শব্দবোৰে পৰিশ্ৰান্ত হৈ মৌনতাকে সাৰটি ল'বলৈ প্ৰয়াস কৰিব নেকি?

বাইদেউৰ জীৱন পৰিক্ৰমা ঃ আঁৰত লুকাই থকা কিছু কথা।

১৯৪০-৫০ ছনৰ ভিতৰৰ কথা। শিৱসাগৰ নগৰৰ পৰা প্ৰায় ৭ মাইল (আজিকালি প্ৰায় ১০ কিলোমিটাৰ) নিলগৰ এখন আঁওহতীয়া সকলো দিশত পিছ পৰা ঠাই বেতবাৰী বৰকুড়ি চেতিয়া গাঁও। তাৰেই এটা দুখীয়া পৰিয়ালত জন্ম হৈছিল সুখ বাইদেউ। মোৰ নিজা বৰদেউতাৰ কন্যা। আমাৰ দেউতাৰ ককাই-ভাই মুঠ ৫ জন। জ্যেষ্ঠতাৰ ভিত্তিত বাইদেউৰ দেউতাক তৃতীয় আৰু আমাৰ দেউতা তেখেতৰ পাছৰ চতুৰ্থ স্থানত থকা ভায়েক। ঘৰৰ নিচেই কাষতে থাকি আমি একেলগে ওমলি-জামলি ডাঙৰ দীঘল হৈছিলোঁ। মোৰ জন্ম ১৯৪৬ চনৰ শেষাৰ্দ্ধত। বাইদেউ মোতকৈ তিনি বছৰ মানৰ ডাঙৰ। শৈশৱত উৰুখা পঁজাৰ চালৰ ফাঁকেদি চিক্‌মিক বিজুলী আৰু জিক্‌মিক্ তৰাৱলী দেখা অৱস্থা। পেট ভৰি ভাত কেইটা খোৱাৰো সমস্যা। বৰ্ষাৰ প্ৰৱল বৃষ্টিৰে দুখৰ চকুলো বোৱাই আনিছিল। সঘনে দুখৰ হুমুনিয়াহ। নিচেই কম বয়সতে বাইদেৱে পিতৃক হেৰুৱাব লগা হৈছিল। দুখুনী মাতৃয়ে পাঁচটাকৈ ল'ৰা-ছোৱালী অশেষ শাৰীৰিক কষ্ট কৰি পোহপাল দি শিক্ষাৰ পোহৰ পাবলৈ ওচৰতে থকা চেতিয়া-কাকতি প্ৰাথমিক বিদ্যালয়ত জীৱনৰ আদিপাঠ গ্ৰহণ কৰিবলৈ পঠাই দিছিল। তাৰ পাছত বেতবাৰী এম.ভি স্কুল আৰু তাৰ পাছত বেতবাৰী উচ্চ মাধ্যমিক বিদ্যালয়লৈ নিৰবিচ্ছিন্ন যাত্ৰা। মই সপ্তম শ্ৰেণীত পঢ়ি থাকোতে বাইদেউ দশম শ্ৰেণীৰ

ছাত্ৰী। পঢ়া-শুনাৰ মাজেত নাটকত অভিনয় কৰা, কবিতা লিখাত অভ্যস্ত হ'ব লগা হৈছিল। এফালে আৰ্থিক সংকট আনফালে খাদ্যৰ সমস্যা। ভাগ্যক ধিয়াই নেথাকি তাৰ মাজতে লিখা পঢ়াত ব্যস্ত হৈ মেট্ৰিক পৰীক্ষা দিবৰ বাবে সাজু হ'ল। মেট্ৰিক পৰীক্ষাৰ বাবে প্ৰ-পত্ৰ (Form fillup) পূৰণ কৰাৰ সময়ত সমাগত হ'ল। এপাদেৰে ফৰ্ম ফিলাপৰ বাবে প্ৰয়োজন হোৱাটকা কেইটা শেষ মূহুৰ্ত্তলৈকে যোগাৰ কৰিব নোৱাৰি অধৈৰ্য্য হৈ পৰিল। সেই সময়ত মোৰ হাতত এম্ ইবৃত্তিৰ বাবদ পোৱা টকা কেইটা নথকা হ'লে বাইদেৱে মেট্ৰিক পৰীক্ষা দিবলৈ পোৱাৰ পৰাই বঞ্চিত হ'ব লগা হ'লহেঁতেন। শিৱসাগৰ পৰীক্ষা কেন্দ্ৰত পৰীক্ষা দি একেবাৰতে বাইদেৱে মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হ'ল। সেই সময়ত সৌভাগ্যবশত একমাত্ৰ ককায়েক দীপেশ ককাইদেউৰ শিৱসাগৰ তেল আৰু প্ৰাকৃতিক গেছ আয়োগত এটি চাকৰি যোগাৰ হ'ল। ফলত বাইদেৱে জয়সাগৰস্থিত শিৱগাৰ কলেজত ছোৱালী হোষ্টেলত থাকি পঢ়াৰ সুবিধা হ'ল। ভাগ্যৰ চকৰি আগফালে ঘূৰিবলৈ আৰম্ভ কৰিলে।

কলেজীয়া জীৱনৰ সকলোৰে মাজত আছিল সুখ চেতিয়াৰ এটা চিনাকি নাম। ছোৱালী হোষ্টেলত বাইদেউৰ কাষতে থাকি মোৰ লগত পঢ়া বিজ্ঞানশাখা দুগৰকীমান ছাত্ৰীয়ে মোক কথাৰ প্ৰসঙ্গত এটা আমোদজনক ঘটনাৰ কথা ক'লে। এদিন হেনো কলেজৰ দুজন ছাত্ৰই বাটত গৈ থাকোতে অসভ্যালি কৰা দেখি দুয়োটাকে ওচৰলৈ মাতি আনি দুয়োটাকে দুটা কাণতলীয়া চৰ সোধাই দিলে। কথাটো জনাজনি হোৱাৰ পাছত সকলোৰে ভয়ত বাইদেউক সমীহ কৰিবলৈ ধৰিলে। হোষ্টেলত বাইদেউৰ অনুশাসন আৰু বাইদেউৰ প্ৰতি ওপজা ভয়ৰ কথা কৈ মোৰ সহপাঠী কেইগৰাকীয়ে শঙ্কা মিশ্ৰিত হাঁহি মাৰি ৰগৰ কৰিছিল।

কলেজীয়া শিক্ষা সাং কৰি বাইদেউ ঘৰলৈ আহিল। সুখ্যাতিৰে বি.এ. পাছ কৰিলে। তাৰ পাছত এদিন মৰাণ ছোৱালী হাইস্কুলত বাইদেৱে অস্থায়ী ভিত্তিত (লিভ ভেকেন্সিৰ বিপৰীতে) সহকাৰী শিক্ষয়িত্ৰী পদত নিযুক্তি পোৱাৰ সৌভাগ্য হ'ল। সেইসময়ত বিদ্যালয়খনৰ প্ৰধান শিক্ষক আছিল শ্ৰদ্ধেয় তুলন গগৈদেৱ। ছমহীয়া পৰীক্ষাৰ বহীবোৰ (ছাত্ৰী সকলৰ বহীবোৰ) মূল্যাঙ্কন কৰি গৰম বন্ধৰ ভিতৰতে বিদ্যালয়ত জমা দিবলৈ নিৰ্দ্দেশ দিয়াত বাইদেৱে এদিন মোক লগত লৈ স্কুল পালেগৈ। সঠিক চন তাৰিখ মনত এতিয়াও নাই যদিও খুউব সম্ভৱ ১৯৬৭ চন হ'ব। বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ হাতত পৰীক্ষাৰ বহীবোৰ জমা দিয়াৰ সময়ত ময়ো তেখেতৰ লগত চিনাকি হোৱাৰ সুযোগ পালোঁ। প্ৰত্যাগমনৰ পথত মুখামুখি হ'লো বাইদেউৰ এখন চিনাকি মুখ। পৰিচয় সূত্ৰে জানিব পাৰিলো তেখেত মৰাণ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক মগৰা চাংমাই গাঁৱৰ স্বাস্থ্যবান ব্যক্তি শ্ৰীযুত বিনন্দ বৰুৱা। পাছলৈ সেইজন ব্যক্তিৰ লগতেই ১৯৬৯ চনৰ এপ্ৰিল মাহত (বহাগ বিহুৰ পাছতেই) বাইদেউৰ বিবাহ সম্পন্ন হ'ল।

১৯৬৮ চনৰ শেষাৰ্দ্ধৰ ফালে বেতবাৰী মৌজাৰ মধ্যস্থলত এখন স্ত্ৰীশিক্ষাৰ খোলাৰ সম্পৰ্কত জনজাগৰণ আৰম্ভ হয়। কেইজনমান শিক্ষিত শিক্ষানুৰাগী ব্যক্তিৰ প্ৰচেষ্টাত বেতবাৰীৰত এখন ছোৱালী হাইস্কুল খোলাৰ সিদ্ধান্ত হ'ল। সেই সময়ত আমাৰ সুখ বাইদেউ অঞ্চলটোৰ প্ৰথম মহিলা গ্ৰেজুৱেট আছিল। বিদ্যালয়খন প্ৰতিষ্ঠা কৰি পাঠদান আৰম্ভ কৰিবলৈ এগৰাকী গ্ৰেজুৱেট মহিলা প্ৰয়োজন বোধ কৰি সেই শিক্ষা অনুৰাগী উদ্যমী

ব্যক্তি কেইজন আহি বাইদেউৰ ঘৰ পালেহি। বাইদেউৰ সন্মতি বিচাৰিলে। এপাদেউ আৰু বৰপুত্ৰ দীপেশ ককাইদেৱে অনুমতি প্ৰদান কৰাত বাইদেৱে প্ৰধান শিক্ষয়িত্ৰীৰ দায়িত্ব মূৰ পাতি লৈ ১৯৬৯ চনৰ জানুৱাৰী মাহৰ পৰা বেতবাৰী এম.ভি স্কুলৰ প্ৰধান শিক্ষকৰ অনুমতি সাপেক্ষে তাতেই পুৱাৰ ভাগত পাঠদানৰ ব্যৱস্থা কৰা হ'ল। কিন্তু দুটা প্ৰধান সমস্যাই গা কৰি উঠিল। গণিত আৰু বিজ্ঞান বিষয়ৰ শিক্ষা দান কৰিবলৈ শিক্ষক নাই। বিদ্যালয়ৰ নিজা ঘৰ বুলিবলৈ একো নাই। জানুৱাৰী মাহ শেষ হ'বলৈ ৩ দিনমানহে আছে। মই বি.এচ.চি. ফাইনেল টেষ্ট দি ঘৰ পাইছোহি। মই ঘৰলৈ অহাৰ খবৰ পাই বাইদেৱে মোৰ ওচৰলৈ আহি সেই জটিল বিষয় দুটাৰ পাঠদানি কৰিবলৈ মোক হেঁচা প্ৰয়োগ কৰিলেহি। মোৰ অনিচ্ছা আৰু যোৰ আপত্তি থকা স্বত্বেও পৰিচালনা সমিতিৰ নিযুক্তি পত্ৰ খন বাইদেউৰ সন্মানৰ স্বাৰ্থৰ খাতিৰত গ্ৰহণ কৰি ১ ফেব্ৰুৱাৰী তাৰিখৰ পুৱা ৬ বজাত বিদ্যালয়ত যোগাদান কৰিব লগা হ'ল আৰু সেইদিনাৰ পৰা বিদ্যালয়ৰ গৃহ নিৰ্মাণ কৰিবৰ বাবে বাঁহ-কাঠ যোগাৰ কৰিবলৈ অবিৰাম যাত্ৰা আৰম্ভ কৰিব লগা হ'ল। তিনিমাহ প্ৰধান শিক্ষয়িত্ৰীৰ দায়িত্বত থাকি নিজৰ বিয়াৰ দিন ওচৰ চপাত ১২ এপ্ৰিলৰ পৰা কাৰ্য্যকৰী হোৱাকৈ ছুটী বিচাৰি বাইদেৱে আবেদন কৰিলে আৰু বহাগ বিহুৰ পাছতে বিবাহ পাশত আবদ্ধ হ'ল আৰু বিদ্যালয়ৰ পৰা যি ওলাই গ'ল গ'লেই কোনোদিন আৰু ঘূৰি নাহিল। ১৯৭১ চনৰ মে' মাহৰ পৰা এই অভাগীৰ ওপৰত প্ৰধান শিক্ষকৰ দায়িত্ব পৰিল। শাৰীৰিক আৰু মানসিক অশেষ কষ্ট কৰি বেতনবিহীন হৈ বিদ্যালয়ৰ প্ৰগতিৰ ধাৰাতো আগবঢ়াই নিয়াত দেহত অকালতে বাৰ্দ্ধক্যৰ চাপ পৰিল। যুগ্ম জীৱনৰ পাতনি মেলি মৰাণ নগৰৰ ঊষাপুৰত নিগাজি কৈ থাকিবলৈ লোৱাৰ পাছত নিজে আৰম্ভ কৰা বিদ্যালয়খনলৈ একেবাৰে পাহৰি গ'ল। ঘৰুৱা দায়িত্ব আৰু বিৰামহীন ব্যস্ততাৰ মাজত।সেই ব্যস্ততাৰ মাজতে পঢ়ি এম.এ পাছ কৰাৰ লগতে পি.এইচ.ডি ডিগ্ৰীও লাভ কৰি ড° সুখ বৰুৱা বুলিপ্ৰখ্যাত হৈ পৰিল। ১৯৭৩ চনত মৰাণ উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ত পুনৰ সহকাৰী শিক্ষয়িত্ৰী হিচাপে নিযুক্তি পাই কৰ্মব্যস্ত হৈ পৰিল। তাৰ মাজতে দুটি হৃষ্ট-পুষ্ট পুত্ৰ সন্তান আৰু এগৰাকী কন্যা জন্ম দি মাতৃ হিচাবে গৌৰৱৰ অধিকাৰী হ'ল।

মানুহে কোৱা শুনো - 'সুলক্ষনীয়া ভাৰ্য্যা পালে স্বামীৰো সৌভাগ্য উদয় হয়।" কাথাষাৰ বাইদেউৰ ক্ষেত্ৰত প্ৰযোজ্য হোৱা যেন লাগিল। বিবাহৰ পৰৱৰ্তী কালত ভিনিদেউ মৰাণ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উপাধ্যক্ষ পদত অধিষ্ঠিত হোৱাৰ লগতে পাছলৈ ডিব্ৰুগড় জিলা সংমণ্ডলৰ বিদ্যালয় সমূহৰ পৰিদৰ্শক হোৱাৰ সৌভাগ্য হ'ল। বাইদেউ উচ্চাকাঙ্খী আৰু বুকুত অদম্য সাহস। জীৱন সংগ্ৰামৰ পৰা অভিজ্ঞতা আহৰণ কৰি নিৰ্ভীক আৰু স্পষ্টবাদী নাৰীলৈ ৰূপান্তৰ হ'ল। জনসমাজৰ কল্যাণৰ হকে কাম কৰাৰ মানসিকতা গঢ় লৈ উঠাত সময়, সুযোগ, সুবিধা বুজি সাহসেৰে আগবাঢ়ি আহি নিজৰ সুপ্ত প্ৰতিভা বিকাশ কৰাত অগ্ৰণী ভূমিকা লৈ সাহিত্যৰ সৃষ্টি কৰ্ম আৰু নাৰী সংগঠন, বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান গঢ় দি বাইদেউ মৰাণৰ ৰাইজৰ হিয়াৰ আমঠু হৈ পৰিল। আনৰ মুখৰ পৰা শুনাই নহয় নিজে মৰাণত গৈ দেখা বাস্তৱ ছবিখনহে প্ৰতিফলন কৰিছোঁ। মৰাণ অঞ্চলৰ শিক্ষিত আৰু বৌদ্ধিক সমাজৰ সান্নিধ্যত থাকি মৰাণত বসবাস কৰা জাতি ধৰ্ম নিৰ্বিশেষে ৰাইজৰ প্ৰেৰণা আৰু অকুণ্ঠ সাহস সহযোগ আৰু সমৰ্থন লাভ কৰি বাইদেউৰ বৰ্ণিল জীৱনৰ উত্তৰণ ঘটিল,

এই কথা হয়তু অস্বীকাৰ কৰিব নোৱাৰি আৰু শলাগ নলৈও নোৱাৰি।

ইংৰাজীত থকা এষাৰ কথালৈ মনত পৰিছে - "A tempest in a tea pot" একাপ চাহৰ বাবেই কেতিয়াবা ধুমুহাৰ সৃষ্টি হয়, পয়মাল ঘটে। কিন্তু কেতিয়াবা শীতৰ সেমেকা পুৱা একাপগৰম চাহৰ জুতি লৈ থাকোতে দুই তিনিজন ব্যক্তিৰ কথোপকথনৰ মাজতে নতুন চিন্তাৰ উন্মেষ ঘটে। জন্ম হয় একোখন শিক্ষানুষ্ঠান, প্ৰতিষ্ঠান, সংঘ আদি। সাধিত হয় মহৎ কাৰ্য্য। এনে একাপ সতেজ চাহৰ সোৱাদ লৈ থাকোতেই বাইদেউৰ ঘৰত পুৱাবেলা ড° প্ৰদীপ হাজৰিকা, কমলা বৰগোহাঁইকে ধৰি দুজন মান শিক্ষাবিদৰ আলোচনাত মৰাণ অঞ্চলত এখন মহিলা মহাবিদ্যালয়ৰ অভাৱ বুলি চিন্তা চৰ্চা হৈছিল। মৰাণ মহিলা মহাবিদ্যালয়ৰ জন্ম ৰহস্যৰ কথা সোধাত বাইদেৱে মোক এই কথা অকপটে ব্যক্ত কৰিছিল। বীজ অঙ্কুৰণ হ'লে পুলি গজিবই। সেয়ে হ'ল। ১৯৯২ চনত বাইদেৱে অগ্ৰণী ভূমিকা লৈ মৰাণ মহিলা মহাবিদ্যালয় প্ৰতিষ্ঠাত ব্ৰতী হ'ল। বাইদেউৰ অপ্ৰাণ চেষ্টাৰ ফলত মহাবিদ্যালয়কন প্ৰাণ পাই উঠিল। বাইদেউৰ কষ্ট সাৰ্থক হ'ল আৰু মৰাণবাসী ৰাইজৰ সপোন দিঠক হ'ল। প্ৰতিষ্ঠাকালৰে পৰা অধ্যক্ষাৰ দায়িত্ব পালন কৰি মহাবিদ্যালয়খন পূৰ্ণপৰ্যায়লৈ উন্নীত কৰি ২২ বছৰৰ মূৰত বিদ্যালয়খনলৈ সশ্ৰদ্ধ প্ৰণাম জনাই আবেগৰ চকুলো মচি তাৰ পৰা ওলাই আহিল। পৰৱৰ্তী কালত সামাজিক কাৰ্যত সক্ৰিয় ভূমিকা লৈ নিজকে ব্যস্ত ৰাখি বাৰ্দ্ধক্যৰ ব্যাধিৰ আক্ৰান্ত তহে যোৱা ৩ চেপ্তেম্বৰ দিনা দিনৰ ১১ বজাত সকলোকে প্ৰশান্ত সাগৰৰ দৰে গভীৰ শোক সাগৰত পেলাই অনন্তধামলৈ গতি কৰিলে।

"লিপি" বাইদেউৰ তেজ-মঙহৰ কণ্যা হ'লেও আৰু দুগৰাকী ৰক্ত মাংসবিহীন কন্যা জনসমাজত এৰি থৈ গৈছে। সেই দুগৰাকী কণ্যা হ'ব বেতবাৰী উচ্চ মাধ্যমিক আদৰ্শ বালিকা বিদ্যালয় (২০১৭ চনৰ পৰা বেতবাৰী উচ্চ মাধ্যমিক বিদ্যালয় নামলৈ ৰূপান্তৰিত কৰা হৈছে) আৰু মৰাণ মহিলা মহাবিদ্যালয়। এতিয়া দুয়োখনেই যেন সদ্য যৌৱনা মনোমুগ্ধকৰ দীপলীপ কণ্যা। কামনা কৰিছোঁ দুয়োৱেই স্বপ্ৰতিভাৰে আলোকতি হৈ জীয়াই থাকক চিৰদিন চিৰকাল।

জীৱন বৰ অনুপম হ'লেও এটা কথা ঠিক যে জীৱনত পোৱাতো অনিশ্চিত কিন্তু হেৰুৱাতো নিশ্চিত। বাইদেউক হেৰুৱাই কেওফালে শূন্যতা বিৰাজ কৰিছে। চেনেহৰ এডাল সূত নিৰ্মমভাৱে চিগি গ'ল। বাইদেউ আদ্যশ্ৰাদ্ধৰ এই পবিত্ৰ দিনৰ শুভক্ষণথ পৰমেশ্বৰৰ ওছৰত কৰযোৰে প্ৰাৰ্থনা জনাওঁ যে শৰ্বশক্তিমানে কৃপা কৰি এই ধৰাধামত জনঅৰণ্যৰ মাজত স্বদেশ, স্বজাতি, স্বধৰ্ম আৰু বিপন্ন সমাজক ৰক্ষা কৰিবলৈ এনে সাহসী, বীৰঙ্গনা, সহানুভূতিশীল মহীয়সী নাৰী জন্ম দিয়ক আৰু বাইদেউৰ বিদেহী আত্মাৰ চিৰশান্তি আৰু সদ্গতিৰ প্ৰদান কৰক। কামনা কৰিছোঁ শোকসন্তপ্ত পৰিয়ালৰ সমূহ সদস্যৰ শোক মোচন হওঁক।

ওঁম শান্তি! শান্তি!! শান্তি! ●

# নাৰী আন্দোলনৰ এগৰাকী অগ্ৰনী নেত্ৰী ড° সুখ বৰুৱা বাইদেউ

**উমেশ মহন**

মৰাণ অঞ্চলৰ এগৰাকী নাৰী শিক্ষা প্ৰসাৰ আৰু নাৰীৰ প্ৰগতি আন্দোলনৰ নেত্ৰী, সু প্ৰশাসক, সু সাহিত্যিক, সু সংগঠক, সু বক্তা আদি বহু গুণেৰে বিভুষিতা এগৰাকী নাৰী ড° সুখ বৰুৱা বাইদেউ। বাইদেউ মৰাণ মহিলা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষা আছিল। তেখেতে চৰকাৰী চাকৰি ত্যাগ কৰি ১৯৯২ চনত মৰাণ মহিলা মহাবিদ্যালয় প্ৰতিষ্ঠা কৰিছিল। আমাৰ চকুৰ আগত মহাবিদ্যালয়খন তিল তিলকৈ গঢ়া আমি দেখিলোঁ। মহাবিদ্যালয়ৰ আন্তঃগাথঁনি উন্নয়নৰ বাবে বহুবাৰ উপহাৰ কুপন খেলাইছিল। তেখেতৰ সু পৰিকল্পনা, সু প্ৰশাসন, মনৰ দৃঢ়তা, দূৰ দৃষ্টি সম্পন্ন চিন্তাৰ বাবেই পকী ঘৰ দুৱাৰ আন্তঃগাথঁনিৰে এখন সুন্দৰ মহাবিদ্যালয় গঢ়ি তুলিছিল। তেখেতে জন্ম স্থান বেতবাৰীত বেতবাৰী আদৰ্শ উচ্চ মাধ্যমিক বালিকা বিদ্যালয় খুলিছিল। বিবাহ সূত্ৰে মৰাণলৈ আহি মৰাণ বালিকা বিদ্যালয়ত শিক্ষয়িত্ৰী হিচাপে যোগদান কৰিছিল যদিও চৰকাৰী চাকৰি ত্যাগ কৰি 'মৰাণ মহিলা মহাবিদ্যালয়' প্ৰতিষ্ঠা কৰিছিল। তেওঁৰ এই ত্যাগৰ আঁৰৰ অন্যতম উদ্দেশ্য আছিল মৰাণ অঞ্চলত নাৰীৰ উচ্চ শিক্ষাৰ প্ৰসাৰ। সমাজখন আগুৱাই নিবলৈ নাৰী শিক্ষাৰ প্ৰয়োজনীয়তাৰ বিষয়ে তেওঁ মৰ্মে মৰ্মে উপলব্ধি কৰিছিল। বহু সময়ত বিভিন্ন কাৰণত বহু ছোৱালীয়ে উচ্চ শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত বঞ্চিত হয়। যি সমাজ আগুৱাই যোৱাৰ ক্ষেত্ৰত বাধাৰ বাধাৰ প্ৰাচীৰ ৰূপে থিয় দিয়ে। সেয়েহে নাৰীৰ শিক্ষাৰ ক্ষেত্ৰত তেওঁ সদায় গুৰুত্ব প্ৰদান কৰিছিল। নাৰী শিক্ষা আগুৱাই নিয়াৰ যিবোৰ কথা বতৰা শুনা যায়, আলোচনা হয়, লিখা হয় সেয়া কম সংখ্যক লোকেহে বাস্তৱত কৰে। কিন্তু বাইদেৱে কথা কোৱাৰ দৰে সবল ৰূপত কাম কৰে। বাইদেউৰ জীৱনাদৰ্শ হ'ল কৰ্মই আদৰ্শ। বাইদেৱে কথাতকৈ কাম কৰি ভাল পায়।

নাৰী শিক্ষাৰ লগতে নাৰীৰ আৰ্থ সামাজিক, সাহিত্য, সংস্কৃতিৰ দিশত আগুৱাই নিবলৈ বাইদেৱে বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠান প্ৰতিষ্ঠা কৰিছিল। সেইবোৰৰ ভিতৰত সংঘমিত্ৰা, 'মৰাণ আঞ্চলিক মহিলা মঞ্চ', 'সংঘমিত্ৰা হস্ত তাঁত বয়ন শিল্প প্ৰশিক্ষণ কেন্দ্ৰ', 'সংঘমিত্ৰা জাতীয় বিদ্যালয়'। তেখেত সদৌ অসম লেখিকা সমাৰোহ সমিতি, অসম মহিলা কবি মঞ্চৰ সভানেত্ৰীৰ পদো অলংকৃত কৰিছিল। সেইদৰে অঞ্চলটোৰ কেইবাখনো মহাবিদ্যালয় তথা শিক্ষানুষ্ঠানৰ সৈতেও জড়িত হৈছিল। নাৰী শিক্ষা সম্বন্ধীয় বিভিন্ন আলোচনা চক্ৰ, বক্তৃতা অনুষ্ঠানত ভাগ লৈ

নাৰী শক্তি আগুৱাই নিবলৈ যত্ন কৰিছিল।

সাম্প্ৰতিক সময়ত অসম বিভিন্ন সমস্যাৰে জৰ্জৰিত। এই সমস্যাবোৰ সমাধান কৰিবলৈ বাস্তৱসন্মত কাৰ্যপন্থা হাতত ল'ব লাগিব। সেই নিদৰ্শন ড° সুখ বৰুৱা বাইদেৱে দাঙি ধৰিলে।

যিকোনো ক্ষেত্ৰত আগবাঢ়ি যাবলৈ বা আগবঢ়াই নিবলৈ বৌদ্ধিক দিশটো অতিব প্ৰয়োজন। বাইদেউ যথেষ্ট অধ্যয়নশীল আছিল। সেইদৰে তেখেতে লাভ কৰা জ্ঞানৰাজি সমাজলৈ গ্ৰন্থৰ জৰিয়তে এৰি গৈছে। প্ৰৱন্ধ গল্প কবিতা আদি বিভিন্ন বিষয়ৰ ১৬ খনকৈ গ্ৰন্থ দুখন সম্পাদনা গ্ৰন্থ অসমীয়া সাহিত্য জগতলৈ মহান অৱদান। এগৰাকী অসমীয়া হৈয়ো নিজৰ আহোম জনগোষ্ঠীৰ বাবেও যথেষ্ট কাম কৰি গৈছে। তেখেতে নিজৰ পি এইচ ডি ডিগ্ৰী তাঈ আহোম পূজা বিধি 'খেক লাই'ৰ ওপৰত গৱেষণা কৰি লৈছিল। এই ক্ষেত্ৰত তাই পণ্ডিত মানচাও তিলেশ্বৰ মহনৰ সহায় লৈছিল।

ৰত্নগৰ্ভা, মৰাণ কুঁৱৰী, কৰ্মযুগী, প্ৰেৰণাময়ী, মহীয়সী, হাৱনি ফামে 'বোকাৰ পদুম', জাচিংফা (বিদ্যা অধিকাৰী) আদি উপাধিৰে তেখেতক সন্মানিত কৰাৰ উপৰি ১৩৩ টা অনুষ্ঠানে সম্বৰ্দ্ধনা জনাই সমাজে তেখেতলৈ কৃতজ্ঞতা প্ৰকাশ কৰিছে। সমাজলৈ আগবঢ়োৱা অসামান্য সেৱাৰ বাবে তেখেতলৈ সমাজে অলেখ সন্মান আৰু সম্বৰ্ধনা জনাইছে। এয়া তেখেতৰ প্ৰাপ্য।

ড° সুখ বৰুৱা বাইদেউৰ দৰে এগৰাকী মহান বিশাল ব্যক্তিত্বৰ মহীয়সী নাৰীৰ বিষয়ে আমি আলোচনা কৰাৰ ধৃষ্টতা নাই। মাথোঁ তেখেতৰ কৰ্মময় জীৱনটো চুই যাবলৈ কিছু যত্ন কৰিছোঁ।

সমাজে তেখেতৰ আদৰ্শ কৰ্মৰাজীক যথোপযুক্ত মূল্যায়ন কৰিব লাগিব। তেখেতৰ গতিপথ যাতে ৰূদ্ধ নহয় তাৰ বাবে কৰণীয় কাম সমাজে কৰি যাব লাগিব। বাইদেউৰ কৰ্মৰাজী আচলতে সমাজৰ নাৰী প্ৰগতিৰ আন্দোলন। নাৰীৰ প্ৰগতিৰ বাবে এতিয়াও বহু কৰণীয় আছে। সেই কাম-কাজবোৰ কৰি গ'লেহে তেখেতৰ প্ৰতি প্ৰকৃত সন্মান দিয়া হ'ব আৰু আমাৰ মাজত জীয়াই ৰখা হ'ব।

# শ্ৰদ্ধাৰ সুখ বাইদেউলৈ একাঁজলি শ্ৰদ্ধাঞ্জলি।

**কিৰণময়ী তামাং**

*আহিছে মানুহ গৈছে মানুহ,*
*মানুহ মায়াপী জীৱ।*
*মানুহ সোঁতৰ অন্ত নাইকীয়া*
*বুলিলে মৰুত কিয় ?*

মানুহ মৰণশীল। জন্মিলে মৃত্যু অনিবাৰ্য্য, এইয়া চিৰন্তৰ সত্য। মৃত্যুৰ পৰা কোনেও পৰিত্ৰাণ নাপায়। কিন্তু হঠাৎ বাইদেউৰ মৃত্যুৰ খবৰ পাই হতভম্ব হলোঁ, কাৰণ, আমি ভাৰিব পৰাই নাছিলো, যে, বাইদেউ ইমান সোনকালে আমাক এৰি থৈ যাব।

তেখেত আমাৰ মাতৃৰ দৰে আছিল। কাৰণ প্ৰত্যেক ক্ষেত্ৰতে উৎসাহ উদ্দিপনা আৰু অনুপ্ৰেৰণা যোগাইছিল। আমাৰ সকলোৰে প্ৰতি আপোনত্ব ভাৱ পুহি ৰাখিছিল। তেখেতে তেজক পানী কৰি হাড়ক মাটি কৰি দিনে ৰাতি একাকাৰ কৰি মৰাণ মহিলা মহাবিদ্যালয় স্থাপন কৰি ছাত্ৰীসকলক আগবঢ়াই নিছিল। তেখেতৰ সৎ সাহস, সৎ চিন্তাৰ কথা শুনি বহুত শিক্ষাৰ্থী অনুপ্ৰাণিত হৈছিল।

তেখেতৰ লগত মই ২০১৩ চনৰ পৰাই চিনাকী হৈছিলোঁ আৰু তাৰ পৰাই মৰাণ লেখিকা সমাৰোহ আৰু সংঘ মিত্ৰা বিদ্যালয়ৰ অনুস্থানবোৰত ওতঃপ্ৰোত ভাৱে জড়িত আছিলোঁ। বাইদেউৰ এটা কথাই মোৰ বৰকৈ মনত পৰি আছে, কথাটো হ'ল তেখেতে মোক কিতাপ কেনেধৰণে লিখিব লাগে, সেই কথাৰ সৰ্ন্দভত কিছু দেখুৱাম বুলি কৈছিল। কিন্তু মই যাব নোৱাৰিলোঁ, ঘৰুৱা অসুবিধাৰ হেতুকে।

তেখেত বহুত উদাৰ চিতীয়া আছিল। সকলোকে সমান চকুৰে চাইছিল। উচ্চ-নীচ ভাৱ একেবাৰেই নাছিল।

তেখেত আছিল, বহুমুখী প্ৰতিভাৰ গৰাকী বিদূষী নাৰী। তেখেত একেধাৰে কবি, নিৱন্ধকাৰ, সু-সাহিত্যিক, সমাজ সেৱিকাৰ লগতে বহুতো বঁটা লাভ কৰিবলৈ সক্ষম হৈছিল। সাহিত্য সমাজ সেৱা বঁটা, বীৰঙ্গনা মুলা গাভৰু বঁটা, অসম চৰকাৰৰ সাহিত্য বঁটা ইত্যাদি বঁটাৰে বিভূষিত হৈছিল।

অৱশেষত তেখেতৰ বিদেহী আত্মাই যাতে চিৰ শান্তি লাভ কৰে, তাকে নেদেখা জনৰ ওচৰত প্ৰাৰ্থনা জনালোঁ। বাইদেউ, আপুনি য'তে থাকক, সুখ আৰু শান্তিৰে থাকক।

# বটবৃক্ষৰ ছাঁয়াত

**দীপালী দত্ত শইকীয়া**

৩ ছেপ্তেম্বৰ ২০২৩, এই দিনটোতেই আমি সপোনতো নভবা এটি ঘটনা ঘটিল। পুৱা ৯-৩০ বজাত ওলাই গৈছিলো শিৱসাগৰত অনুষ্ঠিত হোৱা শিৱসাগৰ লেখিকা সমাৰোহ সমিতিৰ এখন সভালৈ। ডিমৌ পাওঁতেই কুশল দত্তলৈ ফোন কৰিলোঁ, "কুশল তুমি যে মোক দুলিয়াজানলৈ লৈ যোৱাৰ কথা আছিল, সুখ বাইদেউৰ ওচৰলৈ কি কৰিলা?" কুশলে উত্তৰ দিলে, "সুখ বাইদেউ কালি আহি ঘৰ পালেহি। আপুনি বাইদেউক ঘৰতে লগ কৰিব পাৰিব", মনটো ভাল লাগি গ'ল। তাৰ কেইদিনামৰ আগতে বাইদেউৰ একমাত্ৰ জী পুনেত থকা লিপিলৈ ফোন কৰিছিলো। লিপিয়ে ক'লে 'মা-ৰ ৰিপৰ্ট সকলো ভাল। মাত্ৰ ছ'ডিয়াম অলপ কমিছে, এতিয়া ঠিকেই আছে।খালি দুৰ্বল'। মই ক'লো, "ভালদৰে খোৱ-বোৱা কৰিলে বাইদেউ সুস্থ হৈ উঠিব।

শিৱসাগৰৰ সভাঘৰ পালোগৈ। ঠিক ১১ বাজি ১৫ মিনিটমান গৈছিল হয়তো, ঘৰৰ গৃহস্থই থুকাথুকি মাতেৰে ক'লে, "এটা বৰ বেয়া খবৰ আছে, মোৰ ভয়ত অণ্ঠ-কণ্ঠ শুকাই গ'ল। খবৰটো জনাৰ পিছত মই বজ্ৰপাত পৰা মানুহৰ দৰে হ'লো, কান্দি কান্দি সকলোকে খবৰটো দিয়াৰ পাছত বাইদেউৰ নামত বন্তী এগছি জ্বলাই মৰাণলৈ ৰাওনা হ'লো। বুকুখন বিষাইছিল, চকুৰে যেন ধুৱলি-কুঁৱলী দেখিছিলো। বাইদেউৰ ঘৰ পাই বাইদেউক দেখি এনেকুৱা লাগিছিল যেন বাইদেউৱে এইমাত্ৰ শোৱাৰ পৰা উঠি বহিব আৰু আইকনক ক'ব, "যাচোন আইকন ফ্ৰীজতে মিঠাই আছে দীপালীক এটা আনি দে"।

বাইদেউৰ কথা লিখিবলৈ লৈ কিমানবোৰ স্মৃতিয়ে যে মনত অগা-দেৱা কৰিছে, বাইদেউৰ লগত মোৰ সম্পৰ্ক ১৯৮৫ চনৰ পৰাই, বিয়াৰ পাছত মৰাণলৈ আহি যি কেইজন ব্যক্তিৰ সান্নিধ্য প্ৰথমতে লাভ কৰিছিলো তাৰ ভিতৰত বিনন্দ বৰুৱা ছাৰ আৰু সুখ বাইদেউ অন্যতম। মই অৱশ্যে ৯০ চনৰ পৰাহে মৰাণত স্থায়ীভাৱে থাকিবলৈ লৈছিলো। তাৰ আগতে নামতিৰ কৰুণাকান্ত গগৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত চাকৰি কৰিছিলো। ৯০ চনত ডিমৌ উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ বদলি হৈ আহিলো।

১৯৭৪ চনত ড০ শীলা বৰঠাকুৰ বাইদেউৱে তেজপুৰত সদৌ অসম লেখিকা সমাৰোহ সমিতি প্ৰতিষ্ঠা কৰে। _১৯৮৯ চনত মৰাণ শাখা লেখিকা সমাৰোহ সমিতিৰ জন্ম হয়। সম্ভৱ ১৯৯৪ চনত বাইদেউৱে মোক লেখিকা সমাৰোহ সমিতিৰ মঞ্চলৈ আনে আৰু সম্পাদিকাৰ দৰে গুৰু দায়িত্ব অৰ্পণ কৰে। মই আচৰিত হৈছিলো। বাইদেউক কৈছিলো, "মোৰ দৰে এগৰাকী অনভিজ্ঞ মহিলাক আপুনি এই গুৰু দায়িত্ব কিয় দিছে? তাতে মোৰ ২১ কিলোমিটাৰ দূৰৈত চাকৰি, সৰু ল'ৰা এটিও আছে। বাইদেউৱে ক'লে, "মই সভানেত্ৰী যেতিয়া তুমি একো চিন্তা নকৰিবা, মাত্ৰ

যেনেদৰে কওঁ কাম কৰি যাবা।” সম্পাদিকা হৈ বাইদেউৰ লগত মই ৬ বছৰ কাম কৰিলো। সেই দিনবোৰ মোৰ বাবে সোণসেৰীয়া দিন আছিল। সম্পাদিকা হোৱাতো মোৰ বাবে গুৰুত্বপূৰ্ণ কথা নহয় কিন্তু বাইদেউৰ পৰা যিখিনি শিকিলো সেইয়াহে বেচি গুৰুত্বপূৰ্ণ কথা। তেখেতৰ পৰা সভাত কেনেদৰে কথা ক'ব লাগে শিকিলো, কলম তুলিবলৈ প্ৰেৰণা পালো, সমাজত মূৰ দাঙি ঠিয় হ'ব পৰা হ'লো, যিকোনো প্ৰতিকূল পৰিবেশত নিজকে সংযত ৰাখি সৃষ্টিমূলক কামত আত্মনিয়োগ কৰা সাহস পালো। কেৱল মইয়েই নহয় বাইদেউৰ প্ৰেৰণাতে মৰাণৰ আশে-পাশে, গাঁৱে-ভূঞে থকা শ শ মহিলাক ৰান্ধনী ঘৰৰ পৰা উলিয়াই আনি বিভিন্ন সভা-সমিতি পাতি লিখা-মেলা কৰিবলৈ উৎসাহিত কৰিলে। তাৰ ফলস্বৰূপে মৰাণৰ বহু লেখিকাই গ্ৰন্থ প্ৰণয়নৰ জৰিয়তে নিজকে লেখিকা ৰূপে প্ৰতিষ্ঠিত কৰিবলৈ সমৰ্থ হ'ল।

বাইদেউ আছিল আমাৰ বাবে এজুপি বটবৃক্ষ স্বৰূপ। আজি ৩৩ বছৰে এই বটবৃক্ষৰ শীতল ছাঁয়াত আমি জুৰ লৈ আছিলো,গভীৰ প্ৰশান্তি লাভ কৰিছিলো। বাইদেউৰ মৃত্যুত আমি দিশহাৰা হ'লো, মৰাণ শাখা লেখিকা সমাৰোহ সমিতি, সংঘমিত্ৰা মহিলা মঞ্চ, সংঘমিত্ৰা জাতীয় বিদ্যালয় সকলো যেন মাতৃহাৰা হ'ল।

২০১৪ চনত বাইদেউ সদৌ লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰীৰ পদত অধিষ্ঠিত হয়। আমি ঢোলে দগৰে বাইদেউক অভিনন্দন জনালোঁ। সেই দুটা বছৰ বাইদেউৰ লগত ছাঁৰ দৰে থাকিলোঁ। অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ঘূৰিলোঁ। সভানেত্ৰী হোৱাৰ আগতেও বাইদেউৰ লগত প্ৰত্যেকখন অধিবেশনলৈ গৈছিলোঁ। গোটেই অসমখনেই বাইদেউৰ ঘৰ হৈ পৰিছিল, বাইদেউৰ উপস্থিতিয়ে শাখাসমূহক উজ্জীৱিত কৰি তুলিছিল, সভাবোৰত দিয়া বাইদেউৰ উদাত্ত ভাষণ শুনি সকলো আপ্লুত হৈছিল, প্ৰতিখন সভাতে বাইদেউৱে সকলোকে অধ্যয়নৰ ওপৰত গুৰুত্ব দিবলৈ কয় আৰু নিজ নিজ প্ৰতিভা বিকাশ কৰিবৰ বাবে উদগনি যোগায়।

সাধাৰণতে কোৱা হয় যে নাৰীয়ে বিলাসী জীৱন ভাল পায়। ধন, টকা-পইচাৰ প্ৰতি নাৰীৰ মোহ বেছি, কিন্তু সুখ বৰুৱা এই ক্ষেত্ৰত ব্যতিক্ৰম। চৰকাৰী চাকৰি আৰু মাহেকৰ মূৰত অহা দৰ্মহাৰৰ সুখকো তুচ্ছজ্ঞান কৰি তেখেতে অগ্ৰগতিৰ বাবে মৰাণ মহিলা মহাবিদ্যালয় স্থাপন কৰিলে। এই মহাবিদ্যালয় আছিল বাইদেউৰ প্ৰাণ, দিঠকে, শয়নে-সপোনে বাইদেউৰ একমাত্ৰ ধ্যান আছিল মহাবিদ্যালয়খন। বাইদেউৱে যি সময়ত মৰাণ মহাবিদ্যালয় স্থাপন কৰিবলৈ অগ্ৰসৰ হৈছিল, সেই সময়ত মৰাণত ছোৱালীৰ উচ্চশিক্ষাৰ বাবে কেৱল মৰাণ মহাবিদ্যালয়হে আছিল। মৰাণ মহাবিদ্যালয়ত সহঃ পাঠ্যক্ৰম হোৱাৰ বাবে ছাত্ৰীৰ আসনৰ সংখ্যা সীমিত আছিল। সেইবাবে বহুতো ছাত্ৰ-ছাত্ৰীয়ে ইচ্ছা থকা স্বত্বেও উচ্চ শিক্ষা লাভ কৰিব পৰা নাছিল। ড° সুখ বৰুৱাই এই কথা অন্তৰেৰে উপলব্ধি কৰি মৰাণৰ কেইজনমান গণ্য-মান্য ব্যক্তিৰ পৰামৰ্শমতে এই মহাবিদ্যালয় স্থাপন কৰিলে। কিন্তু মহাবিদ্যালয় এখন প্ৰতিষ্ঠা কৰা ইমান সহজ নহয়। সেইসময়ত তেখেতে অক্লান্ত কষ্ট আৰু কঠোৰ পৰিশ্ৰম কৰিবলগীয়া হৈছিল। গাঁৱে গাঁৱে গৈ বাঁহ কাঠ বিচাৰি, ছোৱালী বিচাৰি, অৰ্থ গোটাই তেখেতে এই

মহাবিদ্যালয়খন স্থাপন কৰিলে।

মোৰ এদিনৰ কথা মনত আছে বাইদেউৰ লগত ময়ো গৈছিলো মৰাণ অইল ইণ্ডিয়া লিমিটেডৰ জেনেৰেল মেনেজাৰৰ ওচৰলৈ। বাইদেৱে মেনেজাৰক কৈছিল, "মই মহাবিদ্যালয়ৰ খাতিৰত আঁচল পাতি আপোনাৰ ওচৰত ভিক্ষা মাগিছো"। মোৰ চকুপানী ওলাইছিল। ভাবিছিলো এটা অনুষ্ঠানক কিমান ভাল পালে অন্তৰৰ পৰা এনে বাক্য নিগৰিত হ'ব পাৰে। বাইদেউৱে যাৰ ওচৰত সহায় বিচাৰি গৈছিল সকলোৱে তেখেতৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি যথাবিধি সাহাৰ্য আগবঢ়াইছিল।

সুদীৰ্ঘ ২১ বছৰ, জীৱনৰ আটাইতকৈ মূল্যৱান সময়খিনি তেখেতে মহাবিদ্যালয়ৰ নামতে উৰ্চগা কৰিলে, একক প্ৰচেষ্টাৰে এখন মহাবিদ্যালয় স্থাপন কৰাটো বৰ জটিল কাম। বিভিন্ন সময়ত জটিল পৰিস্থিতিৰ মুখামুখি হয়। আৰ্থিকভাৱে জুৰুলা হয়। কিন্তু বাইদেৱে মনৰ দৃঢ়তাৰে এই সকলো সমাধান কৰিছিল। তেখেতৰ প্ৰযত্নতে মৰাণৰ দৰে অনুন্নত, অৰ্থনৈতিকভাৱে পিছপৰা, দৰিদ্ৰ সীমাৰোখাৰ তলৰ ছাত্ৰীসকলক উচ্চ শিক্ষাৰে শিক্ষিত কৰি তোলাটো তেখেতৰ দৃষ্টান্তমূলক সফলতা। তেখেতে ছাত্ৰীসকলৰ বৌদ্ধিক দিশ আৰু বিদ্যায়তনিক দিশৰ ওপৰতো গুৰুত্ব দিছিল। মুঠতে শূন্যৰ পৰা আৰম্ভ কৰি তেখেতে মৰাণ মহিলা মহাবিদ্যালয়খনক অসমৰ ভিতৰতে এখন জাকত জিলিকা অনুষ্ঠানলৈ উত্তৰণ ঘটালে।

বাইদেউৰ মাতত যেন হেজাৰ ৰণুৱা ঘোঁৰাৰ দৰে কি অদম্য শক্তি। মৰাণ আঞ্চলিক মহিলা মঞ্চ সংঘমিত্ৰাৰ (১৯৯২ চনত) মুখ্য সম্পাদিকাৰ দায়িত্বত থাকি কিমান যে কষ্টৰ বিনিময়ত চৰকাৰৰ পৰা ডেৰ বিঘা মাটি আৱণ্টন কৰাই এটি পকীঘৰ সাজিছিল, ইয়াতেই 'সংঘমিত্ৰা হস্ত তাঁত শিল্প প্ৰশিক্ষণ কেন্দ্ৰ' স্থাপন কৰি বহু গৰাকী শিপিনীক কৰ্ম সংস্থাপন দি দৰিদ্ৰতাৰ পৰা মুক্ত কৰিছিল।

২০০১ চনত সংঘমিত্ৰাৰ নিজৰ মাটি আৰু ঘৰ হৈছিল। সেয়াও সুখ বৰুৱাৰ জীৱন সংগ্ৰামৰ অন্য এটি অধ্যায়। নিজা মাটিতেই প্ৰতিষ্ঠা কৰিছিল সংঘমিত্ৰা জাতীয় বিদ্যালয়। সেই সময়ৰ সংঘমিত্ৰাৰ সভানেত্ৰী আছিল মৰাণ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষা প্ৰয়াত ড° অঞ্জনা দত্ত ভৌমিক বাইদেউ। তেখেত সুখ বাইদেউৰ সোঁহাত স্বৰূপ আছিল। দুয়োগৰাকীয়ে বহু কষ্টেৰে ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী গোটাইছিল। আমাৰ মহিলাসকলৰ পৰা আৰু বাইদেউৱে নিজৰ ফালৰ পৰাই সেইসময়ৰ শিক্ষকৰ পৰিতোষিক দিবলগা হৈছিল, বৰ্তমান বিদ্যালয়ৰ ফলাফল উন্নত।

সামাজিক জীৱনত ওতঃপ্ৰোতভাৱে লাগি থাকিও বাইদেউৱে ১৬ খনকৈ মৌলিক গ্ৰন্থ আৰু ১২ খনকৈ সম্পাদনা গ্ৰন্থ প্ৰকাশ কৰাটোও তেখেতৰ জীৱনৰ আন এটি অভিলেশ। সময় নাই শব্দটো যেন বাইদেউৰ অভিধানত নাছিল।

বাইদেউ এগৰাকী ব্যক্তি নাছিল, আছিল এটি অনুষ্ঠান, এই গৰাকী ব্যক্তিত্বসম্পন্না নাৰীয়ে প্ৰজ্ঞাৰ সাধানাৰে, জ্ঞানৰ অন্বেষনেৰে নিজৰ লগতে আন দহগৰাকীকো মহীয়ান কৰি তুলিলে। ড° সুখ বৰুৱা বাইদেউ আমাৰ মাজত আদৰ্শ আৰু প্ৰেৰণা হৈ সদায় জিলিকি থাকিব। পৰম পিতাৰ ওচৰত প্ৰাৰ্থনা জনাইছো আপোনাৰ আত্মাই চিৰশান্তি লাভ কৰক।●

# ড° সুখ বৰুৱাৰ সজল সোঁৱৰণত

আভা বৰা

মোৰ অতি মৰমৰ আৰু শ্ৰদ্ধাৰ বান্ধৱী সুখ বৰুৱাৰ বিয়োগে মৰ্মান্তিক দুখ দিলে। ইমান সোনকালেই যে আমাক এৰি যাবগৈ ভবাই নাছিলোঁ। তেওঁৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰিছোঁ।

এগৰাকী সৎসাহসী, স্পষ্টবাদী, অকুতোভয় মহিলা আছিল ড° সুখ বৰুৱা। তেওঁৰ লগত প্ৰথম পৰিচয় হৈছিল ১৯৮৫ চনৰ বিশ্বনাথ চাৰিআলিত বহা সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ অধিৱেশনত। তেওঁৰ ডাঙৰ ল'ৰা শ্যামল আৰু আমাৰ সৰু ল'ৰা দ্বৈপায়ন বন্ধু আছিল। ল'ৰাৰ চিনাকিৰে আমাৰ চিনাকি হৈছিল। সহজ সৰল মানুহগৰাকীৰ লগত কথা পাতিয়ে ভাল লাগি গৈছিল। তাৰপাছৰ পৰাই আমাৰ সঘন যোগাযোগ ঘটিছিল।

লেখিকা সমাৰোহৰ কেন্দ্ৰীয় সমিতিৰ বিভিন্ন বিষয়বাবত আমি দুয়ো আছিলোঁ বাবেই ইয়াৰ সভাবিলাকত দুয়ো দুয়োকে লগ পাইছিলোঁ। দেখিছিলোঁ মানুহগৰাকীয়ে নিজৰ মতামত দৃঢ়ভাৱে তুলি ধৰিব পাৰিছিল। নিজৰ বিচাৰ বিবেচনাৰে সকলো কথা চালি জাৰি চাই মতামত ব্যক্ত কৰিছিল। লোকক ভালৰি বোলাই কথা কোৱাৰ অভ্যাস তেওঁৰ নাছিল। মোৰ সভানেত্ৰিত্বৰ কাৰ্যকালত তেওঁৰ লগত আলোচনা কৰি কাম কৰিবলৈ মই ভাল পাইছিলোঁ। তেওঁৰ সু পৰামৰ্শই মোৰ কাম সুচাৰুৰূপে চলাই নিয়াত সহায় কৰিছিল।

সমাজ সেৱাতে জীৱন উৎসৰ্গা কৰা মহিলাগৰাকীয়ে নিজৰ অঞ্চলৰ, জিলাখনৰ লগতে ৰাজ্যখনৰ নানা কামত আজীৱন জড়িত হৈ আছিল। বিশেষকৈ সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সকলো কথাতে উন্নয়নৰ বাট দেখুৱাই, সমস্যাবোৰ সমাধানৰ সৎ পৰামৰ্শ আগবঢ়াই অনুষ্ঠানটিক আগবাঢ়ি যোৱাত তেওঁ পাৰদৰ্শিতাৰে সহায় কৰি গ'ল। আজি তেওঁৰ বিয়োগত বিশেষকৈ লেখিকা সমাৰোহ সমিতিৰ সম্পৰ্কে আলোচনা কৰিবলৈকে এগৰাকী নিঃস্বাৰ্থ সুচিন্তাবিদ নোহোৱা হ'ল।

তেওঁৰ বিয়োগত ৰাজ্যখনৰ লেখিকা সমাৰোহৰ বাই-ভনীসকলে এগৰাকী উপযুক্ত অভিভাৱক হেৰুৱালে। তেওঁৰ আদ্য শ্ৰাদ্ধৰ দিনা পৰলোকগত আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ চৰণত সজল চকুৰে প্ৰাৰ্থনা জনালোঁ। ●

# ড° সুখ বৰুৱা বাইদেউক অন্তিম দেখা

**স্নিগ্ধাৰাণী গগৈ**

স্পষ্টবাদী, অদম্য সাহসী, সত্য কথা আঁৰ-বেৰ নোহোৱাকৈ কৈ দিয়া, দৰদী অন্তৰৰ সুখ বাইদেউজনী চোতালত শুই আছে। মৰাণ উষাপুৰ ওপৰত সূৰ্যৰ প্ৰখৰ উত্তাপ। তেতিয়া দিনৰ দহ বজা। আটোম-টোকাৰীকৈ দিয়া হৈছে শুদ্ধ বগা কাপোৰ। কাপোৰৰ ওপৰত শুভাকাংক্ষী, আপোনজনৰ ফুলৰ পাহি। ওলাই আছে চৰণ যুগল। যি চৰণ যুগল চুই অনুজ, অজস্ৰ ছাত্ৰ-ছাত্ৰী, অনুষ্ঠান-প্ৰতিষ্ঠানৰ সেৱক-সেৱকী, পুত্ৰ-কন্যা, জী-জোঁৱাই, আত্মীয়সকলে শুভ কামত আগবাঢ়ি যাবলৈ মনত সাহস গোটাইছিল সেই চৰণ-যুগল পৰি আছে ফুলৰ মাজত। বৰ অসহনীয়, কৰুণ, শোকাকুল পৰিৱেশ চাৰিওফালে। নিৰৱ, নিস্তব্ধ। আমি গৈ পাইছিলোগৈ, কিছু সময় পূৰ্বেই। ওলাই নাহেনে ! গলগলীয়া মাতেৰে কবনে — " কিয় আহিলা? কোৱা ...."

ক্ৰমে ক্ৰমে সময় আগবাঢ়িছিল। শোভাযাত্ৰাৰ বাবে লৈ যোৱা হৈছিল পিছে পিছে গুণমুগ্ধৰ লানি নিছিগা শাৰী।

আমিও আগবাঢ়িছিলো। শেষ শ্ৰদ্ধাঞ্জলি জনাবলৈ। স্থান তেখেতে নিজ হাতেৰে গঢ় দিয়া মৰাণ মহিলা মহাবিদ্যালয়। মৰাণ মহিলা মহাবিদ্যালয়ত ইতিমধ্যে ৰৈ আছিল ৰাইজ, মহিলা মহাবিদ্যালয়ৰ অধ্যক্ষা জয়শ্ৰী ফুকনকে আদি কৰি মহাবিদ্যালয়খনৰ অধ্যাপক, অধ্যাপিকা, কৰ্মচাৰী, ছাত্ৰী, প্ৰচাৰ মাধ্যমৰ সাংবাদিকসকল, শুভাকাংক্ষী সকল, অনুষ্ঠান-প্ৰতিষ্ঠানৰ সদস্য-সদস্যাসকল। সকলো ৰৈ আছিল তেওঁলোকৰ শ্ৰদ্ধাৰ, মৰমৰ, প্ৰেৰণাময়ী, মৰাণ কুঁৱৰী গৰাকীক শেষ শ্ৰদ্ধা জনাবলৈ। ফুলৰ মালা, গামোচা আৰু বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ পতাকাৰে শেষ শ্ৰদ্ধা জনাবলৈ। কোনোবাজনে নিৰৱে বাইদেউৰ নশ্বৰদেহত সেৱা জনাইছিল কোনোবাজনে উচুপিছিল, কোনোবাজনে হুকহুকাই কান্দিছিল। মৰাণ মহকুমা সাংবাদিক মঞ্চৰ মুখ্য সম্পাদক যদুনাথ পুৰীয়ে এজনৰ পিছত এজনকৈ মাতি নিছিল বাইদেউক শ্ৰদ্ধাঞ্জলি জনাবলৈ। আমিও আমাৰ গড়গাঁও শাখা লেখিকা সমাৰোহ সমিতিৰ পতাকাখন বাইদেউৰ দেহৰ ওপৰত দি দিছিলো ফুলৰ সতে। কাকো বুজাব নোৱাৰিম সেই বেদনা মাথোন মৌনতা। জীৱনত আপোনজনকো আজি চৌধ্যবছৰ আগতে হেৰুৱাইছো এনেদৰেই। সুখ বাইদেউ, আপুনি শান্তিৰে থাকক, য'তেই থাকক তাৰে পৰাই আমাক কৃপা দৃষ্টিৰে দৃষ্টিপাত কৰক। আপোনাৰ দৰে হ'বলৈ, সমাজৰ প্ৰত্যেকজনকে আৰ্শীবাদ কৰক।

ওম্ শান্তি। শান্তি।। শান্তি।●

# ড° সুখ বৰুৱাৰ স্মৰণত

**ৰেণু ফুকন**

শিৱসাগৰৰ বেতবাৰী নামৰ এখন পিছপৰা গাঁৱত জন্ম লাভ কৰা ড° সুখ বৰুৱা এনে এগৰাকী নাৰী আছিল যাৰ ধ্যান-ধাৰণা সকলো একত্ৰিত হৈছিল নাৰী উত্তোৰণৰ বাবে কৰি যোৱা জীৱনযোৰা সাধনাত। নাৰী সবলীকৰণৰ লগতে নাৰী শিক্ষাৰ প্ৰসাৰৰ বাবে তেখেতে যি কষ্ট কৰিছিল তাৰ ফল আজি মৰাণত জিলিকি আছে যাৰ নাম মৰাণ মহিলা মহাবিদ্যালয়, মৰাণ আঞ্চলিক মহিলা মঞ্চ 'সংঘমিত্ৰা'। এই দুয়োটাৰ বাহিৰেও তেখেতে কম বয়সতে বেতবাৰী উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষয়িত্ৰী আছিল। মৰাণ মহিলা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষা আৰু মৰাণ আঞ্চলিক মহিলা মঞ্চ সংঘমিত্ৰাৰ আছিল প্ৰতিষ্ঠাপক মূখ্য সম্পাদিকা। সংঘমিত্ৰা জাতীয় বিদ্যালয়ৰো তেখেত আছিল প্ৰতিষ্ঠাপক সম্পাদিকা। এগৰাকী নাৰী হৈ তেখেতে সমাজৰ প্ৰতি যি অৱদান আগবঢ়াই থৈ গৈছে সেয়া অতুলনীয়। এই গৰাকী দূৰদৰ্শী নাৰীয়ে গঢ়ি থৈ গ'ল সংঘমিত্ৰা হস্ততাঁত বয়ন শিল্প প্ৰশিক্ষণ কেন্দ্ৰ, মৰাণ শাখা লেখিকা সমাৰোহ সমিতি লগে লগে গঢ়ি তুলিলে মৰাণত আশে-পাশে লেখিকা সমাৰোহ সমিতিৰ ১৬ টাকৈ শাখা। তেখেতে গঢ়ি তুলিলে অসম মহিলা কবি মঞ্চ যাক পিছলৈ সদৌ অসম মহিলা কবি মঞ্চ নামে পঞ্জীয়নভূক্ত কৰা হয়। এইগৰাকী সুসংগঠিকাই নহয় তেখেত আছিল একেধাৰে গল্পকাৰ, প্ৰৱন্ধকাৰ, কবি সাহিত্যিক। ১২ খনকৈ গ্ৰন্থ প্ৰকাশ কৰাৰ লগতে প্ৰায় ১৫ খনমান গ্ৰন্থ সম্পাদনাও কৰিছিল। বিভিন্ন সাহিত্য আলোচনী, বাতৰি-কাকত আৰু অনেক গ্ৰন্থত তেখেতৰ বিভিন্ন গৱেষণা পত্ৰ প্ৰকাশ পাইছে। এই গৰাকী মহিয়সী নাৰীৰ মহানতা প্ৰকাশ পাইছিল বঙাইগাঁওত হোৱা সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ বিষয় বাচনি সভাত। সভানেত্ৰী বাচনিৰ সময়ত সদস্যাসকলে ড° সুখ বৰুৱাৰ নামো প্ৰস্তাৱ কৰিলে। কিন্তু ড° সুখ বৰুৱাই লগে লগে থিয় হৈ প্ৰস্তাৱ আগবঢ়ালে এনেদৰে -- 'আপোনালোকে মোক সভানেত্ৰী হিচাবে বিচৰা কাৰণে মই বৰ আনন্দিত হৈছো। কিন্তু মই ভাবো এইবাৰ এই দায়িত্ব মই লোৱাৰ পৰিৱৰ্ত্তে নিৰুপমা মিশ্ৰৰ নামটো সভানেত্ৰীৰ বাবে প্ৰস্তাৱ কৰিছো।' সকলো ৰৈ গ'ল আৰু নিৰুপমা বাইদেউ সভানেত্ৰী হিচাপে ২ বছৰৰ বাবে নিৰ্বাচিত হ'ল। ইয়াৰ আগতে মই তেখেতক ঘৰুৱাভাৱেহে লগ পাইছিলো কিন্তু সেইদিনাৰ পৰাই তেখেতৰ প্ৰতি মোৰ ধাৰণাই সলনি হৈ গ'ল। ভক্তি ভাৱত মোৰ মূৰ দোঁ খাই গৈছিল। তেখেতে নাৰী সজাগতা, নাৰী অধিকাৰৰ সম্পৰ্কে ৰাজ্যিক পৰ্যায়ত অনুস্থিত অনেক

কৰ্মশালা আৰু আলোচনা চক্ৰত অংশগ্ৰহণ কৰি নিজৰ শক্তিশালী মতামত দাঙি ধৰিছিল। তেখেতে অসমৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানত দায়িত্বশীল আসন অলংকৃত কৰি নাৰী সমাজখনৰ শিক্ষা, সাহিত্য , সংস্কৃতি আদি সকলো দিশতে আগুৱাই নিয়াৰ নেতৃত্ব বহন কৰা ড° সুখ বৰুৱাই কৰ্মৰ স্বীকৃতিৰূপে অনেক অনুষ্ঠান-প্ৰতিষ্ঠানৰ পৰা বহুতো বঁটা-বাহন, সন্মান, সম্বৰ্ধনা আদি পাবলৈ সক্ষম হৈছিল। তেখেতে চৰকাৰৰ পৰা সাহিত্যিক পেঞ্চনো লাভ কৰিছিল। বহুতো উপাধিৰে বিভূষিতা এইগৰাকী নাৰীক চৰকাৰে প্ৰদান কৰা চন্দ্ৰপ্ৰভা শইকীয়ানী বঁটাই তেখেতক বিশেষ এক মৰ্যাদা দিছে বুলি ভাবিব পাৰি। তেখেত নিজেই আছিল চন্দ্ৰপ্ৰভা শইকীয়ানীৰ কৰ্মৰ দ্বাৰা প্ৰভাৱিত।

এইগৰাকী ড° সুখ বৰুৱাৰ মৃত্যু মৰাণবাসীৰ লগতে অসমৰ নাৰী সমাজৰ এক অপূৰণীয় ক্ষতি। অনেক গুণ গৰিমাৰে বিভূষিতা এইগৰাকী ড° সুখ বৰুৱাৰ বিদেহ আত্মা য'তেই আছে শান্তিৰে থাকক, পৰিয়ালবৰ্গলৈ জনাইছো অশ্ৰুসিক্ত সমবেদনা। ●

# কৰ্মময় জীৱনৰ প্ৰতিভূ ঃ ড° সুখ বৰুৱা

**ড° ভাৰতী দত্ত**

ড° সুখ বৰুৱা এগৰাকী বিৰল ব্যক্তিত্বসম্পন্ন নাৰী যাৰ ছত্ৰ ছাঁয়াত থাকি অনেকজনে সুখৰ সন্ধান পায়। অনুভৱ কৰে এক স্নিগ্ধ প্ৰশান্তি। আজীৱন কল্যাণকামী কৰ্মৰে জীৱন সাৰ্থক কৰা এগৰাকী বৰণীয় নাৰী ড° সুখ বৰুৱা; মোৰ শ্ৰদ্ধাৰ সুখ বাইদেউ। সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ বৃহৎ পৰিয়ালটিৰ জনপ্ৰিয় জ্যেষ্ঠজন, অন্যতম পথপ্ৰদৰ্শক ড° সুখ বৰুৱা। বৃহত্তৰ নাৰীসমাজৰ শৈক্ষিক, সামাজিক, সাহিত্য তথা সাংস্কৃতিক দিশত উত্তৰণক জীৱনৰ লক্ষ্য হিচাপে লোৱা ব্যতিক্ৰমী চিন্তাৰ প্ৰেৰণাময়ী নাৰী ড° সুখ বৰুৱা। অন্যায় দেখিলে চকু মুদা কুলিৰ ভাও দিব নিবিচৰা ড° সুখ বৰুৱা জীৱনকালতে এক অনুষ্ঠানলৈ পৰ্যবসিত হোৱা এক অনন্যা নাৰী ড° সুখ বৰুৱা।

শিৱসাগৰৰ বেতবাৰী বৰকুৰী চেতিয়া গাঁৱৰ জীয়াৰী সুখ বৰুৱাৰ বিবাহৰ পাছৰ কৰ্মজীৱনৰ পাতনি মেলে মৰাণত। প্ৰয়াত ফুলবৰ চেতিয়া আৰু প্ৰয়াত গুণলতা চেতিয়াৰ জীয়াৰী সুখ বৰুৱাৰ সমাজ সচেতনতা তেওঁৰ কৈশোৰ কালতেই প্ৰকাশ পাইছিল। বিদ্যালয়লৈ যোৱা অসুবিধাজনক পথছোৱা সুচল কৰি লোৱাত গাঁৱৰ সমবয়সীয়া ল'ৰা-ছোৱালীক নেতৃত্ব দিছিল। স্ত্ৰীশিক্ষাৰ প্ৰয়োজনীয়তা কোমল বয়সতে উপলব্ধি কৰি আধাতে স্কুলীয়া শিক্ষা সমাপ্ত কৰা সমনীয়াক ছাত্ৰী সুখ বৰুৱাই শিক্ষয়িত্ৰীৰ ভূমিকা পালন কৰি পুঢ়ৱাইছিল। শিক্ষাৰ প্ৰয়োজনীয়তাৰ কথা তেওঁলোকৰ অভিভাৱকসকলক জনাই তেওঁলোকক পঢ়াশালীৰ পৰা এৰুৱাই ননাৰ বাবেও অনুৰোধ কৰিছিল। কিশোৰী অৱস্থাতে সুখ বৰুৱাই কৰা এনেবোৰ কামে তেওঁৰ সামাজিক দায়বদ্ধতাৰ পৰিচয়বহন কৰিছিল।

বেতবাৰী অঞ্চলত বেতবাৰী উচ্চ মাধ্যমিক বালিকা বিদ্যালয় স্থাপনত আহোপুৰুষাৰ্থ কৰা সুখ বৰুৱাই সেই বিদ্যালয়ৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষয়িত্ৰীৰ দায়িত্ব গ্ৰহণ কৰিছিল। প্ৰণিধানযোগ্য যে বিদ্যালয়খনিৰ নিজা গৃহ নিৰ্মাণ কৰিবলৈ তেওঁৰ মাতৃ আৰু পাছত ভাতৃয়ে মুঠ ডেৰবিঘা মাটি দান দিছিল। সমাজসেৱাৰ মানসিকতা তেওঁ বংশগতভাৱেই লাভ কৰিছিল বুলি ক'ব পাৰি। নাৰী শিক্ষাইহে সমাজ আগবাঢ়ি যোৱাত উল্লেখযোগ্য ভূমিকা পালন কৰে বুলি দৃঢ়ভাৱে বিশ্বাস কৰা সুখ বৰুৱাই সেয়েহে পৰৱৰ্তীকালতো নাৰী শিক্ষাৰ প্ৰসাৰৰ অৰ্থে কৰ্মৰত হৈছিল। সেইবিষয়ে আলোচনা কৰিবলৈ হ'লে আমি তেওঁৰ বিবাহৰ পৰৱৰ্তী সময়লৈ যাব লাগিব।

১৯৬৮ খ্ৰীঃৰ পৰা ১৯৭০ খ্ৰীঃলৈ দুবছৰ বেতবাৰী উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ত প্ৰধান

শিক্ষয়িত্ৰীৰ দায়িত্ব সুচাৰুৰূপে পালন কৰাৰ পাছত বিবাহ হৈ মৰাণত স্থায়ীভাৱে বসবাস কৰিবলৈ লয়। প্ৰসংগক্ৰমে উল্লেখ কৰিছোঁ যে সুখ বৰুৱাৰ স্বামী শ্ৰীযুত বিনন্দ বৰুৱা (বৰ্তমান অৱসৰপ্ৰাপ্ত বিদ্যালয়সমূহৰ পৰিদৰ্শক) এগৰাকী সৰবৰহী, নিকা ভাবমূৰ্তিৰ, বিনয়ী ব্যক্তি সুখ বৰুৱাৰ সামাজিক অথবা সাহিত্য কৰ্মৰ ক্ষেত্ৰত তেখেত সদায় অনুপ্ৰেৰণাৰ উৎস হৈ ৰৈছে বুলি কথা প্ৰসংগত এই গৰাকী সমাজ হিতৈষী নাৰীয়ে আমাক কৈছিল। মৰাণ বালিকা বিদ্যালয়ত সহশিক্ষয়িত্ৰী হিচাপে বিবাহৰ পাছত কৰ্মজীৱন নতুন ঠাইখনিত আৰম্ভ কৰি মৰাণ অঞ্চলৰ শিক্ষা, সাহিত্য তথা সমাজ জীৱনৰ এগৰাকী অপৰিহাৰ্য ব্যক্তিলৈ অতিসোনকালেই তেওঁ পৰ্যবসিত হয়। গুণীৰ গুণ বুজা মানুহৰ অভাৱ দৰাচলতে সমাজত নাই। সেয়েহে চাগে মৰাণ মহিলা মহাবিদ্যালয়ৰ অধ্যক্ষাৰ আসনত সুখ বৰুৱাক অধিষ্ঠিত কৰা হ'ল। ১৯৯২ খ্ৰীঃৰ ৮ জুলাই তাৰিখে প্ৰতিষ্ঠা লাভ কৰা শিক্ষানুষ্ঠানখনিৰ জন্মৰ আঁৰত থকা নাৰীগৰাকীক যথাযোগ্য সন্মান প্ৰদৰ্শন কৰা হ'ল।

নাৰী শিক্ষাৰ উচ্চ শিক্ষানুষ্ঠানখনি প্ৰতিষ্ঠাৰ ক্ষেত্ৰত ড° সুখ বৰুৱাই আগবঢ়োৱা অৱদান মৰাণবাসীয়ে মনত ৰাখিছে। ভূমি সংগ্ৰহ কৰাৰ পৰা ভৱন নিৰ্মাণৰ বাবে অনুদান বিচৰালৈকে, অধ্যক্ষা হিচাপে শিক্ষানুষ্ঠানখনিৰ শৈক্ষিক প্ৰশাসনিক দিশ সুচাৰুৰূপে চলোৱাৰ পৰা ছাত্ৰীসমাজৰ সাহিত্য সংস্কৃতিৰ দিশত উত্তৰণৰ দিশটোলৈ গুৰুত্ব দিয়ালৈকে কি কৰা নাছিল এই গৰাকী মহীয়সী নাৰীয়ে?

নাৰী সবলীকৰণৰ লক্ষ্যৰ প্ৰতিষ্ঠা কৰিলে মহিলা মঞ্চ সংঘমিত্ৰা। বৃহত্তৰ অঞ্চল সামৰি প্ৰতিষ্ঠা কৰা সংঘমিত্ৰাৰ জৰিয়তে নাৰীসমাজে নিজ নিজ প্ৰতিভা বিকাশৰ অৰ্থে এখনি উপযুক্ত মঞ্চ পালে আৰু বয়ন শিল্পত নিজকে নিয়োজিত কৰি অৰ্থনৈতিক দিশত সবল হোৱাৰো সুযোগ লাভ কৰিলে। অনুষ্ঠানটিৰ মুখ্য সম্পাদিকা হিচাপে সুখ বৰুৱাই সংঘমিত্ৰা বয়ন শিল্প কেন্দ্ৰ প্ৰতিষ্ঠাৰ গুৰি ধৰে। তেখেতৰ সাংগঠনিক দক্ষতা অতুলনীয়। শিক্ষা, সাহিত্য, সমাজ সংস্কৃতিৰ উত্তৰণৰ অৰ্থে যি অনুষ্ঠানতে নাথকক কিয় উদ্যম, সাংগঠনিক দক্ষতা, দূৰদৰ্শিতা তথা সৃজনীশীল প্ৰতিভাৰে সুখ বৰুৱাই অনুষ্ঠানটিক ফলে ফুলে জাতিষ্কাৰ কৰি তোলে। সামাজৰ অনগ্ৰসৰ সমাজৰ শিশুসকলৰ কথা চিন্তা কৰিয়েই প্ৰতিষ্ঠা কৰে সংঘমিত্ৰা জাতীয় বিদ্যালয় সবল নেতৃত্ব প্ৰদানেৰে তেওঁ কামৰাজি আগবঢ়াই নিয়ে। সুমধুৰ ব্যক্তিত্বৰ বাবেই হয়তো নিষ্ঠাবান কৰ্মীৰ অভাৱ অনুভৱ কৰিবলগীয়া তেওঁৰ নহয় বুলি ভাব হয়।

সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰা কালছোৱাতো অনুষ্ঠানটিত গতিশীলতা প্ৰদান কৰাত সুখ বৰুৱা সফল হৈছিল। পৰৱৰ্তীসময়তো বৃহৎ অনুষ্ঠানটিৰ উপদেষ্টা হিচাপে মাৰ্গদৰ্শন কৰি আহিছে। সদৌ অসম লেখিকা সমিতিৰ কেন্দ্ৰীয় সমিতি তথা শাখাসমূহে এইগৰাকী প্ৰেৰণাময়ী নাৰীৰ বৰ্ণিল কৰ্মৰাজিৰ স্বীকৃতি স্বৰূপে বঁটা, উপধি আদি প্ৰদান কৰিছে, চৰকাৰৰ তৰফৰ পৰা সাহিত্যিক পেঞ্চন, সাহিত্য বঁটা, পদ্মশ্ৰী চন্দ্ৰপ্ৰভা শইকীয়ানী বঁটা লাভ কৰিছে। টাই-আহোম যুৱ পৰিষদে তেখেতক প্ৰদান কৰিছে বীৰাংগনা মূলা গাভৰু বঁটা।

গৱেষণামূলক কেইখনো মূল্যবান গ্ৰন্থৰ প্ৰণেতা সুখ বৰুৱাই তিনিখনকৈ কাব্য সংকলনো প্ৰকাশ কৰিছে। 'আহোমসকলৰ উৎসৱ অনুষ্ঠান' গ্ৰন্থখনি অসমৰ সাহিত্য জগতলৈ তেখেতৰ অমূল্য অৱদান। ছখনকৈ প্ৰবন্ধ সংকলন, এখন গল্প আলোচনী আদিৰে অসমীয়া ভাষা সাহিত্যৰ ভঁৰাল

সমৃদ্ধ কৰা সুখ বৰুৱাৰ সামগ্ৰিকভাৱে কৰ্মময় জীৱন অতুলনীয়।

**কিছু ব্যক্তিগত ঃ** ড° সুখ বৰুৱা মোৰ শ্ৰদ্ধাৰ সুখ বাইদেউৰ স'তে মোৰ পৰিচয় সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ জৰিয়তেই। দিন, বাৰ, তাৰিখ মনত পেলাব পৰা নাই; বাইদেউৰ সতে চিনাকি হোৱাৰ পাছত সৰু-বৰ সকলোকে থাউকতে আপোন কৰি ল'ব পৰা তেখেতৰ ব্যক্তিত্বই মোক মোহিত কৰিছিল। কিছুদিন ফোন নাপালে উপযাচি ফোন কৰি কিয় ইমানদিন ফোন কৰা নাই বুলি অভিমান কৰে। সেই অভিমানত সংপৃক্ত হৈ থাকে তেখেতৰ মৰম, আপোনত্ব, আপোন বুলি ভবাজনক কৰিব পৰা দাবী। তাৎক্ষণিকভাৱে সিদ্ধান্ত আগবঢ়াব পাৰে বাবেই হয়তো কোনো কথাত সিদ্ধান্ত গ্ৰহণত অসুবিধা পালে বাইদেউলৈ ফোন কৰিবলৈ অজানিতেই মনলৈ ভাব আহে। বাইদেউৰ জন্মস্থান শিৱসাগৰ; মোৰো। শিৱসাগৰীয়া কথাৰ সুৰো আমাৰ একেই। সেই কথা মই অনুভৱ কৰোঁ। উচিত কথাত মাত মতা বাইদেউক সদায় দেখি আহিছোঁ মই নিজও জীৱনত এই দিশত সদায় গুৰুত্ব দি আহিছোঁ।

ড° সুখ বৰুৱা জীৱনকালতেই এক অনুষ্ঠানলৈ পৰিৱৰ্তিত হোৱা এটি নাম। ৭৭ টা বছৰ গৰকি সৌ সিদিনা, ছেপ্তেম্বৰ মাহৰ তিনি তাৰিখৰ দিনা এই পৃথিৱীৰ মায়া ত্যাগ কৰি অনন্তধামলৈ গতি কৰিলে আমাৰ পৰম শ্ৰদ্ধাৰ সুখ বৰুৱা বাইদেৱে। আমি সদৌ অসম লেখিকা সমাৰোহ সমিতি যেন পুনৰ এবাৰ মাতৃহাৰা হ'লোঁ। ড° শীলা বৰঠাকুৰ বাইদেৱে আমাক এৰি থৈ যোৱাৰ কম দিনৰ ভিতৰতে সুখ বাইদেউৰ মাতৃসুলভ সান্নিধ্যৰ পৰাও বঞ্চিত হ'লো।

অসুস্থ হৈ পৰি থাকোঁতে দুই এবাৰ বাইদেউক লগ পাইছিলোঁ ঘৰতে। তাৰ পাছত ফ'ন কৰি খা-খবৰ লৈ আছিলোঁ। কিন্তু মৃত্যুৰ বেছ কিছুদিন আগৰে পৰা বাইদেৱে ফ'ন ৰিচিভ কৰা নাছিল। হয়তো তেখেতে কাৰো সৈতে কথা পাতিব পৰাৰ মানসিক অৱস্থা নাছিল। নিজৰ স্বাস্থ্য অৱনতিত বাইদেউ কিছু হতাশগ্ৰস্থ হৈ পৰিছিল। সেইয়া নিতান্তই স্বাভাৱিক। দীপালী শইকীয়াৰ পৰা কেতিয়াবা ফ'নতে বাইদেউৰ খবৰ লৈ আছিলোঁ। অনুমান কৰিব পাৰিছিলোঁ তেখেতৰ শাৰীৰিক অৱস্থা তথাপি আমি আশা কৰিছিলোঁ বাইদেউ সুস্থ হৈ উঠিব। কিন্তু বাইদেউ সুস্থ হৈ নুঠিল আশাকৰা মতে। নিয়তিৰ শীতল কোলাত চিৰদিনৰ বাবে শুই পৰিল মৰমৰ সুখ বাইদেউ। মানসিকভাৱে ভাগি পৰিছোঁ। শব্দৰে সেই দুঃখ প্ৰকাশ কৰিবলৈ অপৰাগ হৈছোঁ। পৰমেশ্বৰৰ চৰণত প্ৰাৰ্থনা জনাইছোঁ বাইদেউ য'তেই আছে শান্তিত থাকক।❍

# ‘ৰত্নগৰ্ভা’ ড° সুখ বৰুৱাৰ মধুৰ সান্নিধ্যৰ সুবাস

**সুবৰ্ণ শইকীয়া বৰদলৈ**

কবিয়ে ‘অতীতক যোৱাহে পাহৰি’ বুলি কৈ আকৌ ঠিক একে সময়তে কৈছে “অতীতক নাযাবা পাহৰি”। এই দুয়োফাঁকি কবিতাত আমাৰ আবেগ নিহিত হৈ থাকে। এৰি অহা দিনৰ স্মৃতিৰ সুবাসে মানুহক উন্মনা কৰে। হৃদয়ৰ মণি কোঠাত মানুহে জুমি জুমি চাই উপলব্ধি কৰে জীৱনক। কি পালো, কি হেৰুৱালো বা কি দিলো সমাজক। জন্মৰ পৰা মৃত্যুৰ মাজৰ সময়চোৱাত মানুহে কৰা ভাল কাম বিলাকৰ নিশ্চয় মূল্যায়ণ নোহোৱাকৈ নাথাকে। মানুহে ব্যক্তিগত স্বাৰ্থৰ উৰ্দ্ধলৈ গৈ যেতিয়া সামাজিক সত্বালৈ নিজক উৎসৰ্গা কৰে তেতিয়া তাৰ মূল্যায়ণ নিশ্চয় এদিন সমাজে কৰে। সময় বৰ নিষ্ঠুৰ বুলি কোৱা হয়। এইয়া হয়তু সৰ্বজন সন্মত এটি স্বীকৃত মন্তব্য বুলি কব নোৱাৰি। জীৱনক হেৰুৱাই হয়তু সৰ্বশ্ৰান্ত হোৱা জীৱনে সময়ক নিষ্ঠুৰ বুলি মন্তব্য কৰিছিল। মহাকবি চেক্সপিয়েৰে তেখেতৰ নাটকত চৰিত্ৰৰ মুখেদি কৈছিল - “সময় আমাৰ কল্যাণকামী ধাত্ৰী, সময় সকলো শুভকৰ্ম্মৰ মাতৃ।”

ডিব্ৰুগড় আৰু শিৱসাগৰ জিলাৰ সিৰলু মৰাণৰ দিৰৈ নৈৰ পানীযুঁৱলীত নতুন নতুন সৃষ্টিৰ সোপান ৰচা এগৰাকী স্বনাম ধন্যা মহিলা হ’ল মৰাণ মহিলা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষা ড° সুখ বৰুৱা। এইগৰাকী ড° সুখ বৰুৱাই বহু সংগঠনৰ প্ৰতিষ্ঠাপক সভাপতি, সম্পাদকৰ দৰে গুৰু দায়িত্ব বহন কৰি মৰাণলৈ নতুনত্বৰ বতৰা কঢ়িয়াই আনিবলৈ সক্ষম হ’ল। বিশেষকৈ নাৰী শিক্ষা মহিলাসকলৰ উত্তৰণৰ দিশত অৰ্থনৈতিক, শৈক্ষিক সামাজিক স্বাধীনতাৰ যি অভিলেখ গঢ়ি পৰৱৰ্ত্তী সময়ত তেওঁৰ জীৱনত নিজেই এক অভিলেশ হৈ পৰিল। সেই কথা সময়ত ভাবিবলৈ সময়েই পোৱা নাছিল। সেয়ে এনে এগৰাকী মহিয়সী মাতৃৰ উদ্ধৃতিৰে কওঁ- সময় বৰ নিষ্ঠুৰ নহয়, সময় অমূল্য ধন। সময়োপযোগী কাম কৰাৰ প্ৰতিদান স্বৰূপে তেওঁৰ জীৱনলৈ আহিছে অনেক সন্মান গৌৰৱ।

ইতিহাস প্ৰসিদ্ধ শিৱসাগৰ জিলা। জয়মতী, ফুলেশ্বৰী, মূলাগাভৰুৰ অনেক ত্যাগেৰে ৰঞ্জিত এই ৰংপুৰ। শিৱসাগৰ জিলাৰ বেতবাৰীৰ বৰকুৰী চেতিয়া গাঁৱৰ এক নিম্ন মধ্যবিত্ত পৰিয়ালত ১৯৪৬ চনত জন্ম লাভ কৰা ড° সুখ বৰুৱাই আছিল সেই গাঁৱৰ প্ৰথম স্নাতক ডিগ্ৰীধাৰী মহিলা। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰাৰ পিচত সেই বিশ্ববিদ্যালয়ৰ পৰাই ডক্টৰেট ডিগ্ৰীও লাভ কৰে।

সামাজিক কামৰ প্ৰতি থকা স্পৃহা তেওঁৰ যেন জন্মগত প্ৰবৃত্তি আছিল। সেয়ে হাইস্কুলীয়া কালতে বিদ্যালয়লৈ যোৱা নিজৰ পথচোৱা থলুৱা তামোল গছ, বাঁহ আদিৰে মেৰামতি কৰি অহা যোৱাৰ সুচল কৰি লৈছিল। গাঁৱত বালিকা বিদ্যালয় প্ৰতিষ্ঠা কৰি প্ৰতিষ্ঠাপক প্ৰধান শিক্ষয়িত্ৰী হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰি শিক্ষাৰ পোহৰ আনিবলৈ যত্ন কৰিছিল।

বৈবাহিক সূত্ৰে তেওঁ বেতবাৰীৰ পৰা মৰাণলৈ আহিবলগীয়া হোৱাত চাকৰি এৰি আহিব লগীয়া হ’ল যদিও তেওঁৰ ভাগ্য কিন্তু সুপ্ৰসন্ন। মৰাণ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উপাধ্যক্ষ আৰু পিছলৈ

স্কুলসমূহৰ পৰিদৰ্শক শ্ৰীযুত বিনন্দ বৰুৱাৰ লগত তেওঁৰ বিবাহ হয়। এগৰাকী সহজ-সৰল, উচ্চ শিক্ষিত, উচ্চ পদস্থ বিষয়া বৰুৱাদেৱৰ লগত বিবাহ পাশত আবদ্ধ হৈ দুয়োজন যেন এজন আনজনৰ পৰিপূৰকহে হ'ল। বাইদেউৰ সফল জীৱনৰ আঁৰত এইগৰাকী সফল পুৰুষৰ নাম আমি লবই লাগিব। আমাৰ অতি মৰম আৰু শ্ৰদ্ধাৰ ভিনদেউ বিনন্দ বৰুৱাদেৱ। ভিনদেউৰ সহযোগিতা নোপোৱা হ'লে হয়তু সামাজিক মন এটালৈ বাইদেৱে মুকলিমুৰীয়াকৈ ওলাই আহিব নোৱাৰিলেহেঁতেন। সমাজৰ দুয়োগৰাকীয়েই অতি আদৰ্শ স্থানীয় ব্যক্তি। আনহাতে দুয়োগৰাকীয়েই সফল পিতৃ-মাতৃ এগৰাকী মাত্ৰ জীয়ৰী আৰু দুটি পুত্ৰ। তিনিওটি সন্তানেই সু-প্ৰতিষ্ঠিত। নাতি নাতিনীৰে ভৰপুৰ এখন সুখৰ সংসাৰ ড° সুখ বৰুৱা বাইদেউৰ। তেওঁৰ মৰমৰ আচলত সকলোৱে যেন স্বৰ্গসুখ অনুভৱ কৰে।

তেওঁ মৰাণ আঞ্চলিক মহিলা মঞ্চ "সংঘমিত্ৰা", সংঘমিত্ৰা জাতীয় বিদ্যালয়, সংঘমিত্ৰা হস্ততাঁত বয়ন শিল্প কেন্দ্ৰ প্ৰতিষ্ঠা কৰি মহিলা সৱলীকৰণ আৰু স্বাৱলম্বিতাৰে নাৰীশিক্ষাৰ পথ প্ৰদৰ্শক হৈ এক জাগৰণ আনিবলৈ সক্ষম হয়। বিভিন্ন অনুষ্ঠানৰ গুৰুত্বপূৰ্ণ পদবীত থাকি তেওঁ সমাজলৈ অনেক অৰিহণা আগবঢ়াই আছে। অসম সাহিত্য সভা, সদৌ অসম লেখিকা সমাৰোহ সমিতি, জয়মতী ন্যাস সমিতি, পূৰ্বাঞ্চল তাই সাহিত্য সভা আদি বিভিন্ন অনুষ্ঠানৰ লগত জড়িত হৈ আছে। সম্প্ৰতি তেওঁ অসম মহিলা কবি মঞ্চৰ সন্মানীয় সভানেত্ৰীৰ পদত অধিষ্ঠিত হৈ আছে। অসমৰ বিভিন্ন ঠাইত তেওঁ নাৰীৰ শিক্ষা, সাহিত্য-সংস্কৃতি, নাৰীৰ অধিকাৰৰ বিষয়ক অনেক কৰ্ম্মশালা, আলোচনা চক্ৰত অংশ গ্ৰহণেৰে উদ্দাত্ত যুক্তিপূৰ্ণ আৰু সাবলীল ভাষণেৰে সকলোকে মোহিত কৰে।

সাহিত্যৰ পথাৰ খনলৈ তেওঁৰ যি অৱদান সেয়া সঁচাকৈয়ে লেখত লবলগীয়া। তেওঁ নিজে সাহিত্য চৰ্চা কৰাৰ উপৰিও সতীৰ্থ সকলকো অবাৰত সময় নষ্ট নকৰি সাহিত্য ক্ষেত্ৰখনত খোজ থবলৈ সকিয়াই থাকে। তেওঁৰ কলমৰ কাপেৰে বহু সংখ্যক মৌলিক গ্ৰন্থ প্ৰকাশ হোৱাৰ উপৰিও সম্পাদনা কৰা অনেক গ্ৰন্থ, আলোচনী আছে। তেওঁৰ সাহিত্যিক জীৱনৰ আটাইতকৈ উল্লেখযোগ্য গ্ৰন্থ খনি হৈছে "আহোমসকলৰ উৎসৱ-অনুষ্ঠান"। এইখন তেওঁ গৱেষণা গ্ৰন্থ। চাকৰি, ঘৰুৱা দায়িত্ব, সামাজিক কামৰ মাজতে তেওঁ সুদীৰ্ঘ দিন গবেষণা কৰি প্ৰকাশ কৰি উলিওৱা "আহোমসকলৰ উৎসৱ-অনুষ্ঠান" গ্ৰন্থখনিয়ে আহোমসকলৰ উৎসৱ পাৰ্বনৰ সকলো দিশ উন্মোচিত কৰাৰ লগতে বিদ্যালয়তনিক দিশটোৱেও প্ৰাধান্য লাভ কৰিছে। তেওঁৰ সাহিত্যিক জীৱনৰ উজ্জ্বল চানেকি স্বৰূপ গ্ৰন্থখনিয়ে উঠি অহা প্ৰজন্মৰ বাবে গবেষণাৰ এক মাইলৰ খুটি আৰু বিষয়টোৰ পথ-পদৰ্শক বুলি কব পাৰি। অনেক বঁটা বাহনে বাইদেউৰ জীৱন ধন্য কৰিছে। অসম চৰকাৰে সাহিত্যিক বঁটা দিয়াৰ উপৰিও এগৰাকী স্বনামধন্যা মহিলা, প্ৰাদেশিক মহিলা সমিতিৰ প্ৰতিষ্ঠাপক, প্ৰতিবাদী কণ্ঠৰ নাৰী অগ্নিকন্যা পদ্মশ্ৰী চন্দ্ৰপ্ৰভা শইকীয়াৰ নামত উৎসৰ্গিত "চন্দ্ৰপ্ৰভা শইকীয়ানী বঁটা" তেওঁক প্ৰদান কৰে। ইয়াৰ উপৰিও সদৌ অসম লেখিকা সমাৰোহ সমিতিয়ে তেওঁলৈ শ্ৰদ্ধাৰ আৰতি শইকীয়া সোঁৱৰণী, সমাজ আৰু সাহিত্যসেৱা বঁটা প্ৰদান কৰে। তেওঁৰ এইসমূহৰ উপৰিও আৰু অনেক বঁটা গ্ৰহণ কৰি মহিলা সমাজখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। বিভিন্ন অনুষ্ঠানে তেওঁক সম্বৰ্দ্ধনা জনাইছে।

সদৌ অসম লেখিকা সমাৰোহ সমিতি এনে এটি অনুষ্ঠান যিয়ে অসমৰ হাজাৰ হাজাৰ মহিলাক তেজৰ সম্পৰ্ক নথকাকৈয়ে অতি কাষ চপাই নিলে। মোৰো বাইদেউৰ লগত চিনাকি, বাইদেউৰ সান্নিধ্য আৰু সান্নিধ্যৰ গভীৰতাই শেষত ভগ্নীস্নেহৰ ডোলেৰে বান্ধখোৱাৰ মূল মজিয়াখনেই হ'ল লেখিকা সমাৰোহ সমিতি। তেওঁক মোৰ ভাল লগা কথাটো হ'ল তেওঁ নিৰ্ভীক আৰু স্পষ্টবাদীতা। ভংভঙীয়া মানুহ গৰাকীৰ সত্য কথা কবলৈ যথেষ্ট সাহস দেখিছো। প্ৰকৃততে ময়ো স্পষ্ট কথা কৈ ভাল পাওঁ বাবেই হয়তু আমাৰ হৃদয়ৰ এক আত্মিক মিল আছে। মান-অভিমানো নথকা

নহয়। সময়ত বজ্ৰকঠিন আৰু সময়ত মাতৃৰ মমতাৰে হিয়াৰ বতৰা দিব পৰা মোৰ মৰমৰ সুখ বাইদেউ। নব্বৈৰ দশকৰ পৰাই বাইদেউক পাই আছিলো। সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ কাৰ্যনিৰ্বাহক সভা এখন আমি এবাৰ বোকাখাত শাখাত পাতিছিলো। সেই সভালৈ বাইদেউ আহিছিল, আমাৰ লগত দিনটো আছিল। তাৰ পিচত আজিলৈকে কিমান লগ পালো হিচাপ নাই। ২০০৮ চনত মৰাণত অনুষ্ঠিত হোৱা সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ দ্বি-বাৰ্ষিক অধিৱেশনখনিৰ অভ্যৰ্থনা সমিতিৰ সভানেত্ৰীৰ গুৰুদায়িত্ব বহন কৰি নিজে প্ৰতিষ্ঠা কৰা মহাবিদ্যালয়খনিতে আটক ধুনীয়া এখন অধিৱেশন সফল হোৱাত যি অৰিহনা যোগালে সেই ছবি আমাৰ সদায় মনত থাকিব। অধিৱেশনৰ আগৰ দিন বিলাকত বাইদেউৰ লগত অধিৱেশনৰ অগ্ৰগতি আৰু বিভিন্ন কথাত আমাৰ ফোনেৰে যোগাযোগ হৈছিল। অধিৱেশনৰ শেষ হোৱাৰ পিচদিনা সেই সময়ৰ সভানেত্ৰী প্ৰেৰণাময়ী শ্ৰীযুতা অন্নদা শইকীয়া, পদ্মশ্ৰী ড° শীলা বৰঠাকুৰ বাইদেউ, আমাৰ অতি শ্ৰদ্ধাৰ বিষ্ণুৰাভা বঁটা প্ৰাপক প্ৰয়াত ষড়ানন বৰঠাকুৰদেৱকে আদি কৰি সকলো প্ৰায় সদস্যাই দুপৰীয়াৰ প্ৰীতি ভাত সাজ খাইহে ঘৰাঘৰি হৈছিলো। বিদায়ৰ মুহূৰ্তত উঠা কান্দোনৰ ৰোল কোনো অধিৱেশনতে আজিলৈকে দেখিবলৈ পোৱা নাই। সেইয়াও এক অনাবিল অভিজ্ঞতা আৰু স্মৃতি আজিও বুকুত লৈ ফুৰিছো।

লেখিকা সমাৰোহ সমিতিৰ জন্ম লগ্নৰে পৰা জড়িতহে থাকি এনেদৰেই সুখ বৰুৱা বাইদেউৰ দৰে অনেক বাই-ভনীক লগ পালো। ২০১২ চনৰ জানুৱাৰী মাহত সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী নিৰ্বাচিত হয় শ্ৰীযুতা নিৰুপমা মিশ্ৰ, কাৰ্যকৰী সভানেত্ৰী ড° সুখ বৰুৱা বাইদেউ আৰু মোক প্ৰধান সম্পাদিকাৰ দায়িত্ব দিয়ে। অনুষ্ঠান আগবঢ়াই নিবৰ বাবে আমি সকলোৰে সঘন যোগাযোগ কৰিছিলো। ২০১৩ চনৰ ২৩ জুন তাৰিখে মৰাণৰ অগ্ৰণী অনুষ্ঠান মৰাণ শাখা লেখিকা সমাৰোহ সমিতি, মৰাণ আঞ্চলিক মহিলা মঞ্চ- সংঘমিত্ৰা আৰু মৰাণ শাখা মহিলা কৰ্মচাৰী গোটৰ উদ্যোগত অনুষ্ঠিত হোৱা ৰাজহুৱা সম্বৰ্ধনা অনুষ্ঠানত সামাজিক, শৈক্ষিক আৰু সাহিত্যৰ ক্ষেত্ৰখনলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে তেওঁক শতাধিক দল-সংগঠনে বিপুল সম্বৰ্দ্ধনা জনায়। তেখেতৰ একক প্ৰচেষ্টাৰে নাৰীৰ উচ্চ শিক্ষানুষ্ঠান "মৰাণ মহিলা মহাবিদ্যালয়" স্থাপনত তেখেতৰ যি ত্যাগ, বিনা পাৰিশ্ৰমিকে কৰা কৰ্ত্তব্য নিষ্ঠাক মৰাণবাসীয়ে যি সন্মান জনালে সেইদিনা সেই পবিত্ৰ অনুষ্ঠানৰময়ো প্ৰত্যক্ষ সাক্ষী হ'বলৈ সৌভাগ্য হৈছিল। সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ প্ৰধান সম্পাদিকা হিচাবে নিৰ্দ্দিষ্ট বক্তাৰ ভাষণৰ বাবে মোক নিমন্ত্ৰণ জনাইছিল। মৰাণ মহাবিদ্যালয়ত হাজাৰোধিক লোকৰ সমাগমে এক উদুলি-মুদুলি গাম্ভীৰ্য্যপূৰ্ণ পৰিৱেশত তেখেতলৈ আগবঢ়োৱা সম্বৰ্দ্ধনাই মোক অভিভূত কৰিছিল। মোৰ বক্তব্যত স্বতঃস্ফূত ভাবে ওলাইছিল "ৰত্নগৰ্ভা" আৰু "মৰাণকুঁৱৰী" ড° সুখ বৰুৱা বাইদেউলৈ সশ্ৰদ্ধ প্ৰণাম। আৰু সঁচাকৈয়ে পৰৱৰ্ত্তী সময়ত এই উপাধিয়েই সদৌ অসম লেখিকা সমাৰোহ সমিতিয়ে তেখেতলৈ প্ৰদান কৰিলে। ইয়াৰ উপৰিও ষষ্ঠ বিংশতিতম্ ধুবুৰী অধিৱেশনত ধুবুৰী জিলা লেখিকা সমাৰোহ সমিতিয়ে 'হাব্ৰুনি ফামে' (বোকাৰ পদুম) উপাধি প্ৰদান কৰে। জীৱিত অৱস্থাতে এনে ৰাজহুৱা সন্মানৰ অনুষ্ঠানত স্বামী গৰাকীয়ে উপস্থিত থাকি পত্নীৰ গৌৰৱৰ অধিকাৰী হ'বলৈ পোৱাটো কম কথা নহয়। খুব কম সংখ্যক স্বামী-স্ত্ৰীৰহে এনে সৌভাগ্য হয়।

২০১৪ চনৰ ফেব্ৰুৱাৰী মাহত চাহ নগৰী ডুমডুমাত অনুষ্ঠিত হোৱা সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ পঞ্চবিংশতিতম দ্বি-বাৰ্ষিক অধিৱেশনত আমাৰ ওপৰত এই বৃহৎ অনুষ্ঠানটিয়ে দ্বিতীয় বাৰৰ বাবে প্ৰধান সম্পাদিকাৰ গুৰু দায়িত্ব অৰ্পণ কৰে। সমিতিৰ সন্মানীয় সভানেত্ৰীৰ পদটি ড° সুখ বৰুৱা বাইদেউক অৰ্পণ কৰে। সভানেত্ৰী, সম্পাদিকা হিচাবে সদৌ অসম লেখিকা সমাৰোহ সমিতিক এক মাত্ৰা প্ৰদান কৰিবৰ বাবে আমি দুয়োগৰাকীয়ে আন্তৰিক সহযোগিতাৰে আগবাঢ়িছিলো। প্ৰত্যেক দিনাই পুৱা-

গধূলি আমি ফোন যোগে বিভিন্ন আঁচনি যুগুত কৰিছিলো। মোৰ প্ৰতিটো কামতেই বাইদেৱে দিহা-পৰামৰ্শ আৰু পূৰ্ণ সহাৰি জনাইছিল। বাইদেউৰ সকিয়নীয়ে মোক কামত আগবাঢ়ি যোৱাত সহায় কৰিছিল। আমাৰ কাৰ্যকালতে সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সংশোধিত সংবিধান প্ৰকাশ কৰা হয়। আমাৰ কাৰ্যকালতে ইং ২০১৫ চনত সাহিত্য অঁকাডেমিয়ে আমাৰ অনুষ্ঠানটিক স্বীকৃতি প্ৰদান কৰি এই অনুষ্ঠানৰ ভেঁটি অধিক সুদৃঢ় কৰি তুলিলে। সাহিত্য অঁকাডেমীৰ সহযোগত গোৱালপৰীয়া লোকগীতৰ এখন আলোচনা চক্ৰ গুৱাহাটীত অনুষ্ঠিত কৰা হৈছিল। বাইদেউয়ে এই ক্ষেত্ৰত যথেষ্ট ভূমিকা গ্ৰহণ কৰিছিল। প্ৰধান সম্পাদিকা হিচাপে সাংগঠনিক ভেটি সুদৃঢ় কৰাৰ বাবে শদিয়াৰ পৰা ধুবুৰীলৈ ঘূৰি ফূৰিছিলো। জিলা লেখিকা সমাৰোহ গঠন, আঞ্চলিক পৰিষদ গঠন আৰু শাখা গঠন বাবে বাইদেউৰ পৰামৰ্শ লৈছিলো। সমগ্ৰ অসমৰ শাখা সমূহৰ সদস্যাসকলৰ আমালৈ যি অভূতপূৰ্ব সহাৰি জনাইছিল তাৰ বাবে আমি চিৰকৃতজ্ঞ। মোৰ পৰম সৌভাগ্য এগৰাকী সুদক্ষ মহিলাৰ লগত প্ৰধান সম্পাদিকাৰ দৰে গুৰুদায়িত্ব পালন কৰিবলৈ সুযোগ পোৱাটো। লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰীৰ গুৰু আসনত থাকোতেই তেওঁক সদৌ অসম লেখিকা সমৰোহ সমিতিয়ে "ৰত্নগৰ্ভা" আৰু "মৰাণ কুঁৱৰী" উপাধি প্ৰদান কৰে। চন্দ্ৰপ্ৰভা শইকীয়ানী বঁটা পোৱাৰ বাবে লেখিকা সমাৰোহ সমিতিয়ে মৰিগাওঁ শাখাৰ সহযোগত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত তেওঁক সম্বৰ্দ্ধনা জ্ঞাপন কৰো।

সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী, সম্পাদিকা হিচাপে আমি দুয়োজনীয়ে অসমৰ বিভিন্ন ঠাইলৈ বিশেষভাৱে নিমন্ত্ৰিত হৈ গৈছিলো। বিশেষকৈ শদিয়ালৈ যোৱা যাত্ৰা আমাৰ অনন্য আছিল। তেতিয়া দলংখন হোৱা নাছিল। লুইতৰ বুকুৰ দিঙাত উঠি কনমাই কোঁৱৰ মহন বাইদেউ, ৰিতু আৰু মই বাইদেউৰ বুকুতে সোমাই যোৱাদি কুচিমুচিকৈ গৈ শদিয়া পাইছিলোগৈ। শদিয়াৰ বাই-ভনী সকলে আমালৈ অধীৰ অপেক্ষাৰে ৰৈ আছিল। ধূপ-দীপেৰে উৰুলি ধ্বনিৰ মাজত আমাক কাৰ্য্যালয়লৈ আগবঢ়াই নি যি আপ্যায়ন কৰিলে সেইয়া নাপাহৰো। ৰয়িং, কুণ্ডিল নগৰ, বুঢ়াবুঢ়ী থান, পাটৰ হালকে আদি কৰি শদিয়াৰ সকলো ঠাই আমাক বাই-ভনী সকলে দেখুৱালে। ৰয়িঙত বিহুনাম, বিহুনাচৰ যি নান্দনিক মূহুৰ্ত সেইয়া স্মৃতিৰ জোলোঙাত ধৰি ৰাখিছো। পাহাৰত ঠেকা খাই খাই আমাৰ আনন্দবোৰে পাহাৰীয়া নদীখনত মিলি গৈছিল। বাইদেৱে আমাৰ এই আনন্দত ভাগ লৈ উপভোগ কৰিছিল। পিচদিনা মুকলি সভাত তেখেতক শদিয়া শাখাই "জাচিংফা' উপাধি প্ৰদান কৰি উচিত মূল্যায়ন কৰিছিল।

তেখেতৰ ঘৰত বহুদিন অতিথি হৈছো। তেখেতৰ অতিথি আপ্যায়নত সকলো মুগ্ধ হবলগীয়া হয়। লগতে ভিনদেউৰ অমায়িক মৰমীয়াল ব্যৱহাৰে আমাক আপোন কৰি তোলে। ৰাতি আলহী ৰাখিবলৈ অকনো কুণ্ঠাবোধ নকৰে। এবাৰ আমি ড° চাৰু চহৰীয়া নাথ বাইদেউ, দৰ্পনা বৰা নেওগ বাইদেউ, নিলীমা বৰা বাইদেউ আৰু মই চাবুৱালৈ গৈছিলো। আমাৰ এই যাত্ৰাত মৰাণ পাওতে ৰাতি হ'ল। বাইদেউ-ভিনদেৱে কোনো কাৰণতে চাবুৱালৈ ৰাতি যাবলৈ নিদিলে আৰু তেওঁলোকৰ ঘৰত সেইদিনাও অতিথি হ'লো। এনেকুৱা অতিথি আপ্যায়নৰ অনেক উদাহৰণ আছে।

ড° সুখ বৰুৱা বাইদেউ এগৰাকী আধ্যাত্মিক ভাবাপন্ন মহিলা। ঈশ্বৰত বিশ্বাস ৰাখি সকলো ক্ষেত্ৰতে আগবঢ়া দেখিছো। আটোম-টোকাৰীকৈ ঘৰখন, পদূলীমুখৰ পৰা সোমাই গৈয়েই পৰিপাটি মনটোৰ পৰিচয় পোৱা যায়। এনে এগৰাকী সাহসী, অতুৎসাহী, মাতৃ স্বৰূপা মহিলা সমাজৰ আদৰ্শ।

সুখ বাইদেউ অলপ দিনতে অসুষ্ঠ হৈ পৰে। মই প্ৰায়ে ফোনত কথা পাতো। খবৰ লওঁ বাইদেউৱে অৰশ্যে যেন কিবা এটা ইঙ্গিত দিয়ে। চেন্নাইত চিকিৎসা কৰি থাকোতেওঁ ফোন কৰিছো। সকলো ঠিক থকাৰ মাজতেই খেলি-মেলিখন হৈ গ'ল। ইমান শক্তিশালী মানুহ গৰাকী বৰ খৰ

খেদাকৈ যাব বুলি ভৰাই নাছিলো। গভীৰ দুখে বুকুখন হেঁচামাৰি ধৰিছে। ইংৰাজী ৩ চেপ্তেম্বৰ ২০২৩ তাৰিখে শিৱসাগৰ শাখা লেঃ সঃ সমিতিৰ আমন্ত্ৰণ ক্ৰমে প্ৰধান সম্পাদিকা মনোমতী কুৰ্ম্মী আৰু মই লগত সতীৰ্থ সকলক লৈ গৈছিলো। পিছে গৈয়েই দিপালী দত্ত বাইদেউৱে মোৰ কান্ধত ঢলি পৰি দুখৰ সংবাদটো দিয়াত হতভম্ব হ'লো। কি কৰো উত্তৰাদিহ নাপালো। জ্যেষ্ঠ সকললৈ ফোন কৰিলো। লগে লগে আমি সুখ বাইদেউলৈ শ্ৰদ্ধা জনই সভা স্থগিত কৰি শ্ৰদ্ধাঞ্জলী অনুষ্ঠান অনুষ্ঠিত কৰিলো। বন্তি প্ৰজ্বলন, প্ৰাৰ্থনা আৰু বাইদেউৰ বিষয়ে সকলোৱে স্মৃতিচাৰণ কৰিলে। ড° নগেন শইকীয়াদেৱেও গভীৰ শোকবাৰ্ত্তা পঠালে। মৃত্যুৰ শীতল কোলাত থকা সময়তো বাইদেউৰ সৌভাগ্য। শতাধিক মহিলাৰ সমাবেশে বাইদেউলৈ গভীৰ শ্ৰদ্ধা জনোৱা হ'ল। অনেক স্মৃতিয়ে আজি অগাদেৰা কৰিছে। আচলতে অতি মৰম স্নেহৰ মাজত থকা স্বামী-স্ত্ৰীৰ এজনৰ অবিহনে আনজনৰ বৰ কষ্ট হয়। সেয়ে আজি ভিনদেউৰ কথাও ভাবিছো। বহুত দুখ লাগিছে বুজাই ক'ব নোৱাৰো। বাইদেউৰ আত্মাৰ সদ্গতিৰ কামনা কৰিলো। শোকসন্তপ্ত পৰিয়াল বৰ্গলৈ সমবেদনা জনালোঁ।○

---

# সানিধ্যৰ সোঁৱৰণ

**— কনক গগৈ**

সিদিনা ৩ ছেপ্তেম্বৰ তাৰিখে মৰাণৰ জ্যেষ্ঠ সাংবাদিক যদুনাথ পুৰীয়ে ক'লে যে ড° সুখ বৰুৱা বাইদেউ আৰু নাই। কথাষাৰ শুনিয়ে মৰ্মাহত হৈ পৰিলো। দৌৰা-দৌৰিকৈ দোকানখন বন্ধ কৰি বাইদেউৰ ঘৰলৈ ৰাওনা হ'লো। মিনিটতে খবৰটো বিয়পি পৰাৰ লগে লগে ওচৰ-চুবুৰীয়াৰ লগতে গণ্য-মান্য ব্যক্তিৰে নধৰা হৈ পৰিল। মৃত্যুৰ আগদিনা বৰপুত্ৰ ধন দাই অইল ইণ্ডিয়া লিমিটেড, দুলীয়াজনৰ চিকিৎসালয়ত সুস্থ হৈ নিজা ঘৰলৈ আনিছিল। ২ চেপ্তেম্বৰৰ নিশা ৭.৩০ বজাত বিশেষ কাৰণত ধন দাই মাতি পঠোৱাত মই গৈ বাইদেউক চাই যাওঁ বুলি ভাবিছিলো। তেতিয়া বাইদেউ শুই আছে বুলি কোৱাত বাইদেউক আৰু সুস্থ শৰীৰত দেখা নাপালো। ২ চেপ্তেম্বৰৰ পুৱা ১১ বজাত বাইদেউৰ মৃত্যুৰ খবৰ শুনিবলৈ পালো। ভবা নাছিলো যে বাইদেউ হঠাৎ এনেকৈ যাবগৈ বুলি।

আমি জানো, মৃত্যু জীৱনৰ চিৰন্তন সত্য। ইয়াক কোনেও ৰোধিব নোৱাৰে। জন্ম হ'লে মৃত্যু অনিবাৰ্য বুলি জানিও আমাক মৃত্যুৰ খবৰে মৰ্মাহত কৰি তোলে, শোকত ভাগি পৰো যদিও মৃত্যু অৱধাৰিত প্ৰক্ৰিয়া। অশ্ৰুসিক্ত নয়নেৰে, গভীৰ বেদনাৰে আমি বিদায় দিওঁ। সিদিনা বাইদেউৰ মৃত্যুত আমি তেখেতৰ আত্মাৰ চিৰশান্তি কামনা কৰি পৰিয়াল তথা আত্মীয় কুটুম্বলৈ সমবেদনা জনালো।

আদ্যশ্ৰাদ্ধৰ আজি প্ৰবিত্ৰ ক্ষণত ভগৱানক প্ৰাৰ্থনা জনাইছো যে— তেওঁ য'তেই আছে তাতেই সুখেৰে থাকক। তেওঁৰ আত্মাই চিৰশান্তি লাভ কৰক।●

# অতুলনীয় ব্যক্তিত্ব অধিকাৰী ড° সুখ বৰুৱা

**মনোমতী কুৰ্ম্মী**

জন্ম আৰু মৃত্যু চিৰ সত্য, চিৰ শ্বাশ্বত। গীতত কৈছে মানুহ জন্ম হ'লে তাৰ মৃত্যু অনিবাৰ্য্য। মৃত্যু হ'বই। তথাপিও হৃদয়ৰ আপোজনৰ মৃত্যুত সহ্য কৰিবলৈ কঠিন হৈ পৰে। কিন্তু নিয়তিৰ নিষ্ঠুৰ আহ্বান মানিবলগীয়া হয়।

সিদিনাত ৩ ছেপ্তেম্বৰ। আমি শিৱসাগৰ শাখা লেখিকা সমাৰোহ সমিতিৰ এটি বিশেষ আলোচনা সভাত উপস্থিত হৈছিলো আৰু তেতিয়া সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ উপ-সভানেত্ৰী দীপালী দত্ত শইকীয়াৰ কাণত ম'বাইল ফোন আৰু চকুত পানী। কান্দি কান্দি ওলাই আহিছে আৰু আমাক জনাইছে এই নিষ্ঠুৰ শব্দটো সুখ বাইদেউ আৰু নাই। আমি সকলোৰে শিল পৰা কপৌৰ দৰে থৰ লাগি গৈছিলো আৰু তাতেই অসমৰ বহু বাই ভনী মিলি বাইদেউৰ আত্মাৰ চিৰ শান্তিৰ বাবে এগছি বন্তি সহ শ্ৰদ্ধাঞ্জলি অৰ্পন কৰিছিলো।

সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ প্ৰাক্তন সভানেত্ৰী, মৰাণ মহি মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক আৰু প্ৰাক্তন অধ্যক্ষা চন্দ্ৰপ্ৰভা শইকীয়ানী বঁটা প্ৰাপক সাহিত্যিক পেন্সনাৰ, অসম মহিলা কবি মঞ্চল জন্মদাত্ৰী ড০ সুখ বৰুৱাৰ অবৰ্তমানত সকলোৰে যেন মাতৃহাৰা হৈ পৰিল। আমি সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ মজিয়াত লগ পাইছিলো কিন্তু তেখেত যেন আমাৰ ইহ জন্ম পৰজন্মৰ আপোন মানুহ আমি তেনেকৈহে অনুভৱ কৰিছিলোঁ। অদম্য সাহস আৰু বলিষ্ঠ নেতৃত্ব লেখিকা সমাৰোহ সমিতিৰ দিক্‌দৰ্শন কৰিছিল। সকলোকে সমান দৃষ্টিৰে চোৱা আৰু মৰম চেনেহৰ মাজেদি অনুষ্ঠানটিক আগুৱাই লৈ যোৱা বাবে সকলো সদস্যাই আত্মীয়তাৰে কাম কৰি গৈছিল।

নাৰী সবলীকৰণ উদ্দেশ্য হাতত ৰাখি মৰাণ আঞ্চলিক মহিলা মঞ্চ আৰু সংঘমিত্ৰাৰ প্ৰতিষ্ঠাপক মুখ্য সম্পাদিকা বাইদেউৰে বহু মহিলাৰ আত্মবিশ্বাস আৰু সংস্থাপনৰ ব্যৱস্থা কৰিছিল। নিজে এখন চৰকাৰী বিদ্যালয়ত শিক্ষয়িত্ৰী হিচাপে কৰ্মৰত অৱস্থাত বেতন লাভ কৰা চাকৰি বাদ দি মৰাণ মহিলা মহাবিদ্যালয় স্থাপন কৰি গোটেই কাৰ্যকাল বেতনহীনভাৱে সেৱা আগবঢ়াই নাৰীৰ উচ্চ শিক্ষাৰ অনুষ্ঠানত বহু শিক্ষকৰ সংস্থাপন পথ মুকলি হ'ল।

শিক্ষাবিদ, সুসংগঠিকা, সু-সাহিত্যিক, কবি, বিশিষ্ট নিবন্ধকাৰ, বিৰল ব্যক্তিত্বৰ অধিকাৰী বিভিন্ন উপাধিৰে বিভূষিতা কৰ্মযোগী আমাৰ মাতৃস্বৰূপা ড০ সুখ বৰুৱাৰ কৰ্মৰাজিৰ দক্ষতাত সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ জন্মদাত্ৰী পদ্মশ্ৰী ড০ শীলা বাইদেউৰে সন্তুষ্টি প্ৰকাশ কৰিছিল আৰু তেখেতক বৰ ভাল পাইছিল। ৰত্নগৰ্ভা, মৰাণ কুঁৱৰী, জাচিংফা, কৰ্মযোগী,

প্ৰেৰণাময়ী বহু উপাধিৰে বিভূষিতা ড০ সুখ বৰুৱা মাথো এটি নাম নহয় তেখেত এটি অনুষ্ঠান।

আমি ২০২২-২০২৮ বৰ্ষৰ বাবে সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ প্ৰধান সম্পাদিকাৰ দায়িত্বভাৰ লোৱাৰ পিছত বাইদেউ আৰ্শীবাদ ল'বলৈ যাওঁতে,˙মানুহক সঞ্জীৱনী প্ৰদান কৰা বাইদেউৱে কৈছিল তোমালোকৰ ওপৰত মোৰ সম্পূৰ্ণ বিশ্বাস আৰু ভালকৈ কাম কৰিবা। আমি জ্যেষ্ঠজনৰ পৰা সদায় এইখিনিয়েই বিচাৰো।

গল্প, কবিতা আৰু প্ৰবন্ধ তেখেতে সপ্তম শ্ৰেণীত কিশোৰী অৱস্থাতেই আৰম্ভ কৰিছিল। টাই সংস্কৃতিৰ ইতিহাস গৱেষক হিচাপেও গ্ৰন্থ প্ৰণয়ন কৰি সাহিত্য সংস্কৃতিৰ পথাৰখন জীপাল কৰি তুলিছিল। তেখেতৰ সৃষ্টিৰ কথা লিখি শেষ কৰিব পৰা নাযায়।

তেখেতৰ কৰ্মৰাজী, মানৱতাবোধ, সমাজ সেৱা, সাহিত্য জগতৰ সৃষ্টিৰাজি সদায় অমৰ হৈ ৰ'ব। তেখেতে বিধিৰ নিয়মতে যদিও কায়িক ভাৱে আমাৰ পৰা আঁতৰি গ'ল কিন্তু তেখেতে সদায় আমাৰ মাজত আমাৰ অন্তৰত অমৰ হৈ থাকিব। শেষত তেখেতৰ বিদেহ আত্মাৰ চিৰশান্তি আৰু শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ আন্তৰিকতাৰে গভীৰ সমবেদনা জ্ঞাপন কৰিছো। ওঁম শান্তি।●

# সদ্যপ্ৰয়াত ড° সুখ বৰুৱা বাইদেউক সুঁৱৰি...

কৃপাঞ্জলি গগৈ

*"জন্মিলে মৰিব লাগে*
*নীতি এই ধৰা বন্ধা।"*

আমি আজি ইয়াত তেনে এগৰাকী মহান ব্যক্তি তথা সমাজৰ আদৰ্শস্বৰূপা সমাজ সেৱিকা, শিক্ষাব্ৰতী, বিদূষী মহিলা, সুবক্তা, সাংগঠনিক দক্ষতাৰে পৰিপুষ্ট, সু-প্ৰতিষ্ঠিত লেখিকা, সু-সাহসী, উচ্চ শিক্ষিতা, প্ৰচাৰ বিমুখ অথচ অজস্ৰ সন্মান আৰু বঁটা বাহনৰ গৰাকীস্বৰূপা, মানুহৰ প্ৰতি অত্যন্ত আন্তৰিকতাৰ ভাব কঢ়িয়াই লৈ ফুৰা, শিক্ষাবিদ, এগৰাকী গৱেষক, সমালোচক, আৰু বহুতৰে উদগনিৰ উৎস সদ্যপ্ৰয়াত ড° সুখ বৰুৱা বাইদেউৰ কথাকে ইয়াত ক'বলৈ বিচৰা হৈছে।

তেখেতে এফালে লেখা-মেলাৰ যোগেদি সমগ্ৰ অসমৰ বৌদ্ধিক জগতখনত এক স্থায়ী আসন লাভ কৰিবলৈ সক্ষম হৈছিল। গাঁৱে-ভূঞে সাংগঠিকা হিচাপে নাৰীসকলক সংগঠিত কৰিছিল, যিকোনো কাৰ্য আৰু পৰিস্থিতিকে সহজে মোকামিলা কৰিব পাৰিছিল, এফালে শিক্ষয়িত্ৰী হিচাপে নিজৰ কৰ্মক্ষেত্ৰ, অন্যফালে গৃহস্থ শ্ৰদ্ধাৰ বিনন্দ চন্দ্ৰ বৰুৱা চাৰৰ লগতে সন্তানসহ অজস্ৰ আত্মীয়-স্বজন, বন্ধু-বান্ধৱী, সতীৰ্থ তথা সহকৰ্মীৰে পৰিপূৰ্ণ আছিল তেখেতৰ পৰিয়াল পৰিজন।

সদ্যপ্ৰয়াত ড° সুখ বৰুৱা বাইদেউ যেন আছিল প্ৰকৃততে এক নেতৃত্বপূৰ্ণ মা, নাৰী, বহুতৰে পথ প্ৰদৰ্শিকা। যি গৰাকী ব্যক্তিয়ে কেৱল নাৰীৰে নহয়, বহুতৰে পথ প্ৰদৰ্শিকা, মনে প্ৰাণে, হাতে কামে সমাজৰ সকলো শ্ৰেণী মানুহৰ পুৰুষ-মহিলা, ডেকা-গাভৰু, শিশু, ল'ৰা-বুঢ়া, উচ্চ-নীচ, ধনী-দুখীয়াকে ধৰি একেবাৰে নিম্ন আসনত থকা ঝাড়ুৱালী এজনীৰ পৰা সমাজৰ মুধচত অৱতৰণ কৰিবলৈ সক্ষম হোৱা ব্যক্তিলৈকে তেখেতৰ সান্নিধ্য লাভ কৰা প্ৰতিগৰাকী ব্যক্তিয়েই সদ্য প্ৰয়াত ড° সুখ বৰুৱা বাইদেউৰ চকুত সমান আছিল।

সাংগঠনিক দক্ষতাত অতি পটু ড০ সুখ বৰুৱা বাইদেৱে যিকোনো মানুহকে তেখেতৰ সামৰ্থ্যৰ ভিতৰত পাৰিলে প্ৰয়োজন সাপেক্ষে দিহা-পৰামৰ্শ অথবা যিকোনো ধৰণেৰে সহায় আগবঢ়াবলৈ সদায় যত্নপৰ আছিল।

আমাৰ বহুতৰে উদগনিৰ উৎস যে ড০ সুখ বৰুৱা বাইদেৱে আছিল সেয়া আমি অপকটে স্বীকাৰ কৰিছোঁ। ৰক্ষণশীল, অসহিষ্ণু, অন্ধ-কু-সংস্কাৰবোৰে ভাৰাক্ৰান্ত আমাৰ মহিলা সমাজক সংগঠিত কৰি সৰ্বাঙ্গীন উন্নতিৰ বাবে তেখেতৰ যি নিৰলস প্ৰচেষ্টা তথা সচেতন প্ৰয়াস আৰু দায়িত্ববোধ সিয়ে তেখেতৰ উত্তৰসুৰী সকলক নানা প্ৰকাৰে চিৰদিন প্ৰভাৰান্বিত কৰি থাকিবলৈ যে সক্ষম হৈ থাকিব সেইয়া খাটাং

কথা।

এই গৰাকী মানৰ দৰদী, সাংগঠনিক দক্ষতাৰে বিভূষিতা, সাংগঠনিকভাৱে অতি দক্ষ, কোনো অনৈতিক কাৰ্য-কলাপৰ লেখ মাত্ৰাও দাগ নথকা, অৰ্থ কড়িৰ প্ৰতি লোভ অথবা দুৰাকাংক্ষা ৰহিত মৰাণ তথা অসমৰ সমাজ জীৱনক প্ৰগতিশীল চিন্তা-চেতনা আৰু কৰ্মৰে আগবঢ়াই নিয়া আমাৰ স্নেহ আৰু শ্ৰদ্ধাৰ ড° সুখ বৰুৱা বাইদেউৰ এইবোৰ গুণ বা বিশেষত্ব আমি সংগঠনৰ কামত জড়িত হৈ বোধগম্য কৰিব পাৰিছিলো।

জীৱন কালতে নানা গুণেৰে বিভূষিত ড০ সুখ বৰুৱা বাইদেউ মাথোন এগৰাকী ব্যক্তিয়েই হৈ নাথাকি এটি অনুষ্ঠান স্বৰূপ হৈ পৰিছিল সেয়া কাৰো অবিদিত কথা নহয়। সন্তান জন্ম, প্ৰতিপালন, ঘৰ তথা পৰিয়াল পৰিচালনাৰে সমাজৰ এক মুখ্য নিৰ্ণায়ৰ ভূমিকা পালন কৰা, জনসংখ্যাৰ প্ৰায় অৰ্দ্ধেক অংশ অধিকাৰ কৰি থকা মহিলা তথা অন্তেষপুৰ বাসিনীহঁতৰ নানা সমস্যা অথবা সংকট-মোচনৰ বেলিকা ব্যক্তিৰ যুগান্তকাৰী ভূমিকা অথবা উদ্যোগে ব্যক্তিক মহান কৰি তোলে। গান্ধীজীয়ে কৈছিল- এগৰাকী মাতৃ, এহেজাৰ শিক্ষয়িত্ৰীৰ সমতুল্য হয়। এনে বিৰাট বিপুৰ সমস্যাৰে জৰ্জৰিত আমাৰ কন্যা, ভগ্নী, পত্নী, মাতৃহঁতৰ সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত তেনে ব্যক্তিৰ দক্ষতা, নিপুণতা আৰু ক্ষিপ্ৰতাই ইতিহাসত পালন কৰে এক নিৰ্ণায়ৰ ভূমিকা। বাইদেৱে তেনে অন্তেষপুৰ বাসিনীস্বৰূপা মহিলাসকলৰ প্ৰতিটো সমস্যা, প্ৰতিটো বিপদ নিজৰ সমস্যাৰূপে ভাবিবলৈ সক্ষম আৰু সমৰ্থৱান হৈছিল। তেনে সমস্যা-সংকট মোচনৰ উদ্দেশ্যেই তেওঁৰ জীৱন উৎসৰ্গিত আছিল। মহিলাসকলক আগবঢ়াই নিয়াৰ সদিচ্ছা, সততা, সহযোগিতা, সহিষ্ণুতা সহমতৰ জৰিয়তে সম্পাদন কৰা বাইদেউৰ ব্যক্তিগত তথা সামাজিক ক্ৰিয়া কৰ্মই আছিল বাইদেউৰ সৃষ্টিৰ মুখ্য সোপান। সমাজৰ প্ৰয়োজনৰ স্বাৰ্থতেই সুখ বাইদেৱে নিজসত্বাক সমাজোপযোগী মানৱোপমৰূপে গঢ়ি তুলিছিল অতি সচেতনভাৱে আৰু যত্নসহকাৰে। বাইদেউৰ চিন্তা, আদৰ্শ আৰু কৰ্মৰাজীয়েই নাৰীসমাজক, কন্যাসন্তান হকে সবাঙ্গীণ উন্নতিৰ পথত আগুৱাই নি নিজকে মানুহ হিচাপে প্ৰতিষ্ঠা কৰাত ব্যাপকভাৱে প্ৰভাৱ বিস্তাৰ কৰিছিল বা মুখ্য ভূমিকা লৈছিল। বাইদেউৰ অন্য অন্য সৃষ্টিধৰ্মিতা আৰু কাম-কাজৰ লগতে মৰাণ মহিলা মহাবিদ্যালয় প্ৰতিষ্ঠাৰ যোগেদি শিৱসাগৰ আৰু ডিব্ৰুগড় এই দুয়োখন জিলাৰ সীমামূৰীয়া এটা অঞ্চল মৰাণ অঞ্চলত ওচৰ-চুবুৰীয়া অঞ্চলসমূহৰ কন্যা সন্তানসকলেও কলেজীয়া শিক্ষা ল'ব পৰাকৈ নাৰীক সু-শিক্ষিতা কৰি তোলাৰ লগতে নাৰীৰ বৌদ্ধিক জাগৰণৰ প্ৰচেষ্টা কল্লেই-বাইদেউৰ অলক্ষিতে মৰাণৰ ইতিহাসত অসম তথা মানৰ ইতিহাসত ড° সুখ বৰুৱা বাইদেউক 'মহান' তথা এগৰাকী 'মহিয়ষী' হিচাপে প্ৰতিষ্ঠা কৰিলে।

সঁচায়ে বিৰামহীন কৰ্মযোগী, তেজস্বনী, ক্লান্তিবিহীন আছিল বাইদেউ। এই দুৰদৰ্শী, সৃষ্টিশীল, প্ৰগতিবাদী, অধ্যৱসায়ী মানুহগৰাকীৰ মনৰ দৃঢ়তাক অভিবাদন জনাই চেল্যুট জনালো।

আদ্যশ্ৰাদ্ধৰ এই পবিত্ৰ ক্ষণত ড০ সুখ বৰুৱা বাইদেউৰ প্ৰতি আমাৰ গভীৰ শ্ৰদ্ধ নিবেদিছো। পৰমপিতাই তেখেতৰ আত্মাক পৰম শান্তি প্ৰদান কৰক। এয়ে ভগৱানৰ ওচৰত কাতৰ প্ৰাৰ্থনা কৰিছো।

বাইদেৱে সৃষ্টিৰ মন্ত্ৰেৰে দি গঢ়ি থৈ

যোৱা সেন্দুৰীয়া আলিয়েদি আমাৰ মহিলা মঞ্চ বা সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ প্ৰতিগৰাকী মহিলাই হাতৰ ন ন শস্যৰ বীজ ছটিয়াই শস্য-শ্যামলা কৰি আমাক ড° সুখ বৰুৱা বাইদেৱে চহাই থৈ যোৱা শইচ পথাৰখন সকলোৱে চালে চকুৰোৱা, নদন-বদন কৰি বৈ বৈ যোৱা কৰি তোলাৰ সংকল্প লওঁ আহক। সেয়াহে হয়তু ড° সুখ বৰুৱা বাইদেউৰ প্ৰতি আমাৰ মহিলা সমাৰোহৰ প্ৰতিগৰাকী মহিলা কৰ্মী/সদস্যাৰ প্ৰকৃত শ্ৰদ্ধাঞ্জলি নিবেদন হ'ব।

"ড° সুখ বৰুৱা বাইদেউ জিন্দাবাদ"
"ঔমঃ শান্তি" ●

---

# শ্ৰদ্ধাৰে এনাইলৈ ...

**পৰিস্মীতা গগৈ (নাতিনী)**

২০০৭ চনৰ কথা। উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ ফলাফল ঘোষণাৰ পাছত আমাৰ ঘৰলৈ এটা ফোন ক'ল আহিল। ফোনৰ সিপাৰে এটা পৰিচিত দৃঢ় কণ্ঠ, "মাধন, তোৰ ছোৱালী মোৰ মহাবিদ্যালয়ত পঢ়িব লাগিব"। তেওঁৰ কথা শিলৰ ৰেখা, গতিকে মই স্নাতক ডিগ্ৰীৰ বাবে তেওঁ গঢ়ি তোলা পোহৰৰ পৃথিৱীত খোজ থ'লোঁ। এনাইদেউ ৰূপত জানি অহা মানুহগৰাকীক অধ্যক্ষা, লেখিকা, নেত্ৰী আদি বিভিন্ন শক্তিশালী ৰূপত নতুনকৈ পালোঁ। তেওঁৰ সম্পৰ্কৰ পৰিচয়েৰেই বহুতৰ বাবে মৰাণত নাতিনী হ'লো। মোৰ সৌভাগ্য যে মই এনে এগৰাকী মহিয়সী নাৰীৰ ছত্ৰছায়াত জীৱনৰ এছোৱা সময় জীবলৈ পালোঁ। তেওঁলৈ থকা অপাৰ শ্ৰদ্ধা, সীমাহীন সমীহৰ বাবে বহুসময়ত তেওঁ বিচাৰোঁতেও তেওঁৰ কাষ চাপিব নোৱাৰিছিলোঁ যদিও হৃদয়েৰে তেওঁক আৰাধনা কৰিছিলোঁ।

এনাই, আপুনি আমাৰ বাবে যিখিনি দায়িত্ব ল'লে সেয়া মাথো আজীৱন কৃতজ্ঞতাৰে সুঁৱৰিবহে পাৰিম। আপোনাক বুকুত কঢ়িয়াই লৈ আপুনি দেখাই যোৱা বাটেৰে গৈ থাকিম। আপোনাৰ আশীৰ্বাদ বিচাৰি আঁজলি পাতি বৈ থাকিম। আপুনি ইতিহাসৰ এক শক্তিশালী পৃষ্ঠা। আপোনাৰ কায়িক মৃত্যুক মানি লৈছোঁ কাৰণ আপোনাৰ কেতিয়াও মৃত্যু নাই। ●

# ড° সুখ বৰুৱা সোঁৱৰণত শ্ৰদ্ধাঞ্জলি

**ৰাণু গগৈ, দিপালী চুতীয়া ফুকন**
**বীণা বৰগোহাঁই কোঁৱৰ, নীলাক্ষী বৰুৱা**

সংযোগে আমাৰ মনলৈ আনন্দৰ বতৰা আনে। বিয়োগত দুখৰ কৰুণ বিননি। তেনে এটা হৃদয় বিদাৰক বাতৰি পুৱা ১১-০০ বজাত ৩ ছেপ্তেম্বৰ, দেওবাৰে শুনিবলৈ পালোঁ। চৰাইদেউ জিলাৰ মৰাণৰ উষাপুৰ নিবাসী ড° সুখ বৰুৱা এই সংসাৰৰ পৰা চিৰ বিদায় ল'লে। সকলো যেন স্তব্ধ হৈ ৰ'ল। মৃত্যু এক চিৰন্তন সত্য, মাত্ৰ সাতসত্তৰ বছৰ বয়সতে বহু গুণেৰে বিভূষিত এই মহীয়সী মহিলাগৰাকী পঞ্চভূতত বিলীন হৈ গ'ল। আমি তেখেতৰ স্বৰ্গগত আত্মাৰ সদ্‌গতি কামনা কৰিছোঁ।

ড° সুখ বৰুৱা বাইদেউৰ নতুনকৈ পৰিচয়ৰ পাতনি মেলাৰ প্ৰয়োজনন বোধ কৰা নাই। যাৰ নামটোত লুকাই আছে সমগ্ৰ জীৱন পৰিক্ৰমাৰ সংগ্ৰামৰ এক জীয়া ছৱি। শিৱসাগৰ জিলাৰ বেতবাৰী গাঁৱত জন্ম লাভ কৰা সুখ বৰুৱা আছিল বোকাৰ মাজত ফুলি থকা এপাহি পদুম। এই গৰাকী নাৰীয়ে সদায় চিন্তা কৰিছিল নাৰীৰ উন্নতিৰ কথা। পুৰুষৰ সমানে নাৰীয়েও সমান মৰ্য্যদাৰে প্ৰতিটো দিশতে আগবাঢ়ি যাওঁক। ৰন্ধন শালাৰ চাৰিবেৰৰ মাজত আৱদ্ধ নাৰীয়েও প্ৰতিভা বিকাশৰ বাবে এখন মঞ্চ লাভ কৰিব লাগিব, এনে বহু কথাই মানুহ গৰাকীক অহৰহ আমনি কৰিলে। নাৰীৰ অধিকাৰ আৰু প্ৰগতি মূলমন্ত্ৰৰূপে সাৱোগত কৰি সমুখৰ পৰাই নাৰীৰ হকে নেতৃত্ব আগবঢ়াইছিল। বাইদেৱে কৈছিল, মানুহক কোনো এটা কাম কৰিবলৈ সময় এক অজুহাত হ'ব নোৱাৰে, মনৰ হেঁপাহ আৰু কাম কৰাৰ তাড়না থাকিলে সকলো অসম্ভৱ কাম সম্ভৱ হ'ব পাৰে। মহিলাই ইচ্ছা কৰিলে ৰান্ধনিশালত হেতা ঘূৰাই থাকোতেও সৃষ্টিৰ কথা ভাবিব পাৰে।

দেশ এখন বা এটা জাতিক উন্নতিৰ পথত আগবঢ়াই নিয়াত নাৰী আৰু পুৰুষৰ অৱদান নুই কৰিব নোৱাৰি। আজিৰ সময়ত নাৰীয়ে কৰিব নোৱাৰা একো কাম নাই। পুৰণি শাস্ত্ৰৰ গাৰ্গী আৰু মৈত্ৰী নামৰ দুটি চৰিত্ৰৰ দৰে অনেক নাৰী আমাৰ বিদিত।

নাৰী সমাজৰ হকে ড° সুখ বৰুৱাৰ অৱদান অতুলনীয়। বিদ্যালয়, মৰাণ মহিলা মহাবিদ্যালয়, সংঘমিত্ৰা নাৰী মঞ্চ, সংঘমিত্ৰা জাতীয় বিদ্যালয় আদি বহুতো সামাজিক অনুষ্ঠান গঢ়ি থৈ গৈছে। এই বিদ্যালয়, মহাবিদ্যালয় প্ৰতিষ্ঠা কৰি অধ্যক্ষাৰ দায়িত্ব পালনেৰে শৈক্ষিক ক্ষেত্ৰখনলৈ অৱদান আগবঢ়াই নাৰী শিক্ষাৰ বাটকটীয়াৰূপে পৰিচয় দি থৈ গৈছে।

ড° সুখ বৰুৱাৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰিছো আৰু শ্ৰীযুত বিনন্দ বৰুৱা ছাৰৰ লগতে শোকসন্তপ্ত পৰিয়াবৰ্গলৈ সমবেদনা জনাইছোঁ। ●

# একাঁজল আশ্ৰুঅঞ্জলি

**ফুল বুঢ়াগোহাঁই চাংমাই**

*"মৃত্যু মানেই নিৰৱতা*
*মৃত্যুৱেই লৈ যায় হাঁহিবোৰ*
*দি যায় আপোনজনৰ বুকুত*
*মাথো স্মৃতি আৰু শূণ্যতা।"*

বাইদেউৰ অসুখ বুলি শুনি দুবাৰ চাবলৈ গ'লো। দ্বিতীয়বাৰ চাই আহি মনটো বহু দুখ লাগিল। ভবাই নাছিলো ইমান সোনকালে বাইদেউ আমাৰ মাজৰ পৰা যাবগৈ বুলি। সেয়ে দুঃখৰ খবৰটো শুনি ৰব নোৱাৰিলো। পিছদিনা সাত বজাত বাইদেউক এবাৰ চৰণ চুই সেৱা জনাম বুলি গাড়ীখন চলাবলৈ ভতিজাটোক মাতি ওলাই গ'লো। বিছনাত শুইহে আছে যেন এনে লাগিল। দুভৰি চুই সেৱা জনাই দুচকুৰ পানী বোৱাই ফুল ধূপ আৰু গামোছা দি শ্ৰদ্ধাঞ্জলি জনালোঁ। ভাষাৰে বুজাব নোৱাৰো। মোৰ চাকৰি প্ৰথম বাৰ বছৰত বিনা দৰমমহাৰে দুখ যন্ত্ৰনাত কটোৱা সময়ত বাইদেউৱে বহুত সহায় সহানুভূতিৰে কৰ্তব্য কৰি যাবলৈ প্ৰেৰণা যোগাইছিল। ১৯৭৪ চনৰ পৰা বাইদেউক নিজৰ বাই-ভনী মাজৰ মৰম স্নেহৰ বান্ধোনত আৱৰি এতিয়া জীৱনৰ আবেলি পৰত আৰু প্ৰয়োজন অনুভৱ কৰিছিলো। তেখেতৰ অনুপ্ৰেৰণাতে সাতখন গ্ৰন্থ প্ৰকাশ কৰিবলৈ সমৰ্থ হৈছিলো। এতিয়া বৰ শূণ্যতা অনুভৱ কৰিছোঁ।

১৯৬৫ চনত বাইদেউক জয়সাগৰ কলেজত লগ পাইছিলো। হোষ্টেলত থাকোতে বাইদেউক প্ৰায়ে পঢ়া টেবুলতে ব্যস্ত থকা গম পাইছিলো। বাহিৰত বৰকৈ নোলায়। তেতিয়াৰ পৰা আমাৰ চিনাকী জৰীডাল আটিলহৈ আছিল শেষৰলৈকে। দুখ এইখিনিতে আমাৰ ল'ৰা-ছোৱালী ক্ষেত্ৰটো বাইদেউৰ সহানুভূতি কম নাছিল।

বাইদেউ, আপুনি অনন্য। আপুনি প্ৰেৰণাময়ী, অতুলনীয় ব্যক্তিত্বসম্পন্ন এগৰাকী মহীয়ষী নাৰী, আপোনাৰ ত্যাগ, আত্মবিশ্বাস, দূৰদৃষ্টি, কষ্ঠ সহিষ্ণুতা গুণৰ স্বীকৃতি নাৰী শিক্ষাৰ অপূৰ্ব্ব অনুষ্ঠানটি 'মৰাণ মহিলা মহাবিদ্যালয়।" আই সৰস্বতীৰ নামত যি গছি বন্তি জ্বলালা সেই বন্তি জ্বলি থাকিব অক্ষয় হৈ আৰু আপুনিও উজ্জ্বল নক্ষত্ৰৰ দৰে অসমীৰ বুকুত জিলিকি থাকিব। আপোনাৰ কৰ্মপ্ৰেৰণা, একনিষ্ঠতাৰ পৰিধি তুলনাহীন। বিভিন্ন সভা সমিতিৰ নিমন্ত্ৰণ ৰক্ষা কৰিও সাহিত্য ক্ষেত্ৰখনলৈ যি অৱদান দি গ'ল অনাগত দিনত সকলোৰে প্ৰেৰণাৰ উৎস হৈ পৰিব। যি মহৎ উদ্দেশ্য বুকুত বান্ধি কৰ্ম কৰিলে তাৰেই যশ, মান, খ্যাতি অনন্ত কাললৈ জ্যোতিষ্মানহৈ থাকিব।

আজি আমি সমাজ প্ৰিয়, মৰমীয়াল এগৰাকী বাইদেউক হেৰুৱালেও কোনোদিনে তেখেতৰ গুণবিলাক কেতিয়াও পাহৰিব নোৱাৰো। তেখেতৰ মধুৰ স্মৃতি আমাৰ হৃদয়ত জাগ্ৰত হৈ থাকিব। সিপাৰৰ অজান দেশত সুখেৰে থাকক। পৰমপিতা পৰমেশ্বৰ ওচৰত আশিস ভিক্ষা মাগিছো যাতে স্বৰ্গগত আত্মাই শান্তি লাভ কৰে। পুনৰ একাজঁলি শ্ৰদ্ধাঞ্জলি যাঁচিছো।●

# একাঁজল আশ্ৰুঅঞ্জলি

**অমিয়া ফুকন**

জন্ম মৃত্যু এক চিৰন্তন সত্য। জন্মিলে মৃত্যু অৱধাৰিত। জীৱনৰ অনিকাৰ্য পৰিণতি হ'ল মৃত্যু। সেই চিৰসত্যকে প্ৰমাণিত কৰি আমাৰ সকলোৰে পৰম শ্ৰদ্ধাৰ অতি চেনেহৰ ড০ সুখ বৰুৱা আমাৰ সকলোকে কন্দুৱাই মৰ্মাহত কৰি অনন্তধামলৈ গ'লগৈ। বিশ্বাস নহ'লেও মানি ল'ব লগা হৈছিল সেই চিৰ বেদনাদায়ক খবৰটো। কেইদিনমান আগতে দুয়োৰে মাজত সপোনতে দেখা হৈছিল যদিও দুৰ্ভাগ্য বশতঃ তেখেতক শেষবাৰ লগ কৰিব নোৱাৰি বেদনা আৰু বাইদেউ শব্দটোৱে বুকুৰ কোনোবা খিনিত মাজে মাজে বৰকৈ আমনি কৰে। মাজে সময়ে আদান-প্ৰদান আৰু বহুত কথাই হৈছিল আমাৰ মাজত। এতিয়া প্ৰকাশ কৰাৰ ভাষাই বিচৰি নাপাও দেখুন।

১৯৯২ চনতে মৰাণ মাজমজিয়াত জন্ম লাভ কৰা দুটা বৃহৎ অনুষ্ঠান হ'ল - (১) মৰাণ মহিলা মহাবিদ্যালয় (৮ জুলাই ১৯৯২); (২) মৰাণ আঞ্চলিক মহিলা মঞ্চ সংঘমিত্ৰা (৮ নৱেম্বৰ ১৯৯২) । এই দুটা অনুষ্ঠানৰ জন্মদাত্ৰী মাতৃ আছিল ড০ সুখ বৰুৱা।

সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ প্ৰাক্তন সভানেত্ৰী ড° সুখ বৰুৱাৰ কুমলীয়া মনতেই অঙ্কুৰিত হৈছিল এখন আদৰ্শমান শিক্ষিত নতুন সমাজ গঢ়াৰ তেখেতে অনুভৱ কৰিছিল নাৰীয়েই জাতীয় জীৱনৰ ভেটি স্বৰূপ। তেখেতৰ জীৱনৰ লক্ষ্য আছিল নাৰী সংগঠন, নাৰী শিক্ষা সম্প্ৰসাৰণ, সমাজ সেৱা আৰু সমাজ উন্নয়ন। ব্যক্তিত্বৰ সুঁৱৰিবলৈ হ'লে তেখেত এগৰাকী মহিমাময়ী, দয়াশীলা, বিশিষ্টা সমাজ সেৱিকা, বিশিষ্টা শিক্ষাবিদ, নিৰ্ভীক সাহসী শিক্ষানুৰাগী, কৰ্ম অনুৰাগী, নাৰীবাদী, চিন্তাশীল, বুদ্ধিমতী, আদৰ্শ মাতৃ আৰু আদৰ্শ গৃহিনী। তেখেতৰ গাৰ্ম্ভীয্যৰ সৰলতা। নিয়মানুবৰ্ত্তিতা, সহিষ্ণুতা আৰু অনাড়ম্বৰ বেশভূষাৰে আলোড়িত কৰি থৈ যোৱা এগৰাকী বিদ্বান আৰু দৰদী অন্তৰৰ মহিলা হ'ল সুখ বৰুৱা। যাৰ নাম মনলৈ আহিলে কণ কণ শিশুৰ পৰা বয়সস্থ ব্যক্তিলৈকে সকলো শ্ৰেণীৰ মানুহৰ শ্ৰদ্ধাৰে মূৰ দো খায়। আজীৱন সমাজৰ হ'কে নিজকে ত্যাগ কৰি মৃত্যু পৰ্য্যন্ত দেখুৱাই গ'ল তেখেতৰ সীমাহীন অৱদান। ৰত্নৰ্গভা, মৰাণ কুঁৱৰী, বোকাৰ পদুম আৰু বহু সন্মানীয় উপাধিৰে ড০ সুখ বৰুৱা অসমৰ জন মানসত অমৰ হৈ থাকিল।

এজন দেৱতুল্য স্বামীৰ সৈতে পো-বোৱাৰী, জী-জোঁৱাই, নাতি-নাতিনীৰে ভৰা এখন সুখী সংসাৰ এৰি থৈ যোৱা ড° সুখ বৰুৱাৰ আজি পবিত্ৰ আদ্য শ্ৰাদ্ধৰ দিনা তেখেতলৈ যাঁচিছো অশ্ৰুঅঞ্জলিৰে ভৰা শত শত শ্ৰদ্ধাঞ্জলি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছো তেখেত য'তেই আছে তেখেতৰ পূণ্যাত্মাই যেন চিৰদিন চিৰকাল চিৰ শান্তিত থাকে। লগতে শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছো আৰু এৰি থৈ যোৱা পৰিয়ালটিলৈ যেন সৰগৰ পৰা তেখেতৰ আশিস প্ৰকাশিত হৈ থাকে।●

# ড° সুখ বাইদেউৰ সামাজিক জীৱনৰ সান্নিধ্য সুবাস

**দেৱযানী সন্দিকৈ গগৈ**

এই বিনন্দীয়া পৃথিৱীখনত মানুহৰ জন্ম মৃত্যু এটা ধাৰাবাহিক প্ৰক্ৰিয়া। এই জন্ম, মৃত্যু অহা যোৱা গতিধাৰা নিৰৱচ্ছিন্নভাৱে চলি আছে আৰু চলি থাকিব। তথাপিও আমাৰ শ্ৰদ্ধাৰ ড০ সুখ বাইদেউৰ অকাল বিয়োগত আমি ব্যক্তিগতভাৱে মৰ্ম্মাহত হৈছো। অকল মইয়ে নহয় সমূহ মৰাণবাসী তথা ৰাজ্যখনৰ অপুৰণীয় ক্ষতি হ'ল। সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সমূহ সদস্যা মাতৃহীনা হ'ল। আমি তেখেতৰ জীৱন পৰিক্ৰমাত যিমানবোৰ কৰ্মদক্ষতা দেখিবলৈ পাইছো মোৰ সীমিত জ্ঞান-বুদ্ধিৰে হয়তো সকলো দিশ সামৰি লিখা সম্ভৱ নহ'ব। সমাজ সেৱাকে জীৱনৰ ব্ৰত হিচাবে আত্মনিযোগদ কৰা বাইদেউ জীৱন দৰ্শন আমাৰ বাবে আদৰ্শস্বৰূপ। বাইদেউ সান্নিধ্য লাভ কৰা পাছৰ পৰা তেখেতৰ বিশাল ব্যক্তিত্বই মোক অনুপ্ৰাণিত কৰিছিল। তেখেতৰ সৃষ্টিশীল মানসিকতা, মমতা, সততা, ত্যাগ, উদ্যম, কৰ্ম্মপ্ৰেৰণা, সাহস বিদগ্ধ ব্যক্তিত্বই প্ৰতিভা ক্ষেত্ৰত অকল মোকেই নহয়, আমাৰ প্ৰত্যেক গৰাকী মহিলাকে অনুপ্ৰাণিত কৰিছিল। তেখেতৰ স্বভাৱজাত মাতৃসুলভ, মৰমস্নেহ, উদাৰ মানসিকতা, স্পষ্টবাদিতা, তেখেতৰ বাকশক্তি অতি শক্তিশালী। যাৰ প্ৰভাৱত বহুদূৰ আগুৱাই যাব পৰা পথ প্ৰশস্ত হয়। যি শক্তিৰে এটা জাতি, এখন সমাজ আগুৱাই সোনালী দিনৰ সপোনত পৰিণত কৰিব পাৰে।

তেখেত আজি আমাৰ মাজত সুশৰীৰে নাথাকিলেও তেখেতৰ আদৰ্শ আৰু কৰ্ম্মৰাজি সদায় সজীৱ কৰি ৰাখিব লাগিব। শেষত তেখেতৰ বিদেহী আত্মাৰ সদগতি কামনা কৰি প্ৰভুৰ চৰণত প্ৰাৰ্থনা জনালোঁ।

*আমি য'ত জীৱ তোমাৰ পালন হৰি হৰি হৰি হৰি এ*
*তুমিসে পালিয়া ফুৰা হুয়া অন্তৰ্য্যামী।*
*আৰে যেৰে নিজভৃত্য বুলি পালা হৰি হৰি হৰি হৰি এ*
*তোৰসে কৃপাল কৃতকৃত্য হওঁো আমি।।*
*।।নামঘোষা।।*●

# সুখ আপালৈ শ্ৰদ্ধাৰ্ঘ

**সুস্মিতা চেতিয়া**
ভতিজী

মৃত্যু অনিবাৰ্য বুলি জানিলেও আপোনজনৰ চিৰবিদায় অসহনীয় আৰু যদিহে সেই আপোনজন জীৱিতকালত সমাজৰো এজন হিতকাৰী ব্যক্তি আছিল তেন্তে তেওঁৰ অবৰ্তমান পৰিয়ালৰ লগতে সমাজৰ বাবেও ক্ষতি বুলি পৰিগণিত হয়।

ড০ সুখ বৰুৱা মোৰ দেউতা শ্ৰীযুত দন্দেশ্বৰ চেতিয়াৰ সৰুগৰাকী বাইদেউ অৰ্থাৎ মোৰ আপাদেউ। শিৱসাগৰ জিলাৰ বেতবাৰীৰ সুযোগ্যা কন্যা তেখেতে আমাৰ সমাজখনৰ বাবে বিশেষকৈ মৰাণ ঠাইখনিৰ উন্নতিৰ হকে কি কৰিছিল সেয়া সকলোৰে জানে। নাৰী শিক্ষা আৰু সৱলীকৰণৰ বাবে মৰাণ মহিলা মহাবিদ্যালয় প্ৰতিষ্ঠা কৰা আমাৰ আপাই হেনো গাভৰুকালতে বেতবাৰীত স্কুল প্ৰতিষ্ঠাৰ বাবে নিজে আগভাগ লৈ বাঁহ পৰ্যন্ত কাটিছিল। যি মূলা বাঢ়ে তাৰ দুপাততে চিন হোৱাৰ দৰে এগৰাকী প্ৰকৃত সমাজকৰ্মী হোৱাৰ সকলো লক্ষণ তেওঁৰ গাত সেই তেতিয়াই দেখা গৈছিল। সমাজকৰ্মী হোৱাৰ উপৰিও তেওঁৰ আছিল প্ৰবল সাহিত্যস্পৃহা তথা অধ্যয়ণপিপাসু এটি মন। সেয়ে বিবাহৰ পিছতো পঢ়াশুনা কৰিবলৈ মন মেলিছিল।

ড০ সুখ বৰুৱা আছিল সমাজৰ মানুহ। কিন্তু আমি তেওঁক ঘৰুৱা পৰিবেশত কিদৰে পাইছিলো সেই বিষয়েহে কবলৈ ইচ্ছা প্ৰকাশ কৰিম। প্ৰথম দৃষ্টিত মানুহে তেওঁক কঠিণ বুলি ভাবে কিন্তু যিসকলে তেওঁক ওচৰৰ পৰা পাইছে তেওঁলোকে জানে কিমান মৰমীয়াল আৰু উদাৰ আছিল তেওঁ। আমি আপাক সমীহ আৰু ভক্তি সমানেই কৰিছিলো। তেওঁ আছিল নিয়মানুবৰ্তি, পৰিপাটি মানুহ। নিজৰ কৰিবলগা কাম সময়ত নকৰি শুই-বহি থকা মানুহ তেওঁ খুব বেয়া পাইছিল। তেখতে কলেজৰ কামত গুৱাহাটীলৈ আহিলে আমাৰ ঘৰতেই সৰহভাগ থাকিছিল। তেওঁ অহাৰ দুদিনমান আগৰেপৰা আমি সাৱধান হৈ আছিলো। নিৰ্দিষ্ট সময়ত পঢ়াটেবুলত নেদেখিলে তেওঁৰ পৰা যে গালিখোৱাটো ধ্ৰুপ সেইকথা জানিছিলো। তেওঁ আহি যেতিয়া বিচনাখনত জিৰণি লয় আমি তেওঁক আগুৰি বহি থাকো। আমি তিনিজনী বাই-ভনী, আমাৰ মা-দেউতাও সেই সময়খিনিত তেওঁৰ লগত হাঁহি-ধেমালিৰে বিবিধ কথা পাতো। মোৰ মা-দেউতাক তেওঁ খুব মৰম কৰিছিল। মোৰ মাক তেওঁ ‘কমল’ বুলি মাতিছিল। সেই মাতষাৰ মোৰ কাণত এই মূহৰ্তত যেন গুঞ্জৰি উঠিছে এনে ভাব হৈছে।

স্কুলৰবন্ধত আমি শিৱসাগৰলৈ বৰদেউতাহঁতৰ ঘৰলৈ গলে মৰাণলৈও গৈছিলো। আপা-নিছাই বৰ আদৰ কৰিছিল। আপা এগৰাকী সুগৃহিনীও আছিল। তেওঁ কেতিয়াও ঘৰলৈ অহা

আলহীক সুদামুখে ওভটাই পঠোৱা আমাৰ মনত নপৰে। এবাৰ তেখতে মোক কাষতে বহুৱাই কৈছিল নিছাই মন্মীক (মোৰ ডাঙৰ ভন্তী) খুব ভাল পায় আৰু মই তোক ভালপাওঁ। এইষাৰ কথা মনত পৰিলেই চকুপানী ওলাব খোজে।

ড০ সুখ বৰুৱাই অসম চৰকাৰৰ চন্দ্ৰপ্ৰভা শইকীয়ানী বঁটাৰ উপৰিও অসংখ্য বঁটা-বাহন আৰু সন্মান লাভ কৰিছিল। পিছলৈ তেখেতে অসম লেখিকা সমাৰোহ সমিতিত যোগদান কৰি সভানেত্ৰী হৈছিলগৈ। সেইসময়ত মই কলেজত পঢ়ি আছিলো আৰু মধ্য গুৱাহাটী লেখিকা সংসহাৰ এগৰাকী সদস্যা আছিলো। তেখেতে ভালপাইছিল এইকথা শুনি।

মৃত্যুৰ কিছুদিনৰ আগৰে পৰা তেওঁ বাৰ্ধক্যজনিত ৰোগত ভূগি আছিল, খুব দুৰ্বল হৈ পৰিছিল। আমাৰ মা-দেউতা আৰু খুৰীয়ে তেওঁক লগ কৰি আহি এসপ্তাহ নহ'লেই তেওঁ আমাৰ মাজৰ পৰা আঁতৰি গ'লগৈ। মোৰ চাবলৈ যোৱাই নহ'ল, ভাবিছিলো পূজাৰ বন্ধত তেওঁক লগ কৰিমগৈ। নিয়তিৰ লগত কোনে ফেৰ মাৰিব পাৰিব। তেওঁক লগ নোপোৱাৰ দুখ এটাই ইতিমধ্যেই বুকুত ঘৰ কৰিছেহি।

সুখ আপাৰ যেন মৃত্যু কেতিয়াও নহ'ব এনেভাৱ এটাই কিয়জানো মনত খেলাই আছিল, আচলতে কিছুমান লোকৰ ব্যক্তিত্ব এনে শক্তিশালী যে মৃত্যুও তেনেলোকৰ ওচৰত তুচ্চ হৈ পৰে। সুখ আপাৰ ক্ষেত্ৰতো তেনেকুৱাই হৈছে। প্ৰেৰণাদায়ী, মমতাময়ী আৰু শক্তিশালী নাৰীকণ্ঠৰ অধিকাৰী ড০ সুখ বৰুৱা সময়ৰ সোঁতত হেৰাই নাযায়। মানুহৰ প্ৰাণত তেওঁ নিজৰ নাম সোণালী আখৰেৰে খোদিত কৰিলে।

আপা, আপুনি আমাক সদায় আশীৰ্বাদ দি থাকিব যাতে জীৱন যুঁজত জয়ী হব পাৰো। আপোনাৰ সৰগত বাস হওক। ●

# সদ্যপ্ৰয়াত সুখ বাইদেউৰ স্মৃতিত একাঁজলি শ্ৰদ্ধা

**ড° মামনি ফুকন বৰগোহাঁই**

সৰুৰ পৰা ডাঙৰলৈকে সকলোকে আপোন কৰি ল'ব পৰা বিশেষ গুণেৰে পুষ্ট এগৰাকী বিদুষী মহিলা ড০ সুখ বৰুৱা বাইদেৱে যোৱৰা ৩ ছেপ্তেম্বৰ তাৰিখে সকলোকে কন্দুৱাই ইহলীলা সম্বৰণ কৰে। মহিলাসকলৰ উত্তৰণৰ ক্ষেত্ৰত কৰ্মজীৱনৰ আৰম্ভণিৰ পৰাই বিদ্যালয়, মহাবিদ্যালয় প্ৰতিষ্ঠা কৰাকে আদি কৰি সদৌ অসম লেখিকা সমাৰোহ সমিতি, সদৌ অসম মহিলা কবি মঞ্চ, মৰাণ অঞ্চলৰ অগ্ৰণী অনুষ্ঠান 'সংঘমিত্ৰা'ৰ দৰে বিভিন্ন অনুষ্ঠানৰ লগত জড়িত হৈ সৱল নেতৃত্বৰে তেখেতে গোটেই জীৱনজুৰি অনবদ্য অৱদান আগদবঢ়াই থৈ গৈছে। সৰুৰে পৰাই নাম শুনি থকা সুখ বাইদেউক মৰাণ বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ত কৰ্মৰত অৱস্থাতে তেখেতৰ সান্নিধ্যলৈ আহিবলৈ সুযোগ পাইছিলো। পৰৱৰ্তী পৰ্যায়ত সংঘমিত্ৰাৰ জন্মলগ্নৰেপৰা তেখেতৰ লগত মেলে-মিটিঙে অংশগ্ৰহণ কৰিবলৈ আগবঢ়াই নিছিল। বৃহত্তৰ মৰাণ অঞ্চলৰ নাৰী শিক্ষাৰ কেন্দ্ৰস্থল "মৰাণ মহিলা মহাবিদ্যালয়"ৰ বাবে তেখেতে অহোপুৰোষাৰ্থ কৰি এই পূৰ্ণাংগ ৰূপ প্ৰদান কৰি থৈ গৈছে। ২০২১ চনত সদৌ অসম মহিলা কৰ্মচাৰী সন্থা, মৰাণ শাখাৰ সভানেত্ৰী পদত মই কাৰ্যভাৰ গ্ৰহণকৰাত তেখেতে সন্তোষ প্ৰকাশ কৰিছিল আৰু জ্যেষ্ঠ ভগ্নীৰদৰে বহুতো দিহা পৰামৰ্শ আগবঢ়াইছিল। চলিত বৰ্ষৰ ৮ মাৰ্চত আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱসৰ দিনা মৰাণ শাখা মহিলা কৰ্মচাৰী সন্থাৰ তৰফৰ পৰা তেখেতক নিজা বাসভৱনত সম্বৰ্দ্ধনা জনোৱা হৈছিল।

তেখেতৰ আদ্যশ্ৰাদ্ধৰ দিনা আয়োজন কৰা স্মৃতিচাৰণ সভাত উন্মোচন কৰিবলগীয়া স্মৰণিকাখনিত অন্তৰৰ নিভৃতকোণৰপৰা একাঁজলি শ্ৰদ্ধা জ্ঞাপন কৰিছো। তেখেতৰ বিদেহ আত্মাই চিৰশান্তি লাভ কৰিবলৈ ঈশ্বৰৰ ওচৰত সৰল প্ৰাৰ্থনা জনালোঁ।

ওঁম শান্তি!! ●

# মোৰ অনুভৱত ড° সুখ বৰুৱা বাইদেউ

**নীতামণি চেতিয়া**

যোৱা ৩-৯-২০২৩ তাৰিখ দেওবাৰে, আমি সোণাৰীৰ নৱনিৰ্মিত এচ.এম. ডায়েগনেষ্টিক চেন্টাৰ এণ্ড হাস্পাতালৰ উদ্বোধনী অনুষ্ঠানৰ পৰা আহি আছো। মোৰ প্ৰাক্তন সহকৰ্মী তথা বৰ্তমান বামপথাৰ বেঙেনাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা জুৰি বাইদেউৱে ফোন কৰি সুধিলে যে আমি সুখ বাইদেউৰ খবৰটো পালো নে নাই? মই লগে লগে বাইদেউস সুধিলো। আপুনি খবৰটো ক'ত শুনিলে তেতিয়া বাইদেউৱে ক'লে যে মই অভিৰুচি ক্ৰীড়া দিৱসৰ সভাত আছোআৰু মন্ত্ৰী যোগেন মহনদেৱে সভাত কৈছে যে ড০ সুখ বৰুৱা আমাৰ মাজত নাই। আমিও পলম নকৰি লগে লগে মৰাণলৈ গ'লো।

মোৰ স্বামী শ্ৰীধৈৰ্যপ্ৰসাদ বৰগোহাঁই বাইদেউৰ মোমায়েকৰ ল'ৰা, ভায়েক। সেই সূত্ৰে বাইদেউ মোৰ জেশাহু। কিন্তু বাইদেউৱে মোক সদায় নিজৰ জীয়েকৰ দৰে মৰম কৰিছিল, ভাই-বোৱাৰীৰ দৰে ভৰা নাছিল। মোৰ মা বেতবাৰীৰ লগতে বাইদেউৰ সমবয়সীয়া আৰু ভিনিদেউ শ্ৰীযুত বিনন্দ বৰুৱা মোৰ দেউতাৰ সহপাঠী আছিল। বাইদেউক হেৰুৱাই মই দ্বিতীয়বাৰৰ বাবে মাক হেৰুৱাৰ দুখ অনুভৱ কৰিছো। বাইদেউৱে ৩ বছৰ মানৰ পৰা আমাৰ লগত প্ৰায়ে ফোনেৰে কথা পাতিছিল। আমিও ডিব্ৰুগড় বা মৰাণলৈ গ'লে প্ৰায়েই বাইদেউৰ খবৰ ল'বলৈ সোমাইছিলো। বাইদেউৰ লগত কথা পাতিলে মোৰ মাৰ লগত কথা পতা যেন অনুভৱ হৈছিল।

যোৱা বছৰ ২৮-০৯-২০২২ তাৰিখৰ দিনা আমাৰ ছোৱালী চন্দ্ৰস্মিতাই দৰং কলেজত যোগদান কৰা খবৰ বাইদেউক দিয়াত বাইদেউৱে বৰ ভাল পাইছিল আৰু বাইদেউৰ চিনাকী ড০ স্বপ্নালী কাকতি দৰং মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী আছিল। বাইদেউৱে স্বপ্নালী বাইদেউক ফোন কৰি কৈছিল। চন্দ্ৰাস্মিতা মোৰ ভতিজী তাইক মৰম কৰিবা।

মই বিয়া হৈ অহাৰ পাছত স্বামীৰ ঘৰখতন শুনিছিলো যে সুখ বাইদেউৱে সকলোকে শাসন কৰে গতিকে বাইদেউলৈ ভয় কৰে সকলোৱে। মোক কিন্তু প্ৰথম দিনা লগ পোৱাৰে পৰা বাইদেউৱে বহুত মৰম কৰিছিল। মই ফোন কৰিলে বাইদেউৱে কয়, আমাৰ খবৰ-খাতি লৈ থাকিবি। আমি ৪ মাহ মান আগত বাইদেউৰ খবৰ ল'বলৈ যাওঁতে আহিবৰ সময়ত তহঁতক একো খুৱাব নোৱাৰিলো বুলি বাইদেউৱে দুখ কৰিছিল।

আজি বাইদেউ আমাৰ মাজত নহ'লেও বাইদেউৰ মৰমিয়াল কথা-বতৰা, ব্যৱহাৰে কেতিয়াও পাহৰিব নোৱাৰো। শেষত, বাইদেউৰ শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছো। বাইদেউ য'তেই আছে শান্তিৰে থাকক। ওঁম শান্তি!! ●

# শ্ৰদ্ধাৰ বাইদেউলৈ একাঁজলি শ্ৰদ্ধাঞ্জলি

**কিৰণ চেতিয়া**

*"কোন কাৰ মৰমৰ কোন কাৰ চেনেহৰ*
*চকুৰ চিনাকী মাথোঁ দুদিনৰ "*
*নলিনী বালা দেৱী।*

৩-৯-২০২৩ ৰ দুপৰীয়া বাৰ বজাত অমিয়া বাইদেউৰ পৰা ফোন যোগে পঠিওৱা অনাকাংক্ষিত খবৰটোৱে মৰ্ম্মাহত কৰি তুলিলে। ক্ষন্তেক সময় শিল পৰা কপৌৰ দৰে হৈ পৰিলো। বাইদেউক অন্তিম সময়ত দেখা কৰিবলৈ যাব নোৱাৰাত নিজকে খুব দুখী অনুভৱ কৰিছো। তথাপিও নিজৰ মনটোক নিজেই সান্তনা দিছো। জীৱনৰ সৃষ্টি হ'লে মৃত্যু অনিবাৰ্য্য। এই ধৰাধামত পৰমপিতাৰ সৃষ্টি চাৰি মুঠি জীৱৰ - সৃষ্টি, স্থিতি, লয় এই তিনিওটা প্ৰক্ৰিয়া অনাদি কালৰ পৰা চলি আহিছে। গতিকে বাইদেউৱে সেই প্ৰক্ৰিয়াকে সাৱতিলৈ আমাক সকলোকে কন্দুৱাই চিৰদিনৰ বাবে, চিৰ নিদ্ৰাত আশ্ৰয় ল'লে।

১৯৯২ চনৰ জানুৱাৰী মাহত বাইদেউৰ সান্নিধ্যলৈ আহোঁ। আমাৰ ঘৰলৈ প্ৰয়াত ৰেণু গগৈ বাইদেউৰ লগত আহিছিল। মোৰ লগত পৰিচয় নাছিল যদিও, বাইদেউৰ লগত পৰিচয় হয়, তেখেতৰক মৰম লগা মাত কথা আৰু ব্যক্তিত্বই মোক আপ্লুত কৰিলে। মোৰ বিষয়ে সবিশেষ জানি তেখেতে মোক ক'লে, আমি আঞ্চলিক ভিত্তিত এখন মহিলা মঞ্চ গঠন কৰিবলৈ লৈছো তাত তুমি সভ্যহৈ ল'বা। পঢ়া-শুনা ছোৱালী সহযোগ কৰিবা ভাল লাগিব। বাইদেউৰ সেই বাক্য কেইশাৰী শিৰোগত কৰি আজিও ২০২৩ চনলৈকে সান্নিধ্য লাভ কৰিলো। সভা সমিতি বিলাকত প্ৰায়েই সহযোগ কৰোঁ। মহিলা মঞ্চৰ লগত সক্ৰিয় অংশ লৈ মিলা প্ৰীতিৰে দিনবিলাক আজিও অতিবাহিত কৰি আছোঁ।

বাইদেউৱে অকল মহিলা মঞ্চ গঠন কৰি ক্ষান্ত থকা নাছিল। সকলো নাৰীকে একত্ৰিত কৰি গাঁৱে-ভূঞে মহিলা মঞ্চ গঠন কৰি, মৰাণ শাখাৰ লেখিকা জগতখনক কলমৰ নিজাৰ বোৱাবলৈ চেষ্টা অব্যাহত ৰাখিছিল।

বাইদেউৰ বিশাল শূণ্যতা আমি অনুভৱ কৰিছো, যিটোৰ পৰা মহিলা সমাজে পূৰ্ণতা লাভ কৰিব নোৱাৰিম। তেখেতৰ সাহস আছিল অপৰিসীম। শিক্ষাব্ৰতী সমাজত কৰ্মময় জীৱনৰ সফলতাৰে আগবাঢ়ি নিজৰ ব্যক্তিত্বৰ পৰিচয় দিছিল। তেখেত আছিল একেধাৰে সাহিত্যিক কবি, লেখিকা, সমাজ সেৱিকা, সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী, মৰাণ মহিলা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষা আৰু বহুতো উপাধিৰে আসন অলকৃত কৰি মৰাণ তথা সদৌ অসমলৈ গৌৰৱ কঢ়িয়াই আনিছিল। তেখেতৰ দৰে সকলো দিশতে পাৰদৰ্শিতা থকা নাৰী বিৰল। তেখেতৰ আদৰ্শ আমাৰ সদায় পাথেয় হৈ ৰ'ব।

তেখেত য'তেই আছে তাতেই পৰমপিতাই কুশলে ৰাখক। তাকেই কামনা কৰিছোঁ।

ওঁম শান্তি!! ●

# মোৰ প্ৰাণৰ সখী সুখলৈ অশ্ৰুঅঞ্জলি

**নীলমণি চাংমাই**

১৯৬৪ চনৰ সেই দিনটোলৈ তোৰ বাৰু মনত পৰনে সুখ? স্নাতক প্ৰথম বৰ্ষত তই যে ইতিহাস আৰু মই ইংৰাজী বিভাগত নাম ভৰ্তি কৰিছিলো। মোৰ নাম নীলমণি আৰু তই মোক মণি বুলি মাতিছিলি। আমাক শিৱসাগৰ কলেজৰ 'জয়া ছাত্ৰী নিৱাস'ৰ লগতে কলজতো সকলোৱে চিনি পাইছিল 'সুখ-মণি' বুলি।

মৃত্যু জীৱনৰ চৰম সত্য বুলি জানিও আজি নিজকে বুজাব পৰা নাই। ১৯৬৪ চনৰ পৰা ১৯৬৬ চনলৈ ড০ সুখ বৰুৱাৰ লগত মোৰ সম্পৰ্ক আছিল আত্মিক আৰু ঘৰুৱা। তেওঁ পঢ়াকালৰে পৰা সকলোতে আগৰণুৱা আছিল। কলেজৰ সকলো শিক্ষক- শিক্ষয়িত্ৰীকে আদি কৰি সকলো ছাত্ৰ-ছাত্ৰীৰ লগত এটা সুস্থ সম্পৰ্ক বজাই ৰাখিছিল। সেই কলেজীয়া দিনৰ স্মৃতিবোৰ, জয়া ছাত্ৰী নিবাসৰ সেই দীঘলীয়া বাৰাণ্ডাখনৰ সিটো মূৰৰ পৰা মোক মণি ঐ বুলি মৰা চিঞৰটো, সকলো আজিও মনৰ মাজত সজীৱ হৈ আছে। মনত পৰিছে মোৰ আজি সুখ বৰুৱাৰ অৰ্থাৎ তেতিয়াৰ সুখ চেতিয়াৰ কলেজীয়া দিনৰ পঢ়া টেবুলত এখন সৰস্বতীৰ ফটো আছিল। ৰাতিপুৱা খুব সোনকালে তেওঁ শুই উঠে আৰু গা-পা ধুই সেই ফটোখনৰ আগত প্ৰাৰ্থনা কৰিছিল। আমি দুয়োজনীয়ে বজাৰলৈ গৈ একে ৰঙৰ ব্লাউজ কিনিছিলো। বানমুখৰ পৰা আমাৰ মায়ে দুখন চাদৰ বৈ দিছিল আৰু দুজনীয়ে দুখন পিন্ধিছিলো। তেওঁৰ ঘৰলৈও মই (বেতবাৰী) ৰাতি থকাকৈ গৈছিলো আৰু আমাৰ ঘৰলৈও তেওঁ আহিছিল আনকি শিৱসাগৰৰ আমোলাপট্টিৰ চেনেহী বাইদেউৰ ঘৰলৈও আমি দুজনী একেলগে গৈছিলো। আমি দুয়ো অভিন্ন বান্ধবী আছিলো মনৰ সকলো সুখ-দুখ আমাৰ মাজত ভাগ-বতৰা হৈছিল। আমাৰ লগত পুলিনা দত্ত, ভাৰতী গগৈ আদিয়েও পঢ়িছিল যাৰ লগত সুখৰ খুব ভাল সম্পৰ্ক আছিল। ১৯৬৬ চনত আমি এৰা এৰি হওঁ। তেওঁ ইউনিভাৰচিটিত পঢ়িবলৈ আৰু মই বানমুখ হাইস্কুলত চাকৰি কৰিবলৈ গুচি যাওঁ। অৱশ্যে সুখৰ সৰু ভায়েক শ্ৰীদন্দেশ্বৰ চেতিয়াৰ লগত মোৰ মাজুভনী কমলিনীৰ বিবাহৰ সম্বন্ধৰ যোগেদি আমাৰ সম্পৰ্ক আৰু অধিক গাঢ় হৈ পৰিছিল।

মোৰ প্ৰাণৰ সখী আজি ইহজগতৰ পৰা গ'লগৈ। কিন্তু প্ৰাণত অক্ষয়-অমৰ ৰূপে স্মৃতি-চিহ্ন ৰাখি থৈ গ'ল । সমাজকৰ্মী, মৰাণ মহিলা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষা, উদাৰ মনোভাবাপন্ন, নাৰী শিক্ষা আৰু সবলীকৰণৰ সপক্ষে মাত মাতি অহা চন্দ্ৰপ্ৰভা শইকীয়ানী বঁটা প্ৰাপক আমাৰ গৌৰৱৰ থলস্বৰূপ সুখলৈ মোৰ অশ্ৰুঅঞ্জলি যাঁচিলো। সুখ ,তই য'তেই নাথাক শান্তিত থাক। তোৰ ভগৱন্তৰ চৰণত বাস হওক। এই আশাৰে— ●

# এই মৃত্যু অপৰাজেয়

**ৰোহিনী কুমাৰ দত্ত**



জীৱনত বহুতো মানুহৰ সান্নিধ্য পাইছো, তাৰ ভিতৰত ড০ সুখ বৰুৱাৰ সান্নিধ্য মোৰ বাবে ব্যতিক্ৰম আছিল। সম্বন্ধত তেওঁ পৰিবাৰৰ আপাদেউ আছিল। মোৰ বাবে আছিল এক মমতাময়ী প্ৰেৰণাদায়ী এক শক্তিশালী নাৰী। যিমানদিন তেওঁক লগ পাইছিলো প্ৰতিটো সাক্ষাতে তেওঁক যেন নতুনকৈ জানিছিলো। সমাজকৰ্মী, সু- সাহিত্যিক, নাৰী শিক্ষাৰ বাবে আজীৱন কাম কৰি যোৱা ড০ সুখ বৰুৱাক সকলোৱেই চিনি পায় কিন্তু ঘৰুৱা পৰিবেশত হয়তু তেওঁক সকলোৱে নাজানে।

আপাদেউ এগৰাকী অতিথিপৰায়ণা মহিলা আছিল। মই যিমানবাৰেই গৈছিলো বৰ আদৰ-সাদৰেৰে আপ্যায়ণ কৰিছিল। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পদ্মনাথ বৰগোহাঞি ছাত্ৰাবাসৰ সোণালী জয়ন্তী বৰ্ষ উপলক্ষে প্ৰকাশ হোৱা "স্বৰ্ণ-সৌৰভ" স্মৃতিগ্ৰন্থখন মই তেওঁক দি আপা-নিছা আৰু মই একপি ফটো উঠিছিলো। তেওঁৰ লগত সেয়াই আছিল মোৰ শেষ সাক্ষাৎ। উল্লেখযোগ্য যে মই সেই ছাত্ৰাবাসৰে এসময়ৰ ছাত্ৰ আছিলো। সেই ফটোখন চাই এতিয়া স্মৃতিকাতৰ হৈ পৰিছো। খবৰ পাইছিলো যে স্বাস্থ্যজনিত কাৰণত তেওঁ কিছুদিন ধৰি অসুস্থ হৈ আছে কিন্তু সেইবুলি এনেকৈ হঠাৎ আঁতৰি যাব বুলি কল্পনাৰ অগোচৰ আছিল।

শিৱসাগৰ জিলাৰ বেতবাৰীৰ পৰা তেওঁৰ কৰ্মজীৱন আৰম্ভ কৰি বিস্তৃতভাৱে সেৱা আগবঢ়াইছিল মৰাণহাটত। অসম চৰকাৰৰ সন্মানীয় চন্দ্ৰপ্ৰভা শইকীয়ানী বঁটা লাভ কৰা বিদুষী মহিলা ড০ সুখ বৰুৱা আপাদেৱে নিজৰ কৰ্মৰে মানুহৰ হৃদয় জিনিলে।

জীৱনৰ চিৰসত্য উন্মোচন কৰে মৃত্যুৱে। আপোনজনৰ মৃত্যু অসলহনীয় যদিও জীৱনত আগবাঢ়ি যাবলৈ সময়ক স্বীকাৰ কৰিবই লাগিব। সুখ আপাদেউৰ বিদেহ আত্মাই সদগতি লাভ কৰক। আদ্যশ্ৰাদ্ধৰ দিনা এয়েই মোৰ তেখেতলৈ শ্ৰদ্ধাঞ্জলি।●

# ‘ৰত্নগৰ্ভা’ ড° সুখ বৰুৱা ডাঙৰীয়ানীলৈ মৰাণবাসীৰ সশ্ৰদ্ধ শ্ৰদ্ধাঞ্জলি

**যদুনাথ পুৰী**

‘ৰত্নগৰ্ভা’ ড° সুখ বৰুৱা। নামেই যাৰ পৰিচয়। দীঘলীয়া সময় মৰাণৰ সমাজ জীৱনৰ লগত ওতপ্ৰোতভাৱে জড়িত হৈ অঞ্চলটোৰ সামগ্ৰিক বিকাশ আৰু উন্নয়ৰ স্বাৰ্থত অহোপুৰুষাৰ্থ কৰি আহিছিল ড° সুখ বৰুৱাই। বিশেষকৈ মৰাণৰ শৈক্ষিক ক্ষেত্ৰখনত ড° সুখ বৰুৱাই আগবঢ়োৱা অনবদ্য অৱদান ইতিহাসৰ পাতত নিশ্চিতভাৱে সোণালী আখৰেৰে লিপিবদ্ধ হ’ব। নিজৰ চৰকাৰী চাকৰি ইস্তফা দি অঞ্চলটোত নাৰী শিক্ষাৰ এখন আগশাৰীৰ উচ্চ শিক্ষানুষ্ঠান গঢ়ি তোলা আৰু বৃহত্তৰ এলেকাটোৰ উপৰি সমগ্ৰ অসমৰ নাৰী সমাজক ঐক্যবদ্ধ কৰি সমাজখনক নেতৃত্ব দিবৰ বাবে যি পথ দেখুৱাই থৈ গ’ল— সেই কথা সমাজে কেতিয়াও পাহৰিব নোৱাৰে। শৈক্ষিক ক্ষেত্ৰৰ উপৰি সাহিত্যৰ ক্ষেত্ৰখনত নাৰীসকলক নিজৰ প্ৰভাৱ বিস্তাৰ কৰিবৰ বাবে মৃত্যু পৰ্যন্ত অনুপ্ৰেৰণা যোগাই আহিছিল ড° সুখ বৰুৱা ডাঙৰীয়ানীয়ে। কঠোৰ পৰিশ্ৰম আৰু ত্যাগৰ বিনিময়ত সমাজখনক ভাল পাবৰ বাবে, সমাজৰ বিভিন্ন দিশৰ উন্নয়নৰ স্বাৰ্থত কাম কৰি যাবৰ বাবে উঠি অহা প্ৰজন্মক অনুপ্ৰাণিত কৰিছিল ড° সুখ বৰুৱাই। তেখেতৰ মৃত্যু মৰাণ অঞ্চলৰ লগতে সামগ্ৰিকভাৱে বৃহত্তৰ অসমীয়া জাতিটোৰ বাবেই অপূৰণীয় ক্ষতি বুলি আমি অনুভৱ কৰোঁ। ৩ ছেপ্টেম্বৰ, ২০২৩ তাৰিখে দিনৰ ১১ বজাত ড° সুখ বৰুৱাই স্বাস্থ্যজনীত কাৰণত আমাৰ মাজৰ পৰা বিদায় ল’লে। মৰাণবাসীৰ বাবে অতি বেদনাদায়ক খবৰ। মহীয়যী নাৰীগৰাকীক শেষ বিদায় জনাবৰ বাবে মৰাণ নগৰৰ ঊষাপুৰস্থ বাসগৃহত অগণন গুণমুগ্ধ সমবেত হয়। কেৱল মৰাণ অঞ্চল বুলিয়েই নহয় অসমৰ বিভিন্ন প্ৰান্তৰ লোক ড° সুখ বৰুৱাক শেষ শ্ৰদ্ধা জ্ঞাপন কৰিবৰ বাবে ব্যাকুল হৈ পৰে। পিচদিনা নিজ গৃহত মাঙ্গলিক কৰ্ম সম্পন্ন কৰাৰ পাচতে তেখেতৰ নশ্বৰ দেহ মৰাণৰ ঊষাপুৰ নামঘৰ চৌহদলৈ নিয়া হয় আৰু তাত জ্ঞাতি, ভকত-বৈষ্ণৱে শ্ৰদ্ধাঞ্জলি জনায়। তাৰ পাচত ‘মৰাণ কুঁৱৰী’ ড° সুখ বৰুৱাৰ নিথৰ দেহ মৰাণ বালিকা উচ্চ মাধ্যমিক বিদ্যালয় আৰু সংঘমিত্ৰা জাতীয় বিদ্যালয়লৈ নি শেষ শ্ৰদ্ধা জ্ঞাপন কৰাৰ পাচত তেখেতৰ নেতৃত্বত প্ৰতিষ্ঠা হোৱা মৰাণ মহিলা মহাবিদ্যালয়লৈ নিয়া হয়। দুপৰীয়া ১২ বজাত মহাবিদ্যালয় চৌহদত মৰাণ মহকুমা সাংবাদিক মঞ্চৰ মুখ্য সম্পাদক যদুনাথ পুৰীয়ে আঁত ধৰা এক ‘ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান’ত স্থানীয় বিধায়ক তথা অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী যোগেন মহন, লোক-সংস্কৃতিৰ সাধক ড°

অনিল শইকীয়া, মৰাণ নগৰ সমিতিৰ প্ৰাক্তন সভানেত্ৰী আশা চাহু, অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী তথা ড° সুখ বৰুৱাৰ একালৰ সহকৰ্মী জ্যোতি চাংমাই, মৰাণ মহিলা মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গ, সদৌ অসম ছাত্ৰ সন্থা, মৰাণ আঞ্চলিক ছাত্ৰ সন্থা, মৰাণ শাখা সাহিত্য সভা, মৰাণ মহাবিদ্যালয়, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতি আৰু মৰাণ আঞ্চলিক সমিতি, মৰাণ আঞ্চলিক মহিলা মঞ্চ 'সংঘমিত্ৰা', সংঘমিত্ৰা জাতীয় বিদ্যালয়, মৰাণ নাগৰিক সমাজ, টাই অধ্যয়ন আৰু গৱেষণা প্ৰতিষ্ঠান—মৰাণহাট, মৰাণ মহকুমা সাংবাদিক মঞ্চ, মৰাণ বাণিজ্য মহাবিদ্যালয়, সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ কেন্দ্ৰীয় সমিতিৰ উপৰিও মৰাণ, চকলীয়া, নাজিৰা, গড়গাঁও শাখা আৰু ডিব্ৰুগড় জিলা শাখা, অসম জাতীয় পৰিষদৰ মাহমৰা সমষ্টি সমিতি, মৰাণ জাতীয় বিদ্যালয়, ৰেড ক্ৰছ চ'চাইটিৰ চৰাইদেউ জিলা সমিতি, মৰাণৰ মিলিত শিল্পী সমাজ, মৰাণৰ ওমেন এন্টাৰপ্ৰাইজ, বকতা-খালৈঘোগুৱা সংস্কৃতি আৰু জনকল্যাণ সমিতি, সদৌ অসম মহিলা কবি মঞ্চ, ডিব্ৰুগড় মহিলা কবি মঞ্চ, সোণাৰি মহিলা কবি মঞ্চ, মৰাণ মহিলা কবি মঞ্চ, লেঙেৰীৰ সুমন কবি চক্ৰ, ডিব্ৰুগড় নাগৰিক মঞ্চ, সন্মিলিত মহিলা মঞ্চ, ডিব্ৰুগড় জ্যেষ্ঠ নাগৰিক পৰিষদ, মৰাণহাট ক্ৰীড়া সন্থা, লাচিত নগৰ মহিলা সমিতি, সদৌ অসম মহিলা কৰ্মচাৰী সন্থাৰ কেন্দ্ৰীয় সমিতিআৰু মৰাণ শাখা, 'আমি' নাট্যগোষ্ঠী- মৰাণ, সদৌ অসম কবি সন্মিলনৰ কেন্দ্ৰীয় সমিতি আৰু মৰাণ শাখা, মৰাণ টাউন মধ্য ইংৰাজী বিদ্যালয়, মৰাণ জিলা ক্ৰীড়া সন্থা, মৰাণ টাউন ক্লাৱ, মাৰোৱাৰী সন্মিলনৰ মৰাণ শাখা, মাৰোৱাৰী সমাজৰ মৰাণ শাখা, 'জোনাকী মেল'—মৰাণ, সদৌ অসম বঙ্গীয় অসমীয়া সমাজ, কবি-সাংবাদিক-লেখকৰ মঞ্চ 'আলাপ', সদৌ অসম লেখিকা সংস্থাৰ কেন্দ্ৰীয় সমিতি আৰু মৰাণ শাখা, অৰুণোদয় সংবাদ গোষ্ঠী— মৰাণ, গ্ৰাম্য সাংবাদিক সংস্থা—অসম, মৰাণহাট প্ৰেছ ক্লাৱ, প্ৰজাপিতা ব্ৰহ্মকুমাৰী ঈশ্বৰীয় বিশ্ববিদ্যালয়— মৰাণ কেন্দ্ৰ, সদৌ অসম চাহু বৈশ্য সন্মিলনৰ কেন্দ্ৰীয় সমিতি আৰু মৰাণ শাখা, ৰবিষষ্ঠী সৰোবৰ সমিতি— মৰাণ, মাৰোৱাৰী যুৱ মঞ্চৰ মৰাণ শাখা, মাৰোৱাৰী মহিলা মঞ্চৰ মৰাণ শাখা, ৰাধাকৃষ্ণ বিবাহ ভৱন— মৰাণহাট, 'টাইপা'ৰ চৰাইদেউ জিলা সমিতি, ডিব্ৰুগড় জিলা মাধ্যমিক শিক্ষক আৰু কৰ্মচাৰী সন্থা, চেপন মহাবিদ্যালয়, মৰাণ চিনিয়'ৰ চেকেণ্ডাৰী স্কুল, 'আটাছু'ৰ মৰাণ আঞ্চলিক সমিতি, অসম প্ৰদেশ কংগ্ৰেছ কমিটি, মৰাণ নগৰ উচ্চ মাধ্যমিক বিদ্যালয়, ভাস্কৰজ্যোতি সংঘ—মৰাণ ফটিকাছোৱা, নবাৰুণ সংঘ— মৰাণ নতুন নগৰ, মৰাণ প্ৰেছ ক্লাৱ, মৰাণ নাট্য সমাজ, মাহমৰা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়, আউনীআটী বিশ্ববিদ্যালয়— মৰাণ শাখা, ঊষাপুৰ নামঘৰ পৰিচালনা সমিতি, কুশল নগৰ মহিলা সমিতি, 'আছা'ৰ কেন্দ্ৰীয় সমিতি, মৰাণৰ ঊষাপুৰ কলা-কৃষ্টি বিকাশ কেন্দ্ৰকে ধৰি চাৰিকুৰিৰো অধিক দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠান তথা ব্যক্তি বিশেষে বিশিষ্টা সাহিত্যিক গৰাকীক শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। অনুষ্ঠানটোত লোক-সংস্কৃতিৰ সাধক ড° অনিল শইকীয়া, মৰাণ মহিলা মহাবিদ্যালয়ৰ অধ্যক্ষা জয়শ্ৰী ফুকন, কেবিনেট মন্ত্ৰী যোগেন মহন, মৰাণ মহিলা মহাবিদ্যালয়ৰ অধ্যাপক অৰুণ বৰুৱাৰ উপৰিও সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ কেইবাগৰাকীও কেন্দ্ৰীয় বিষয়ববীয়াই ড° সুখ বৰুৱাৰ জীৱনাদৰ্শৰ ওপৰত আলোকপাত কৰি শোকৰ বিহ্বল হৈ পৰে। তাৰ পাচতে সমাজসেৱীগৰাকীৰ নশ্বৰদেহ মৰাণহাট ৰাজহুৱা শ্মশানলৈ নি শেষকৃত্য সম্পন্ন কৰা হয়। শেষকৃত্য

সম্পন্ন কৰা স্থলীত উপস্থিত হৈ পদ্মশ্ৰী উদ্ধৱ ভৰালীদেৱেও ড° সুখ বৰুৱা ডাঙৰীয়ানীক শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। উল্লেখ কৰা প্ৰয়োজন যে, শ্ৰদ্ধাঞ্জলি অনুষ্ঠানটোত ভাষণ প্ৰসঙ্গত কেবিনেট মন্ত্ৰী যোগেন মহনে মৰাণ মহিলা মহাবিদ্যালয় চৌহদত প্ৰতিষ্ঠাপক অধ্যক্ষা গৰাকীৰ স্মৃতিত এটি 'আৱক্ষ মূৰ্তি' স্থাপনৰ বাবে আহ্বান জনাই আৰু সৰ্বতো প্ৰকাৰে সহযোগিতা আগবঢ়োৱাৰ কথা ঘোষণা কৰে। এই ক্ষেত্ৰত মহাবিদ্যালয় কৰ্তৃপক্ষইও কেবিনেট মন্ত্ৰীগৰাকীৰ ঘোষণাক আদৰণি জনায় আৰু পূৰ্ণ সমৰ্থন আগবঢ়ায়। আনহাতে সেইদিয়াই সন্ধিয়া মৰাণৰ কেইবাগৰাকীও গণ্য-মান্য ব্যক্তিৰ উপস্থিতিত তেখেতৰ বাসগৃহত এখন সভা অনুষ্ঠিত কৰা হয়। এই সভাত শক্তিশালী সংগঠকগৰাকীৰ স্মৃতি যুগমীয়া কৰি ৰখাৰ কথা চিন্তা কৰি এখন 'স্মাৰক গ্ৰন্থ' প্ৰকাশৰ সিদ্ধান্ত লোৱা হয়। লগতে ১৩ ছেপ্টেম্বৰৰ আদ্যশ্ৰাদ্ধৰ দিনা মৰাণবাসীয়ে 'ৰাজহুৱা স্মৃতিচাৰণ অনুষ্ঠান' আয়োজন কৰাৰো সিদ্ধান্ত লয়। ড° অনিল শইকীয়া, বিপুল চন্দ্ৰ গগৈ, শোভিত কুমাৰ ছেত্ৰী, ত্ৰৈলোক্য চেতিয়া, কুশল দত্ত, যদুনাথ পুৰী আৰু অনুপজ্যোতি ভুএগক আহ্বায়ক হিচাপে লৈ 'ৰাজহুৱা স্মৃতিচাৰণ অনুষ্ঠান' আয়োজক সমিতি গঠন কৰাৰ লগতে অধ্যাপক অৰুণ বৰুৱাক 'স্মাৰক গ্ৰন্থ'খন সম্পাদনাৰ দায়িত্ব অৰ্পণ্ কৰা হয়।

জন্ম হ'লে মৃত্যু অনিবাৰ্য। ই প্ৰকৃতিৰ এক চিৰাচৰিত পৰিঘটনা। তথাপি কিছুমান ব্যক্তিৰ মৃত্যু সমাজৰ বাবে অসহনীয়। এইসকল লোকৰ মৃত্যুয়ে সমাজক অতিকৈ মৰ্মাহত কৰে আৰু ক্ষতিও কৰে। ড° সুখ বৰুৱা ডাঙৰীয়ানী আছিল তেনে এগৰাকী নাৰী। সমাজৰ যিকোনো কামত অগ্ৰণী ভূমিকা লৈ সকলোকে সঠিক পথৰ সন্ধান দি গৈছিল। তেখেতৰ অৱদান, কৰ্ম আৰু আদৰ্শ আমাৰ বাবে হ'ব অনুপ্ৰেৰণাৰ উৎস। তেখেতৰ অনুপস্থিতি মৰাণ অঞ্চলৰ বাবে অপূৰণীয় ক্ষতি। ড° সুখ বৰুৱা ডাঙৰীয়ানীৰ বিদেহ আত্মাই চিৰশান্তি লাভ কৰক। তেখেত য'তেই থাকক শান্তিৰে থাকক, সুখেৰে থাকক। পৰমপিতা পৰমেশ্বৰৰ ওচৰত আমাৰ এয়াই মিনতি। লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছো। 'ৰত্নগৰ্ভা' ড° সুখ বৰুৱা ডাঙৰীয়ানীলৈ মৰাণবাসীৰ সশ্ৰদ্ধ শ্ৰদ্ধাঞ্জলি। ●

# প্ৰজ্ঞ প্ৰণতি

**সুদক্ষিণা দাস**

বিগত শতিকাৰ মাজভাগত স্বাধীনতা পূৰ্ব্ব উজনি অসমৰ শিৱসাগৰ জিলাৰ বেতবাৰী বৰকুৰী গাঁৱত ১৯৪৬ চনৰ ৩১ ডিচেম্বৰ ফুলবৰ চেতিয়া আৰু গুণলতা চেতিয়াৰ ঘৰ শুৱনি কৰি জন্ম হৈছিল এক ক্ষণজন্মা নাৰীৰ যি জীৱিত কালতে নিজ কৰ্মৰ দ্বাৰা এক অনুষ্ঠানলৈ ৰূপান্তৰিত হৈছিল, সেই গৰাকী ব্যক্তিয়েই আমাৰ চিৰ-প্ৰণম্য ড০ সুখ বৰুৱা।

শৈশৱতে পিতৃদেৱতাৰ বিয়োগৰ ফলত অতিশয় কৰ্মী, দক্ষ গৃহিণী মাতৃদেৱীৰ কঠোৰ পৰিশ্ৰমৰ ফলত বাইদেউকে ধৰি পাঁচোটি সন্তানে কষ্টৰ মাজেৰে পঢ়া-শুনা কৰি জীৱন পথত আগবাঢ়িছিল। এই সময়ছোৱাৰ পৰিশ্ৰমে বাইদেউক সংগ্ৰামী কৰি তোলাৰ ওপৰিও আনৰ দুখ-কষ্টৰক নিজৰ বুলি অনুধাৱন কৰিব পৰা এক সহৃদয় সত্তাৰূপে গঢ়ি তুলিছিল। শিশুকালৰ পৰাই ঘৰৰ কামত মাতৃৰ কষ্টৰ বোজা লাঘৱ কৰিবলৈ হাত আগবঢ়োৱাৰ লগতে মাতৃৰ সংগ্ৰামক সন্মান কৰিবলৈ শিকিছিল। আজীৱন তেখেতে মাতৃৰ গভীৰ জীৱনবোধৰ পাঠ নিজেও আওৰাইছিল। হয়তো সেইবাবেই নিজে প্ৰতিষ্ঠা কৰা অগ্ৰণী অনুষ্ঠানকেইটিৰ ওপৰিও সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ মাতৃস্বৰূপা হৈ সহস্ৰজনক স্নেহসিক্ত কৰাৰ লগতে মৰমৰ শাসনৰ জৰিয়তে সমাজৰ উত্তৰণৰ বাটত আগবাঢ়িবলৈ উদ্‌গনি দিব পাৰিছিল।

শৈশৱৰে পৰা মেধাৱী ছাত্ৰী বাইদেউৱে নিজে জ্ঞান আহৰণ কৰাৰ লগতে আনকো জ্ঞান যজ্ঞত চামিল কৰিছিল। মাত্ৰ বাইছ্ বছৰ বয়সতে প্ৰতিষ্ঠা কৰিছিল 'বেতবাৰী উচ্চ মাধ্যমিক বিদ্যালয়' যি আজি পৰ্যন্ত অলেখনজক জ্ঞানৰ দিপ্তীৰে প্ৰোজ্জ্বল কৰাই নহয়, সমগ্ৰ বেতবাৰী অঞ্চলটিকে বিকশিত আৰু মহীয়ান কৰি তুলিছে। নিজে হাইস্কুল পৰ্য্যায়ত পঢ়ি থাকোতেই পঢ়িবলৈ এৰি দিয়া লগৰ ছোৱালীসকলক ঘৰলৈ গৈ পঢ়িবলৈ উদ্‌গনি দিছিল। পঢুৱাইছিল আৰু অভিভাৱক সকলক সৈমান কৰিছিল যুক্তিৰে ছোৱালীক পঢুৱাবলৈ। স্ত্ৰী-শিক্ষাৰ প্ৰতি এনে ধাউতিয়েই পাছলৈ বাইদেউক অন্তৰৰ পৰা আকৰ্ষিত কৰি 'মৰাণ মহিলা মহাবিদ্যালয়' স্থাপন কৰিবলৈ। নাৰী সৱলীকৰণৰ লাইখুঁটা হ'ল শিক্ষা। কিন্তু বাইদেৱে তথাকথিত আনুষ্ঠানক শিক্ষাৰ বাহিৰত বৈ যোৱৰা নাৰীসকলৰ বাবে গঢ়ি তুলিলে মহিলা অনুষ্ঠান 'সংঘমিত্ৰা'। প্ৰায় পাঁচশৰো অধিক মহিলাক পোন প্ৰথমেই সংগঠিত কৰি বয়ন প্ৰশিক্ষণ কেন্দ্ৰ আদিৰ যোগেদি কৰ্ম আঁচনিত নিযুক্ত কৰিলে। 'সংঘমিত্ৰা'ৰ যোগেদি মহিলা অৰ্থনীতি সৱল কৰাই নহয়, মানসিক উত্তৰণ, পাৰিবাৰিক নিৰাপত্তা ৰক্ষা কৰা আদি কামো হাতত লৈছিল। মহিলাৰ সাংস্কৃতিক প্ৰতিভা জাগ্ৰত কৰি প্ৰসাৰিত কৰিবলৈ

সংঘমিত্ৰাৰ মুখপত্ৰ প্ৰকাশ, কবিতা আবৃত্তি, বক্তৃতা প্ৰতিযোগিতা, লোকসঙ্গীতৰ প্ৰতিযোগিতা, সত্ৰীয়া সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰৰ কাৰ্যসূচী ৰূপায়নেৰে মহিলাসকলক উদ্দীপ্ত কৰি তুলিছিল। অসমৰ তথা ভাৰতৰ জাতীয় জীৱনৰ কৰ্ণধাৰসকলৰ জন্মজয়ন্তী, স্মৃতিদিৱস, শতবাৰ্ষিকী উদ্‌যাপন অনুষ্ঠান, বীৰ-বীৰাঙ্গনা বিশেষকৈ জয়মতী, সতী সাধিনী স্মৃতিদিৱস পালন ৰু জ্ঞানী-গুণীজনৰ সম্বৰ্ধনা অনুষ্ঠানৰ যোগেদি সংঘমিত্ৰাৰ সদস্যাসকলৰ তথা মৰাণবাসী ৰাইজৰ চিন্তা-চেতনা সদা জাগ্ৰত কৰি ৰাখিছিল।

কৰ্মজীৱী মহিলাৰ কৰ্মজীৱন সুচল কৰিবলৈ সংঘমিত্ৰাৰ অন্যতম উৎকৃষ্ট কৰ্ম হৈছে চাকৰিয়াল মহিলাৰ আৱাসগৃহ স্থাপন কৰা। মহিলাৰ লগত জড়িত শিশুসকল অংগা অংগীভাৱে জড়িত।

শিশুৰ ভৱিষ্যত সুনিশ্চিত কৰিবলৈ প্ৰতিষ্ঠাপিকা সম্পাদিকা ৰূপে স্থাপন কৰিলে জাতীয় নীতিবোধেৰে উন্নত মানৰ শিক্ষা প্ৰদান কৰা অনুষ্ঠান সংঘমিত্ৰা জাতীয় বিদ্যালয়। এগৰাকী সচেতন নাগৰিকৰূপে নগৰখনৰ পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ দিশলৈ চকু দিয়া, বিদ্যুৎযোগান নিয়মীয়াকৰণৰ বাবে দাবী তোলা, ব্ৰডগজ ৰেলসেৱা সম্প্ৰসাৰণৰ বাবে কৰ্তৃপক্ষক হেঁচা দিয়াকে ধৰি জন-জীৱনৰ মান উন্নত কৰাৰ বাবে সদা সম্ভম আছিল তেখেত।

ড০ সুখ বৰুৱাৰ সোণ-সেৰীয়া স্পৰ্শত উজলি উঠিছিল সদৌ অসম লেখিকা সমাৰোহ সমিতি। ১৯৯১ চনত মৰাণ শাখাটি পুনৰ্জীৱিত কৰি মহিলাৰ সাহিত্য সাধনাৰ এক শক্তিশালী মঞ্চলৈ ৰূপান্তৰিত কৰে। এই শাখাই কেন্দ্ৰীয় সমিতিৰ বাছকবনীয়া অনুষ্ঠানসমূহৰ লগতে কেন্দ্ৰীয় অধিবেশনো অনুষ্ঠিত কৰে। মৰাণৰ ওচৰে-পাজৰে ১৬ (যোল্লটা) শাখা খুলি নগৰ আৰু গ্ৰামাঞ্চলৰ মহিলাক একত্ৰিত ভাৱে এক বৌদ্ধিক যাত্ৰাত চামিল কৰিবলৈ সক্ষম হৈছিল। কেইবাবছৰো উপ-সভানেত্ৰীৰ দায়িত্ব পালন কৰি ২০১৪-১৬ কাৰ্যকালৰ সদৌ অসমৰ সভানেত্ৰীৰূপে অভাৱনীয় কৰ্মতৎপৰতাৰে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ঘূৰি হেজাৰ হেজাৰ নাৰীৰ প্ৰতিভা বিকাশৰ বাট কাটিছিল। ২০১৮ চনত গঠন কৰিছিল "অসম মহিলা কবি মঞ্চ" আৰু প্ৰতিষ্ঠাপক সভানেত্ৰীৰূপে গুৰি ধৰি এই অনুষ্ঠানকো শক্তিশালী কৰি থৈ গৈছে।

সমাজৰ কল্যাণৰ হ'কৈ কৰা এহেজাৰ এটা কামৰ মাজতো নিজৰ বিশিষ্ট লেখন শৈলীৰে প্ৰৱন্ধ-গল্প-কবিতাৰ যোল্ল (১৬) খন গ্ৰন্থ, দহ (১০) খনতকৈ অধিক সম্পাদিত গ্ৰন্থ, কাকত-আলোচনী, অনাতাঁৰক যোগে বহু ৰচনা প্ৰকাশ কৰি থৈ গৈছে। ডক্টৰেট ডিগ্ৰী লাভৰ গৱেষণা কৰ্ম "আহোম সকলৰ উৎসৱ অনুষ্ঠান" নামৰ গ্ৰন্থখনিৰ পাঁচোটাকৈ সংস্কৰণে তত্ব-গধূৰ বিষয়বস্তুও সমাদৃত হোৱাৰ কথাই তেখেত কালজয়ী প্ৰতিভাৰ নিদৰ্শন দাধি ধৰিছে। এনে সাহিত্য প্ৰতিভাৰ বাবে তেখেতক অসম চৰকাৰে সাহিত্য বঁটা আৰু সাহিত্যিক পেঞ্চন প্ৰদান কৰাটো এক অতি উপযোগী কৰ্ম হৈছে। তদুপৰি অসম চৰকাৰে চন্দ্ৰপ্ৰভা শইকীয়ানী বঁটাৰে বিভূষিত কৰিছে। বিভিন্ন জাতীয় সংগঠনে তেখেতক বীৰাঙ্গনা মূলা-গাভৰু বঁটা, সমাজসেৱা আৰু সাহিত্য সেৱা বঁটা, জীৱন সমৃদ্ধ বঁটা, পূৰ্ণিমা বৰুৱা বঁটাৰে সন্মানিত কৰি নিজ অনুষ্ঠানৰে গৌৰৱ বৃদ্ধি কৰিছে। ৰাইজে মৰমতে শতাধিক সম্বৰ্ধনা অনুষ্ঠানত সম্বৰ্ধিত কৰি গুণমুগ্ধতা প্ৰকাশ কৰিছে। বিভিন্ন অনুষ্ঠান সাতোটাকৈ অৰ্থবহ উপাধিৰে তেখেতক একাগ্ৰতা, অধ্যৱসায়, নিষ্ঠাৰ বাবে সন্মান যাঁচিছে। তেখেতৰ কৰ্মৰাজিৰে অনুপ্ৰাণিত হৈ

'মৰাণ লেখিকা সমাৰোহ সমিতি' আৰু 'সংঘমিত্ৰা'ই তেখেতৰক জীৱনৰ বিভিন্ন দিশ সামৰি দুশৰো অধিক লেখক-লেখিকাই লিখা বৃহৎ কলেবৰ গ্ৰন্থ 'ৰত্নগৰ্ভা ড০ সুখ বৰুৱা'' এক মহতী কামৰ নিদৰ্শন যি কালৰ বুকুত ধৰি ৰাখিলে এক অদম্য শক্তিধাৰিণী অনন্যা নাৰীৰ অপূৰ্ব জীৱনগাঁথা।

অধ্যয়নপ্ৰিয় স্বামী শ্ৰীযুত বিনন্দ বৰুৱা মহোদয়ৰ সৈতে ১৯৬৯ চনতে আৰম্ভ কৰা বৈবাহিক জীৱনো সুখ বাইদেৱে প্ৰকৃততে সুখময় কৰি ৰাখিছিল মৰম, নিষ্ঠা আৰু পৰিয়ালৰ সৰু-বৰ সকলোকে আপোন কৰি লোৱাৰ দক্ষতাৰে। দুই পুত্ৰ আৰু এগৰাকী কন্যাকো আদৰ্শ শিক্ষাৰে মানৱসম্পদ ৰূপে গঢ়ি থৈ গ'ল। স্বামী, পুত্ৰ-বোৱাৰী, জী-জোঁৱাই, নাতি-নাতিনী, মিতিৰ কুটুম, বন্ধু-বান্ধৱী, আলহী-অতিথিৰে ভৰপূৰ ঘৰখনত আজি মৰাণ আৰু কাষৰীয়া ৰাইজৰ ওপৰিও দূৰ-দূৰণিৰ গুণমুগ্ধসকলে সুখ বাইদেউৰ গুণানুকীৰ্তনৰে ভৰাই তুলিছে। অতনু অৱস্থাতো বাইদেউ সকলোতে বিৰাজমান যেন বোধ হৈছে। মহীয়সীৰ মৃত্যু নাই। ●

---

# এধানি স্মৃতি...

**খগেন্দ্ৰনাথ বৰুৱা**

তেতিয়া সম্ভৱত ১৯৬১//১৯৬২ চন। আমি তেতিয়া শিৱসাগৰ কলেজৰ মানে এতিয়াৰ জয়সাগৰ কলেজৰ ছাত্ৰ। মোৰ বান্ধৱী সুখ তেতিয়া ল'ৰাৰ দৰেই দপদপাই থকা এজনী অত্যন্ত সাহসী ছোৱালী। তোমাৰ মৃত্যুয়ে মোকো বাকৰুদ্ধ কৰি পেলাইছে। বহুত মনত পৰিছে কলেজত আমি লাহতী হ'ল, বাগৰী হ'ল আদিত ... ক্লাছ কৰাৰ সময়বোৰ। ব্যস্ততাৰ মাজতো আমাৰ ঘৰত আহি খবৰ কৰি যোৱা কথাবোৰ ... । মোৰ ডাঙৰ ছোৱালীজনীক মৰাণ মহিলা মহাবিদ্যালয়ৰ প্ৰথম বেষ্টত তোমাৰ ওচৰত গতাই নাম লগাই দিয়াৰ কথাবোৰ ...।

জন্ম আৰু মৃত্যু কাৰোবাৰ আগত কাৰোবাৰ পিছত এয়াই জীৱনৰ পৰিক্ৰমা।

তোমাৰ কৰ্মই তোমাৰ চিন্তাধাৰাই তোমাক সদায় অমৰ কৰি ৰাখিব ।য'তেই আছাগৈ শান্তিত থাকা ।●

# সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ প্ৰাক্তন সভানেত্ৰী ড° সুখ বৰুৱাৰ বিয়োগত একাজলি শ্ৰদ্ধাঞ্জলি

**বিনীতা দত্ত**

মৃত্যু এক চিৰন্তন সত্য বুলি জানো যদিও আপোন সুহৃদজনৰ চিৰ বিদায় আমি কেতিয়াও সহজভাৱে ল'ব নোৱাৰো। শ্ৰীমদ্ভাগৱত গীতাৰ দ্বিতীয় অধ্যায়ত পৰমপুৰুষ শ্ৰীকৃষ্ণই অৰ্জুনক কুৰুক্ষেত্ৰ মহাসমৰত যুঁজিবলৈ প্ৰেৰণা দিওতে আত্মাৰ অবিনশ্বৰতা আৰু পৰমাত্মাৰ মহাত্ম্যৰ কথা বুজাবলৈ গৈ কৈছিল - আত্মাই মৃত্যুৰ যোগেদি পুৰণি ধাৰা সলাই নতুন সাজ পিন্ধে। কিন্তু মায়াৰ বন্ধনত আৱদ্ধ আমি মূঢ় মতি জীৱই গীতা ৰহস্য বুজিব নোৱাৰো। সেয়ে যোৱা ৩ ছেপ্তেম্বৰ (২০২৩) দেওবাৰে, আমাৰ মাজৰ পৰা আঁতৰি যোৱাৰ ড০ সুখ বৰুৱাৰ মৃত্যুত সহজভাৱে ল'ব পৰা নাই। বাৰে বাৰে তেখেতৰ গল্‌গলীয়া মাতযাৰ যেন কাণত বাজি আছে। তেখেত যেন আমাৰ ওচৰে পাজৰেই আছে আৰু ওলাই আহি হাঁহি মাৰি ক'বহি - "ভালে আছানে?" প্ৰায় তিনি মাহ মান তেখেতে ফোন কৰা নাই যদিও আশাকৰো ফোনটো মৰাণৰ পৰা আকৌ আহিব! এয়াই জানো জীৱন? জীৱন নাটৰ যৱনিকা এনেদৰেই পৰেনে? ময়ে মনটোক বুজাব পৰা নাই। ধন-মন-মাতোয়ে এই সত্য মানি ল'বলৈ যেন পৰমেশ্বৰে ধৈৰ্য্য আৰু শক্তি দিয়ে। শ্ৰীযুত বিনন্দ বৰুৱাদেৰে যেন এই শূণ্যতা সহ্য কৰিবলৈ সাহস পায়।

ড° সুখ বৰুৱা এক পৰিপূৰ্ণ জীৱন উদযাপন কৰি সন্মানেৰে আঁতৰি গ'ল। মানুহে এটা জীৱনত কৰিব পৰা প্ৰায় সকলোখিনি তেখেতে সফলতাৰে সম্পন্ন কৰিলে। বেতবাৰী অঞ্চলত স্ত্ৰী-শিক্ষাৰ পোহৰ পেলাই মৰাণ বোৱাৰী হৈ স্ত্ৰী-শিক্ষাৰ সম্প্ৰসাৰণৰ অৰ্থে জীৱন পাত কৰিলে। মৰাণ মহিলা মহাবিদ্যালয় তেখেতৰ কৰ্মৰ অক্ষয় বন্তি হৈ ৰ'ব। নাৰীৰ আত্মপৰিচয় আৰু আত্মসন্মান প্ৰতিষ্ঠা কৰিবলৈ গঢ়ি তুলিলে 'সংঘমিত্ৰা'। মৰাণ শাখা লেখিকা সমাৰোহ প্ৰতিষ্ঠা কৰি সফলভাৱে মৰাণ আঞ্চলিক লেখিকা সমাৰোহ সমিতি, মৰাণ অধিৱেশন সম্পন্ন কৰিলে। সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ দৰে এক বৃহৎ সাহিত্য সংস্কৃতিসেৱী অনুষ্ঠানত সমুখৰ পৰা সভানেত্ৰীৰূপে নেতৃত্ব দিলে। ব্যক্তিগত জীৱনত এগৰাকী সফল মাতৃ আৰু গৃহিনী ৰূপে নিজৰ সংসাৰ খন নিয়াৰিকৈ চলাইও ৰাজহুৱা জীৱনত তেখেতে যি অৱদান আগবঢ়ালে তাৰ বাবে তেখেতলৈ আগবঢ়োৱা হ'ল - 'মৰাণ কুঁৱৰী', 'ৰত্নগৰ্ভা' আদি অভিধা। তেখেতৰ অভিনন্দন গ্ৰন্থই তেখেতৰ জীৱন। কৰ্ম আৰু দৰ্শন সুন্দৰকৈ প্ৰতিফলিত কৰিছে। সেইখিনি দোহাৰিব খোজা নাই।

সাহিত্যৰ জগতত তেখেতৰ অৱদান চিৰস্মৰণীয় হৈ থাকিব। বিশেষকৈ তেখেতৰ গৱেষণা গ্ৰন্থখনি মধ্যযুগৰ অসমৰ এখন প্ৰামান্য দলিল স্বৰূপ। সৃষ্টিমূলক আৰু গৱেষণা মূলক - এই দুই ধাৰাৰ সুখ বৰুৱাৰ সাহিত্যকৰ্মৰ বাবে তেখেতে অসম চৰকাৰৰ সাহিত্যিক পেঞ্চন লাভ কৰিছে। অসম চৰকাৰে তেখেতলৈ চন্দ্ৰপ্ৰভা শইকীয়ানী বঁটা আগবঢ়াই তেখেতৰ ব্যক্তিত্ব আৰু কৰ্ম্মৰাজিৰ স্বীকৃতি দিছে।

এনে এগৰাকী স্বনামধন্য মহিয়ষী ব্যক্তিৰ বিয়োগত মৰ্মাহত হৈছো। আমি হেৰুৱালো এগৰাকী কৰ্মচঞ্চল উদ্যোগী সহকৰ্ম্মী। তেখেতৰক শূন্যতা একোৱে পূৰণ কৰিব নোৱাৰে। আজি তেখেতৰ আদ্যশ্ৰাদ্ধৰ পবিত্ৰক্ষণত ব্যক্তিগতভাৱে উপস্থিত থাকিব নোৱাৰি নিজেই দুঃখিত। পৰমেশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰিছো এই গৰাকী কৰ্মপ্ৰাণা মহিলাৰ পবিত্ৰ আত্মাই যেন চিৰশান্তি লাভ কৰে। ওঁম শান্তি! ওঁম শান্তি!! ●

---

# শ্ৰদ্ধাৰ সুখ বাইদেউলৈ শ্ৰদ্ধাঞ্জলি

**ৰেণু বৰুৱা**

*“পিতৃ-মাতৃ-ভাতৃ ভাৰ্য্যাৰ সংযোগে*
*কতোহো মিলৈ সন্তোষ*
*তাহাৰ বিয়োগে ক’তো শোকে কান্দো*
*পায়া মহা অসন্তোষ।” (কীৰ্ত্তন)*

জন্মিলে মৃত্যু অনিবাৰ্য্য। এই সত্যাটোকে মানি ল’বলৈ বৰ কষ্ট হয়। যোৱা ৩ছেপ্তেম্বৰত আমাক শোক সাগৰত পেলাই অনন্তধামলৈ গুচি গ’ল সুখ বাইদেউ। বাইদেউৰ ব্যক্তিত্ব আৰু নেতৃত্বই মৰাণ অঞ্চলবাসীৰ বাবে আছিল প্ৰেৰণাৰ উৎস। বাইদেউৰ সৰল নেতৃত্বত গঢ় লৈ উঠা অনুষ্ঠান সমূহৰ ভিতৰত সদৌ অসম লেখিকা সমাৰোহ সমিতি মৰাণ শাখা আৰু সংঘমিত্ৰা মহিলা মঞ্চৰ লগতে সংঘমিত্ৰা জাতীয় বিদ্যালয়খনো অন্যতম। মৰাণৰ নাৰীসকলক সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰখনত আগুৱাই নিয়াত যি অৱদান দি গ’ল আমি সকলোৱে মনত ৰাখিম। বাইদেউৰ বিষয়ে লিখিবলৈ আজি মোৰ মনটো সংযম কৰিব পৰা নাই। বাইদেউৰ লগত মোৰ গভীৰ ভালপোৱা আৰু আত্মিক সম্বন্ধ থকাৰ বাবেই হয়তো কলম চলাব পৰা নাই। বহুত স্মৃতিয়ে মনত আগাদেৰা কৰিছেহি। মৰাণৰ নাৰী সমাজৰ বাবে বাইদেউ আছিল একক আৰু অনন্যা। শেষত কওঁ যে বাইদেউ আমাৰ মাজত অমৰ হৈ থাকক। তেখেতৰ আত্মাই চিৰশান্তি লাভ কৰক, লগতে পৰিয়াল বৰ্গলৈ সমবেদনা জ্ঞাপন কৰিলোঁ। ●

# মোৰ মানসপটত মাহীদেউ

**ৰূপজ্যোতি গগৈ**

প্ৰকৃতি নিয়ম মানি মাহীদেউ গুছি গ'ল কেতিয়াও ঘূৰি নহাৰ দেশলৈ। যদিও আমি সকলোৱে জানো যে মৃত্যু এক চিৰন্তন সত্য, তথাপিও আপোনজনৰ মৃত্যুক আমি স্বীকাৰ কৰিবলৈ কষ্ট পাওঁ। এই সত্যটোৱে সকলোৱে মনত এক ব্যাখ্যাহীন বিষাদৰ জন্ম দিয়ে। জীৱনৰ আটাইতকৈ নিৰ্মম আৰু কৰ্কশ শব্দটোৱে হৈছে "মৃত্যু"। মাহীদেউৰ মৃত্যুৰ বাতৰিয়ে অতিশয় মৰ্মাহত কৰি তুলিলে। জীৱনৰ এই কঠিন বাস্তৱক আমি স্বীকাৰ কৰিবলৈ বাধ্য।

মাহীদেউৰ বিষয়ে লিখিবলৈ যাওঁতে মনৰ মাজত বহুতো স্মৃতিয়ে আমি আমনি কৰিছেহি। তেওঁৰ দৰে বিশাল ব্যক্তিত্বৰ এগৰাকী মহীয়ষী নাৰীৰ বিষয়ে লিখাটো ইমান সহজসাধ্য নহয়। মাহীদেউ সমাজৰ বাবে এগৰাকী আদৰ্শ নাৰী আছিল। জীৱনৰ প্ৰতিটো ক্ষণ খুব সুন্দৰকৈ তেখেতে ব্যৱহাৰ কৰিব জানিছিল। সেইবাবে তেওঁ নিজকে সদায় লিখামেলা, সমাজৰ বা ঘৰুৱা কামত ব্যস্ত ৰাখি ভাল পাইছিলে। তেওঁ শিক্ষকতাৰ লগত জড়িত থকাৰ সমান্তৰালকৈ নিজকে এগৰাকী সুসাহিত্যিক, সুবক্তা আৰু সুগৃহিনীৰূপে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল। তেওঁ ঘৰৰ, শিক্ষানুষ্ঠানৰ বা সমাজৰ যিকোনো দায়িত্ব বৰ আন্তৰিকতাৰে আৰু সুচাৰুভাৱে পালন কৰিব পাৰিছিল। তেওঁৰ সৃষ্টিৰাজিয়ে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

মোৰ জীৱনত মাহীদেউৰ অভাৱনীয় প্ৰভাৱ আছে, যিখিনি কথা হয়তো কেতিয়াও তেওঁৰ সন্মুখত প্ৰকাস কৰা নহ'ল। সহজ সৰল আৰু অতিশয় মৰমিয়াল মাহীদেউৰ আমাৰ প্ৰতি যি অকৃত্ৰিম মৰম আৰু আৱদাৰ আছিল সেইয়া আমি কেতিয়াও পাহৰিব নোৱাৰিম। তেখেতৰ মৰমৰ ছাঁয়াতে আমি ডাঙৰ হ'লো। মোৰ সাংস্কৃতিক জীৱনতো মাহীদেউৰ প্ৰভাৱ নুই কৰিব নোৱাৰি। তেওঁৰ সৈতে জীৱনৰ বিভিন্ন সময়ৰ বহুতো স্মৃতি জড়িত হৈ আছে। আমাৰ একমাত্ৰ মাহীৰ ওচৰত আমি কৰা মৰমৰ দাবীবোৰ তেওঁ বৰ আন্তৰিকতাৰে পূৰণ কৰিছিল আৰু তাৰবাবে মাহীয়ে মাৰ পৰা গালিও শুনিবলগীয়া হৈছিল। তেওঁৰ ওচৰত যেন আমি সদায় সৰু ল'ৰাৰ দৰে হৈ পৰিছিলো। তেওঁ আমাক দিয়া মৰমবোৰ, দিহা পৰামৰ্শবোৰ মোৰ জীৱনৰ বাবে এক অমল্য সম্পদ হিচাপে থাকি যাব মোৰ স্মৃতিৰ মানসপটত। মাৰ পিছতেই মোৰ জীৱনত মাহীৰ গুৰুত্ব আছিল আটাইতকৈ বেছি।

মাহী আপোনাৰ মহাপ্ৰয়ানত বিষাদ গধুৰ অন্তৰে অশ্ৰুঅঞ্জলি যাচিছোঁ, আপুনি য'তেই আছে শান্তিৰে থাকক। আপুনি আজীৱন মোৰ স্মৃতিৰ মানসপটত সজীৱ হৈ ৰ'ব। আপোনাৰ দিহা পৰামৰ্শবোৰ আদৰ্শ হিচাপে লৈ জীৱনটো আগুৱাই নিবলৈ প্ৰতিনিয়ত চেষ্টা কৰিম। আপোনাৰ আত্মাই চিৰশান্তি লাভ কৰক।

ওঁম শান্তি! ওঁম শান্তি! ওঁম শান্তি। ●

# এগৰাকী মহীয়সী নাৰীৰ সান্নিধ্যত

**মনিতা বৰুৱা**

তিনি ছেপ্তেম্বৰৰ দিনা হঠাতে ড° সুখ বৰুৱাৰ মৃত্যুৰ বাতৰিটো শুনি মৰ্মাহত হ'লো। এনেকৈযে তেখেত গুছি যাবগৈ সপোনতো ভাবিব পৰা নাছিলো। তেখেত অসমৰ আকাশত ভোটা তৰাৰ দৰে জিলিকি আছিল। তেখেতে সু-সাহিত্যিক, শিক্ষাবিদ, সমাজ সংস্কাৰক, সু-সংগঠক ৰূপে প্ৰতিষ্ঠা লাভ কৰিছিল। নামেই যাৰ চিনাকি। উচ্চ শিক্ষাৰ জ্যোতিৰে উদ্দীপ্ত হৈ সাহিত্য সংস্কৃতিৰ পথাৰখন কৰ্ষণ কৰি অতি কম বয়সতেই নাৰী সবলীকৰণৰ কথা চিন্তা কৰি সৰ্বতো প্ৰকাৰে নাৰীৰ উৎকৰ্ষ সাধনৰ বাবে আত্মনিয়োগ কৰি এই গৰাকী মহীয়সী নাৰীয়ে আজীৱন অহোপুৰুষাৰ্থ কৰিছিল। সৰুৰে পৰাই গীতাৰ কৰ্মযোগত ব্ৰতী হৈ মাত্ৰ বাইশ বছৰ বয়সতে নিজৰ জন্মস্থান শিৱসাগৰ জিলাৰ বেতবাৰীত এখনি বালিকা উচ্চ মাধ্যমিক বিদ্যালয় স্থাপন কৰি সেই অঞ্চলৰ নাৰী সকলক সচেতন কৰি তুলিবলৈ নাৰী শিক্ষাৰ বাট মুকলি কৰি দিছিল আৰু সেইখন বিদ্যালয়ৰে প্ৰধান শিক্ষয়িত্ৰীৰ দায়িত্ব পালনেৰে বাইদেৱে কৰ্ম জীৱনৰ পাতনি মেলিছিল।

অসমৰ আন এগৰাকী মহীয়সী নাৰী ড° শীলা বৰঠাকুৰ বাইদেউৰ চিন্তা চেতনাত ইং ১৯৭৪ চনৰ ২ নভেম্বৰত ইতিহাসে পৰশা উষা নগৰীৰ ঐতিহ্যমণ্ডিত তেজপুৰত গঠন হোৱা মহিলা সকলৰ বাবে সাহিত্য-সংস্কৃতিৰ এটি অগ্ৰনী অনুষ্ঠান সদৌ অসম লেখিকা সমাৰোহ সমিতি। ড° সুখ বৰুৱা বাইদেউয়ে এই অনুষ্ঠানটিৰ লগত ওতঃপ্ৰোত ভাৱে সংপৃক্ত হৈ মৰাণৰ মহিলা সকলৰ হাততো কলম তুলি দিবলৈ ইং ১৯৮৯ চনত মৰাণতো লেখিকাৰ এটি শাখা গঠন কৰি অতি কম দিনৰ ভিতৰতে শাখা খনক শক্তিশালী কৰি তুলিছিল। ফল স্বৰূপে ইং ২০০৮ চনত সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ দ্বাবিংশতিতম্ দ্বি-বাৰ্ষিক অধিৱেশন মৰাণত অতি সফলতাৰে ৰূপায়িত কৰি গোটেই অসমতে ভূয়সী প্ৰশংসা বুটলিবলৈ সক্ষম হৈছিল।

ড° সুখ বৰুৱা এই গৰাকী কৰ্ত্তব্য পৰায়ণা মহীয়সী নাৰীক মোৰ প্ৰথম দেখাৰ সৌভাগ্য হৈছিল ইং ২০১০ চনত সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ যোৰহাটৰ অধিৱেশনত কাৰ্য্যকৰী সভানেত্ৰীৰ ৰূপত মঞ্চ শুৱনি কৰি বহি আছিল সমিতিৰ সভানেত্ৰী ড° সুনীতি সোনোৱাল বাইদেউ আৰু অনান্য বিষয় ববীয়াৰ লগত। একেৰাহে চাৰিদিন উপস্থিত থাকি মই অধিৱেশন উপভোগ কৰিছিলো। সেই আপাহতে মহীয়সী নাৰী গৰাকীৰ লগত চিনাকি হোৱাৰ সুযোগ পাইছিলো। মৰম চেনেহৰে ভৰি থকা অন্তৰ খনৰ গৰাকী ড° সুখ বৰুৱা বাইদেউৰ লগত চিনাকী হৈ মই আপ্লুত হৈ পৰিছিলো। দয়া মমতাৰে ভৰি থকা হৃদয়খন কেতিয়াবা কৰ্ত্তব্যৰ খাতিৰত দৃঢ় হৈ পৰাও দেখিছিলো, এয়াই বাইদেউৰ ব্যক্তিত্ব। সেই অধিৱেশনত বাইদেউৰ তথ্য গধুৰ গুৰু গম্ভীৰ

ভাষণে মোক বাৰুকৈয়ে আকৃষ্ট কৰিছিল। সদৌ অসম লেখিকা সমাৰোহ সমিতিক কেন্দ্ৰ কৰিয়েই ড° সুখ বৰুৱা বাইদেউৰ লগত মোৰ চিনাকি হৈ লাহে লাহে আন্তৰিক সম্পৰ্ক গঢ়ি উঠিছিল। এই গৰাকী নিষ্ঠাৱতী, কৰ্মোদ্যোগী, সৎসাহসী, সাহিত্যানুৰাগী মহীয়সী নাৰী ইং ২০১৪ চনত ডুমডুমা অধিৱেশনত সদৌ অসম লেখিকা সমাৰোহ সমিতিয়ে সমিতিৰ সৰ্বোচ্চ পদত অধিষ্ঠিত কৰি সভানেত্ৰীৰ গুৰু দায়িত্ব প্ৰদান কৰিছিল। বাইদেৱে সেই দায়িত্বক কৰ্ত্তব্য বুলি ভাবি মূৰ পাতি গ্ৰহণ কৰি সমিতিৰ উত্তৰণ ঘটোৱাৰ বাবে বিভিন্ন আঁচনি গ্ৰহণ কৰি ৰূপায়িত কৰিছিল। সেই অধিৱেশনতে আমি ধুবুৰী জিলাৰ লেখিকা সকল ইং ২০১৬ চনৰ অধিৱেশন ধুবুৰীত অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰি ডুমডুমা অধিৱেশনৰ মঞ্চত নিমন্ত্ৰণৰ শৰাই আগবঢ়াই থৈ আহিছিলো। অধিৱেশনৰ প্ৰক্ৰিয়া আৰম্ভ কৰিবলৈ ড° সুখ বৰুৱা বাইদেউ আৰু কেই গৰাকীমান কেন্দ্ৰৰ বিষয় ববীয়াই পৰিচালনা সমিতি গঠন কৰিবলৈ আৰু আমাক উৎসাহিত আৰু কৰ্মপ্ৰেৰণা যোগাবলৈ ধুবুৰীলৈ আহিছিল। সেই মৰ্মে ড° সুখ বৰুৱা বাইদেৱে মৰাণৰ কণমাই বাইদেউক লগত লৈ ইং ২২-১১-২০১৪ তাৰিখে মৰাণৰ পৰা ৰাজধানী এক্সপ্ৰেছত আহি কোকোৰাঝাৰত নামিছিল। মই আৰু শ্ৰীযুতা অঞ্জলি ব্ৰহ্ম বাইদেৱে ড° সুখ বৰুৱা বাইদেউক আদৰি আনিবলৈ কোকোৰাঝাৰলৈ গাড়ী লৈ গৈছিলো। পূৰ্বৰে পৰিকল্পনা মতে কোকোৰাঝাৰত ব্ৰহ্ম বাইদেউৰ ভাইটিৰ ঘৰত আমি সকলোৱে দুপুৰীয়াৰ আহাৰ গ্ৰহণ কৰি গৌৰীপুৰ লৈ ৰওনা হৈছিলো । মোৰ পৰম সৌভাগ্য যে ড° সুখ বৰুৱা বাইদেৱে সেইদিনা আমাৰ ঘৰত থাকি আমাৰ আতিথ্য গ্ৰহণ কৰিছিল। সেই দিনটো মোৰ বাবে এটা স্মৰণীয় দিন হৈ থাকিব। পিছদিনা ৰাতিপুৱা অৰ্থাৎ ইং ২৩-১১-২০১৪ তাৰিখে ড° সুখ বৰুৱা বাইদেউৰ নেতৃত্বত ধুবুৰী বাসী ৰাইজৰ উপস্থিতিত ধুবুৰী সাহিত্য সভা ভৱনত সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ ষষ্ঠ বিংশতিতম্ অধিৱেশনৰ সফলতা কামনা কৰি এখন শক্তিশালী পৰিচালনা সমিতি গঠন কৰা হৈছিল। সেই সভাত ধুবুৰী জিলাৰ সদাশয় সাহিত্যপ্ৰেমী ৰাইজে অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ প্ৰধান সম্পাদিকাৰ গুৰু দায়িত্ব আমাক অৰ্পণ কৰিছিল। ৰাইজৰ সিদ্ধান্তক আশীৰ্বাদ বুলিয়েই মূৰ পাতি সেই দায়িত্ব গ্ৰহণ কৰিছিলো। এই গৰাকী মহীয়সী নাৰীয়ে অধিৱেশনৰ সফলতাৰ কথা চিন্তা কৰি সৰ্বতো প্ৰকাৰে সহায় সহযোগিতা আগবঢ়াইছিল। নানা দিহা পৰামৰ্শ প্ৰদান কৰি আমাৰ মনত সাহস যোগাইছিল। সেই একে বছৰতে অৰ্থাৎ ২০১৪ চনৰ ডিচেম্বৰ মাহৰ কথা। মৰাণত আইদেউ সন্দিকৈ বঁটা প্ৰদান অনুষ্ঠানটি সম্পাদন কৰিবলৈ যোজা কৰিছিল। সেয়ে ধুবুৰী জিলাৰ পৰা ব্ৰহ্ম বাইদেউকে ধৰি আমি সাত গৰাকী সদস্যাই যোল্ল তাৰিখ দুপৰীয়া ৰেল যোগে মৰাণত গৈ উপস্থিত হৈছিলো। ড° সুখ বৰুৱা বাইদেৱে লেখিকাৰ বাইদেউ এগৰাকীক পঠিয়াই গাড়ীৰে আমাক বাইদেউৰ ঘৰত লৈ গৈছিল। বেলেগ ঠাইত থকা খোৱাৰ ব্যৱস্থা থকা সত্বেও ড° সুখ বৰুৱা বাইদেউৰ ঘৰতে গা-পা ধুই বাইদেউৰ কথা মতে দুপৰীয়াৰ আহাৰো আমি তাতেই গ্ৰহণ কৰিছিলো। অকল আমিয়ে নহয় প্ৰত্যক্ষ কৰিছিলো অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা বহু লেখিকাই বাইদেউৰ ঘৰত আহাৰ গ্ৰহণ কৰিছিল। আচলতে অতি সহজেই সকলোকে আপোন কৰি ল'ব পাৰিছিল ড° সুখ বৰুৱা বাইদেৱে দয়াৰ সাগৰ বাইদেৱে আটাইকে দুপৰীয়াৰ সাঁজ খুৱাই উঠি আমাক লৈ আবেলিৰ কাৰ্যকৰী সভালৈ

যাবলৈ ওলাল।

আমাৰ ধুবুৰীৰ সাত গৰাকী লেখিকাৰ ভিতৰত তিনি গৰাকীক বাইদেউৰ তাত ৰাখি চাৰি গৰাকীক বেলেগ ঠাইত থকাৰ ব্যৱস্থা কৰি দিব খুজিছিল। আমি বাইদেউক আপত্তি জনালো। ধুবুৰীৰ আটায়ে একেলগে থাকিম বুলি কলো। দৰকাৰ হ'লে মাটিতে বিছনা পাতি আপোনাৰ ঘৰতেই থাকিম তথাপি বেলেগ ঠাইত নাযাওঁ বুলি আব্দাৰ কৰিলো। বাইদেউয়ে আমাক ধেমালি কৰি কৈছিল- "ও আই, খাব দিলো এতিয়া শুৱও খোজে" পিছ মূহুৰ্ত্তে কৈছিল-- "ঠিক আছে বাৰু আন দুগৰাকী সদস্যা ইয়াতে থকাৰ কথা আছিল তেওঁলোকক বেলেগ ঠাইত ব্যৱস্থা কৰি দিম।" তাৰ পিছত হাঁহি হাঁহি কৈছিল-- "কিন্তু এটা কথা বেছি ৰাতিলৈ কথা পাতি থাকিব নোৱাৰিবা।" ঠিক আছে বুলি আমিও হয়ভৰ দিলো। সভাৰ অন্তত খোৱা লোৱা পৰ্ব শেষ কৰি আমি শুবলৈ আহি চাওঁ ভিনদেউয়ে পৰিপাটিকৈ সকলোৰে থকাৰ ব্যৱস্থা কৰি থৈছে। বাইদেউৰ সকলো কামতে ভিনদেউৰ সহায়-সহযোগিতা, পোষকতা আৰু সমৰ্থন আছে বুলি মই অনুমান কৰিলো। মৃদু আৰু স্বল্পভাষী মৰমিয়াল ভিনদেউলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জন্মিছিল। পিছদিনা অৰ্থাৎ ইং ১৭-১২-২০১৪ তাৰিখে আইদেউ সন্দিকৈ বঁটা প্ৰদান অনুষ্ঠানটি সুকলমে হৈ যোৱাৰ পিছত আমি ডিব্ৰুগড়লৈ যোৱাৰ পৰিকল্পনা কৰিছিলো তাত থকা ব্ৰহ্মবাইদেউৰ বাইদেউ আৰু ভন্টীৰ লগত দেখা কৰিবলৈ। ব্ৰহ্মবাইদেউক লবলৈ তেখেত সকলে এখন গাড়ীলৈ আহিছিল। আমাক দুখন গাড়ী লাগিছিল। ড° সুখ বৰুৱা বাইদেৱে আমাক আনখন গাড়ীৰ ব্যৱস্থা কৰি দি গাড়ীৰ ভাৰা পৰ্যন্ত দি দিছিল। বাইদেউক ইমানকৈ কোৱাৰ পিছতো আমাৰ পৰা এক পইচাও লোৱা নাছিল। আমাৰ প্ৰতি বাইদেউৰ আন্তৰিকতা দেখি মোৰ চকুপানীক বাধা দি ৰাখিব নোৱাৰিলো। বাইদেউৰ মৰম চেনেহৰ গভীৰতাক জুখিলে সচাঁকৈ তেখেতৰ প্ৰতি শ্ৰদ্ধাত মূৰ দো খাই যায়।

ড° সুখ বৰুৱা বাইদেৱে দ্বিতীয় বাৰৰ বাবে ধুবুৰীলৈ আহিছিল ইং ২০১৬ চনত, ৬ ফেব্ৰুৱাৰীৰ পৰা ৯ ফেব্ৰুৱাৰী লৈ ৰাজা প্ৰভাত চন্দ্ৰ বৰুৱা খেল পথাৰ, নেতাই ধুবুনী সমন্বয় ক্ষেত্ৰত অনুষ্ঠিত হোৱা সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ ষষ্ঠবিংশতিতম দ্বিবাৰ্ষিক অধিৱেশনৰ নেতৃত্ব দিবলৈ। বাইদেউৰ দৃঢ় নেতৃত্বৰ বাবেই অতি শৃংখলা বদ্ধ ভাৱে আৰু সুচাৰু ৰূপে ধুবুৰীত আড়ম্বৰ পূৰ্ণ অধিৱেশন সম্পাদিত হৈছিল। অধিৱেশনৰ প্ৰত্যেক দিনাই অতি নিবিড় ভাৱে এই গৰাকী মহীয়সী নাৰীৰ সান্নিধ্য আমি লাভ কৰিছিলো। অধিৱেশনৰ শেষৰ দিনা ন-পুৰণি সভানেত্ৰীয়ে ৰথত উঠি কৰা শোভা যাত্ৰাৰ দৃশ্য অতি মোহনীয় আছিল।

কৰ্মময় জীৱনত কৰ্মৰ ধাৰা অব্যাহত ৰাখি তেখেতে বহু কবিতা, গল্প আৰু প্ৰৱন্ধ ৰচনা কৰি সাহিত্যৰ পথাৰ খনো সেউজীয়া কৰিছিল। ড° সুখ বৰুৱা বাইদেৱে লাভ কৰা বিভিন্ন বঁটা আৰু সম্বৰ্ধনাৰ তালিকাখন বহু দীঘলীয়া।

পৰিশেষত এই গৰাকী মহীয়সী নাৰীৰ পৰলোকগমনত গভীৰ শোক প্ৰকাশ কৰি পৰমেশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰিছো; তেখেতৰ বিদেহ আত্মাই যেন সদ্গতি লাভ কৰে। লগতে শোক সন্তপ্ত পৰিয়াল বৰ্গলৈ সমবেদনা জ্ঞাপন কৰিলো।❍

# স্মৃতিৰ পটত ড° সুখ বৰুৱা বাইদেউলৈ শ্ৰদ্ধাঞ্জলি

**প্ৰতিভা বৰুৱা**

*"আহিছে মানুহ, গৈছে মানুহ*
*মানুহ ময়াপী জীৱ,*
*মানুহ সুতৰ অন্ত নাইকিয়া*
*বুলিলে মৰত কিয়?"*

এই নিয়মকে সন্মান জনাই শ্ৰদ্ধাভাজন ড° সুখ বৰুৱা বাইদেউৱে যোৱা ৩/৯/২০২৩ দেওবাৰে চিৰ দিনৰ বাবে বিদায় মাগিলে।

বাইদেউৱে এৰি থৈ যোৱা মৰম-স্নেহ, শ্ৰদ্ধা-ভক্তি, সন্মান আৰু ব্যৱহাৰৰ আদান-প্ৰদানে আজি বাইদেউৰ অনুপস্থিতত আমাৰ অন্তৰখন উচুপি উঠিছে।

সময়বোৰে সমস্যাও পৰিবৰ্তন ঘটায়। পাৰিবাৰিক জীৱনত বাইদেউৰ আমাৰ বাবে পৰামৰ্শদাতা আছিল। এগৰাকী প্ৰতিষ্ঠাপক অধ্যক্ষা, সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ প্ৰাক্তন সভানেত্ৰী, চন্দ্ৰপ্ৰভা শইকীয়ানী বঁটা প্ৰাপ্ত, সংঘমিত্ৰা প্ৰতিষ্ঠাপক সভানেত্ৰীকে ধৰি বিভিন্ন অনুষ্ঠানৰ লগত জড়িত ড° সুখ বৰুৱা সৎ, নিৰ্ভীক তথা আমাৰ সুখ-দুখ অনুভৱ কৰিব পৰা বহল হৃদয়ৰ গৰাকী।

তেওঁ ৰাজহুৱা আৰু ব্যক্তিগতভাৱে সহৃদয়তাৰে সহায়-সহযোগ কৰিছিল। মানুহ জন্মিলে মৃত্যু হ'বই। জন্ম-মৃত্যুৰ মাজৰ সময়খিনিয়েই মানুহৰ জীৱন। যেতিয়া এজন ব্যক্তি অতিকৈ শ্ৰদ্ধাৰ আৰু সকলোৰে প্ৰিয় পাত্ৰ হয় তেতিয়া তেনে এজন ব্যক্তিৰ মৃত্যুক সহজভাৱে ল'বলৈ যথেষ্ট মনোকষ্ট ভুগিব লগা হয়। বাইদেউৰ মৃত্যুৱে তেওঁক কায়িক বিচ্ছেদ ঘটালেও সৎ কৰ্ম সধাজনক তেওঁৰ কৰ্মই জীয়াই ৰাখিব। কবি হীৰেন ভট্টাচাৰ্যদেৱে প্ৰকাশ কৰাৰ দৰে সঁচাকৈয়ে মৃত্যুটো এক শিল্পহে।

আজি বাইদেউৰ পবিত্ৰ আদ্ৰশ্ৰাদ্ধৰ দিন। এই পবিত্ৰ দিনটোৰ পবিত্ৰ ক্ষণত বাইদেউৰ স্বৰ্গগত আত্মাৰ চিৰশান্তি কামনা কৰি ভগৱানৰ শ্ৰীচৰণত প্ৰাথনা জনাইছোঁ।

ওঁম শান্তি শান্তি শান্তি।

# ড° সুখ বাইদেউ সান্নিধ্যত স্মৃতিৰ এখিলা পাত

**উত্তম ফুকন**

*"কোনে পাৰে ৰাখিব পাৰিব মনাই ঐ*
*এনুৱা মানৱী জীৱন।*
*কেঁচাই সৰি যাব পকাই থাকি যাব*
*এয়াই হ'ল নিয়তিৰ নিয়ম।"*

নিয়তিৰ নিয়ম মানি ড০ সুখ বাইদেউ এই সংসাৰৰ পৰা বিদায় মাগিলে। কিন্তু কিছুমান মানুহৰ মৃত্যু সমাজ তথা দহৰ বাবে ক্ষতি। ড০ সুখ বাইদেউৰ মৃত্যুও সমাজৰ বাবে ক্ষতি। প্ৰয়াত ড০ সুখ বৰুৱা বাইদেউ তেনে এক মহিয়সী নাৰী যি গৰাকী নাৰীয়ে সমাজৰ হিতৰ বাবে, নাৰী শিক্ষা প্ৰসাৰৰ বাবে চৰকাৰী চাকৰি বা দি বিভিন্ন অনুষ্ঠান, প্ৰতিষ্ঠান গঢ়ি থৈ গ'ল। ইয়াৰ ভিতৰত মৰাণ মহিলা মহাবিদ্যালয়, সংঘমিত্ৰা মহিলা মঞ্চ, সংঘমিত্ৰা জাতীয় বিদ্যালয়ৰ অন্যতম। বাইদেউ আছিল এক সংগ্ৰামী সত্তা। যেন নিজে এটা অনুষ্ঠান। সদৌ অসম লেখিকা সমাৰোহৰ সভানেত্ৰী পদ অলংকৃত কৰা বাইদেউৰ লগত মোৰ চিনাকী হৈছিল ২০০৬ চনৰ নৱেম্বৰ মাহত। মোৰ বন্ধু অৰুণ বৰুৱাই বাইদেৱে প্ৰতিষ্ঠা কৰা সংঘমিত্ৰা জাতীয় বিদ্যালয়ত কিছুদিন পাঠদান কৰিবৰ বাবে বাইদেউৰ লগত চিনাকি কৰি দিছিল। এম.এ পাছ কৰি এনেয়ে ঘৰত বহি থকাতকৈ তাত শিক্ষাদান কৰিম বুলি বাইদেউক আশ্বাস দিলো। সেয়াই আছিল আৰম্ভণি। বাইদেউৰ ছত্ৰছায়াত থাকি সংঘমিত্ৰা জাতীয় বিদ্যালয়ৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হৈ পৰিলো। সংঘমিত্ৰাক নতুন ৰূপত আগুৱাই নিবলৈ অৰুণবৰুৱা, ৰাতুল চুতীয়া, (বৰ্তমান দুয়োমৰাণ মহিলা মহাবিদ্যালয়ত কৰ্মৰত) অহোপুৰোষাৰ্থ প্ৰচেষ্টা চলাইছিল আৰু লগত আছিল দময়ন্তি কোঁৱৰ, ৰেণু লুখুৰাখন, ৰাজীৱ ভূজেল আদি। দিন ৰাতি একাকাৰ কৰি বিশেষকৈ নৱেম্বৰ আৰু ডিচেম্বৰ মাহত মানুহৰ ঘৰে ঘৰে লৰা-ছোৱালী বিচাৰি ফুৰিছিলো। যাতে সংঘমিত্ৰতাত ছাত্ৰ-ছাত্ৰী সংখ্যা বৃদ্ধি পায়। আমাৰ চেষ্টা সফল হৈছিল আৰু স্কুলখনে নতুন ৰূপ পাবলৈ ধৰিলে। ডিচেম্বৰ মাহত যেতিয়া আমি কঁপি কঁপি বাইদেউ ঘৰত উপস্থিত হৈছিলো। বাইদেৱে আমাক ভাগৰ ভাত খাবলৈ দিছিল। এয়া আছিল বাইদেউৰ আমাৰ প্ৰতি থকা অপত্য স্নেহ। যি স্নেহে আমাক বান্ধি ৰাখিছিল আৰু আমি কাম কৰাৰ প্ৰেৰণা পাইছিলো। কেতিয়াবা বাইদেৱে হতাশ হৈ সংঘমিত্ৰা জাতীয় বিদ্যালয় বন্ধ কৰি দিয়াৰ কথা কৈছিল কিন্তু আমি বাইদেউক আশ্বাস দিছিলো যে আমি থকালৈকে সংঘমিত্ৰাক বন্ধ নহয়

লগতে অভিভাৱকো আশ্বাস দিছিলো আপোনালোকৰ সন্তানে মেট্ৰিক নিদিয়ালৈকে আমি বিদ্যালয় এৰি নেযাও। সেই আশ্বাস বাস্তৱত ৰূপায়িত হৈছিল সংঘমিত্ৰা জাতীয় বিদ্যালয়ে প্ৰথম বছৰত ষ্টাৰ মাৰ্ক সহ ১০০ শতাংশ হৈছিল। তাৰ পাছৰ পৰাই এই বিদ্যালয়ৰ মেট্ৰিকৰ ফলাফল ধাৰাবাহিকভাৱে উন্নত হৈ আহিছে। তাৰে কিছু ছাত্ৰই বৰ্তমান চৰকাৰী চাকৰি আন কিছুমানে বে-চৰকাৰী তথা ভাল ব্যৱসায় কৰি আছে। ব্যক্তিগত কাৰণত ২০১৫ চনত মই সংঘমিত্ৰা ত্যাগ কৰিলো যদিও বৰ্তমানো সংঘমিত্ৰা শিক্ষকবৃন্দ আৰু বাইদেউৰ লগত সম্বন্ধ অটুট আছে। বাইদেউ মোৰ খবৰ লয় মইও বাইদেউৰ খবৰ লওঁ। সংঘমিত্ৰাই মোক শিক্ষক হিচাপে চিনাকি কৰাই দিলে। যাৰ কৃতিত্ব ড০ সুখ বাইদেউ আৰু অৰুণ বৰুৱাক আৰু দিব খোজো। আজি মোৰ চিনাকি সংঘমিত্ৰা বাবেহে সম্ভৱ হৈছে। বাইদেউ কায়িকভাৱে আমাৰ লগত নেথাকিলেও বাইদেউৰ সেই মৰম সুলভ আদেশ, অকৃত্ৰিম মৰমবোৰ জীয়াই আছে আৰু জীয়াই থাকিব।

শেষত বাইদেউৰ বিদেহী আত্মাৰ বৈকুণ্ঠগামী হোৱাৰ কামনাৰে — ●

---

# ত্যাগ আৰু সাধনাৰে উদ্ভাসিত - ড° সুখ বৰুৱা

**মিনতি ৰাজখোৱা**

এই পৃথিৱীলৈ মানুহৰ অহা-যোৱা এক চিৰন্তন প্ৰক্ৰিয়া। এক নিৰ্দিষ্ট সময়ৰ বাবে মানুহ এই বিনন্দীয়া পৃথিৱীলৈ আহে সময় অতিবাহিত হোৱাৰ পাছত চিৰদিনৰ বাবে ইয়াৰ পৰা প্ৰস্থান কৰিবলগীয়া হয়। কিন্তু কিছুলোকে নিজ গুণ আৰু কৰ্মৰ বলত অৰ্জন কৰা কৃতী আৰু কৃতিত্বৰ বাবে দুৰ্লভ মনুষ্য জীৱন সাৰ্থক কৰি তুলিবলৈ সক্ষম হয়। সেইসকল লোকেই সৰ্বকালৰ বাবে বৰেণ্য আৰু নমস্য ব্যক্তি হৈ পৰে।

লিও টলষ্টয়ে কৈছিল- “জীয়াই থকাতো ডাঙৰ কথা নহয়, ডাঙৰ কথাটো হ’ল তুমি আঁতৰি যোৱাৰ পাছতো মানুহৰ মনত তোমাৰ কৰ্মৰাজি, আদৰ্শ জীপাল হৈ থকাটোহে।”

জন্ম আৰু মৃত্যু। জন্ম হ’লেই মৃত্যু আৱশ্যম্ভাৱী। ই প্ৰকৃতিৰ চিৰন্তন নিয়ম। কিন্তু প্ৰকৃতিৰ এই চিৰন্তন নিয়ম জানিও আমি আপোনজনৰ মৃত্যুত অথবা আমি ভালপোৱা কোনো শ্ৰদ্ধেয় ব্যক্তিৰ মৃত্যুত মনত গভীৰ বেদনা অনুভৱ কৰো। সততা অথবা অন্যান্য ব্যক্তিত্বৰ আধাৰত বহুজনে সুকীয়া সুকীয়া স্থান পায় আমাৰ অন্তৰত।

শিৱসাগৰ জিলাৰ বেতবাৰীত ১৯৪৬ চনৰ ৩১ ডিচেম্বৰত সুখ বাইদেউৱে জন্ম গ্ৰহণ কৰিছিল। তেখেতৰ পিতৃৰ নাম আছিল স্বৰ্গীয় ফুলধৰ চেতিয়া আৰু মাতৃৰ নাম স্বৰ্গীয়া গুণলতা চেতিয়া। সৰুৰে পৰাই গল্প, কবিতা, জীৱনীমূলক

প্ৰবন্ধ আদি লিখিবলৈ আৰম্ভ কৰিছিল।

তেখেত জাতীয় স্বাৰ্থক আগত ৰাখি তেখেত জড়িত সকলো সংগঠনক আগবঢ়াই নিয়াৰ বাবে নিৰলস প্ৰয়াস কৰিছিল সমাজৰ প্ৰতিস্তৰৰ দ্বন্দক গভীৰভাৱে আয়ত্ত কৰিবলৈ প্ৰতিক্ষণতে প্ৰচেষ্টা অব্যাহত ৰাখিছিল।

কণ-কণ ছাত্ৰ-ছাত্ৰী সকলৰ শিক্ষাৰ উত্তৰণ ঘটাবৰ বাবে "সংঘমিত্ৰা জাতীয় বিদ্যালয়" মহিলাসকলক স্ব-নিয়োজনৰ বাট দেখুৱাবৰ কাৰণে হস্ততাত বয়ন শিল্পৰ অনুষ্ঠান "সংঘমিত্ৰা মহিলা মঞ্চ", আদি অনুষ্ঠান-প্ৰতিষ্ঠান প্ৰতিষ্ঠা কৰি মহিলাসকল নিয়োজিত হোৱাৰ বাবে বাট দেখুৱাইছিল।

বুৰঞ্জী বিষয়ৰ পৰা আৰম্ভ কৰি সুখ বাইদেউৱে সকলো বিষয়ৰ ওপৰত মূল্যৱান প্ৰবন্ধ লিখিছিল। তেখেতৰ কৰ্মৰাজিৰ ভিতৰত এটা দিশ হ'ল তাই আহোম অধ্যয়নৰ প্ৰসাৰ আৰু উন্নয়ন। তাই ভাষা চৰ্চা আৰু প্ৰচাৰৰ বাবে কেতবোৰ বহুমূলীয়া লেখনি আগবঢ়াইছিল। সেই লেখনি সমূহত তেখেতৰ সৃজনী প্ৰতিভা, সমাজ সচেতনতা আৰু জাতিটোৰ প্ৰতি থকা তেখেতৰ থকা চিন্তা-চৰ্চাৰ ছবিখন দেখিবলৈ পোৱা যায়।

ড° সুখ বৰুৱাৰ স্বামী বিনন্দ চন্দ্ৰ বৰুৱা এগৰাকী অৱসৰপ্ৰাপ্ত বিদ্যালয় পৰিদৰ্শক। তেখেতৰ তিনিওটা সন্তানেই উচ্চ শিক্ষিত আৰু সমাজত প্ৰতিষ্ঠিত।

বাইদেউ মোৰ বাবে এক চিৰ শ্বাশ্বত আদৰ্শ আৰু অনুভূতি হৈ জীয়াই আছে আৰু থাকিব। তেখেতৰ কৰ্মৰাজি আমাৰ কাৰণে প্ৰেৰণা হওক। এনে এগৰাকী বহুগুণ সম্পন্ন প্ৰতিভাৱান লেখিকাৰ বিয়োগত সমাজখনৰ বৃহৎ ক্ষতি হ'ল।

তেখেতৰ বিদেহ আত্মাই পৰম আত্মাৰ লগত বিলীন হৈ চিৰশান্তি লাভ কৰক, এয়ে নেদেখাজনৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ। তেখেতৰ পৰিয়ালবৰ্গ, তেখেতৰ সৎ আদৰ্শৰ জ্যোতিৰে জ্যোতিষ্মান হৈ থাকক।●

# ড° সুখ বৰুৱাৰ মহাপ্ৰয়াণতঃ

**মৃদুস্মিতা শৰ্মা**

এক অনন্য ব্যক্তিত্বৰ অধিকাৰী ড° সুখ ৰৰুৱা এগৰাকী সাহসী নাৰী, নাৰী সমাজৰ বাবে আদৰ্শস্বৰূপ। তেখেতৰ সৌহাৰ্দ্যপূৰ্ণ ব্যৱহাৰে সকলোকে মুগ্ধ কৰিছিল আৰু সুখ বাইদেউৰ কৰ্মৰাজীয়ে বহুতো সামাজিক অনুষ্ঠান সমৃদ্ধ কৰিছিল।

সমাজৰ কাম কৰি সকলোৰে অন্তৰত এখন সুকীয়া আসন অধিকাৰ কৰিব পাৰিছিল বাবেই ৰত্নগৰ্ভা, মৰাণ কুঁৱৰী, কৰ্মযোগী, প্ৰেৰণাময়ী, মহিয়সী, হাব্ৰুনি ফামে আৰু জাচিংফা এই অজস্ৰ নামেৰে তেখেতক বিভূষিত কৰিছিল। গলগলীয়াা মাতটোৰে শদিয়াৰ পৰা ধুবুৰীলৈকে প্ৰতিগৰাকী লেখিকাৰ বৰ মৰমেৰে খা-খবৰ কৰিছিল আৰু লিখা-মেলাত উৎসাহ যোগাইছিল। সু-লেখিকা, গৱেষক, শিক্ষাবিদ, সমাজ সংগঠক, নাৰী শিক্ষাৰ বাটকটীয়া ড° সুখ বৰুৱাই নাৰী সবলীকৰণৰ বাবে নিজৰ জীৱন উচৰ্গা কৰিছিল। এগৰাকী দক্ষ সংগঠক ৰূপে ড° সুখ বৰুৱাই সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ দৰে অনুষ্ঠানৰ সভানেত্ৰীৰ পদ শুৱনি কৰিছিল। সমাজৰ এগৰাকী আগশাৰীৰ নাৰী হিচাপে, এক ব্যক্তিসত্ত্বাৰ পৰা এটি অনুষ্ঠানলৈ ৰূপান্তৰিত হৈছিল এই গৰাকী নাৰী।

হেৰাই গ'ল এটি সুদৃঢ় কণ্ঠৰ গৰাকী....

অসমৰ সাহিত্য জগতৰ বিখ্যাত লেখিকা ড° সুখ বৰুৱাৰ মহাপ্ৰয়াণ মৰাণ তথা অসমৰ বাবে এক অপূৰণীয় ক্ষতি। তেখেত আছিল সদৌ অসম লেখিকা সমাৰোহৰ এখন জীৱন্ত ইতিহাসৰ দৰে। তেখেতৰ আকাশৰ দৰে বিশাল অন্তৰত খোদিত হৈ আছিল লেখিকাৰ জন্মকুণ্ডলী। স্মৃতিশক্তি আছিল প্ৰখৰ। কিবা এটা সুধিলেই মুখতেই কৈ দিব পাৰে।

আমি তেখেতৰ বেছিকৈ সান্নিধ্যলৈ আহোঁ সুবৰ্ণ শইকীয়া বৰদলৈ বাইদেউ প্ৰধান সম্পাদিকা আৰু ড° সুখ বৰুৱা বাইদেউ সভানেত্ৰী হোৱাৰ সময়ত। লাহে লাহে বিভিন্ন কাম-কাজৰ মাজেৰে তেখেত মোৰ অতিকৈ আপোন হৈ পৰে। এনে এগৰাকী মাতৃতুল্য বাইদেউ আমি ক'ত বিচাৰি পাম যি আমাৰ সকলোৰে কথা চিন্তা কৰে। তেখেতৰ ওচৰত মাৰ দৰে সান্নিধ্য পাইছিলোঁ। কিন্তু...

নিয়তিৰ ওচৰত আমিবোৰ অসহায়। কাঢ়ি নিলে অসমৰ এটি মানৱ সম্পদ.. আৰু মানৱ সম্পদ গঢ় দিওঁতা এগৰাকী নিকা মনৰ অধিকাৰীক। মৰাণে হেৰুৱালে এটি সুদৃঢ় ব্যক্তিত্বৰ গৰাকীক।

আপুনি কোৱাবোৰ আমি কৰিবলৈ যত্ন কৰিম... য'তে আছে কুশলে থাকক... আমাকো আশীৰ্বাদ কৰিব তাৰপৰাই। আপোনাৰ আত্মাৰ চিৰশান্তি কামনা কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিলোঁ।●

# মাতৃতুল্য ড° সুখ বৰুৱা বাইদেউৰ সান্নিধ্য

**ড° বসন্ত খনিকৰ**

কবিয়ে মৃত্যুক শিল্প বুলি কৈছে। কবি-সাহিত্যিক, শাস্ত্ৰ ধৰ্ম, দৰ্শন, বিজ্ঞানে যি ৰূপতেই ব্যাখ্যা নকৰক কিয় মৃত্যু অসহনীয়। আৰু সেই মৃত্যু যদি কোনো আপোন ঘনিষ্ঠ ব্যক্তিৰ হয়, সেই মৃত্যু যদি নিজ কৰ্মৰ যোগেদি এটি অনুষ্ঠানত পৰিণত হোৱা ব্যক্তিৰ হয়, প্ৰথম দৰ্শন/সাক্ষাততে যদি মানুহক নিজ পৰিয়ালৰ সদস্যৰ দৰে আপোন কৰি আকোৱালি ল'ব পৰা ব্যক্তিৰ হয়, তেনেত ব্যক্তিৰ মৃত্যুৰ বাতৰি সঁচাকৈ অসহ্যকৰ। ড° সুখ বৰুৱা বাইদেউৰ মৃত্যুৰ বাতৰিত মোৰ বাবে অবিশ্বাস্য আৰু অসহনীয় আছিল। বাইদেউৰ মৃত্যুৰ খবৰ পোৱাৰ পিছত কিছু সময়ৰ বাবে বাকৰুদ্ধ হৈ পৰিছিলো।

৩১/০৮/২০২৩ তাৰিখে দুপৰীয়া বাইদেউলৈ ফোন কৰিছিলো। ফোনটো বন্ধ আছিল। আনটো ফোনত কৰিলত ঘৰত সহায়কাৰী মহিলা এগৰাকীয়ে কৰিলে। মোৰ পৰিচয় কলত ক'লে বাইদেউ নাই দুলীয়াজানত আছেগৈ। বাইদেউৰ স্বামী বিনন্দ বৰুৱা ছাৰক বিচাৰিলো। কিছু সময় কথা পাতিলো যদিও ফোনৰ কাৰিকৰী বিজুতিৰ বাবে কথা পতা সম্পূৰ্ণ নহ'ল। বিয়লি বাইদেউৰ জ্যেষ্ঠ পুত্ৰ ড° শ্যামল বৰুৱাদেৱক লগ পাওতে স্বাস্থ্যৰ উন্নত হোৱাৰ খবৰ পালো। সেয়ে ৩ চেপ্তেম্বৰত বাইদেউৰ অপ্ৰত্যাশিত আকস্মিক মৃত্যুৰ বাতৰি মোৰ বাবে অসহনীয় আছিল। ৪ ছেপ্তেম্বৰত বন্ধু জীৱন বৰাৰ লগত মৰাণলৈ ঢাপলি মেলিছিলো বাইদেউক শেষ দৰ্শন কৰিবলৈ।

মানৱ জীৱন মানুহৰ জীৱন পৰিক্ৰমাৰ বিভিন্ন স্তৰৰ মাজেদি অতিক্ৰম কৰে। মানুহৰ দৈনন্দিন জীৱন পৰিক্ৰমাৰ বিভিন্ন স্তৰত গঢ়লৈ উঠে মানুহ আৰু মানুহ মাজৰ সম্পৰ্কবোৰ। ইয়াৰো অধিকাংশ সম্পৰ্ক ক্ষণিকৰ বাবে স্থাপিত হয় আৰু অতি সীমিত ব্যক্তিৰ লগত স্থায়ী সম্পৰ্ক স্থাপিত হয়। যাক এক অৰ্থত আত্মিক সম্পৰ্ক বুলি ক'ব পাৰি।

২০০৮ চনত 'মৰাণ মহিলা মহাবিদ্যালয়' প্ৰাঙ্গণত 'সদৌ অসম লেখিকা সমাৰোহ সমিতি'ৰ দ্বাবিংশতিতম দ্বি-বাৰ্ষিক অধিবেশনত পোন প্ৰথম বাৰৰ বাবে লগ পোৱা সুখ বাইদেউৰ লগত মোৰ আত্মিক সম্পৰ্ক গঢ়লৈ উঠে। পৰৱৰ্তী সময়ত বাইদেউৰ পৰিয়ালৰ লগত আমাৰ পৰিয়ালৰ সম্পৰ্ক দৃঢ়তৰ হয়। প্ৰায় দেৰটা দশক যোৱা বাইদেউৰ লগত সম্পৰ্কৰ সময়ছোৱাত সুখ বাইদেউৰ ব্যক্তিত্বত প্ৰতিফলিত হোৱা বাইদেউৰ বৈচিত্ৰ্যময় জীৱন আৰু কৰ্মই মোক তেখেতকৰ

প্ৰতি আৰু অধিক আকৃষ্ট আৰু আকৰ্ষিত কৰিছিল। বাইদেউৰ ব্যক্তিত্বত বিদ্যমান হোৱা যিবোৰ গুণে মোক তেখেতৰ প্ৰতি আকৰ্ষিত কৰিছিল। সেইসমূহৰ ভিতৰত অন্যতম হৈছে সাৰ্বজনীন মাতৃৰূপ নাৰীৰ অন্যান্য ৰূপৰ ভিতৰত মাতৃৰূপটো হৈছে সবাটোকৈ শক্তিশালী ৰূপ। নিজ সন্তানৰ লগতে আনৰ প্ৰতিও যদি সেই ৰূপ ব্যাপ্ত হয় তেনে নাৰীৰ সাৰ্বজনীনতাই নাৰী গৰাকীক মহীয়ান তথা মহৎ কৰি তোলে। সুখ বাইদেউৰ ব্যক্তিত্বত সেই সাৰ্বজনীন নাৰীৰ ৰূপ হয়তো তেওঁৰ সংস্পৰ্শলৈ অহা অনেকেই অনুভৱ কৰিছে যি আজিও বিৰল প্ৰকৃতিৰ নাৰীৰ মাজতহে বিদ্যমান।

সুখ বাইদেউ আছিল কৰ্মৰ সাধক। কৰ্ম, জ্ঞান আৰু প্ৰজ্ঞা বাইদেউৰ জীৱনৰ অভিন্ন ৰূপত প্ৰতিফলিত হৈছে। তেখেতৰ বিশাল কৰ্মৰাজিৰ বৰ্ণিল যাত্ৰাই সান্নিধ্যলৈ অহা সকলোকে মুগ্ধ কৰিছিল, সকলোৰে বাবে প্ৰেৰণাৰ উৎস আছিল। স্বামী-সন্তানেৰে পপিূৰ্ণ ব্যস্ততাপূৰ্ণ পাৰিবাৰিক জীৱন। তদুপৰি এখন মহাবিদ্যালয়ৰ অধ্যক্ষৰ দৰে গুৰু দায়িত্ব পালন কৰি কিহৰ তাড়নাত বিৰামহীনভাৱে সমাজৰ বাবে কৰ্ম যজ্ঞত একাগ্ৰচিত্তে বিলীন হৈ যাব পাৰিছিল সি আমাৰ বাবে এক ৰহস্য।

মানুহক ভালপোৱা মৰমীয়াল মানুহ গৰাকীৰ মাজত সাহসী আৰু স্পষ্টবাদী সত্তা বিৰাজমান আছিল। স্পষ্টবাদী আৰু মৰমীয়াল গুণটোৰে বাইদেউৰ সান্নিধ্য লভা ব্যক্তিক তেখেতৰ পৰা পাঠ আহৰণৰ অন্যতম আহিলা আছিল। ব্যতিক্ৰমী ব্যক্তিত্বৰ অধিকাৰী সমাজ সংগঠক তথা বেতবাৰী মৰাণত স্ত্ৰীশিক্ষাৰ বাটকটীয়া ড° সুখ বাইদেউৰ কৰ্মসূচী দেখি তবধ মানিছিলো। দায়িত্ব আৰু নেতৃত্ব গুণৰ সমাহাৰ বাইদেৱে সাংগঠনিক কাম-কাজৰ সমান্তৰালকৈ কবিতা, গল্প, প্ৰবন্ধ, লেখনিৰে সাহিত্য চৰ্চ্চা কৰি ১৬ খনকৈ গ্ৰন্থ ৰচনা কৰাৰ লগতে গৱেষণা কৰ্মও সম্পাদনা কৰে। বাইদেউৰ কৰ্ম জীৱনৰ মূল্যায়ন সময়ে এদিন নিশ্চয় কৰিব।

জন্ম হ'লে মৃত্যু অনিবাৰ্য। শেষত ড° সুখ বৰুৱা বাইদেউৰ আত্মাৰ চিৰশান্তি কামনা কৰিলো। লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈও সমবেদনা জ্ঞাপন কৰিলোঁ।●

# A EULOGY FOR MY GUARDIAN ANGEL

*“Those who touch our lives, stay in our hearts forever.”*

**Musfica Begum**

Life stood still, the moment when the news of your demise reached me.I was horror-struck for a while, and didn’t know how to react. How can it be possible? How can my Guardian Angel leave this world? Ahhh!!! Stream of memories kept flowing.Reminiscedthe first day I met you, to our last meeting, and tears kept rolling down as memories flooded.

Baideu, you have always been a remarkable individual, who has not only touched many lives, but also shaped their paths in profound ways.On a personal note,your presence in my life has influenced mein many regards , and I will be forever indebted to you. Ever since I was a child,I have heard your name , but never met you in person.It was back in 2006, my father met you and in between ur conversation you came to know that I was pursuing my Masters in English, and had appeared for my final semester examination. In no time, you asked Abba to send me to meet you. I was a bit reluctant ,as I had no plans of staying at Moran , so didn’t bother to go to meet you.Again after a couple of days, you met Abba, and inquired why I didn’t come over . Abba with his stern tone asked me to go and meet you the same day.And by evening I paid a visit to your home. Unfortunately, you were not at home, and I collected your phone number, and called you up from the veranda of your home. Our first telephonic conversation was too short.And I was called the following Saturday to meet you.

Our first meeting had left a deep imprint in my mind.A series of questions followed that chiefly involved my Academic career, and also an assurance if I will be able to keep up the UGC norms in my MA Final Sem exam. You asked me to inform you about my result once it is declared.Accordingly I did, and you

asked me to join Moran Mahila Mahavidyalaya from the following Academic Session.It was 2nd July,2007 when my journey as a teacher started , under your guidance and supervision.Coming from Convent background, it was really hard for me to adjust in a total vernacular medium environment. Yet,you helped and advised with tips to handle the arising problems.Your strict and commanding voice made us all dumb and and at times left us teary eyed.Your insistence to carry forward our studies, to sit for various exams, and enhancing our knowledge in multiple fields, kept us all motivated. May be out of your fear, we were compelled to study a bit more.In that fear we had a deep sense of respect and immense love.

The relation we shared was not limited within the College campus. You knew each one of us personally, and stood by us through our tough times. I still remember, how u blessed me on the day of my Nikah. As we embarked upon our new journey, you showered your love and blessings on me and Nawaz.Knowing the fact that Nawaz was orphaned sincechildhood, you and Binanda Baruah Sir, treated him as your son. What could be more rewarding for us! Your attending our wedding reception, visiting our new home and meeting our child, sending our daughter a beautiful frock on her first Bihu, to inquiring about my health, and Nawaz's business, the list of your care and concern would go on .

Baideu,you have always been a dynamic personality with a rare combination of wisdom and humility.You had the uncanny ability to make the complex seem simple ,to turn challenges into opportunities, and toinstill in us a sense of purpose.Many of us oweour successes to the knowledge, guidance,and unwavering support that you provided.You have always encouraged us to dream big ,think critically and to never to stop learning.Your legacy would live on in the ideas you cultivated and the lives you enriched.

I have therefore, committed myself not to dwell on the sorrow of your passing,but instead celebrate the remarkable life you lived.You may no longer be present with us in person, but your wisdom and spirit would endure in the lessons you have taught and the lives you have touched. You will be deeply missed but never forgotten.

Adieu Baideu, Almighty might be happy to have his angel back. ●

# লোক দৃষ্টিত
# ড° সুখ বৰুৱা

"দেশৰ জাতিৰ মহিলাসকলৰ সাহিত্য সংস্কৃতিৰ প্ৰাণ কেন্দ্ৰ সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ এগৰাকী নিষ্ঠাবান সদস্যা তথা বিষয়ববীয়া ড° সুখ বৰুৱাৰ অৱদান নিশ্চয় সকলোৱে স্মৰণ কৰিব।"

— *অন্নদা শইকীয়া*

"ড° সুখ বৰুৱা এটা সকলোৰে পৰিচিত নাম। স্পষ্টবাদী, সৎসাহসী, নিৰ্ভীক, উদ্যমী যাৰ বাবে তেওঁ য'তেই হাত দিছে তাতেই কুসুম ফুলিছে। শাৰীৰিক অৱয়বৰ দৰেই মনোজগতো সুদৃঢ়। গতিকে য'তেই খোপনি পুতিছে তাতেই গজালি মেলিছে আৰু পুলি-পোখাই বটবৃক্ষৰ ৰূপ লৈছে। উত্তৰ প্ৰজন্মই ইয়াৰ সুস্বাদু ফল ভোগ কৰিছে।"

— *প্ৰতিভা শৰ্মা*

"এদিন তেওঁ মৰাণত নাৰীৰ উচ্চ শিক্ষাৰ এক অনুষ্ঠানৰ সপোন দেখিলে। প্ৰতিষ্ঠা কৰিলে মৰাণ মহিলা মহাবিদ্যালয়। এই অনুষ্ঠানটোৱে বৃহত্তৰ অঞ্চলটোত নাৰী শিক্ষাৰ এক নতুন দিগন্ত উন্মোচিত কৰিলে। চালুকীয়া অনুষ্ঠানটোক পূৰ্ণাংগ ৰূপত গঢ়ি তুলিবলৈ বাইদেৱে অশেষ ত্যাগ আৰু কষ্ট স্বীকাৰ কৰিলে। মহাবিদ্যালয়খনৰ গৃহনিৰ্মাণৰ বাবে গাঁৱে গাঁৱে, ঘৰে ঘৰে গৈ বাঁহ-কাঠ বিচাৰি, অৰ্থ বিচাৰি, ছাত্ৰী বিচাৰি তেওঁ নতজানু হ'ল ৰাইজৰ ওচৰত। তেওঁৰ সপোনৰ আকাৰ ৰূপ মৰাণ মহিলা মহাবিদ্যালয় আজি সহস্ৰ তৰুনীৰ আলোকযাত্ৰাৰ সাৰথি। ... হয়, অনুষ্ঠান এটা তিল্‌তিল্‌কৈ গঢ়াৰ কষ্ট আৰু ত্যাগ মই অতি ওচৰৰ পৰা দেখিছোঁ। "

— *ড° মঞ্জুদেৱী পেগু*

"মৰাণ বালিকা বিদ্যালয়ত শিক্ষয়িত্ৰী হিচাপে থাকোতেই বাইদেৱে মৰাণত ছোৱালী কলেজ এখন প্ৰতিষ্ঠা কৰাৰ প্ৰয়োজন অনুভৱ কৰে আৰু বাইদেউৰ সেই সপোনৰ কথা বন্ধুবৰ ড° প্ৰদীপ হাজৰিকা আৰু মোৰ আগত প্ৰকাশ কৰে। গতিকে বিনন্দ বৰুৱা ককাইদেউৰ পিছতে আমি দুয়ো বন্ধুৱে সেই মহৎ উদ্দেশ্যৰ কথা জানিব পাৰি পৰম উৎসাহিত হওঁ। হাজৰিকাকে পিছত ৰাইজে প্ৰতিষ্ঠাপক সম্পাদক মনোনীত কৰে। আৰু বাইদেউৱে প্ৰতিষ্ঠাপক অধ্যক্ষা হিচাপে কৰা প্ৰথমৰ পৰ্বত সমান কাম আৰু বহু সংগ্ৰামৰ পিছত এদিন 'মৰাণ মহিলা মহাবিদ্যালয়' এখন জাকত জিলিকা মহাবিদ্যালয় হৈ উঠে। বাইদেউৰ একান্ত প্ৰচেষ্টা, বিৰল মনোবল আৰু ধৈৰ্যৰ ফল স্বৰূপে অঞ্চলটোৱে গৌৰৱ কৰিব পৰা এই অনুষ্ঠানটি গঢ় লৈ উঠে।"

— *ড° কমলা বৰগোহাঁই*

"অত্যন্ত দূৰদৰ্শী বাইদেৱে মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰাৰ সমান্তৰালভাৱে নিজৰ অৰ্হতা আৰু যোগ্যতা প্ৰতীয়মান কৰিবলৈ চেষ্টা কৰিছিল। সেয়ে মহাবিদ্যালয়খনক নেতৃত্ব দিয়াৰ লগে লগে পি.এইচ.ডি. ডিগ্ৰীৰ বাবেও অহোপুৰুষাৰ্থে কৰিছিল আৰু কম দিনৰ ভিতৰতে সেই ডিগ্ৰী লাভ কৰি ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলক

আদৰ্শৰে পথিকৃতৰূপে নিজক প্ৰতীয়মান কৰিছিল। কেৱল ছাত্ৰী সকলকো অনুপ্ৰাণিত কৰাই নহয়, জীৱনত শিক্ষা আধাৰুৱাকৈ থৈ ৰন্ধনশালৰ মাজত জীৱন অতিক্ৰম কৰা অনেক মহিলাকো মহাবিদ্যালয়খনত নামভৰ্তি কৰি শিক্ষাৰ আলোকেৰে আলোকিত কৰা কাৰ্য আছিল এক স্মৰণীয় অধ্যায়। পৰবৰ্তী সময়ত অসমৰ বিভিন্ন প্ৰান্তত সেৰা আগবঢ়াই অসমৰ্থ হোৱা বহু ছাত্ৰীৰ বাবে এই অনুষ্ঠান পৰ্যবসিত হৈছিল উজনি অসমৰ নাৰী শিক্ষাৰ এক গুৰুত্বপূৰ্ণ শিক্ষানুষ্ঠান ৰূপে।"

*— ড° প্ৰদীপ হাজৰিকা*

"শক্তিশালী মন এটাই তেখেতক শক্তিশালী ব্যক্তিত্ব প্ৰদান কৰিছে। বহু মানুহৰ মাজত থাকিলেও তেখেত নিজৰ শক্তিশালী স্থিতিৰে আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ থাকে। সেইটো স্থান লাভ কৰাত তেখেতৰ বুদ্ধিমত্তা, তৎপৰতা আৰু পৰিস্থিতি চম্ভালি ল'ব পৰা দক্ষতাই সহায় কৰে। যিকোনো পৰিস্থিতি বা যি কোনো ব্যক্তিৰ মুখামুখি হোৱাৰ লগে লগে তেখেতৰ উৰ্বৰ মস্তিষ্কৰ পৰা উপস্থিত বুদ্ধি ওলাই আহে আৰু পৰিস্থিতি বা ব্যক্তিক তেখেতৰ আয়ত্তলৈ লৈ আহে। সাহস, মনোবল আৰু দৃঢ়তা নেতৃত্ব লওঁতা এজনৰ অতি প্ৰয়োজনীয় গুণ। আনহাতে স্বাভাৱিকতে নেতৃত্ব গুণ থকা মানুহ বা নেতৃত্ব প্ৰতি আগ্ৰহী মানুহে সন্মুখলৈ অহা দায়িত্ব আগ্ৰহেৰে গ্ৰহণ কৰে আৰু আন্তৰিকতাৰে পালন কৰে। উদ্যোগী আৰু দূৰদৰ্শী নেতা বা নেত্ৰীয়ে দায়িত্ব নিজেও সৃষ্টি কৰি লয়। নিজৰ দলৰ সদস্য, নিজৰ অনুগামী বা সতীৰ্থসকলক তেওঁ বিশ্বাস সন্মান আৰু ব্যক্তিগত সহমৰ্মিতাৰে বান্ধি ৰাখে আৰু তেওঁলোকক সমাজ সচেতন আৰু কৰ্তব্য সচেতন কৰি তোলে। নিজৰ কামৰ আদৰ্শেৰে তেওঁলোকক উদ্বুদ্ধ আৰু নিজৰ সফলতাৰ উদাহৰণেৰে অনুপ্ৰাণিত কৰে। বৃহত্তৰ স্বাৰ্থৰ খাটিৰত তেওঁ সৰু-সুৰা এৰা-ধৰা কৰিবলৈয়ো সাজু থাকে।"

*— ড° মামনি গগৈ বৰগোহাঁই*

"ড° সুখ বৰুৱাই আহোমসকলৰ উৎসৱ-অনুষ্ঠানৰ বিষয়ে গৱেষণা কৰি আৰু এই গৱেষণা গ্ৰন্থখনকে কিতাপ আকাৰে 'আহোমসকলৰ উৎসৱ-অনুষ্ঠান' নামকৰণেৰে প্ৰকাশ কৰি অসমীয়া জাতীয় জীৱনৰ সামাজিক-সাংস্কৃতিক দিশলৈ এটি অমূল্য সম্পদ আগবঢ়াই অসমীয়া সাহিত্য-সংস্কৃতিৰ বৰপেৰাটো অধিক চহকী কৰিলে। আহোমসকলৰ সাংস্কৃতিক আৰু ধৰ্মীয় জীৱন. অতিকে চহকী বুলি ক'ব পাৰি। ত্ৰয়োদশ শতিকাতে চাওলুং ছুকাফাই ৰাজ্য বিস্তাৰ কৰাৰ লগে লগে কেৱল ৰাজনৈতিক পৰিৱৰ্তনেই নহয়, সামাজিক-সাংস্কৃতিক দিশতো থলুৱাসকলৰ মাজত দিয়া-লোৱা, খোৱা-বোৱা, বিবাহ সম্বন্ধৰে সামাজিক সাংস্কৃতিক আৰু লোকাচাৰৰো প্ৰভাৱ বিস্তাৰ হৈছিল। এয়াই সুদূৰপ্ৰসাৰী প্ৰতিক্ৰিয়াৰ আৰম্ভ হৈছিল।"

*— তৰা গগৈ কাকতি*

"বেতবাৰী আদৰ্শ উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষয়িত্ৰীৰ পৰা অসংখ্য অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতিষ্ঠাপক অধ্যক্ষা, মুখ্য সম্পাদিকা, অসম সাহিত্য সভাৰ উপদেষ্টা, সঞ্চালিকা, সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী, অসম মহিলা কবি মঞ্চৰ সভানেত্ৰী হোৱালৈকে এক সুদীৰ্ঘ পৰিক্ৰমা। ইমান দূৰ বাট বোলোতে তেখেতৰ কৰ্মস্পৃহাৰ কত হেন্দোলনি, কত অম্লমধুৰ অভিজ্ঞতাৰ সোঁৱৰণীৰে উদুলি-মুদুলিত পৰিপক্ক এটা মন। ড° সুখ বৰুৱা বাইদেউৰ কিমান যে বিচিত্ৰ জীৱন, বৰ্ণময় অধ্যায়েৰে ভৰা। পৰ্বতসম ব্যক্তিত্বৰ অধিকাৰী বাইদেউৰ ব্যক্তিত্বই মোক বিস্ময়-বিমুগ্ধ কৰে। আত্মীয়তাৰ

আব্দাৰেৰে আপ্লুত কৰে আৰু দিয়ে বটবৃক্ষৰ জুৰণিয়া ছাঁ।"

— *ভদ্ৰা চেতিয়া নেওগ*

"এগৰাকী সৰ্বগুণী নাৰীৰ সুপ্ত নাৰী সৱলীকৰণৰ প্ৰচেষ্টাবোৰ সমাজৰ আদৰণীয়। তেওঁ নিজে ধন্য হোৱাৰ উপৰিও নাৰী সমাজকো ধন্য কৰিছে। আজিও তেওঁ অনেক অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত, কৰ্তব্য আছে অনেক, সমাজৰ বাবে তেওঁ প্ৰয়োজনীয়। তেখেতৰ জীৱনৰ পদে পদে পদুম ফুল ফুলি আছে। প্ৰতিগৰাকী নাৰীৰ খোজত পদুম ফুলাবলৈ চেষ্টা কৰা এইগৰাকী প্ৰেৰণাময়ী নাৰী ড° সুখ বৰুৱা।"

— *স্বৰ্ণ বৰুৱা গগৈ*

"সৰ্বগুণসম্পন্ন গুণৰ সৰস্বতী, শ্ৰদ্ধাৰ পাত্ৰী ড° সুখ বৰুৱাৰ বিষয়ে দু-আষাৰ লিখিবলৈ সুযোগ পোৱাত নিজকে গৌৰৱবোধ কৰিছোঁ। কলমডাল হাতত তুলি লৈছো যদিও এই গৰাকী সাহিত্যিক সাগৰ সদৃশ জ্ঞানৰ ভঁৰাল জিভাত থুপ খাই থকা ভাষা-শব্দৰ অলংকাৰৰ বিৱৰণ দিব নোৱাৰিম। প্ৰথম দেখা পাইয়ে মনতে ভাবি ললো আজিহে ঈশ্বৰ প্ৰদত্ত গুণৰ গৰাকীৰ দৰ্শন পালো।"

— *অঞ্জলি ব্ৰহ্ম*

"শিক্ষকতা আৰু ভাষা সাহিত্য-সংস্কৃতিকে জীৱনৰ ব্ৰত হিচাপে লোৱা মৰাণ কুঁৱৰী ড° সুখ বৰুৱা বাইদেউৰ জীৱনটোক অনুপম কৰি তুলিছে তেখেতৰ বিৰল ব্যক্তিত্বই। ড° সুখ বৰুৱা বাইদেউ সঁচাকৈ এগৰাকী অভিনন্দিনী। তেখেতৰ ব্যক্তিত্ব আৰু আত্মত্যাগে শিৱসাগৰ জিলাকে নহয় সমগ্ৰ অসমতে নাৰীৰ আত্মচেতনা জগাই তুলিছে। সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী হৈ থকা কালছোৱাত বাইদেৱে নাৰীৰ সৱলীকৰণ, নাৰীৰ আত্ম মৰ্যাদা, সাহিত্য-সংস্কৃতিৰ জৰিয়তে মহিলাই নিজৰ স্থিতি দৃঢ় কৰা সম্পৰ্কত সাৱলীল বক্তৃতা প্ৰদান কৰি সকলোৰে মন জয় কৰিছিল।"

— *বিমলা গগৈ গোহাঁই*

"সুখ বৰুৱা বাইদেউৱে ওৰেটো জীৱন সমাজ, সাহিত্য, সংস্কৃতি আদিৰ সৈতে নিজকে জড়িত কৰি ৰাখিছে। তেখেতৰ এনে জীৱনযোৰা সাধনাৰ বাবে মৰাণৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে একেলগে একেদিনাই ৰাজহুৱাভাৱে মুঠ ৮২ টা সংগঠনে সম্বৰ্ধনা জনোৱাটো তেখেতৰ জীৱনৰ স্মৰণীয় দিন আছিল।"

— *চন্দ্ৰলেখা গোঁহাই লাহন*

"এটা যাত্ৰাৰ সমদলত চামিল হৈ আমি লগ পাওঁ বহু প্ৰজ্ঞাশীলা, স্নেহশীলা একো একোগৰাকী বিদূষী মহিলাক। যাৰ জীৱনৰ ছত্ৰছায়াত আমি অকণমান ৰেঙণি পালেও আমাৰ জীৱন ধন্য হৈ পৰে যেন বোধ কৰোঁ। তেনেদৰেই লগ পাইছিলোঁ ড° সুখ বৰুৱা বাইদেউক। বিশেষকৈ সদৌ অসম লেখিকা

সমাৰোহৰ মৰাণ অধিৱেশনৰ পৰা বাইদেউক অতি ওচৰৰ পৰা পালোঁ আৰু তেতিয়াৰে পৰা বাইদেউৰ লগত নিবিড় সম্বন্ধ গঢ়ি উঠিল। আমি কেতিয়াবা বাইদেউৰ খবৰ-বাতৰি ল'বলৈ পাহৰিলেও, বাইদেৱে মাজে মাজে ফোন কৰি আমাৰ খবৰ-বাতৰি লৈ থাকে। আমি কৃতাৰ্থ হওঁ তেখেতৰ স্নেহৰ সেই আদৰুৱা মাতষাৰত।"

***— দীপালি গগৈ বৰুৱা***

"অসমী আইৰ মহিয়সী, নিৰুপমা, বিদূষী, দৰদী জীয়াৰী ড° সুখ বৰুৱা মহিলা সমাজৰ বাবে আদৰ্শৰ বিনন্দীয়া আঁচুফুল। শস্য শ্যামলা অসমীৰ বিল-খাল নদীৰ নিৰ্মল নীৰত নিৰৱে ফুলি থকা এপাহি পদুমফুল, অসম আকাশৰ ধ্ৰুৱতৰা। পিতৃ ফুলবৰ চেতিয়া আৰু মাতৃ গুণলতা চেতিয়াৰ আদৰ্শ জীয়ৰী, মৰাণ নিবাসী শ্ৰীযুত বিনন্দ বৰুৱাৰ গুণৱতী সহধৰ্মিনী সুখ বাইদেউ নিজ কৰ্মৰে স্বনামধন্য। তেখেতৰ বিশাল ব্যক্তিত্বই আমাক অনুপ্ৰাণিত কৰাই নহয় সমাজ আৰু সাহিত্যৰ জগত খনলৈ তেখেতৰ অৱদান আমাৰ বাবে আদৰণীয় আৰু অনুকৰণীয়।"

***— জয়ন্তী দাস***

"ড° সুখ বৰুৱা এগৰাকী সংবেদনশীল অধ্যয়নপুষ্ট ব্যক্তি। কিছু আন্ধাৰত থকা ধ্যান-ধাৰণা, পাঠকৰ আগলৈ কষ্ট কৰি আনি লিপিবদ্ধ কৰোৱাই বাইদেৱে জ্ঞানপিপাসু আৰু অনুসন্ধিৎসু লোকৰ অন্তৰত ঠাই দখল কৰিবলৈ সক্ষম হৈছে। উদাহৰণ স্বৰূপে অসমত সগৌৰৱেৰে ছশবছৰ ৰাজত্ব কৰা টাই-আহোমসকলৰ ধৰ্মীয় পৰম্পৰা, উৎসৱ-পাৰ্বন আদি বিষয়ত গভীৰভাৱে অধ্যয়ন কৰি সন্মান পাবলৈ সক্ষম হৈছে। বুৰঞ্জী বিষয়ৰ ওপৰত লিখিত গ্ৰন্থই বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীক উপকৃত কৰিছে। অতি স্পষ্টবাদী, লুক-ঢাক নকৰাকৈ কথা কোৱা এইগৰাকী মহিলা এগৰাকী কবিও। তেখেতৰ কবিতা পঢ়িলে আঁৰ-বেৰ নোহোৱাকৈ মানুহগৰাকীক চাব পাৰি।"

***— স্নিগ্ধাৰাণী গগৈ***

"ড° সুখ বৰুৱা এগৰাকী বিৰল ব্যক্তিত্বসম্পন্ন নাৰী যাৰ ছত্ৰ ছাঁয়াত থাকি অনেকজনে সুখৰ সন্ধান পায়। অনুভৱ কৰে এক স্নিগ্ধ প্ৰশান্তি। আজীৱন কল্যাণকামী কৰ্মৰে জীৱন সাৰ্থক কৰা এগৰাকী বৰণীয় নাৰী ড° সুখ বৰুৱা; মোৰ শ্ৰদ্ধাৰ সুখ বাইদেউ। সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ বৃহৎ পৰিয়ালটিৰ জনপ্ৰিয় জ্যেষ্ঠজন, অন্যতম পথপ্ৰদৰ্শক ড° সুখ বৰুৱা। বৃহত্তৰ নাৰীসমাজৰ শৈক্ষিক, সামাজিক, সাহিত্য তথা সাংস্কৃতিক দিশত উত্তৰণক জীৱনৰ লক্ষ্য হিচাপে লোৱা ব্যতিক্ৰমী চিন্তাৰ প্ৰেৰণাময়ী নাৰী ড° সুখ বৰুৱা। অন্যায় দেখিলে চকু মুদা কুলিৰ ভাও দিব নিবিচৰা ড° সুখ বৰুৱা জীৱনকালতে এক অনুষ্ঠানলৈ পৰ্যবসিত হোৱা এক অনন্যা নাৰী ড° সুখ বৰুৱা।"

***— ড° ভাৰতী দত্ত***

"অযুত সম্ভাৱনীয়তাৰে পৰিপূৰ্ণ এগৰাকী সুদক্ষ সমাজ সচেতন আৰু সফল নাৰী ড° সুখ বৰুৱা। সঁচাকৈ সাম্প্ৰতিক কালত সুখ বাইদেউ এগৰাকী আদৰ্শ, প্ৰেৰণাদায়ক নাৰী। এগৰাকী নাৰী

হিচাপে নাৰীসকলক শৈক্ষিক, সামাজিক আৰু সাংস্কৃতিকভাৱে পোহৰৰ সন্ধানত বাট বুলি আগুৱাই লৈ যোৱা সমগ্ৰ নাৰী জাতিৰ বাবেই তেখেত বন্দিত, তেখেত আমাৰ বাবে এক প্ৰেৰণা। এক দুৰ্বাৰ প্ৰেৰণা।”

— *উষা শইকীয়া*

“সামাজিক আৰু বৌদ্ধিক ক্ষেত্ৰৰ জীৱন পৰিক্ৰমাত লগ পোৱা প্ৰভাৱশালী মানুহৰ সংখ্যা নিশ্চয় কম বুলিয়েই ক’ব লাগিব। সেইসকল লোকৰ সান্নিধ্য, সাহচৰ্য আৰু প্ৰেৰণাময় চিন্তাৰ উৎকৰ্ষতাই সংখ্যাৰ নগণ্যতা নেওচি বৰঞ্চ উৎসাহৰ প্ৰতিমূৰ্তি ৰূপে কাম কৰে। সেইসকল পৰোপকাৰী লোকে আনকো কৰ্ম কৰাৰ সাহস আৰু আনন্দ উপভোগ কৰাৰ ক্ষেত্ৰত পাথেয় হৈ পৰে। তাৰেই এক উদাহৰণ হ’ল, ড° সুখ বৰুৱা। প্ৰথম চিনাকিতে আপোন কৰি ল’ব পৰাৰ ব্যক্তিত্বৰ অধিকাৰিণী। তেখেত এগৰাকী অসামান্য প্ৰতিভা আৰু বহুধা গুণসম্পন্ন মহিলা, যাৰ সান্নিধ্য আৰু সাহচৰ্যই সকলোকে প্ৰভাৱান্বিত কৰিব পৰাৰ অনন্য গুণৰ অধিকাৰী। সমাজ আৰু সংস্কাৰৰ প্ৰতি আগ্ৰহী, মৰম-চেনেহৰে সকলোকে আঁটি আঁটি বান্ধিব পৰা ক্ষমতাৰ অধিকাৰী এগৰাকী মৰমীয়াল মহিলা।”

— *পুষ্পা গগৈ*

“ডিব্ৰুগড় আৰু শিৱসাগৰ জিলাৰ সিৰলু মৰাণৰ দিৰৈ নৈৰ পানীযুঁৱলীত নতুন নতুন সৃষ্টিৰ সোপান ৰচা এগৰাকী স্বনাম ধন্যা মহিলা হ’ল মৰাণ মহিলা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষা ড° সুখ বৰুৱা। এইগৰাকী ড° সুখ বৰুৱাই বহু সংগঠনৰ প্ৰতিষ্ঠাপক সভাপতি, সম্পাদকৰ দৰে গুৰু দায়িত্ব বহন কৰি মৰাণলৈ নতুনত্বৰ বতৰা কঢ়িয়াই আনিবলৈ সক্ষম হ’ল। বিশেষকৈ নাৰী শিক্ষা মহিলাসকলৰ উত্তৰণৰ দিশত অৰ্থনৈতিক, শৈক্ষিক সামাজিক স্বাধীনতাৰ যি অভিলেখ গঢ়ি পৰৱৰ্ত্তী সময়ত তেওঁৰ জীৱনত নিজেই এক অভিলেশ হৈ পৰিল। সেই কথা সময়ত ভাবিবলৈ সময়েই পোৱা নাছিল। সেয়ে এনে এগৰাকী মহিয়সী মাতৃৰ উদ্ধৃতিৰে কওঁ- সময় বৰ নিষ্ঠুৰ নহয়, সময় অমূল্য ধন। সময়োপযোগী কাম কৰাৰ প্ৰতিদান স্বৰূপে তেওঁৰ জীৱনলৈ আহিছে অনেক সন্মান গৌৰৱ।”

— *সুবৰ্ণ শইকীয়া বৰদলৈ*

“জীৱনৰ বৰ্ণিল যাত্ৰাত বহুলোকৰ সান্নিধ্যলৈ আহিছোঁ। তাৰে কিছুলোকৰ সান্নিধ্যৰ সুৱাস জীৱনজুৰি ব্যাপ্ত হৈ থাকে আৰু প্ৰেৰণাৰ উৎস হৈ পৰে। মই লগ পোৱা যি গৰাকী নাৰীৰ জীৱন দৰ্শনে বহুদিনৰ পৰাই মোৰ মনত এখন সুকীয়া আসন অধিকাৰ কৰি আছে, তেওঁ হৈছে আমাৰ সকলোৰে শ্ৰদ্ধাৰ ড° সুখ বৰুৱা বাইদেউ। একে হৈয়ো যেন তেওঁ বেলেগ, একে হৈয়ো যেন তেওঁ ব্যতিক্ৰমী। ঐতিহ্যমণ্ডিত শিৱসাগৰ জিলাৰ দিচাং নৈৰ পাৰৰ বেতবাৰী বৰকুৰি চেতিয়াগাঁও নামৰ এখন অনুন্নত গাঁৱত জন্ম হৈয়ো অসমৰ আগশাৰীৰ মহিলাসকলৰ ভিতৰত অন্যতম মহিলাৰূপে পৰিগণিত হ’ব পৰাটো তেওঁৰ ব্যক্তিত্বৰ বৈশিষ্ট্য।”

— *ড° থুনু কলিতা*

“সমাজত বহু উচ্চ শিক্ষিত বা উচ্চ ডিগ্ৰীধাৰী মহিলা আছে যিয়ে নিজৰ আৰু পৰিয়ালৰ কথাই

উৰ্ধত ৰখা দেখা যায়। কিন্তু চৰকাৰী চাকৰি বাদ দি সমাজৰ পিছপৰা মহিলাৰ কথা চিন্তা কৰি মহিলাৰ বিভিন্ন অনুষ্ঠান প্ৰতিস্থা কৰি নিজকে আত্ম নিয়োগ কৰি সমাজৰ হিত সাধন কৰা মহিলা বিচাৰি পাবলৈ টান।"

*— মনোমতী কুৰ্মী*

"সৰুতে স্কুলৰ পাঠত পঢ়িবলৈ পাইছিলো- সময়ৰ জোখ কামতহে, ঘড়ীৰ কাটা কেইডালত নহয়। কথাষাৰৰ উপলব্ধি কৰিছো কিছুমান মানুহৰ জীৱনৰ কৰ্ম দেখি। কম সময়ৰ ভিতৰতে নিজৰ যাবতীয় কামখিনিৰ লগতে সমাজলৈও অৱদান আগবঢ়াই যাবপৰা মানুহৰ সংখ্যা লেখত তেনেই নগণ্য। আমাৰ শ্ৰদ্ধাৰ শ্ৰীযুতা সুখ বৰুৱা বাইদেউ তেনে নগণ্য সংখ্যাৰ মাজৰে এগৰাকী অনন্য মহিলা। গাঁৱৰ বোকা-পানী গছকি ক'তো উজুতি নোখোৱাকৈ বিদ্যায়তনিক সাফল্যৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান প্ৰতিষ্ঠা কৰি বহুজনৰ কৰ্মসংস্থান আৰু ব্যস্ততাৰ ক্ষেত্ৰ উলিয়াই দি এগৰাকী প্ৰেৰণাময়ী নাৰীৰ স্থান লাভ কৰিবলৈ সক্ষম হৈছে বাইদেউ। যান্ত্ৰিকতাৰ ধামখুমীয়াত সমাজৰ প্ৰমূল্যবোধৰ লহঙা দিনতো বাইদেৱে নিজৰ জীৱনৰ বহুতো মূল্যৱান সময় পাৰ কৰিছে আনৰ বাবে, সমাজৰ বাবে, নতুন প্ৰজন্মৰ বাবে। এনে মানসিকতাৰ গৰাকী হোৱাত সক্ষম হ'ব পাৰিছে কেইজন?"

*— জয়া সেনাপতি*

"অফুৰন্ত কৰ্ম শক্তি, অপৰাজেয় মনোবল আৰু অসীম সাহসৰ কাৰণে যিগৰাকী মহিলা নিজে প্ৰতিষ্ঠিত হোৱাৰ উপৰিও নিজৰ অঞ্চলটোক শৈক্ষিক ক্ষেত্ৰত বহুদূৰ আগুৱাই লৈ গ'ল, সেই গৰাকীয়ে হ'ল ড° সুখ বৰুৱা। আদৰ্শ শৈক্ষিক পৰিৱেশ গঢ়ি তুলিবৰ বাবে লগতে বৌদ্ধিক উৎকৰ্ষতা সাধনৰ বাবে তেখেতে নিজৰ অঞ্চলটোৰ লগতে বিবাহসূত্ৰে স্থায়ী বাসিন্দা হোৱা মৰাণ অঞ্চলটোতো বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰি আহিছে।"

*— দৰ্পনা বৰা নেওগ*

"এগৰাকী স্থিতপ্ৰজ্ঞ শিক্ষাবিদৰ বিষয়ে জানি অভিভূত হৈ পৰিলো। আমাৰ নিচিনা সাধাৰণ মহিলা এগৰাকীয়ে বাইদেউৰ গুণানুকীৰ্তন লিখিবলৈ কলম থমকি ৰয়। ইমান মহিমামণ্ডিত ব্যক্তিত্বৰ গৰাকী ড° সুখ বাইদেউ। গহীন-গম্ভীৰ খোজ, কপালত ৰঙা ফোঁটটোৱে জিলিকাই তোলা হাঁহি ভৰা মুখখনে সকলোকে আকৰ্ষণ কৰে। সমাজৰ বাবে, সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সদস্যাসকলৰ বাবে ড° সুখ বাইদেউ এগৰাকী উজ্বল নক্ষত্ৰ। তেনে এগৰাকী মহীয়সী বাইদেউৰ বিষয়ে দুটামান বাক্য লিখিবলৈ পাই নিজে ধন্য হ'লো।"

*— দীপা বৰুৱা*

"নিজকে গছৰ দৰে স্থিতপ্ৰজ্ঞাভাৱে 'আইৰ বুকু ডাঠ সেউজীয়া' কৰি তুলিব খোজা কবিগৰাকীৰ শিপাৰ সৈতে আছে অভিন্ন সম্পৰ্ক। শিপাত জন্ম হৈ শৈশৱ, কৈশোৰ, যৌৱন পৌঢ়ত্ব শিপাতেই পাৰ

কৰি শিপাতেইজীৱনৰ প্ৰকৃত পৰিচয় ৰাখি যাব খোজা কবি ড° সুখ বৰুৱাৰ জীৱন দৰ্শন এই কবিতাসমূহৰ মাজেদি প্ৰকাশ পাইছে। বাস্তৱ জীৱনৰ সংগ্ৰাম, সফলতা, অনুভৱ-আকুলতা আদি প্ৰকৃতাৰ্থতে কবিতাসমূহে কঢ়িয়াই ফুৰিছে।"

— *জ্যোৎস্না বুঢ়াগোঁহাই*

"বিশ্বাস আৰু আস্থাৰে একো একোজন ব্যক্তিয়ে জীৱন গঢ়ি তোলে। আমাৰ সমাজত গ্ৰাসিত বিপৰ্যয়, অভাৱ, অনাস্থা আদি দুৰাৰোগ্য সদৃশ অৱস্থাৰ মাজতো তেনে ব্যক্তিসকলে দূৰদৰ্শী চিন্তাৰে, ত্যাগেৰে, মানৱতাৰে গঢ়ি তুলিবলৈ চেষ্টা কৰে একোখনি সুস্থ, উন্নতিশীল সমাজ। সৎ চিন্তাৰ বিকাশৰ বাবে এই মহান ব্যক্তিসকলে জীৱন বাটত বহু বাধা, সংঘাত, দুৰ্দ্দশাৰ লগত যুঁজিব লগাও হয়। স্থিৰ মনোভাৱ, সুদৃঢ় পৰিকল্পনা আৰু সহিষ্ণুতাৰ সংগতিত তেওঁলোক অৱশেষত সফলতাৰ শিখৰত অৱস্থান কৰে আৰু জীৱন জয়ী হয়। এই মহাৰ্ঘ জীৱনৰ অধিকাৰী হৈ বহু মহৎ পুৰুষৰ দৰে বহু নাৰীয়েও সুকীয়া বৈশিষ্টতাৰে মহীয়ান হৈ উঠিছে। সেই সকলৰ ভিতৰত সুখ বৰুৱা অন্যতম।"

— *নীলিমা বৰা*

*"The creation of a noble person is the best creation of God"* ড° সুখ বৰুৱা ভগৱানৰ আশীষধন্যা এগৰাকী নাৰী। সুখ বৰুৱা বুলি ক'লেই মোৰ মানসপটত ভাঁহি উঠে এনে এগৰাকী নাৰীৰ ছবি - যাক শ্ৰদ্ধা কৰিব পাৰি,মান্যতা প্ৰদান কৰিব পাৰি।"

— *কাঞ্চন দাস*

"অতীজৰে পৰা পুৰুষৰ সমানে সমানে খোজ মিলাই চলিব পৰাকৈ নাৰীৰ তীক্ষ্ণ জ্ঞান বুদ্ধি আৰু সামৰ্থ থকা সত্বেও পুৰুষ তান্ত্ৰিক সমাজত নাৰীয়ে তেওঁৰ লক্ষ্য স্থানত উপনীত হ'বলৈ বহু ধৈৰ্য্য, সাহস আৰু ত্যাগৰ প্ৰয়োজন হয়। নানা কষ্টৰ বিনিময়ত জীৱন জোৰা এক কঠোৰ সাধনাৰ অন্তত আজিৰ নাৰীয়ে তেওঁলোকৰ বহুমূখী প্ৰতিভাৰ জৰিয়তে আত্ম প্ৰকাশৰ পথ প্ৰশস্ত কৰি মহীয়সী নাৰীৰ শ্ৰেণীলৈ উন্নীত হৈ সুনামে ধন্যা হৈ আছে। নিজৰ নাম ইতিহাসৰ পাতত সোণোৱালী আখৰেৰে লিপিবদ্ধ কৰিবলৈ সক্ষম হৈছে। নিঃসন্দেহে কব পাৰি যে এনে তেজস্বী, মহীয়সী নাৰী সকলৰ ভিতৰত অসমৰ আকাশত ভোটা তৰাৰ দৰে জিলিকি আছে সৰ্বজন বিদিত সু-সাহিত্যিক, শিক্ষাবিদ, সমাজ সংস্কাৰক, সু-সংগঠক ৰূপে প্ৰতিষ্ঠা লাভ কৰা সৰ্ব গুণ বিভূষিতা ড° সুখ বৰুৱা বাইদেউ। নামেই যাৰ চিনাকি। উচ্চ শিক্ষাৰ জ্যোতিৰে উদ্দীপ্ত হৈ সাহিত্য সংস্কৃতিৰ পথাৰখন কৰ্ষণ কৰি অতি কম বয়সতেই নাৰী সবলীকৰণৰ কথা চিন্তা কৰি সৰ্বতো প্ৰকাৰে নাৰীৰ উৎকৰ্ষ সাধনৰ বাবে আত্মনিয়োগ কৰি এই গৰাকী মহীয়সী নাৰীয়ে আজীৱন অহোপুৰুষাৰ্থ কৰিছে।"

— *মনিতা বৰুৱা*

"ড° সুখ বৰুৱা, নামেই যাৰ পৰিচয়। তেখেত অসমৰ সাহিত্য, সংস্কৃতি, শিক্ষা আৰু সমাজ

জীৱনৰ এটি সুপৰিচিত নাম। অসমীয়া নাৰী সমাজৰ সৰ্বাঙ্গীন বিকাশকে জীৱনৰ মূলমন্ত্ৰ হিচাপে গ্ৰহণ কৰা সুখ বৰুৱা একাধাৰে এগৰাকী বিশিষ্ট সাহিত্যিক, সমাজকৰ্মী, শিক্ষাবিদ, গৱেষক পণ্ডিত আৰু সুসংগঠক।"

— *নন্দিতা চলিহা*

"ৰাজ্যখনৰ এগৰাকী বিশিষ্ট সাহিত্যিক। অনেকে তেওঁক লেখিকা, গৱেষক, শিক্ষাবিদ, সমাজসেৱক, নাৰী সৱলীকৰণ আৰু স্ত্ৰী শিক্ষাৰ প্ৰসাৰৰ লগত জড়িত কৰ্মযোগী বুলিয়ে অভিহিত কৰে। কিন্তু ব্যক্তিগত ভাবে মই সুখ বাইদেউক এগৰাকী সংগঠকৰ ভূমিকাতহে শ্ৰেষ্ঠ বুলি অনুভৱ কৰো।"

— *ড° জয়শ্ৰী বৰা*

"আজি আমাৰ মাজত এনে এগৰাকী নাৰী আছে যি গৰাকীয়ে একাগ্ৰ সাধনাৰে, সাহসৰ বাঘজৰী টানি অধ্যৱসায়েৰে আৰু আত্ম ত্যাগেৰে, সামাজিক, অৰ্থনৈতিক, সাহিত্য, সংস্কৃতি আৰু সাংগঠনিকৰ বিভিন্ন দিশত সমাজলৈ বৰঙণি যোগাই নিজেও সুন্দৰ হৈছে আৰু সমাজ খনকো সৌন্দৰ্যশালী কৰি গঢ়ি তুলিছে এনে এগৰাকী সৎ সাহসী বিভিন্ন দিশত বহুমুখী প্ৰতিভাৰ পৰিচায়িকা নাৰী হৈছে ড° সুখ বৰুৱা।"

— *নীলিমা চক্ৰৱৰ্তী*

"চন্দন, তগৰ মল্লিকা বা আনকোনো ফুলৰ সুৰভি বতাহৰ বিপৰীতে ব'ব নোৱাৰে, কিন্তু সৎপুৰুষৰ কৰ্মৰ সুৰভি বতাহৰ বিপৰীতেও বয় আৰু তেওঁলোকৰ যশ কীৰ্ত্তিবোৰ সকলো দিশলৈকে বিয়পি পৰে।" - এনে অৰ্থতে ক'ব পাৰি ড° সুখ বৰুৱা, প্ৰকৃত পক্ষে এগৰাকী কৰ্মনিষ্ঠ, ঐকান্তিক ধৰ্মৰ প্ৰতি আস্থা, সুনীতি, সদাচাৰ, বিনয়ী, অমায়িকতা তেখেতৰ আকৰ্ষণীয় গুণৰাশি।"

— *ৰুমা দেৱী*

"ড° সুখ বৰুৱা, নামটোৰেই যাৰ মহিমামণ্ডিত। সুখৰ সকলো উপাদানেৰেই উভৈনদী হৈ যেন আবৰি ৰাখিছে এই গৰাকী ব্যক্তিত্বসম্পন্ন মৰাণৰ বহুগুণী কৰ্মপ্ৰাণ মহিলাক। সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ উৰ্ব্বৰ পথাৰখনত আশীৰ দশকতেই লগ পাইছিলো ড° সুখবৰুৱা বাইদেউক। মাৰ্জিত সাজপাৰ গহীন গম্ভীৰ গজেন্দ্ৰ গামিনী খোজ, গলগলীয়া মাতষাৰৰ অন্তৰালত যে কিমান আত্মীয়তাৰ ভাব, মৰম-চেনেহ সোমাই আছে প্ৰথম দেখাতেই সেয়া অনুমান কৰিব নোৱাৰি। প্ৰথম অৱস্থাত মোৰো ভয় লাগিছিল সয়ে বাইদেউক খুব সমীহ কৰি ভয়ে ভয়ে কথা কৈছিলো। সময় বাগৰাৰ লগে লগে আন্তৰিকতাও বাঢ়িল, বাইদেউৰ লগত দুআষাৰ কথা পাতিবলৈকো আগৰ দৰে দ্বিধাবোধ আঁতৰিল। মই কৰা কামৰ দুই এটা বিশেষণ সংযোগ কৰি বাইদেৱে যেতিয়া শলাগি মোক উৎসাহ অনুপ্ৰেৰণা দিলে তাৰ পিছত সেই গৰাকী সুখ বাইদেউ মোৰ নিচেই আপোন হৈ পৰিল।"

— *কল্পনা কলিতা*

***ৰত্নপ্ৰভা ড° সুখ বৰুৱা ঃ ব্যক্তিত্ব, সৃষ্টি আৰু সান্নিধ্য***

"সময় গতিশীল। সময়ৰ সোঁতত মানুহৰ জীৱনে গতি কৰে। সময়ে মানুহ গঢ়ে। যিসকল ব্যক্তিয়ে সময় আৰু সমাজ জীৱন সমৃদ্ধ কৰি সময়ৰ ৰূপালী বালিত খোজ থ'বলৈ সক্ষম হয় সেই ব্যক্তিক নিৰপেক্ষ সময়ে প্ৰাপ্তিৰ জখলাৰে আগুৱাই লৈ যায় আলোক উদ্ভাসিত এক নতুন দিগন্তলৈ।

নিজৰ কৃচ্ছ্ৰসাধনাৰে জীৱনক পূৰ্ণতাৰ উত্তৰণত আৰোহণ কৰা ড° সুখ বৰুৱা এগৰাকী শিক্ষাব্ৰতীয়েই নহয় এগৰাকী প্ৰতিষ্ঠিত লেখিকা, আদৰ্শ মাতৃ, সু-সংগঠক আৰু এগৰাকী আজীৱন সমাজকৰ্মী ৰূপে সমাজত তেখেতৰ স্থান বিশেষভাৱে মৰ্যাদাপূৰ্ণ।"

— *অঞ্জনা ভাগৱতী*

"হিন্দু শাস্ত্ৰত নাৰীক গংগা, দুৰ্গা, লক্ষ্মী, পাৰ্বতী বুলি অভিহিত কৰি আহিছে। নাৰী অনন্যা। নাৰীৰ স্থান সেয়ে বহু উচ্চত। নদী আৰু নাৰীৰ মাজত গভীৰতা কাৰ বেছি বুলি প্ৰশ্ন কৰিলে সহজে উত্তৰ পাম নাৰীৰ বুলি। এগৰাকী নাৰী মাতৃ স্বৰূপা, মহীয়সী, গৰীয়সী আচলতে নাৰীৰ ৰূপ ভিন্ন। নাৰীৰ গভীৰতাও বহু বেছি। আজি আমি যি গৰাকী মহীয়সী, গৰীয়সী, দুৰ্গা স্বৰূপা, লক্ষ্মী স্বৰূপা মাতৃক ভক্তিৰ অৰ্ঘ্যৰে অভিনন্দন জনাবলৈ হাতত কলম তুলি একলম লিখিবলৈ ওলাইছো সেই গৰাকী নাৰী আন কোনো নহয়, সেয়া- ড° সুখ বৰুৱা বাইদেউ। নিজস্ব বৈশিষ্ট্য, স্বকীয় প্ৰতিভাৰে প্ৰতিভাৱান স্থিত প্ৰজ্ঞ বাইদেউলৈ আজিৰ দশকত এগৰাকী সুপ্ৰতিষ্ঠিত লেখিকা হিচাপে নিজকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে সেই গৰাকী ড° সুখ বৰুৱা বাইদেউ।

— *সুবৰ্ণলতা মহন্ত*

"অন্তৰত যাৰ কৰ্মস্পৃহা থাকে, সমাজৰ প্ৰতি দায়িত্ববোধ থাকে, তেনেলোকৰ বাবে অৱসৰ বুলি কোনো কথাই নাথাকে। বৰং চৰকাৰী বাধ্য-বাধকতাৰ পৰা আঁতৰি সমাজৰ হকে আত্মোৎসৰ্গা কৰিবলৈ অধিক সুবিধাহে হয়। শ্ৰদ্ধাৰ সুখ বাইদেৱেও সদৌ অসম লেখিকা সমাৰোহ সমিতিকে ধৰি অনেক অনুষ্ঠান-প্ৰতিষ্ঠান তথা সংগঠনৰ নেতৃত্ব দি আহিছে। বিশেষকৈ ২০১৪-১৬ বৰ্ষৰ সময়ছোৱাত সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰীৰূপে নেতৃত্ব দি লেখিকা সমাৰোহক অধিক গতিশীল কৰি তোলে। তেখেতৰ গুৰু-গম্ভীৰ কণ্ঠস্বৰ, দৃঢ় মনোবল, নিৰপেক্ষ দৃষ্টিভংগী, নিৰ্মোহ বিচাৰ বিশ্লেষণ, জ্ঞানৰ বিশালতা আৰু সঠিক সিদ্ধান্ত ল'ব পৰা গুণৰাশিৰ সমাহাৰত গঢ় লৈ উঠিছে এক অনন্য ব্যক্তিত্ব, যাৰ সুবাসত তেখেতৰ সান্নিধ্যত থকাসকল সততে ধন্য হয়।"

— *ড° কবিতা গগৈ*

"আমাৰ অসমৰ বৌদ্ধিক উচ্চ শিক্ষিত সাহিত্যিক বৰেণ্য সংস্কৃতিবান উচ্চকাংখী মহিলা সকলক, যি সকলৰ সান্নিধ্যই জীৱনলৈ কঢ়িয়াই আনে প্ৰেৰণা আৰু উৎসাহ উদ্দীপনা। মহিলা সকলৰ মাজত মৰমৰ এনাজৰী সম্প্ৰীতিৰ বান্ধোনেৰে বান্ধখাই হৃদয়ে হৃদয়ক আপোন কৰি হৃদয়ত বন্দী হয় একো গৰাকী শ্ৰদ্ধাশীল সন্মানীয় ভগ্নী স্বৰূপা মৰমত অভিমানী ব্যক্তিৰ। তেখেত সকলৰ আদৰ্শ আৰু কৰ্ম প্ৰেৰণাই অনুপ্ৰাণিত কৰে। তেনে এগৰাকী আদৰ্শবান ব্যক্তিৰ বিষয়ে দুৱাষাৰ লিখাৰ প্ৰয়াস কৰা হৈছে।

সেই গৰাকী হৈছে— স্থিত প্ৰজ্ঞ সুখ বৰুৱা বাইদেউ।"

*— চন্দ্ৰপ্ৰভা শইকীয়া ডেকা*

"কৰ্মৰ তুলাচনীৰ জোখত সঠিক মাপকাঠিৰে আগুৱাই গৈছিল বাইদেউ। সাতটাকৈ উপাধি লাভ কৰাৰ উপৰিও কেইবাটাও বঁটা লাভ কৰা ড° সুখ বৰুৱা বাইদেউক নিৰীক্ষণ কৰিলে বুজি পোৱা যায় তাৰ আঁৰৰ ব্যক্তি গৰাকীৰ ব্যক্তিত্বক। "

*— পোনাদেৱী মহন্ত*

"বৰ্তমান আমাৰ সমাজৰ নৱ-প্ৰজন্মৰ বাবে সুখ বৰুৱা বাইদেউ পথ প্ৰদৰ্শক বুলি মই ভাবো আৰু লগতে ভাবো যে এনে স্বনামধন্য ব্যক্তিৰ জীৱনকাল আৰু কৰ্মজীৱনৰ কিছু চমুকৈ হ'লেও লিখি সংৰক্ষণ কৰাটো অতি প্ৰয়োজন।"

*— মঞ্জু গগৈ*

"নিস্বাৰ্থতাই হ'ল কৃতকাৰ্যতাৰ প্ৰথম পদক্ষেপ।' কথাষাৰ মনলৈ আহিলেই চিৰিংকৈ মনত পৰে শ্ৰদ্ধাৰ ড° সুখ বাইদেউৰ বৰ্ণিল জীৱনৰ বিচিত্ৰ পৰিক্ৰমালৈ। বাইদেৱে ওৰেটো জীৱন সমাজখনৰ বাবে কিমানেই যে ত্যাগ কৰা নাছিল তেওঁ প্ৰতিটো কৰ্মতে বিচাৰি পোৱা যায় একোটা অনুকৰণীয় নমুনা। বাইদেৱে আমাৰ সমাজখনত, অসমীয়া সাহিত্যৰ বৰ্ণময় পথাৰখনত নিজৰ সৃষ্টিশীল প্ৰতিভাৰে যি আদৰ্শ ৰাখি থৈ গৈছে, সেয়া যুগে যুগে প্ৰতিগৰাকী নাৰীৰ মনৰ মাজত আদৰণীয় আৰু মূল্যৱান সম্পদৰ দৰে জিলিকি থাকিব, আৰু ই সকলোৰে বাবে অনুকৰণীয়ও।"

*— অকণ দেৱী*

"অসমীয়া সাহিত্য জগতত এগৰাকী পৰিচিত নাম ড° সুখ বৰুৱা বাইদেউ। তেখেত সু-সাহিত্যিকেই নহয় প্ৰতিষ্ঠাপক প্ৰধান শিক্ষয়িত্ৰী, প্ৰতিষ্ঠাপক অধ্যক্ষা, সমাজ সেৱিকা, শিক্ষাবিদ, কৰ্মযোগী, সু-বক্তা, সমালোচক, গৱেষিকা আদি হৈয়ো শিক্ষাজগতৰ লগত জড়িত থাকি অসমীয়া ভাষা-সাহিত্য, সংস্কৃতিলৈ যি অৱদান আগবঢ়াইছে ই সঁচাকৈয়ে প্ৰশংসনীয় ও গৌৰৱৰ পৰিচয়। একো গৰাকী ব্যক্তিৰ ব্যক্তিত্বই সমাজত তেখেতৰ কৰ্মময় জীৱন হে আচল পৰিচয়।"

*— পদুমী গাজলু*

"জীৱনৰ সাফল্য লাভ কৰিবলৈ হ'লে মানুহৰ কিছুমান গুণৰ প্ৰয়োজন। ড° সুখ বৰুৱা বাইদেউৰ ত্যাগ, সাহস আৰু উদ্যামৰ প্ৰতীক হিচাবে দেখিবলৈ পাওঁ তেওঁৰ কৰ্মৰাজিৰ মাজত। তেওঁৰ সোণালী স্বাক্ষৰ আমাৰ মাজত জীৱন্ত হৈ আছে এইদৰে মহাবিদ্যালয় প্ৰতিষ্ঠিতা অধ্যক্ষা ১৯৯২-২০১৩ চনলৈ দক্ষতাৰে চলাই লৈ গৈছিল।

তেওঁৰ সাহিত্যৰ পথাৰখন বহল। সপ্তম শ্ৰেণীতে পঢ়ি থকা সময়ৰ পৰাই সাহিত্যৰ বীজ অংকুৰিত হয়। যি মূলা বাঢ়ে তাৰ দুপাততে চিন। ড° বৰুৱা বাইদেউৰ বিভিন্ন তত্বগধুৰ প্ৰবন্ধ, গল্প, কবিতা প্ৰকাশ

হোৱাৰ উপৰিও টাই সংস্কৃতিৰ গৱেষকমূলক গ্ৰন্থখনৰ লগতে আন আন গ্ৰন্থবোৰো লেখত লবলগীয়া। ড° সুখ বৰুৱা বাইদেউৰ গুণ-গৰিমাৰ দলিল হিচাবে বহুতো উপাধিৰে বিভূষিতাও হৈছে।"

— *চন্দ্ৰা বৰ্মন*

"ড° সুখ বৰুৱা বাইদেউ মোৰ জীৱনৰ এগৰাকী আদৰ্শ নাৰী- যিগৰাকী নাৰীয়ে জীৱনৰ সুদীৰ্ঘ সময় শিক্ষকতাৰ গধুৰ দায়িত্ব পালন কৰিও সাহিত্য জগতত এগৰাকী বিশিষ্টা লেখিকা হিচাপে প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছে। অসমৰ শিক্ষা, সাহিত্য আৰু সংস্কৃতিৰ জগতখনলৈ প্ৰভূত বৰঙণি আগবঢ়াই অহা বাইদেউৰ মধুৰ সান্নিধ্য সুঁৱৰি তেখেতৰ বিষয়ে আলোকপাত কৰিবলৈ পাই ধন্য হ'লো। জ্ঞানৰ অফুৰন্ত সাগৰ, বিৰল ব্যক্তিত্বৰ অধিকাৰী সুখ বাইদেৱে প্ৰথম দৃষ্টিতেই সকলোৰে হৃদয় স্পৰ্শ কৰিব পাৰে। সাজ-পাৰত শুভ্ৰ মেখেলা-চাদৰ, পাতল ৰঙৰ ব্লাউজ পৰিহিতা, গহীন-গম্ভীৰ আৰু মানৱ দৰদী গুণেৰে বাইদেউ হৈ পৰে সকলোৰে বাবে দুৰ্নিবাৰ আকৰ্ষণ। এইগৰাকী চিৰবন্দিতা, প্ৰাতঃস্মৰণীয়া নাৰীয়ে জীৱনটোক শিক্ষা আৰু সাহিত্য কৰ্মত উচৰ্গা কৰি জনসাধাৰণৰ শ্ৰদ্ধা আৰু চেনেহ বুটলিবলৈ সক্ষম হৈছে।"

— *মিনতি শইকীয়া*

"অৱদান আগবঢ়াই অহা এগৰাকী বিদূষী মহিলা- ড° সুখ বৰুৱা। এই গৰাকী বিদূষী মহিলাই জীৱনৰ প্ৰতিটো পল-অনুপল সমাজৰ হিতৰ বাবেই উৰ্চগা কৰি আহিছে। সেয়ে বিনাদ্বিধাৰেই ক'ব খোজো তেখেত আমাৰ বাবে, অসমৰ নাৰী সমাজৰ বাবে প্ৰেৰণাৰ এক অমল উৎস।"

— *স্বপ্না চেতিয়া গগৈ*

"শিক্ষা-দীক্ষাই নিজকে গঢ়ি তোলা সুখ বাইদেৱে অন্য সমদলত যোৱাসকলৰ দৰে এখন আত্মকেন্দ্ৰীক বিলাসী সংসাৰত নিশ্চয় বাস কৰিব পাৰিলেহেঁতেন। কিন্তু তেখেতে সেয়া আওকাণ কৰি সদাজাগ্ৰত হৈ থাকিল নাৰীৰ মঙ্গলৰ বাবে, নাৰীসকলৰ মাজত লুকাই থকা সুপ্ত প্ৰতিভা দহৰ আগত তুলি ধৰিবলৈ। সেইবাবে শিক্ষকতাৰ মহান দায়িত্ব নিষ্ঠাৰে পালন কৰিও তেখেত উজলি থাকিল অসমৰ সাহিত্য আকাশৰ তিৰবিৰাই থকা এটি উজ্বল তৰাৰ দৰে।"

— *ভাৰতী হাজৰিকা*

"বঁটা প্ৰদান অনুষ্ঠান আহিল। বাইদেউ বহাৰপৰা উঠি মাইকৰ ওচৰলৈ আহি বঁটা প্ৰদান কৰি আছে। প্ৰধান সম্পাদিকা সুবৰ্ণ শইকীয়া বৰদলৈয়ে নামবোৰ ঘোষণা কৰি আছে। মোৰ নাম ঘোষণা কৰাৰ লগে লগে ড° সুখ বৰুৱা বাইদেৱে আগবাঢ়ি আহিল মোৰ ওচৰলৈ। মই উঠিছিলোঁৰে। বাইদেৱে আঁকোৱালি ধৰি মোক আগবঢ়াই নিলে আৰু বঁটা প্ৰদান কৰিলে। অহংকাৰশূন্য মহৎ হৃদয়ৰ ব্যক্তি হ'লেহে এনেকৈ স্বয়ং সভানেত্ৰী হৈও আগবঢ়াই নিব পাৰে। ইয়াৰ আগতেও দ্বি-বাৰ্ষিক অধিৱেশনৰ মুকলি সভাৰ মঞ্চত মই বঁটা গ্ৰহণ কৰিছোঁ, কিন্তু এনে নিদৰ্শন পোৱা নাই।"

— *হিৰণ্য শইকীয়া লহকৰ*

***ৰত্নপ্ৰভা ড° সুখ বৰুৱা ঃ ব্যক্তিত্ব, সৃষ্টি আৰু সান্নিধ্য***

"এগৰাকী মহীয়সী নাৰীৰ জন্ম হৈছিল বুৰঞ্জীপ্ৰসিদ্ধ ঠাই শিৱসাগৰৰ বেতবাৰী অঞ্চলত ১৯৪৬ চনৰ ডিচেম্বৰ মাহৰ এটি শুভক্ষণত। পিতৃ ফুলবৰ চেতিয়াৰ ঔৰসত আৰু মাতৃ গুণলতা চেতিয়াৰ গৰ্ভত সোণৰ চামুচ মুখত লৈ জন্ম হোৱা অতি প্ৰখৰ-মেধা শক্তিৰ সেই দেৱ শিশুটিয়েই হৈছে আমাৰ হিয়াৰ আমঠু "ড° সুখ বৰুৱা" যাৰ নামেই পৰিচয়। যিখন হৃদয়ত ভৰি আছে মৰম স্নেহৰ লগতে অদম্য সাহস। যাৰ জন্ম লগ্নৰ পৰাই আছে সপোনৰ আৰাধনা আৰু আছে আশাৰ পৰিপূৰ্ণতা।"

*— যুতিকা কলিতা*

"একাধাৰে কবি, গল্পকাৰ, নিবন্ধকাৰ আৰু সমালোচক হিচাপে অসমৰ সাহিত্য জগতত বিপুল খ্যাতি অৰ্জন কৰা ড° সুখ বৰুৱা বাইদেউৰ ব্যক্তিত্ব প্ৰকৃত অৰ্থতেই বিৰল। এনে এগৰাকী কৰ্মপ্ৰাণ, সমাজসেৱী মহিলাক কাষত  পাই মই ধন্য হৈছোঁ তেখেতৰ এগৰাকী অনুৰাগী হিচাবে।"

*— ড° সোণালী বৰা হাজৰিকা*

"প্ৰথম দৃষ্টিতে মানুহগৰাকীলৈ ওপজে ভক্তি, শ্ৰদ্ধা, সমীহ। জীৱনৰ বহুবৰ্ণময় অভিজ্ঞতাৰে পুষ্ট ড° সুখ বৰুৱা বাইদেউৰ ব্যক্তিত্বই নিজৰ চৌপাশে এক বলয়ৰ সৃষ্টি কৰিছে আৰু সেই বলয় পোনচাটেই উলংঘা কৰি তেখেতৰ কাষ চপাটো সহজসাধ্য নহয় আৰু তেখেতৰ ব্যক্তিত্বৰ সেই অনন্য স্বৰূপতে মই অতিশয় মুগ্ধ।"

*— গীতাঞ্জলি বৰা বৰদলৈ*

"শৈক্ষিক তথা সামাজিক ক্ষেত্ৰৰ বাহিৰেও সাহিত্য ক্ষেত্ৰত তেওঁ যথেষ্ট অৱদান আগবঢ়াইছে আৰু সাহিত্য চৰ্চাৰ জৰিয়তে নিজৰ সৃষ্টিশীল মনৰ বিকাশ ঘটাবলৈ নাৰীসকলক উদ্বুদ্ধ কৰিছে। তেখেত মৰাণ শাখা লেখিকা সমাৰোহ সমিতি তথা ১৬ টা শাখা সমিতিৰ প্ৰতিষ্ঠাপক। তেখেত একেধাৰে কবি, গল্পকাৰ, নিবন্ধকাৰ আৰু সমালোচক। "

*— ড° অনিতা কোঁৱৰ*

"কাষৰীয়া গাঁৱৰ ৰাইজৰ আন্তৰিক সহযোগিতা, এই সকল মহান ব্যক্তিয়ে সমুখত দেখা দিয়া সকলো বাধা অতিক্ৰম, অশেষ কষ্ট, ত্যাগ আৰু ধৈৰ্য্যৰ বিনিময়ত এদিন খেৰৰ চালি আৰু বাঁহ-বেতেৰে সুন্দৰকৈ সেউজী ধৰাৰ বুকুত মূৰ দাঙি উজ্বলি উঠিল আমাৰ অতি চেনেহৰ প্ৰাণৰো প্ৰাণৰ "বেতবাৰী আদৰ্শ উচ্চ বালিকা বিদ্যালয়।" আৰু সেই বিদ্যালয়ৰ প্ৰতিষ্ঠাতা প্ৰধান শিক্ষয়িত্ৰীৰ আসনত অধিষ্ঠিত হৈছিল সকলোৰে শ্ৰদ্ধাৰ, চেনেহৰ শ্ৰীযুতা সুখ চেতিয়া বাইদেউ।"

*— মৃণালিনী চেতিয়া বৰগোহাঁই*

"বহু প্ৰতিভাশালী ড° সুখ বৰুৱা বাইদেউ সৎ সাহসী এগৰাকী মহিলা। কঠোৰ বাস্তৱৰ মুখামুখী হৈও কৰ্তব্য পালনত গাফিলতি নকৰা বাবেই তেওঁ আজি সমাজত পূৰ্ণাঙ্গৰূপে  থিয় দিব পাৰিছে।

নিৰ্ভীক, নিহংকাৰী, সমদৰ্শী স্থিতপজ্ঞ ড° সুখ বৰুৱা। তেওঁ সকলো স্তৰৰ লোকৰেই প্ৰিয়পাত্ৰ। সৰ্বসাধাৰণ ৰাইজৰ আৱেগ, অনুভূতি, অভিজ্ঞতা আচৰণ আদিৰ প্ৰাধান্যৰ সমৰ্থক হিচাবে তেওঁক মানৱতাবাদী শিল্পী হিচাবে সকলোৱে শ্ৰদ্ধা কৰে।"

— ***কনমাই মহন কোঁৱৰ***

"শ্ৰদ্ধাৰ বাইদেউৰ ঘৰলৈ মই বিভিন্ন কাৰণত বহুবাৰ গৈছোঁ। শ্ৰদ্ধাৰ বৰুৱা ছাৰৰ সহজ-সৰল আলাপনৰ মাজেৰে ফুটি উঠা গাম্ভীৰ্যতা, মূৰ দোঁ খাই যোৱা ব্যক্তিত্ব, সাদৰ-সম্ভাষণে মোক প্ৰতিবাৰেই একোটা মহামূল্যবান শিক্ষা দিয়ে। প্ৰতিবাৰেই বাইদেউ মোৰ বাবে বিস্ময়কৰ পাৰিবাৰিক জীৱনৰ লগতে মহাবিদ্যালয়ৰ গুৰু-দায়িত্ব, গ্ৰন্থ অধ্যয়ন, লেখা-মেলা, গৱেষণা, মেল-মিটিং, উৎসৱ, সংগঠন আদি এশ-এবুৰি ব্যস্ততাৰে ভাৰাক্ৰান্ত হৈয়ো কেতিয়াও ভাগৰি নপৰা বাইদেউ গৰাকীয়ে চাহ-জলপান বা ভাত নোখোৱাকৈ কেতিয়াও কাকো বিদায় নিদিয়ে। সকলোখিনিৰ মাজেদি নিজৰ কৰণীয় দায়িত্ব বহন কৰি এদিন সগৌৰৱে ড° সুখ বৰুৱা হ'ল। নিজৰ কৃতিত্বৰ গুণত কত যে সন্মান, উপাধি, বঁটা, সম্বৰ্ধনা লাভ কৰিলে হিচাব কৰিব নোৱাৰি। বয়সেও টলাব নোৱাৰা, সময়েও হাৰ মনাব নোৱাৰা এইগৰাকী নাৰী অগ্নিকন্যা, চন্দ্ৰপ্ৰভা অনুৰাগী, অনুগামী। তেখেতৰ সৃষ্ট গ্ৰন্থ-সম্ভাৰ অতিকে মূল্যবান। এনে এগৰাকী মহীয়সী নাৰীৰ প্ৰতি থকা মোৰ শ্ৰদ্ধা, কৃতজ্ঞতা, মৰম, অনুৰাগ শব্দৰ শক্তিৰে সামৰি বুজাব নোৱাৰোঁ।"

— ***সোণমাই বৰুৱা***

"এগৰাকী নাৰী সৃষ্টি আৰু সুন্দৰৰ প্ৰতীক স্নেহ, দয়া, মমতা, ত্যাগ, বলিদান আদি। আধাৰৰ ওপৰতেই সমাজ এখনৰ ভাৰসাম্যতা নিৰ্ভৰ কৰে। এই সকলো গুণ এগৰাকী নাৰীৰ মাজতেই একত্ৰিত হৈ থাকে। নাৰী ত্যাগ আৰু প্ৰেমৰ প্ৰতিবিম্ব। নাৰী অবিহনে মানৱ জীৱন অসম্পূৰ্ণ। নাৰী জগতৰ জননী আৰু মাতৃত্ব হৈছে নাৰীৰ সকলোতকৈ ডাঙৰ সাধনা।মোৰ খুড়ীদেউ ড° সুখ বৰুৱা এনে এগৰাকী নাৰী যাৰ মাজত লুকাই আছে নাৰীৰ সকলো গুণ। যাৰ ব্যক্তিত্বই মোক আকৰ্ষণ কৰে। আমি জানো এজন ব্যক্তি তেতিয়াহে ব্যক্তিত্ব সম্পন্ন হ'ব পাৰিব যেতিয়া তেওঁ নিজৰ ব্যক্তিত্ব গঢ়িবলৈ নিজে আন্তৰিকতাৰে প্ৰসায় কৰিব। এনেবোৰ গুণ একেদিনাই আহৰণ কৰিব নোৱাৰে। ই শৈশৱৰ পৰা অনুকৰণ কৰা প্ৰক্ৰিয়া। তাৰ বাবে একাগ্ৰচিতে সাধনা কৰিব লাগিব। খুড়ীদেৱে সেই সাধনাত সিদ্ধি লাভ কৰিছে।"

— ***স্বৰ্ণজ্যোতি বৰুৱা বৰবৰা***

"১৯৬৮ চনৰ কথা। বেতবাৰীত এখন স্ত্ৰী শিক্ষানুষ্ঠান হ'ব লাগে। সেই সময়ৰ বেতবাৰী সাংস্কৃতিক ক্ষেত্ৰখনৰ পুৰুধা স্বৰ্গীয় তাৰিণী চেতিয়াকে মুখ্য কৰি গোলাপ বড়া, বগাধৰ বুঢ়াগোহাঁই, ভলক চেতিয়া, নলিনী কোঁৱৰ, গোপাল চেতিয়া, ৰং নাথ গগৈ, দীপেশ্বৰ চেতিয়া, কানু বৰুৱা আদি বহুজনে প্ৰচেষ্টা আগবঢ়ালে। ঘৰে ঘৰে বাঁহ কাঠ বিচৰা হ'ল। কোনোৱে বাঁহ, কোনোৱে কাঠৰ খুটা আদি আগবঢ়ালে। মোৰ স্বামী শ্ৰীযুত গোলাপ বুঢ়াগোহাঁইদেৱে চাৰিটাকৈ এজাৰ কাঠৰ খুটা আগবঢ়ালে। এই দৰে বহুজনৰ শাৰীৰিক-মানসিক শ্ৰম একত্ৰিত হ'ল। অৱশ্যে বহুজনে বাধাও দিছিল। কিয়নো ওচৰতে এখন হাইস্কুল

আছিল। তথাপি বাধা নেওচি ৰাইজৰ অকুণ্ঠ সহযোগত বাঁহ-কাঠৰ খুটা খেৰী ছালেৰে ঘৰটো হ'ল। এতিয়া বেৰবোৰ মচিব লাগে। "আমাক গোবৰ মাটি গোটাই দিয়া, বেৰবোৰ আমি মুচিম" সুখ বাইদেউৰ এনে ভাষ্যত বাকী সকলে কাম কৰিবলৈ প্ৰেৰণা পাইছিল। হাতে কামে আগবাঢ়িছিল সুখ বাইদেউ। বিদ্যালয় হ'ল । এতিয়া লাগে ছোৱালী। ঘৰে ঘৰে ছোৱালী বিচাৰি আনি শ্ৰেণী শুৰুনি কৰাত নেতৃত্ব ললে সুখ বাইদেৱে। এই ক্ষেত্ৰত দগাঁৱৰ বোৱাৰী ৰেণু কোঁৱৰে নিজে হাতত কিতাপ বহী লৈ ছাত্ৰীৰ শাৰীত স্থান লৈ আদৰ্শ আগবঢ়াইছিল। ১৯৬৯ চনৰ ২ জানুৱাৰীৰ পৰা পাঠদান আৰম্ভ হ'ল। বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ দায়িত্ব শিৰপাতি ললে সুখ বাইদেৱে। প্ৰথম অৱস্থাত ছাত্ৰীৰ সংখ্যা কম আছিল যদিও পিছলৈ ক্ৰমে বাঢ়িবলৈ ধৰে। সুখ বাইদেৱে ১৯৭০ চনলৈকে সেৱা আগবঢ়োৱাৰ পিছত বৈবাহিক সূত্ৰে মৰাণলৈ গুচি আহিবলগীয়া হয়।"

*— সত্যপ্ৰভা গগৈ বুঢ়াগোহাঁই*

"ড° সুখ বৰুৱা, নামেই যাৰ পৰিচয়। অসমৰ ইমূৰৰ পৰা সিমূৰলৈকে পৰিচিত তেওঁ কেৱল এগৰাকী ব্যক্তিয়েই নহয়, তেওঁ পৰ্যবসিত হৈ পৰিছে এটা বৃহৎ অনুষ্ঠানলৈ। যিটো অনুষ্ঠানৰ গাত ভেজা দি অনেকজন স্বাৱলম্বী হৈছে, ব্যক্তি হিচাপে সমাজত পৰিচিত হৈ ধন্য হৈছে। তেওঁ শিক্ষাবিদ, দক্ষ প্ৰশাসক, সু-সংগঠক, সুসমাজসেৱী, সাহিত্যিক আৰু বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতিষ্ঠাতা হিচাপে তেওঁৰ জীৱন পৰিক্ৰমা বৰ্ণিল আৰু বিচিত্ৰ। কেৱল এয়াই নে? নহয়, তেওঁ বিভিন্ন বঁটা-বাহন আৰু উপাধি লাভেৰে তেওঁ এগৰাকী বিভূষিতা মহিলা। বঁটা-বাহন-উপাধি প্ৰাপ্তিৰ আঁৰত আছে তেওঁৰ সমাজলৈ বিভিন্ন দিশত আগবঢ়োৱা কৰ্মৰাজি।"

*— ড° মিতালী কোঁৱৰ*

"জাতি বিকাশৰ শক্তিশালী স্তম্ভ , সমাজ এখনৰ প্ৰধান চালিকা শক্তি নাৰীসকলক সৰ্ব গুনেৰে অলংকৃত কৰি প্ৰতি প্ৰভাতৰ উদিত সূৰুযৰ হেঙুলী কিৰণে জীৱন উদ্ভাসিত কৰি দেশ আৰু জাতিক উজলাই তুলিবলৈ প্ৰয়াস কৰিব লাগিব। এই মহান চিন্তাধাৰাৰে অনুপ্ৰাণিতহৈ ওৰেটো জীৱন স্ত্ৰীশিক্ষাৰ উন্নতি কল্পে প্ৰজ্ঞাৰ দীঘ-বাণীৰে পৰিব্যাপ্ত জীৱনৰ অধিকাৰী ড° সুখ বৰুৱাই মানুহ গঢ়াৰ মহানুভৱতাৰে, জ্ঞানৰ মৌকুঁহবিলাই স্ত্ৰীশিক্ষাৰ জৰিয়তে অসমৰ নাৰী সমাজক উচ্চ শিক্ষাৰে শিক্ষিত কৰি জীৱন জিজ্ঞাসাৰ অৱদমিত উদগ্ৰীৱতাৰ প্ৰৱল চেতনাবোধেৰে উদ্বেলিত কৰি তেখেতে অসমীয়া জাতীয় চেতনা সম্পন্ন, সাগৰ সদৃশ বিশাল আৰু গভীৰ মন এটা লৈ শৈক্ষিক, বৌদ্ধিক-উত্তৰণ সাধনেৰে অসমী আইৰ সেৱাত নিজকে আত্মোৎসৰ্গিত কৰি সমাজ, জাতিলৈ অনন্য অৱদান আগবঢ়াই আহিছে।"

*— বিপুল গগৈ*

"তেওঁ নিজেও এগৰাকী ধীৰ-স্থিৰ, স্থিতপ্ৰজ্ঞ নাৰী। গুৰু-গম্ভীৰ আচৰণৰে সমাজৰ বহুলোকৰ মাজত জনপ্ৰিয়তাৰে অসমৰ চাৰিওফালে বিশেষকৈ মহিলা সমাজখনক সকলো দিশতে অগ্ৰণী ভূমিকাৰে যুগমীয়া চিন্তা শক্তিৰে আকোঁৱালি ৰাখিছে। তেওঁৰ মনৰ অদম্য সাহসৰ প্ৰৱণতাই মৰাণৰ দৰে বৃহত্তৰ

অঞ্চলৰ মাজমজিয়াত এজোপা বটবৃক্ষ ৰোপন কৰি নাৰীৰ মানসিক উৎকৰ্ষতাৰ মূল "মৰাণ মহিলা মহাবিদ্যালয়" পূৰ্ণাংগ ৰূপত স্থাপন কৰি নাৰীক একনিষ্ঠভাৱে উত্তৰণ ঘটোৱাৰ প্ৰয়াস তেওঁৰ অপৰিসীম সৃষ্টি। এনে এক পিছপৰা অঞ্চলত নাৰী শিক্ষানুষ্ঠান জন্ম দি এগচি প্ৰদীপৰে উজ্জ্বলিত পোহৰে আজি নাৰীসমাজক শৈক্ষিক, সাংস্কৃতিক আৰু মানসিক দিশৰ পৰিচয় সমাজ জীৱনৰ অপৰিৱৰ্তিত অধ্যায়ক উত্তৰণ ঘটাই ড° সুখ বৰুৱা অৰ্থাৎ মাহীয়ে নিজৰ বহুমুখী জ্ঞানক প্ৰদান কৰি এখন সমাজক সোণালী স্মৃতিয়ে "মৰাণ মহিলা মহাবিদ্যালয়" খনৰ জন্মলগ্নৰ ইতিহাস যুগমীয়া কৰিলে।"

***— প্ৰবীন বৰপাত্ৰ গোহাঁই***

"১৯৬৪-৬৫ চনত শিৱসাগৰ কলেজত 'Pre-University' ত পঢ়ি থকাৰ সময়ত তেখেতক সঘনাই লগ পোৱাৰ সুযোগ পাইছিলো। সেই সময়ত বাইদেউ স্নাতক মহলাৰ ২য় বৰ্ষৰ ছাত্ৰী আছিল। কলেজত পঢ়ি থকা কালৰ পৰাই বাইদেউ বৰ সাহসী আছিল। কোনোদিনে তেখেতে তলমূৰ কৰি খোজ কঢ়া নাছিল। খোজ কাঢ়ি যাওঁতে পাৰ হৈ যোৱা প্ৰায়বোৰ ছাত্ৰ-ছাত্ৰীৰ আচৰণ তেখেতৰ চকুত ধৰা পৰিছিল। কিবা বেয়া দেখিলে তেখেতৰ অনুজসকলক (ল'ৰাই হওক বা ছোৱালীয়েই হওক) পোনপটীয়াকৈ বাধা দিয়াৰ সাহস কৰিছিল। আৰু কলেজৰ প্ৰায় ৮০% ছাত্ৰ-ছাত্ৰীয়ে তেখেতক সুখ বাইদেউ বুলি মাতিছিল। আৰু তেতিয়া 'বাইদেউ' বুলি কলে 'সুখ বৰুৱাকে' বুজাইছিল।"

***— পদ্ম বৰুৱা***

"প্ৰশাসনিক ভাৱে তেওঁ যিমান কঠোৰ, ঘৰুৱা ভাৱে সিমান নম্ৰ। সহজ-সৰল ভদ্ৰ। যিসকলে তেওঁৰ সান্নিধ্যলৈ আহিছে সকলোৱেই তেওঁৰ গুণ-গৰিমাৰ কথা নোকোৱাকৈ নোৱাৰে। আচলতে তেওঁ এগৰাকী সু-সাহিত্যিক, কবি। মনৰ মাজতো এটা কোমল মন। বাইদেউৰ স'তে কেতিয়াবা কৰবালৈ গ'লে বা কেতিয়াবা কোনো লোক বাইদেউৰ ওচৰলৈ আহিলে আমি দেখো যে- যিসকল নমস্য ব্যক্তিৰ কাষ চাপিবলৈ আমি সাধাৰণতে ভয় কৰোঁ সেইসকলেই আহি যেতিয়া বাইদেউৰ চৰণ চুব খোজে তেতিয়া বুকুখন ফুলি উঠে। কিমান যে গৌৰৱবোধ কৰোঁ, ইমান মহীয়ান এগৰাকী মানুহৰ সান্নিধ্যত লাভ কৰিছো বুলি। সকলোকে সমদৃষ্টিৰে সহজে আপোন কৰি ল'ব পৰা এক বিশাল ব্যক্তিত্বৰ অধিকাৰিণী আছিল তেওঁ, তেওঁৰ বাবে সৰু-বৰ নাই। বাইদেউক যিমান শ্ৰদ্ধা-ভক্তি কৰিছিলোঁ সিমান ভয়ো কৰিছিলোঁ।"

***— ৰঞ্জু বড়া***

"অফুৰন্ত কৰ্মোদ্যমেৰে সামগ্ৰিকভাৱে সমাজ জীৱনলৈ আগবঢ়োৱা অতি মূল্যবান বৰঙণিৰ বাবে অসম চৰকাৰে আৰু তেখেতৰ গুণমুগ্ধ গুণীসকলে যথোচিতভাৱে তেখেতলৈ অনেক বঁটা আগবঢ়াইছে, সম্বৰ্দ্ধনা জনাইছে আৰু বিভিন্ন উপাধিৰে বিভূষিত কৰিছে। গুণীজনৰ জীৱনকালতে কৃতজ্ঞ সমাজে এনেদৰে গুণাৱলীৰ স্বীকৃতি দিয়া আৰু উচিত মূল্যায়ন কৰা কাৰ্য অতি প্ৰশংসনীয় আৰু প্ৰেৰণাদায়ক। নিজৰ প্ৰতিভাৰে উজ্বল ড° সুখ বৰুৱা সমাজৰ, বিশেষকৈ নাৰী সমাজৰ প্ৰেৰণাৰ উৎস।"

***— পূৰ্ণানন্দ গগৈ***

"ড° সুখ বৰুৱা নাৰী শিক্ষাৰ বাবে অগ্ৰণী ভূমিকা গ্ৰহণেৰে অসমৰ শিক্ষা জগতলৈ অতুলনীয় অৱদান আগবঢ়াই অহা এগৰাকী মহীয়সী নাৰী। নাৰীসকলৰ প্ৰেৰণাৰ উৎস এই গৰাকী মহীয়সী নাৰীয়ে কেইবাখনো মূল্যবান গ্ৰন্থ প্ৰকাশ কৰি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিছে। তেখেতে গঢ় দিয়া বিভিন্ন অনুষ্ঠানসমূহে তেখেতৰ বিজয় ধ্বজা উৰুৱাই সগৌৰৱে থিয় দি আছে। এই গৰাকী নাৰীয়ে মহিলাসকলে নিজৰ সৃষ্টিশীল লেখনিৰ জৰিয়তে কেনেদৰে সমাজত প্ৰতিষ্ঠা লাভ কৰিব পাৰে তাৰ চিন্তাতে অহৰহ ব্ৰতী।"

*— ভাৰতী গগৈ*

"কিছু বছৰ বাগৰি গৈছিল । মই বিবাহসূত্ৰে সাংসাৰিক মায়াজালত সোমাই, মাতৃত্ব লাভ কৰি কিছু বছৰ শিক্ষা গ্ৰহণৰ পৰা বিৰত আছিলো, কিন্তু মোৰ মনত লুকাই থকা বিদ্যাশিক্ষাৰ প্ৰৱল ইচ্ছা থকা স্বত্বেও সেই সুযোগ পোৱা নাছিলো।এদিন সেই সুযোগ আহিল। অসম শিক্ষাবৰ্ডে শেষ বাৰৰ বাবে সকলোকে হাইস্কুল শিক্ষান্ত পৰীক্ষা দিবলৈ সুবিধা প্ৰদান কৰে। মোৰ দৰে কেইবাগৰাকী গৃহিনীয়ে পৰীক্ষা দি ১৯৯২ চনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হ'লো। কিন্তু আমাৰ দৰে দিব নোৱাৰে বুলি কৰ্তৃপক্ষই জনায়। আমাৰ শিক্ষাগ্ৰহণৰ প্ৰবল ইচ্ছা থাকিলেও আগলৈ শিক্ষা গ্ৰহণ কৰা নহ'লহেঁতেন বা সিমানতে শিক্ষা সাং হ'লহেঁতেন যদিহে মহিলা মহাবিদ্যালয় প্ৰতিষ্ঠা নহ'লহেঁতেন।আমাৰ এনে এটা অৱস্থাত ড° সুখ বৰুৱা বাইদেৱে সপোন দেখিছিল যে আমাৰ দৰে গৃহিনী তথা মৰাণ মহাবিদ্যালয়ত আসন নাপাই কান্দি কান্দি উভতি যোৱা ছাত্ৰী সকলক দেখি। সেইসকল ছাত্ৰীক শিক্ষা গ্ৰহণৰ সুবিধা দিবৰ বাবে এখন মহিলা মহাবিদ্যালয়ৰ প্ৰয়োজন অনুভৱ কৰিলে। সেয়ে বহুতো চেষ্টা, জটিলতা, সংকট নেওচি ১৯৯২ চনত উক্ত মহিলা মহাবিদ্যালয়খন প্ৰতিষ্ঠা হ'ল। ড° সুখ বৰুৱাৰ সৰল নেতৃত্ব আৰু বহুতো বৰেণ্য ব্যক্তিৰ আশাশুধীয়া চেষ্টাত গঢ়া মহাবিদ্যালয়ত আমি ২২৭ গৰাকী ছাত্ৰীয়ে প্ৰথম দলত নামভৰ্তি কৰাৰ সুবিধা পালো। উক্ত চালুকীয়া মহাবিদ্যালয়খনত নানান অসুবিধাৰ সন্মুখীন হৈছিলো। সেয়ে শিক্ষাগ্ৰহণৰ লগতে আমি ছাত্ৰীসকলে বাইদেউৰ লগতে মহাব্যািলয়ৰ বিভিন্ন অভাৱ অভিযোগ পূৰণৰ বাবে কিছুমান কাম কৰিছিলো। প্ৰায়ে শিক্ষাদানৰ কাৰ্যসূচী শেষ হোৱাৰ অন্তত বাইদেউৰ লগত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, ৰাজনৈতিক নেতা, সাংসদ বিধায়কক লগ ধৰিছিলো। মহাবিদ্যালয়ৰ নমস্য শিক্ষাগুৰুসকলৰ নূন্যতম পাৰিতোষিক দিবলৈ কলেজৰ কুপন খেলোৱা হৈছিল। এই কাৰ্যত সদায় আমাৰ অধ্যক্ষা বাইদেউ আমাৰ লগত থাকি বিভিন্ন দিহা পৰামৰ্শ আগবঢ়াইছিল। পূজাৰ সময়ত কুপন বিক্ৰী কৰিবলৈ শ্ৰীৰাম মাৰ্কেটত বহোতে বাইদেৱে আমাৰ লগত বহি কুপন বিক্ৰী কৰিছিল। তেওঁৰ এনে বহুতো উদাহৰণ আছে যি তেওঁৰ ত্যাগৰ সাক্ষ্য বহন কৰে। তেনে এটা উদাহৰণ হৈছে যে তেওঁ চৰকাৰী চাকৰি ত্যাগ কৰি মহিলা মহাবিদ্যালয়ৰ বাবে আত্মনিয়োগ কৰিছিল।"

***— হাজেৰা খাটুন***

"যিসময়ত অসমত নাৰী শিক্ষা পুতৌজনক অৱস্থাত আছিল, মুকলিকৈ এগৰাকী নাৰী স্বাধীনভাৱে

চলা-ফুৰাত নানা বাধা বিঘিনি সমাজে আৰোপ কৰিছিল, সেই সময়তে ড° সুখ বৰুৱাই তেনে প্ৰতিকূলতাক নেওঁচি নিজেও উচ্চ শিক্ষা লোৱাৰ লগতে সমাজৰ অন্য দহগৰাকী নাৰীক ইয়াৰ বাবে উদ্বুদ্ধ কৰিছিল। সমাজ তথা সাহিত্য জগতলৈ আগবঢ়োৱা অৰিহণাৰ স্বীকৃতি জনাই ২০১৬ চনত সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ ধুবুৰী জিলা সমিতিয়ে প্ৰদান কৰা উপাধি "হাব্ৰুনি ফামে" (বোকা পদুম) উপাধি খাপ খাই পৰিছে ড° সুখ বৰুৱাৰ কৰ্মৰাজিত। আমিও কওঁ সঁচাই বোকাৰ মাজত জিলিকি থকা এপাঁহি পদুম ড° সুখ বৰুৱা।"

*— জুৰি ৰাজখোৱা গগৈ*

"সাংসাৰিক বান্ধোনত বান্ধ খাই পৰিয়ালৰ প্ৰতি থকা দায়িত্ববোধ পালন কৰিও নিজৰ স্বাৰ্থক তুচ্ছ কৰি বৃহত্তৰ স্বাৰ্থৰ হকে বিভিন্ন বিঘিনি নেওচি নিস্বাৰ্থভাৱে এজন পুৰুষে অকলে সমাধা কৰিব নোৱাৰা যি কাম কৰি দেখুৱালে তাৰ বাবে বাইদেউলৈ অশেষ ধন্যবাদ আৰু শ্ৰদ্ধা নিবেদিলো। এই অঞ্চলৰে কেইবাটাও মহিলা অনুষ্ঠানৰ লগত জড়িত আৰু কেইবাটাও অনুষ্ঠানৰ মুৰব্বী হৈ সুদক্ষ পৰিচালনাৰে সমাজৰ বাবে চলোৱা ড° সুখ বৰুৱা বাইদেউৰ যি অদমনীয় অধ্যৱসায় সেয়া আমাৰ নতুন প্ৰজন্মৰ বাবে অনুকৰণীয় আৰু আদৰ্শস্বৰূপ।"

*— বন্দিতা বাইলুং ফুকন*

"ড° সুখ বৰুৱা বাইদেৱে কোৱা কথাবিলাক মনত পৰিলে বৰ ভাল লাগে। তেখেতৰ পৰা শিক্ষাদান পোৱাটো আমাৰ সৌভাগ্য আছিল। পঢ়াৰ মাজে মাজে তেখেতে আমাক বৰ ভাল ভাল পৰামৰ্শ দি গৈছিল- যি মানৰ জীৱনৰ বাস্তৱিকত ৰূপায়িত হোৱা দেখা পাওঁ। সেয়ে বাইদেৱে কোৱা প্ৰতিটো কথা বহুত মূল্যবান। বাইদেৱে মুখত কবলগীয়া কথা মুখতেই কয়। বাইদেউৰ এই গুণটোৱেই বহুত ভাল লাগে। কিয়নো এনেধৰণৰ ব্যক্তিৰ সম্পৰ্কত থাকিলেহে নিজৰ ভুলবিলাক মানুহে দেখা পায় আৰু ভৱিষ্যতে সেই ভুলবিলাক শুধৰোৱাৰ সুযোগ পায়।"

*— মনু চাহু*

"ড° সুখ বৰুৱা বাইদেউ বুলি ক'লে মোৰ মনলৈ আহে এগৰাকী ধীৰ-স্থিৰ ব্যক্তিৰ শান্ত সমাহিত ৰূপ। কথা-বতৰা আৰু আচাৰ-ব্যৱহাৰৰ মাজেদি প্ৰস্ফুটিত হৈ থাকে এক মোহনীয় ব্যক্তিত্ব। অতি নিপুণতাৰে মৰাণ মহিলা মহাবিদ্যালয় স্থাপন কৰি দায়িত্ব পালন কৰাৰ উপৰিও সমাজৰ বিভিন্ন কামত নিজকে আত্মনিয়োগ কৰা এগৰাকী দৃঢ়মনা, নীতি আৰু আদৰ্শৰ ক্ষেত্ৰত কাৰো লগত আপোচ নকৰা এক ব্যক্তিত্ব। বাইদেউ কৰ্তব্যনিষ্ঠা, অধ্যৱসায়ী আদি গুণৰ অধিকাৰী। সকলো ক্ষেত্ৰতে কঠোৰ নিয়মানুবৰ্তিতা, সামাজিক দায়বদ্ধতা, সততা, কৰ্তব্য পৰায়ণতা, শৃংখলাবদ্ধতা, ন্যায়নিষ্ঠতাই হৈছে ড° সুখ বৰুৱা বাইদেউৰ জীৱনৰ মূল মন্ত্ৰ।"

*— দ্বীপেন গগৈ*

***ৰত্নপ্ৰভা ড° সুখ বৰুৱা ঃ ব্যক্তিত্ব, সৃষ্টি আৰু সান্নিধ্য***

"ড° সুখ বৰুৱা বাইদেউ এই নামটো সমগ্ৰ অসমৰ শিক্ষা, সাহিত্য আৰু সমাজ জীৱনৰ এক সুপৰিচিত নাম। ২০০১ চন, মই মৰাণ মহিলা মহাবিদ্যালয় অধ্যয়নৰ বাবে নামভৰ্তি কৰাৰ পৰা এই নামটোৰ সৈতে পৰিচয় হ'লো। উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ প্ৰথম পিৰিয়দটোত বাইদেউক প্ৰথম দেখাৰ সৌভাগ্য হৈছিল। শিক্ষানুষ্ঠানৰ অনুশাসন, নিয়ম শৃংখলাৰ লগতে জীৱনৰ বাবে লাগতিয়াল মূল্যৱান কথাৰে বাইদেৱে আমাক আপ্লুত কৰিছিল। প্ৰথম দৰ্শনতে বাইদেউৰ ব্যক্তিত্বই মোক মোহাচ্ছন্ন কৰিছিল।"

***— ড° ৰীমা কটকী***

"মই যেতিয়া ড° সুখ বৰুৱাৰ ওচৰলৈ চাকৰিৰ কাৰণে গৈছিলো তেতিয়া মোক কিছুমান কামৰ কথা সুধিছিল আৰু মই উত্তৰ দিয়াৰ পাছত হ'ব বাৰু কৈ সামৰিছিল। এটা কথা মন কৰিছিলো বাইদেউ অতিথিপৰায়ণ আছিল। ঘৰলৈ কোনোবা গ'লে কাকো সুদা মুখে নপঠিয়াইছিল। তেওঁ মোক নিজেই চাহ তৈয়াৰ কৰি খুৱাইছিল, ইমান ব্যস্ততাৰ মাজত হয়তো অন্য কোনোবাই নোৱাৰিলেহেতেন। পোন প্ৰথমে মই বাইদেউৰ সহায়ত মৰাণ জাতীয় বিদ্যালয়ত চাকৰিত যোগদান কৰিছিলো।"

***— কৃষ্ণ শংকৰ বৰা***

"আনদিনাৰ দৰেই সেইদিনাও তেওঁৰ (ড° সুখ বৰুৱা) ঊষাপুৰৰ ঘৰৰ চোতালত আবেলিৰ চাহৰ আড্ডা চলি আছিল। উপস্থিত আছিল তেওঁৰ অনুজ শুভাকাংক্ষী ড° প্ৰদীপ হাজৰিকা আৰু ড° কমলা বৰগোহাঁই। এনেই কথাৰ মাজতে তেওঁ কৈ পেলালে বোলে ঐ প্ৰদীপ-কমলা, কলেজ এখন খোলো আহ। বৰগোহাঁই আৰু হাজৰিকাই একেমুখে কৈ পেলালে বোলে পাৰি। তাৰ পিছত আৰু তেওঁ পিছলৈ ঘূৰি চোৱা নাই। ইমান ওচৰতে এখন কলেজ থাকোতে ৰাইজে নতুন কলেজ এখন পতাৰ ক্ষেত্ৰত সহযোগিতা কৰিব জানো? শেষত কেৱল ছোৱালীৰ বাবে কলেজখন পতাৰ সিদ্ধান্ত কৰা হ'ল। নাম ঠিৰাং কৰা হ'ল '**মৰাণ মহিলা মহাবিদ্যালয়**'। মহাবিদ্যালয়ৰ বাবে প্ৰয়োজনীয় অনুমোদন, মাটিৰ সন্ধান আদি সকলো কাম তেওঁ প্ৰায় অকলেই চম্ভালি ল'লে। ১৯৯২ চনত মহাবিদ্যালয় স্থাপন হ'ল। মৰাণ মহাবিদ্যালয়ত পঢ়িব বিচৰা যিসকল ছোৱালীয়ে চিট্ নাপায় সেইসকল ছোৱালীয়ে পঢ়িব। আজিৰ মৰাণৰ গৌৰৱ 'মৰাণ মহিলা মহাবিদ্যালয়ে' ইতিমধ্যে 'ৰূপালী জয়ন্তী' পাৰ কৰিছে।"

***— ড° সুজিত ভৰালী***

"মহাবিদ্যালয়ত অধ্যয়নৰত কালছোৱাত মহাবিদ্যালয়ত প্ৰতিবছৰে লটাৰী খেলোৱা হৈছিল। মনত পৰিছে দুৰ্গা পূজাৰ পিছত লটাৰী খেল অনুষ্ঠিত কৰা হৈছিল। সেই সময়ত আমি প্ৰায় ১৫/২০ গৰাকীমান ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰী লগ হৈ লটাৰী টিকট বিক্ৰীৰ বাবে সেই বছৰত দুৰ্গা পূজাৰ সময়ত টাউনত কাউণ্টাৰ পতা হৈছিল। ড° সুখ বৰুৱা বাইদেউৱে আমাক আৰম্ভণিৰ পৰা সামৰা পৰ্বলৈকে অৰ্থাৎ গধূলি সময়ৰ পৰা ৰাতি প্ৰায় ৯-৩০ মান বজালৈকে লগ দিছিল। নিজৰ ব্যস্ততাক এৰি আমাৰ লগত এনেদৰে কটোৱা সময়বোৰ সঁচাকৈয়ে বহুত আনন্দৰ আছিল। বাইদেউৰ উপস্থিতিয়ে সেই দিনবোৰত আমাক উৎসাহ আৰু অনুপ্ৰেৰণা যোগাইছিল। মহাবিদ্যালয়ত পাৰ কৰা পাঁচোটি বৰ্ষত বিভিন্ন কাৰণত

বাইদেউক কাষৰ পৰা পাইছিলো। বিশেষকৈ ছাত্ৰী একতা সভাৰ সাধাৰণ সম্পাদিকাৰ দায়িত্বত থকা সয়মত বাইদেউৰ বহুমূলীয়া দিহা-পৰামৰ্শবোৰৰ যোগেদি বহু নজনা কথা শিকিব পাৰিছিলো। মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা সভাসমূহত বাইদেৱে প্ৰদান কৰা ভাষণসমূহ আছিল আমাৰ বাবে অতি মূল্যবান আৰু প্ৰেৰণাদায়ক।"

*— জেউতি পাংগিং*

"আজিও মই গৌৰৱবোধ কৰোঁ, যিখন মহাবিদ্যালয়ত ছাত্ৰী হিচাপে উচ্চ শিক্ষাৰ প্ৰথম জ্ঞান লাভ কৰিছিলোঁ, সেই অনুষ্ঠানতে বৰ্তমান শিক্ষয়িত্ৰী হিচাপে কৰ্মৰত হৈ শিক্ষাদানৰ দৰে মহৎ বৃত্তিত আত্মনিয়োগৰ সুবিধা লাভ কৰিছোঁ। মোৰ বাবে ই নিতান্তই সৌভাগ্যৰ কথা। এই আপাহতে, ড° সুখ বৰুৱা বাইদেউলৈ কৃতজ্ঞতা আৰু শ্ৰদ্ধা জনাইছোঁ। তেখেতে মৰমসুলভ কৰ্তৃত্ব আৰু অনুশাসনেৰে আমাৰ ছাত্ৰী জীৱনৰ দিক্ দৰ্শন কৰাইছিল।"

***— দীক্ষিতা লুখুৰাখন***

"ড° সুখ বৰুৱা বাইদেউ আছিল নিয়মানুৱৰ্তী আৰু অনুশাসনশীল স্বভাৱৰ। আমাৰ আচৰণ খেলি-মেলি পালে খঙো কৰিছিল। ছোৱালীবোৰকো নিজৰ কন্যা যেন জ্ঞান কৰিছিল। প্ৰায় সকলো ছোৱালীৰ নাম ঠিকনা পৰ্যন্ত মনত ৰাখিছিল। ব্যস্ততাৰ মাজতো সকলোকে এষাৰ মাত দিয়ে। শিক্ষকসকলৰো ঘৰুৱা সমস্যাৰ বুজ লয়। তেখেত বিভিন্ন সামাজিক অনুষ্ঠানৰ লগত জড়িত থাকিলেও কোনোদিন ভাগৰুৱা দেখা নাছিলো। কলেজৰ সকলো কাম নিখুঁতভাৱে পৰিচালনা কৰিছিল লগতে আমাকো বিশেষকৈ অধিক শিক্ষা গ্ৰহণ কৰিবলৈ প্ৰবন্ধ-পাতি লিখিবলৈ উৎসাহিত কৰিছিল।"

*— দিলীপ চুতীয়া*

"তেখেতৰ কৰ্মৰাজিৰ স্বীকৃতিস্বৰূপে তেওঁক অসম চৰকাৰৰ চন্দ্ৰপ্ৰভা শইকীয়ানী বঁটাৰে সন্মানিত কৰা হৈছে। তেওঁ ডক্টৰেট উপাধি লাভ কৰা গৱেষণামূলক গ্ৰন্থখনো অসমৰ বাবে এক সম্পদস্বৰূপ। সাহিত্যিক পেঞ্চনাৰ ড° সুখ বৰুৱা হ'ল অসমৰ নাৰী শিক্ষাৰ বাবে নিজকে উৎসৰ্গা কৰা এটি নাম। তেখেতৰ কৰ্মৰাজিৰে অনুপ্ৰাণিত হৈ সেই আদৰ্শৰে আমিও নিশ্চয় বাট বুলিব পাৰো। অন্ততঃ পিছপৰা, ভিতৰুৱা অঞ্চলতো নাথাকিব কোনো অশিক্ষিত কিশোৰী, যুৱতী আৰু মহিলা। তেওঁলোকেও বিচাৰি পাব শিক্ষাৰ নতুন জ্যোতি আৰু সেই জ্যোতিৰে আলোকিত হ'ব শিক্ষাগ্ৰহণৰ সুবিধা নথকা, দৰিদ্ৰতাৰ কবলত পৰা, বহুতো সা-সুবিধাৰ পৰা বঞ্চিত ভিতৰুৱা অঞ্চলসমূহ। আমি খুবেই আশাবাদী।"

*— ৰিতু গগৈ*

"সুখ বাইদেউৰ লগত সততে দিহিঙে-দিপাঙে বিভিন্ন সভা-সমিতিলৈ গ'লে কনমাই কোঁৱৰো (মোৰ বৌ) লগত যায়। এদিন বৌৰ যোগেদিয়েই বাইদেউৰ স'তে পৰিচয় হৈছিলো। সঁচাকৈ বাইদেউ এগৰাকী মহীয়সী নাৰী। মোৰ মনত আগৰে পৰা তেওঁৰ প্ৰতি যি শ্ৰদ্ধা-ভক্তি আছিল সেয়া তেওঁক পাই

বেছিকৈ বাঢ়িল। তেওঁৰ কথা-বতৰা, ব্যক্তিত্বই মোকো মুগ্ধ কৰিলে। এগৰাকী অনুৰাগী হিচাপে তেওঁৰ কৰ্ম জীৱনৰ কথাবোৰ শুনিয়েই মোৰ ভক্তি উপজে। নাৰীৰ সৰ্বতোপ্ৰকাৰৰ উন্নতিৰ বাবে কাম কৰা সুখ বাইদেউৰ দৰে দ্বিতীয় এগৰাকী নাৰীক মই লগ পোৱা নাই।"

*— শেৱালী লিগিৰা সন্দিকৈ*

"মৰাণ মহিলা মহাবিদ্যালয় মানেই অধ্যক্ষা ড° সুখ বৰুৱা বাইদেউ। কলেজত পঢ়া ছাত্ৰী, অভিভাৱকৰ মুখত মাত্ৰ এটাই নাম সঘনাই উচ্চাৰিত হয় সেয়া হৈছে- সুখ বৰুৱাৰ কলেজ। সুখ বৰুৱাই পতা কলেজতে ছোৱালীজনী পঢ়ে, তুমি তাতেই চাকৰি কৰা নেকি? মৰাণত তেখেত সঁচাকৈয়ে নাৰী উচ্চ শিক্ষাৰ বাটকটীয়াৰ ভূমিকা পালন কৰিলে, ত্যাগ কৰিলে, সাহস কৰিলে ইত্যাদি। আমি গৌৰৱ অনুভৱ কৰো। আমাৰ অনুভৱত তেখেত কেৱল বিৰল ব্যক্তিত্বসম্পন্ন মহিলাই নহয় তেখেত এটা অনুষ্ঠান।"

*— ড° মৌচুমী গগৈ*

"সংঘমিত্ৰা জাতীয় বিদ্যালয় স্থাপনৰ ক্ষেত্ৰত তেখেতৰ অৱদান অতুলনীয়। তেখেতে যেতিয়া হাবি-জংঘল কাটি এই অনুষ্ঠান গঢ় দিবলৈ আহিছিল তেতিয়া বহুতো সমস্যাৰ সন্মুখীন হৈছিল। তথাপি বাইদেৱে ধৈৰ্য আৰু সাহস হেৰুওৱা নাছিল। তেখেতৰ ঐকান্তিক চেষ্টাৰ বলতেই মৰাণৰ নতুন নগৰত প্ৰথমে উইভিং চেণ্টাৰ স্থাপন হ'ল তাৰ পাছত লাহে লাহে এই ভিতৰুৱা অঞ্চলত এখন শিক্ষানুষ্ঠানৰ জন্ম হ'ল। য'ত ভিতৰুৱা অঞ্চলৰ পৰা অহা শ শ ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা লাভ কৰিবলৈ সক্ষম হৈছে আৰু এই বিদ্যালয়ৰ পৰাই হাইস্কুল শিক্ষান্ত পৰীক্ষাত ভালদৰে উত্তীৰ্ণ হৈ কলেজত নামভৰ্তি কৰিছে।"

*— মল্লিকা দেৱী শৰ্মা*

"সুখ বাইদেউৰ দৰে মানুহৰ সান্নিধ্যই বিভিন্ন ৰুচিৰ, বিভিন্ন মানসিকতা আৰু মূল্যবোধৰ লোকসকলৰ মাজত মোৰ দৰে আপোন মতলবী মহিলা এগৰাকী আগতে ওপৰত কৈ অহা পৰ্বসমূহ সমাজ এখনত টিঘিল ঘিলাই ঘূৰি ফুৰোতে কিদৰে পৰিমাৰ্জিত ৰূপত প্ৰয়োগ কৰি পৰম প্ৰশান্তি লভিব পাৰি আৰু উপকৃত হ'ব পাৰি তাক জানিলো। এনেবোৰ অভিজ্ঞতাৰ পৰা অনুভৱ হয় যে সুখ বাইদেউৰ দৰে সৰ্বগুণী, ৰাংঢালী, খোলা অন্তৰৰ, অভিজ্ঞতাপুষ্ট, পৰোপকাৰী আৰু উদাৰ মহিলাৰ ছাঁতে ছাঁলৈ আমাৰ দৰে বহু মহিলাই অলপকৈ হ'লেও সমাজসেৱা কৰিবৰ সুযোগ পাইছো আৰু সেইবোৰৰ গইনা লৈ নিজক নিজে Identify কৰি ধন্যও হ'ব পাৰিছো। আমাৰ নিজা আকাংক্ষিত লক্ষ্যস্থানত উপনীত হোৱাত সহায় কৰি থকা পথ প্ৰদৰ্শক স্বৰূপ এনে গৰাকী মৰাণবাসী আমাৰ প্ৰবীন অগ্ৰজ মহিলা যে আছে সেয়া ভাবি আমি সাহস পাওঁ, আমাৰ মনোবল বাঢ়ে।"

***— কৃপাঞ্জলি গগৈ***

"ড° সুখ বৰুৱা সমগ্ৰ অসমৰ বাবে এটা চিনাকি নাম। লিখি আৰু কৈ শেষ কৰিব নোৱাৰা বিভিন্ন কৰ্মৰাজিৰে সংপৃক্ত হৈ থকা এক প্ৰাণময় অনুষ্ঠান। অতি স্পষ্টবাদী আৰু কোনো কৃত্ৰিমতাৰ প্ৰলেপ

নথকা মাত কথা তেওঁৰ, যাৰ বাবে বহু সময়ত তেওঁক ভুল বুজাৰো ধাৰণা হয়। তেওঁৰ সাহস আৰু বীৰত্ব কৰ্মৰাজিৰ জৰিয়তে গাম্ভীৰ্য্যতা প্ৰকাশ পায়। তেওঁক বিভিন্ন পৰিস্থিতিত আনৰ দৰে নিৰাপদ দূৰত্ব বজাই নাৰাখি সততে সৰৱ হোৱা পৰিলক্ষিত হয়। এইয়া তেওঁৰ ব্যক্তিত্ব। কিন্তু ভিতৰৰ মানুহজনী অতি কোমল আৰু অনুভূতি প্ৰৱণ।"

**—ড° স্ৰোতস্বিনী গগৈ**

"ড° সুখ বৰুৱা বাইদেউলৈ মোৰ শ্ৰদ্ধা যিমান, ভয়ও সিমান। তেখেত একেবাৰে Straight forward মানুহ, বেয়া দেখিলে চকুৰ সন্মুখতে গালি পাৰি দিবলৈও অকনো কুণ্ঠাবোধ নকৰে। এনেকুৱা ঘটনা মোৰ ক্ষেত্ৰতো বহুবাৰ হৈছে। আচল কথা ক'বলৈ গ'লে তেখেত এগৰাকী প্ৰকৃত সমাজ সংস্কাৰক। তেখেতৰ ব্যক্তিত্বৰ সংস্পৰ্শলৈ আহিলেই সকলো মানুহৰে পৰিবৰ্তন আহিবই পৰোক্ষ ভাৱেই হওক বা প্ৰত্যক্ষ ভাৱেই হওক।"

**— ড° অন্বেশ্বৰ ফুকন**

"আজীৱন শিক্ষাদানত ব্ৰতী তেখেতৰ শিক্ষাৰ ক্ষেত্ৰখনলৈ আগবঢ়োৱা অৱদানৰ লগতে সমাজৰ বিভিন্ন পৰ্যায়ৰ মহিলাসকলক লৈ কৰা বহুকেইটা অনুষ্ঠানৰ গুৰি ধৰি অৰিহণা আগবঢ়াই সকলোকে উপকৃত কৰিছে। ইয়াৰ উপৰিও অন্যান্য অনুষ্ঠান প্ৰতিষ্ঠানৰ লগতো জড়িত থাকি সু-পৰামৰ্শৰে এক গুৰুত্বপূৰ্ণ ভূমিকা লৈ আহিছে। কৰি গৈছে— লৌহ অথচ মমতাময়ী মানৱীগৰাকীয়ে। তেখেতৰ আজীৱন ত্যাগৰ ফলত আমি উপকৃত হৈছো, সমাজ উপকৃত হৈছে। তেখেত আজি এক অনুষ্ঠানলৈ পৰিণত হৈছে।"

**— পূৰবী ফুকন**

"মানুহে কৰোঁ বুলি ভাবিলে কৰিব নোৱৰা কাম একো নাই। তাৰে সুন্দৰ উদাহৰণ সুখ বাইদেউ, ড° সুখ বৰুৱা। বাইদেউৰ এটা বিশেষ বৈশিষ্ট্য হ'ল গ্ৰন্থ অধ্যয়নৰ ধাউতি, লিখা-মেলাৰ প্ৰচেষ্টা আৰু গ্ৰন্থ প্ৰকাশৰ সদিচ্ছা। শৈশৱৰে পৰা পাঠ্যপুথিৰ বাদেও বাহিৰৰ জগতখনত বিচৰণ কৰা বাইদেৱে কবিতা গল্প আদিৰ সোৱাদ লৈছিল আৰু সৃষ্টি কৰাৰো যত্ন কৰিছিল। তেখেতৰ ভালেকেইটা তত্ত্বগধুৰ প্ৰৱন্ধ, গল্প, কবিতা আদি বিভিন্ন বাতৰিকাকত, আলোচনী আদিত প্ৰকাশ পাইছে। টাই-আহোম সংস্কৃতিৰ বিষয়ে গৱেষণা কৰি তত্ত্ববিষয়ক অৱদানেৰে অসমীয়া সাহিত্য-সংস্কৃতিকো এইগৰাকী নাৰীয়ে সমৃদ্ধ কৰি থৈ গৈছে বুলি ক'লে বঢ়াই কোৱা নহ'ব।"

**— ড° নমিতা চুতীয়া শইকীয়া**

"ড° সুখ বৰুৱা বাইদেউ এগৰাকী প্ৰতিষ্ঠিত সাহিত্যিক। বৰ্তমানলৈকে প্ৰায় একুৰিও অধিক গ্ৰন্থ প্ৰকাশ আৰু সম্পাদনাৰে তেখেতে অসমীয়া সাহিত্য ভৰাঁললৈ অনবদ্য বৰঙণি আগবঢ়াইছে। তদুপৰি মহিলাসকলৰ সাহিত্য প্ৰতিভা বিকাশৰ বাবে বহুকেইখন শাখা সামিতি গঠন কৰাৰ লগতে নিজেও সবল

নেতৃত্ব প্ৰদান কৰি ২০১৪ চনৰ পৰা ২০১৬ চনলৈকে সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। মহিলাসকলক কেৱল শিক্ষিত কৰিলেই নহ'ব, তেখেতসকলৰ বৌদ্ধিক বিকাশ সাধন কৰিব পাৰিলেহে প্ৰকৃতাৰ্থত সমাজখন আগুৱাই যাব। এই কথা ড° সুখ বৰুৱা বাইদেউৱে মৰ্মে মৰ্মে উপলব্ধি কৰে।"

**— হেৰম্ব কুমাৰ গগৈ জ্যোৎস্না বুঢ়াগোহাঁই**

"বহুক্ষেত্ৰত দেখা যায় নাৰী যেন এটা যন্ত্ৰহে। ঘৰখন চোৰা-চিতা কৰা, সন্তান লালন-পালন কৰা, ঘৰৰ চাৰিবেৰৰ মাজত আৱদ্ধ হৈ থকা আদিয়েই যেন নাৰীৰ মুখ্য কাম। কিন্তু ড° সুখ বৰুৱা বাইদেৱে ঘৰৰ সকলো কাম সুকলমে চম্ভালিও সমাজৰ বাবে চিন্তা কৰিব পাৰিছিল। চিন্তা কৰিছিল নাৰীক এই পিঞ্জৰাৰ পৰা মুকলাই আনিবলে। সেয়ে তেখেতে গাৰ্গী, মৈত্ৰেয়ী, চন্দ্ৰপ্ৰভা শইকীয়ানী আদি নাৰীৰ দৰে সকলো ক্ষেত্ৰতে পুৰুষৰ সমানেই অগ্ৰসৰ হৈছিল। পুৰুষৰ দৰে জটিল বিষয়বোৰত পাৰদৰ্শিতা দেখুৱাব পাৰিছিল। যি গৰাকী নাৰীৰ হৃদয়ৰ ৰন্ধ্ৰে ৰন্ধ্ৰে, ছন্দে ছন্দে, দয়া, প্ৰেম, ক্ষমা, কৰুণা আদি মানৱীয় মূল্যবোধ চিৰ প্ৰৱাহমান। সেই গৰাকী মহীয়সী নাৰী হিচাপে ড° সুখ বৰুৱা বাইদেউ সমাজত চিৰনমস্য হৈ থাকিব।"

**— বন্দনা বৰা**

"সুখ বাইদেউ কেৱল যে মৰাণ মহিলা মহাবিদ্যালয়ৰ লগতহে যে জড়িত আছিল এনে নহয়। তেখেতৰ বলিষ্ঠ নেতৃত্বতে মহিলা অনুষ্ঠান সংঘমিত্ৰা, সংঘমিত্ৰা জাতীয় বিদ্যালয়, মৰাণ লেখিকা সমাৰোহ আদি অনুষ্ঠানসমূহে প্ৰাণ পাই উঠিছিল। এই অনুষ্ঠানসমূহ গঢ়ি তোলোতে তেখেতে এটা কৰ্মী বাহিনী গঠন কৰি লৈছিল য'ত বেছিভাগেই মহিলা কৰ্মী আছিল। মহিলাসকলক ঘৰৰ চাৰিবেৰৰ মাজৰ পৰা উলিয়াই আনিবলৈ তেখেতে সকলো ধৰণৰ প্ৰচেষ্টা হাতত লৈছিল। এইদৰে ব্যক্তি তথা অনুষ্ঠান পৰিচালিত কৰিব পৰাটো বাইদেউৰ এটা মহৎ গুণ।"

**— মহেন্দ্ৰ হাজৰিকা**

"বাইদেৱেৰ লগত মোৰ ব্যক্তিগত সম্পৰ্ক অতি গাঢ় হৈছিল যেতিয়া বাইদেউৰ গৱেষণাৰ লগত মই জড়িত হৈ পৰিছিলো। বাইদেৱে মোক তেখেতৰ পৰ্যবেক্ষক ড° ভীমকান্ত বৰুৱা ছাৰৰ ওচৰলৈ লৈ গৈছিল। ইমান জঞ্জাল, সমস্যা আদিৰে পৰিবেষ্টিত হৈ বাইদেৱে আগবাঢ়িছিল যদিও মাজে মাজে এৰি দিয়াৰ কথাও ভাবিছিল। অৱশেষত বহুতো প্ৰত্যাহ্বান, হেঙাৰ পাৰ হৈ বাইদেৱে থেচিচ জমা দিছিল। আৰু অৱশেষত Viva Voce ৰ দিন আহি পৰিছিল। Viva Voce ল'বলৈ আহিছিল গুৱাহাটী বিশ্ববিদ্যায়ৰ অধ্যাপক সদ্য প্ৰয়াত পৰিক্ষিত হাজৰিকা ছাৰ। ছাৰ বহুত Impress হৈছিল বাইদেউৰ কামত আৰু বাইদেৱে ডক্টৰেট ডিগ্ৰী লাভ কৰি এই লক্ষ্যত উপনীত হ'ল। বাইদেউৰ "টাই আহোমসকলৰ স্বকীয় ধৰ্মীয় পৰম্পৰা" বাইদেউৰ গৱেষণা পত্ৰৰে এক ভাগ অৰ্থাৎ টাই আহোমসকলৰ মূল অনুষ্ঠান কেইটামানক লৈ "আহোমসকলৰ উৎসৱ অনুষ্ঠান"ৰ গ্ৰন্থ প্ৰণয়ন কৰা হৈছে। ইয়াত সন্নিবিষ্ট পূজা কেইটা

হৈছে ওম্‌ফা, মে-ডাম-মে-ফী, ফুৰালুং, ডাম্ পূজা, জাছিংফা, ৰিক্‌থন ম্যুঙখন, ৰাতি সেৱা, চকলং, মৈদাম আদি। এই অনুষ্ঠান কেইটাৰ বিষয়ে গৱেষণা কৰোতে বাইদেৱে প্ৰাথমিক সমলৰ ওপৰত অধিক গুৰুত্ব দিছিল, ক্ষেত্ৰ অধ্যয়নৰ উপৰিও বিভিন্ন প্ৰকাশিত, অপ্ৰকাশিত সাঁচিপতীয়া পুথি অধ্যয়নৰ কৰি তাৰ অসমীয়া অনুবাদো সন্নিবিষ্ট কৰিছে। মনত আছে গৱেষণা কৰি থাকোতে ড° ভীম বৰুৱা ছাৰক এনে ধৰণৰ আৰ্হিমূলক গৱেষণা গ্ৰন্থ আছে নেকি সোধোতে তেখেতে বাইদেউৰ গৱেষণা গ্ৰন্থ 'মডেল' হ'ব বুলি মন্তব্য দিছিল। বাস্তৱত সেইয়াই হৈছিল। গৱেষণা গ্ৰন্থখন ইতিমধ্যে কেইবাটাও প্ৰকাশন হৈছে। সকলোৰে দ্বাৰা উচ্চ প্ৰশংসিত এই গ্ৰন্থ ভৱিষ্যত প্ৰজন্মৰ বাবে এক অমূল্য সম্পদ।"

**— ড° মিনাক্ষী বৰকাকতি**

"ক্ষণজন্মা কেতবোৰ মনীষীৰ নিৰলস কৃচ্ছ্ৰসাধনাই এখন সমাজক উত্তৰণৰ বাটত সহস্ৰযোজন আগবঢ়াই নিয়ে। জীৱনৰ অধিকাংশ সময় সমাজৰ হিত তথা নাৰীশক্তি বিকাশৰ বাবে ব্যতিত কৰা তেনে এক অন্যতম ব্যতিক্ৰমী ব্যক্তিত্ব হৈছে মৰাণৰ গৌৰৱ ড° সুখ বৰুৱা বাইদেউ। জীৱনৰ যিকোনো কঠিন পৰিস্থিতিতো বিচলিত নহৈ, নিজৰ নীতি-অদৰ্শত অটল হৈ থাকি কৰণীয় খিনিক সফলতাৰে সমাপন কৰিব পৰা বাইদেউ নাৰীশক্তি আৰু দক্ষতাৰ অনন্য প্ৰতিভূ। নাৰীশিক্ষাৰ বাটকটীয়া বাইদেৱে সমাজৰ দুৰ্গতসকলৰ বিশেষকৈ সম্বলহীনা নাৰীসকলক শিক্ষা-দীক্ষাৰে স্বাৱলম্বনৰ পথ দেখুৱাই সমাজ জীৱনক সমৃদ্ধ কৰিলে। এগৰাকী প্ৰথিতযশা শিক্ষাবিদ, অসমৰ অন্যতম এক সুলেখিকা সক্ৰিয় সমাজকৰ্মী, সুদক্ষা প্ৰশাসক, লৌহকঠিন মনোবলৰ বাইদেউ সকলোৰে বাবে অনুকৰণীয় আদৰ্শ।"

**— মনালিচা কোঁৱৰ**

"মৰাণ মহাবিদ্যালয়ত যোগদান কৰাৰ কিছুদিন পিছতেই ড° সুখ বৰুৱা বাইদেউৰ লগত পৰিচয় হৈছিলো। তেখেতৰ মানুহৰ নাম মনত ৰাখিব পৰা গুণটো আচৰিত ধৰণৰ। বাটত য'তেই লগ নাপও কিয় আগতীয়াকৈ নামধৰি মাতি কুশল বাৰ্তা লয় আৰু উচ্চ শিক্ষা অথবা গৱেষণা জাতীয় কিবা কাম কৰিছোনে নাই তাক জানিব বিচাৰে আৰু কৰিবলৈ মাতৃসুলভ ধম্‌কি লগায়। সেই সময়ত মৰাণ মহাবিদ্যালয় পৰীক্ষা কেন্দ্ৰৰ পৰীক্ষাবোৰ মৰাণ মহাবিদ্যালয় আৰু মৰাণ মহিলা মহাবিদ্যালয় দুয়োখন মহাবিদ্যালয়তে হৈছিল। দুয়োখন মহাবিদ্যালয়তে আমি সলনা সলনিকৈ নিৰীক্ষকৰ দায়িত্ব পালন কৰিবলগীয়া হৈছিল। যিদিনা মৰাণ মহিলা মহাবিদ্যালয়ত দায়িত্ব পৰে সেইদিনা বাইদেৱে ঘনাই পৰীক্ষা গৃহলৈ আহি আমাক দ্বায়বদ্ধতাৰে দায়িত্ব পালন কৰিবলৈ সোঁৱৰাই থাকে। পৰীক্ষা শেষ হোৱাৰ পিছত তেখেতৰ কাৰ্যালয়লৈ আমাক মাতি নি মহিলা মহাবিদ্যালয়ৰ বাবে লোৱা আঁচনিবোৰৰ বিষয়ে কয় লগতে কেনে হ'ব বুলি কনিষ্ঠ হ'লেও আমাৰ পৰা পৰামৰ্শ বিচাৰে।"

**— ড° ৰাজীৱ হাজৰিকা**

"ড° সুখ বৰুৱা বাইদেৱে ভালকৈ বুজিছিল যে এখন মহাবিদ্যালয়ৰ উন্নতি প্ৰধানকৈ নিৰ্ভৰ কৰে শিক্ষক আৰু শিক্ষয়িত্ৰী সকলৰ ওপৰত, ছাত্ৰীসকলৰ মেধা শক্তি আৰু পাঠগ্ৰহণৰ নিষ্ঠাত। মহাবিদ্যালয়

পৰিচালনা অতি ডাঙৰ কথা। সেয়ে শিক্ষক-শিক্ষয়িত্ৰীৰ পাঠদানৰ গুৰুত্ব বুজি কঠোৰ ভাৱে চকু দিছিল। সেয়ে মৰাণ মহিলা বিদ্যালয়ে প্ৰতি বছৰে ভাল ৰিজাল্ট কৰিছিল। কলেজৰ কেইবাগৰাকী ছাত্ৰীয়ে সন্মান সহকাৰে প্ৰথম স্থান লাভ কৰিছিল। বাইদেৱে অভূতপূৰ্ব সাহসেৰে ছাত্ৰীসকলক জীৱনৰ মুখামুখি হ'বলৈ পৰামৰ্শ আগবঢ়াইছিল। তেতিয়াহে ছাত্ৰীসকলে ভৱিষ্যত জীৱনত উন্নতি কৰিব পাৰিব বুলি শিকাইছিল।"

**— ৰেণু গোস্বামী**

"এই গৰাকী (ড° সুখ বৰুৱা) প্ৰেৰণাময়ী নাৰী যাক দেখিলে ভক্তিভাৱ ওপজে, সন্মান যাচিবৰ মন যায়, ভয়ো লাগে সেই গৰাকীৰ সান্নিধ্যলৈ আহিছিলো মৰাণ শাখাৰ লেখিকা সমাৰোহ অনুষ্ঠানটিৰ যোগেদি। এই অনুষ্ঠানটি মৰাণ অঞ্চলৰ মহিলাসকলক সাহিত্য চৰ্চাৰ স্থলী হিচাবে তেখেতেই প্ৰতিষ্ঠা কৰিলে। সুদীৰ্ঘ সময় ধৰি সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰীৰ দায়িত্বত থাকি মৰাণৰে নহয় সমগ্ৰ অসমৰ মহিলাসকলক আগবঢ়াই লৈ গ'ল। তেখেতক মৰাণত সভাই-সমিতিয়ে বিয়াই-সবাহে প্ৰায়ে লগ পাই থাকো। সদায় মাৰ্জিত সাজ-পোছাক, ধীৰ-স্থিৰ, গহীন-গম্ভীৰ খোজ। মুখ মণ্ডলত ভাঁহি থাকে আশ্চৰ্য এক শক্তি, সঁচাই মূলাগাভৰুৰ দৰে তেজস্বিনী কনকলতাৰ দৰে সাহসী, স্মৃতি শক্তিও প্ৰখৰ, যাকে য'তে পাই নাম ধৰি বা সম্বোধন কৰি মাত দিয়ে।"

**— পূৰ্ণিমা দিহিঙ্গীয়া**

"অতিথিপৰায়ণতা; মোৰ দৰে হয়তো অন্য সকলেও বাইদেউৰ অতিথিপৰায়ণতাত মুগ্ধ নোহোৱাকৈ থকা নাই। বাইদেউৰ ঘৰলৈ যিমান সঘনাই নেযাওঁ কিয় প্ৰত্যেক বাৰেই চাহকে ধৰি কিবা নহয় কিবা নযচাকৈ নাথাকে। যি ধৰণৰ অতিথিয়েই নহওক কিয় কিবা এটা খুৱাইহে পঠিয়ায়।"

**— টিলেন্দ্ৰ শইকীয়া**

"সমাজ জীৱনত যিগৰাকী ব্যক্তিয়ে কৰ্মৰ যোগেদি নিজৰ প্ৰতিভাৰ পাৰদৰ্শিতাৰে সমাজত প্ৰভাৱ বিস্তাৰ কৰি অচল-অটলভাৱে বৰ্তমানো ভাগৰি নপৰি নিজৰ চেষ্টা, ধৈৰ্য্য, একাগ্ৰতা অব্যাহত ৰাখি, সামাজিক ক্ষেত্ৰতে হওক বা শিক্ষা ক্ষেত্ৰতে হওক অথবা অসমীয়া ভাষা-সংস্কৃতি ক্ষেত্ৰতে হওক, কোনো দিশতে পিছ সুহুকি নোযোৱাকৈ একক প্ৰচেষ্টাৰে মৰাণত নাৰী উচ্চ শিক্ষাৰ এখন পূৰ্ণাঙ্গ শিক্ষানুষ্ঠান "মৰাণ মহিলা মহাবিদ্যালয়" প্ৰতিষ্ঠা কৰি এক মহৎ আদৰ্শৰে সামাজিক দায়বদ্ধতাৰ বিৰল নিৰ্দেশন দেখুওৱা সমাজকৰ্মী, বিভিন্ন অনুষ্ঠানৰ জন্মদাত্ৰী পৰম শ্ৰদ্ধাৰ ড° সুখ বৰুৱা বাইদেউ।"

**— বন্তি গগৈ**

"কুৰিৰ লেখত অনুষ্ঠান-প্ৰতিষ্ঠানৰ জন্ম যন্ত্ৰণা আৰু লালন-পালনেৰে বিকশিত কৰা এগৰাকী নাৰী; অদ্যোপৰ্যন্ত চৈধ্যখনকৈ গভীৰ চেতনা সম্বলিত গ্ৰন্থৰ ৰচনা, ১২খনকৈ গুৰুত্বপূৰ্ণ গ্ৰন্থালোচনীৰ সম্পাদনাৰ অধিকাৰী, বিভিন্ন সংগঠনে সাতোটাকৈ উপাধিৰে বিভূষিত কৰা এগৰাকী মহিলা; চন্দ্ৰপ্ৰভা শইকীয়ানী বঁটাকে প্ৰমুখ্য কৰি ৰাজ্যিক তথা জিলা পৰ্যায়ত ছটাকৈ বঁটাৰ গৰাকী হোৱা ড° সুখ বৰুৱা

অসমৰ সমাজ জীৱনত এক পৰিচিত নাম।”

**— আত্মাৰাম কুমাৰ**

“ড° সুখ বৰুৱা বাইদেউৰ জনপ্ৰিয়তাৰ সাক্ষী বহন কৰা অন্য এটা ক্ষণতো উপস্থিত থকাৰ মোৰ সৌভাগ্য হৈছিল যেতিয়া ডুমডুমাত সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ অধিৱেশন অনুষ্ঠিত হৈছিল। পৰৱৰ্তী সভানেত্ৰী নিৰ্বাচনৰ বাবে তিনিশৰো অধিক প্ৰতিনিধিয়ে ভাগ লৈছিল নিৰ্বাচনী সভাত। বাইদেউ বিপুল ভোটেৰে সভানেত্ৰী পদলৈ নিৰ্বাচিত হোৱাত নিৰ্বাচনী কক্ষ তথা সমগ্ৰ অধিৱেশনস্থলী মঙ্গল উৰুলিৰে মুখৰিত হৈ পৰিছিল। ইমান উৎসাহিত আৰু আনন্দিত হৈ পৰিছিল তাত উপস্থিত সকলোটিৰ লগতে মইয়ো সেই মুহূৰ্তত হতবাক হৈ পৰিছিলো। অসমৰ ইমুৰৰ পৰা সিমুৰলৈকে থকা বাইদেউৰ জনপ্ৰিয়তা আৰু সকলো সাহিত্যপ্ৰেমী মহিলাসকলক প্ৰতিনিধিত্ব কৰিব পৰা বিচক্ষণতাত মৰাণৰ মহিলা হিচাবে মনটো গৌৰৱত ফুলি উঠিছিল।”

**— ভানু লাহন গগৈ**

“জীৱনৰ সৰু-বৰ আলিয়েদি বাট বুলি আগবাঢ়োতে কেতিয়াবা ওখোৰা-মোখোৰা, কেতিয়াবা মসৃন বাটত যাত্ৰা অব্যাহত ৰাখিব লগা হয়। এই যাত্ৰা পথত অনেক জনৰ লগত মুখা-মুখি, পৰিচয়, সান্নিধ্য লাভৰ সৌভাগ্য ঘটে। মোৰ জীৱন পথত সান্নিধ্য লাভ কৰা প্ৰেৰণাদায়ী ব্যক্তিৰ ভিতৰত ড° সুখ বৰুৱা বাইদেউ অন্যতম। যি গৰাকী বাইদেউৰ সান্নিধ্যই মোক জীৱনটো নতুনকৈ উপলব্ধি কৰাত অৰিহণা যোগালে।...বাইদেউ কেৱল এগৰাকী ব্যক্তিয়েই নহয় বাইদেউ নিজে এক অনুষ্ঠান। কত অনুষ্ঠান-প্ৰতিষ্ঠান, সংস্থা, সন্থা আদি জন্মৰ যন্ত্ৰণা সহি বাইদেৱে পূৰ্ণতা দিলে তাৰ হিচাব একেষাৰতে দিব নোৱাৰি। এই বিলাক কাম সম্ভৱ হৈছে বাইদেউৰ প্ৰৱল ইচ্ছা শক্তি আৰু নিৰলস কৰ্ম শক্তিৰ বাবে।”

**— শুক্লা চেতিয়া ফুকন**

“তেখেত (ড° সুখ বৰুৱা) এগৰাকী সৎ-সাহসী, স্পষ্টবাদী। তেখেতৰ সু-পৰামৰ্শ আৰু তত্বাবধানত সংঘমিত্ৰা এক গতিশীল মহিলা মঞ্চ হৈ জিলিকি থকাৰ উপৰিও মৰাণৰ নাৰীসকল সামাজিক, সাংস্কৃতিক, শৈক্ষিক আদি বিভিন্ন দিশত আগবাঢ়ি যাবলৈ সক্ষম হৈছে। তেখেতৰ সান্নিধ্যত বহুবছৰ সামাজিক কাম বিশেষকৈ সংঘমিত্ৰা মহিলা মঞ্চৰ কাম কৰাৰ অভিজ্ঞতাৰে কওঁ- সু-সংগঠিকা, যিকোনো সমস্যা সহজে সমাধা কৰিব পৰা, সম-দৃষ্টি আৰু সকলোকে সহজে আপোন কৰি লব পৰা এইগৰাকী মহীয়সী নাৰীৰ সুষমাৰ শেষ নাই।”

**— লিলি বৰুৱা**

“তেখেতৰ আদৰ্শ, আৰ্হি আৰু অনুপ্ৰেৰণা আমাৰ বাবে পাথেয় হোৱাটোকে কামনা কৰিছো লগতে আমাকো উদ্ভাসিত কৰি জীৱন সংগ্ৰামৰ কঠিয়াতলিত বীজ সিঁচি কৰ্মৰ পথাৰখনিত সোণোৱালী শইচেৰে নদন-বদন হৈ সোণাময় কৰি চিৰ শ্বাশ্বত হ'বলৈ প্ৰেৰণা দায়ক হৈ পৰক। বৰ্তমান সমাজৰ

নিপীড়িত, লাঞ্চিতা-বঞ্চিতা, নিষ্পেষিতা অৱলা নাৰীক সাহস যোগোৱা প্ৰেৰণাময়ী, কৰ্মযোগী মহীয়সী, জ্ঞানদায়িনীৰূপে যুৱ উশৃঙ্খলতাৰ বিপৰীতে নাৰী সমাজকো সকলো বাধা নেওচি সাফল্যৰ দিশে আগবাঢ়ি যাবলৈ প্ৰেৰণা যোগোৱা বাইদেউৰ অফুৰন্ত মৰমৰ তাগিদাই সকলোকে মোহিত কৰে।"

**— অনুৰূপা বৰা শইকীয়া**

"মানুহৰ সুখ-দুখৰ সময়ত বাইদেৱে মাত এষাৰ নিদিয়াকৈ বা নোযোৱাকৈ নাথাকে, মানুহৰ দুখত দুখী আৰু সুখত সুখী হ'ব পৰাটো বাইদেউৰ স্বভাৱ সুলভ গুণ। বহু দুখীয়া ল'ৰা-ছোৱালীক বাইদেৱে সহায়ৰ হাত আগবঢ়ায় আৰু উৎসাহ যোগায়। মৰাণ মহিলা মহাবিদ্যালয়ৰ অধ্যক্ষাৰ আসনত থাকোতে বাইদেৱে বহুতো ছাত্ৰীক উচ্চ শিক্ষাৰে শিক্ষিত হ'বলৈ মহাবিদ্যালয়ৰ ফালৰ পৰা আৰু বাইদেৱে ব্যক্তিগত ভাৱেও সহায় সহযোগ কৰি প্ৰতিষ্ঠিত হোৱাত অৰিহণা যোগাইছিল।...বাইদেউক ওচৰ-চুবুৰীয়া হিচাপে আমি সমীহ কৰি চলো। কাৰণ জ্যেষ্ঠজন বুলিয়েই নহয়, সকলো সময়তে উৎসাহ উদ্দীপনা যোগাই আমাক কৃতাৰ্থ কৰিছিল। আমি সভা-সমিতি, উৎসৱ-পাৰ্বন আদিত কৰবালৈ যাবলৈ চিন্তা কৰিব নালাগে। কাৰণ বাইদেৱে চুবুৰীৰ আটাই কেইগৰাকীক (মানে দেৱযানী, বিজয়া আৰু মোক) লগতে লৈ গৈছিল। তেনে কিছুমান কথাৰ বাবে ভাল লাগে ড° সুখ বৰুৱা বাইদেউৰ সান্নিধ্য। আনক আপোন কৰি ল'ব পৰাটো বাইদেউৰ এটা স্বকীয় বৈশিষ্ট্য।"

**— নিভা গগৈ**

"ড° সুখ বৰুৱা বাইদেউ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে প্ৰশাসন ব্যৱস্থাৰ লগতো সু-সম্পৰ্ক আছিল যাৰ বাবে তেখেতে মৰাণৰ নগৰৰ মাজমজিয়াত ১০ বিঘা মাটিৰে মহাবিদ্যালয়খনিৰ স্থায়ী ভেটি স্থাপন কৰিবলৈ সক্ষম হৈছিল। মহাবিদ্যালয়খনিৰ আন্তঃগাঁঠনি উন্নয়নৰ বাবে মাননীয় সাংসদ, মন্ত্ৰী, বিধায়ক, অইল ইণ্ডিয়া আৰু ব্যৱসায়ী সন্থাৰ পৰা লাভ কৰা পুঁজিৰে মহাবিদ্যালয়ৰ গৃহসমূহ নিমাৰ্ণ কৰিবলৈ সমৰ্থ হৈছিল। শিক্ষক-কৰ্মচাৰীসকলৰ পাৰিতোষিকৰ বাবে সেই সময়ত প্ৰতিবছৰে অনুষ্ঠিত হোৱা লটাৰী খেলসমূহত অধ্যক্ষা ড° সুখ বৰুৱা বাইদেউক, শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰী তথা কৰ্মচাৰীসকলে বিশেষভাৱে সহায়-সহযোগিতা আগবঢ়াইছিল। মহাবিদ্যালয়ৰ শৈক্ষিক আৰু আন্তঃগাঠনি দিশৰ উন্নয়নৰ বাবে তেখেত সদাসতৰ্ক আছিল।"

**— জ্যোতিপ্ৰসাদ শইকীয়া**

"ড° সুখ বৰুৱা বাইদেউ অসমৰ মহিলা সমাজৰ চিৰ পৰিচিত আৰু এগৰাকী সৰল নেত্ৰী হিচাবে স্বীকৃত। সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰীৰ যোগেদি সাধাৰণ মহিলাসকলক বহল সমাজখনলৈ এখোজ আগুৱাই যোৱাত প্ৰেৰণা তথা উৎসাহ যোগোৱাই নহয় তেখেতৰ লগে লগে খোজত খোজ মিলাই আগবঢ়াই নিছিল। সদায় ধনাত্মক দিশত চিন্তা কৰি এগৰাকী সমাজ সচেতক হিচাবে সামাজিক কৰ্মত আত্মনিয়োগ কৰি সমাজখন শৃংখলাবদ্ধতাৰ মাজেৰে বৰ্তি থকাত আহোপুৰুযাৰ্থ কৰি সুস্থিৰ অৱস্থালৈ আনিবলৈ সক্ষম হোৱা এগৰাকী সৰল মহিলা।"

**— মিনাক্ষী পাত্ৰ**

"মৰাণ মহিলা মহাবিদ্যালয়খনি জন্ম দিয়াত বাইদেৱে যি ত্যাগ, যি যন্ত্ৰণা সহ্য কৰিলে সেয়া স্বীকাৰ কৰিবই লাগিব। এই মহাবিদ্যালয়ৰ স্থাপনে পূৰ কৰিলে এজাক উঠি অহা গাভৰুৰ উচ্চ শিক্ষাৰ সপোন, পূৰ কৰিলে উচ্চ শিক্ষাৰ অন্তত প্ৰয়োজন হোৱা নিয়োগৰ সপোন, পূৰ কৰিলে শিক্ষাৰ যোগেদি জ্ঞানৰ বীজ সিঁচাৰ সপোন।"

**— শ্যামলীমা চাংমাই**

"মই বাইদেউৰ লগত নৱৈ দশকৰ পৰা লেঠাৰিকৈ বিভিন্ন সভা-সমিতি বিলাকত উপস্থিত থাকিবলৈ সুবিধা পাইছিলো। বাইদেৱে সভাবিলাকত দিয়া বক্তৃতাবিলাক আনতকৈ কিছু সুকীয়া যেন অনুভৱ হৈছিল। তেখেতে দিয়া বক্তৃতাবিলাক গঠনমূলক। সেইহে হয়তো সকলোৱে আদৰি লোৱা দেখিবলৈ পাইছিলো। বাইদেউৰ লগত থাকি কিয় জানো নিজকে সৌভাগ্যবান যেন অনুভৱ হয়। বিশেষকৈ বাইদেৱে বীৰংগনা বঁটা যিদিনা লাভ কৰিছিল সেইদিনা মইও বাইদেউৰ লগত উপস্থিত আছিলো সভাত। সভাত হাজাৰ হাজাৰ মানুহৰ সমাগম হৈছিল। সেই দিনা ইমানেই আনন্দ লাগিছিল যে সেই বঁটাটো নিজৰে ঘৰলৈ অনা যেন অনুভৱ হৈছিল। সেই দিনটো মোৰ মানস পতত সদায় চিৰস্মৰণীয় হৈ ৰ'ব।"

**— দেৱযানী সন্দিকৈ**

"মৰাণ মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভানেত্ৰী আৰু মৰাণ মহিলা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষা, বিভিন্ন অনুষ্ঠান আৰু প্ৰতিষ্ঠানত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে জড়িত, চৈধ্যখন গ্ৰন্থ প্ৰণেতা, বাৰখন গ্ৰন্থ সম্পাদনা, বিভিন্ন উপাধি লাভ, ১৩৩ টা সংগঠনৰ সম্বৰ্ধনা লাভ আৰু ছয়টা বঁটাৰে বিভূষিত ড° সুখ বৰুৱা বাইদেউ হ'ল নিজেই এটা অনুষ্ঠান।"

**— ড° তাৰা নাথ নাথ**

"কৰ্মই ধৰ্ম' বোলা কথাষাৰত নিহিত গভীৰ সত্য বাইদেউৰ জীৱনতে দেখা যায়। অতি স্বচ্ছ আৰু উৎকৃষ্ট কথাখনি আমি পালন কৰিব নোৱাৰাটোহে দোষৰ বিষয়। বুজন হোৱাৰে পৰা বাইদেৱে নিশ্চয় এই কথাষাৰ মৰ্মে মৰ্মে উপলব্ধি কৰিছিল। বাইদেউ হ'ল এখনি সাগৰৰ দৰে বিশাল অন্তৰৰ অধিকাৰী। সকলোকে আপোন কৰিব পৰা ব্যক্তিত্বৰ বাবেই হয়তো তেখেতে পাইছে অলেখ কৃতিত্ব।"

**— দীপালী চুতীয়া ফুকন**

"বাইদেউৰ স্মৃতি শক্তি অতি প্ৰখৰ। তেখেতে এবাৰ কাৰোবাক লগ পালে সেইজন ব্যক্তিক কেতিয়াও নাপাহৰে, মই মন কৰিলো স্কুলত চাকৰি কৰি থাকোতে স্কুলৰ সকলো ছাত্ৰীৰ নাম আৰু অভিভাৱকৰ নাম তেখেতে মনত ৰাখিছিল। কলেজৰ অধ্যক্ষা হৈ থকাৰ সময়তো শ শ ছাত্ৰীৰ নাম জানিছিল হয়তো এতিয়াও বহুতৰে নাম মনত আছে।"

**— বিজয়া শইকীয়া**

*ৰত্নপ্ৰভা ড° সুখ বৰুৱা ঃ ব্যক্তিত্ব, সৃষ্টি আৰু সান্নিধ্য*

"সঁচাকৈয়ে নাৰীৰ হৃদয়ৰ গভীৰ স্নেহ আৰু আত্মত্যাগেৰে কেৱল নিজৰ সন্তানকেই নহয়, একোখন সমাজক মাতৃত্বৰ উমেৰে তথা মাতৃসুলভ মহৎ গুণেৰে সন্তানসকলক বিশাল জীৱনৰ বাবে উৰ্দ্ধমুখী পথৰ সন্ধান দি গভীৰ জীৱনবোধেৰে মহা মনুষ্যত্বৰ পিনে আগবাঢ়িবলৈ শিক্ষা তথা প্ৰেৰণা দিয়া এগৰাকী প্ৰেৰণাময়ী "মৰাণ কুঁৱৰী"- ড° সুখ বৰুৱা। আমাৰ বাবে তথা নাৰী জাতিৰ বাবে মহীয়সী আৰু মৰাণৰ এপাহি "হাব্ৰুনি ফামে" (বোকাৰ পদুম)।....শিক্ষাগুৰু হিচাপে এই গৰাকী মহিলাৰ পৰা যি জ্ঞান আহৰণ কৰিছিলো তাতোতকৈ অনেক বেছি অভিজ্ঞতা লাভ কৰিবলৈ সক্ষম হওঁ জীৱনৰ অনেক সময়ত তেওঁৰ সান্নিধ্যত কটোৱা সময়বোৰত। যেতিয়া সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ দ্বি-বাৰ্ষিক অধিৱেশনখনি তেওঁ বৰ হেপাঁহেৰে নিজে প্ৰতিষ্ঠা কৰা মহাবিদ্যালয়খনিত অনুষ্ঠিত কৰিছিল আৰু তেতিয়া অসমৰ ভিন্ন প্ৰান্তৰৰ পৰা অহা মহিলাসকলে মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ আপ্যায়নত মুগ্ধ হৈছিল। এগৰাকী সহনশীলা মাতৃৰ তত্বাৱধানত গঢ় লৈ উঠা ছাত্ৰীসকলৰ আচাৰ-ব্যৱহাৰৰ প্ৰশংসা কৰিছিল। এই গৰাকী মহিলাক লৈ আমিও, তেতিয়া গৌৰৱবোধ কৰিছিলো।"

**— অৰ্পনা গগৈ**

"ব্যক্তিগতভাৱে যদি তেখেতক (ড° সুখ বৰুৱা) বিশ্লেষণ কৰা যায়, তেন্তে দেখা যায়, তেখেত এগৰাকী দয়ালু আৰু স্পষ্টবাদী মহিলা। তেখেতৰ সহায়লৈ বহু ব্যক্তিয়ে জীৱনৰ গতিপথ সলাব পাৰিছে। বহুজনে বিপদৰ গ্ৰাসৰ পৰা ৰক্ষা পৰিছে। আনহাতে তেখেতৰ স্পষ্টবাদিতাই বহুতকে সংশোধন কৰি সঠিক পথ বাছি লোৱাত সহায় কৰিছে।"

**— বন্তি ফুকন**

"টাই ভাষা সংস্কৃতিৰ গৱেষক, অতি শক্তিশালী আৰু সাহসী সংগঠক ড° সুখ বৰুৱা বাইদেউৰ কৰ্মপটুতা আৰু বহুমুখী প্ৰতিভাৰ কৰ্মজীৱন আমাৰ সকলোৰে বাবে আদৰ্শ। জীৱন জুৰি অব্যাহত ৰখা তেওঁৰ কৰ্ম সক্ৰিয়তা, উদ্যমী মন বিশেষকৈ ছাত্ৰ-ছাত্ৰী সকলৰ জ্ঞান আহৰণৰ পথত সহায় কৰিবলৈ তেওঁৰ মন সদা আগ্ৰহী আৰু প্ৰস্তুত। অদম্য সাহসৰ বলত সন্মুখৰ সকলো বাধা আঁতৰাই সফলতাৰ বাট বুলিব জনা সুখ বাইদেউ সাহিত্য আৰু সংস্কৃতিৰ সাধনা, নানান সামাজিক কাম-কাজ, একাধিক সংগঠনৰ কাৰ্যবাহী দায়িত্ব সমাপন কৰিও মৰাণ মহিলা মহাবিদ্যালয়ক এক স্বকীয় মৰ্যদা আহৰণ কৰাত তেওঁৰ যি অৱদান সেয়া সঁচাকৈয়ে অতুলনীয়। চৰকাৰী চাকৰি এৰি এই মহাবিদ্যালয়ৰ গুৰি ধৰি নাৰী শিক্ষাৰ বিকাশৰ বাবে কৰা তেওঁৰ অহৰহ প্ৰচেষ্টাই মহাবিদ্যালয়খনৰ মাত্ৰা বহুগুণে বৃদ্ধি কৰাৰ লগতে নাৰী শিক্ষাৰ প্ৰসাৰতা লাভ কৰিছিল। তেওঁৰ গতিশীল চিন্তা আৰু পৰিকল্পিত অৱদান অপৰিসীম। ছাত্ৰ-ছাত্ৰীৰ তথা শিক্ষকসকলৰ অধ্যয়ন পুষ্ট মনটোৰ প্ৰতি সদা সৰ্তক দৃষ্টি ৰাখি সৰ্বতোপ্ৰকাৰে উন্নয়নৰ কাম-কাজত আত্মনিয়োগ কৰিছিল।"

**— ড° লখিমী ফুকন নেওগ**

"কৰ্ম উদ্যমৰ গতি নিজৰ লগতে আনৰো হোৱাতো বিচাৰে বহু ক্ষেত্ৰত কিন্তু ড° সুখ বৰুৱা

বাইদেৱে নিজে দূৰন্ত  সাহসিকতাৰে নিজেও কৰে আনকো কৰিবলৈ উপদেশ দিয়াই নহয় এক প্ৰকাৰ বাধ্য কৰায়। এয়া বাইদেউৰ নাৰী শক্তিক বিবিধ ৰূপত প্ৰকাশ কৰাৰ প্ৰয়াস। মৰাণ মহিলা মহাবিদ্যলয়ৰ প্ৰতিষ্ঠাৰ আৰম্ভণিৰ দিনবোৰ ওচৰৰ পৰা দেখাৰ সৌভাগ্য হৈছিল। তাৰ বাবে তেওঁ কিমান যে খাটিছিল, অন্ত নাই।"

**— নিলীমা তালুকদাৰ**

"ড° সুখ বৰুৱা... নামটো শুনিলেই মোৰ মনলৈ ভাহি আহে এক আদৰ্শ নাৰীৰ প্ৰতিমূৰ্তি, মই কোনো লেখক নহয় যদিও এনে এগৰাকী নমস্য ব্যক্তিৰ কথা লিখিবলৈ পাই নিজকে গৌৰৱ অনুভৱ কৰিছো। বাইদেউৰ কথা মই স্কুলত শিক্ষা গ্ৰহণ কৰি থাকোতেই শুনিছিলো।"

**— ওম প্ৰকাশ চাহু**

"অসম লেখিকা সমাৰোহ সমিতি'ৰ প্ৰাক্তন সভানেত্ৰী সুখ বাইদেউৰ সাংগঠনিক সবলতাৰ বাবেই বৃহত্তৰ মৰাণ অঞ্চলৰ নাৰীসকলে বিভিন্ন দিশত নিজৰ প্ৰতিভা বিকশিত কৰাৰ সুযোগ লাভ কৰিছে। বাইদেউৰ একমাত্ৰ সপোন— মহিলা সৱলীকৰণ। নিজৰ প্ৰতিভা অনুসৰি নাৰীসকলে ক্ষেত্ৰবিশেষে নিজৰ পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হৈছে। বাইদেউৰ নেতৃত্বত এই বছৰ (২০১৯) মৰাণত মহিলা কবিৰ কাব্য অনুষ্ঠান এটাও গঢ় লৈ উঠিছে। নাৰীৰ সুপ্ত প্ৰতিভা বিকশিত কৰি তেওঁলোকক উজলাই তোলাৰ একান্ত ইচ্ছা বাইদেউৰ। ড° সুখ বৰুৱা বাইদেউৰ বহুমুখী প্ৰতিভাৰ উমান পাই বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে বাইদেউক বঁটা-বাহনৰ উপৰিও উপাধি প্ৰদান কৰিছে।"

**— জুলিয়ানা বেগম**

"অতি পিছপৰা, অশিক্ষিত নাৰীক নিজৰ পৰিচয় গঢ়িবলৈ প্ৰেৰণা যোগোৱা শিৱসাগৰৰ জীয়াৰী, মৰাণ কুঁৱৰী, অসম কন্যা- ড° সুখ বৰুৱা বাইদেৱে নাৰী শিক্ষা, নাৰীৰ সুপ্ত প্ৰতিভাক জগাই তোলাত যি পদক্ষেপ গ্ৰহণ কৰি আহিছে সেয়া কেৱল নাৰী জীৱনৰ বাবেই নহয় সমাজ জীৱনৰো আদৰণীয় পদক্ষেপ। শত সহস্ৰ নাৰীৰ জীৱনত শিক্ষাৰ পোহৰ বিলাই জীৱন পথ আলোকিত কৰা এইগৰাকী বাইদেৱে মৰাণ মহিলা মহাবিদ্যালয় প্ৰতিষ্ঠা কৰাই নহয় শিক্ষা সংস্কৃতিৰে সমাজক উদ্ভাসিত কৰাৰ উদ্দেশ্যে সংঘমিত্ৰাকো জন্ম দিয়ে। সমাজৰ কল্যাণকামী চিন্তা চেতনাৰে সমৃদ্ধ সুবিশাল অন্তৰ এখনৰ অধিকাৰী বাইদেউ গৰাকী দেখাত কঠোৰ যেন লাগিলেও কোমল হৃদয়ৰ মমতাময়ী মাতৃ, অভিভাৱিকা, শিক্ষয়িত্ৰী।"

**— জানকী বৰগোহাঞি**

" ড° সুখ বৰুৱা বাইদেউৰ পৰিচয় মই বা সমাজে দিব নালাগে। তেখেতৰ কৰ্মৰাজিৰ যোগেদিয়েই সকলো দিশৰ ছবিখন পৰিস্ফুট হৈ উঠিছে। তেখেত দৃঢ় মানসিকতাৰ গৰাকী। তেখেতে যিটো সমাজৰ সাংগঠনিক কামতেই হাত দিয়ে সেই কামটো সফল নোহোৱালৈকে শাৰীৰিক আৰু মানসিক প্ৰচেষ্টা চলাই থাকে এখন সৰু অথচ বিভিন্ন সমস্যাৰে জৰ্জৰিত মৰাণৰ মাজমজিয়াত নাৰী শিক্ষাৰ আগশাৰীৰ

মৰাণ মহিলা মহাবিদ্যালয় প্ৰতিষ্ঠা কৰি তাক সম্পূৰ্ণৰূপে গঢ় দি পূৰ্ণাংগ পৰ্যায়লৈ নিয়াৰৈকে এশ এবুৰি সমস্যা মূৰ পাতি লৈ তেখেতে প্ৰতিষ্ঠাপক অধ্যক্ষাৰ প্ৰশাসনিক দক্ষতাৰ পৰিচয় দিলে। আজি মৰাণৰ দাঁতিকাষৰীয়া বিভিন্ন অঞ্চলৰ পৰা অহা বহুতো মেধাৱী ছাত্ৰীয়ে এই মহাবিদ্যালয়ত শিক্ষা গ্ৰহণ কৰি নিজকে সুশিক্ষাৰে প্ৰতিষ্ঠিত কৰি বিভিন্ন দিশত আগবাঢ়ি যাবলৈ সক্ষম হৈছে।"

**— ৰত্না চেতিয়া**

"ড° সুখ বৰুৱা বাইদেউ কেৱল মৰাণৰেই নহয়, বৰং সমগ্ৰ অসমৰ বাবে সাহিত্য আৰু শিক্ষাৰ ক্ষেত্ৰত নেতৃত্ব লোৱা এগৰাকী চিন্তাশীল নাৰী। বিগত প্ৰায় দুই দশক ধৰি ড° সুখ বৰুৱা বাইদেউৰ সৈতে মোৰ পৰিচয় আছে। মোৰ সাধাৰণ দৃষ্টিত বাইদেউ সদায় সহজ সৰল জীৱন ধাৰণ কৰি সমাজৰ উন্নতিৰ হকে সক্ৰিযভাৱে কৰ্তব্য সম্পাদন কৰি আহিছে। প্ৰবল আত্মবিশ্বাস আৰু দৃঢ় মনোভাৱ পোষণ কৰি নিজ কৰ্তব্য সম্পাদনা কৰিবলৈ যত্ন কৰাটো বাইদেউৰ এক বিশেষ চাৰিত্ৰিক গুণ। নিজে নিৰ্দ্ধাৰণ কৰি লোৱা লক্ষ্যত উপনীত হ'বলৈ বাইদেৱে অবিৰত প্ৰচেষ্টা অব্যাহত ৰাখিবলৈ যত্ন কৰি আহিছে। সমাজৰ সকলো শ্ৰেণীৰ লোকৰ সৈতে তেখেত অতি আন্তৰিকতাৰে সম্পৰ্ক বৰ্তাই ৰাখিব জানে। নাৰী সবলীকৰণৰ প্ৰতি সজাগতা সৃষ্টিৰ বাবে তেখেতে সততা আৰু নিষ্ঠাৰে নিজৰ দায়িত্ব সম্পন্ন কৰি গৈছে।"

**— সুশীল কুমাৰ বেৰিয়া**

"ড° সুখ বৰুৱা বাইদেউ যেতিয়া মৰাণৰ বাসিন্দা হয় মই তেতিয়াৰ পৰাই চিনি পাওঁ। আমাৰ ঘৰ উষাপুৰত আৰু বাইদেউৰ ঘৰো উষাপুৰতে। বাইদেৱে মৰাণ বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ত সহঃ শিক্ষয়িত্ৰী হিচাপে কাৰ্য নিৰ্বাহ কৰাৰ সময়ত সদায় আমাৰ ঘৰৰ আগেদি অহা যোৱা কৰোঁতে প্ৰায়ে দেখা সাক্ষাৎ হৈছিল। কথা বতৰা পাতিছলো। তেওঁ মোক নিজৰ ভাইৰ দৰে মৰম কৰে। বিদ্যালয়লৈ যোৱাৰ পথত 'ঐ শম্ভু' বুলি মাত এষাৰ নিদিয়াকৈ যোৱা নাছিল। বিশেষকৈ আমাৰ প্ৰয়াত পিতৃ দি. এল. ম'ৰ আৰু অন্যান্য বিশিষ্ট ব্যৱসায়ী শ্যামদেউ সিং, ভগৱান দাস ম'ৰ, মুংগীলাল আগৰৱালা, মথুৰা প্ৰসাদ চাহু, সত্যনাৰায়ন আগৰৱালা আদিৰ লগতো বাইদেউৰ ঘনিষ্ঠ সম্পৰ্ক আছিল আৰু আপোন মানুহৰ দৰে দদাইদেউ, খুড়াদেউ, বৰদেউতা আদি সম্বোধন কৰি মাতি সকলোৰে লগত সুসম্পৰ্ক ৰাখিছিল।"

**— শ্যামলাল ম'ৰ (শম্ভু)**

"মই আজি অনুভৱ কৰোঁ, এটা অনুষ্ঠান প্ৰতিষ্ঠা কৰাটো কিমান টান কাম, কিমান ত্যাগ স্বাকীৰ কৰিব লাগে কৰোঁতাজনেহে জানে। অনুষ্ঠান এটা গঢ় লৈ উঠাৰ পাছত আলোচনা-বিলোচনা কৰা, বিভিন্ন বাব ল'বলৈ অহা মানুহৰ অভাৱ নহয়। আটাইতকৈ ডাঙৰ কথা হাতে গঢ়া অনুষ্ঠান এটা সুন্দৰভাৱে বৰ্তি থাকিবলৈ তথা নৱ-প্ৰজন্মই সৎ ব্যৱহাৰ কৰা দেখিবলৈ পালে প্ৰতিষ্ঠাপকগৰাকীয়ে শান্তি লাভ কৰে আৰু গৌৰৱ অনুভৱ কৰে।"

**— হেম বৰা**

*ৰত্নপ্ৰভা ড° সুখ বৰুৱা ঃ ব্যক্তিত্ব, সৃষ্টি আৰু সান্নিধ্য*

"এগৰাকী অসামান্য সাংগঠনিক দক্ষতাসম্পন্ন, সৰবৰহী স্বভাৱ আৰু অনন্য ব্যক্তিত্বৰ সমাজসেৱী বিদূষী মহিলা সমাজ এখনৰ বাবে গৌৰৱৰ স্থল স্বৰূপ। ড° সুখ বৰুৱাক লৈ মৰাণবাসী ৰাইজো গৌৰৱান্বিত। বাইদেউৰ প্ৰাণ-প্ৰাচুৰ্যতাৰে পূৰ্ণ অফুৰন্ত কৰ্মোদ্যম, সমাজখনক আগুৱাই নিয়াৰ অদম্য স্পৃহা তেখেতৰ গুণমুগ্ধ অনুগামীবৃন্দ আৰু নৱপ্ৰজন্মৰ বাবে প্ৰেৰণাৰ উৎস হৈ ৰওক।"

**— ডাঃ প্ৰতাপ শৰ্মা**

"মৰাণ অঞ্চলৰ শৈক্ষিক জগতৰ ইতিহাসৰ পাত লুটিয়ালে এগৰাকী সমাজহিতৈষী বিদুষী মহিলাৰ অৱদানৰ কথা হেঙুল-হাইতাল বোলোৱা আখৰেৰে উজ্জ্বল হৈ জিলিকি থাকিব। আজীৱন শিক্ষা জগতৰ সৈতে ওতঃপ্ৰোত ভাৱে জড়িত, আদৰ্শ শিক্ষয়িত্ৰী, নাৰী প্ৰগতিৰ ধ্বজাবাহী সেইগৰাকী বৰেণ্য মহিলা হ'ল ড° সুখ বৰুৱা সকলোৰে শ্ৰদ্ধাৰ সুখ বাইদেউ।"

**— সত্য নাৰায়ণ আগৰৱালা**

"তেখেতৰ আদৰ্শ আৰু আশীৰ্বাদে আমাক সাংগঠনিক দিশৰ বিকাশত অগ্ৰসৰ হ'বলৈ সক্ষম কৰি তুলিছে। ড° সুখ বৰুৱা বাইদেৱে ভাবিলে- "নাৰীয়ে কবিতাৰে মনৰ ভাৱ প্ৰকাশ কৰিব। অসম, ভাৰত তথা বিশ্বৰ সাহিত্য-সংস্কৃতি কাব্য জগতখন জীপাল কৰিব আমাৰ নিচিনা সাধাৰণ কবিয়ে। অসমৰ পথাৰত কবিতাৰ গজালিয়ে, সেউজীয়া কবিতাই সোণসেৱীয়া মনৰ ভাৱ প্ৰকাশ কৰিব।" তেওঁৰ অন্তৰত উচ্চ জ্ঞানৰ প্ৰয়োজন নাই, তেওঁৰ দৃষ্টিত সকলো সমান। সেয়ে হয়তো অসমৰ চুকে-কোণে মহিলা কবি মঞ্চ গঠন কৰিবলৈ সক্ষম হৈছে।"

**— চৈয়দা ৰাহিদা তাজ**

"প্ৰেৰণাময়ী সুখ বৰুৱা বাইদেৱে মোক প্ৰধান সম্পাদিকাৰ কাৰ্যকালত সজ দিহা-পৰামৰ্শৰে উপকৃত কৰিছিল। তেখেতক শ্ৰদ্ধাৰে সোঁৱৰি বিদেহ আত্মাৰ সদ্‌গতি কামনা কৰিলোঁ।"

**— মামনি গগৈ হাজৰিকা**

"কোনো এগৰাকী ব্যক্তিয়ে যেতিয়া নিঃস্বাৰ্থভাৱে সমাজৰ বিভিন্ন দিশৰ উন্নয়নৰ বাবে নিজৰ জীৱন উচৰ্গা কৰে আৰু তেওঁৰ সৃষ্টিশীল কৰ্মৰাজিয়ে শিক্ষা, সমাজ, সাহিত্য, ভাষা-সংস্কৃতি, জাতি আৰু স্বদেশৰ উন্নয়ন সাধন কৰে তেতিয়া তেওঁ সমাজৰ এগৰাকী সম্পদ হিচাবে পৰিগণিত হয়। তেনে ব্যক্তিৰ সুচিন্তা, জীৱনাদৰ্শ, ব্যক্তিত্ব, কৰ্মৰাজি আৰু কৃতিত্ব "জুইয়ে পোৰা সোণ"ৰ দৰে সমাজৰ চৌপাশত জিলিকি উজ্জ্বল হৈ পৰে। তেওঁ সমাজৰ প্ৰিয়ভাজন হয় আৰু তেওঁক সমাজে অনুকৰণীয় আদৰ্শ হিচাবে গ্ৰহণ কৰে। বিভিন্ন সামাজিক কৰ্মৰ মাজেৰে সামাজিক সম্পদ হৈ পৰা এগৰাকী মহীয়সী, গৰিয়সী নাৰী হ'ল ড° সুখ বৰুৱা বাইদেউ। নামেই যাৰ পৰিচয়। প্ৰকৃতাৰ্থত আকাশসম এক বিশাল ব্যক্তিত্বৰ অধিকাৰী ড° সুখ বৰুৱা বাইদেউ এটা বৃহৎ সামাজিক অনুষ্ঠান। শিক্ষা, সাহিত্য, ভাষা সংস্কৃতি, সমাজ, জাতি আৰু স্বদেশৰ প্ৰতিটো বিষয়তে যাৰ আছে অপৰিসীম অৱদান সেইগৰাকী ড° সুখ বৰুৱা বাইদেউ আমাৰ আধুনিক অসমৰ নাৰী সমাজৰ এক প্ৰেৰণা স্বৰূপ।"

**— কল্পনা বৰুৱা চেতিয়া**

# কবিতা কানন ঃ

## সুখ বাইদেউ

**ভূপেন গগৈ**

ঈষৎ বেঁকা আপোনাৰ ধুনীয়া মুখখন
ঈষৎ বেঁকা আমাৰ ধুনীয়া পৃথিৱীখনৰ নিচিনা
সাইলাখ একে সুখ বাইদেউ

আমাৰ মনত অমৰ হৈ ৰৈ গ'ল
আমাৰ মনত অমৰ হৈ ৰৈ গ'ল

যিখন ধুনীয়া পৃথিৱীয়ে
অবিৰাম প্ৰদক্ষিণ কৰি আছে
এটা উতপ্ত সূৰ্যক

তদনুৰূপ
যিখন ধুনীয়া মুখে
আমৃত্যু প্ৰদক্ষিণ কৰিছিল
অমৰ হ'ব খোজা এটা জীৱন আৰু অমৃত কিছুমান সপোনক

আপোনাৰ সপোনত কি আছিল
সুখ বাইদেউ

পোহৰ প্ৰত্যাশী প্ৰতিটো সূৰ্যোদয়ত
ডেউকা কোবোৱা এখন চহৰ

দুঃসহ দুঃসময়ৰ ওচৰত
নতজানু নোহোৱা এজাক মানুহ

জীৱনৰ অভ্যন্তৰত জীৱন বিচৰা
এক মহাজীৱন

অথবা পৰিচিত পৃথিৱীত
স্ব-পৰিচিতি বিচৰা

প্ৰতিগৰাকী নতুন নাৰীৰ
দিঠকৰ তামীঘৰ...

আমাৰ মনত আপুনি
অমৰ হৈ ৰৈ গ'ল
সুখ বাইদেউ।।●

# “তুমি ৰত্নগৰ্ভা”

হৰেন বৰপাত্ৰ গোহাঁই

পুৱা-গধূলি চিপচিপিয়া বৰষুণ জাকক
তুমি এদিন জোকাই আছিলা।
আৰু তুমি সুধিছিলা
‘অ’ ধুনীয়া চিপচিপিয়া বৰষুণ
তুমি কেতিয়া ধুমুহা হ’বা.
কিয় জানো? ধুমুহাক মোৰ ভাল লাগে
কাৰণ ধুমুহা বৰ শক্তিবান।
চিপচিপিয়া বৰষুণ জাকে হাঁহি মাৰি ক’লে
তুমি কেতিয়া ডাঙৰ হ’বা।
মই তেতিয়া ধুমুহা হ’ম।
এদিন তুমি ধুমুহাৰ দৰে শক্তিবান হ’বা।
তেতিয়া তুমি জ্ঞানৰ সাগৰত স্নান কৰিবা
শিৱসাগৰ, বেতবাৰীত জ্ঞানৰ আলয় খুলিলা।
এদিন তুমি জ্ঞানৰ জ্যোতিয়ে মৰাণলৈ আহিলা
আৰু সৌৰজগতৰ আকাশলৈ চালা।
তাৰ সৌন্দৰ্য্য উপভোগ কৰিলা
জ্ঞানৰ সাধনাৰে তুমি স্নাতকোৰ্ত্তৰ হ’লা।
পূৰণ-হৰণ, যোগ-বিয়োগ অনেক শিকিলা
নাৰীৰ চেতনাৰে মৰাণত ফুলনি পাতিলা।
তোমাৰ আটোমটোকাৰী মাহেকীয়া চৰকাৰী
মাহেকীয়া টোপোলা তুমি জলাঞ্জলী দিলা।
পুৱা-গধূলি ধুমুহাৰ দৰে বজ্ৰ কঠোৰ পৰিশ্ৰম কৰিলা।
যুগমীয়া আৰু সুন্দৰ কৰিলা, তোমাৰেই বুকুৰ উম লৈ।
উজ্জ্বল জ্যোতিয়ে উজ্জ্বলি উঠিল
যাৰ নাম “মৰাণ মহিলা মহাবিদ্যালয়।”
আৰু অনেক গঢ়িলা...
তুমি প্ৰেৰণা, তুমি উপদেশ, তুমি আদৰ্শ
তুমি অনেক অনন্যা প্ৰতিভাৰ সমলয়।।●

## শ্ৰদ্ধাঞ্জলি বাইদেউলৈ

সোনতৰা গগৈ খনিকৰ

কি বুলি লিখো বাইদেউ তোমাক সুঁৱৰি
যিমানহে আছে কথা ভাষাৰে বুজাব নোৱাৰি।
তথাপি নামানে মনে তোমালৈ বুলি
জনালো ভক্তিভৰা শেষ শ্ৰদ্ধাঞ্জলি।
বটবৃক্ষ হৈ তুমি ছাঁ দিনা আমাক
ক'তই যে জিৰালে তোমাৰ ছাঁয়াত
দিক্ হাৰা হ'লো আমি তোমাৰ বিয়োগত।
আমাক এৰি তুমি নিজৰ স্থানলৈ গ'লাগৈ আঁতৰি
ইয়াত এতিয়া এটি মাত্ৰ সুৰ বাজে
তুমি - নাই, তুমি - নাই, নাই তুমি
অজান দেশৰ অজান ঠাইত থাকিবা কুশলে
আৰ্শীবাদ কৰিবা আমালৈ নিৰলে।
তোমাৰ সৃষ্টিতে আমি তোমাক বিচাৰি পাম
তুমি গঢ় দিয়া মঞ্চৰেই আমি জনালো প্ৰণাম
অজানিতে যদি দোষ লগাইছিলো ক'ৰবাত
ক্ষমিবা সকলো জনালো সেৱা তযু শ্ৰীচৰণত।●

## "এটি শ্ৰদ্ধাঞ্জলি"

সত্য নাথ শৰ্মা

অপ্ৰকাশিত
বেদনা ৰ'ল
চিৰ নমস্য
ড° সুখ বৰুৱা
বাইদেউ
আপোনাৰ বাবে!
এক সু-আদৰ্শ
হওক
কৰ্মৰাজি আপোনাৰ
অমলিন স্মৃতি
ৰ'ল আপোনাৰ
সমাজৰ বাবে!!●

# প্ৰয়াত সুখ বাইদেউ (এটি সোঁৱৰণ)

**যোগন্দ্ৰে কুমাৰ সিং**

সহস্ৰ গুণৰ অধিকাৰী তুমি, জ্ঞানৰ কাণ্ডাৰী ...। সুখ বাইদেউ হঠাৎ হেৰাই গ'ল ..।
দুই পুত্ৰ, টি কণ্যাৰে বুকুত সাৰটি থকা ...সুখ বাইদেউ, এক অতীত হ'ল ..
সময় বৰ নিষ্ঠুৰ, অতীত মধুৰ সুমধুৰ ...সময়ৰ ক্ষীপ্ৰ গতিত, অতীত হেৰাই যায় ...
যায় জীৱনৰ হেতালি খেলা, সময়বোৰ ...ক'ত অনুষ্ঠান, প্ৰতিষ্ঠানৰ গুৰি ধৰোঁতা,
এই মহান ব্যক্তি, মিঠা হাঁহি ক'ৰবাত বিলীন হ'ল ...ক'ত মহা মহা ব্যক্তিৰ,
অযুত পৰিচয় ...জীৱনটো যেন মৃত্যুৰ হাত বাউলি ৰিঙিয়াই থাকে,
তাতেই থাকে উদাৰতা ...জীৱনৰ দিগবলয়, তেওঁৰ মাথোন উচুপনি ...
মুখত সদায় হেঙুলীয়া ৰঙৰ হাঁহি ...বাইদেউৰ কাৰণে, কোনো কামেই নাছিল প্ৰতিবাদ,
নাছিল কিন্তু অস্বাভাৱিক বিৱৰ্তন ...।
সংঘমিত্ৰা, মহিলা মহাবিদ্যালয়, সদৌ অসম লেখিকা সন্থা,তোমাৰ জেউতিৰে জ্যোষ্মিমান, অৱদান তোমাৰ অসীম, তোমাৰ জ্যোতিৰে চিৰস্মৰণীয় হওক, নিয়ৰৰ ফুল, তোমাৰ বৰ্ণময় জীৱন, প্ৰতিভাৰ বিকাশ, যত সৱে কয় প্ৰতিভাৰ বিকাশ সদায় মহান, পৱিত্ৰ সততে সংগ্ৰামৰ পাচত, সংগ্ৰাম, অকলশৰীয়া কৰি এৰি গ'লা, শ্ৰদ্ধাৰ বিনন্দ বৰুৱা চাৰক, হ'ল নিঠৰুৱা তোমাৰ জ্যোতিৰে জাগ্ৰত হওক, মৰাণবাসী ৰাইজ গুণমুগ্ধ ৰাইজে শতবাৰ সুঁৱৰিব, তোমাৰ কৰ্মৰাজি, বাইদেউ তুমি, য'তেই থাকা, শান্তিৰে থাকা, তোমালৈ এটুপি চকুলো, এইখন চোতালতেই মৃত্যু এটি ভাস্কৰ্য্য শিল্প, কোনেও ৰুধিব নোৱাৰে ... তুমি মাথোন আশীৰ্বাদৰ শতৰূপ ...

ওঁম শান্তি! ওঁম শান্তি, ওঁম শান্তি .... ●

# “বৰ গছৰ ছাঁ”

## প্ৰয়াত ড° সুখ বৰুৱা বাইদেউলৈ আদ্যশ্ৰাদ্ধৰ উপলক্ষে একাজলি শ্ৰদ্ধাঞ্জলিৰ এটি অনুভৱ

**শুক্লা চেতিয়া ফুকন**

এদিন এটি গছ পুলি লাহে লাহে
ডালে-পাতে বাঢ়ি বাঢ়ি
চকুত লগা গছ হৈ পৰিল
গছ জোপাৰ ডালে-পাতে ইমানেই
প্ৰসাৰতা লভিলে যে, সময়ত সৰু পুলিটি
বৰ গছ হৈ গছে-পাতে, ফলে-ফুলে
জাতিষ্কাৰ হৈ পৰিল।
গছ জোপাৰ প্ৰতি পথৰুৱাৰ দৃষ্টি নিৱন্ধ হ'ল
এই বটবৃক্ষ জুপিৰ তলত ক্ষন্তেক বিশ্ৰাম লৈ
দেহ শীতল কৰি নিজকে ধন্য কৰিবলৈ
হেঁপাহ জাগিল।
জাক জাক পখীয়ে জিৰণি ল'বলৈ এখনি
বহল বুকু পালে, আহাৰ পালে লগতে
এখনি নিৰাপদ আশ্ৰয় পালে।
ক'ত পথিকে বৰ গছ জুপিৰ ছাঁত বিশ্ৰাম লৈ
সৰগীয় শান্তি লভিছে তাৰ হিচাব নাই
এই জুপি গছে কেতিয়াও কাকো বঞ্চিত নকৰে
আনকি অংগচ্ছেদ কৰিবলৈ অহাজনকো।
কোনো প্ৰশ্নৰ অবিহনে আশ্ৰয় দিয়ে
হৃদয়ৰ অকৃত্ৰিম আকুলতাৰে।
মূৰ দাঙি ঠিয় হৈ এই বৰ গছ জুপি
দূৰৰ পৰা, বহু দূৰৰ পৰা দৃশ্যমান হ'ল
চাৰিওফালে সৌৰভ বিলাই উজ্বলি উঠিল
বৰ গছৰ ছাঁত বিশ্ৰাম লৈ নিজকে

ধন্য কৰাৰ হেঁপাহ সহস্ৰ জনৰ।
মোৰ দৰে নিঃকিন এগৰাকীৰ বাবেও
এইজুপি বৰ গছৰ ছাঁত ক্ষন্তেক জিৰিণ লোৱাৰ
সৌভাগ্য ঘটিল, জীৱনৰ কোনো এক শুভ ক্ষণত
মাৰ ছাঁত বিশ্ৰাম লৈ মৰহি যাবলৈ ধৰা
পানী নাইকীয়া শুকান লতা ডালে যেন
পুনৰ প্ৰাণ পালে নকৈ জী উঠিবলৈ।
এই জুপি বৰ গছ সকলোৰে হেঁপাহৰ, সকলোৰে চেনেহৰ
যাৰ নিজস্বতাৰে ভৰা এটি সুন্দৰ নাম আছে
যি জুপি পৰ গছে নিজে নিজে প্ৰসাৰতা লভি
সদা উৰ্দ্ধমুখী হৈ ঠিয় দি আছে আকাশ ধীৰাই
সেই জুলি বৰ গছৰ নাম "ড০ সুখ বৰুৱা"
যি গৰাকীৰ ছত্ৰছাঁয়াত কেৱল মৰাণতে নহয়
সদৌ অসমৰ হেজাৰ হেজাৰ মহিলাই
নিজকে পৰিচয় দিয়াৰ এক পথৰ সন্ধান পালে।
পৰিয়াল, সংসাৰৰ জঞ্জালে কোঙা কৰা মনক
ধৰিত্ৰীৰ সহনশীলতাৰে আকাশৰ বিশালতাৰে
হাতে হাতে ধৰি সমাজৰ বেৰ ভাঙি
উলাই অহা বাট দেখুৱালে।

নানা অনুষ্ঠান-প্ৰতিষ্ঠান, সস্থা আদিৰ জৰিয়তে
অসমৰ চুকে-কোণে সোমাই থকা অনগ্ৰসৰ মহিলাক
উলিয়াই আনি, সুপ্ত প্ৰতিভা বিকাশৰ
বাবে এখনি মঞ্চ দিলে, যাৰ দ্বাৰা ব্যক্তি মৰ্য্যদাৰে
সমাজত নিজকে প্ৰতিষ্ঠা কৰা সুবিধা পালে।

যি গৰাকী নাৰীয়ে গোটেই জীৱন কেৱল
সমাজৰ কল্যানৰ বাবে নিজকে উৰ্চগা কৰিলে
সেই গৰাকী মহিয়সী, কৰ্মযোগী নাৰী
তেওঁ আজি মৰিও অমৰ হওঁক
চিৰদিন নাৰী জাতিৰ বাবে তেওঁৰ আদৰ্শ
প্ৰেৰণাৰ উৎস হৈ ৰওঁক।
জয়তু ড০ সুখ বৰুৱা ওঁম শান্তি শান্তি শান্তি।●

# নাৰী তুমি অনন্যা

**অঞ্জু দত্ত**

পুৱাৰ উদীপ্ত সূৰুযৰ
কিৰণ তুমি,
তুমিয়েই পোহৰাই তুলিলা
শত সহস্ৰ নাৰীৰ মনপ্ৰাণ,
প্ৰেৰণাময়ী নাৰী তুমি
দুৰ্ঘেয় দুৰ্নিবান।
সাহস আৰু কৰ্মৰাজীৰে
উজ্বলাই তুলিলে তোমাৰ নাম
জীৱনৰ ঘাটপ্ৰতিঘাটক নেওচা দি
নিঃস্বাৰ্থ বলীদানেৰে দিলা
বহুত কৰ্মসংস্থান।
স্নেহময়ী তুমি!!
তোমাৰ স্নেহৰ আচলত ধৰি
শত শত নাৰীয়ে গাই আজি
তোমাৰেই জয় গুণগান।
মোহময়ী তুমি!!
তোমাৰ হাঁহিৰে সকলোকে মুহিলা
হেলাৰঙে আগবাঢ়ি যাবলৈ সকলোকে শক্তি যোগালা।
মহান তুমি!!
তোমাৰ মহানতা বিশাক আকাশৰ সমান
সেই মহানতাৰে মহিয়ান হৈ
জিলিকি থাকা তুমি বিশ্বদৰবাৰত
এটি ভোটা তৰা হৈ।।●

# জুই ফুল হৈ ফুলিছিল তেওঁ

মৌচুমী বৰুৱা ৰাজমহন

জীৱনৰ
ঘিটমিটিয়া আন্ধাৰতো
জুই ফুল হৈ ফুলিছিল তেওঁ

পোহৰৰ প্ৰাৰ্থনাত নিতৌ
দুৰ্দান্ত হৈ উঠিছিল
গোটেই মানুহজনী

দুচকুৰ দুৱৰিত
মুকুতা হৈ জিলিকিছিল
ৰৌদ্ৰোজ্জ্বল প্ৰতিটো পুৱা

আহিনৰ বুকুৰ
গেঁৰধৰা পথাৰবোৰৰ দৰে তেওঁৰ সপোনবোৰে গজালি মেলিছিল
ক্ৰমশঃ

নিকট মানুহ
নিকট সময় আৰু
জীৱনৰ
গভীৰলৈ... ●

# এনেকৈ যোৱাৰ কথা জানো আছিল

**মৌচুমী বৰুৱা**

যাওঁ বুলিয়েই গুছি গ'ল
এন্ধাৰ খেদা মানুহজনী।
আধাতেই সামৰি থৈ
পোহৰৰ দোকানখন !
প্ৰশ্নৰ টোপোলা এটা লৈ ৰৈ আছিলো মই।
সুধিবলৈ থাকি গ'ল
কঠিন আৱৰনেৰে ওৰেটো জীৱন ঢাকি ৰখা
হৃদয়ৰ কোমল সুগন্ধি সময়। এনেকৈ যোৱাৰ কথাটো নাছিল....
জনা হ'লে যোৱাৰ সময় শিকিলো হেঁতেন
এগছি চাকিৰে এসাগৰ এন্ধাৰ
খেদাৰ যাদু সুধিলো হেঁতেন
জীৱনৰ সকলো বৈভৱ হেলাৰঙে নেওচাৰ গোপন মন্ত্ৰ
এনেকৈ যোৱাৰ কথা জানো আছিল ?
জনা হ'লে যোৱাৰ সময় আজুৰি আনিলো হেঁতেন! ব্যস্তময় জীৱনৰ পৰা
অৱকাষৰ আবেলি এটা
পাতিলো হেঁতেন কথা
কেনেকৈ লুকুৱাব পাৰি চকুপানী নিজৰ পৰা
কেনেকৈ মচিব পাৰি চকুপানী হাজাৰ জনৰ চকুৰ পৰা ?
দূৰ্বলজনৰ বাবে কেনেকৈ হ'ব পাৰি অভেদ্য দুৰ্গ।
প্ৰাণখুলি হাঁহিবলৈ দিলো হেঁতেন এবাৰ
বুকুৰ সকলো শিল গলি যোৱাকৈ
কান্দিবলৈ দিলো হেঁতেন এবাৰ!
জনা হ'লে যোৱাৰ সময়
ইমানবোৰ কথা ৰৈ গ'ল
প্ৰাণখুলি হঁহা নহ'ল
নহ'ল হিয়া ভাঙি যোৱাকৈ কন্দা সঁচাকৈয়ে, এনেকৈ যোৱাৰ কথা জানো আছিল ? ●

# ড° সুখ বৰুৱাৰ নিবন্ধ ঃ সাম্প্ৰতিক উচ্চ শিক্ষা আৰু যুৱ প্ৰজন্ম

সমগ্ৰ বিশ্বৰ সভ্যতা, সাহিত্য, সংস্কৃতিৰ ইতিহাস যিদৰে পুৰণি সেইদৰেই শিক্ষাৰ ইতিহাসো সমানেই পুৰণি। ভাৰতৰ সভ্যতা-সাহিত্য-সংস্কৃতিৰ ইতিহাসৰ আৰিয়া ধৰিছিল বিশেষকৈ শিক্ষাই। শিক্ষাই কুটীল পৃথিৱীত মানুহৰ জীৱনৰ কঠিনতম পথক সুচল কৰাত সহায় কৰে। শিক্ষাক সেইবাবেই মানৱ সম্পদ বিকাশৰ প্ৰথম আৰু প্ৰধান আহিলা বুলি ধৰা হয়। শিক্ষাই সমাজ একোখনৰ বিভিন্ন চিন্তা-চৰ্চাত নিমজ্জিত মানুহৰ দৃষ্টিভংগীৰ গঠন, পৰিৱৰ্তন আৰু সংশোধিত কৰি সামাজীকৰণ প্ৰক্ৰিয়াৰে সমাজখনক আধুনিক ৰূপত নিৰ্মাণ কৰাৰ লগতে আগবঢ়ি যোৱাত অৰিহণা যোগায়। সাম্প্ৰতিক শিক্ষা ব্যৱস্থাই এই দৰেই দেশৰ সামগ্ৰিক উন্নয়নৰ ক্ষেত্ৰত বলিষ্ঠ ভূমিকা পালন কৰি আহিছে।

ভাৰতীয় সভ্যতা, সাহিত্য, সংস্কৃতিক শিক্ষাই এনে আধুনিক ৰূপত নিৰ্মাণ কৰা পটভূমিতেই যুগ যুগ ধৰি কৰা জ্ঞানৰ সাধনাই ভাৰতীয় শিক্ষাৰ ইতিহাসৰো উত্তৰণ ঘটাইছে। শিক্ষাৰ ইতিহাসে আমাক সম্ভেদ দিয়ে যে, সুদীৰ্ঘ পঞ্চম শতিকাতেই ভাৰতৰ উচ্চ শিক্ষা প্ৰৱৰ্তনৰ আধাৰশিলা নিৰ্মাণ হৈছিল। জ্ঞানৰ উন্মেষ, জ্ঞান বিস্তাৰ আৰু প্ৰজ্ঞাৰ সাধনাত ব্ৰতী হৈ জ্ঞান আহৰণ কৰাৰ ক্ষেত্ৰত ভাৰতবৰ্ষৰ অৱদান বিশ্বৰ ভিতৰতে অদ্বিতীয়। সুদীৰ্ঘ পঞ্চম শতিকাতে ভাৰতত স্থাপিত হৈছিল উচ্চ শিক্ষাৰ অন্যতম অনুষ্ঠান নালন্দা বিশ্ববিদ্যালয়। সেই সময়ত নালন্দা বিশ্ববিদ্যালয় হৈ পৰিছিল জ্ঞান আহৰণ কৰাৰ বাবে প্ৰধান কেন্দ্ৰ স্বৰূপ। সেইবাবে সেইখন বিশ্ববিদ্যালয়লৈ বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰৰ পৰা নদীৰ নিৰৱচ্ছিন্ন সোঁতৰ দৰে ছাত্ৰ-ছাত্ৰী আৰু গৱেষকৰ সোঁত বৈছিল। কেৱল উচ্চ মানদণ্ডৰ শিক্ষা গ্ৰহণৰ বাবেই নহয় মানৱীয় প্ৰমূল্যবোধৰ শিক্ষাৰে শিক্ষিত হোৱাৰ লক্ষ্যৰে ছাত্ৰ-ছাত্ৰীৰ আগমন ঘটিছিল। এই বিশ্ববিদ্যালয়ৰ পটভূমিতে পৰৱৰ্তী পৰ্যায়ত ভাৰতৰ বিভিন্ন ৰাজ্যত বিশ্ববিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ অধীনত ভালে সংখ্যক মহাবিদ্যালয় গঢ় লৈ উঠিছিল। পঞ্চম শতিকাৰ পৰা দ্বাদশ শতিকালৈকে নালন্দা বিশ্ববিদ্যালয় হৈ পৰিছিল জ্ঞান আহৰণৰ পৱিত্ৰ মন্দিৰ স্বৰূপ। য'ত দুহেজাৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু অন্যান্য ৰাষ্ট্ৰৰ পৰা অহা প্ৰায় দহ হেজাৰ ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰিছিল। তদুপৰি নালন্দা বিশ্ববিদ্যালয়ত যিটো সুবিশাল পুথিভঁৰাল আছিল ৬০/৭০ লাখতকৈ অধিক মূল্যৱান গ্ৰন্থৰে ছাত্ৰ-ছাত্ৰীসকলৰ চাহিদা পূৰণ কৰি জ্ঞান বৃক্ষৰ তলত জিৰণী ল'বলৈ উৎসাহিত কৰিছিল। কিন্তু দুৰ্ভাগ্যজনক কথা যে, তুৰ্কী আক্ৰমণকাৰী কুতুবুদ্দিন আইবাকৰ সেনাপতি বংগৰ শাসন কৰ্তা

বখতিয়াৰ খিলজীৰ আৰু সহযোগী যোদ্ধাসকলে বিশ্ববিদ্যালয় আক্ৰমণ কৰি বৃহৎ পুথিভঁৰালটি ধ্বংস কৰাৰ লগতে সমসাময়িক তক্ষশীলা, বিক্ৰমশীলা আৰু উজ্জয়িনী বিশ্ববিদ্যালয় ধ্বংসৰ গৰাহত পৰিণত কৰিছিল। এই বিলাক বিশ্ববিদ্যালয়ত সাহিত্য, বিজ্ঞান, দৰ্শন, অৰ্থশাস্ত্ৰ, আইন আদিৰ চৰ্চা কেন্দ্ৰ হিচাপে গঢ়ি উঠি বিশ্ব বৰেণ্য চিন্তাশীল পণ্ডিত আৰু গৱেষকৰ দ্বাৰা সমাদৃত হৈছিল। ইয়াৰোপৰি এসময়ত ভাৰতবৰ্ষ আছিল আধ্যাত্মিক আৰু নৈতিক শিক্ষাৰ মূল কেন্দ্ৰ স্বৰূপ। ৰামায়ণ, মহাভাৰত, বেদ, উপনিষদ, গীতা, ভাগৱত আদি অমূল্য গ্ৰন্থসমূহো ৰচিত হৈছিল ভাৰতবৰ্ষতে। গৌতম, কণাদ, কপিল, পতঞ্জলি, ব্যাস, জৈমিনি আদি ৬ জন লোক প্ৰসিদ্ধ ঋষি-মুনিয়ে সাহিত্য, দৰ্শন আদি সৃষ্টি কৰাৰ সমান্তৰালভাৱে গাৰ্গী, মৈত্ৰেয়ী, লোপামুদ্ৰা, লীলাৱতীৰ দৰে শাস্ত্ৰজ্ঞা বিদুষী নাৰীৰ জন্ম হৈছিল। জ্যোতিষ, গণিত চিকিৎসা শাস্ত্ৰ আদি বিষয়বোৰ গভীৰভাৱে অধ্যয়ন কৰাৰ যোগেদি তেওঁলোকে যুগান্তকাৰী আৱিষ্কাৰকৰ স্থান লাভ কৰিছিল। সেইসকলৰ ভিতৰত সিদ্ধাৰ্থ শিৰোমণি, চৰক, সুশ্ৰুত, ব্ৰহ্মগুপ্ত আৰু আৰ্যভট্টই প্ৰধান আছিল। ৰামায়ণ, মহাভাৰত, বেদ, উপনিষদ, গীতা-ভাগৱতৰ দৰে মহামূল্যবান গ্ৰন্থসমূহৰ গুৰুত্ব উপলব্ধি কৰি আধ্যাত্মিক শিক্ষা আৰু নৈতিক শিক্ষাক আগস্থান দি বিশ্বৰ কেই বাখনো বিশ্ববিদ্যালয়ে তেওঁলোকৰ প্ৰৱৰ্ত্তিত পাঠ্যক্ৰমত অৰ্ন্তভুক্ত কৰিছে। ফলত প্ৰাচীন গ্ৰন্থসমূহৰ সমাদৰ বৃদ্ধি পাইছে। এনে এটা বিদ্যায়তনিক পৰিবেশ, প্ৰজ্ঞাৰ সাধনা, বৌদ্ধিক উৎকৰ্ষতাৰ প্ৰতীক স্বৰূপ উচ্চ মানৰ শিক্ষানুষ্ঠানসমূহৰ শিক্ষা ব্যৱস্থাই এসময়ত বিশ্বৰ ভিতৰতে শীৰ্ষস্থান দখল কৰি অন্যান্য উন্নত দেশবিলাকৰ বাবেও ঈৰ্ষাৰ কাৰণ হৈ পৰিছিল আৰু সকলোকে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল। সেইখন দেশত একবিংশ শতিকাত শিক্ষা ব্যৱস্থাৰ সাম্প্ৰতিক ছবিখনে মানুহৰ মনত হাজাৰ বিজাৰ প্ৰশ্নৰ সৃষ্টি কৰি আহিছে। যিখন দেশত স্বাধীনতাৰ বহুবছৰৰ পূৰ্বে ৰবীন্দ্ৰনাথ ঠাকুৰে নোবেল বঁটা লাভ কৰিছিল, যিখন দেশত পৰাধীনতাৰ শিকলি পিন্ধি থকা অৱস্থাত আৰু সীমিত সা-সুবিধাৰ মাজতে চি ভি ৰমনে পদাৰ্থ বিজ্ঞানত গৱেষণা কৰি নোবেল বঁটা লাভ কৰিছিল সেইখন দেশত বৌদ্ধিক উত্তৰণৰ দিশৰো স্থবিৰ হৈ থকাটো চিন্তনীয় বিষয়। দৰাচলতে যিখন দেশৰ তথ্য-প্ৰযুক্তিৰ আধুনিক কলা-কৌশলে বিজ্ঞানৰ নিত্য নতুন আৱিষ্কাৰত উদগনি যোগাইছে আৰু বিজ্ঞানৰ জয়যাত্ৰা অব্যাহত ৰাখিছে, সকলোতে অভাৱনীয় অগ্ৰগতি হৈছে তেনে সময়তো কোনো এজনে নোবেল বঁটা লাভ কৰিবলৈ সমৰ্থ নোহোৱা বিষয়টোৱে বৌদ্ধিকভাৱে চিন্তাশীল ব্যক্তিসকলক ব্যতিব্যস্ত কৰি তুলিছে। মাদাৰ টেৰেছাৰ বাদে কোনো নাৰীয়ে নোবেল বঁটা অৰ্জন কৰিবলৈ যোগ্যতা অৰ্জন কৰিব নোৱাৰাটো দুৰ্ভাগ্যজনক। সচেতন নাৰীসকলৰ অন্তৰত উদিগ্নতাই স্পৰ্শ কৰিছে। কেইবাটাও দশকজুৰি বিজ্ঞান, ৰসায়ন বিজ্ঞান, চিকিৎসা বিজ্ঞান, অৰ্থনীতি অথবা সাহিত্যৰ যোগেদি নোবেল বঁটা লাভ কৰি ভাৰত মাতৃক এই বিৰল সন্মানৰ পৰা বঞ্চিত কৰি ৰখাটো সাম্প্ৰতিক সময়ত আটাইতকৈ স্পৰ্শকাতৰ বিষয় হৈ পৰিছে।

প্ৰশ্ন হয়, ভাৰতৰ শিক্ষাৰ ইতিহাসত সংপৃক্ত হৈ থকা শিক্ষা ব্যৱস্থাটোৰ কেওদিশে চিন্তা-চৰ্চাৰ অনুকূল পৰিবেশ স্থবিৰ হৈ গৈছে নেকি? কিয়নো টাইমছৰ দ্বাৰা প্ৰকাশিত তালিকাত ভাৰতে অতি পুতৌজনক স্থান লাভ কৰিছে। টাইমছত প্ৰকাশিত তালিকাত বিশ্বৰ সৰ্বশ্ৰেষ্ঠ দুশখন

বিশ্ববিদ্যালয়ৰ নাম তালিকাত হাৰ্ভাড, ষ্টেনফৰ্ড, কেলিফনিয়া আদি আমেৰিকাৰ বিভিন্ন শিক্ষানুষ্ঠান আৰু পশ্চিম ইউৰোপীয় দেশসমূহৰ উচ্চ শিক্ষানুষ্ঠানসমূহে স্থান লাভ কৰাৰ বিপৰীতে ভাৰতৰ কোনো এখন বিশ্ববিদ্যালয়ে সেই স্থান দখল কৰিব পৰা নাই। যিবিলাক বিষয়ৰ ওপৰত নিৰ্ভৰ কৰি স্থান লাভৰ স্বীকৃতি দিয়া হয় সেই বিষয়বোৰ হৈছে শিক্ষাদানৰ পদ্ধতি, পাঠ্যক্ৰম, গৱেষণাৰ মান, আন্তঃৰাষ্ট্ৰীয় আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত শিক্ষক-ছাত্ৰৰ সক্ৰিয় অংশগ্ৰহণ, আৰ্থ সামাজিক দিশত আগবঢ়োৱা অৱদান আৰু বিভিন্ন বিষয়ৰ ওপৰত পাৰদৰ্শিতা দেখুৱাই উচ্চ প্ৰশংসিত হোৱা স্বীকৃতি অথবা প্ৰশংসা পত্ৰ ইত্যাদি। এনে গুণ বিশিষ্টৰে উজ্বল হৈ থকা শিক্ষানুষ্ঠাবিলাকেই বিভিন্ন বিষয়ৰ আন্তঃৰাষ্ট্ৰীয় সন্মান বুটলিবলৈ সক্ষম হৈছে। উদ্যোগিক অৰ্থনীতিৰ ক্ষেত্ৰত আন আন দেশৰ দহখনে স্থান লাভ কৰাৰ বিপৰীতে ভাৰতৰ এখন শিক্ষানুষ্ঠানেও স্বীকৃতি পাবলৈ সক্ষম হোৱা নাই। চীন, দক্ষিণ আফ্ৰিকা, ৰাছিয়া, তুৰস্ক আদি দেশবোৰে যেন এনেভাৱে স্বীকৃতি, সন্মান লাভ অৰ্জনৰ প্ৰতিযোগিতাৰ দৌৰত আগবাঢ়িছে তাৰ লগত ভাৰতে ফেৰ মাৰিব পৰাকৈ সম্ভৱত যোগ্যতাখিনি অৰ্জন কৰিব পৰা নাই যেন লাগে। কেৱল মাত্ৰ পঞ্জাৱ, খৰগপুৰ, কানপুৰ, দিল্লী, ৰুৰ্কী, গুৱাহাটী, মাদ্ৰাজ আই আই টি, যাদবপুৰ আৰু আলিগড় মুছলিম বিশ্ববিদ্যালয়ে ৫০ খন শ্ৰেষ্ঠ শিক্ষা প্ৰতিষ্ঠানহে অৰ্ন্তভূক্ত হৈছে। এনে এটা বৌদ্ধিক উৎকৰ্ষ সাধনৰ দৈন্যতাৰ ছবিখনে বিশেষজ্ঞ আৰু নীতি নিৰ্দ্ধাৰণ কৰা প্ৰশাসনক সকলকেই উদিগ্ন কৰি তোলা নাই, সাম্প্ৰতিক শিক্ষা ব্যৱস্থাটোৰ লগত জড়িত চিন্তাশীল ব্যক্তিসকলকো গভীৰভাৱে চিন্তাক্লিষ্ট কৰি তুলিছে। এই ক্ষেত্ৰত অচিৰেই শিক্ষা ব্যৱস্থা, শিক্ষা-সংস্কাৰ, নীতি উদ্ভাৱকসকলে বিহিত ব্যৱস্থা গ্ৰহণ কৰিলেহে সাম্প্ৰতিক উচ্চ শিক্ষাৰ ক্ষেত্ৰত এখন উন্নত মানৰ ছবি প্ৰকট হৈ উঠিব। সাম্প্ৰতিক সময়ত ভাৰতবৰ্ষত উচ্চ শিক্ষাৰ আমূল পৰিৱৰ্তন হৈছে। বৰ্তমানৰ শিক্ষা ব্যৱস্থাটো সম্পূৰ্ণৰূপে পুঁজিপতি গোষ্ঠীৰ ওপৰত নিৰ্ভৰশীল। দেশৰ শিক্ষানীতি প্ৰস্তুত কৰে পুঁজিপতিয়ে। সম্প্ৰতি শিথিল শিক্ষানীতিয়ে গোটেই শিক্ষা ব্যৱস্থাটোক অৱনমিত কৰিছে। ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু শুভাকাঙ্খী অথবা শিক্ষাপ্ৰেমীসকলে বিৰামহীনভাৱে পুঁজিপতিয়ে নিৰ্দ্ধাৰণ কৰি দিয়া নীতিৰ অনুশীলনত অভ্যস্ত হ'বলৈ দিনে-নিশাই কচৰৎ কৰিছে, যাতে সন্তানটিক প্ৰাথমিক পৰ্যায়ৰ পৰা বিশ্ববিদ্যালয়ৰ ডিগ্ৰী লোৱালৈকে এক অবিৰত যাত্ৰাত খোজ অব্যাহত ৰাখিব পাৰে।

এতিয়া সকলোৰে মনত এটা প্ৰশ্নই অগা-ভেটা কৰি আছে। প্ৰশ্নটো হৈছে প্ৰতি বছৰে হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে ডিগ্ৰী লৈ ওলাই আহিছে সঁচা কিন্তু তেওঁলোকৰ কিমান শতাংশই মানৱীয় মূল্যবোধেৰে সমৃদ্ধ প্ৰকৃত মানৱ সম্পদ ৰূপে গঢ় লৈ উঠিছে, নিজকে সমাজৰ লগত খাপ খাব পৰাকৈ সামাজিক দায়বদ্ধতাৰে পৰিপুষ্ঠ হৈ উঠিছেনে? যদি হোৱা নাই তেতিয়াহ'লে আমাৰ আধুনিক কলা কৌশল তথ্য প্ৰযুক্তিৰে পূৰ্ণ শিক্ষা ব্যৱস্থাইও উচ্চ শিক্ষাৰে ছাত্ৰ-ছাত্ৰীক শিক্ষিত কৰি দক্ষতা অৰ্জাই আনৰ অৰ্থাৎ সমাজৰ উন্নতিৰ বাট কাটি দিবলৈ সমৰ্থ হোৱা নাই কিয়? নতুন জ্ঞানৰ সৃষ্টি কৰিলেহে সমাজে নতুন নতুন আঁচনিৰ জ্ঞান লাভ কৰিব পাৰিব। শিক্ষা ব্যৱস্থাৰ কাৰ্যক্ৰমণিকাৰে সকলোৱে মুকলিকৈ চিন্তা কৰিব পৰাকৈ চিন্তাৰ বাট মুকলি কৰি দিব লাগিব। তেতিয়াহে ভাৰতৰ অংগ ৰাজ্য অসমৰ দৰে শিক্ষাৰ ক্ষেত্ৰত পিছ পৰি থকা ৰাজ্যবোৰৰ ছাত্ৰ-ছাত্ৰীয়ে নতুন চিন্তা-চৰ্চাৰে

আগবাঢ়ি যাব পাৰিব।

আমাৰ দেশ ভাৰতবৰ্ষত বৰ্তমান ৭০০ তকৈও অধিক বিশ্ববিদ্যালয় আছে। ইয়াৰে কেন্দ্ৰীয় বিশ্ববিদ্যালয় ৪৪ খন, ৰাজ্যিক বিশ্ববিদ্যালয় ৩০৬ খন, ৰাজ্যিক ব্যক্তিগত বিশ্ববিদ্যালয় ১৫৬ খন, ডীন ১২৭ খন, মুক্ত বিশ্ববিদ্যালয় ১১ খন, আই আই টি ১৬ খন আৰু এনে শিক্ষা প্ৰতিষ্ঠানৰ সিদ্ধান্ত কেন্দ্ৰীয় চৰকাৰে প্ৰতি বছৰে গ্ৰহণ কৰি আহিছে। ইয়াৰ উপৰিও সম্ভৱতঃ ভাৰতবৰ্ষত ৩৫,৫,৯৯ খন বিশ্ববিদ্যালয়সমূহৰ দ্বাৰা অনুমোদিত মহ্যবিদ্যালয় অৰ্থাৎ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান আছে। এই অনুষ্ঠানসমূহৰ পৰা প্ৰতিবছৰে লাখ লাখ ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা সমাপ্ত কৰি ওলাই আহিছে। তেওঁলোকৰ কিমান শতাংশই দেশ, জাতি আৰু সমাজৰ কামত অহাকৈ নিজকে প্ৰস্তুত কৰিছে? বাস্তৱিক দৃষ্টিকোণৰ পৰা যদি সংখ্যাটো চোৱা যায় যে, উচ্চ শিক্ষা সমাপ্ত কৰি ওলাই অহা ছাত্ৰ-ছাত্ৰীৰ প্ৰায় ৮০ শতাংশই কৰ্মসংস্থাপনৰ বাবে হাবাথুৰি খাবলগীয়া হৈছে। হা-হুমুনিয়াহ কাঢ়ি হতাশাত নিজৰ জীৱন বিপন্ন কৰি তুলিছে। ইয়াৰ অন্তৰালত থকা এটা প্ৰশ্নই বাৰুকৈয়ে সচেতন অভিভাৱক আৰু চিন্তাশীল ব্যক্তিসকলক উদিগ্ন কৰি তুলিছে। উত্থাপিত হোৱা প্ৰশ্নটোৰ উত্তৰ হিচাপে এটা কথাই বোধগম্য হৈছে যে, আমাৰ দেশৰ শিক্ষা ব্যৱস্থা এতিয়াও বাস্তৱ জীৱনৰ সৈতে সংপৃক্ত নহয়। সেয়ে শৈক্ষিক জীৱনৰ চৰম সফলতা প্ৰাপ্তিৰ পাচতো বাস্তৱত তাৰ সম্পূৰ্ণ বিপৰীত ছবিৰ সন্মুখীন হ'বলগা হোৱটো দুৰ্ভাগ্যজনক। অনুভৱ হয় আজিৰ শিক্ষা ব্যৱস্থাটো যেন এক অদৃশ্য শক্তিৰ হাতোৰাত নিয়ন্ত্ৰিত আছে।

সম্প্ৰতি প্ৰতিযোগিতামূলক শিক্ষাৰ যুগত এটি শিশুক শৈক্ষিক প্ৰক্ৰিয়াৰ মাজেদি নিৰ্বাচিত জীৱন এটা চুবলৈ কেৱল অধ্যৱসায় আৰু তীক্ষ্ণ বুদ্ধিৰ লগতে লাগে বৃহৎ পৰিমাণৰ ধনৰ অংক। বহু সময়ত এনে হৈছেগৈ যে, নিম্ন মধ্যবিত্ত পৰিয়ালসমূহৰ সন্তানে পৰীক্ষাত লাভ কৰা সফলতাৰ জোখেৰে পৰৱৰ্তী উচ্চ শিক্ষা দিবলৈ বহুসময়ত পিতৃ-মাতৃ তথা অভিভাৱকসকল সক্ষম নহয়। উচ্চ শিক্ষা গ্ৰহণ কৰিব নোৱাৰাৰ বাবে ছাত্ৰ-ছাত্ৰীৰ মাজত চৰম হতাশা নামি আহিছে। এনেদৰেই উচ্চ শিক্ষাৰ ক্ষেত্ৰখনলৈ ব্যয় বহুলতা নামি অহাৰ বাবেই বহু মেধাসম্পন্ন, তীক্ষ্ণ বুদ্ধিসম্পন্ন ছাত্ৰ-ছাত্ৰীও উচ্চ শিক্ষা লাভৰ পৰা বঞ্চিত হ'বলগা হয়।

সাম্প্ৰতিক সময়ত উচ্চ শিক্ষাৰ মানদণ্ডৰ ওপৰতো বহুসময়ত সন্ধিহান হ'বলগা হৈছে। এই শিক্ষা প্ৰকৃতাৰ্থত কি শিক্ষা? এটা সময় আছিল যেতিয়া শিক্ষানুষ্ঠানৰ উদ্দেশ্য আৰু লক্ষ্য আছিল মানুহক মানুহ হিচাপে গঢ়ি তোলা। এতিয়াৰ শিক্ষানুষ্ঠানসমূহ মানৱ সম্পদ গঢ়াৰ কমালশাল হৈ থকা নাই। যদিও উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানসমূহ দিনক দিনে উচ্চ হাৰত বৃদ্ধি হৈছে। নতুন নতুন পাঠ্যক্ৰম, উচ্চৰ পৰা উচ্চতৰ মানৰ সা-সুবিধা, অভিনৱ তথ্য- প্ৰযুক্তিৰে সমৃদ্ধ আহিলা-পাতি সহজতে উপলব্ধ হৈছে। সমাজত শিক্ষিতৰ সংখ্যা বৃদ্ধি পাইছে। কিন্তু ইয়াৰ বিপৰীতে শোষণ, নিষ্পেষণ, দুৰ্নীতি, ভ্ৰষ্টাচাৰ আদি অসামাজিক কাৰ্যকলাপবোৰে সামাজিক জীৱন বিষময় কৰি তুলিছে। কিয়নো এনে অসামাজিক আচৰণজনিত দুৰ্ঘটনাবোৰ, সমস্যাবোৰ সমাজৰ শিক্ষিত শ্ৰেণীৰ মাজৰ পৰাই উদ্ভৱ হৈছে আৰু অধিক বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। আজিৰ শিক্ষা ব্যৱস্থাই সমাজক মানৱতাবাদী হোৱাৰ বিপৰীতে বস্তুবাদী হোৱাতহে অৰিহণা যোগাইছে। ব্যক্তিকেন্দ্ৰিক মানসিকতাই আমাক সামাজিকভাৱে দায়বদ্ধ কৰাতকৈ ব্যক্তি স্বাৰ্থতহে গুৰুত্ব দিয়াইছে।

প্ৰকৃতাৰ্থত বৰ্তমান উচ্চ শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য কেৰিয়াৰকেন্দ্ৰিক হৈ পৰাটোৱেই হৈছে মানৱতাৰ অৱক্ষয়ৰ মূল কাৰণ। কৰ্মসংস্থাপন জনিত নিৰাপত্তাৰ বাহিৰে আজিৰ ছাত্ৰ-ছাত্ৰীয়ে শিক্ষাৰ পৰা আন একো লাভ নকৰে, হয়তো এনে এটা জীৱন আমি নিজেই কামনা কৰিছো। এসময়ত মানুহ গঢ়াৰ পৱিত্ৰ মন্দিৰস্বৰূপ শিক্ষানুষ্ঠানত সকলোকে পিচ পেলাই আগবাঢ়ি যোৱা দৌৰত ভাগ লোৱা বিবেক, নৈতিকতা, বৌদ্ধিকতা আৰু মানৱীয় অনুভূতিহীন জীৱন্ত ৰবট গঢ়া আৰম্ভ হৈছে। স্বল্পাৰ্থত বিশ্ববিদ্যালয় অথবা বিশ্ববিদ্যালয়ৰ অধীনস্থ অধিক সংখ্যক উচ্চ শিক্ষাৰ অনুষ্ঠান বৃদ্ধি হৈছে আৰু এনে বৃদ্ধিয়ে উচ্চ শিক্ষাৰ মানদণ্ড আৰু গুণগত বিকাশ নুবুজায়। শিক্ষা ক্ৰমান্বয়ে এটা উদ্যোগলৈ পৰ্যবসিত হোৱাটো পৰিলক্ষিত হৈছে। অন্যান্য পন্য সামগ্ৰীৰ দৰে শিক্ষাক লৈ ব্যৱসায় কৰিবলৈ ল'লে পুঁজিপতি ব্যৱসায়ী লাভৱান হ'ব আনফালে শিক্ষাৰ মান অৱনতিৰ দিশে ধাৱমান হ'ব, ই নিশ্চিত। অসমকে ধৰি ভাৰতৰ বিভিন্ন ঠাইত স্থাপিত হোৱা ব্যক্তিগতখণ্ডৰ চিকিৎসা মহাবিদ্যালয়, মেনেজমেন্ট, কাৰিকৰী প্ৰতিষ্ঠান আদি কৰি বিজ্ঞান-প্ৰযুক্তিৰ প্ৰতিষ্ঠানসমূহৰ ব্যৱস্থাপনাই চৰকাৰী খণ্ডৰ অনুষ্ঠান-প্ৰতিষ্ঠানসমূহলৈ আন্তঃগাঁথনি আৰু মাচুল আদিৰ ক্ষেত্ৰত ভাবুকিৰ সৃষ্টি কৰিছে। আগতেই উল্লেখ কৰি অহা হৈছে যে, এনেবোৰ কাৰণতে নিম্ন মধ্যবিত্ত শ্ৰেণীৰ, কৃষক শ্ৰেণীৰ মেধাৱী ছাত্ৰ-ছাত্ৰীয়ে উচ্চ শিক্ষা গ্ৰহণত থমকি ৰৈ চাই থাকিবলগীয়া হৈছে। তেওঁলোকৰ অনিশ্চিত ভৱিষ্যতৰ আশংকাই অভিভাৱকসকলক ভীতিগ্ৰস্ত কৰি তুলিছে। ইয়াৰ বাবে শিক্ষা ব্যৱস্থাত থকা আসোঁৱাহবোৰ বিচাৰি উলিয়াব লাগিব। বিভিন্ন পাঠ্যক্ৰম, শিক্ষক-ছাত্ৰৰ অনুপাত, শিক্ষাদানৰ পদ্ধতি, গ্ৰহণৰ পদ্ধতি, আন্তঃগাঁথনি উন্নয়ন, পৰীক্ষা পদ্ধতি, উত্তৰ বহী মূল্যায়ন আদিৰ বাবেও ছাত্ৰ-ছাত্ৰী বহু প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগা হৈছে। প্ৰকৃততে বৰ্তমান উচ্চ শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য কেৰিয়াৰ কেন্দ্ৰিক হৈ পৰাৰ বাবেই আজিৰ নতুন প্ৰজন্মই নিজকে ডাক্তৰ, ইঞ্জিনিয়াৰ, শীৰ্ষ বিষয়া হিচাপে সংস্থাপিত হোৱাটো কামনা কৰে। অভিভাৱক আৰু নবীন সকলেও তেওঁলোকৰ লগত সহমত পোষণ কৰে। মৰ্যদাসম্পন্ন পদৱী, অভিজাত জীৱনৰ বাহিৰে মানুহে মানুহ হ'বলৈ দিব লগা শিক্ষা অন্তসাৰশূন্য হৈ পৰিছে। যাৰ ফলত এটা উচ্চ পদৱী, অভিজাত জীৱন পোৱাৰ বাবে এচাম মানুহে দুৰ্নীতি, ভ্ৰষ্টাচাৰ আৰু সকলো ধৰণৰ অসততাৰ আশ্ৰয় ল'বলৈ কুণ্ঠাবোধ নকৰা হৈছে। সমাজৰ আধুনিক অগ্ৰগতি হয়তো দ্ৰুতগতিত হৈছে কিন্তু সমাজৰ অৱক্ষয়ৰ ছবিখনো দৃষ্টিকটু হৈছে সমান্তৰালভাৱে। বৰ্তমান মহাবিদ্যালয়কে ধৰি অন্যান্য শিক্ষানুষ্ঠানত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীৰ শিষ্টাচাৰহীন আচৰণ দেখিলে কেইটামান দশকৰ পূৰ্বে জন্মগ্ৰহণ কৰা অগ্ৰজসকল স্তম্ভিত হ'বলগা হয়। আনহাতেদি শৈক্ষিক ক্ষেত্ৰখনলৈ ৰাজনীতি সোমাই আহি শৈক্ষিক বাতাবৰণত ব্যাঘাত জন্মোৱাটোও যুৱ চামৰ মানসিকতাৰ অৱক্ষয়ৰ আন এটা কাৰণ। সম্প্ৰতি শিক্ষানুষ্ঠানসমূহৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনসমূহত বিভিন্ন ৰাজনৈতিক দল-সংগঠনৰ সমৰ্থন থাকে, এয়া কিন্তু পৱিত্ৰ শিক্ষানুষ্ঠান এটাৰ বাবে দুৰ্ভাগ্যজনক কথা। কিয়নো ইয়াৰ যোগেদি ছাত্ৰ-ছাত্ৰীসকলে কুটিল ৰাজনীতিৰ প্ৰদূষিত জ্ঞান শৈক্ষিক জগতখনতেই লাভ কৰে। উল্লেখনীয় যে, শিক্ষা ব্যৱস্থাত থকা আসন সংৰক্ষণ আৰু আৰ্থিক অনুদানৰ ব্যৱস্থাইও আন একাংশ মধ্যবিত্ত শ্ৰেণীৰ মেধা ছাত্ৰ-ছাত্ৰীক বঞ্চিত কৰা দেখা গৈছে।

স্বাধীনতাৰ আগৰ আৰু পিচৰ সময়ছোৱাত সন্মুখীন হোৱা কিছুমান অৱস্থাক সমাধান কৰাৰ পৰিপ্ৰেক্ষিতত সংৰক্ষণৰ প্ৰয়োজন আছিল কিন্তু বৰ্তমান এই ব্যৱস্থাৰ সংশোধনৰ প্ৰয়োজন হৈছে কাৰণ সমতাৰ বিপৰীতে বৈষম্যৰ সৃষ্টি হোৱাটো কাৰোৱে কাম্য নহয়।

এইদৰে উচ্চ শিক্ষাৰ ক্ষেত্ৰখনলৈ প্ৰত্যাহ্বানৰূপে আহি পৰিছে ইয়াৰ ব্যয়বহুলতা। এতিয়া মেধাৰ লগতে আৰ্থিকভাৱে স্বচ্ছল অথবা শক্তিশালীজনেহে উচ্চ শিক্ষা লাভৰ বাবে যোগ্য। উচ্চ শিক্ষাৰ অন্য এক আসোঁৱাহ হৈছে পৰীক্ষাৰ ফলাফলকেন্দ্ৰিক যোগ্যতা নিৰূপন ব্যৱস্থা। যিকোনো স্তৰৰে পৰীক্ষাসমূহত ভাল ফল দেখুৱাবলৈ সক্ষম নোহোৱা অথবা অকৃতকাৰ্য হোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যাই গৰিষ্ঠ সংখ্যক হয়। শিক্ষক-শিক্ষয়িত্ৰী আৰু সমাজৰ দৃষ্টিত তেওঁলোক অযোগ্য বিবেচিত হয়। তেনে ছাত্ৰ-ছাত্ৰী উচ্চ শিক্ষা লাভৰ পৰা বঞ্চিত হোৱাৰ লগে লগে কৰ্মসংস্থাপনৰ ক্ষেত্ৰটো অযোগ্য বিবেচিত হয়। শিক্ষা সংক্ৰান্তীয় বহুবোৰ আসোঁৱাহ সমীক্ষাই দাঙি ধৰি কৈছে যে, নিয়োগৰ ক্ষেত্ৰত স্নাতক ডিগ্ৰীধাৰীসকলৰ প্ৰায় ৪৮ শতাংশই কোনো এটা বিভাগতে নিযুক্তি পোৱাৰ যোগ্যতা অৰ্জন কৰিব পৰা নাই। ইংৰাজী ভাষা জ্ঞান, কম্পিউটাৰ জ্ঞানৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকল যথেষ্ট পিচপৰি আছে। অন্যহাতেদি বাকী ৫২ শতাংশই সূত্ৰভিত্তিক বা তত্বভিত্তিক প্ৰশ্নৰ উত্তৰ দিয়াৰ বিপৰীতে বিষয়বস্তুৰ লগত সৰ্ম্পকিত ভাষা জ্ঞান আৰু বাস্তৱ জীৱনৰ লগত লগত জড়িত বিষয়সমূহৰ প্ৰশ্ন সুধিলে ২৫ শতাংশই উত্তৰ দিব পাৰে আনসকলে অজ্ঞতাহে প্ৰকাশ কৰে। বিশেষকৈ সাহিত্য, সংস্কৃতি, ৰাজনীতি, সমাজনীতি আদি বিষয়বোৰো যেন তেওঁলোকৰ বাবে আচহুৱা হৈ পৰে। এই ক্ষেত্ৰত শিক্ষা বিভাগৰ প্ৰকৃত ফোপোলা স্বৰূপ ধৰা পৰি যোৱা নাইনে? অসমৰ লগতে ভাৰতৰ উচ্চ শিক্ষানুষ্ঠানসমূহৰ পৰা প্ৰতিবছৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীক যোগ্য কৰি তুলিব নোৱাৰাৰ বিপৰীতে কেৱল শিক্ষাৰ লগত জড়িত ব্যক্তিসকলে নিজৰ আৰ্থিক দিশ সবল কৰাৰ বাবে নেট-শ্লেট, পি এইচ ডি, গৱেষণা পত্ৰ প্ৰকাশ কৰি নিজে যোগ্য হোৱাৰ অৰ্থ থাকিল কি? গতিকে নিজৰ সমদৰ্শিতা, উৎকৰ্ষতা প্ৰদৰ্শনৰ লগতে ছাত্ৰ-ছাত্ৰীৰ মাজত থকা বিভিন্ন সমস্যাসমূহ নিৰ্মোহ বিশ্লেষণৰ যোগেদি শিক্ষক-শিক্ষয়িত্ৰীসকলে সমাধান কৰিবলৈ প্ৰচেষ্টা হাতত লোৱাটো অতন্ত্য জৰুৰী। কিয়নো বিজ্ঞানসন্মতভাৱে পৰীক্ষা-নিৰীক্ষা কৰি পৰীক্ষা পদ্ধতি, নতুন নতুন পাঠ্যক্ৰম, মূল্যায়নৰ প্ৰক্ৰিয়াসমূহৰ আসোঁৱাহ দূৰ কৰিব পাৰিলেহে সময়ত নিয়োগৰ বাবে যোগ্যতাসম্পন্ন প্ৰাৰ্থী ৰূপে যুৱ প্ৰজন্মক গঢ়ি তুলিব পাৰিব ই নিশ্চিত।

বিশ্বায়ন আৰু গোলকীকৰণৰ প্ৰভাৱত সহজলভ্য হৈ পৰা ইনটাৰনেট, ফেচবুক, টুইটাৰ, ওৱাটচপ আদি বৈদ্যুতিন মাধ্যমসমূহে একাংশ ছাত্ৰ-ছাত্ৰীক উশৃংখল আৰু বিপথগামী কৰি তুলিছে। কিয়নো বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ এই অভাৱনীয় আৱিষ্কাৰসমূহ ব্যৱহাৰ কৰি যুৱক-যুৱতীসকলে ইবিলাকত উপলব্ধ হোৱা অশালীন ধৰণৰ ছবি , চিনেমা আদি চাই বাস্তৱ ক্ষেত্ৰত প্ৰয়োগ কৰিব বিচৰাৰ ফলত সমাজত দিনক দিনে ধৰ্ষণ, হত্যা, অপহৰণ, চুৰি-ডকাইতি আদি অসামাজিক কাৰ্যকলাপসমূহ সমাজত বৃদ্ধি পাইছে আৰু সামাজিক পৰিৱেশো ক্ৰমান্বয়ে বিনষ্ট হৈছে। এনে এটা জটিল সমস্যা দেখা দিয়া সময়ত বৌদ্ধিক মহল আগবাঢ়ি আহি নৱ-প্ৰজন্মৰ মাজত এক নব্য বৌদ্ধিক জাগৰণ গঢ়ি তুলিবলৈ প্ৰচেষ্টা হাতত ল'ব লাগিব। মানসিক উৎকৰ্ষ সাধনৰ বাবে

গ্ৰন্থৰ প্ৰভাৱ অপৰিসীম। বৌদ্ধিক মহলে গ্ৰন্থ অধ্যয়নৰ আন্দোলন আৰম্ভ কৰাৰ যোগেদিয়েই নৱ-প্ৰজন্মক সংশোধন কৰক, তেতিয়াহে বিজ্ঞান-প্ৰযুক্তিবিদ্যাই কঢ়িয়াই অনা নিত্য নতুন কৌশলৰ পৰা ভালেখিনি প্ৰয়োগ কৰি শিক্ষাক বাস্তৱমুখীতাৰে নিজৰ জীৱনবোধ উপলব্ধি কৰিব। অচিৰেই কাৰ্যকৰী নহ'লে সময়ৰ পৰিৱৰ্তনৰ দ্ৰুতগতিত শীঘ্ৰেই ইনটাৰনেট আদিত উন্নত ধৰণৰ প্ৰযুক্তিৰ আহিলাই আমাৰ জীৱনৰ ব্যস্ততা অধিক কৰি তুলিব আৰু আৰু বহুতক ইয়াৰ অপব্যৱহাৰ, অপপ্ৰয়োগে জীৱন পৰিক্ৰমালৈ অমানিশা আন্ধাৰ নমাই আনিব ই ধ্ৰুৱপ।

সেয়ে মানুহৰ উত্তৰণৰ বাবে শৈক্ষিক ক্ষেত্ৰখনৰ বিকাশ, পৰিশোধন আৰু পৰিৱৰ্তন হোৱটো অত্যন্ত আৱশ্যক। আজিৰ বস্তুবাদী পৃথিৱীত জীয়াই থাকিবলৈ হ'লে বস্তুনিষ্ঠ শিক্ষাৰ আৱশ্যকতা হ'বই কিন্তু এজন ছাত্ৰ বা ছাত্ৰীক এটা পৰ্যায়ৰ কৰ্মসংস্থাপনৰ বাবে সাজু কৰাৰ লগে লগেই যদি মানুহ হোৱাৰ গুণগত মানখিনিও আহৰণ কৰোৱা হয়, তেনেহ'লে মানৱ সম্পদৰ উত্তৰণ ঘটাটো অৱশ্যম্ভাবী। কোৱা নিস্প্ৰয়োজন যে মানুহক ঐশ্বৰ্য আৰু কেৱল সফলতাই জীয়াই নাৰাখে। মানুহক জীয়াই ৰাখে মানুহৰ আদৰ্শগত জীৱনৰ পৰা লাভ কৰা ব্যক্তিত্বইহে। মানুহক পৰিশীলিতভাৱে জীয়াই থাকিবলৈ হ'লে সুস্থ সমাজ, সুস্থ বাতাবৰণ আৰু এটা সুস্থ মনৰ প্ৰয়োজন। গতিকে উচ্চ ডিগ্ৰীধাৰী মানুহ সৃষ্টি কৰাৰ লগতে উচ্চ চিন্তা-চৰ্চা, মানৱতাবাদী দৃষ্টিভংগী থকা মানুহ সৃষ্টিত শিক্ষানুষ্ঠানসমূহে অৰিহণা যোগাব লাগিব। দিনক দিনে আমাৰ সমাজত উচ্চ হাৰত শিক্ষানুষ্ঠান বৃদ্ধি হোৱা পৰিলক্ষিত হৈছে। সেই অনুপাতে শিক্ষিত মানুহৰ সংখ্যাও সমাজত বৃদ্ধি হৈছে। বৃদ্ধি হৈছে অসামাজিক কাৰ্যত লিপ্ত হোৱা এচাম শিক্ষিত মানুহৰ। কাৰণ অসামাজিক কাৰ্যকলাপ, অসামাজিক আচৰণসমূহ সমাজৰ বৃহৎ অংশ আগুৰি থকা সাধাৰণ মানুহে দেখুৱাব নোৱাৰে আৰু তেওঁলোকে সমাজৰ বৃহৎ ক্ষতিও কৰিব নোৱাৰে। সেয়ে উদ্বেজনকভাৱে মানৱীয় প্ৰমূল্যবোধ থকা ব্যক্তিৰ সংখ্যা ক্ৰমান্বয়ে কমি যোৱাৰ প্ৰতি লক্ষ্য ৰাখি সাম্প্ৰতিক শিক্ষা ব্যৱস্থাক পুনৰ পৰিশোধন কৰাৰ আৱশ্যকতা আহি পৰিছে।

◆◆◆

# সোঁৱৰণীৰ পৃষ্ঠাত
# ড° সুখ বৰুৱা




স্বামী বিনন্দ বৰুৱা সৈতে ড° সুখ বৰুৱা কিছু অন্তৰংগ মুহূৰ্ত্ব



স্বামী বিনন্দ বৰুৱা, ডাঙৰ পুত্ৰ ড° শ্যামল বৰুৱা, সৰু পুত্ৰ উজ্জ্বল বৰুৱা আৰু
একমাত্ৰ জী লিপি বৰুৱাৰ স'তে সৈতে ড° সুখ বৰুৱা



স্বামী বিনন্দ বৰুৱা, ডাঙৰ পুত্ৰ ড° শ্যামল বৰুৱা, ডাঙৰ বোৱাৰী ৰ'জী বৰুৱা,
সৰু পুত্ৰ উজ্জ্বল বৰুৱা, সৰু বোৱাৰী প্ৰীয়ংকা বৰুৱা,
নাতি ৰীত, লী আৰু নাতিনী মৌৰ স'তে ড° সুখ বৰুৱা




স্বামী বিনন্দ বৰুৱা, ডাঙৰ নাতি ৰীত, সৰু নাতি লী, ডাঙৰ নাতিনী মৌ আৰু
সৰু নাতিনী গুণগুণৰ স'তে ড° সুখ বৰুৱা



জী লিপি বৰুৱা, জোঁৱাই হেমেন ডেকা আৰু নাতিনী গুণগুণ




স্বামী বিনন্দ বৰুৱাৰ স'তে ড° সুখ বৰুৱা মৰাণ প্ৰেছ ক্লাৱৰ এটি অনুষ্ঠানত



মৰাণ মহিলা মহাবিদ্যালয় প্ৰতিষ্ঠা কালৰ ৰাজহুৱা সভাত ভাষণৰত অৱস্থাত
ডº সুখ বৰুৱাৰ এটি আলোকচিত্ৰ



সপোনৰ মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰি প্ৰথম পকীঘৰ — কাৰ্যালয়ৰ সন্মুখত
ডº সুখ বৰুৱা




ড° কৰবী ডেকা হাজৰিকা আৰু মহাবিদ্যালয়ৰ প্ৰথেম বেষ্টৰ ছাত্ৰীসকলৰ স'তে ড° সুখ বৰুৱা




ঘৰৰ অধ্যয়ন কক্ষত ড° সুখ বৰুৱা

মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী বৰ্ষত ড° সুখ বৰুৱাক মৰাণ মহিলা মহাবিদ্যালয়লৈ আদৰি অনা কিছু দৃশ্য

















বৰ্তমানৰ অধ্যক্ষা জয়শ্ৰী ফুকনৰ আৰু প্ৰাক্তন ছাত্ৰীসকলৰ পৰা সম্বৰ্ধনা গ্ৰহণৰ সময়ত ড° সুখ বৰুৱা



অসম চৰকাৰৰ চন্দ্ৰপ্ৰভা শইকীয়ানী বঁটা গ্ৰহণ কৰাৰ প্ৰাক্‌ক্ষণত সতীৰ্থৰ স'তে ড° সুখ বৰুৱা



CITY

THE

The Chandraprabha Saikiani and Amalprabha Das awards of the Assam Government being presented to Minakshee Bhuyan, Dr Sukh Baruah, Eli Ahmed and Miladoi Medak at a function at Rabindra Bhawan in Guwahati on Wednesday. – AT photo

**Workshop**

STAFF REPORTER

GUWAHATI, March 4 – The Guwahati Management Association, in collaboration with Entrepreneurship Develop-

**Leadership programme**

STAFF REPORTER

GUWAHATI, March 4 – A three-day Healthcare Leadership Development Pro-

munication strategy and innovation of smart leaders, said a statement. The objective of the programme is to impart management education to the clini-

**Special status**

GUW... Assam Legislative Assembly today unanimously passed and adopted a resolution that the State Government would

08/03/2015




বীৰাংগণা মূলাগাভৰু বঁটা গ্ৰহণৰ অনুষ্ঠানত ড° সুখ বৰুৱা






মৰাণ শাখা লেখিকা সমাৰোহ সমিতি, মৰাণ আঞ্চলিক মহিলা মঞ্চ সংঘমিত্ৰা আৰু মৰাণ শাখা কৰ্মচাৰী সন্থাৰ সৌজন্যত আয়োজিত ৰাজহুৱা সম্বৰ্ধনা অনুষ্ঠানত সম্বৰ্ধিত ব্যক্তি হিচাপে বিশিষ্ট ব্যক্তিসকলৰ স'তে ড° সুখ বৰুৱা।




কাজিৰঙাত অনুষ্ঠিত এটি আলোচনা চক্ৰত বিশিষ্ট ব্যক্তিসকলৰ স'তে ড° সুখ বৰুৱা।




মৰাণ মহাবিদ্যালয়ত অনুষ্ঠিত লেখিকা সমাৰোহ সমিতিৰ এটি অনুষ্ঠানত ড° সুখ বৰুৱা






গুৱাহাটীৰ কটন বিশ্ববিদ্যালয়ত অনুষ্ঠিত সাহিত্য অকাডেমিৰ এক আলোচনা চক্ৰত বিশিষ্ট ব্যক্তিসকলৰ স'তে ড° সুখ বৰুৱা।




পূৰ্বাঞ্চল টাই সাহিত্য সভাৰ ৩৪ তম অধিবেশনত বিশিষ্ট ব্যক্তিসকলৰ স'তে ড° সুখ বৰুৱা।




ধেমাজিত অনুষ্ঠিত জাতীয় চেতনা দিৱসত ড° সুখ বৰুৱা




জাগীৰোডত অনুষ্ঠিত আইদেউ সন্দিকৈ বঁটা প্ৰদান অনুষ্ঠানত বিশিষ্টসকলৰ স'তে ড° সুখ বৰুৱা




মৰাণ খট্‌খটী চাহ বাগিছাৰ এটি অনুষ্ঠানত বিশিষ্ট ব্যক্তিসকলৰ স'তে ড° সুখ বৰুৱা।



মৰাণ মহিলা মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী অনুষ্ঠানত ভাষণৰত অৱস্থাত ড° সুখ বৰুৱা।



মৃত্যুৰ দুমাহৰ আগতে একমাত্ৰ জী- লিপিৰ স'তে তোলা ড° সুখ বৰুৱাৰ ফটো।




ড° সুখ বৰুৱাৰ প্ৰকাশিত গ্ৰন্থ সম্ভাৰ।

প্ৰকাশৰ পথত আধৰুৱা হৈ থাকিল —






ড° সুখ বৰুৱাই শেষ নিশ্বাস ত্যাগ কৰাৰ কিছু মুহূৰ্ত্তৰ পাছত...







বাহিৰলৈ অনাৰ পিছত ...

## মৰাণ মহিলা মহাবিদ্যালয়ত ড° সুখ বৰুৱালৈ জনোৱা ৰাজহুৱা শ্ৰদ্ধাঞ্জলী অনুষ্ঠানৰ দৃশ্য















## মৰাণ মহিলা মহাবিদ্যালয়ত ড° সুখ বৰুৱালৈ জনোৱা ৰাজহুৱা শ্ৰদ্ধাঞ্জলী অনুষ্ঠানৰ দৃশ্য









# মৰাণ মহিলা মহাবিদ্যালয়ত ড° সুখ বৰুৱালৈ জনোৱা ৰাজহুৱা শ্ৰদ্ধাঞ্জলী অনুষ্ঠানৰ দৃশ্য











## মৰাণ মহিলা মহাবিদ্যালয়ত ড° সুখ বৰুৱালৈ জনোৱা ৰাজহুৱা শ্ৰদ্ধাঞ্জলী অনুষ্ঠানৰ দৃশ্য











# মৰাণ মহিলা মহাবিদ্যালয়ত ড° সুখ বৰুৱালৈ জনোৱা ৰাজহুৱা শ্ৰদ্ধাঞ্জলী অনুষ্ঠানৰ দৃশ্য













# মৰাণ মহিলা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষা ড° সুখ বৰুৱাৰ মৃত্যুত মহাবিদ্যালয়ৰ পৰিয়াল বৰ্গই অনুষ্ঠিত কৰা শোকসভাৰ দৃশ্য








ড° সুখ বৰুৱাৰ মৃত্যুৰ বাতৰি পাই পৰিয়ালক দেখা কৰিবলৈ অহা বিশিষ্ট ব্যক্তিসকল



মাননীয় সাংসদ শ্ৰীযুত তপন গগৈ ডাঙৰীয়া
আৰু সোণাৰীৰ বিধায়ক শ্ৰীযুত ধৰ্মেশ্বৰ কোঁৱৰ ডাঙৰীয়া




অসম জাতীয় পৰিষদৰ সভাপতি শ্ৰীযুত লুৰিণজ্যোতি গগৈ দাঙৰীয়া

ড° সুখ বৰুৱাৰ মৃত্যুৰ বাতৰি পাই পৰিয়ালক দেখা কৰিবলৈ অহা
বিশিষ্ট ব্যক্তিসকল




বিৰোধী দলপতি শ্ৰীযুত দেৱব্ৰত শইকীয়া আৰু তেখেতৰ পৰিবাৰ



অন্তিম শয়নত ড° সুখ বৰুৱা

# ড° সুখ বৰুৱাৰ মৃত্যুৰ খবৰ প্ৰকাশিত বিভিন্ন কাকতসমূহ

# শিক্ষাবিদ, সাহিত্যিক ড° সুখ বৰুৱাৰ বিয়োগ



**মৰাণ মহিলা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষাৰ মৃত্যুত শোক**

প্ৰতিবেদক, মৰাণ, ৩ ছেপ্টেম্বৰ ঃ অসম চৰকাৰৰ চন্দ্ৰপ্ৰভা শইকীয়ানী বঁটাপ্ৰাপক, সাহিত্যিক পেঞ্চনাৰপ্ৰাপ্ত বিশিষ্ট লেখিকা, শিক্ষাবিদ তথা সদৌ অসম লেখিকা *৬ পৃষ্ঠাত*

## শিক্ষাবিদ, সাহিত্যিক ড° সুখ বৰুৱাৰ বিয়োগ

সমাৰোহ সমিতিৰ প্ৰাক্তন সভানেত্ৰী ড° সুখ বৰুৱা আৰু নাই। বৃহত্তৰ মৰাণ অঞ্চলৰ স্ত্ৰী শিক্ষাৰ বাটকটীয়া, ১৯৯২ চনত স্থাপিত মৰাণ মহিলা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষা ড° সুখ বৰুৱাৰ আজি মৰাণ উষাপুৰস্থিত নিজা বাসগৃহত বাৰ্ধক্যজনিত ৰোগত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৭ বছৰ। ১৯৪৬ চনৰ ৩১ ডিচেম্বৰত শিৱসাগৰ জিলাৰ বেতবাৰীত জন্মগ্ৰহণ কৰা ড° সুখ বৰুৱাই ১৯৬৮ চনত বেতবাৰী আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ত প্ৰতিষ্ঠাপক প্ৰধান শিক্ষয়িত্ৰী হিচাপে কৰ্মজীৱন আৰম্ভ কৰিছিল। পিছত বৈবাহিক সূত্ৰে মৰাণলৈ আহি ১৯৭৩ চনত মৰাণ বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ত সহঃ শিক্ষয়িত্ৰী হিচাপে যোগদান কৰা সুখ বৰুৱাই ১৯৯২ চনত মৰাণ মহিলা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষা হিচাপে যোগদান কৰে। ২০১৩ বৰ্ষলৈকে শিক্ষানুষ্ঠানখনৰ দায়িত্বত থকা সুখ বৰুৱা মৰাণ অঞ্চলৰ কেইবাটাও ৰাজহুৱা অনুষ্ঠান আৰু শিক্ষানুষ্ঠানৰ প্ৰতিষ্ঠাৰ লগত জড়িত আছিল। একেদৰে ২০১৪ চনৰ পৰা ২০১৬ চনলৈ সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰীৰ দায়িত্বত থকা সুখ বৰুৱা অসম সাহিত্য সভা, সদৌ অসম মহিলা কবি মঞ্চ, পূৰ্বাঞ্চল টাই সাহিত্য সভা, মৰাণ আঞ্চলিক মহিলা মঞ্চ আদিৰ সৈতেও জড়িত আছিল। সমান্তৰালভাৱে কেইবাখনো কবিতা, গল্প, প্ৰবন্ধ সংকলন, জীৱনীমূলক গ্ৰন্থৰ প্ৰণেতা সুখ বৰুৱাই ২০১৩ চনত অসম চৰকাৰৰ সাহিত্য বঁটা, ২০১৪ চনত সাহিত্যিক পেঞ্চন, ২০১৫ চনত অসম চৰকাৰৰ চন্দ্ৰপ্ৰভা শইকীয়ানী বঁটা, ২০১৭ চনত টাই আহোম যুৱ পৰিষদৰ দ্বাৰা বীৰাংগনা মূলাগাভৰু বঁটা লাভ কৰিছিল। একেদৰে বিভিন্ন জাতীয় সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানে বিভিন্ন বিভিন্ন সময়ত ড° বৰুৱাক 'ৰত্নগৰ্ভা', 'মৰাণ কুঁৱৰী', 'কৰ্মযোগী', 'প্ৰেৰণাময়ী', 'মহীয়সী', 'হাৱৰুনী ফামে' (বোকাৰে পদুম), 'জাচিংফা' আদি উপাধিৰে বিভূষিত কৰিছে। ড° সুখ বৰুৱাৰ ৰচিত গ্ৰন্থসমূহৰ ভিতৰত গৱেষণা গ্ৰন্থ— 'আহোমসকলৰ উৎসৱ-অনুষ্ঠান'ৰ উপৰি প্ৰবন্ধ সংকলন 'বুৰঞ্জীয়ে পৰশা মধ্যযুগৰ সোণালী সুবাস', 'টাই আহোমসকলৰ স্বকীয় ধৰ্মীয় পৰম্পৰা', 'টাই আহোমসকলৰ ঋতুকালীন উৎসৱ-অনুষ্ঠান', 'প্ৰবন্ধ সমীকৰণ', 'চিন্তা তৰংগ', 'শতাব্দীৰ লেখিকা', কাব্য গ্ৰন্থ 'শব্দৰ স'তে আলাপ', 'দুৱৰীত নিয়ৰৰ মুকুতা সৰে', 'শব্দ শিল্প', একমাত্ৰ গল্প সংকলন 'অপৰাজেয়' প্ৰকাশ কৰাৰ লগতে প্ৰবন্ধ সংকলন অগ্নিস্নাতা চন্দ্ৰপ্ৰভা আৰু প্ৰবন্ধ সৌৰভ গ্ৰন্থ দুখন ছপাশালত আছে। প্ৰগতিশীল নাৰীবাদী লেখিকা, সমাজকৰ্মী হিচাপেও সুনাম থকা ড° সুখ বৰুৱাৰ মৃত্যুত মৰাণত গভীৰ শোকৰ ছাঁ পৰিছে। ড° বৰুৱাৰ মৃত্যুত মৰাণ শাখা সাহিত্য সভা, মৰাণ কবি চক্ৰ, লেখিকা সমাৰোহ সমিতি, আছুৰ মৰাণ আঞ্চলিক সমিতি, সদৌ অসম গ্ৰাম্য সাংবাদিক সন্থা, মৰাণহাট প্ৰেছ ক্লাব, মৰাণ মহকুমা সাংবাদিক মঞ্চ, মৰাণ প্ৰেছ ক্লাব, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে।

### সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ প্ৰাক্তন সভাপতি ড° সুখ বৰুৱাৰ বিয়োগত দল-সংগঠনৰ শোক

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী ঃ** সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ প্ৰাক্তন সভাপতি, মৰাণ মহিলা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক তথা প্ৰাক্তন অধ্যক্ষ, চন্দ্ৰপ্ৰভা শইকীয়ানী বঁটাপ্ৰাপক, সাহিত্যিক পেঞ্চনাৰ ড° সুখ বৰুৱাৰ বিয়োগত দল-সংগঠনে গভীৰ শোক প্ৰকাশ কৰিছে। এক শোকবাৰ্তাত বহ্নবাক্‌ৰ প্ৰধান সম্পাদক দীপক শৰ্মাই কয়— নাৰী শিক্ষাৰ ক্ষেত্ৰত ড° বৰুৱাই অগ্ৰণী ভূমিকা লৈছিল। সমাজৰ সকলো স্তৰৰ মানুহৰ স'তে আছিল সদ্ভাৱ, সদপ্ৰীতি। মফঃস্বলীয় লেখিকাসকলক আগবঢ়াই নিয়াৰ বাবেও অহোপুৰুষাৰ্থ কৰিছিল। বিশিষ্টা লেখিকা-শিক্ষাবিদ ড° সুখ বৰুৱাৰ বিয়োগতঅখিল ভাৰতীয় সাহিত্য পৰিষদৰ গুৱাহাটী জিলা সমিতিৰ সভাপতি নিশুতি মজুমদাৰ, পৰিষদৰ অসম প্ৰদেশ কমিটীৰ প্ৰাক্তন সচিব প্ৰধান কমল কলিতা, মহাপুৰুষ শ্ৰীশ্ৰী হৰিদেৱৰ জীৱন-দৰ্শন অধ্যয়ন সমিতি, অসমৰ সভাপতি ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, নাথ সাহিত্য সভাৰ সভাপতি ড° হৰ কুমাৰ নাথ, সদৌ অসম মহিলা কৰ্মচাৰী সন্থাৰ সহকাৰী সম্পাদক মীনাক্ষী সিনহা, নতুন সাহিত্য পৰিষদৰ কাৰ্যলয় সম্পাদক ভব ডেকা, বিশিষ্ট কবি-গীতিকাৰ শচীন দাস, অসম সাহিত্য সভাৰ সাংস্কৃতিক উপ-সমিতিৰ কাৰ্যকৰী সভাপতি দেবেন্দ্ৰনাথ বসুমতাৰী, আহ্বায়ক অৱনী ৰঞ্জন পাঠক, বিষ্ণুপ্ৰিয়া মণিপুৰী সাহিত্য পৰিষদৰ সভাপতি দিলস লক্ষ্মীন্দ্ৰ সিংহ, বৰাক উপত্যকাৰ শিলচৰৰ বয়োজ্যেষ্ঠ লেখিকা মঞ্জু সিনহা, মানুহ আৰু পৰিবেশ, অসমৰ সভাপতি কমল চন্দ্ৰ মেধি, দক্ষিণ কামৰূপ সচেতন মঞ্চৰ অধ্যক্ষ মদন দাস, অসম শিশু সাহিত্য সমাজ, পৰাগজ্যোতি প্ৰকাশন, স্বেচ্ছাসেৱী অনুষ্ঠান বং আদি দল-সংগঠনে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গৰ প্ৰতি সমবেদনা জ্ঞাপন কৰে।

২ ঘণ্টাৰ বাবে মৰাণত ব্যৱসায়িক প্ৰতিষ্ঠান বন্ধ কৰি শ্ৰদ্ধা নিবেদন

## শিক্ষাবিদ ড° সুখ বৰুৱাৰ বিয়োগত দল-সংগঠনৰ শোক

## ড° নগেন শইকীয়া ছাৰে দৈনিক জনমভূমিৰ 'দৃষ্টিপাত' শিতানত 'আলহীৰ ঘৰ এই দেহাখনি'ৰে ড° সুখ বৰুৱালৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে...

যোৰহাট, মঙলবাৰ, ১৮ ভাদ, ১৯৪৫ শক

দৈনিক জনমভূমি ৫২ সংখ্যক বছৰ, সংখ্যা ৯৬

৫২ সংখ্যক বছৰ ● সংখ্যা

### দৃষ্টিপাত

নগেন শইকীয়া

# আলহীৰ ঘৰ এই দেহাখনি



আমি প্ৰত্যেকেই জন্মৰ লগে লগে লগত লৈ আহিছোঁ মৃত্যুৰ পৰোৱানাখনি। তথাপি সেই কথা জানিলেও, মৃত্যু অৱশ্যম্ভাৱী বুলি জানিলেও আমি দুখত কাতৰ নোহোৱাকৈ

১০ পিঠিলৈ

এক পিঠিৰ পৰা

## আলহীৰ ঘৰ এই দেহাখনি

থাকিব নোৱাৰোঁ। প্ৰায় এমাহ ভেকমাহৰ ভিতৰত আমাৰ অসমৰো নগৰে-চহৰে, গাঁৱে-ভুঞে, অনেক মানুহ চিৰদিনলৈ গুচি গৈছে। তাৰে যিজনৰ সামাজিক, মানসিক, পাৰিবাৰিক সম্পৰ্ক যাৰ লগত থাকে তেওঁৰ বাবে তেনেজনৰ মৰণৰ বাতৰি নিঃসন্দেহে দুখদায়ক হৈ পৰে। সমাজৰ প্ৰতি আৰু ভাষাৰ প্ৰতি, বিশেষকৈ অসমীয়া আৰু ইংৰাজী ভাষাৰ ব্যৱহাৰৰ শুদ্ধতাৰ প্ৰতি দায়বদ্ধ অধ্যাপক দেৱেন দত্ত চিৰদিনলৈ গ'লগৈ। বকুল বনৰ কবি আনন্দচন্দ্ৰ বৰুৱাৰ জ্যেষ্ঠ পুত্ৰ যাৰ যত্নত কবিৰ ৰচনাৱলী প্ৰকাশিত হৈ ওলাল আৰু লোকসংস্কৃতিৰ বাবে বঁটা প্ৰদানৰ এটি ধাৰাৰ আৰম্ভণি ঘটিল, মোৰ ভাতৃপ্ৰতিম পংকজ বকুল বৰুৱা আকস্মিকভাৱে গ'লগৈ। অসমৰ বিশেষকৈ অৰ্থনৈতিক অৱস্থা, সমস্যাৰ অবিৰাম তথ্য আৰু যুক্তিভিত্তিক বিচাৰ বিশ্লেষণ কৰি থকা অনন্ত কলিতাৰ মৃত্যুৰ সংবাদ হ'ব এক সহজে পূৰাব নোৱৰা ক্ষতি।

যেতিয়া ৩ চেপ্টেম্বৰৰ দিনা অসমীয়া ভাষা, সাহিত্য, সংস্কৃতিৰ প্ৰতি আৰু বিশেষভাৱে শৈক্ষিক বিকাশ আৰু বিস্তাৰৰ প্ৰতি অকৃত্ৰিমভাৱে দায়বদ্ধ, মৰাণ ছোৱালী কলেজৰ ঘাই প্ৰতিষ্ঠাতা আৰু অধ্যক্ষা, লেখিকা সমাৰোহৰ প্ৰাক্তন সভানেত্ৰী, মোৰ একপ্ৰকাৰ সাহিত্যিক ভগ্নীস্বৰূপা ড° সুখ বৰুৱাই শেষ নিশ্বাস পেলালে বুলি গম পালোঁ, মই বহু সময় স্তব্ধ থকাৰ বাহিৰে আন একো কৰিব পৰা নাছিলোঁ। নিজৰ শৰীৰৰ অসুস্থতাকো নেওচা দি বাজহুৱা জীৱনৰ বিশেষকৈ ভাষা-সাহিত্যৰ চিন্তাশীল কৰ্মৰ প্ৰতি আন্তৰিকভাৱে উছৰ্গিত প্ৰাণৰ এইগৰাকী ব্যক্তিৰ মহাপ্ৰয়াণ আমাৰ শৈক্ষিক তথা সামাজিক জীৱনৰ বাবে এটি অপূৰণীয় ক্ষতি বুলি অনুভৱ কৰোঁ।

যিসকলে ড° সুখ বৰুৱাক জানিছিল, তেওঁবিলাকে এই কথাও জানে যে কি অফুৰন্ত ইচ্ছাশক্তিৰ বলত তেওঁ নেতৃত্ব দি মৰাণৰ ছোৱালী মহাবিদ্যালয় নিজ হাতেৰে গঢ়ি তুলিলে। য'তেই তেওঁ হাত দিছিল, সেইকাম সম্পূৰ্ণ নকৰালৈকে তেওঁ ক্ষান্ত হোৱা নাছিল। তেওঁ নিজৰ অন্তৰৰ ইচ্ছাৰ বলেৰেই নিজৰ শৈক্ষিক যাত্ৰাপথ নিজেই সুদৃঢ়কৈ গঢ়ি তুলিছিল। অসমীয়া ভাষা-সাহিত্যৰ পুৰোধা লেখক-লেখিকাসকলৰ প্ৰতি পোষণ কৰিছিল এক গভীৰ আত্মীয়তা। স্কুলীয়া জীৱনৰ পৰাই সামাজিক কাম-কাজত জড়িত হৈ প্ৰথমে শিক্ষয়িত্ৰী স্বৰূপেই বেতবাৰী বালিকা উচ্চ মাধ্যমিক বিদ্যালয় স্থাপন কৰি শিক্ষাদান কৰিছিল। তাৰ পিছত মৰাণ বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ত কাম কৰাৰ পিছত ১৯৯২ খ্ৰীষ্টাব্দত মৰাণ মহিলা মহাবিদ্যালয় স্থাপন কৰে। এই মহাবিদ্যালয়ত ২২ বছৰ কাল অধ্যক্ষাস্বৰূপে দায়িত্বত থাকি এই মহাবিদ্যালয় উজনি অসমৰ এখন গুৰুত্বপূৰ্ণ মহাবিদ্যালয়লৈ ৰূপান্তৰ কৰিলে। কেৱল সেয়ে নহয় ড° সুখ বৰুৱা সমগ্ৰ অঞ্চলটোত বিভিন্ন বিদ্যালয়-মহাবিদ্যালয় পৰিচালনা আৰু উন্নয়নৰ লগত গভীৰভাৱে জড়িত হৈ আছিল। ড° সুখ বৰুৱাই 'আহোমসকলৰ উৎসৱ-অনুষ্ঠান' এই বিষয়ত গৱেষণা কৰি ডক্টৰেট উপাধি লাভ কৰাৰ উপৰিও প্ৰায় ১২ খন গ্ৰন্থৰ ৰচনা আৰু সম্পাদনা কৰি গৈছে। তাৰ মাজতে নিজৰ গল্প সংগ্ৰহ আৰু কবিতা সংগ্ৰহো আছে। এইগৰাকী শিক্ষা, সাহিত্য, সমাজ আৰু জাতীয় জীৱনৰ প্ৰতি দায়বদ্ধ। ড° সুখ বৰুৱাৰ বিভিন্ন কৃতকৰ্মৰ বাবে শতাধিক অনুষ্ঠান-প্ৰতিষ্ঠানে বিভিন্ন সময়ত সম্বৰ্দ্ধনা প্ৰদান কৰিছে আৰু বঁটা প্ৰদান কৰিছে। তদুপৰি ড° সুখ বৰুৱাৰ গুণগ্ৰাহীসকলে তেখেতক সম্বৰ্দ্ধনা জনাই প্ৰকাশ কৰা 'ৰত্নগৰ্ভা' নামেৰে প্ৰায় ছশ শতাধিক পৃষ্ঠাৰ এখন অভিনন্দন গ্ৰন্থৰে সন্মান জনোৱা অনুষ্ঠানত মই নিজেও উপস্থিত আছিলোঁ।

ড° বৰুৱাৰ স্বামী শ্ৰীযুত বিনন্দ বৰুৱা ডাঙৰীয়াই বিদ্যালয়ৰ পৰিদৰ্শকস্বৰূপে অৱসৰ গ্ৰহণ কৰি পুত্ৰ-কন্যা, নাতি-নাতিনীৰে ভৰা এখন অতি সুখী পৰিয়ালৰ মুৰব্বীস্বৰূপে পত্নীৰ সৈতে অৱসৰৰ জীৱন-যাপন কৰি থকাৰ সময়তে তেখেতৰ পত্নী বিয়োগৰ শোক পাবলগীয়া হ'ল। শ্ৰীযুত বৰুৱা নিজেও অতি নম্ৰ আৰু সকলো দিশৰ পৰা নিকা ব্যক্তি। তদুপৰি অসমীয়া ভাষা-সাহিত্যৰ প্ৰতি আৰু মহাপুৰুষ শঙ্কৰদেৱকে ধৰি আমাৰ অসমৰ জাতীয় জীৱনৰ মহাপ্ৰাণসকলৰ প্ৰতি অন্তৰত গভীৰ শ্ৰদ্ধা পোষণ কৰি থকা ব্যক্তি। মই তেখেতকো বৰ ওচৰৰ পৰা পাই আহিছোঁ। পুত্ৰ-কন্যাসকল কিছু দূৰে দূৰে থাকিও পিতৃ-মাতৃৰ প্ৰতি যথাযোগ্য কৰ্তব্য পালন কৰি আহিছে। এনে এটি আদৰ্শ পৰিয়ালৰ ধৰণীস্বৰূপা ড° সুখ বৰুৱাৰ মহাপ্ৰয়াণে যে পৰিয়ালত এটা শূন্যতাৰ সৃষ্টি কৰিছে সেই সম্পৰ্কে কোনো সন্দেহ নাই। মই ড° সুখ বৰুৱাৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলোঁ। আশা কৰিছোঁ তেখেতৰ স্মৃতি অনেকৰ বাবে এটি আদৰ্শ হৈ থাকিব। ওমৰ থাৰ্মমে ক'বৰ দৰে, "আলহীৰ ঘৰ এই দেহাখনি/ ক্ষন্তেকৰ মাথোঁ জিৰণি ঠাই,/ মৰণৰ শিঙা বাজিলে এবাৰ/নিজৰ বাটেদি আলহী যায়"।

লেখকৰ ফ'ন: ৯৪৩৫০-৩০৩৪০

মৰাণ মহিলা মহাবিদ্যালয় প্ৰতিষ্ঠা কালত সেই সময়ৰ স্থানীয় বিধায়ক
প্ৰয়াত লক্ষী প্ৰসাদ বৰগোঁহাই, সম্পাদক প্ৰয়াত ড° প্ৰদীপ হাজৰিকা
সহযোগী ড° যতীন চুতীয়া আৰু মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গৰ স'তে ড° সুখ বৰুৱা





এইখিনি ঠাইতেই জন্ম হৈছিল মৰাণ মহিলা মহাবিদ্যালয়
সেই সময়ৰ সহযোগীসকল স'তে ড° সুখ বৰুৱা



এসময়ৰ মৰাণ মহিলা মহাবিদ্যালয় পৰিচালনা সমিতি






স্বামীৰ সৈতে কোনোবা এটা মধুৰ ক্ষণত  ড° সুখ বৰুৱা





"জীৱনজয়ী চন্দ্ৰপ্ৰভা শইকীয়ানী" গ্ৰন্থখন প্ৰস্তুত কৰোতে ক্ষেত্ৰ অধ্যয়নৰ বাবে চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে বসবাস কৰা কামৰূপ জিলাৰ বজালী অঞ্চলৰ এখন অতি পিছপৰা গাঁও— দৈশিঙ্গিৰীলৈ যাওঁতে তেখেতৰ পৰিয়াল আৰু প্ৰতিমূৰ্ত্তিৰ কাষত ড° সুখ বৰুৱা









মৰাণ মহিলা মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ “প্ৰজ্ঞাশ্ৰী”
উন্মোচনৰ সময়ত ড° সুখ বৰুৱা















‘ৰত্নগৰ্ভা ড° সুখ বৰুৱা’ অভিনন্দন গ্ৰন্থ উন্মোচনী সভাত

# ৰত্নপ্ৰভা
# ড° সুখ বৰুৱা
## ব্যক্তিত্ব, সৃষ্টি আৰু সান্নিধ্য




ঃ সম্পাদনা ঃ

অৰুণ বৰুৱা